কনকলাল বৰুৱা

জন্ম ১৬ ডিচেম্বৰ ১৮৭২ চন মৃত্যু ৮ জানুৱাৰী ১৯৪০ চন

কনকলাল বৰুৱা ৰচনাৱলী

সংকলয়িতা-সম্পাদক

নন্দ তালুকদাৰ

DISTRICT LIBRARY
GAUHATI.

১৯৭৩

অসম সাহিত্য সভা

কনকলাল বৰুৱা জন্মশতবাৰ্ষিকী উছৱ সমিতি

গুৱাহাটী, অসম

KANAKLAL BARUWA-RACHAṄAVALI, a collection of writings of the late Rai Bahadur Kanaklal Barua in Assamese, edited by Prof Nanda Talukdar, published by Kanaklal Barua Birth Centenary Celebration Committee on behalf of Asam Sahitya Sabha, Gauhati, January 1973

প্ৰকাশক ঃ
কনকলাল বৰুৱা জন্মশতবাৰ্ষিকী উৎসৱ সমিতি,
অসম সাহিত্য সভা
ভগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী, অসম

বেচ—দহ টকা।

ছপাশাল ঃ
শ্ৰীগুৰু প্ৰেছ ॥ গুৱাহাটী-১১

প্ৰকাশনৰ মুখকথা

অসমৰ বুৰঞ্জী আৰু প্ৰত্নতত্ত্বৰ দুৱাৰ মুকলি কৰোঁতাসকলৰ অন্যতম, কামৰূপ অনুসন্ধান সমিতি আৰু অসম ৰাজ্যিক সংগ্ৰহালয়ৰ প্ৰধান খুঁটি ধৰোঁতা আৰু অসম সাহিত্য সভাৰ ষষ্ঠ বাৰ্ষিক সন্মিলনৰ সভাপতি কনকলাল বৰুৱাৰ জন্মৰ শতেক বৰ্ষ পূৰ্ণ হৈছে ১৯৭২ চনৰ ১৬ ডিচেম্বৰ তাৰিখে। এই উপলক্ষে অসম সাহিত্য সভাই বৰুৱাৰ জন্মস্থান আৰু প্ৰধান কৰ্মভূমি গুৱাহাটীত বৰুৱাৰ জন্ম-শতবাৰ্ষিকী উৎসৱ কেন্দ্ৰীয়ভাৱে পালন কৰিবলৈ সিদ্ধান্ত কৰে। সেই উদ্দেশ্যে সভাই ডক্টৰ মহেশ্বৰ নেওগদেৱক সভাপতি, আমাৰে দুজনক মুঠীয়া সম্পাদক আৰু গুৱাহাটীৰ কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সদস্য হিচাপে লৈ এখনি উৎসৱ সমিতি গঠন কৰি দিয়ে।

কনকলাল বৰুৱাৰ ঐতিহাসিক জীৱনৰ কীৰ্তিস্তম্ভ Early History of Kamarupa যদিও, অসম আৰু বাহিৰৰ বিভিন্ন গৱেষণা-পত্ৰিকাত প্ৰকাশিত অসমৰ সাহিত্য, ধৰ্ম আৰু বিশেষকৈ বুৰঞ্জী আৰু প্ৰত্নতত্ত্ব-বিষয়ক প্ৰবন্ধৰাজিয়ে বৰুৱাৰ স্বদেশ-প্ৰীতি, তত্ত্বানুসন্ধিৎসা আৰু পাণ্ডিত্যৰ পৰিচয় দিয়ে। তদুপৰি ১৯২৪ চনত ডিব্ৰুগড়ত বহা অসম সাহিত্য সভাৰ সভাপতিৰূপে আৰু ১৯৩৭ চনত শ্ৰীকৃষ্ণকান্ত সন্দিকৈদেৱৰ সভাপতিত্বত বহা গুৱাহাটী অধিৱেশনৰ বুৰঞ্জী শাখাৰ সভাপতিৰূপে পাঠ কৰা ভাষণ দুখনো বৰুৱাৰ গভীৰ জ্ঞানৰ পৰিচায়ক। তদুপৰি বৰুৱাই জোনাকী যুগতেই কেইবাটিও কবিতা প্ৰবন্ধ লিখিছিল। এই ৰচনাসমূহ সংগ্ৰহ কৰি গ্ৰন্থৰ আকাৰত প্ৰকাশ কৰিব পাৰিলে কনকলাল বৰুৱাৰ শতবাৰ্ষিকী পতাৰ বিশেষ সাৰ্থকতা হ'ব আৰু সি দহজনৰ উপকাৰতো আহিব বুলি ভাবি উৎসৱ সমিতিয়ে বৰুৱাৰ ইংৰাজী প্ৰবন্ধসমূহ সংগ্ৰহ আৰু সম্পাদনা কৰাৰ ভাৰ দিয়ে ডক্টৰ মহেশ্বৰ নেওগদেৱক আৰু অসমীয়া কবিতা, প্ৰবন্ধসমূহ সংকলন-সম্পাদন কৰিবলৈ ভাৰ দিয়ে অধ্যাপক শ্ৰীনন্দ তালুকদাৰদেৱক। ডক্টৰ নেওগদেৱে ইতিমধ্যে সংগ্ৰহ আৰু সম্পাদনা কৰা ইংৰাজী প্ৰবন্ধকেইটি সন্নিবিষ্ট থকা Studies in the Early History of Assam নামৰ গ্ৰন্থখনি অজগতে প্ৰকাশ পাব। অধ্যাপক নন্দ তালুকদাৰে বৰুৱাৰ অসমীয়া কবিতা, প্ৰবন্ধ আৰু সভাপতিৰ ভাষণ দুখনি একত্ৰ কৰি সম্পাদনা কৰি 'কনকলাল বৰুৱা ৰচনাৱলী' নামকৰণেৰে এই গ্ৰন্থখনি যুগুত কৰিছে। আশা কৰোঁ এই গ্ৰন্থ দুখনিৰপৰা অসমৰ জ্ঞানেমান প্ৰাচীন তথ্যৰ সন্ধেদ পোৱা যাব। নিজৰ কৰ্ম-ব্যস্ততাৰ মাজতো অধ্যাপক তালুকদাৰে

যত্নেৰে বৰ্তমান পুথিখনি উলিয়ালে। তাৰ বাবে তেখেতক ধন্যবাদ জ্ঞাপন কৰিছোঁ। লগতে যিসকল ব্যক্তিয়ে অধ্যাপক তালুকদাৰক সংগ্ৰহ আৰু সম্পাদনাৰ কাৰ্যত সহায় কৰিছে, সিসকললৈকো ওলগ জনাইছোঁ। গ্ৰন্থ দুখনি প্ৰকাশৰ বাবে আৱশ্যকীয় সমস্ত অৰ্থ শ্ৰীচুনিলাল বৰুৱা আদি কনকলাল বৰুৱাৰ পুত্ৰ আৰু নাতি শ্ৰীগোবিন্দলাল বৰুৱা আদি আনসকলে উছৱ সমিতিৰ যোগে সাহিত্য সভাক দিছে। তাৰ বাবে আমি সিসকলৰ ওচৰত নিতান্ত কৃতজ্ঞ। অসমীয়া ৰচনাৱলী গ্ৰন্থখনি সোন-কালে ছপা কৰি উলিয়াই দিয়া কাৰণে শ্ৰীগুৰু প্ৰেছৰ স্বত্বাধিকাৰী আৰু কৰ্মীবৃন্দক ধন্যবাদ জনাইছোঁ।

যতীন্দ্ৰনাথ গোস্বামী,
প্ৰধান সম্পাদক, অসম সাহিত্য সভা

হেমন্তকুমাৰ শৰ্মা,
প্ৰসন্নৰাম দাস,
কনকলাল বৰুৱা জন্মশতবাৰ্ষিকী উছৱ সমিতি

ভগৱতীপ্ৰসাদ বৰুৱা ভৱন
গুৱাহাটী
১৬ ডিচেম্বৰ ১৯৭২

সূচী

পৃষ্ঠা

প্ৰকাশনৰ মূলকথা [৩]
ভূমিকা: ডক্টৰ মহেশ্বৰ নেওগ [৭]
সম্পাদকৰ একাষাৰ [২১]

॥ অভিভাষণ ॥

অসম সাহিত্য সভাৰ সভাপতিৰ অভিভাষণ
ষষ্ঠ অধিৱেশন, ১৯২৪ চন, ডিব্ৰুগড় ১

অসম সাহিত্য সভাৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ
সপ্তদশ অধিৱেশন, ১৯৩৭ চন, গুৱাহাটী ১২

॥ কবিতা ॥

স্তোত্ৰ
আসাম-বন্ধু, দ্বিতীয় বছৰ, ১ম-২য় সংখ্যা, ১৮৮৬ চন ৩১

বসন্ত বিদায়
জোনাকী, দ্বিতীয় বছৰ, ১৮৯০ চন, অসমীয়া সাহিত্যৰ চানেকি, তৃতীয় ভাগ, ২য় খণ্ড ৩৩

ব্ৰহ্মপুত্ৰ
জোনাকী, তৃতীয় বছৰ, ১৮৯১, অসমীয়া সাহিত্যৰ চানেকী তৃতীয় ভাগ, ২য় খণ্ড ৩৪

॥ প্ৰবন্ধ ॥

আমাৰ শিল্প ১
জোনাকী, দ্বিতীয় বছৰ, ১৮৯০ ৩৭
অসমীয়া সাহিত্যৰ চানেকী, তৃতীয় ভাগ, দ্বিতীয় খণ্ড

আমাৰ শিল্প ২ ৪০
জোনাকী, তৃতীয় বছৰ, ১৮৯১ চন

অসমৰ উৎপন্ন বাণিজ্য বস্তু—কাঠ, ৰেচম ৪২
জোনাকী, তৃতীয় বছৰ, ১৮৯১ চন

ভূইক'পৰ উপকাৰিতা ৪৬
জোনাকী, পঞ্চম বছৰ, দ্বিতীয় সংখ্যা, ১৮৯৪ চন

প্ৰাণী-তত্ত্ব ৪৯
জোনাকী, পঞ্চম বছৰ, ৩য়-৪ৰ্থ সংখ্যা, ১৮৯৪ চন
অসমীয়া সাহিত্যৰ চানেকী, তৃতীয় ভাগ, দ্বিতীয় খণ্ড

হেমচন্দ্ৰ বৰুৱা ৫৬
ঊষা, তৃতীয় ভাগ ১৮৯১-৩১ শক

হেমচন্দ্ৰ বৰুৱা সোঁৱৰণী কথা ৫৮
বাঁহী, ৭ম বছৰ আৰু ২৬ শ বছৰ, ১২ শ সংখ্যা

বন্ধুবৰ গোসাঁইৰ স্মৃতি ৬০
মিলন, ১৯২৮ চন

কৌটিল্যৰ সময়ত প্ৰাগজ্যোতিষ ৬২
বাঁহী, ২৬ শ বছৰ, ১ম সংখ্যা

মানৱ জাতিৰ সভ্যতা ৬৪
অসমীয়া সাহিত্যৰ চানেকী, তৃতীয় ভাগ, দ্বিতীয় খণ্ড

সহানুভূতি ৭৩
আৱাহন, অসমীয়া সাহিত্যৰ চানেকী, তৃতীয় ভাগ, দ্বিতীয় খণ্ড

সংসাৰত সুখ নে দুখ ৭৬
জোনাকী, ৫ম বছৰ, ১৮৯৪ চন
অসমীয়া সাহিত্য কোষ

কামৰূপ সাম্ৰাজ্য ৭৯
আৱাহান, অসমীয়া সাহিত্য কোষ

মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্মমত ৮১
বাঁহী, তৃতীয় বছৰ, মহাপৰুষ শ্ৰীশঙ্কৰদেৱ আৰু
শ্ৰীমাধৱদেৱ—লক্ষ্মীনাথ বেজবৰুৱা।

বুৰঞ্জীৰ বিবিধ টোকা ১ ১১৯
বাঁহী, ১৭ শ বছৰ, ৩য় সংখ্যা, ১৮৫০ শক, আহাৰ

বৰঞ্জীৰ বিবিধ টোকা ২ ১২৩
বাঁহী, ১৭ শ বছৰ, ৫ম সংখ্যা, ১৮৫০ শক, ভাদ

বুৰঞ্জীৰ বিবিধ টোকা ৩ ১২৮
বাঁহী, ১৭ শ বছৰ, ৬ষ্ঠ সংখ্যা, ১৮৫০ শক, আহিন

বুৰঞ্জীৰ বিবিধ টোকা ৪ ১৩৩
বাঁহী, ১৮ শ বছৰ, ২য় সংখ্যা, ১৮৫১ শক

বুৰঞ্জীৰ বিবিধ টোকা ৫ ১৩১
বাঁহী, ১৮ শ শকৰ ৪ৰ্থ সংখ্যা, ১৮৫১ শক

আমাৰ দেশৰ বুৰঞ্জী ১৪৩
জোনাকী, ষষ্ঠ বছৰ, ১৮৯৫ চন

ভুটিয়াৰ ধৰ্ম বিশ্বাস ১৪৭
জোনাকী, ষষ্ঠ বছৰ, ১৮৯৫ চন

সম্পাদকৰ কথা ১৪৯
জোনাকী, পঞ্চম বছৰ, ১৮৯৪ চন

বিবিধ টোকা ১৫০
জোনাকী, পঞ্চম বছৰ, ১৮৯৪ চন

ক'ব লগীয়া কথা ১৫৫
অসমীয়া পুথিৰ তালিকাৰ আগকথা, ১৮৯৫ চন

অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ কাৰ্য্য-বিৱৰণ ১৫৮
জোনাকী, পঞ্চম বছৰ, ১৮৯৪ চন

Bibliography ১৬৩

ভূমিকা

ডক্টৰ মহেশ্বৰ নেওগ,
জবাহৰলাল নেহৰু অধ্যাপক, গুৱাহাটী বিশ্ববিদ্যালয়,
সভাপতি, কনকলাল বৰুৱা জন্মশতবাৰ্ষিকী উছৱ সমিতি

অসমৰ সংস্কৃতিৰ বুৰঞ্জীত এই-যায় এই-যায় দহোটা বছৰ সাৰ্থকতাপূৰ্ণ বুলি হয়তো আগলৈ কোনোবাই গণনা কৰিব। এই কেইবছৰৰ ভিতৰতে আধুনিক অসমৰ প্ৰকৃত ছবি আঁকোঁতাসকলৰ মঙ্গলময় জন্মৰ শতবৰ্ষ-পূৰ্তি আমি উছৱ পাতি ঘোষণা কৰিবৰ যত্ন কৰিছোঁ। আজিৰ এই দহোটা বছৰৰ মূল্য কোনোবাই নিদি-লেও, এশ বছৰৰ সেই একে দহোটা বছৰৰ মোল আমি ইতিমধ্যেই বুজি উঠিছোঁ। তাক আৰু নুই কৰিবৰ কোনো হ'বপায় নাই। যদি কোনোজনে আমাৰ কাণত পৰাকৈ জোনাকী যুগৰ নামটোকে লয়, আমাৰ চৌফালে জোনাকৰ ধবল গৰিমাহে যেন সিঁচি দিলে, এনে লাগে। গতপ্ৰায় দশকটোত আমি একে একে সেই জোনাকী যুগৰ ভাস্কৰেই বোলক কিম্বা হিমকৰেই বোলক, আমাৰ পূৰ্বসূৰীসকলৰ কীৰ্তি কীৰ্তন কৰি নিজকে কৃতাৰ্থ কৰিবৰ ভাব কৰিছোঁ, আৰু ভাবিছোঁ, সেই কৃতাৰ্থতাই আমাক বিংশ শতিকাৰ পৰিণত বয়সলৈ সাহসেৰে আগ বাঢ়ি যাবলৈ দিব।

চন্দ্ৰকুমাৰ আগৰৱালা, ৰজনীকান্ত বৰদলৈ, লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞিবৰুৱা, হেমচন্দ্ৰ গোস্বামী আৰু বেণুধৰ ৰাজখোৱা— এই কেইজনৰ জন্ম-শতবাৰ্ষিকীৰে আমাৰ নিজৰ জয়জয়কাৰ ৰজনজনাই তোলাত আমি এক দশক ব্যাপৃত থাকিলোঁ। কাৰণ, আমি জানো, এইসকলেই আমাৰ মাজলৈ ভাৰতীয় নৱ বেনেহাঁ সুৱাগুৰি তুলি আনিছিল। আনন্দৰাম ঢেকিয়াল ফুকন, হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱাতে আৰম্ভ কৰি এইসকলে যি কৰিলে অসমৰ কাৰণে, তেওঁলোকৰ আগে আগে ৰাজা ৰামমোহন ৰায়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰ, ৰাজেন্দ্ৰলাল মিত্ৰ, মাইকেল মধুসূদন দত্ত, বঙ্কিমচন্দ্ৰ চট্টোপাধ্যায়, হেমচন্দ্ৰ বন্দ্যোপাধ্যায়, গিৰিশচন্দ্ৰ ঘোষ আদিয়ে বঙ্গৰ কাৰণে, তথা ভাৰতৰ কাৰণেও, তাকে কৰি আমাৰসকলৰ কাৰণে পটি কাটি দিছিল। ইংৰাজী সাহিত্যত ৰেষ্টোৰেচনৰ ১৬৬০ বা লিৰিকেল বেলাড্ছৰ ১৭৯৮ যেনেকৈ একোটা তাৰকিত বৰ্ষ, অসমীয়া সাহিত্য-সংস্কৃতিৰ বুৰঞ্জীতো তেনেকৈ ১৮৯০ শকৰ বছৰটো সোণ-পানী চৰাই চিৰকলীয়াকৈ চকচকীয়াকৈ লেখি থ'ব লগীয়া এটি পবিত্ৰ লগ্ন। এটা বছৰৰ ভিতৰতে অসমীয়া সাহিত্যৰ যুগান্তৰকাৰী

ক্ৰান্তিকাৰী দুটি ঘটনা ঘটিল। এক, অসমীয়া জাতিৰ জন্মদাতা-স্বৰূপ ক্ষণজন্মা মহাপুৰুষৰ জন্মেৰে পবিত্ৰীকৃত সেই বছৰৰ ভাদ মাহত অসমীয়া ভাষা-সাহিত্যৰ পৰিত্ৰাণায় অসমীয়া ভাষাৰ উন্নতি-সাধিনী সভাৰ জন্ম হ'ল কলিকতা চহৰৰ মিৰ্জা-পুৰ ষ্ট্ৰিটৰ লেতেৰ-পেতেৰ এটা ঘৰক চেৰাশালি কৰি। দুই, বছৰটো ঘূৰিবলৈ নৌ পাওঁতেই পুণ্য মাঘ মাহত একে চহৰৰে বৰবাজাৰৰ আৰ্মেনিয়ান ষ্ট্ৰিটৰ হৰি-বিলাস আগৰৱালাৰ ঘৰৰপৰা ব্যৱসায় মুদ্ৰিত তীখৰ, কবি-ৰূপী স্ৰষ্টাৰ সৃষ্টিশীল-তাৰে চঞ্চল, আৰু সাহিত্যৰথীৰ ভাষাত মাই-ডিয়েৰ-বিগিনাৰ্-অৱ্-এ ষ্টিভিটিজ্ আগৰৱালা-পুত্ৰ চন্দ্ৰকুমাৰৰ নব্য সৃষ্টি জোনাকীৰ জন্ম হ'ল—পুহৰ কুঁৱলি ঠেলি মাঘ-বিহুৰ মেজিৰ জুইকুৰাহে যেন অগ্নিং প্ৰজ্বলিতং চাতুৰ্ৰ্য্যহুতাশনম্ কৰি দপ্-দপাই উঠিল।

ব্লিছ্ ওৱজ্ ইন্ দেট্ ডন্ টু বি এলাইভ্, বাট্ টু বি ইয়ং ওৱজ্ ভেৰি হেভ্‌ন। অ, কনকলাল বৰুৱা তেতিয়া জীৱিত। কনকলাল সেই প্ৰভাতত চফল ডেকা। অধিকন্তু, সেই ডেকাটি তেতিয়া কলিকতাত—যি কলিকতা সেই মুহূৰ্ত্তৰ পশ্চিমৰ খোলা দুৱাৰৰপৰা উপহাৰৰ বোজা বান্ধি বান্ধি নতুন উচ্চল প্ৰাণ-বন্যাৰে চঞ্চল গাভৰু। কলিকতাৰ সেই যৌৱনেৰে চঞ্চল অসমীয়া ডেকা দুজনমানে ইউনিভাৰ-ছিটি উইট্‌ছৰ দৰে অসমীয়া পৃথিৱীখন ওলট-পালট লগোৱাৰ, ঘিটমিটীয়া আন্ধাৰত বাট বিচাৰি নোপোৱা জকাইচুকীয়া অসমীয়াকেইটাৰ চাৰিওকাষে জোৰ-বন্তি জলোৱাৰ আয়োজন কৰিছিল। আমাৰ ডেকা বৰুৱাও গৈ সেই বিহগুটি কেইটাৰ লগ হ'ল। অৱশ্যে ইতিমধ্যে কলিকতাতে সাত বিহুৰ সৈয়া কণি হোৱা, সাংস্কৃতিক ইনকিলাব কৰিবলৈ ওলোৱাকেইটাৰ মাজত কনকলাল হ'ল কনিষ্ঠ—ঝাণ্ডা উঁচা কৰি আগে বঢ়া ককাইদেউহঁতৰ পিছে পিছে যোৱা অলপ অলপ লাজকুৰীয়া খোজৰ ভাইটি। যেতিয়া সেই ডেকাদলে আত্ম-বিনোদক থিয়েটাৰৰ দল হৈ চাৰিটা মূৰ একেটা মূৰ কৰি লেখা ভ্ৰমৰঙ্গৰ ভাওনা পাতে, তেতিয়া ধুনীয়া লাজকুৰীয়া ভাইটিয়ে পায় এজনী মালতীৰ পাৰ্ট। কিছু দিন পিছলৈকে হয়তো ৰাজ-আলিয়ে যাওঁতে তেওঁক দুষ্টবোৰে চুপতি মাৰি মাতে—হেৰা মালতী আইটি! কিন্তু ভ্ৰমৰঙ্গত ভাও লোৱাটোৱেই কনকলালৰ এইছোৱা জীৱনৰ এক উজ্জ্বল যোজন-স্তম্ভ। কাৰণ, সেয়াতো এলা-পেচা কথা নহয়। সিয়ে একেবাৰেই এক ৰাজসূয় মহাযজ্ঞত ভাগ লোৱা পৰ্ব।

আনন্দ-হেম-গুণাভিয়ে অসমীয়া ভাষাক আধুনিক সাহিত্যিক প্ৰতিষ্ঠা দিলে, সঁচা। তেওঁলোকৰ লেখাত, তেওঁলোকৰ জীৱনত পশ্চিমৰ প্ৰত্যক্ষ-পৰোক্ষ স্পৰ্শ পাই অসমে অনুভৱ কৰা উক্মুকনিৰ আভাস, মধ্যযুগ আৰু আধুনিকতাৰ সংঘৰ্ষৰ আত্ম-সচেতন পৰিচয় পোৱা যায়। কিন্তু তেওঁলোকে অসমৰ মাটিতে থাকিহে অসমৰ উদাৰ মুক্তিৰ স্বপ্ন দেখিছিল। কলিকতাৰ নিচিনা আজব চহৰত পাশ্চাত্যাই কেনেকৈ একেবাৰে জুই জলাই দিছিল, নতুন বাণিজ্য-উদ্যোগৰ প্ৰতিযোগিতাত কেনেকৈ উচ্চ মধ্যবিত্তসকলে ব্ৰিটিশ বাণিজ্যৰ সুযোগ লৈ সমাজৰ সিংহাসনত বহিব খুজিছিল আৰু সমস্ত সমাজ জুৰি যি এক সৰ্ব্বব্যাপী গতিশীলতা পৰিলক্ষিত হৈছিল,

তাৰ হেঁচাত লেখা এদল সাহিত্যিক নোলালে নৱোন্মেষৰ সেই উদাৰতাবাদ, সেই মানৱতাবোধ আৰু সেই যে বেনেছাঁৰ উচ্ছ্বাস অসমৰ প্ৰাণত উণ্ড কৰাৰ ভূমিকা সহজ নহয়। কিন্তু সি সহজ হ'ল প্ৰাণৱন্ত যৌৱন লৈ সেই ভূমিকা ল'বলৈ মৰসাহ (মৰসাহেই বোলোঁ দিয়কচোন) দি আগ বাঢ়ি অহা এমুঠি চেঙেলীয়া ডেকাৰ নিমিত্তে। জোনাকী আন্দোলনৰ চৰম গুৰুত্ব সেইখিনিতে। সেই আন্দোলনত ঘিজনে মালতীতকৈ সৰু ভাৱো লৈছিল, তেৱোঁ সেই দেখি সেই গুৰুত্বেৰে গৰীয়ান হৈ পৰিছিল।

সাহিত্য-সংস্কৃতিৰ বৰগছজোপাত বৰবাহ গুঁঠিব খোজা শিশু-চটক টিপচি-কেইটিৰ মাজত বিয়াগোম পক্ষী কেন্দ্ৰীয় ব্যক্তি হ'ল চন্দ্ৰকুমাৰ। তেৱেঁই আন্দোলনটোৰ মগজু। তেওঁ তেওঁৰ প্ৰথম কমৰেড কৰি ললে ৰংপুৰীয়া টটা-টিঙা, তীখৰ, পাৰ্থ-সখি লক্ষ্মীনাথক। তাৰ পিছত দল বন্ধা কাৰবাৰ। হেমচন্দ্ৰ, গুঞ্জানন, ঘনশ্যাম, ৰমাকান্ত, পদ্মনাথ, বিষ্ণুপ্ৰসাদ, কনকলাল, ৰজনীকান্ত, সোণাৰাম আৰু কোন কোন আছিল, গোটেইবাহ গজগজীয়া ডেকা জুম বান্ধিলে। আগৰ বানৰ হেমচন্দ্ৰ, গুণাভিৰাম, দুৰ্ব্বণিবটীয়া ঘৰতে থকা লম্বোদৰ, পাণীন্দ্ৰনাথ, ৰত্নেশ্বৰ, কোনো বহি নাথাকিল। সকলোৰে দমদমীয়া জুইকুৰাত এখোলা এখোলা ঘিউ দিলেহি। মুকুতি-মেধৰ ভেজাল ফিৰিঙতি অসমৰ মহওে-হাবাওে পৰিলহি। আনে জানক বা নাজানক, অসমে জানিলে, নিজৰ লেৰেলা-চেপেটা ভাষাটোৰ বুকুত কি পাৰমাণৱিক শক্তি গুই আছিল। সিংহক তাৰ বল শক্তিৰ কথা সঁকিয়াই দিলে, সি আৰু মত্ত-দন্তীলৈ তোচ কৰিবনে!! কিন্তু সেই সিংহ-গৰ্জনৰ কথা আৰু মই নকওঁ, সাহিত্য-বুৰঞ্জীয়েই সেয়া আপোনালোকক কওক। কিন্তু সেই গৰ্জনযে কেৱল সাহিত্য-কাননতহে শুনা গৈছিল, এনে নহয়। আন আন পথাৰতো সেই অসমীয়া নৱ-জাগৰণৰ কৃষিৰ প্ৰসাৰ আমি দেখা পাওঁ। সদাগৰিত কলিকতীয়া আকাশৰ মুখচ ফুটোৱা ভোলানাথ বৰুৱা, মহানগৰী দিল্লীত গৈ চোং পতা বাঘ কৰ্নেল জালনুৰ আলি (ফখৰুদ্দিন আলি আহমদ চাহেবৰ পিতৃ), কৰ্ণেল শিৱৰাম বৰা, অসমত জাতীয়তাবাদৰ গুটি সিঁচা মাণিকচন্দ্ৰ, জগন্নাথ, নৱীনচন্দ্ৰ, তৰুণৰাম, ঘনান্ধকাৰেষু সঞ্চাৰিণী দীপশিখেৱ বিদ্যা-দানৰ শলিতা জলোৱা গোবিন্দচন্দ্ৰ বেজবৰুৱা—এইসকলৰ কথা মনলৈ নানিলে সেই মুহূৰ্তৰ অসমৰ আত্মস্ফূৰ্তি, আত্ম-পূৰ্তিৰ বিকাশটোক সৰু কৰি দেখা হ'ব।

ৰ'ব, সাহিত্যৰ পথাৰলৈকে ঘূৰি আহোঁ। জোনাকীৰ প্ৰচেষ্টা যদি এটা আন্দোলন, সেই আন্দোলনৰ নেতা হৈ উঠিছিল লক্ষ্মীনাথ বেজবৰুৱা। পোন প্ৰথম জোনাকী ওলোৱাৰপৰা আদৰ্শতিকা কাল অসমীয়া সাহিত্যক তেওঁ উদ্দেশ্য আৰু দিশ বতাই দিছিল। সেই দেখি তেওঁ আমাৰ সাহিত্যৰথী—মহাভাৰতৰ ভীষ্ম-দ্ৰোণৰ লেখীয়া, ইলিয়াডৰ আজাক্স একিলিছৰ নিচিনাকৈ। জাতীয় আন্দোলনটোৰ নেচনেল প্ৰোগ্ৰেম তাৰ তৰুণ নেতাসকলে আগতে থিৰাং কৰি লৈছিল। সেই উচ্চা-কাংক্ষী উদ্দেশ্য-ঘোষণা আৰু কাৰ্য্যক্ৰম এনে প্ৰকাৰৰ আছিল :

এই সভাৰ উদ্দেশ্য হৈছে অসমীয়া ভাষাৰ উন্নতি সাধন কৰা। সেই উদ্দেশ্য-

ৰূপ মহামন্ত্ৰক হিয়াত ঠাই দি এই সভাই "অসমীয়া ভাষা উন্নতি সাধিনী" নাম লৈ উপজিছে। কেঁচুৱা মাতৃভাষা কেনেকৈ ডাঙৰ-দীঘল হ'ব; কেনেকৈ সি পৃথিৱীৰ আন আন ধনী আৰু উন্নতিশীল ভাষাৰ সমান হৈ আপোন গৌৰৱ-বেলিৰ পোহৰ চাৰিওফালে পেলাই দুখীয়া আৰু এন্ধাৰ অসমৰ মুখ পোহৰাব পাৰিব; কেনেকৈ সি দুৰ্বল ৰুগীয়া আৰু জীৰ্ণ অৱস্থাৰপৰা সবল, সুস্থ আৰু শকত অৱস্থা পাব, তাৰ উপায়-সাধনেই এই সভাৰ উদ্দেশ্য।

'এই উদ্দেশ্য সাধন কৰিবলৈ সভাই অসমীয়া পুথিবিলাক একে ঠাইতে গোটাবলৈ যত্ন কৰিছে। পুৰণি পুথিবিলাক যাতে নষ্ট নেপায় আৰু ক্ৰমে ছপা হৈ প্ৰকাশিত হয়, সভা তাৰো চেষ্টাত আছে। আসামৰ সকলো বিধৰ পঢ়াশালিতে যাতে অসমীয়া ভাষা প্ৰচলিত কৰা হয় আৰু অসমীয়া ল'ৰা-ছোৱালীয়ে যাতে নিজ নিজ ভাষা সুকলমে পঢ়িবলৈ পায়, তাৰ নিমিত্তে আসামৰ শিক্ষা বিভাগৰ অধিকাৰ-সকলৰ মনোযোগ আকৰ্ষণ কৰা, লেখা-পঢ়া কাৰ্যত অশুদ্ধ ব্যাকৰণ অশুদ্ধ বৰ্ণ-বিন্যাস ক্ৰমে লোপ কৰি তাৰ স্থলত পৰিশুদ্ধ ভাষা ব্যৱহাৰ কৰিবলৈ পঢ়া-শালি আদিত দূষিত ভাষাৰ পুথিৰ সলনি শুদ্ধ ভাষাৰ পুথি চলাবৰ নিমিত্তে নিমিত্তে আন্দোলন কৰিবলৈ; শ্ৰীধৰ কন্দলি, ৺শঙ্কৰদেৱ আদি পুৰণি গ্ৰন্থকাৰ আৰু কবিসকলে লিখা পুথিবিলাকৰ টান টান ভাগৰ টীকা-টিপ্পনী লেখিবলৈ আৰু দোষ-গুণ আলচ কৰিবলৈ; আমাৰ ভাষাত নোহোৱা লাগতিয়াল পুথিবিলাক সংস্কৃত বা আন ভাষাৰপৰা অনুবাদ কৰি বা সংক্ষিপ্ত সাৰ সংগ্ৰহ কৰি আমাৰ ভাষালৈ আনিবলৈ; আসামৰ আগৰ দিন বা এতিয়াৰ যিবিলাক ধৰ্মনীতি, সমাজ-নীতি, ৰাজনীতি বা খেল-মেল, গাঁও-ভূঁইৰ আনুপূৰ্বিক বৃত্তান্ত আছে, তাক সংগ্ৰহ কৰি এখন বিস্তৃত বুৰঞ্জী লেখিবলৈ; দেশৰ ইতৰ-সাধাৰণ সকলো শ্ৰেণীৰ মানুহৰ ভিতৰত যাতে লেখা-পঢ়াৰ চৰ্চা হয়, তাৰ নিমিত্তে উক্ত উপায় উলিয়াবলৈ; বাতৰি-কাকতৰ প্ৰতি লোকৰ আগ্ৰহ বঢ়াবলৈ আৰু আসামৰ সকলো কাকততে এটা মাত্ৰ লিখিত ভাষাৰ সৃষ্টি কৰিবলৈ সভাৰ যত্ন থাকিব।'

এই মহৎ মহামন্ত্ৰ উচ্চাৰণ কৰি তাৰ সাধন-পন্থা এই যিটি ৰচনা কৰা হ'ল, সি একেবাৰেই বাৰ হাত জালৰ তেৰ হাত ফটা। তথাপি তাক বাপৰ বেটাহঁতে নমৰা-নোচোঁচাকৈ নাথাকিল। সেই প্ৰোগ্ৰেমৰ জন্ম-শতবাৰ্ষিকী হোৱা দিনাওযে সি সম্পূৰ্ণ কাৰ্য্য-ৰূপ পৰিগ্ৰহ কৰি উঠিব, মই নাভাবোঁ। তাৰ দুই-এক দফা আজিকো-পতি হাতত লোৱাই হোৱা নাই। এলান্ধু-চাওৰ পুৰণি পুথিবোৰ আমাৰ গোটোৱা হ'লনে? নে সেইবোৰ উঁই আৰু ডালশলিয়াৰ বিশ্ববিদ্যালয়ৰ নামত উছৰ্গা কৰিলোঁ? অসমৰ সকলো বিধৰ পঢ়াশালিতে যাতে অসমীয়া ভাষা প্ৰচলিত হয়, তাৰ অৰ্থে ১৯৭২ ছনতো আমাৰ ল'ৰাই বুকুৰ তেজেৰে পথৰ ধূলি ৰঙা কৰিব লগীয়া হোৱা নাই জানো? আমাৰ পঢ়াশালিত শুধ্ অসমীয়া ব্যাকৰণ বৰ্ণবিন্যাস আজিও চলিছেনে? কন্দলি, দেৱসকলৰ পুথিৰ বৈজ্ঞানিক সংস্কৰণ কৰি কিমানেইবা টীকা-টিপ্পনী লেখিলোঁ? অসমীয়া প্ৰজাৰ বুৰঞ্জী, মানে হিস্টৰি অব্ দ্য পিপ্‌ল্‌ৰ ফাল

কাটোঁতেই দেখোন মাহৰ বতৰ গৈ আছে। গতিকে দেখা যায়, অ ভা উ সা -ৰ আঁচনি মানে আজিৰ দিনতো এক ভীমাকাৰ প্ৰশ্নবোধক চিন॥ এতিয়াও আমাৰ পি পু যদি ক্ষি শো ।

কিন্তু ১৮১০ শকৰ আমাৰ কলিকতীয়া ল'ৰাজুমে ক্ষি শো কৰা নাছিল। প্ৰবাসী অসমীয়া মেছত ঘনাই সভা বহে; কলিকতাত থকা অসমীয়া নামৰ এটা কণামাকৰিও তালৈ নহাকৈ নাথাকে। নিজৰ পালমতে হাতে পতি আছে কাম, নোহোৱাৰ নাই নাম, যুঁজৰ কুকুৰা যেন দেখি। যুঁজৰ কুকুৰা যুঁজতেই মৰে; গতিকে বোপাটিহঁতে যদি ইস্তাহানত পালে পালে ফেল মাৰিলে, মাৰিলে আৰু! দেশৰ কাম কৰোঁতেহে ফেল মাৰিছে, পাপ কাম কৰি নহয় নহয়! কোনোটিয়ে শনিবাৰে ইডেন গাৰ্ডেনত লুকাই লুকাই তাৰ খহটা বেঞ্চিত বহি বহি নাটক লেখিব যাতে তাক পঢ়োঁতে আমাৰ পেটৰ নাড়ী কেইডাল ছিগে। কোনোটিয়ে আকাশ-পাতাল ভাবি ভাবি প্ৰাণৰ শিহৰণ দি কবিতা ৰচিব, যেন পঢ়োঁতা-শুনোতাই বিস্ময়-বিমিশ্ৰিত আনন্দ পায়। কোনোবাটিয়ে আকৌ হিয়াৰ চেনেহীজনীৰ কাউৰীঠেঙীয়া আখৰ চাই চাই বৰকৈ হুমুনিয়াহ এটা কাঢ়িব—কাকো আৰু হিয়া নিবিলাওঁ; তাৰ ফলত ৰাজশেখৰে কোৱাৰ দৰে মলআনিলা বিৰহিনীনীস্বাস-সংপৰ্কিনো জাআ তাৰুন্নপুন্না হব। কোনোৱেবা আকৌ মহাপুৰুষৰ জালি-কটা পুষ্প-হাৰৰ কথাই বা অসমীয়া ভাষাৰ কথাই বা সাতজনী নিগনি খীৰাই খোৱা কালৰ বতৰাৰ আলচ কৰিব। এইবোৰেইতো দেশ-গঠনৰ কাম, শ্লোগান দিয়াটোতো আৰু নহয়। এই-বোৰেৰেই সেই তৰুণ পুৰন্দৰসকলে অসমৰ বাবে নব্য ভাৰতৰ সংস্কৃতিৰ মানচিত্ৰ-খনত এডোখৰ সেউজীয়া ঠাই বোলালে।

এতেপৰে মই কোৱা নাই, আপোনালোকেও সোধা নাই, এই ভগীৰথসকলে ভাগীৰথীৰ পাৰত পতা যইগুত কুমলীয়া কনকলালে সমিধেই দিলে নে বাৰীৰ আম-খৰিকে দিলে। সোধক, কওঁ। ইতিমধ্যেই তেওঁ হেমচন্দ্ৰ, গুণাভিৰাম, বলি-নাৰায়ণৰ অনুপ্ৰেৰণাদায়ক সান্নিধ্য লাভ কৰিছে, ইতিপূৰ্বেই আসাম-বন্ধু আৰু মৌ কাকতত ল'ৰাই লেখা গইদ-পইদ হেনো ছপা কৰি আহিছে। চাহাবী আদব-কায়দাৰ সাজন-পাৰণৰ লোক, ৰেল-কোম্পানীৰ স্লিপাৰ-যোগনীয়া সদাগৰ মাণিকচন্দ্ৰ বৰুৱা ভিনিহিটিৰে ইতিমধ্যেই তেওঁ এণ্ট্ৰেন্স পৰীক্ষা দিয়াৰ আগতে কলিকতা মহানগৰ দেখি গৈছে। মোৰ হাতত প্ৰথমখণ্ড জোনাকী নাই। কিন্তু মই জানো সেই বছৰ তাৰ পাতত কনকলালৰ বিশেষ একো উঠা নাছিল। দ্বিতীয়-তৃতীয় খণ্ডত দুটি ভিন্ন পৰ্যায়ৰ বস্তু তেওঁৰপৰা জোনাকীয়ে পায়। এক হ'ল বসন্ত-বিদায় আৰু ব্ৰহ্মপুত্ৰ নামেৰে কবিতাৰ অনুশীলন আৰু দ্বিতীয় হ'ল ভৱিষ্যতৰ তমাছু হলেগু শিল্প উদ্যোগ আয়োগৰ সদস্য আৰু অসম চৰকাৰৰ শিল্প বিভাগৰ অধীক্ষক কনকলালৰ এলানি প্ৰবন্ধৰ প্ৰথম কিস্তি—আমাৰ শিল্প আদি। ভাষায়-ছন্দয় নিখুঁত ব্ৰহ্মপুত্ৰ যদিও ধুনীয়া কবিতা, কনকলালে কিন্তু কবিতাৰ ৰাজ্যখন চন্দ্ৰকুমাৰ, হেমচন্দ্ৰ, আনন্দচন্দ্ৰ আদি কোঁৱৰসকলৰ হাতত সমৰ্পণ কৰি বস্তু-বাস্তৱ সংস্কৃতি, মেটিৰিয়েল কাল্‌চাৰৰ দৃষ্টিৰপৰা পুৰণি কামৰূপ নতুন অসমখন

দখল কৰাৰ ফালে মন-কাণ দিলে। তেওঁৰ ভৱিষ্যত আধিভৌতিক আধ্যাত্মিক গতি সেই ভাবৰ দ্বাৰায় নিৰূপিত হ'ল। তাৰ দ্বাৰায় উদ্দিপ্ত হৈ তেওঁ কবিতাৰ সপোন এৰি দেশৰ বাস্তব অতীত, আৰু অতীতলৈ ঘূৰি যাব। কবি আৰু ৰোমাণ্টিকৰ গুণ তেওঁৰ নহয়। তেওঁৰ মনোবৃত্তি ক্লাছিকেল। তেওঁৰ অতীত কবিৰ ৰোমাণ্টিক অতীত নহয়, বুৰঞ্জীৰ বাস্তব অতীত।

অতীত। কনকলালৰ অতীত, ঐতিহ্য কি? তেওঁ সাতঘৰীয়া কাকতীৰ মধ্যৰ গজগজীয়া নামতিয়াল কাকতীৰ ঘৰৰ ল'ৰা। আহোম সামন্তযুগৰ উচ্চ-মধ্যবিত্ত সমাজত সাতঘৰীয়া কাকতী বুলিলে বুলিবলৈ নাছিল। তেওঁ সৌমাৰ-শেষ-ৰাজ সিংহ-পুৰন্দৰৰ বৰভণ্ডাৰ বৰুৱা, কোম্পানীৰ শাসনৰ দাৰোগা আৰু আৰু ফৌজদাৰী ছিৰস্তাদাৰ আৰু শেহান্তৰত জেঠেৰি-বৈনাই সমধৰ, ৰজাৰ দোৰোহী হৈ ফাঁচীকাঠত ওলমা মণিৰাম দেৱানৰ লগতে আচামী হৈ ক'লীয়াপানীৰ কয়েদী হোৱা দুতিৰাম বৰুৱাৰ নাতি। দিহিঙৰ সেৱক দুতিৰামৰ কলিকতা-শিক্ষিত পুত্ৰ প্ৰিয়লালে দিহিঙীয়া মহন্তৰ ভেশচন কৰি কলিকতালৈ গৈ বৰলাট বাহাদুৰ, আৰু হেনো প্ৰিভি কাউন্সিলত আফিল কৰি বিদ্ৰোহত লিপ্ত নহয় বুলি দুবছৰকৈ ক'লীয়াপানী খটাৰ পিছত পিতাকক মোকলাই আনে। মন কৰিব লগীয়া, কনকলালৰ অতীত-এষণাৰ মাজত ইংৰাজৰ আমোল নপৰে। তাৰ মনস্তাত্বিক কিবা কাৰণ থাকিলেও থাকিব পাৰে, নাথাকিলে নাই। আকৌ চাওক, সপ্তদশ শতিকাত বুদ্ধি-স্বৰ্গনাৰায়ণ বুঢ়া ৰজাৰ দিনত নামতিয়ালৰ বংশৰ যিজন মাটি-পিয়লৰ ওস্তাজ আদি-পুৰুষ আছিল, তেওঁৰ নাম পীতাম্বৰ-ঘোষ। ঘোষ বোলোঁতে স বুলিম নে ছ? সেইটো তেওঁৰ উপাধি নে নামৰ অংশ? বুৰঞ্জী-চেঁচোৰৰ পম-খেদা কোনো পণ্ডিতে ক'ব, এই ঘোষ বঙালী ঘোষ নহয়। কনকলালে কেইবাটাও প্ৰবন্ধত ঘোষ, দত্ত বসু আদি গৌড়ীয় কায়স্থৰ দৰে পদবী লগা গুজৰাটৰ নাগৰ ব্ৰাহ্মণৰ কথা লেখিছে। তেওঁ কিন্তু পীতাম্বৰ শুকানি কাথ গৌড়ৰপৰা অহা বুলিয়ে কৈছে। এই মুহূৰ্তৰ বিশেষ পৰিপ্ৰেক্ষিতটোলৈ চালে আজি গৌড়ৰপৰা অহাসকলৰ বাবে ই এক লোহনেই হ'ব পাৰে। মাণিকচন্দ্ৰ মজিন্দাৰ বৰুৱা, কলিবৰ বেজবৰুৱা, নওৰঙ্গৰাম আগৰ-ৱালাৰপৰা বঢ়া পৰিয়ালেই অসমৰ হকে মৰা অসমীয়াৰ হকে কৰা মানুহ। পীতাম্বৰ ঘোষৰ বংশৰ অনেকজনেই আহোম ৰজাৰ বিষয় খালে, সেই কুলৰ তিলক কনকলালে গৌড়ৰ পণ্ডিতসকলৰ লগত লড়াই কৰি আদি-মধ্যযুগৰ কামৰূপৰ ৰাজনৈতিক সামাজিক সাংস্কৃতিক ইতিহাসক ধ্ৰুপদী সম্ভ্ৰান্ত স্থান দিলে।

অ ভা উ সা সভাৰ কাৰ্যক্ৰমৰ ভিতৰত কনকলালে নিজৰ কামৰ পাল উলিয়াই লৈছিল। অসমৰ প্ৰকৃত বিস্তৃত এখন বুৰঞ্জী লেখিবলৈ সভাৰ যত্ন থাকিব বুলি যি সংকল্প লোৱা হৈছিল, সি এই ডেকাজনৰ হৃদয়ত হয়তোবা এডুখৰি ভাল ঠাই বিচাৰি পাইছিল। দ্বিতীয় খণ্ড জোনাকীত ওলোৱা সভাৰ বছৰেকীয়া কাৰ্য-বিৱৰণতে কোৱা হৈছিল, এই সভাই অসমীয়া পুৰণি আৰু নতুন পুথিৰ নাম অতি যতেনেৰে সংগ্ৰহ কৰি এটি তালিকা কৰি ৰাখিছে। ইঃ, এওঁলোকে বৰ কামটো কৰিলে, থ'বলৈ ঠাই নাই! — এনে বুলি কোনোৱাই হাঁহে বুলি সম্পাদক ডেকা

বেজবৰুৱাই তাৰ তিনিটা উদ্দেশ্য ব্যাখ্যা কৰিছে ৰিপোৰ্টতে ঃ '১) অসমীয়া ভাষাক যে ভাষা নহয় বুলি কোনোৱে কয়, তেনেকুৱা ভাষা-নোহোৱা ভাষাতনো কিমান পুথি হ'ব পাৰে, তাক জানি, সেই মতাৱলম্বী লোকসকলৰ মতবাদত কিমান সাৰ বা পদাৰ্থ আছে, সেই কথা বুজাব সুগম হ'ব। ২) অসমীয়া মানুহৰ মানসিকতাৰ কি প্ৰকাৰ ক্ৰমবিকাশ হৈ আহিছে, তাক জানিবৰ দ্বাই উপায় হৈছে এই পুথিবিলাক। ৩) পুৰণি পুথিবিলাক আমাৰ পুৰণি বস্তু। এতিয়া আমাৰ সেই ৰাপতি-সাহোন ৰাখি থাব লাগে।' বিব্লিওগ্ৰাফি, পুথিপত্ৰৰ তালিকা কৰি কৰা অধ্যয়নযে বৈজ্ঞানিক পদ্ধতিৰ এক গুৰুত্বপূৰ্ণ বিদ্যা, অসমত আমি আজিও তাৰ নুগুণো নলও গম। বিদ্যাৰ মোল বুজাৰ দেশত কেৱল শ্বেক্সপিয়েৰৰ বিষয়েই পৃথিৱীত বছৰত কিমান গ্ৰন্থ, কিমান প্ৰবন্ধ ওলায়, তাৰ বিব্লিওগ্ৰাফি কৰা হৈ থাকে বছৰে। আমাৰ আকৌ এনে দুৰ্দশা যে ১৯৭২ চনতো অসমীয়া ভাষা বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম হ'বৰ অযোগ্য বুলি বদনাম। কিন্তু ১৮৮৮ চনত বিব্লিওগ্ৰাফিৰ মানে বুজা সেই সোণা-মুৱা ল'ৰাকেইটিয়ে তালিকা কৰিম বুলিলেযে, কৰিলেই। তাৰ মাজত বোধ হয় কনকলালো আছিল। তেৱেঁ ১৮৯৫ চনত ৭৩০খন পুথি-কিতাপৰ নামেৰে সংকলিত অসমীয়া পুথিৰ বিৱৰণ সূচীয়াকৈ প্ৰকাশ কৰে অ ভা উ সা -ৰ হৈ।

উপজিয়ে বুঢ়া হৈ জোনাকীয়ে কি কৰিলে, একে উশাহতে ক'বলৈ হ'লে উৰ্ধ্ব কমা দি বেজবৰুৱাক আনিব লাগিব—'এবছৰৰ (দ্বিতীয় বছৰৰ) জোনাকীৰ চেষ্টাই অসমীয়া ভাষাৰ কঁকালত অনেক বল দিলে; ভাষা-আকাশত পুৱাৰ পোহৰ পৰিল; অসমীয়া ভাষাটো আমাৰ অনাগতিয়াল বস্তু, কিছুমান ইংৰাজী-শিক্ষিত অসমীয়াৰযে এনে এটা অদ্ভুত সংস্কাৰ আছিল, সেইটোৱে বৰকৈ জোঁকাৰ খালে।' (আজিৰ ইংৰাজী-শিক্ষিত কিছুমানকো যে সেইদৰে গাত ধৰি জোঁকাৰিব লগীয়া হৈছে, সিহে টান কথা হৈছে।) তৃতীয় বছৰতো জোনাকীৰ সম্পাদক হ'ল অসমীয়া ভাষাৰ ঘাই বেজজনেই; খিসকল ইত্যাদিৰ প্ৰবন্ধৰে জোনাকীৰ জেউতি চৰি পৰিছিল বুলি তেওঁ জীৱনসোঁৱৰণত সৈ কাঢ়িছে, তাৰ ভিতৰত বিশেষ এজন হ'ল কনকলাল বৰুৱা। চতুৰ্থ বছৰটোও জোনাকী বেজবৰুৱাৰ সম্পূৰ্ণ সম্পাদনাতে চলিল। পঞ্চম খণ্ডত সম্পাদক হ'ল কনকলাল। কিন্তু অ ভা উ সা সভাৰপৰা প্ৰকাশিত এই ভাগ কাকতত, কিয় জানো, সম্পাদকৰ নাম ছপা হোৱা নাছিল, নামপাতত প্ৰকাশক সোণাৰাম চৌধুৰীৰ নামহে ওলাইছিল। চন্দ্ৰকুমাৰ এই সময়ত প্ৰায় আঁতৰি পৰিছিল; কিন্তু এতিয়াও বেজবৰুৱাই জোনাকীলৈ মৰম-বেথা এৰা নাছিল। তেওঁ লেখিছে ঃ 'পঞ্চম বছৰত মই যদিও জোনাকীত অনেক ৰচনা দিছিলোঁ, কিন্তু সম্পাদক হৈ আৰু থকা নাছিলোঁ। জোনাকী ১৮ নং আমহাৰ্স্ট ষ্ট্ৰীটৰপৰা সেই মেছবাসী অসমীয়া ছাত্ৰসকলৰ দ্বাৰা পৰিচালিত হ'বলৈ ধৰিলে। প্ৰবন্ধ-গৌৰৱত এই বছৰৰ জোনাকীয়েও আগৰ কেই-বছৰৰ জোনাকীৰ সম্মান অক্ষুণ্ণ ৰাখিব পাৰিছিল বুলি মোৰ বিশ্বাস।' সাহিত্যৰথীৰ কথা নিশ্চয় সত্য-ৰূপে মান্য হ'ব লাগিব। তেওঁৰ দিনলেখাৰপৰা দেখা পোৱা যায়, পঞ্চম খণ্ডৰ পঞ্চম-ষষ্ঠ সংখ্যা জোনাকী তেওঁ পায় ১৮৯৫ৰ ১ এপ্ৰিলত। পিছ

বছৰৰ ২৩ জানুৱাৰীত তেওঁ এটা আধলি দি জোনাকী বান্ধিবলৈ দিছে দণ্ডৰিক। সেয়া বোধ হয় কনকলাল বৰুৱা-সম্পাদিত সম্পূৰ্ণ পঞ্চম খণ্ড। বৰুৱাই নিজৰ জীৱন-স্মৃতিত যদিও লেখিছে, তেওঁ তৃতীয় বাৰ্ষিকৰ ছাত্ৰৰূপে জোনাকীৰ সম্পাদক হৈছিল আৰু ১৮৯৩ চনত কাকতখন হঠাতে বন্ধ হ'ল, সি বোধ হয় সত্য নহয়। ১৮৯৫ৰ ২৩ মাৰ্চত শেষ কৰা ভদৰী, ১৯ মেইত নকল কৰা স্বৰ্ণাৰোহণ, ২৪ জুলাইত লেখা কন্যা নৈৰ পাৰত, ৭ আগস্টত আৰম্ভ কৰা ভেমপুৰীয়া মৌজাদাৰ, ১৮৯৬ৰ ২৩ জানুৱাৰীত শুধৰাই-মেলি জোনাকীলৈ যুগুতোৱা শিৱসাগৰ—লক্ষ্মীনাথৰ এই গল্পবোৰ বোধ হয় কনকলাল বৰুৱাৰ আমোলৰ কাকতৰ বাবেই লেখা হৈছিল। বৰুৱা ১৮৯৪ত বি এ আৰু ১৮৯৬ত ল পাছ কৰাৰ মাজৰ সময়-ছোৱাতে জোনাকী আৰু অ ভা উ সা সভাৰ কামত বাৰুকৈ লাগিছিল। তেওঁৰ অনুপ্ৰেৰণাতে বোধ হয় বেজবৰুৱাই সভাৰ পাঁচটামান অধিবেশনত অসমীয়া ভাষা সম্পৰ্কে বক্তৃতা দিছিল। এইভাৱেই বৰুৱাই জোনাকীৰ যোগে অসমীয়া সাহিত্যক নেতৃত্ব যোগাইছিল। আৰু এয়ে বোধ হয় তেওঁৰ সাহিত্য-কৰ্মৰ আটাইতকৈ সৃষ্টিশীল সময়। ইয়াৰ আগতে ১৮৯১ত আনেৰে লগ লাগি লেখা সাবিত্ৰী-সত্যৱান নাটকৰ মুখ ক'লা নে বগা, আমি দেখি পোৱা নাই। জোনাকী আৰু বিজুলীত ওলোৱা তেওঁৰ ৰচনাখিনি হ'ল এছে বা নিবন্ধজাতীয়—ভূঁইকঁপৰ উপকাৰিতা, প্ৰাণীতত্ত্ব, সংসাৰত সুখ নে দুঃখ, শিক্ষা, সহানুভূতি। নিটোল অসমীয়া ভাষাত লেখা এইবোৰ পঢ়াশলীয়া পাঠোপযোগী। প্ৰকৃততে, বিজুলীৰ ৰচনা কেইখনক গোহাঞিবৰুৱাই স্কুল-পাঠ্য সাহিত্য-সংগ্ৰহৰ বুকত ঠাই দিছিল। সেয়া ছাত্ৰৰ সুখাদ্য। এটা অৰ্থপূৰ্ণ কথা—১৮৯৬ত কনকলালে কলিকতা এৰাৰ লগে লগে জোনাকীৰ হ'ল অৱসান। বেজবৰুৱাই ইতিমধ্যেই যি আশঙ্কা কৰিছিল (জোনাকী দেখোন জঠৰ হ'ল, অকণমানি বস্তুটি মৰি থাকিব), সেয়ে হ'ল। অকণমানিজনী মৰিল সঁচায়, লাস্ট অব দ্য ৰোমানৃছ কনকলালৰ প্ৰস্থানৰ লগে লগে। কিন্তু সেইজন বীৰৰ মালতীজনীও মৰিল। কাৰণ বীৰজন হ'ল এতিয়া চিভিলিয়ান হাকিম। আপোন বৈনাই সত্যনাথ বৰাৰ গুৱাহাটীয়া জোনাকীলৈ তেওঁৰ পিঠি; ঊষা-বাঁহীৰ প্ৰথমকেইটা বছৰৰ পিঠিত তেওঁৰ লেখা সেৰেঙা বা শূন্য। তেওঁ তেতিয়া শুই আছে—অৰ্থাৎ তেওঁৰ সিবেলা হিবাৰ্নেচন।

এই হিবাৰ্নেচনৰ আগৰ যিজন কনকলাল, সেইজনেই জোনাকী যুগৰ সাহিত্যকাৰ কনকলাল। ভ্ৰমৰঙ্গ আৰু পোনৰ সংখ্যা জোনাকীত এটি প্ৰবন্ধ লেখা পিছত অসমৰ মন্ত্ৰী ঘনশ্যাম বৰুৱাৰ মৃত্যু হোৱা বছৰতে অৰ্থাৎ ১৯২৪ত অসম সাহিত্য সভাই জোনাকীৰ এজন প্ৰবৰ্তক-কৰ্মী কনকলালকো চৰকাৰী ফাইলৰ দ'মৰপৰা খান্দি উলিয়াই যেতিয়া সম্মিলনৰ সভাপতি পাতিলে, তেতিয়া তেওঁ এটা সঙ্কোচ, এটা আনন্দৰ ভাৱত কলিকতীয়া জীৱনৰ কথা সুঁৱৰিলে এই বুলি—'মোৰ এই সামান্য কাৰ্য পাঠ্যাৱস্থাৰ অপৈণত বয়সৰ কাৰ্য হ'লেও এতিয়ালৈকে তাৰ বাবে নিজক গৌৰৱান্বিত বিবেচনা কৰোঁ। সেই সময়ত কলিকতাৰ কলেজৰ ছাত্ৰৰ বাহিৰে অসমত থকা জনা-শুনা শিক্ষিত অসমীয়াৰ ভিতৰত খুব

কম লোকহে অসমীয়া সাহিত্যৰ অনুৰাগী আছিল।'

তেওঁ অনুভৱ কৰিছিল, যি কাৰ্যৰ নিমিত্তে অ. ভা উ সা-ৰ জন্ম হৈছিল, সি সন্তোষদায়কৰূপে সিদ্ধ হৈ গৈছিল। এই উক্তিৰ অৰ্থ বোধ হয় এয়ে আছিল —যেন নট-ভাটে ৰাজচক্ৰৱৰ্তীক জগাৱে, তেনেকৈ কলিকতীয়া ছাত্ৰৰহঁতে মাঙ্গলিক গাই অসমীয়া বৌদ্ধিকসকলক টোপনিৰপৰা তুলি থৈ গ'ল। সঁচায়, সেয়ে তেওঁ-লোকৰ কৃতী কীৰ্তি। স্বয়ং কনকলালেও সেই যুঁজৰ আগৰ শঁতালে ইমানদিনে। সাহিত্য সভাৰ সভাপতি কনকলালজন জোনাকী যুগৰ কনকলালৰ স্মৃতি মাত্ৰ। তাৰ পিছত তেওঁৰ নতুন কায়-কল্প। সেই ওভতনিৰ ইঙ্গিত তেওঁৰ অভিভাষণতে; কাৰণ, তেওঁ দুহাজাৰ বছৰ পূৰ্বে প্ৰাচীন কামৰূপযে ভাৰতবৰ্ষত বিশাল পৰাক্ৰমী এখন ৰাজ্য আছিল, তাক সুঁৱৰিছে। আৰু সুঁৱৰিছে প্ৰকৃতিৰ নিৰ্মম হাতে নিশ্চিহ্ন কৰা কামৰূপৰ মন্দিৰ, ৰাজপ্ৰাসাদ, সাব্যস্ত হ'ব লগীয়া কামৰূপ স্কুল অব্ হিন্দুল, সংগীতৰ ঘৰানা, চিত্ৰকলা-ভাস্কৰ্যৰ ধূসৰ পাণ্ডুলিপি। এই সোঁৱৰণ তেওঁৰ জীৱনৰ বাবে, আমাৰ জাতীয় জীৱনৰ বাবে এক মোহন ইছাৰা, এক প্ৰত্যাহবান, চেলেঞ্জ। দুহাজাৰ বছৰে পৰা পঞ্জৰ তলৰপৰা প্ৰাচীন কামৰূপখন খান্দি উলিও-ৱাটো এক দৈত্যকায় গৱেষণা-আঁচনি। তেতিয়ালৈকে আমাৰ ৰাজ্যত গেইট-বিদ্যাবিনোদৰ কথা বাদ দি কোনো ডক্টৰ মজিদুল বৰা, কোনো ডক্টৰ কাকতি, কোনো ডক্টৰ ভূঞাৰ নাম আমি শুনা নাই। কামৰূপ অনুসন্ধান সমিতিৰ জুকলা পঁজাত মাথোন মাজে মাজে বুৰঞ্জীৰ সপিণ্ডীকৰণ হয়, বা দৰংৰাজবংশাৱলী বা আহোমৰ দিনৰ দৰে গৱেষণাৰ চৰিত্ৰৰ দুই-এখন পুথি ওলাই পঁইতাচোৰাৰ শেতেলি বা নিগনিৰ খাদ্য ৰচনা কৰে। কিন্তু আহোম যুগৰ আগৰ অসমৰ এখন বুৰঞ্জী হ'ব পাৰে, বহুলকৈ এই কথা কোনেও নাভাবে।

১৯২৪, ১৯২৫, ১৯২৬, এনেকৈ বছৰবোৰ বাগৰি বাগৰি গৈ থাকে। আহে ১৯৩৭। তাৰ সামৰণিত অসম সাহিত্য সম্মিলন বহে। কনকলাল বৰুৱা সেইবাৰ হয় বুৰঞ্জী শাখাৰ সভাপতি। তেওঁৰ ডেৰ দশকৰ আগৰ আক্ষেপবোৰ তেতিয়া ভৰা আশা, ভৰা গৌৰৱত পৰিণত হৈছে। জোনাকীৰ অপেণত ছাত্ৰ সাহিত্যিকজন এতিয়া হাতত চেঙেলি পৰিলে নেৰা বুঢ়া ঐতিহাসিক হৈছে। ন ডেকাবোৰৰ মাজৰপৰা বৰা, কাকতি, ভূঞা ডক্টৰ হৈ ওলাল। কামৰূপৰ ধূসৰ ইতিহাসৰ স্বাক্ষৰ বিচাৰিবলৈ জীৱনৰ জোৰ-বন্তি লৈ দুই-এজন আগ বাঢ়ি ওলাল। আৰু ওলাল আৰ্লি হিস্টৰি অব্ কামৰূপ, কামৰূপৰাজাৱলীৰে কামৰূপশাসনাৱলী। অসমৰ বাহিৰৰ প্ৰাচ্যতত্ত্ববিদসকলৰো একিল খাই এবুধি চাপিল—সুদূৰ প্ৰাচ্যৰ দ্বীপময় ভাৰত আদিৰ বাহিৰেও আচাম মুলুকতো এখন প্ৰাচীন ভাৰতবৰ্ষ আছিল, আছে। গতিকে ১৯২৪ৰপৰা ১৯৩৭লৈ দীঘলসুৰীয়া ম'হগুৱালৰ বিং, ষষ্ঠ সাহিত্য সম্মিলনৰ জোনাকীৰ স্নিগ্ধ জ্যোৎস্নাত স্নাত কনকলালৰপৰা আৰ্লি হিস্টৰি, অনু-সন্ধান সমিতি, আসম্ম ৰাজ্য সংগ্ৰহালয়ৰ দ্বিপ্ৰহৰৰ মাৰ্তণ্ড কনকলাললৈ ডাক জাহাজৰ উকি। এতিয়া আৰু এতিয়াৰ পিছৰ বাঁহীৰপৰা মিলনেদি আবাহনলৈকে কনকলালে অসমীয়া প্ৰবন্ধ-ৰচনা ৰচিছিল। কিন্তু সেয়া সেই মাৰ্তণ্ডৰ প্ৰতিফলিত ছিমকিৰণৰ

ছায়াহে, অর্থাৎ নিজৰে আনটো সত্তাৰ দাপোণত পৰা প্ৰতিচ্ছবি। পটন্তৰ-স্বৰূপে সপ্তদশ-অষ্টাদশ বৰ্ষৰ বাঁহীত ওলোৱা পাণ্ডিত্যগৰ্ভ কামৰূপ সাম্ৰাজ্য, কৌটিল্যৰ সময়ত প্ৰাগজ্যোতিষ আৰু বুৰঞ্জীৰ বিবিধ টোকা নামৰ গধুৰ প্ৰবন্ধবোৰৰ বিষয়বস্তুত ইণ্ডিয়ান্ কাল্চাৰ্ আৰু জৰ্নেল অব দ্য আসাম ৰিছাৰ্চ ছোচাইটিৰ দেহগত আলপাইনছ ইন ইস্টাৰ্ণ ইণ্ডিয়া, ইৰান এণ্ড ইস্টাৰ্ণ ইণ্ডিয়া, প্ৰিহিস্টৰিক কাল্চাৰ্ ইন্ আসাম, কামৰূপ এণ্ড কৌটিল্য ঃ এডেণ্ডাম্, ওৰজ কৌটিল্য এন ইস্টাৰ্নাৰ আদি ইংৰাজী প্ৰবন্ধৰ মৰ্মই প্ৰতিধ্বনিত হৈছে। বুৰঞ্জী শাখাৰ অভিভাষণখননো কি? সিও তেওঁৰ নিজৰ গৱেষণা আৰু আনবো আৱিষ্কাৰৰ খবৰ আৰু সাৰাংশ। গতিকে ১৯৩৭ৰ বুৰঞ্জী সভাপতিজন ১৯২৪ৰ মূল সম্মিলনৰ সভাপতিজনৰপৰা পৃথক ব্যক্তি, সিহে প্ৰমাণিত হয়। আগৰজন চঞ্চল ডেকা; এইজন বুঢ়া। আগৰজনৰ হাবিয়াহ নতুন অসম গঢ়া; এইজনৰ হাবিলাস পুৰণি কামৰূপৰ কঙ্কাল সমাধিৰপৰা খানি আনি তাত তেজ-মঙহেই নহয়, স্নো-পাউডাৰো লগাই দিয়া; সেই ফালেহে তেওঁৰ অতন্দ্ৰ দৃষ্টি। এই দুজন কনকলাল বৰুৱাৰ মাজতে আৰু এজন কনকলাল চেপা খাই সোমাই আছে। সেইজন হ'ল মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্মমৰ্ত নামৰ শঙ্কৰদেৱৰ ধৰ্ম আৰু দৰ্শন-সম্পৰ্কীয় গভীৰ আলোচনাৰ লেখক। বিবৰ্তনৰ এই স্তৰটো প্ৰকৃততে বৰ চমু, কিন্তু কম গুৰুত্বপূৰ্ণ নহয়। স্তৰটো চমু নহৈ দীঘলীয়া হোৱা হ'লে অসমৰ নৱবৈষ্ণৱ ধৰ্ম আৰু দৰ্শনৰ বিষয়ে আমি এখনি স্থায়ী কীৰ্তিকৰ গ্ৰন্থকে পালোঁহেঁতেন। অৱশ্যে তাত প্ৰকাশিত শঙ্কৰদেৱৰ বেদান্তবাদ-সম্পৰ্কীয় তেওঁৰ অভিমতৰ কিছু পৰিবৰ্তন কৰি ল'ব লাগিলহেঁতেন।

১৯৩৩ চনত আৰ্লি হিস্টৰি অব কামৰূপ ওলোৱাৰ আগতে তেওঁযে তেনে এক ধ্যান-গম্ভীৰ কামত ব্ৰতী আছিল, সেই কথা প্ৰকাশ পোৱা নাছিল। তেতিয়া তেওঁ মন্ত্ৰী। মন্ত্ৰীয়েতো আৰু কিতাপ লেখাৰ নিচিনা লেতেৰা সৰু কাম নকৰে। কিন্তু এইজন মন্ত্ৰীৰ নক্সা একেবাৰে দোছোৱা। তেওঁ কোনো পাতল কথা, পাতল কামত নাই। তেওঁৰ প্ৰতি কথা, প্ৰতি কামেই ছিৰিয়াছ্। এই ছিৰিয়াছটোও আকৌ আন মন্ত্ৰীৰ ছিৰিয়াছনেছৰ লেখীয়া নহয়। তেওঁ ইন্ট্ৰোভাৰ্ট। তেওঁৰ দৃষ্টি অন্তৰ্মুখী, ধ্যানপৰায়ণ। চাৰিওফালৰ জগতৰ কোলাহলৰপৰা তেওঁ বিচ্ছিন্ন। আনসকল যদি থাকে ভৈয়ামৰ গেৰেকনিত, তেওঁ ৰবাৰ্ট ব্ৰাউনিঙৰ বৈয়াকৰণজনৰ দৰে থাকে পৰ্বতৰ শিখৰত। সেই উচ্চতাৰ নিৰ্মাণেই হ'ল এই আৰ্লি হিস্টৰি অব্ কামৰূপ। তেতিয়া পদ্মনাথ ভট্টাচাৰ্য্যৰ কামৰূপশাসনাৱলীও ওলোৱা নাই। তাত সন্নিবিষ্ট শাসনবোৰ ভট্টাচাৰ্য দীক্ষিত হৰ্ন্‌লি আদিৰ প্ৰবন্ধৰ লগত অ'ত ত'ত সিঁচৰতি হৈ আছিল। তাৰ লগত হৰ্ষচৰিত, ৰাজতৰঙ্গিণী আৰু আধুনিক গৱেষণা-প্ৰবন্ধৰপৰা সমল লৈ অকলে আপোনমনে বহি নিৰলাত এই আধুনিক গৱেষণা-গ্ৰন্থখন প্ৰণয়ন কৰিলে; যেন তেওঁৰ মন্ত্ৰ—যদি তোৰ ডাক শুনে কেউ না আসে, তবে একলা চলো ৰে। এই নিৰ্জনতাৰপৰা মহাকাশলৈ নিক্ষেপ কৰা পুথিখনে কলিকতা-পুণাৰ প্ৰাচ্যতত্ত্ববিদ পণ্ডিতসকলৰ মাজত আলোড়নৰ সৃষ্টি কৰিলে। পশ্চিম ভাৰতৰ দুজন পণ্ডিতৰ এজন ডক্টৰ সালেতোৰেই ক'লে, এই সমীক্ষাশীল প্ৰাচীন কামৰূপৰ ইতিহাসখন

হ'ল এ ডিস্টিংক্ট কন্ট্ৰিবিউচন টু দ্য হিস্টৰি অব্ এনশ্যান্ট্ ইণ্ডিয়া। আনজন ডক্টৰ ডি আৰ ভাণ্ডাৰকাৰে বুলিলে, কনকলাল আনন্দৰাম বৰুৱাৰ পিছত অসমৰ প্ৰথম চৰকাৰী প্ৰাধিকাৰ যি পাণ্ডিত্যৰ ক্ষেত্ৰত নিজৰ স্বাক্ষৰ ৰাখিবলৈ আগ বাঢ়ি আহিছে। কলিকতাৰ পণ্ডিতৰ মাজতো পুথিখনৰ যথেষ্ট আদৰ হ'ল। কিন্তু পাৰিলে এটা খোঁচ মৰাৰ অভ্যাসটোও তেওঁলোকে নেৰিলে। যেনেকৈ, অধ্যাপক প্ৰবোধচন্দ্ৰ সেনে পুথিখন ভাৰত বুৰঞ্জীৰ অন্তৰঙ্গ এটি বিশিষ্ট দান বুলি কৈও ক'লে যে সমস্ত পুথিখনৰ দীঘে-বানিয়ে এক শ্বভিনিজ্‌ম্, সংকীৰ্ণ জাতীয়তাবাদৰ সুৰ বাজিব লাগিছে। এই মন্তব্যটোত ক্ষুণ্ণ হৈ কনকলাল বৰুৱা গৰ্‌গৰাই উঠিছিল ঃ নিজৰ অতীত গৌৰৱত উৎফুল্ল হ'বলৈ অসমৰ মানুহৰ সম্পূৰ্ণ নীতিপূৰ্ণ অধিকাৰ আছে; তাতে যদি আন কোনোবাই ভাগ নলয়, সেয়াতো আৰু অসমীয়াবোৰৰ জগৰ নহয়। ভাৰতীয় ৰাজনীতিত আগ শাৰী লোৱা সম্ৰাট ভাস্কৰবৰ্মাই গৌড়াধিপতি শশাঙ্কক যুদ্ধত ছত্ৰ-ভংগ দিয়াইছিল আৰু কৰ্ণসুবৰ্ণৰ জয়স্কন্ধাবাৰৰপৰা বিহাৰৰ কোশী নৈৰ পাৰত বামুণক মাটি দান কৰা শাসন ঘোষণা কৰিছিল। ইয়াত কামৰূপৰ গৌৰৱ, বংগৰ অগৌৰৱ। সেই কথাত আমাৰ ৰংশিঙা; সিসকলৰ খংশিঙা। কথাৰ আঁহ সিমানেই। কামৰূপৰ ইতিহাসৰ লগত তেওঁ জড়িত, লিপ্ত—সেই ইন্‌ভলভমেণ্টটোতো আৰু অস্বীকাৰ কৰি লাভ নাই!

আলি হিস্টৰি অব্ কামৰূপৰ বিষয়ে আৰু কথা নবহলাও। সেইখন পুথিৰ দুটাকৈ ত্যাঙৰণ আপোনালোকৰ হাতত আছেই। মাঠি-মুঠি ক'লে এয়ে হয় যে এই হিস্টৰিয়ে ভাৰতৰ প্ৰাচীন ইতিহাসত আমাৰ স্থান নিৰ্ণয় কৰিলে, আৰু আমি-বোৰে সেই কথা নুশুনিলেও বা সেইটিৰ গম নল'লেও কনকলালে আমাক জগত্-সভাত বহা গৌৰৱৰ ভাগী কৰি থৈ গ'ল। তেওঁ নিজেও তৎক্ষণৰপৰাই ভাৰতীয় পণ্ডিত-সমাজৰ এজন বুলি পৰিগণিত আৰু সমাদৃত হ'ল। অৱশ্যে তেওঁৰ ভূমিকা হ'ল যোদ্ধাৰ ভূমিকা এতিয়াও, কাৰণ আমাৰ দেশৰ প্ৰাচীন ইতিহাসৰ জ্ঞান আমাৰ কোনো কালেই সম্পূৰ্ণ নহ'ব আৰু যুদ্ধতো লাগেই, কাৰণ জ্ঞানং তৰ্কমূলম্। এ ৰিজইণ্ডাৰ্—এটা প্ৰতিবাদ, এনাদাৰ্ ৰিজইণ্ডাৰ্—আৰু এটা প্ৰতিবাদ,—এইবোৰ তেওঁৰ প্ৰবন্ধৰ নাম, যেন বাৰে বাৰে ঠেঁহ-অভিমান পাতিছে বান্দৰৰ হাতৰ কল আমি সকলোৱাই ল'ব লাগে!! সেই কথা আজিৰ দিনতো সত্য নহয় জানো?

আচলতে হিস্টৰিখন ওলোৱাৰ পিছতেই বৰুৱাই নিজৰ চৰম গুৰুত্বপূৰ্ণ ভূমিকাৰ বিষয়ে অৱধান লাভ কৰিলে; নিজৰ কঁকালৰ বলফেৰাও বুজি উঠিল তেতিয়াৰপৰাহে। কিন্তু আনন্দৰামৰ দৰে অল্পায়ু নহৈ দীৰ্ঘায়ু হ'বলৈ যদিও ডক্টৰ ভাণ্ডাৰকাৰৰ দৰে মৰাঠী বামুণে আশীৰ্বাদ কৰিছিল, তেওঁৰ আয়ুসত এতিয়া টানি-মানি সাত বছৰলৈকে চাউল নাছিল। কিন্তু এই বছৰকেইটাৰ প্ৰতিটো দণ্ড-পলকে কনকলালে হালত জুৰিছিল। পেঞ্চনাৰ হোৱা, মন্ত্ৰী হোৱা, এইবোৰ ঋণাত্মক কথা। ধনাত্মক হ'ল কনকলাল কামৰূপৰ গৌৰৱময় ইতিহাসৰ সাক্ষী হোৱাটো। তাৰ বাবে তেওঁ কামৰূপ অনুসন্ধান সমিতিক ঠাঁট-কটক বা কেন্টনমেণ্ট কৰি ল'লে! তাৰপৰা মাজে মাজে সামান্য একোটি সৈন্যদল লৈ তেওঁ ইণ্ডিয়ান হিস্টৰি কংগ্ৰেছ,

সর্বভাৰতীয় প্ৰাচ্যবিদ্যা সম্মিলন আদিত দেখা দি ভাৰতীয় সংস্কৃতিৰ মেপখনত অসমৰ অস্তিত্ব ঘোষণা কৰি আছে। সেই ক্ষেত্ৰত আত্মপ্ৰতিষ্ঠাৰ বাবে দুটি বস্তু অপৰিহাৰ্য, এই কথা তেওঁ মৰ্মে মৰ্মে উপলব্ধি কৰে—লাগে এখন গৱেষণা-পত্ৰিকা, লাগে এক সংগ্ৰহালয়। গা-খাটনি, ধন-খাটনি, মন-খাটনি দি তেওঁ জৰ্নেল অৱ দ্য আসাম ৰিছাৰ্চ্ ছোচাইটি চলালে তেওঁৰ জীৱনৰ বাকীছোৱা কাল এইদৰেই। তেওঁ অনুসন্ধান সমিতিৰ সভাপতি, তেওঁ পত্ৰিকাৰ সম্পাদক। শপত খাই ক'বলৈ হ'লে, এতিয়া তেৱেঁই সমিতি, তেৱেঁই পত্ৰিকা। সেই দুটাই তেওঁৰ যুগল জীৱন। একাগ্ৰতাৰ এই চৰম নিদৰ্শনেই হ'ল আমালৈ কনকলালৰ জন্মৰ শতবৰ্ষ-পূৰ্তিৰ মহাবাণী।

আলি হিস্টৰি অৱ্ কামৰূপৰ বহুত তথ্য কনকলালে নিজেই অতিক্ৰম কৰিছে, খণ্ডন কৰিছে। তেওঁ ক'বৰ দৰে, ছাৰ যদুনাথে ক'বৰ লেখীয়াকৈ, কন্টিনুৱেল ছুপাৰ্ ছেচন ইজ দ্য ল অৱ্ ৰিছাৰ্চ, অখণ্ড খণ্ডনেই হ'ল বৈজ্ঞানিক গৱেষণাৰ বিধি। হিস্টৰি অৱ্ কামৰূপৰ পিছত নিজৰ প্ৰবন্ধবোৰত আগৰ নিজৰ মত খুন্দিয়াই পেলাই নতুন তত্ত্ব থিয় কৰিছে। তাৰো হয়তো বহুতোখিনি নতুন আৱিষ্কাৰৰ ফল-স্বৰূপে আমি আজি এৰি পেলাইছো। সেইটো কনকলালৰ অগৌৰৱ নহয়, বৰং তেওঁৰ জীৱন-সাধনাৰ গৌৰৱহে। এটা সৰু উদাহৰণকে লওক। বৰুৱাই ধৰি লৈছিল, ভাস্কৰবৰ্মাৰ ককায়েক সুপ্ৰতিষ্ঠিতবৰ্মা তেওঁৰ পিতৃ স্থিতবৰ্মাৰ জীৱিতকালতে মৰে, গতিকে সেই কোঁৱৰজন আৰু ৰজা হ'বলৈ নাপালে। কিন্তু কামৰূপৰ ডুবি গাঁৱত ভাস্কৰবৰ্মাৰ দ্বিতীয় এখন শাসন আৱিষ্কাৰ হোৱাত সেই থিঅৰিৰ আপোনা-আপুনি খণ্ডন ঘটিছে। কনকলাল বৰুৱাই অসমৰ লোক-সমষ্টি-গঠনৰ ক্ষেত্ৰত ডক্টৰ হাটন আৰু আন এজন বিশ্ব-বিশ্ৰুত পণ্ডিত ডক্টৰ বিৰজাশঙ্কৰ গুহৰ (এওঁ আমাৰ পাণবজাৰৰ গুহ লজৰ মানুহ, হেমচন্দ্ৰ বৰুৱাৰ আসাম নিউচৰ সহকাৰী অভয়াশঙ্কৰ গুহৰ পুত্ৰ। তেওঁৰ মাক এই ডিচেম্বৰ মাহত ১০২ বছৰ বয়সত ঢুকাইছে।) মতকে প্ৰায় সম্পূৰ্ণভাৱে গ্ৰহণ কৰিছে। কিন্তু বৰুৱাৰ মৃত্যুৰ দহ বছৰ পাৰ হওঁতে নৌ-হওঁতেই ডক্টৰ শশাঙ্কশেখৰ সৰকাৰ আদি নৃতত্ত্ববিদে হাটন-গুহৰ মত ওফৰাই পেলাইছে। তাৰ লগে লগে কনকলালৰ লেখাৰ মূল্যও আংশিকভাৱে ঐতিহাসিক মাত্ৰ হৈ পৰিছে। বৰুৱাৰ জীৱনৰ প্ৰায় শেষৰ বছৰত বৰগঙ্গাৰ শিলাফলিৰ আৱিষ্কাৰ হৈছিল। তেওঁ মাথোন জানি গ'ল, তাত মহাৰাজাধিৰাজ ভূতিবৰ্মা আৰু ইদম্ আশ্ৰমং কথা দুটা আছে। তেওঁৰ মৃত্যুৰ পিছত ঢাকা মিউজিয়ামৰ নলিনীকান্ত ভট্টশালীয়ে ফলিখনৰ সম্পূৰ্ণ পাঠ উদ্ধাৰ কৰি ক'লে, তাত তাৰিখ খোদিত আছে গুপ্তাব্দ ২৩৪ (৫৫৩-৫৪ চন)। ভট্টশালীৰ মৃত্যুৰ পিছত ডক্টৰ দীনেশচন্দ্ৰ সৰকাৰে এতিয়া কয়, ফলিখনত এনে কোনো অঙ্ক নাই। ক'ত মৰা, মৰা এতিয়া !! কিন্তু এয়ে গৱেষণাৰ প্ৰগতিবাদ। তাৰ পথত আন্তৰিকতাৰে খিজনে নিভাত্ত ভুল থিঅৰি এটাও থিয় কৰিব পাৰে, তেওঁ সকলোৰে মান্য পণ্ডিত। নহ'লেতো আৰু মানৱ-জ্ঞানৰ পৰিসৰৰে বৃদ্ধি নহয়। সকলো গৱেষকৰ বাবেই চূড়ান্ত জ্ঞান ধ্যানৰ বস্তু। সেই বুলি, একোটা বিষয়ত লাষ্ট ওৱৰ্ড, শেষ কথা ময়ে কৈ গলোঁ বুলি প্ৰকৃত গৱেষকে নকয়; তেওঁ চাই থাকে মাথোন, তেওঁৰ মত কোনে খণ্ডন কৰে। তেওঁ

এটা চেলেঞ্জ্। তেওঁ সৰস্বতীৰ শিলামূৰ্তি নহয়। কনককলাল বৰুৱাৰ স্মৃতিয়ে আমাক জ্ঞানৰ পথত আগ বাঢ়ি যাবলৈ আহ্বান জনাইছে, নতুন হাবি ভাঙিবলৈ শিকাইছে; অমুকে কৈছে, তমুক কৈছে, ভচুকে নকৈছে বুলি হম-সব্-জান্তা ভেমত গণ্ডাটোপ হ'বলৈ শিকোৱা নাই। চৰন্ চৈবেৱেতি—এয়ে এইজনা ৰাজৰ্ষিৰো বাণী।

লাভ্ অব্ ডিটেইলছ্, একোটা বিষয়ৰ সকলো সৰু-সুৰা অঙ্গৰ প্ৰতি প্ৰীতি-পূৰ্ণ দৃষ্টি সকলো গৱেষকৰ এটি ডাঙৰ গুণ। এই গুণ কনকলালৰ লেখাৰ মাজত ব্যক্ত হৈ পৰিছে। তেওঁৰ বাস্তৱ জীৱনতো এই ক্ষুদ্ৰত নিহিত দৃষ্টি আৰু প্ৰীতি আছিল। মই জনা এটি কথা কওঁ। ১৯৩৭ৰ ডিচেম্বৰত যেতিয়া গুৱাহাটীত পণ্ডিতাগ্ৰগণ্য শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ সভাপতিত্বত অসম সাহিত্য সন্মিলন বহে, তেতিয়া বৰুৱা ডাঙৰীয়া ৰোগ-শয্যাত। মোৰ ককাইদেউ ডিম্বেশ্বৰ নেওগ আৰু আন কেইগৰাকীমান সাহিত্যিকেৰে তেওঁক চাবলৈ গৈছোঁ। সেই এবাৰেই মোৰ বৰুৱাদেৱক লগ পোৱা। ডক্টৰ নীহাৰৰঞ্জন ৰায়ে গুৱাহাটীৰ প্ৰৱাসী বঙালী ছাত্ৰ-সভাত দিয়া এটা বক্তৃতাৰ মই কৰা অনুবাদ দুদিনমান আগতে আৱাহনত প্ৰকাশ হৈ গৈছে। বৰুৱাদেৱে ল'ৰা-মানুহ মোক ক'লে, ৰায়ৰ দুই-এটা সৰু-সুৰা কথা নিতান্তই ভ্ৰান্ত। পিছদিনা দেখিলোঁ, বুৰঞ্জী শাখাৰ অভিভাষণত সেই কথাকেইটাৰ প্ৰতিবাদ তেওঁ সন্নিবিষ্ট কৰিছে। অসম বুৰঞ্জীৰ এনে কথা সৰু হ'লেও তেওঁৰ দৃষ্টি আৰু মন্তব্যৰপৰা কেতিয়াও সাৰি যাব নোৱাৰিছিল। বুৰঞ্জী অধিবেশনত বৰুৱাদেৱ উপস্থিত থাকিব নোৱাৰিলে। অভিভাষণখনি পাঠ কৰিলে তেওঁৰ ভ্ৰাতৃ মহেন্দ্ৰলাল বৰুৱাৰ জোঁৱাই আৰু মোৰ মোমাই প্ৰাণেশ্বৰ হাজৰিকাই। জানিব পাৰিলোঁ, মোমাইদেউক তেওঁ সন্মুখত থিয় কৰাই লৈ অভিভাষণ-পাঠৰ ৰিহাৰ্ছেল কৰাইছিল। মোমাইদেৱে সভালৈ যাওঁতে পুহমহীয়া জাৰতো অসমীয়া পাটৰ পঞ্জাবী কামিজ আৰু চেলেং পিন্ধি গৈছিল। সেয়াও সম্ভৱতঃ বৰুৱাদেৱৰ নিৰ্দেশমতেই ঠিক কৰা হৈছিল। ড্ৰেছ ৰিহাৰ্ছেল হৈছিলনেকি, সেইটোহে খাটাং কৰি ক'ব নোৱাৰিলোঁ। এই কথাকেইটা উল্লেখ কৰিলোঁ কনকলালৰ লাভ অব ডিটেইল্ছৰ প্ৰসঙ্গত।

মালৱৰ পৰমাৰ ৰজা বাকপতিৰাজৰ ফলিত থকা সাৰথিকা-দেশ, কুলাঞ্চা আৰু উত্তৰকূলদেশ কামৰূপৰ শাসনবোৰত পোৱা শ্ৰাৱস্তী, ক্ৰোড়ঞ্চ আৰু উত্তৰ-কূল হয়নে নহয়, অসমৰ কলিতাবোৰ আলপাইন্ জাতিৰ হয়নে নহয়, নৰক ভগদত্ত কৰ্ণ বীৰ আল্পাইন্ হয়নে নহয়, ইৰানৰ আলপাইনৰ অৱশিষ্ট পাৰ্ছীসকলৰ লগত সম্পৰ্ক থকা কোনো জন-গোষ্ঠীয়ে অসমত আৰ্য ভাষাৰ গুটিটো পচাইছিলনেকি, বা আলপাইন কলিতাবোৰেই অসমীয়া ভাষাৰ প্ৰথম শব্দকেইটা উচ্চাৰণ কৰিছিল নেকি, আৰু তাৰ ফলতে গ্ৰিয়াৰ্ছন চাহাবৰ অন্তৰ্বৃত্ত বহিৰ্বৃত্ত থিঅৰিৰ উত্তৰ হ'লনেকি, জগদ্গুৰু শঙ্কৰাচাৰ্যৰ গুৰু কুমাৰিল ভট্ট অসমীয়ানেকি, ফেৰিস্তাত লেখামতে ঘোৰাঘাট পৰ্বতত আক্ৰচিয়াৰৰ কেই অক্ষৌহিণীৰ সৈন্যবলক ঘটুওৱা সকলাদিব বেজবৰুৱাই ক'বৰ দৰে আমাৰ দেশৰ ৰজানেকি, আৰু কিমান কি প্ৰশ্নৰ উপৰি জাউৰি জাউৰি প্ৰশ্নই কনকলালক গুৱলৈ দিয়া নাছিল, অতন্দ্ৰ অধ্যয়নত ৰত ৰাখি-ছিল। তাৰ সন্ধান আপোনালোকক দিবৰ মানসে অসম সাহিত্য সভাৰ কনক-

লাল বৰুৱা জন্মশতবাৰ্ষিকী উছৱ সমিতিৰ হৈ মই তেওঁৰ ইংৰাজীত লেখা গৱে-ষণাৰ প্ৰবন্ধবোৰ একেলগ কৰি স্টাডিজ ইন্ দ্য আৰ্লি হিস্টৰি অব্ আসাম নাম দি সম্পাদনা কৰিছোঁ আৰু মোৰ ছাত্ৰ শ্ৰীমান নন্দ তালুকদাৰে কনকলালৰ অসমীয়া লেখাখিনিৰ ঘি পালে কনকলাল বৰুৱা ৰচনাৱলী শীৰ্ষেৰে সম্পাদনা কৰিছে। গৱে-ষণা-পণ্ডিত কনকলালক লৈ এই গৱেষণা মাজে মাজে দুৰূহ হৈয়ে উঠিছিল—যেতিয়া এটা শব্দৰ কাৰণে হৰ্ষ-চৰিত, মুদ্ৰাৰাক্ষস, এটা উদ্ধৃতিৰ বাবে আৰ্য্য-মঞ্জু-শ্ৰী-মূল-কল্প আৰু এপিগ্ৰাফিয়া ইণ্ডিকাৰ পাত লুটিয়াব লাগে বা ৰাজশেখৰৰ কাব্যমীমাংসাৰ এটা বাক্য মিলাবৰ বাবে আলিপুৰৰ ৰাষ্ট্ৰীয় গ্ৰন্থাগাৰলৈ লৰিব লগীয়া হয়। অৰ্থ-শাস্ত্ৰ আদিৰ পাত লুটিয়াব নোৱৰা কাৰণে হয়তো আমাৰ সম্পাদনাৰে অক্ষমতা ৰৈ যায়। তাৰ বাবে কিন্তু সম্পাদকহে জগৰীয়া হৈ থাকিম, কনকলাল বৰুৱাৰ গৌৰৱ যেন ম্লান নহয়। কিন্তু আমি ভাবোঁ, দ্য বেস্ট স্টাডি অব কনকলাল বৰুৱা ইজ্ কনকলাল বৰুৱা। তেওঁৰ অধ্যয়ন তেওঁ নিজে। গতিকে এই গ্ৰন্থ দুখনকে দি, তেওঁৰ বস্তুকে তেওঁক দি, শতাব্দীৰ অৰ্ঘ্য আগ বঢ়োৱা হৈছে। ইয়াৰ ভিতৰত দিয়া-থোৱা সৰ্বখিনি ছিদ্ৰক নিশ্ছিদ্ৰ কৰি আপোনাসৱে গ্ৰহণীয় কৰিব লাগে। এই গ্ৰন্থ দুখনি অধ্যয়ন কৰাৰ পিছত আপোনালোকৰ মনত আমাৰ মনৰ ভাবটি উদয় হয়নে চাবচোন,—জোনাকীৰ পথ-প্ৰদৰ্শক সাহিত্যিক কনকলালতকৈ পৈণত বয়সৰ প্ৰাচীন ভাৰতৰ ইতিহাসৰ গৱেষণা-পণ্ডিত এই ৰাজৰ্ষি কনকলাল বৰুৱাজন বহুত ওখত, যদিও প্ৰথমজনৰ কাৰ্যইহে আমাক দ্বিতীয়জনৰ কীৰ্তি গ্ৰহণ কৰিবৰ কাৰণে তৈয়াৰ কৰিলে।

আজি এই ৰাজৰ্ষিজনাৰ পুণ্যজন্মৰ শতবৰ্ষ-পূৰ্তিত আমি গৌৰৱ-উৎফুল্ল হৃদয়েৰে আনন্দ-মুখৰ উৎসৱ পাতিছোঁ। আমাৰ এই গৌৰৱ এই আনন্দ এই উছৱত সৰ্বপ্ৰকাৰে যোগ দি সেইখিনিক শতগুণে বৰ্ধিত কৰিবলৈ আগ বাঢ়ি আহিছে বৰুৱাদেৱৰ পত্নী আশী বছৰৰ কাষ চপা শ্ৰীমতীপ্ৰেমদা বৰুৱাই, বৰুৱাদেৱৰ পুত্ৰ, পুত্ৰী, পৌত্ৰ, পৌত্ৰী, জোঁৱাই-সকলে। আমাৰ আহ্বানত জোঁৱাই শ্ৰীহেমেন্দ্ৰপ্ৰসাদ বৰুৱাকে (চাৰি হাজাৰ টকাৰ দানেৰে) ধৰি পুত্ৰ শ্ৰীচুনিলাল বৰুৱা, পৌত্ৰ শ্ৰীগোবিন্দলাল বৰুৱা প্ৰমুখ্যে বৰুৱা-বংশই গ্ৰন্থ দুখনি প্ৰকাশৰ ভাৰ অতি ৰংমনে গ্ৰহণ কৰিছে আৰু অসম সাহিত্য সভাক প্ৰকাশৰ স্বত্বটিও দান কৰিছে। এই কাৰ্যৰ দ্বাৰা সভাৰ লগত সিসকল এটি পৰিয়ালৰ দৰে হৈ পৰি আমাৰ এই শবছৰীয়া শ্ৰাদ্ধকাৰ্যক গৰিমাম্বিত কৰি তুলিছে। তাৰ বাবে সিসকলৰ ওচৰত আমি গৌৰৱেৰে কৃতজ্ঞ।

কনকলালৰ জয় হওক।

সম্পাদকৰ একাষাৰ

নন্দ তালুকদাৰ
অধ্যাপক, পাণ্ডু কলেজ

অসম সাহিত্য সভাৰ পক্ষৰপৰা কনকলাল বৰুৱাৰ জন্ম-শতবাৰ্ষিকী উৎসৱ গুৱাহাটীত কেন্দ্ৰীয়ভাৱে পালন কৰিবলৈ স্থিৰ কৰি তেওঁৰ ৰচনাৱলী সংগ্ৰহ আৰু সম্পাদনাৰ দায়িত্ব আমাৰ ওপৰত ন্যস্ত কৰা হৈছিল। অনেক গুণী-জ্ঞানী লোক থকা সত্ত্বেও আমাক এই ভাৰ দিয়া বাবে অসম সাহিত্য সভাৰ ওচৰত আমি কৃতজ্ঞ।

পুৰণি জোনাকী, বাঁহী আদি আলোচনীসমূহ হাতে চুকি নোপোৱা বাবে বৰুৱা ডাঙৰীয়াৰ সকলো ৰচনা সংগ্ৰহ কৰিব পৰা নহ'ল। পুৰণি মৌ, জোনাকী আদি আলোচনীৰ প্ৰবন্ধ কবিতাৰ তলত লেখকৰ নাম নথকা বাবে কনকলাল বৰুৱাৰ আৰু কিবা ৰচনা থাকি গৈছে যদি আমি নিৰুপায়।

পুথিখনি প্ৰকাশৰ বাবে অনুমতি আৰু আৰ্থিক সাহায্য দিয়া বাবে উৎসৱ সমিতিৰ পক্ষৰপৰা কনকলাল বৰুৱাৰ পত্নী শ্ৰীযুতা প্ৰেমদা বৰুৱা আৰু তৃতীয় পুত্ৰ শ্ৰীচুনিলাল বৰুৱা প্ৰমুখ্যে পৰিয়ালৰ সকলোটিৰে ওচৰত আমি ঋণী।

কনকলাল বৰুৱা ৰচনাৱলী সম্পাদনাত আমাক ডক্টৰ মহেশ্বৰ নেওগে বিশেষভাৱে সহায় কৰিছে। অধ্যাপক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, অধ্যাপক শ্ৰীৰজনী কান্ত দেৱশৰ্মা, অধ্যাপক শ্ৰীযোগেশ দাস, শ্ৰীমতী গুলপি বৰুৱা (স্বৰ্গীয় মনোভিৰাম বৰুৱাৰ পত্নী) শ্ৰীমুৰাৰিচৰণ দাস শ্ৰীমতী দীপালী ডেকা, শ্ৰীগোবিন্দ মহন্ত, অধ্যাপক শ্ৰীভূপেন্দ্ৰকুমাৰ বৰ্মা, শ্ৰীকমলানন্দ বৰদলৈ, শ্ৰীত্ৰৈলোক্য দত্ত, অধ্যাপক শ্ৰীহেমন্তকুমাৰ শৰ্মা আৰু অধ্যাপক শ্ৰীপ্ৰসন্নৰাম দাসে আমাক নানানভাৱে সহায় কৰিছে। সকলোটিৰে ওচৰত আমি চিৰকৃতজ্ঞ।

শ্ৰীগুৰু প্ৰেছৰ স্বত্বাধিকাৰী আৰু কৰ্মীবৃন্দই পুথিখনি ছপাই দিয়া বাবে শলাগ লৈছোঁ।

কনকলাল বৰুৱাৰ ৰচনাৱলীৰ লগতে যাতে কৰ্মময় জীৱনৰ চমু আভাস পাব পাৰে, তাৰ বাবে এটি জীৱনী-টোকাও চমুকৈ সন্নিবিষ্ট কৰা হ'ল।

শেষত সম্পাদনা আৰু সংকলনৰ মাজত হৈ যোৱা দোষ-ত্ৰুটিৰ বাবে স্বৰ্গীয় বৰুৱাৰ আত্মা, পৰিয়ালবৰ্গ আৰু পাঠকৰ ওচৰত ক্ষমা বিচাৰিছোঁ।

জীৱনী-টোকা ঃ

কনকলাল বৰুৱা এগৰাকী বুৰঞ্জীবিদ, প্ৰত্নতত্ত্ববিদ, কবি, নাট্যকাৰ আৰু সমালোচক। কলিকতাত যি চাম কলেজীয়া ছাত্ৰৰ সৌজন্যত অসমীয়া ভাষাৰ উন্নতি সাধিনী সভা আৰু জোনাকী আলোচনীয়ে গা কৰি উঠিছিল কনকলাল বৰুৱা সেইসকলৰ ভিতৰত অন্যতম। ইংৰাজ ৰাজত্বত উচ্চ শ্ৰেণীৰ চৰকাৰী চাকৰিয়াল হৈও দেশ আৰু ভাষা জননীৰ সেৱা কৰি যোৱা কনকলাল বৰুৱা এগৰাকী ৰাজ-নীতিবিদ। অসম ব্যৱস্থাপক সভাৰ সদস্য আৰু স্বায়ত্ত্ব শাসন বিভাগৰ মন্ত্ৰী স্বৰূপে কাৰ্য্য-নিৰ্বাহ কৰি থকা কালছোৱাতে বৰুৱা ডাঙৰীয়া কামৰূপ অনুসন্ধান সমিতিৰ সভাপতি আৰু সমিতিৰ মুখপত্ৰ The Journal of the Assam Research society ৰ সম্পাদক। অসম ৰাজ্যিক সংগ্ৰহালয় কনকলাল বৰুৱাৰ অক্ষয় কীৰ্তি।

১৭৯৪ শকৰ ২৫ আঘোণ, ১৮৭২ চনৰ ডিচেম্বৰ মাহ কৃষ্ণা চতুৰ্দশী তিথিত গুৱাহাটীত কনকলাল বৰুৱাৰ জন্ম। চৰকাৰী হিচাপত তেওঁৰ জন্মৰ তাৰিখ ১৮৭২ চনৰ ১৬ ডিচেম্বৰ। কনকলাল বৰুৱাৰ পিতৃ লক্ষ্মীলাল বৰুৱা আৰু মাতৃ পদ্মাৱতী।

কনকলাল বৰুৱাৰ উপৰিপুৰুষ উজনিৰ বিখ্যাত কাকতী বংশৰ লোক। এই বংশক নামতিয়াল কাকতী বংশ বুলিও জনা যায়। এই বংশৰ আদি পুৰুষ পীতাম্বৰ ঘোষ অসমৰ বাহিৰৰপৰা আহিছিল। কায়স্থ কুলৰ পীতাম্বৰ ঘোষক শুকানি বৰকাইথ বুলিও জনা যায়।

স্বৰ্গদেউ প্ৰতাপসিংহ বা বুদ্ধিস্বৰ্গনাৰায়ণৰ দিনত অসমৰ মাটি পিয়লৰ কাম কৰিবৰ বাবে এজন জনা-বুজা মানুহৰ প্ৰয়োজন হোৱাত বঙ্গদেশৰ নবাবলৈ লিখি পঠিয়ালে। নবাবে পীতাম্বৰ ঘোষক ১৫৪১ শক, ১৬১৯ চনত মাটি পিয়ল কৰা কাৰ্য্যত সহায় কৰিবৰ বাবে অসমলৈ পঠিয়াই দিলে।

পীতাম্বৰ ঘোষ অসমলৈ আহি প্ৰথমতে দিহিঙৰ পূব পাৰে চৰগুৱাত বাস কৰিছিল। অসমৰ প্ৰতি আকৃষ্ট হৈ পীতাম্বৰে উচ্চ বংশৰ অসমীয়া জীয়ৰীৰ পাণি গ্ৰহণ কৰি অসমত নিগাজীকৈ থকাৰ সংকল্প গ্ৰহণ কৰিছিল। বিয়াৰ পিছত তেওঁ দিহিং সত্ৰৰ গোসাঁইৰ শৰণ লৈছিল।

পীতাম্বৰৰ একমাত্ৰ পুত্ৰ লুবইভাগ বৰ কাকতী। তেওঁৰ পুত্ৰ তিনিজন— শ্ৰীৰাম বৰকাকতী, প্ৰিয়ৰাম টাঙনি কাকতী আৰু নোমল বৰকাকতী। নোমল বৰকাকতীৰো তিনিজন পুত্ৰ কলাই তিপমীয়া বৰুৱা, বলাই বৰকাকতী আৰু ভকত লিগিৰা-কাকতী। এওঁলোক স্বৰ্গদেউ ৰুদ্ৰসিংহ ৰজাৰ দিনত বিষয়-বাব খাইছিল।

বলাই বৰকাকতীৰো পুত্ৰ তিনিজন—কিনাই কাকতী, শুকমল বৰকাকতী আৰু বৃকোদৰ চাংকাকতী বৰভাণ্ডাৰবৰুৱা। বৃকোদৰ চাংকাকতীয়ে শিৱসিংহ ৰজাৰ দিনত বৰভাণ্ডাৰ পদবী লাভ কৰিছিল। বৃকোদৰৰ পাঁচ পুত্ৰ—বিচম কাকতী বিশাৰদ কাকতী, লয়ন ভাণ্ডাৰবৰুৱা, বিকিলা মাজিউ মেলৰ বৰুৱা, জীউনাথ বৰ-

ভাণ্ডাৰ কাকতী। বিকিলাৰ একমাত্ৰ পুত্ৰ কৃষ্ণদাস ভঁৰালী বৰুৱা। কৃষ্ণদাস ভঁৰালী বৰুৱাৰ দুই পুত্ৰ দুতিৰাম বৰভাণ্ডাৰবৰুৱা আৰু সোণাবৰ কাকতী।

পূৰ্ব পুৰুষৰ দৰে পুৰন্দৰসিংহৰ দিনত দুতিৰামো আছিল বৰভাণ্ডাৰবৰুৱা। পুৰন্দৰসিংহৰ ৰাজ্য ইংৰাজৰ অধীনলৈ যোৱাত দুতিৰামে প্ৰথমতে ইংৰাজৰ অধীনতে দাৰোগা পদবী লাভ কৰে। পিছত ৭০ টকা দৰমহাত শিৱসাগৰত ক্ৰিমিনেল ছিৰস্তাদাৰ নিযুক্ত হৈছিল।

দুতিৰাম বৰুৱা আছিল মণিৰাম দেৱানৰ সৌহাৰ্দ-স্বৰূপ। দুতিৰামৰ তিনি গৰাকী পত্নী। প্ৰথমা পত্নী মণিৰাম দেৱানৰ ভনীয়েক। প্ৰিয়লাল আৰু লক্ষ্মীলাল তেওঁৰেই সন্তান। দুতিৰামৰ আন দুটি পুত্ৰ মোহনলাল আৰু নন্দলাল। প্ৰিয়লাল আৰু লক্ষ্মীলালক প্ৰথমতে শিৱসাগৰ ইংৰাজী স্কুলত ইংৰাজী শিক্ষা দিয়া হৈছিল। পিছত প্ৰিয়লালে কলিকতালৈ গৈ হুগলী কলেজত পঢ়িছিল। উজনি অসমৰপৰা কলিকতালৈ গৈ উচ্চ শিক্ষা লোৱা ছাত্ৰ প্ৰিয়লালেই প্ৰথম।

মণিৰাম দেৱানৰ লগত দুতিৰামকো ৰাজদ্ৰোহত লিপ্ত কৰা হয়। বিচাৰত দুতিৰামক দোষী সাব্যস্ত কৰি ইংৰাজ চৰকাৰে যাবজ্জীৱন দ্বীপান্তৰৰ দণ্ড বিহি ক'লীয়াপানীলৈ পঠিয়ায়। বৰপুত্ৰ প্ৰিয়লালে নানান চেষ্টা কৰি কলিকতাৰপৰা লণ্ডনৰ প্ৰিভি কাউঞ্চিলত আপিল কৰি ছয় বছৰৰ মূৰত দুতিৰামক মুক্ত কৰিছিল। মুক্তি লাভ কৰিলে যদিও দুতিৰাম গুৱাহাটীতে নজৰবন্দী হৈ থাকিব লগা হয়।

গুৱাহাটীৰপৰাই দুতিৰামে প্ৰিয়লাল আৰু লক্ষ্মীলালৰ বিয়া পাতিছিল। নগাঁৱৰ হলধৰ মুন্সিপৰ জীয়েকক প্ৰিয়লাললৈ আৰু ৰাধানাথ বৰুৱা মুন্সিপৰ জীয়েক পদ্মাৱতীক লক্ষ্মীলাললৈ বোৱাৰী স্বৰূপে আনিছিল। ১৮৭৩ চনত গুৱাহাটীতে দুতিৰাম বৰভাণ্ডাৰ বৰুৱাৰ মৃত্যু হয়।

প্ৰিয়লাল আছিল স্কুল বিভাগৰ ডেপুটি ইন্সপেক্টৰ। প্ৰিয়লালেই উজনি অসমৰ প্ৰথম অসমীয়া ডেপুটি ইন্সপেক্টৰ। তেওঁৰ কোনো সন্তি-সন্ততি নাছিল।

দ্বিতীয়পুত্ৰ লক্ষ্মীলাল বৰুৱা প্ৰথমতে গুৱাহাটী কাছাৰীত জুডিচিয়েল ছুপাৰিন্টেণ্ডেন্ট কামত সোমাইছিল। ১৮৭৪ চনত কৰ্নেল কিটিং চাহাবে শ্বিলঙত নতুনকৈ সচিবালয় স্থাপন কৰাত লক্ষ্মীলালক হেড ক্লাৰ্ক স্বৰূপে নিযুক্তি দিছিল। কিন্তু তেওঁ আত্মীয়সকলৰপৰা আঁতৰি সৰহ দিন শ্বিলং পাহাৰত নাথাকিল। পিছত ডিব্ৰুগড়, ধুবুৰী, গোৱালপাৰা আদি ঠাইত মুন্সিপ স্বৰূপে কাৰ্য নিৰ্বাহ কৰি বৰপেটালৈ বদলি হৈ আহে। বৰপেটাত লক্ষ্মীলাল বৰুৱা ৰোগাক্ৰান্ত হৈ চিকিৎসাৰ বাবে গুৱাহাটীলৈ আহিছিল। গুৱাহাটীত চিকিৎসা কৰিও আৰোগ্য লাভ নকৰাত তেওঁ সপৰিয়ালে দিহিঙৰ গোসাঁইৰ ওচৰলৈ যাত্ৰা কৰিছিল। তেজপুৰ পোৱাৰ আগতে বাটতে ১৮৮০ খ্ৰীষ্টাব্দত তেওঁৰ মৃত্যু হয়।

লক্ষ্মীলাল আৰু পদ্মাৱতীৰ সন্তান আঠটি। প্ৰথমা কন্যা বসন্তকুমাৰী। বসন্তকুমাৰী হোমেশ্বৰ বৰুৱাৰ পত্নী। দ্বিতীয়া কন্যা স্বৰ্ণলতা। স্বৰ্ণলতাৰ বিয়া হৈছিল মহীনাৰায়ণ বৰাৰ লগত। তৃতীয়া কন্যা শৰৎকুমাৰী যা সোণাওটি মাণিক-

চন্দ্ৰ বৰুৱাৰ পত্নী। চতুৰ্থ সন্তান কনকলাল বৰুৱা। পঞ্চম সন্তান ভুবনমোহিনী। ভুবনমোহিনী সত্যনাথ বৰাৰ পত্নী। ষষ্ঠ সন্তান মইনা ৰসিকলাল বৰুৱাৰ সহধৰ্মিণী। সপ্তম সন্তান এগৰাকী কন্যা। অষ্টম আৰু পেটমোচা সন্তান মহেন্দ্ৰলাল বৰুৱা।

কনকলাল বৰুৱাৰ জন্ম গুৱাহাটীত। পিতৃহু তেওঁ ডিব্ৰুগড, ধুবুৰী, গোৱালপাৰা আৰু বৰপেটা আদিত শৈশৱ কাল অতিবাহিত কৰিছিল। প্ৰথম পুত্ৰ হিচাপে তেওঁ পিতৃ-মাতৃৰ আলাসৰ লাড়ু। ১৮৭৮ খ্ৰীষ্টাব্দত ছবছৰ বয়সত বৰপেটাত তেওঁৰ বিদ্যাৰম্ভ হৈছিল। পিতৃৰ মৃত্যুৰ পিছত কনকলাল বৰুৱা গুৱাহাটীৰ ইংৰাজী স্কুলত ভৰ্তি হ'ল। গুৱাহাটীত তেওঁলোকৰ ঘৰ উজান বজাৰৰ ওচৰতে, সাহিত্যৰথী হেমচন্দ্ৰ বৰুৱাৰ (বৰ্তমান স্বৰ্গীয় সিদ্ধিনাথ শৰ্মাৰ) ঘৰৰ বিপৰীত ফালে। পিছত সেই ঠাইত এখন পঢ়াশালি স্থাপন কৰা হৈছিল।

সৰু কালত কনকলাল বৰুৱাৰ পঢ়াত বিশেষ নজৰ দিছিল হেমচন্দ্ৰ বৰুৱাই। সদায় হেমচন্দ্ৰ বৰুৱাৰ কাষলৈ গৈ তেওঁ পঢ়া-শুনা কৰিছিল। কনকলাল বৰুৱা আছিল সৰুৰেপৰা এগৰাকী একনিষ্ঠ ছাত্ৰ। তেওঁ কোনো বছৰে কোনো শ্ৰেণীত ৰ'ব লগা নহৈছিল। স্কুলত পঢ়া কালছোৱাতে নগাঁৱৰপৰা প্ৰকাশ হৈছিল গুণাভিৰাম বৰুৱা সম্পাদিত আসাম বন্ধু (১৮৮৫-৮৬) নামৰ এখন মাহেকীয়া আলোচনী। আসাম বন্ধুতে প্ৰকাশ হৈছিল কনকলাল বৰুৱাৰ এটি কবিতা স্তোত্ৰ।

১৮৮৮ চনত গুৱাহাটী ইংৰাজী স্কুলৰপৰা কনকলাল বৰুৱা দ্বিতীয় বিভাগত এণ্ট্ৰেঞ্চ পৰীক্ষাত উত্তীৰ্ণ হৈছিল। অসমৰপৰা এণ্ট্ৰেঞ্চ পাছ কৰা প্ৰথম চৈধ্য জনৰ ভিতৰত স্থান লাভ কৰা বাবে তেওঁ এটি কুৰি টকীয়া বৃত্তি লাভ কৰিছিল। কনকলাল বৰুৱাৰ পৰীক্ষাৰ আগ মুহূৰ্তত স্নেহলতা ক'লাজ্বৰত আক্ৰান্ত হয়। তেতিয়া তেওঁৰ স্বামী মহীনাৰায়ণ বৰা গুৱাহাটীৰপৰা আঁতৰত আছিল। সেই বাবে চিকিৎসাৰ ভাৰ পৰিছিল মাক আৰু কনকলালৰ ওপৰত। নানানভাৱে চিকিৎসা কৰিও তেতিয়াৰ সৰ্বগ্ৰাসী ক'লাজ্বৰৰপৰা স্বৰ্ণলতাক ৰক্ষা কৰিব নোৱাৰিলে। পৰীক্ষা শেষ হোৱাৰ পিছতে স্বৰ্ণলতাৰ মৃত্যু হয়। পৰীক্ষা চলি থকা অৱস্থাতে বৰ ভিনিহিয়েক হোমেশ্বৰ বৰুৱা ক'লাজ্বৰত আক্ৰান্ত হয়। কিছুদিন পিছতে সৰ্বগ্ৰাসী ক'লাজ্বৰত হোমেশ্বৰ বৰুৱাৰ মৃত্যু হ'ল। দুজন ডাঙৰ মানুহৰ মৃত্যুত ঘৰখনত চকুৰ পানীৰ চল বৈ আছিল যদিও কনকলাল বৰুৱা কৰ্তব্যৰপৰা বিচলিত নহৈ উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যাত্ৰা কৰিলে। এই যাত্ৰাত বিশেষভাৱে উদগনি দিছিল সাহিত্যৰথী হেমচন্দ্ৰ বৰুৱাই আৰু আৰ্থিক সাহায্য দিছিল মাণিকচন্দ্ৰ বৰুৱাই।

উচ্চ শিক্ষাৰ বাবে গুৱাহাটীৰপৰা কনকলাল বৰুৱাৰ লগত যোৱা আন আন ছাত্ৰসকল আছিল জয়কৃষ্ণ দাস (ডাঙৰ হৰেকৃষ্ণ দাসৰ ককায়েক), লক্ষ্মীপ্ৰসাদ বৰুৱা আৰু কমলনাথ চৌধুৰী। সেই বছৰতে হেমচন্দ্ৰ গোস্বামীও নগাঁও চৰকাৰী হাই স্কুলৰপৰা এণ্ট্ৰেঞ্চ পৰীক্ষাত উত্তীৰ্ণ হৈ উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যায়।

কলিকতালৈ গৈ কনকলাল বৰুৱাই জেনেৰেল এচেম্বলি কলেজত (ইনষ্টি-

টিউচন) এফ, এ, শ্ৰেণীত ভৰ্তি হ'ল। কলিকতাত গোনতে তেওঁ বেণীমাধৱ ৰুকনৰ ঘৰত বাস কৰিছিল। পিছত ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ অসমীয়া ছাত্ৰৰ মেছলৈ আহিল। ৰজনীকান্ত বৰদলৈ, বিনন্দিচন্দ্ৰ ফুকন, হেমচন্দ্ৰ গোস্বামী, হৃষিকেশ্বৰ শৰ্মা, তীৰ্থনাথ কাকতী, লক্ষ্মীপ্ৰসাদ বৰুৱা, বিষ্ণুপ্ৰসাদ আগৰৱালা, চন্দ্ৰকুমাৰ বৰুৱা, কৃষ্ণকুমাৰ বৰুৱা, যজ্ঞেশ্বৰ শৰ্মা নেওগ, হৰকান্ত চৌধুৰী, চন্দ্ৰকমল বেজ-বৰুৱা, কমলনাথ চৌধুৰী, লক্ষ্মীনাথ শৰ্মা, লক্ষ্মীনাথ বেজবৰুৱা আৰু কমলচন্দ্ৰ শৰ্মা তেতিয়া ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ মেছবাসী।

বৰুৱা ডাঙৰীয়াৰ এফ্, এ, পৰীক্ষাৰ আগে আগে ঘৰৰপৰা বাতৰি পালে, মাক আৰু ভনীয়েক ক'লাজ্বৰত আক্ৰান্ত। এই বাতৰি পাই তেওঁ এখন্তেকো ৰব নোৱাৰি ঘৰলৈ আহিল। ঘৰ পাই মাক আৰু ভনীয়েকৰ বিচনাৰ কাষতে বহি নানান ধৰণে চিকিৎসা কৰিলে। কিন্তু কোনো পথ্যে সৰ্বগ্ৰাসী কলা জ্বৰৰপৰা ৰক্ষা কৰিব নোৱাৰিলে। ১৮৯০ চনত মাক পদ্মাৱতী আৰু কনিষ্ঠা ভনীয়েকৰ মৃত্যু হ'ল।

মাকৰ শ্ৰাদ্ধাদি কৰি যেতিয়া তেওঁ কলিকতালৈ উভতি আহিল তেতিয়া আৰু এফ্, এ, পৰীক্ষালৈ সৰহ দিন নাছিল। ইমানবোৰ মানসিক অশান্তি লৈ পৰী-ক্ষাত বহিল যদিও তেওঁৰ কৃতকাৰ্য হ'ব নোৱাৰিলে ; পিছৰ বছৰত অৰ্থাৎ ১৮৯১ চনৰ এফ, এ, পৰীক্ষাত উত্তীৰ্ণ হ'ল। পুনৰ জেনেৰেল এছেম্বলি কলেজতে বি এ পঢ়ি ১৮৯৪ চনত বি এ ডিগ্ৰী লাভ কৰিলে। বি এ পাছ কৰাৰ পিছত কলিকতাত আইন পঢ়িছিল। ১৮৯৬ চনত বি এল পৰীক্ষাত উত্তীৰ্ণ হ'ল।

ছাত্ৰাৱস্থাৰ শেষৰ ফালে বৰুৱা ডাঙৰীয়া আৰ্থিক অনাটনৰ সন্মুখীন হ'ব লগা হৈছিল। তেতিয়া তেওঁ 'ভূগোল-শিক্ষা' পুথি লিখি পঢ়া খৰচ উলিয়াইছিল। মাজে মাজে ইংৰাজী কাকতত প্ৰবন্ধ লিখিও ধন ঘটিছিল। নবীনচন্দ্ৰ বৰদলৈ কলেজত পঢ়া সময়ত তেওঁৰ পঢ়া-শুনাত চকু দিবলৈ দেউতাক মাধৱচন্দ্ৰ বৰ-দলৈয়ে কনকলাল বৰুৱাক ঘৰুৱা শিক্ষক হিচাপে নিয়োগ কৰিছিল। ইয়াৰ বাবে বৰুৱাক মাহিলি ২৫ টকাকৈ দিছিল।

কনকলাল বৰুৱা কলিকতাত পঢ়া সময়তে ১৮৮৮ চনৰ ২৫ আগষ্টত, ১৮১০ শকৰ ১০ ভাদত ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ অসমীয়া ছাত্ৰৰ বহাতে জন্ম হৈছিল অসমীয়া ভাষাৰ উন্নতি সাধিনী সভাৰ। কনকলাল বৰুৱা আৰম্ভণিৰে পৰা অ ভা উ সা সভাৰ এগৰাকী সক্ৰিয় সদস্য। শিৱৰাম শৰ্মা বৰদলৈ আছিল প্ৰথম বছৰ উন্নতি সাধিনী সভাৰ সম্পাদক। দ্বিতীয় বছৰ সভাৰ সম্পাদক কমল চন্দ্ৰ শৰ্মা। শৰ্মাৰ অকাল মৃত্যুত ৰমাকান্ত বৰকাকতী সভাৰ সম্পাদক নিৰ্বাচিত হয়। পিছৰ বছৰত লক্ষ্মীনাথ বেজবৰুৱা সভাৰ সম্পাদক নিৰ্বাচিত হৈছিল। কিন্তু তেওঁৰো অসুবিধা হোৱাত পুনৰ ৰমাকান্ত বৰকাকতীয়ে সম্পাদকৰ দায়িত্ব বহন কৰিব লগা হৈছিল। পঞ্চম বছৰৰপৰা সভাৰ যুটীয়া সম্পাদকৰ দায়িত্ব বহন কৰিছিল ৰমাকান্ত বৰকাকতী আৰু কনকলাল বৰুৱাই। তেওঁলোকৰ যুটীয়া সম্পাদনাতে প্ৰকাশ হৈছিল 'অসমীয়া পুথিৰ তালিকা।' ১৮৯৫ চনত প্ৰকাশিত

'অসমীয়া পুথিৰ তালিকা'ত ৭৩০ খন পুথিৰ বিৱৰণ লিপিবদ্ধ কৰিছে। ৫৬ পৃষ্ঠাৰ তালিকাখনত পুথিবাজিৰ চমু বিৱৰণ পোৱা যায়।

১৮৮৯ চনৰ জানুৱাৰী মাহত চন্দ্ৰকুমাৰ আগৰৱালাৰ সম্পাদনাত প্ৰকাশ হৈছিল জোনাকী নামৰ এখন মাহেকীয়া আলোচনী। সন্চালনীকৈ জোনাকীৰ জৰিয়তে অসমীয়া সহিত্যত নৱন্যাসধৰ্মী সাহিত্যৰ সূচনা হ'ল। জোনাকী কাকতৰো জন্মলগ্নৰেপৰা কনকলাল বৰুৱা জড়িত। দ্বিতীয় বছৰ জোনাকীৰ সম্পাদক হেমচন্দ্ৰ গোস্বামী তৃতীয় আৰু চতুৰ্থ বছৰ জোনাকীৰ সম্পাদক লক্ষ্মীনাথ বেজবৰুৱা। পঞ্চম বছৰ জোনাকীৰ সম্পাদক (১৮৯৪ চন) কনকলাল বৰুৱা আৰু ষষ্ঠ বছৰ জোনাকীৰ সম্পাদক ৰমাকান্ত বৰকাকতী।

জোনাকীৰ পাততে প্ৰকাশ হৈছিল কনকলাল বৰুৱাৰ ব্ৰহ্মপুত্ৰ, বসন্ত বিদায় আদি কবিতা আৰু আমাৰ শিল্প, অসমত উৎপন্ন বাণিজ্য বস্তু (চাহ, কাঠ আৰু ৰেচম), সংসাৰত সুখ নে দুখ, ভূঁইকঁপৰ উপকাৰিতা, প্ৰাণীতত্ত্ব আদি প্ৰবন্ধ।

কনকলাল বৰুৱাৰ ব্ৰহ্মপুত্ৰ এটি সুন্দৰ সাৱলীল কবিতা। কবিতাটো পঢ়ি সাহিত্যৰথী হেমচন্দ্ৰ বৰুৱাই কৈছিল "এই কবি-পোৱালিটি আগলৈ উজ্জ্বল ৰত্ন* হ'ব।"

কনকলাল বৰুৱাৰ সম্পাদনাত প্ৰকাশ হোৱা ৫ম বছৰ জোনাকীৰ সংখ্যা সাতটি। জোনাকীৰ সকলোবোৰ ৰচনাতে লেখকৰ নাম নথকাত বৰুৱা ডাঙৰীয়াৰ কিমান ৰচনা প্ৰকাশ হৈছিল কোৱা সহজ নহয়।

কলিকতাৰ ২নং ভবানীচৰণ দত্ত লেনৰ মেছতে শ্বেক্সপিয়েৰৰ কমেডি অব্ এৰৰ্ছৰ অসমীয়া ভাঙনি ভ্ৰমৰঙ্গ ৰচনা কৰা হৈছিল। ভাঙনি কৰিছিল ৰত্নধৰ বৰুৱা, ঘনশ্যাম বৰুৱা গুঞ্জানন বৰুৱা আৰু ৰমাকান্ত বৰকাকতীয়ে। মিৰ্জাপুৰ ষ্ট্ৰীটৰ মেছতে ভ্ৰমৰঙ্গ অভিনয় কৰা হৈছিল। এই অভিনয়ত মালতীৰ ভাও লৈছিল কনকলাল বৰুৱাই।

৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ ছাত্ৰবাসৰ ছাত্ৰসকলৰ দৈনিক কাৰ্যকলাপ বৰ্ণনা কৰি যজ্ঞেশ্বৰ শৰ্মা নেওগে এটি ধেমেলীয়া কবিতা ৰচনা কৰিছিল। পঞ্চম কোঠাত থকা কৃষ্ণকুমাৰ বৰুৱা আৰু কনকলাল বৰুৱা সম্পৰ্কে এনেদৰে কোৱা হৈছে—

পঞ্চম কোঠাত দুইটি বৰুৱা
এনচাইক্লপেডিয়া ব্ৰিটেনিকা;
যিহকে বিচৰা সকলোকে পাবা
দুইটি সকলো বিষয়ে পকা।

১৮৯৬ চনত কনকলাল বৰুৱাই বি এল ডিগ্ৰী লাভ কৰি পোনতে গুৱাহাটীত আইন ব্যৱসায় কৰিছিল। তেতিয়া গুৱাহাটী কছাৰীত অসমীয়া উকিলৰ সংখ্যা বৰ কম। আইন ব্যৱসায় কৰি থাকোঁতে ১৮৯৮ চনত উত্তৰ গুৱাহাটীৰ

ভিবিৰাম বৰুৱা আৰু বংশেশ্বৰী বৰুৱাৰ প্ৰথমা কন্যা ভুবনেশ্বৰীৰ লগত বিয়া হয়। কনকলাল বৰুৱা আইন ব্যৱসায় কৰাৰ সময়ত ভিনিহিয়েক মাণিকচন্দ্ৰ বৰুৱাৰ ঘৰতে আছিল। তেওঁৰ বিয়াও হৈছিল এইখন ঘৰৰপৰাই। বৰুৱা ডাঙৰীয়াৰ সৰহ দিন আইন ব্যৱসায় কৰা নহ'ল। ১৯০০ ছনৰ ২৪ আগষ্টত কনকলাল বৰুৱা ই এ চি কামত সোমায়। গুৱাহাটীৰ উকিলসকলৰপৰা ই. এ. চি নিয়োগ কৰা বৰুৱাই প্ৰথম। সেই সময়ত একোটা মোকৰ্দমাৰ ফিজ আছিল দুটকা মাত্ৰ। কনকলাল বৰুৱাই ই.এ চি হৈ আগধন স্বৰূপে লোৱা সকলো ফিজ মোক্কেলসকলক ঘূৰাই দিছিল। সেই বছৰতে তেওঁৰ বৰ পুত্ৰ অৰবিন্দলাল বৰুৱাৰ জন্ম হয়।

১৯০০ ছনৰ ৪ ছেপ্টেম্বৰত তেওঁ ই এ চি হিচাপে শিৱসাগৰত যোগদান কৰিছিল। শিৱসাগৰ তেতিয়া জিলাৰ সদৰ ঠাই। মিঃ এইচ চি বাৰ্ন্‌ছ তেতিয়া শিৱসাগৰ জিলাৰ ডেপুটি কমিছনাৰ। শিৱসাগৰত ডেকা হাকিম কনকলাল বৰুৱাই চৰকাৰী কামতে আবদ্ধ নাথাকি বেণুধৰ ৰাজখোৱা, ৰাধিকাপ্ৰসাদ বৰুৱা, দেৱানন্দ ভৰালীৰ লগত লগ হৈ অভিনয়ত অংশ গ্ৰহণ কৰি এটি স্থায়ী ৰঙ্গমঞ্চ সজাত আগভাগ লৈছিল।

১৯০৪ ছনৰ ৪ এপ্ৰিল তাৰিখে বৰুৱা ডাঙৰীয়া সুনামগঞ্জলৈ মহকুমাধিপতি হিছাপে পদোন্নতি লাভ কৰি বদলি হৈ যায়। সুনামগঞ্জৰপৰা ১৯০৯ ছনৰ ১ নবেম্বৰত বৰপেটালৈ মহকুমাধিপতি হিছাপে বদলি হৈ আহিছিল। বৰপেটাত বৰুৱা ডাঙৰীয়াই পাৰিবাৰিক জীৱনৰ নানান বিপৰ্যয়ৰ সমুখীন হ'ব লগা হৈছিল। ১৯১২ ছনৰ মাৰ্চ মাহত বৰুৱাৰ প্ৰথমা পত্নী ভুবনেশ্বৰীৰ মৃত্যু হয়। মৃত্যুৰ সময়ত ভুবনেশ্বৰীয়ে অৰবিন্দলাল, তপনলাল, চুনীলাল, ননীলাল, এই চাৰিটি পুত্ৰ-সন্তান আৰু লাৱণ্য নামৰ এগৰাকী কন্যা-সন্তান এৰি যায়। আমা-ভিমা ল'ৰা-ছোৱালী কেইটিক লৈ কোনো উপায় নেদেখি ১৯১২ ছনৰ নবেম্বৰ মাহত ভিবিৰাম বৰুৱাৰ চতুৰ্থা কন্যা শ্ৰীমতী প্ৰেমদা বৰুৱাৰ লগত দ্বিতীয়বাৰ বিবাহ হয়।

১৯১৬ চনৰ ১ জানুৱাৰী তাৰিখে কনকলাল বৰুৱাই চৰকাৰৰপৰা ৰায় বাহাদুৰ উপাধি লাভ কৰিছিল। বৰপেটা সত্ৰ আৰু বৈষ্ণৱ ধৰ্মৰ প্ৰতিও বৰুৱা ডাঙৰীয়াৰ আছিল গভীৰ আস্থা আৰু ভক্তি। গোবিন্দ মিশ্ৰ সেই সময়ত বৰপেটা সত্ৰৰ সত্ৰাধিকাৰ। বৰুৱা ডাঙৰীয়াই গোবিন্দ মিশ্ৰ আৰু তেওঁৰ পুত্ৰ সংস্কৃত পণ্ডিত নাৰায়ণ মিশ্ৰৰ লগত মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্ম আৰু সাংখ্য বেদান্ত দৰ্শন সম্পৰ্কে গভীৰ আলোচনা কৰিছিল। মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্মমত শীৰ্ষক এটি তথ্য মধুৰ প্ৰবন্ধ বৰপেটাতে ৰচনা কৰি বাঁহীত ছোৱা ছোৱাকৈ প্ৰকাশ কৰিছিল। বৰপেটাৰপৰা ১৯১৭ ছনৰ ৮ মাৰ্চ তাৰিখে বৰুৱা ডাঙৰীয়া যোৰহাটলৈ ডেপুটি মেজিষ্ট্ৰেট আৰু ডেপুটি কলেক্টৰ হিছাপে বদলি হৈ যায়। তেওঁ যোৰহাটত সৰহ দিন থকা নাছিল; সেই বছৰৰে জুন মাহত পুনৰ মহকুমাধিপতি হিছাপে গোৱালপাৰালৈ বদলি হয়।

ভাৰত চৰকাৰে টমাছ হলাণ্ডৰ সভাপতিত্বত এখন শিল্প কমিছন গঠন কৰিছিল। উক্ত কমিছনৰ বৰুৱা ডাঙৰীয়া আছিল অসমৰপৰা মনোনীত সদস্য।

১৯১৮ চনৰ মাজভাগত অসম চৰকাৰে বৰুৱা ডাঙৰীয়াক বিশেষ বিষয়া (Special Officer) নিযুক্ত কৰি অসমৰ শিল্পানুষ্ঠান সম্পৰ্কে এখন প্ৰতিবেদন প্ৰস্তুত কৰিবলৈ ভাৰ দিছিল। ১৯১৮ ছনৰ ২৮ চেপ্টেম্বৰৰপৰা বৰুৱা ডাঙৰীয়া শ্বিলঙত শিল্পবিভাগৰ ডিৰেক্টৰ আৰু ৰেজিষ্ট্ৰাৰ অব্ কোঅপাৰেটিভ হিছাপে নতুন দায়িত্ব বহন কৰিব লগা হয়। তেৱেঁই অসম চৰকাৰৰ প্ৰথম ৰেজিষ্ট্ৰাৰ অব্ কো-অপাৰেটিভ। ইয়াৰ আগতে কো-অপাৰেটিভ বিভাগ কেন্দ্ৰীয় চৰকাৰৰ অধীনত আছিল। কনকলাল বৰুৱাই প্ৰথমতে গৌৰীশ্বৰ বৰকাকতী, মাণিকচন্দ্ৰ হাজৰিকা, গিৰিশচন্দ্ৰ শৰ্মা প্ৰভৃতি কেইজনমান কাৰ্যালয়-সহকাৰীক লৈ নতুনকৈ কাৰ্যালয় স্থাপন কৰিছিল।

১৯২১-২২ চনত লৰ্ড লিন্‌লিথগোৰ সভাপতিত্বত ভাৰত চৰকাৰে এখন কৃষি আয়োগ (Agricultural Commission) গঠন কৰিছিল। বৰুৱা ডাঙৰীয়াক অসম চৰকাৰে উক্ত কমিছনৰ সদস্য মনোনীত কৰে।

অসম চৰকাৰে ১৯২৩ ছনৰপৰা পূৰ্বৰ দায়িত্বৰ উপৰিও বৰুৱা ডাঙৰীয়াক কৃষি বিভাগৰ ডিৰেক্টৰ নিযুক্ত কৰিছিল। ১৯২২ চনত কনকলাল বৰুৱাক আই° চি এছ ৰ এটি লিস্টেড গ্ৰেড দিয়া হৈছিল (কালিৰাম মেধিয়ে লিখিছে।) History of Civil Service (Assam)ত ২৫ মাৰ্চ ১৯২২ ছনৰপৰা শ্বিলঙত ডেপুটি কমিছনাৰ হোৱা কথা স্পষ্টভাৱে লিখা আছে। কনকলাল বৰুৱাই Early History Kamarupa (1st Edition, 1933)-ত Rai K L Barua Bahadur, B L, Rtd Deputy Commissioner (Assam) বুলি নাম-পৃষ্ঠাতে লিখিছে। কিন্তু কনকলাল বৰুৱাৰ পৰিয়ালবৰ্গ আৰু বহুতো ঘনিষ্ঠ সহযোগীৰ মতে বৰুৱা ডাঙৰীয়াই কোনো জিলাৰে ডেপুটি কমিছনাৰ ভাৰ লোৱা নাছিল। তেতিয়াৰ দিনত শ্বিলঙত সকলো ডেপুটি কমিছনাৰ আছিল ইংৰাজ চাহাব। সম্ভৱতঃ বৰুৱা ডাঙৰীয়াক ডেপুটি কমিছনাৰৰ গ্ৰেডহে দিয়া হৈছিল মাথোন।

কনকলাল বৰুৱা শিল্প আৰু আৰু কৃষি বিভাগৰ ডাইৰেক্টৰ থকা কাল-ছোৱাতে অসমত বহুতো অনুষ্ঠানৰ জন্ম হ'ল। গুৱাহাটী এম্পোৰিয়াম আৰু উইভিং স্কুল, শ্বিলঙৰ ফুলাৰ ইন্‌ডাস্ট্ৰিয়েল এণ্ড্ টেকনিকেল স্কুল, তিতাবৰ চেৰি-কালচাৰ ফাৰ্ম, চিলেটৰ স্কুল অব হেণ্ডিক্ৰেফ্‌ট, খানাপাৰা ফাৰ্ম, হাফলং চেৰিকালচাৰ ফাৰ্ম বৰুৱা ডাঙৰীয়া ডিৰেক্টৰ থকা কালছোৱাতে স্থাপন হোৱা অনুষ্ঠান।

শ্বিলঙত থকা কালছোৱাত বৰুৱা ডাঙৰীয়া শ্বিলঙৰ ৰাজহুৱা জীৱনৰ লগতো নিবিড়ভাৱে জড়িত আছিল। ১৮৯৬ চনত শ্বিলঙত অসম ক্লাবৰ জন্ম। ১৯০০ ছনত অসম ক্লাবৰ নিজাকৈ ঘৰ সজা হয়। ১৯১৮ চনত চিলঙলৈ অহাৰেপৰা কনকলাল বৰুৱা অসম ক্লাবৰ সভাপতি। তেওঁ সভাপতি থকা কালছোৱাতে ভোলানাথ বৰুৱাৰ দানেৰে ভোলানাথ বৰুৱা মঞ্চ আৰু শিৱপ্ৰসাদ বৰুৱাৰ দানেৰে শিৱপ্ৰসাদ বৰুৱা হল নিৰ্মাণ কৰা হৈছিল। ইয়াৰ গুৰিতেও আছিল কনকলাল বৰুৱা। শ্বিলঙৰ গণেশদাস হস্পিটেল আৰু আৰ্ল ছেনিটেৰিয়াম নিৰ্মাণৰ গুৰিতেও কনকলাল বৰুৱা।

১৯২৪ চনৰ ১৯ আৰু ২০ এপ্ৰিলত অসম সাহিত্য সভাৰ ষষ্ঠ অধিবেশন ডিব্ৰুগড়ত অনুষ্ঠিত হয়। উক্ত সম্মিলনৰ মূল সভাৰ সভাপতি কনকলাল বৰুৱা। ১৯৩৭ চনৰ ডিচেম্বৰ মাহত সাহিত্য সভাৰ সপ্তদশ অধিবেশন পণ্ডিত শ্ৰীকৃষ্ণকান্ত সন্দিকৈৰ সভাপতিত্বত গুৱাহাটীত অনুষ্ঠিত হৈছিল । এই অধিবেশনৰ লগত আয়োজন কৰা বুৰঞ্জী শাখাৰ সভাপতি আছিল কনকলাল বৰুৱা। কনকলাল বৰুৱাৰ আন এটি মূল্যবান ভাষণ ১৯৩৮ চনত কটন কলেজত দিয়া প্ৰতিভাদেৱী সোঁৱৰণী বক্তৃতা (?)।

১৯২৮ চনৰ ১ জানুৱাৰীৰপৰা বৰুৱা ডাঙৰীয়া চৰকাৰী চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰিছিল। ১৯২৯ চনৰ ১৩ জুনত বৰুৱা ডাঙৰীয়া বাণিজ্য আৰু শিল্প বিভাগৰ সমষ্টিৰপৰা অসম ব্যৱস্থাপক সভালৈ সভ্য নিৰ্বাচিত হয়। ইয়াৰ পিছত তেওঁক তেতিয়াৰ গৱৰ্নৰ চাৰ লৌৰি হেমণ্ডে স্বায়ত্ত্ব শাসন বিভাগৰ মন্ত্ৰী (Minister, Local Self-Government) নিযুক্ত কৰিছিল। তেতিয়াৰ দিনত মন্ত্ৰী দুজন আৰু গৱৰ্ণৰ কাউঞ্চিলৰ সদস্য দুজন। মন্ত্ৰী দুজনৰ আনজন হৈছে শিক্ষামন্ত্ৰী মৌলৱী আবদুল হামিদ। গৱৰ্ণৰ কাউঞ্চিলৰ সদস্য দুজন হ'ল আৰ্থাৰ উইলিয়ম বোথাম আৰু চাৰ চৈয়দ মহম্মদ চাদুল্লা। ১৯৩৭ চনলৈ সুদীৰ্ঘ আঠ বছৰ কাল কনকলাল বৰুৱাই স্বায়ত্ত্ব শাসন বিভাগৰ মন্ত্ৰী স্বৰূপে কাৰ্য নিৰ্বাহ কৰিছিল। ১৯৩৭ চনত নতুন ব্যৱস্থাপক সভা গঠন কৰা হয় আৰু চাৰ চৈয়দ মহম্মদ চাদুল্লা আছিল এই ব্যৱস্থাপক সভাৰ প্ৰথম প্ৰধান মন্ত্ৰী।

১৯২৮-২৯ চনৰপৰা কনকলাল বৰুৱা কামৰূপ অনুসন্ধান সমিতিৰ সভাপতি নিৰ্বাচিত হয়। ১৯১২ চনত গুৱাহাটীত কামৰূপ অনুসন্ধান সমিতিৰ জন্ম। বৰুৱা ডাঙৰীয়া আদিৰেপৰা এই সমিতিৰ লগত জড়িত। মৃত্যুৰ আগমুহূৰ্তলৈকে বৰুৱা ডাঙৰীয়াই সমিতিৰ সভাপতি স্বৰূপে কাৰ্য নিৰ্বাহ কৰিছিল । প্ৰথম অৱস্থাত ডক্টৰ সূৰ্যকুমাৰ ভূঞা আছিল সমিতিৰ সম্পাদক। পিচত শ্ৰীদিবাকৰ গোস্বামী সমিতিৰ সম্পাদক নিৰ্বাচিত হয়।

১৯৩৩ চনত বৰুৱা ডাঙৰীয়াৰ Early History of Kamarupa গ্ৰন্থখন ছপা হয়। তেতিয়া তেওঁ স্বায়ত্ত্ব শাসন বিভাগৰ মন্ত্ৰী। সেই বছৰতে বৰুৱা ডাঙৰীয়াৰ সম্পাদনাতে প্ৰকাশ হয় অনুসন্ধান সমিতিৰ মুখপত্ৰস্বৰূপ এখন তিনিমহীয়া আলোচনী The Journal of the Assam Research Society আলোচনীখন এপ্ৰিল, জুলাই, অক্টোবৰ আৰু জানুৱাৰীত নিয়মীয়াকৈ বছৰত চাৰি খনকৈ প্ৰকাশ হৈছিল। ১৯৩৯ চনৰ ডিচেম্বৰ মাহলৈকে ৭ম বছৰ ৩য় সংখ্যালৈ আলোচনীখন প্ৰকাশ হৈছিল। The Journal of the Assam Research Society এখনি উচ্চ মানবিশিষ্ট আলোচনী। আলোচনীখনত ভালেকেইজন কৃতবিদ্য পণ্ডিত ব্যক্তিৰ তথ্য-গধুৰ প্ৰবন্ধ প্ৰকাশ হৈছিল। কনকলাল বৰুৱাৰ ভালেমান নিজৰ প্ৰবন্ধও আলোচনীখনত প্ৰকাশ হৈছিল।

কনকলাল বৰুৱাই অনুসন্ধান সমিতিক ধনে-প্ৰাণে সহায় কৰিছিল। সেই সময়ত অনুসন্ধান সমিতিলৈ চৰকাৰী অনুদান আছিল বছৰি এহাজাৰ টকা।

কিন্তু মাজতে দুবছৰমান এই অনুদান চৰকাৰে ৬০০।৭০০ টকালৈ হ্ৰাস কৰিছিল। অনুসন্ধান সমিতি আৰ্থিক অনাটনৰ সমুখীন হ'ব পাৰে বুলি বৰুৱা ডাঙৰীয়াই তেওঁৰ নিজৰ মন্ত্ৰণালয়ৰপৰা বছৰি ৪০০ টকাকৈ বিশেষ দান দি সেই আৰ্থিক অনাটনৰপৰা ৰক্ষা কৰিছিল। আলোচনীখন ছপোৱাৰ সময়তো নিজৰ মন্ত্ৰণালয়ৰ পৰা অনুদান দি সহায় কৰিছিল।

কনকলাল বৰুৱাৰ জীৱনৰ আন এটি কীৰ্তি-স্তম্ভ অসম ৰাজ্যিক সংগ্ৰহালয়। অসমত এটি সংগ্ৰহালয় স্থাপন কৰাৰ পৰিকল্পনা আছিল অনুসন্ধান সমিতিৰ জন্ম লগ্নৰেপৰা। বৰুৱা ডাঙৰীয়া সমিতিৰ সভাপতি নিৰ্বাচিত হোৱাৰ পিচত ১৯৩৪ চনৰপৰা সংগ্ৰহালয়ৰ পৰিকল্পনা বাস্তৱত ৰূপায়িত কৰিবলৈ দৃঢ় সংকল্প গ্ৰহণ কৰিলে। বৰুৱা ডাঙৰীয়াই ইয়াৰ বাবে চৰকাৰৰ ওচৰত আবেদন-নিবেদন কৰি ১০ হাজাৰ টকা অনুদান স্বৰূপে লাভ কৰিলে। ৰাইজৰপৰা বৰঙনি তুলিলে ৯৭০০ টকা আৰু ডিব্ৰুগৰৰ ৰায়বাহাদুৰ নৌপত ৰায় কেডিয়াৰপৰা দান স্বৰূপে পালে ৮,০০০ টকা। এই টকাৰে ৰাজ্যিক সংগ্ৰহালয়ৰ নিৰ্মাণ-কাৰ্য আৰম্ভ কৰিছিল। ইপিনে ,চৰকাৰৰপৰা এটি ৭৫ টকীয়া বৃত্তিৰ ব্যৱস্থা কৰি শ্ৰীপ্ৰেমধৰ চৌধুৰীক আৱশ্যকীয় প্ৰশিক্ষণ দি আনিছিল। ১৯৩৯ চনৰ শেষভাগত সংগ্ৰহালয়ৰ কাম সম্পূৰ্ণ হৈছিল। চৰকাৰে সংগ্ৰহালয় পৰিচালনাৰ বাবে যিখন সমিতি গঠন কৰিছিল উক্ত সমিতিখনৰো সভাপতি মনোনীত কৰিছিল কনকলাল বৰুৱাক। ১৯৪০ চনৰ আগভাগতে সংগ্ৰহালয় মুকলি কৰাৰ স্থিৰ কৰিছিল।

১৯৩৯ চনৰ ডিচেম্বৰ মাহৰ শেষভাগত কনকলাল বৰুৱা ইণ্ডিয়ান হিষ্টৰিকেল ৰেকৰ্ডছ কমিছনত যোগদান কৰিবৰ বাবে কলিকতালৈ গৈছিল। বৰুৱা ডাঙৰীয়া আছিল উক্ত কমিছনৰ গৱৰ্ণৰ জেনেৰেলৰ মনোনীত সদস্য।

হিষ্টৰিকেল ৰেকৰ্ড কমিছনত যোগদান কৰি কনকলাল বৰুৱা সপৰিয়ালে চক্ৰধৰপুৰলৈ যায়। জোঁৱায়েক নৰেন কাকতী (পঙ্কজা কাকতীৰ গিৰীয়েক) তেতিয়া চক্ৰধৰপুৰত বি এন আৰ ৰেলৱেৰ এগৰাকী উচ্চ পদস্থ বিষয়া। যাত্ৰাপথত ৰেলতে বৰুৱা ডাঙৰীয়া অসুস্থ হয়। চক্ৰধৰপুৰ পোৱাৰ পিছত তেওঁৰ অসুখ বেচিহে হয়। চক্ৰধৰপুৰৰ ডাক্তৰেও প্ৰকৃত ৰোগ নিৰ্ণয় কৰিব নোৱাৰি ভুল চিকিৎসা কৰিলে। ফলত ৰোগ উপশম হওক চাৰি বেছিহে হ'ল। শেষত উপায় নাপাই বৰুৱাক কলিকতালৈ অনা হ'ল। কিন্তু ফল একো নহ'ল। কলিকতা ট্ৰপিকেল মেডিকেল স্কুলৰ হস্পিটেলত ১৯৪০ চনৰ ৮ জানুৱাৰীত এগৰাকী বুৰঞ্জীবিদ, প্ৰত্নতত্ত্ববিদ সাহিত্য সাধকৰ জীৱন বন্তি নিৰ্বাপিত হ'ল।

কনকলাল বৰুৱা ৰাজনীতিত আছিল এগৰাকী উদাৰপন্থী লোক। মতিলাল নেহৰুৰ সভাপতিত্বত বহা অল্ পাৰ্টিজ কন্‌ফাৰেন্সত বৰুৱা ডাঙৰীয়া অসমৰ সদস্য স্বৰূপে যোগদান কৰিছিল। ৰাজনীতিত তেওঁ নৰমপন্থী আছিল বাবে চৰমপন্থী সকলে তেওঁক জলাকলা কৰিছিল। কিন্তু বৰুৱা ডাঙৰীয়া সকলো বিষয়তে আছিল ধীৰ-স্থিৰ নিৰ্বিকাৰ। সেইবাবে চৰমপন্থী দুই-তিনিজন ডেকা ৰাজনীতিবিদক তেওঁ মৃদুভাৱে কৈছিল "হেৰা, ৰাজনীতি কৰিছা কৰা, কিন্তু উদ্ধত নহ'বা।"

কৰ্তব্যনিষ্ঠা আৰু ঐকান্তিকতাৰ বাবে তেওঁ চৰকাৰৰপৰা লাভ কৰিছিল চি. আই ই খিতাপ। বৰুৱা ডাঙৰীয়াৰ গভীৰ জ্ঞান, বিস্তৃত অধ্যয়ন আৰু তথ্য-বহুল ৰচনাৰাজিৰ গুণত M R A S (Member of the Royal Asiatic Society of Great Britain and Ireland), M R S (Member of the Royal Asiatic Society of Bengal) আৰু F R E. S. (Fellow of the Royal Economic Society of London) আদিৰ সভ্য নিযুক্ত হৈছিল।

কনকলাল বৰুৱা মানুহজন সহজ-সৰল ডাঙৰীয়া প্ৰকৃতিৰ লোক। অবাবত সময় নকটাই গভীৰ অধ্যয়ন আৰু বুৰঞ্জীৰ তথ্য অনুসন্ধানত ব্যস্ত আছিল। সেয়েহে চৰকাৰী দায়িত্ব পালন কৰিও বুৰঞ্জী চৰ্চা আৰু পুৰাতত্ত্বৰ অনুসন্ধানৰ কাৰ্যত একাণপতীয়াকৈ লাগিব পাৰিছিল।

কনকলাল বৰুৱাৰ সাহিত্য-চৰ্চাৰ স্পৃহা নিচেই সৰু কালৰেপৰা। স্কুলীয়া ছাত্ৰাৱস্থাতে আসাম বন্ধুত প্ৰথম কবিতা প্ৰকাশ হোৱাৰ কথা ইতিপূৰ্বে উল্লেখ কৰিছোঁ। হৰিনাৰায়ণ বৰা সম্পাদিত মৌত বৰুৱা ডাঙৰীয়াৰ কবিতা প্ৰকাশ হোৱা কথা দুই এঠাইত উল্লেখ আছে যদিও তেওঁৰ কোনো কবিতা মৌত প্ৰকাশ হোৱা নাছিল। প্ৰকাশিত চাৰি সংখ্যা মৌত অসমীয়া বাবু আৰু ডাঙৰীয়া নামৰ দুটি কবিতা মাত্ৰ প্ৰকাশ হৈছিল। দুইটি কবিতাই বলিনাৰায়ণ বৰাৰ।

জোনাকীত প্ৰকাশিত 'অসমত উৎপন্ন বাণিজ্য বস্তু' শীৰ্ষক দুটি প্ৰবন্ধত বৰুৱা ডাঙৰীয়াই কাঠ আৰু ৰেচমৰ কথা আলোচনা কৰিছে। আমাৰ শিল্প শীৰ্ষক দুটি প্ৰবন্ধও জোনাকীত প্ৰকাশ হৈছিল। প্ৰথমটো প্ৰবন্ধত প্ৰধানকৈ প্ৰাচীন অসমৰ পাট, মুগা, মেজাঙ্কৰী, কেটকুৰি আদিৰ সৌন্দৰ্যৰ কথা আলোচনা কৰিছে। আমাৰ শিল্প দ্বিতীয় প্ৰবন্ধত বিজেতাসকলৰ অত্যাচাৰত মঠ, মন্দিৰ আদি ধ্বংস হোৱাৰ লগে লগে কিদৰে অতীতৰ শিল্পীৰ শিল্প-নৈপুণ্যৰ নিদৰ্শন জাহ যাব লগা হৈছে সেই কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। সহানুভূতি আৰু সংসাৰত সুখ নে দুখ আন দুটি প্ৰবন্ধ। প্ৰবন্ধ দুটাত বিষয় বস্তুৰ ব্যাখ্যা দি মানৱ সমাজৰ মঙ্গলৰ বাবে ইয়াৰ প্ৰয়োজনীয়তা আৰু প্ৰয়োগৰ উপায় ব্যাখ্যা কৰিছে। প্ৰাণীতত্ত্ব প্ৰবন্ধৰ আলোচনাৰ বিষয় পৃথিৱীৰ বিভিন্ন শ্ৰেণীৰ প্ৰাণীৰ উৎপত্তি আৰু পৰিবৰ্তনৰ কথা। জোনাকীতে প্ৰকাশিত ভুঁইকপৰ উপকাৰিতা প্ৰবন্ধত ভুইকপৰ ফলত পৃথিৱীৰ উপৰিভাগত হোৱা পৰিবৰ্তনে মানৱ জাতিৰ কিদৰে উপকাৰ সাধন কৰিব পাৰে সেইকথা আলোচনা কৰিছে। মানৱ জাতিৰ সভ্যতাৰ আলোচনাৰ বিষয় সভ্যতাৰ ক্ৰম পৰিবৰ্তনৰ কথা।

আৱাহনত প্ৰকাশিত কামৰূপ সাম্ৰাজ্য প্ৰবন্ধত বৰুৱা ডাঙৰীয়াই প্ৰাচীন কামৰূপৰ অতীত ঐতিহ্যৰ কথা পৰ্যালোচনা কৰিছে।

৩য় বছৰ উষাত প্ৰকাশিত হেমচন্দ্ৰ বৰুৱা আৰু ৭ম বছৰ বাঁহীত প্ৰকাশিত হেমচন্দ্ৰ বৰুৱা সৌৰৱা কথা সাহিত্যৰথী হেমচন্দ্ৰ বৰুৱাৰ বিষয়ে লিখা দুটি দুটি প্ৰবন্ধ। হেমচন্দ্ৰ গোস্বামীৰ বিষয়ে লিখা মিলনত প্ৰকাশিত প্ৰবন্ধ বন্ধুবৰ গোসাঁইৰ স্মৃতি।

বাঁহীত প্ৰকাশিত কৌটিল্যৰ সময়ত প্ৰাগজ্যোতিষ প্ৰবন্ধত খ্ৰীঃ পূঃ চতুৰ্থ শতিকাতে কৌটিল্যৰ অৰ্থশাস্ত্ৰত প্ৰাগজ্যোতিষৰ কথা কেনেভাবে উল্লেখ কৰিছে সেই কথা বৰুৱাদেৱে যুক্তিসহকাৰে বিচাৰ কৰিছে। বাঁহীত প্ৰকাশিত 'মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্মমত প্ৰবন্ধটো বেজবৰুৱাই তেওঁৰ 'শ্ৰীশঙ্কৰদেৱ আৰু শ্ৰীমাধৱদেৱ' গ্ৰন্থৰ শেষৰ ফালে সন্নিৱিষ্ট কৰিছে। বাঁহীত প্ৰকাশিত বুৰঞ্জীৰ বিবিধ টোকা শীৰ্ষক এলানি প্ৰবন্ধত প্ৰাগ ঐতিহাসিক যুগৰ ভালেখিনি ঐতিহাসিক তথ্য আলোচনা কৰিছে।

সাবিত্ৰী-সত্যৱান (১৮৯১) কনকলাল বৰুৱা, ৰজনীকান্ত বৰদলৈ আৰু গোপালকৃষ্ণ দেই ৰচনা কৰা এখনি পৌৰাণিক নাটক। নাটকখনি গুৱাহাটী আৰু তেজপুৰত বহুবাৰ অভিনয় কৰা হৈছিল।

কনকলাল বৰুৱাৰ অসমীয়াতকৈ ইংৰাজীত লিখা প্ৰবন্ধৰ সংখ্যা সৰহ। অসমীয়াৰ নিচিনাকৈ ইংৰাজীতো প্ৰবন্ধ লিখিছিল ছাত্ৰাৱস্থাৰেপৰা। নিজৰ সম্পাদিত আলোচনীখনৰ উপৰিও The Indian Culture নামৰ আলোচনীখনিতো তেওঁৰ ভালেকেইটি প্ৰবন্ধ প্ৰকাশ হৈছিল। তেওঁৰ সৰহ ভাগ ইংৰাজী প্ৰবন্ধ প্ৰকাশ হৈছিল। তেওঁৰেই সম্পাদনাত প্ৰকাশিত The Journal of the Assam Research Society ত। আলোচনীখনৰ বাবে তেওঁ যেতিয়াই প্ৰবন্ধৰ অভাৱ অনুভব কৰিছিল তেতিয়াই তেওঁ নিজে প্ৰবন্ধ ৰচনা কৰি অভাৱ পূৰণ কৰিছিল।

তেওঁৰ সৰহভাগ ইংৰাজী প্ৰবন্ধই বুৰঞ্জী আৰু পুৰাতত্ত্ব বিষয়ৰ। অতীত অসমৰ বিষয়ে ইতিহাস ৰচনা কৰিয়েই বৰুৱা ডাঙৰীয়া ক্ষান্ত থাকিব পৰা নাছিল, এই প্ৰবন্ধৰাজিৰ মাজেদি অতীত অসমৰ ঐতিহ্যৰ চিত্ৰ একোখনি অনা-অসমীয়া পাঠকৰ চকুত দাঙি ধৰিব পাৰিছিল।

১৯৪০ চনৰ এপ্ৰিল মাহত অসম প্ৰাদেশিক মিউজিয়াম (এতিয়া ৰাজ্যিক সংগ্ৰহালয়) মুকলি কৰা হ'ল। মিউজিয়াম মুকলি কৰি তেতিয়াৰ গৱৰ্ণৰ চাৰ ৰবাৰ্ট নীল ৰীডে এনে এটি অনুষ্ঠান মুকলি কৰাৰ আগমুহূৰ্তত বৰুৱা ডাঙৰীয়াৰ মৃত্যুত আক্ষেপ কৰিছিল।

কনকলাল বৰুৱাৰ ঘৰুৱা জীৱন আছিল সুখৰ জীৱন। দ্বিতীয়া পত্নী শ্ৰীযুতা প্ৰেমদা বৰুৱা এগৰাকী সাধ্বী গৃহিণী। বৰুৱা ডাঙৰীয়াৰ শ্বিলঙৰ ঘৰ-মাটি সজাৰ গুৰিতে আছিল শ্ৰীযুতা প্ৰেমদা বৰুৱা। গুৱাহাটীৰ উজান বজাৰৰ যোৰ পুখুৰীৰ পাৰৰ বাসভবন তেওঁ বৰপেটাত মহকুমাধিপতি থকা অৱস্থাতে সজোৱা।

শ্ৰীযুতা প্ৰেমদা বৰুৱাৰ প্ৰথম সন্তান পঙ্কজা কাকতী (নবেন কাকতীৰ পত্নী)। স্বৰ্গীয় ফণীলাল বৰুৱা, শ্ৰীমণিলাল বৰুৱা, শ্ৰীমাখনলাল বৰুৱা আৰু শ্ৰীপান্নালাল বৰুৱা চাৰিটি পুত্ৰ সন্তান। শ্ৰীমতী ৰোজা কামথে (বসন্ত কামথেৰ পত্নী) আৰু কনিষ্ঠা কন্যা শ্ৰীমতী উষা বৰুৱা (শ্ৰীহেমেন্দ্ৰপ্ৰসাদ বৰুৱাৰ পত্নী) আন দুগৰাকী কন্যা।

কলেজীয়া ছাত্ৰাৱস্থাৰেপৰা জীৱনৰ শেষ মুহূৰ্তলৈকে কনকলাল বৰুৱাই অসমৰ অতীত, ঐতিহ্য, প্ৰত্নতত্ত্ব বিষয়ক গৱেষণা আৰু চৰ্চা কৰিছিল। বৰুৱা ডাঙৰীয়াৰ ৰচনাৰাজি সংখ্যা সাপেক্ষ নহয়। কিন্তু অসমৰ ভাষা-সাহিত্য, কৃষ্টি-সভ্যতা, ঐতিহ্যৰ বিষয়ে যিখিনি ৰচনা আগ বঢ়াইছে, সেই ৰচনাৰাজিৰ মাজতে প্ৰকাশ পাইছে জাতি আৰু দেশৰ প্ৰতি থকা গভীৰ নিষ্ঠা আৰু ঐকান্তিকতা। অসমীয়া ভাষা-সাহিত্যৰ বুৰঞ্জীয়ে কনকলাল বৰুৱাৰ দানৰ কথা চিৰকালেই সুঁৱৰিব লাগিব।

১০ ডিচেম্বৰ ১৯৭২
আমাৰ ঘৰ, গুৱাহাটী



কনকলাল বৰুৱা

১৯১২ চন

অসম সাহিত্য সভাৰ ষষ্ঠ সন্মিলনৰ সভাপতিৰ অভিভাষণ

অভ্যৰ্থনা সমিতিৰ সভাপতি আৰু সমবেত বন্ধুসকল,

সময়ৰ অনাটনত আৰু নিজকে নিজে উপযুক্ত বুলি বিবেচনা নকৰি ইয়াৰ পূৰ্বে এবছৰ আপোনালোকৰ নিমন্ত্ৰণ অস্বীকাৰ কৰিছিলোঁ। এইবাৰ আপোনালোকৰ আহ্বান এৰাব নোৱাৰি সভাপতিৰ গুৰুভাৰ ল'ব লগাত পৰিলোঁ। আপোনালোকে যি সন্মানৰ পদ মোক দিছে, সেই পদৰ মই অভাজন। নানা কাৰ্য্যত লাগি থাকি আজি বহুতদিন জাতীয় সাহিত্য চৰ্চা মই কৰিব পৰা নাই। এই ত্ৰুটী মোৰ নিজৰ। মই নিশ্চয়কৈ জানো, যি কাৰ্য্যভাৰ আপোনালোকে মোৰ গাত দিছে সেই কাৰ্য্য মই আপোনালোকৰ সন্তোষদায়কৰূপে সমাধা কৰিব নোৱাৰিম। আশাকৰোঁ আপোনা-লোকে নিজগুণে মোৰ ত্ৰুটী মাৰ্জনা কৰিব।

এইবাৰ সাহিত্য সন্মিলনৰ অধিবেশন একেবাৰে পূৰ্বপ্ৰান্তত। এই প্ৰান্ত ঠাই যদিও ঐতিহাসিক হিচাপে অসমৰ পুৰণি ঠাই বুলি চিনাকি দিব নোৱাৰি, তথাপি বৰ্তমান সময়ত নানা বিষয়ে এই ঠাই অগ্ৰগণ্য। ই এখন বিশেষ বাণিজ্য প্ৰধান সমৃদ্ধিশালী নগৰ। ইয়াৰ সমাজ অসমৰ ভিতৰত উন্নত। লক্ষ্মী, সৰস্বতী উভয়ৰে এই ঠাইৰ প্ৰতি বিশেষ কৃপা; কাৰণ ইয়াত চহকী আৰু শিক্ষিত ভালেমান অসমীয়া বঙালী, মাৰোৱাৰী আৰু ইংৰাজৰ বাস। প্ৰত্যেক চেনচাছত লোক সংখ্যাৰ বৃদ্ধিলৈ মন কৰিলে ষষ্ঠীদেৱীৰ এই ঠাইলৈ বিশেষ অনুগ্ৰহ যেন দেখা যায়। সাহিত্যৰ উন্নতি আৰু প্ৰচাৰৰ ঠাই সাৰথি দুটি মুদ্ৰাযন্ত্ৰ এই ঠাইত প্ৰতিষ্ঠিত আৰু অস-মীয়া ভাষাত লিখা বাইজৰ মুখপত্ৰ এখনি সাপ্তাহিক বাতৰি কাকত ইয়াৰপৰা প্ৰকাশিত হয়। অসমীয়া শিক্ষিত মহিলাৰ ডিব্ৰুগড় অসমৰ ভিতৰত কেন্দ্ৰ ঠাই। ইয়াৰ শিক্ষিত মহিলাই বিশ্ববিদ্যালয়ৰ উপাধি লৈ বিশেষ অসমীয়া ভাষাত প্ৰকাশিত হোৱা সাময়িক পত্ৰিকাবিলাকত প্ৰবন্ধাদি লিখি আমাৰ সাহিত্য চহকী কৰিছে আৰু গোটেই অসমবাসীৰ গৌৰৱ বৃদ্ধি কৰিছে। অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যলৈ ডিব্ৰুগড়বাসী অসমীয়াৰ একান্ত আগ্ৰহ নোহোৱা হ'লে আজি এই অধিবেশন আমি ইয়াত নেদেখিলোঁহেঁতেন। সেই অনুৰাগ আৰু আগ্ৰহৰ সৰ্ব্বোৎ-কৃষ্ট প্ৰমাণ আজি সভাৰ এই বিপুল বজাধৰীয়া আয়োজন আৰু সুবন্দবস্তৰ বাবে অকল স্থানীয় শাখা সমিতিকে নহয়, গোটেই ডিব্ৰুগড়ৰ অসমীয়া সমাজকে আজি আপোনালোক সকলোৰে সজনি মই অন্তৰেৰে সৈতে ধন্যবাদ দিছোঁ।

আন বিষয়ৰ আলোচনা কৰাৰ পূৰ্বেই আমাৰ এটি কৰ্তব্য আছে। সেইটি আমাৰ দেশৰ আৰু আমাৰ সাহিত্যৰ পৃষ্ঠপোষক কেইজনমানৰ বিয়োগৰ বাবে

শোক প্ৰকাশ। দুখৰ বিষয় যোৱা বছৰত আমি কেবাজনো তেনে পৃষ্ঠপোষক আৰু আমাৰ দেশৰ ৰত্নস্বৰূপ মহৎ লোক হেৰুৱালোঁ। বছৰ আৰম্ভ হোৱাৰ কেইদিনমান পূৰ্বেই ৰায়বাহাদুৰ ঘনশ্যাম বৰুৱাৰ মৃত্যু ঘটে। তেওঁৰ নিচিনা প্ৰবীণ ৰাজনীতি-বিশাৰদ, দেশহিতৈষী লোক এজন হেৰুৱাই যে অসম দেশ কিমান দুখীয়া হৈছে তাক আপোনালোকৰ আগত বহলাই কোৱাৰ অনাৱশ্যক। তেখেতো এজন অসমীয়া সাহিত্যৰ শুৱিয়াল আছিল। জোনাকীৰ প্ৰথম বছৰ প্ৰথম সংখ্যাৰ প্ৰবন্ধ এটি তেওঁৰ লিখা। আপোনালোক বহুতেই নাজানিব পাৰে যে চেক্সপীয়েৰৰ Comedy of Errors ৰ অসমীয়া 'ভ্ৰমৰঙ্গ' নাটক তেওঁ আৰু তেওঁৰ লগৰীয়া বন্ধু ৺ৰত্নধৰ বৰুৱা উভয়ে লিখা। তেওঁৰ শোক আমি নৌ পাহৰোতেই বছৰৰ প্ৰায় আদিতে আমাৰ দেশৰ নামজ্বলা সদাগৰ শ্ৰীযুত ভোলানাথ বৰুৱা কলিকতাত চুকাল। এওঁৰ মহৎ কীৰ্তিৰ কথা অসমৰ সকলোৱে জানিছে। জকাইকচুৰ মানুহ হৈও এওঁ নিজ অধ্যৱসায় আৰু পুৰুষাৰ্থৰ বলত ভাৰতবৰ্ষৰ ভিতৰত এজন নামজ্বলা ডাঙৰ সদাগৰ হৈ দেশৰ নাম উজ্জ্বল কৰিলে। ভাৰতবৰ্ষৰ উত্তৰ, দক্ষিণ, পশ্চিম যি ঠাইলৈকে মই গৈছোঁ, সকলো ঠাইতে এওঁক চিনা বা এওঁৰ নাম জনা মানুহ লগ পাইছোঁ। আপোনালোকে জানিব পাৰে যে এওঁৰ উইল অনুসাৰে প্ৰায় ত্ৰিশলক্ষ টকাৰ সম্পত্তিৰ শেষ উত্তৰাধিকাৰী অসমীয়া প্ৰজাবৃন্দ। জীৱিতাৱস্থাত এখেতে শিক্ষাৰ উন্নতিৰ নিমিত্তে ভালেমান মহৎ দান কৰি গৈছে। তাৰে ভিতৰত কাশীৰ হিন্দু বিশ্ববিদ্যালয়ৰ বাবে ১,২৫,০০০ টকা আৰু অসমত এটি টেক্‌নিকেল স্কুল খোলাৰ অৰ্থে ১,০০,০০০ টকা এই দুটি দানেই যাই। এম-এ পৰীক্ষাৰ পাঠ্য অসমীয়া সাহিত্যৰ সংগ্ৰহখনি ছপা কৰিবলৈ এওঁ মৃত্যুৰ কিছুদিন পূৰ্বে কলিকতা য়ুনিভাৰ্চিটিক ১০ হাজাৰ টকা দিলে। এই টকাৰ দ্বাৰা এতিয়া এই সংগ্ৰহখনি ছপা হ'ব লাগিছে। দেশ হিতকৰ কামৰ বাবে লক্ষ টকা দান কৰিও বৰুৱা ডাঙৰীয়া যথোচিত ৰাজ সন্মানেৰে ভূষিত নহলেও অসমীয়া ৰাইজৰ মনত তেওঁৰ নাম চিৰস্মৰণীয়ভাৱে অঙ্কিত হৈ থাকিব। বছৰৰ আধা-আধি নাযাওঁতেই শিৱসাগৰত ৰায়বাহাদুৰ ফণীধৰ চলিহাৰ মৃত্যু ঘটে। এনেজন নিৰ্ভীক, উচিত বক্তা, দীৰ্ঘদৰ্শী, দেশহিতৈষী লোক হেৰুৱায়ো আমি বিশেষভাৱে দুখীয়া হৈছোঁ। এসময়ত তেওঁ অসমীয়া পুথিবছা কমিটীৰ সভাপতি আছিল আৰু নৰিয়াৰ গতিকে তেওঁ কাৰ্য্যৰপৰা অৱসৰ লোৱাত সেই বাব মোৰ গাত আছিল। অসমীয়া জাতীয়ত্ব আৰু অসমীয়া ভাষাৰ স্বতন্ত্ৰতা ৰক্ষা কৰাৰ নিমিত্তে তেওঁ অশেষ যত্ন কৰিছিল। গোলাঘাটৰ মহিলা কবি যমুনেশ্বৰী খাটনিয়াৰৰ মৃত্যুতো আমি এগৰাকী মহিলা সাহিত্যিক হেৰুওৱালোঁ। তেওঁ 'অৰুণ' নামেৰে এখন কবিতা পুথি প্ৰকাশ কৰিছিল। একে বছৰৰ ভিতৰতে এই কেইজন সাহিত্যা-নুৰাগী লোক হেৰুওৱা আমাৰ ৰৰ দুৰ্ভাগ্যৰ চিন। আশাকৰোঁ জগদীশ্বৰৰ কৃপাত এটাই কেউজনেৰে আত্মাৰ সদ্‌গতি আৰু চিৰশান্তি লাভ হ'ব।

অসমীয়া ভাষা আৰু সাহিত্য আজি-কালিৰ নকৈ গজা নহয়, ই বহুতদিনৰ পুৰণিকলীয়া; এই কথা অসমীয়াৰ বাহিৰেও আজি-কালি অনেকে মুক্তকণ্ঠে স্বীকাৰ

কৰিছে। অসমীয়া সাহিত্যৰ বুনিয়াদী গুৰি দেখি আমাৰ প্ৰতিবেশীসকলৰ কোনো-বাই চকুপানী টুকিলেও ইয়াৰ প্ৰাপ্য উচ্চ আসন এতিয়া নিদি থকা নাই। সিদিনা-খন ঢাকাত মৌলবী ছহিদুল্লাই দেখুৱাইছে যে প্ৰায় ৯০০ বছৰ পূৰ্বে ৰচনা কৰা অসমীয়া ভাষাৰ গীত বৌদ্ধগানত আছে। তাৰে এটি কামৰূপৰ ৰজা ইন্দ্ৰপালৰ দ্বাৰা ৰচিত আৰু এটি "ৰাজনী" (ৰাণী ?) নিবাসী সৰহপাদৰ দ্বাৰা ৰচিত। উভ-য়েই তান্ত্ৰিক বৌদ্ধধৰ্মত দীক্ষিত আছিল। মৌলবী ছহিদুল্লাই কৈছে যে এই গীত বিলাকেই অনুমান অসমীয়া সাহিত্যৰ আদি চানেকী। ইয়াতকৈও যে আগৰ লিখিত অসমীয়া সাহিত্য পোৱা নাযাব তাক কোনে ক'ব পাৰে ?

দুখৰ বিষয় এই দেশ ইংৰাজৰ হাতলৈ যোৱাৰ সময়তে অসমীয়া ভাষাৰ প্ৰায় মুমূৰ্ষু অৱস্থা হৈছিল। সেই সময়ত আমেৰিকান ব্যাপটিষ্ট মিশ্যনেৰী সকলে যত্ন নকৰা হলে বোধকৰোঁ অসমীয়া লিখিত ভাষা অন্ততঃ আজি নাথাকিলহেঁতেন। সেই সময়ত পঢ়াশালি আৰু আদালত বিলাকত বঙলা ভাষাৰ প্ৰচলন হৈছিল। এনেকি সেই সময়ত শিক্ষিত অসমীয়াই বঙলা মিহলি ভাষাৰেহে চিঠি-পত্ৰ লিখিছিল। মিশ্যনেৰী মহানুভৱ সকলৰ আদৰ্শ লৈ সেই সময়ৰ ৺আনন্দৰাম ঢেকীয়াল ফুকনে আৰু তেওঁৰ পিচত ৺হেমচন্দ্ৰ বৰুৱা আৰু গুণাভিৰাম বৰুৱা ৰায়বাহাদুৰে এক-ৰকম অসমীয়া ভাষা আৰু সাহিত্যৰ পুনৰুদ্ধাৰ কৰে। তেওঁলোকে অসমীয়া ভাষালৈ যি এটি চাল লগাই দিলে সেই চাল এতিয়াও সজোৰে চলি আছে। আৰু তাৰে ফলত আমাৰ সাহিত্যৰ বৰ্ত্তমান উন্নত অৱস্থা হৈছে। সেই সোঁতৰ টানতে আজি ৩০।৩৫ বছৰ পূৰ্বেই কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰসকলে অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ অৰ্থে দৃঢ়ব্ৰতে লাগি গৈছিল। তেওঁলোকৰ পুৰুষাৰ্থৰ ফলত অসমীয়া ভাষা উন্নতি-সাধিনী সভাৰ সৃষ্টি হৈছিল আৰু জোনাকী আৰু বিজুলী নামেৰে দুখনি অসমীয়া মাহেকীয়া কাকত চলিছিল। সেইদিনতে অসমীয়া ভাষা উন্নতি-সাধিনী সভাই কলিকতাৰপৰা পুৰণি আৰু নতুন অসমীয়া পুথিৰ এখনি তালিকা সংগ্ৰহ কৰি ছপাই অসমীয়া জনসাধাৰণৰ আগত দাঙি ধৰিছিল। ওপৰোক্ত জোনাকী কাকতৰ মধ্যে এবছৰৰ সম্পাদক আছিলোঁ। পুথিৰ তালিকাখনি ভূমিকাৰে সৈতে মই আৰু শ্ৰীযুত ৰমাকান্ত বৰকাকতি উভয়ে যুটীয়া সম্পাদকৰূপে প্ৰকাশ কৰি-ছিলোঁ। মোৰ এই সামান্য কাৰ্য্য পাঠ্যাবস্থাৰ অপৈণত বয়সৰ কাৰ্য্য হলেও এতিয়া-লৈকে তাৰ বাবে নিজক গৌৰৱান্বিত বিবেচনা কৰোঁ।

সেই সময়ৰ কলিকতা-প্ৰবাসী অসমীয়া ছাত্ৰৰ ভাষা আৰু সাহিত্যৰ নিমিত্তে পুৰুষাৰ্থ কিমান ধন্যবাদৰ যোগ্য তাক এতিয়াহে ভালকৈ বুজি পাও।

এতিয়াৰ নিচিনা সেই সময়ত কলিকতাৰ কলেজৰ ছাত্ৰৰ বাহিৰে অসমত থকা জনা-গুনা শিক্ষিত অসমীয়াৰ ভিতৰত খুব কম লোকহে অসমীয়া সাহিত্যৰ অনুৰাগী আছিল। মাতৃ-ভাষাৰ নিমিত্তে যি যত্ন বয়সস্থ আৰু শিক্ষিত লোকে কৰিব লাগিছিল, সেই কাজ কলিকতাবাসী অসমীয়া ছাত্ৰসকলেহে নিজৰ লিখা-পঢ়া অলপ অচৰপো কৰিও কৰিবৰ লগাত পৰিছিল। অসমীয়া ভাষা যে কেতিয়াবা স্বতন্ত্ৰ ভাষাৰূপে স্বাধীন হ'ব, এই কথা কেতিয়া অসমীয়াৰ ভিতৰৰ বহুতে বিশ্বাস নকৰিছিল।

এনেকি তেতিয়াৰ অসমীয়া শিক্ষিত সম্প্ৰদায়ৰ শীৰ্ষস্থানীয় ৺ৰায়বাহাদুৰ জগন্নাথ বৰুৱা, ৺মাণিকচন্দ্ৰ বৰুৱাৰ এনে মত আছিল। যিহওক, অসমীয়া ভাষা উন্নতি-সাধিনী সভা যদিও আদিতে কিছুমান ছাত্ৰৰ দ্বাৰা স্থাপিত হৈছিল, সেই ছাত্ৰবিলাক কলিকতাৰপৰা উভতি আহি অসমৰ বেলেগ ঠাইত বহি যোৱাৰ পাচতে তেওঁবিলাকৰ উৎসাহ আৰু যত্নৰ দ্বাৰায়ে অসমৰ প্ৰত্যেক জিলাতে লাহে লাহে অসমীয়া ভাষা উন্নতি-সাধিনী সভাৰ শাখা-সভা হবলৈ ধৰিলে। তেতিয়া এই সভাৰ প্ৰতিপত্তি আৰু বাঢ়িল আৰু এই সভাৰ যত্নতে মজলীয়া স্কুলবিলাকত অসমীয়া ভাষা চলিল আৰু ক্ৰমে বিশ্ববিদ্যালয়ৰ এন্ট্ৰেঞ্চ, এফ-এ আৰু বি-এ পৰীক্ষাতো অসমীয়া ভাষাই ঠাই পালে। এতিয়া এম-এ পৰীক্ষাতো অসমীয়া ভাষাই ঠাই পাইছে আৰু বঙলা ভাষাত এম-এ দিব খোজা ছাত্ৰবেও অসমীয়া পুৰণি সাহিত্য পঢ়িব লগাত পৰিছে। ই কম গৌৰৱৰ কথা নহয়। যি বিলাক ছাত্ৰ গোটখাই আজি প্ৰায় ৩৫ বছৰ পূৰ্বে অসমীয়া ভাষা উন্নতি-সাধিনী সভাৰ সৃষ্টি কৰিছিল, তেওঁলোকৰ বহুত আজি ইহ জগতত নাই আৰু যি কেইজন এতিয়াও জীৱিত আছে, তেওঁলোকলৈ অসমীয়া ভাষাৰ বৰ্তমান উচ্চপদ কিমানদূৰ আনন্দদায়ক তাক আপোনালোকে অনুমানৰ দ্বাৰাই বুজিব পাৰে।

যি কাৰ্য্যৰ নিমিত্তে অসমীয়া ভাষা উন্নতি-সাধিনী সভাৰ জন্ম হৈছিল, সেই কাৰ্য্য অতি সন্তোষদায়কৰূপে সিদ্ধি হৈ যোৱাৰ পাচত সেই সভা এতিয়া আৰু নাই; কিন্তু তাৰ পৰিবৰ্তে এই সাহিত্য-সভাই জন্ম ললে। এই সভায়ো এতিয়া ছবছৰত ভৰি দিলে। অসমীয়া ভাষা উন্নতি-সাধিনী সভাই নিজ দেশত গজাব নোৱাৰি বিদেশত জন্ম লৈছিল। কেঁচুৱা সভাক তুলি-তালি ডাঙৰ কৰিছিল পঢ়াশালীয়া ছাত্ৰবে। এই সভাই নিজ দেশতে জন্ম লৈছে আৰু গুৰিৰেপৰা কৃতবিদ্য, পদবীযুক্ত, সমাজৰ গণ্য-মান্য লোকসকলে এই সভাৰ তত্বাৱধান কৰিছে। দেশত মাতৃ-ভাষা আৰু সাহিত্যৰ প্ৰতি লোকৰ কিমান অনুৰাগ বাঢ়িছে তাক ইয়াৰপৰাই বুজিব পাৰি। অসমীয়া ভাষা উন্নতি-সাধিনী সভাৰ গুৰিয়াল আছিল ডেকা ল'ৰাবিলাক। গতিকে সেই সভাৰ কাম স্বভাৱৰ গুণেই ক্ষিপ্ৰভাৱে চলিছিল আৰু সেই সময়ত তেনেভাৱে কাম নচলা হলে ইমান শীঘ্ৰে সিদ্ধিলাভ নহলহেঁতেন। বয়সীয়াল গুৰিয়ালৰ হাতত এই সভাৰ কম গম্ভীৰভাৱে চলিলেও মোৰ মনেৰে কাজ বিশেষ সমীচীনভাৱে চলিছে আৰু এই সভাৰ দ্বাৰা যে সোনকালে হওক বা পলমে হওক অসমীয়া সাহিত্যৰ বিশেষ উন্নতি হ'ব তাত কোনো সন্দেহ নাই। যোৱা বছৰৰ ভিতৰত এই সভাক দুজনা নামজ্বলা দেশহিতৈষী লোকে ধনেৰে সহায় কৰিছে। এজনা শ্ৰীযুত দক্ষিণপাটসত্ৰৰ অধিকাৰ গোসাঁইপ্ৰভু আৰু আনজনা শ্ৰদ্ধাস্পদ ৰায়-বাহাদুৰ ৰাধাকান্ত সন্দিকৈ। দক্ষিণপটীয়া গোসাঁইপ্ৰভু আমাৰ হিন্দুসমাজৰ শীৰ্ষস্থানীয় মহাপুৰুষ। তেখেত আমাৰ দেশৰ সহস্ৰ লোকৰ ধৰ্মগুৰু। তেখেতৰ মহামূল্য দান এই সভাই আৰু অসমীয়া সমাজে ভক্তিপূৰ্ণ গদগদ চিত্তে আশীৰ্বাদৰ নিৰ্মাল্য স্বৰূপে গ্ৰহণ কৰিছে। আশাকৰোঁ তেখেতৰ আহি লৈ আন সত্ৰাধিকাৰ গোসাঁইসকলেও মাতৃ-ভাষা আৰু সাহিত্যৰ উন্নতিৰ অৰ্থে অৰ্থ-সাঁহাৰ্য্য কৰিব।

ৰায়বাহাদুৰ সন্দিকৈৰ দানৰ বিষয়ে মই কব খোজো যে জাতীয় সাহিত্যৰ উন্নতিৰ অৰ্থে এনে বদান্যতা অসম নাজাগে গোটেই ভাৰততো দুৰ্লভ। তেখেতৰ এই সুকীৰ্ত্তিৰ কথা শুনি সমগ্ৰ অসমবাসী মোহিত হৈছে। এই দানৰ দাতা আৰু গৃহীতা-সকল আজি আছে, কালিলৈ নোহোৱা হব; কিন্তু অসমীয়া সাহিত্যৰ অস্তিত্ব যেতিয়ালৈকে থাকিব, তেতিয়ালৈকে সন্দিকৈ ডাঙৰীয়াৰ এই মহৎ দান সকলোৰে মনত থাকিব। এই দানৰ সাহায্যেৰে সম্প্ৰতি সভাৰ ঘৰ সাজিবৰ দিহা কৰা হৈছে। স্থায়ী অফিচ এখনি নথকাত এই সভাৰ কাৰ্য্য সুচাৰুৰূপে চলা নাছিল। কেন্দ্ৰ ঠাই যোৰহাটত স্থায়ীৰূপে সেই অফিচ খোলাত যে সভাৰ কাজ এতিয়া ভালকৈ চলিব তাত কোনো সন্দেহ নাই। ৰায়বাহাদুৰ ডাঙৰীয়াৰ দানৰ দ্বাৰা তেওঁৰ পৰলোকগত দুই পুত্ৰৰ নামানুযায়ী চন্দ্ৰকান্ত অভিধান আৰু ইন্দ্ৰকান্ত ব্যাকৰণ প্ৰকাশ কৰাৰ দিহা কৰা হৈছে। দক্ষিণপাটৰ গোসাঁই প্ৰভুৰ দানৰ দ্বাৰা "নবদেৱ মন্দিৰ" নামেৰে সাহিত্য-সভাৰ বৈঠকৰ এটি চ'ৰাঘৰ বা Hall নিৰ্ম্মাণ কৰা হ'ব। আমি শুনি সুখী হৈছোঁ যে গৱৰ্ণমেণ্টে সাহিত্য-সভাৰ অৰ্থে যোৰহাটত এডুখৰি মাটি দিছে আৰু তাতে সাহিত্য-সভাৰ গৃহ নিৰ্ম্মাণৰ কাম আৰম্ভ কৰা হৈছে।

আপোনালোকৰ চতুৰ্থ অধিবেশনৰ সভাপতি মোৰ শ্ৰদ্ধাস্পদ বন্ধু আৰু সহপাঠী শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীয়ে তেওঁৰ অভিভাষণত আমাৰ সাহিত্যৰ কি কি পুঁজি আছে তাক ভালকৈ দেখুৱাইছিল। এই কাৰ্য্য অন্যৰ তেওঁৰ নিচিনাকৈ আনে কৰা অসম্ভৱ। তেওঁ সকবেপৰা এতিয়ালৈকে এই বিষয়ে যিমানদূৰ গৱেষণা আৰু অনুসন্ধান কৰিছে সিমানদূৰ আমি কোনেও কৰিব পৰা নাই। অসমীয়া ভাষা আৰু সাহিত্যক ন্যায্য উচ্চ আসন দিয়াবলৈ তেওঁৰ ঐকান্তিক চেষ্টা আৰু পৰিশ্ৰম যে শলাগিবলগীয়া এনে নহয়। মোৰ মনেৰে তাৰ বাবে গোটেই অসমীয়া জাতি তেওঁৰ ওচৰত আজি ঋণী। এইকথা যে বন্ধুৰ উক্তি মাত্ৰ এনে নহয়; মোৰ বিশ্বাস কোনো অসমীয়াই এই কথা নুই নকৰে। অসমীয়া পুৰণি পুথি-বিলাক সংগ্ৰহ কৰা কামটো যে কিমান আৱশ্যকীয় তাক আমি বুজিছোঁ। কিন্তু এই বিষয়ে আমাৰ সমবেত চেষ্টা এতিয়ালৈকে একো হোৱা নাই। অকল গোসাঁই-দেৱে নিজে কেইবছৰমান পূৰ্বে মহামতি চীফ্ কমিছনাৰ আৰ্ল চাহাবক বুজাই এই কাৰ্য্য কিছুদূৰ আগবঢ়ালে। ই কেৱল তেওঁৰ নিজ চেষ্টাৰ ফল। মোৰ বিশ্বাস, এই কাৰ্য্য তেওঁৰ বাহিৰে আৰু আন কোনোৱে সুচাৰুৰূপে কৰিব নোৱাৰে। কিন্তু তেওঁ চৰকাৰী বিষয়া, তেওঁৰ সময় চৰকাৰী কামত খটাব লাগে। মোৰ মনেৰে তেওঁক পুনৰ এই কাৰ্য্যত অন্ততঃ আৰু দুবছৰমান নিযুক্ত কৰিবলৈ সাহিত্য-সভাই গৱৰ্ণমেণ্টক জনাব লাগে। আমাৰ সৌভাগ্যবলে এইবাৰ আমি এজন অসমীয়া আমাৰ দেশৰ মন্ত্ৰী স্বৰূপে পাইছোঁ। তেওঁক এই বিষয়ে এই সভাৰ মুখিয়াল কেইজন-মানে বুজালে আশা কৰোঁ আমাৰ অনুৰোধ ৰক্ষা কৰিবলৈ তেওঁ চেষ্টা কৰিব। গোসাঁইদেৱে ভালেমান পুথি ধ্বংসৰ হাতৰপৰা ৰক্ষা কৰিছে আৰু তেনে পুথি বঢ়াই সংগ্ৰহ কাৰ্য্য শেষ হৈ গলে সেইবিলাকৰ এটি তালিকা আৰু বিৱৰণ তেওঁ নিজে প্ৰস্তুত কৰা নিতান্ত আৱশ্যক।

এইখিনিতে মই একাষাৰ কথা কব খোজো—আমাৰ এই সভা সাহিত্য সভা। এই সভাই অসমৰ অকল অসমীয়া পুথি নহয়, সংস্কৃত পুথিবিলাকো সংগ্ৰহ আৰু উদ্ধাৰ কৰিবলৈ যত্ন কৰা বোধকৰোঁ উচিত। আমাৰ দেশত আজি কেইবাশ বছৰৰ আগেয়ে আহি বসতি কৰা ছৈয়দ, খণ্ডকাৰ আদি উচ্চ বংশৰ মুছলমান কিছুমানো আছে। তেওঁলোকৰ হাতত পুৰণি হাতেলিখা আৰবী বা ফাৰ্চী কোৰান কি, আন পুথিও থকা সম্ভৱ। তেনে পুথিও পালে সংগ্ৰহ কৰা আৰু যত্ন কৰি ৰখা নিতান্ত আৱশ্যক। দুৰ্ভাগ্যবশতঃ আমাৰ দেশ ভূমিকম্পৰ দেশ, সেই বাবে পুৰণি কালৰ মন্দিৰ, ৰাজপ্ৰাসাদ, অট্টালিকা আদিৰ চিন নাই বুলিলেই হয়। কিন্তু য'তে ত'তে খনিকৰে কটা নানা ৰকম শিলৰ মূৰ্ত্তি, স্তম্ভ আদি পোৱা যায়। এই খনিকৰ কাৰ্য্যও চিত্ৰ-শিল্পৰ নিচিনা সাহিত্যৰ অংগভুক্ত। জাতীয় সাহিত্যৰ এই অংগটি আমি হেৰুৱাইছোঁ। পকীঘৰ আমাৰ দেশত নাথাকে, গতিকে কাঠ-খেৰ-বাঁহৰ ঘৰেই আমাৰ দেশত পূৰ্বাপৰ চলি আছে। এনে ঘৰ সহজে জুইত পোৰে আৰু সেই বাবেও বহুত পুৰণি পুথি লোপ পাইছে।

অসমীয়া পুথিৰ দৰে এতিয়াও বহুত সংস্কৃত পুথি আমাৰ দেশত আছে। বোধকৰোঁ তাৰ সৰহভাগেই ব্যৱস্থা বা স্মৃতিৰ পুথি, আৰু এনে পুথি প্ৰায়েই ব্ৰাহ্মণ আৰু দৈৱজ্ঞ শ্ৰেণীৰ লোকৰ ঘৰত আছে। এই বিলাক পুথিৰ মৰ্ম সংগ্ৰহ নিতান্ত আৱশ্যক। আপোনালোকৰ বহুতে বোধকৰোঁ জানে যে হিন্দুবিলাকৰ ব্যৱস্থা-শাস্ত্ৰই সামাজিক আইন-শাস্ত্ৰ। বিবাহ, অশৌচ, প্ৰায়শ্চিত্ত, দায় প্ৰভৃতিৰ ব্যৱস্থা এই বিলাক পুথিতে পোৱা যায়। এই বিলাক প্ৰত্যেক বিষয় সম্বন্ধে ডাঙৰ ডাঙৰ পুথি আছে। আন বিলাকৰ কথা নকওঁ। দায় সম্পৰ্কে আমাৰ দেশত স্মৃতি-সাগৰ নামে যি চাৰি খণ্ডৰ বিখ্যাত পুথি আছিল আৰু যি পুথিৰ মত বংগদেশীয় স্মৃতি পণ্ডিত ৰঘুনন্দনে "ইতি কামৰূপীয় নিবন্ধ স্মৃতি-সাগৰ মতম্" বুলি উল্লেখ কৰি গৈছে, সেই পুথি নোহোৱাৰ বাবে আমাৰ কি অন্যায় হৈছে তাক আইন ব্যৱসায়ী সকলে ভালকৈ জানে। বৰ্তমানে আমাৰ দেশত ৰঘুনন্দনৰ মতানুসাৰে আদালত-বিলাকে মৃতকৰ সম্পত্তি ভাগ কৰি দিয়ে। ইয়াৰ ফলত আজি-কালি কন্যা-পুত্ৰই নিজ ভ্ৰাতা বা ভ্ৰাতৃ-পুত্ৰক ঠেলা মাৰি কাতি কৰি থৈ মৃতকৰ সম্পত্তি পায়। অসমীয়া হিন্দুৰ মাজত এনে ৰীতি কেতিয়াও নাছিল। সেইবাবে আদালতবিলাকৰ এনে বিচাৰ অবিচাৰ বুলি ভাবে। কিন্তু যি পৰ্য্যন্ত আমাৰ দেশৰ দায়ভাগৰ পুথিখনি পোৱা নাযায়, সেই পৰ্য্যন্ত বংগদেশীয় ব্যৱস্থামতেই আদালতৰ কাৰ্য্য চলিব। ভাৰতবৰ্ষত হিন্দু আইন সম্পৰ্কে পাঁচ ঠাই, পাঁচখন ব্যৱস্থা Five school of Hindu Law আদালতবিলাকে সাব্যস্ত কৰিছে। এখনি বংগদেশীয় ৰঘুনন্দনৰ জীমূতবাহনৰ মতানুযায়ী ব্যৱস্থা, এখনি কাশীৰ মিতাক্ষৰা ব্যৱস্থা, এখনি মিথিলাৰ ব্যৱস্থা, এখনি দ্ৰাবিড়ৰ ব্যৱস্থা আৰু এখনি কংকণ বা মহাৰাষ্ট্ৰ দেশৰ ব্যৱস্থা। আমাৰ স্মৃতি-সাগৰ লোপ নোপোৱা হ'লে কামৰূপৰ ব্যৱস্থা বা Kamrup School of Hindu Law যে সাব্যস্ত হলহেঁতেন ইয়াত কোনো সন্দেহ নাই। এই পুথিখনি নোপোৱাৰপৰা যে আমাৰ দেশীয় আৰু জাতীয় মান কিমানদূৰ খৰ্ব

হৈছে তাক এতিয়া আপোনালোকে অনুমান কৰক। যি প্ৰাচীন কামৰূপ দুহাজাৰ বছৰ পূৰ্বে ভাৰতবৰ্ষত এখনি বিশাল পৰাক্ৰমী ৰাজ্য আছিল, সেই দেশৰ লোক-বিলাকে ব্যৱস্থা সম্পৰ্কে এতিয়া পৰদেশৰ ওচৰত হাত পাতিবলগীয়া হোৱাটো কম পৰিতাপৰ বিষয় নহয়। মোৰ মনেৰে এই স্মৃতি-সাগৰ পুথি অসমৰ চাৰিচুক বিচাৰি এতিয়াও উলিয়াবলৈ যত্ন কৰা উচিত। মই বৰপেটাত থাকোতে শুনিছিলোঁ যে এই পুথিৰ দুই এক খণ্ড গন্ধিয়াৰ এজন দৈৱজ্ঞৰ হাতত আছে। আপোনা-লোকৰ বহুতে বোধকৰোঁ নাজানে যে আহোম ৰজাসকলৰ সময়ত বৰফুকনৰ বিচাৰ কাৰ্য্যত দায়ভাগ সম্বন্ধে ব্যৱস্থা কামৰূপৰ দৈৱজ্ঞ ব্ৰাহ্মণসকলেহে দিছিল, আৰু এওঁলোক তেতিয়া বৰফুকনৰ সভাৰ পণ্ডিত আছিল। এতেকে দৈৱজ্ঞ ব্ৰাহ্মণৰ ঘৰত স্মৃতিৰ-সাগৰ পুথিখন থকা খুব সম্ভৱ। মই কিন্তু দূৰৰপৰা যত্ন কৰিও এই পুথিখনি উলিয়াব নোৱাৰিলোঁ। পূৰ্বকালত বৰ্তমানে উত্তৰ বংগৰ বগুৰা, দিনাজ-পুৰ, ৰংপুৰ, জলপাইগুৰি, কোচবিহাৰ প্ৰভৃতি ঠাই কমৰূপৰ অংগভুক্ত আছিল। এইবিলাক ঠাইতো বিচাৰিলে এই পুথিখনি পোৱা যাব পাৰে। এই সাহিত্য-সভাই সেই কামটি হাতত লবনে ?

আমাৰ দেশৰ সাহিত্যৰ আৰু এটি পুঁজি আছে যাৰ কথা বন্ধুৱৰ গোসাইদেৱে উল্লেখ কৰা নাই ; সেইটি বংশাৱলী বা পুৰুষনামাবিলাক। এইবিলাক জাতীয় বুৰঞ্জীৰ বৰ লাগতিয়াল উপাদান । আমি জানো যে এই দেশত বুৰঞ্জীয়ে চুকি নোপোৱা সময়ৰপৰাই আৰ্য্য বসতি হৈছে। অতি পুৰণি কালত, যি সময়ত নিম্ন বংগদেশ সাগৰৰ গৰ্ভত আছিল আৰু উত্তৰ বংগ প্ৰাগ্‌জ্যোতিষৰ অন্তৰ্গত আছিল, তেতিয়াও এই দেশত ব্ৰাহ্মণ আৰু কৰণ বা কাকতি অৰ্থাৎ কায়স্থৰ বসতি আছিল। যিবিলাক প্ৰাচীন তামৰ বা শিলৰ ফলি পোৱা গৈছে তাৰ দ্বাৰাই এই কথাৰ প্ৰমাণ পোৱা যায়। আমাৰ দেশৰ ব্ৰাহ্মণ, কায়স্থ আদি উচ্চকুলৰ হিন্দুবিলাক পূৰ্বে ভাৰত-বৰ্ষত নানা ঠাইৰপৰা আহি বসতি কৰিছিল। আমি জানো যে এতিয়াও অসমীয়া বামুণৰ ভিতৰত মিচিৰৰ ঘৰ, শুকুলৰ ঘৰ, মাবোৱাৰীৰ ঘৰ আদি নাম আছে আৰু অসমীয়া কায়স্থৰ ভিতৰতো পশ্চিমৰ লালা, কায়েঠ আৰু বঙাল কাকতি বা বঙালী কায়স্থ আছে। ভাৰতবৰ্ষৰ আন ঠাইত function বা বৃত্তি অনুসাৰে কুল বা জাতি বা ভাগ হোৱাৰ পূৰ্বেই যিবিলাক ক্ষত্ৰিয়, বৈশ্য আৰু শূদ্ৰ জাতৰ মানুহ আহি এই দেশত বসতি কৰিছিল, সেই বিলাকেই অনুমান কলিতা সম্প্ৰদায়। এওঁলোকৰ ইতিহাস এতিয়া উদ্ধাৰ কৰা বৰ টান। কিন্তু প্ৰাচীন বংশাৱলীবিলাক পালে সেই কাম উজু হ'ব। সংস্কৃত ভাষামূলক অসমীয়া ভাষা। এইবিলাক আৰ্য্য শ্ৰেণীৰ লোকৰহে ভাষা, গতিকে আমাৰ ভাষা আৰু সাহিত্যৰ আদি বুৰঞ্জীৰে সৈতে এইবিলাক লোকৰ ইতিহাসৰ খুব ঘন সম্বন্ধ। এই বংশাৱলী সংগ্ৰহ কৰা কাৰ্য্যটিত শ্ৰীযুত হিতেশ্বৰ বৰবৰুৱাই হাত দিয়াত আমি তেওঁৰ শলাগ নলৈ নোৱাৰোঁ। কিন্তু তেওঁ কেৱল আহোমৰ দিনত এই দেশলৈ অহা লোকসকলৰহে বংশাৱলী গোটাবলৈ যত্ন কৰিছে । তাৰ পূৰ্বৰ লোকসকলৰ বংশাৱলীৰপৰা আশা কৰোঁ আমি নজনা বুৰঞ্জীৰ কথা বহুত জনা যাব। সাহিত্য-সভাৰ এই কাৰ্য্যতো উদ্যোগ দেখিলে আমি সন্তোষ পাম।

কিছুমান লোকে ভাবিব পাৰে যে জাতীয় জীৱনৰ পক্ষে সাহিত্য অলাগতিয়াল ; ই এটি শোভাবৰ্ধক অলংকাৰ মাত্ৰ। এই ধাৰণা ভুল। জাতীয় জীৱনৰ গঢ়-গতি লৰচৰ কৰাত সাহিত্যৰ প্ৰভাব আমি বুৰঞ্জীৰ পৰাও জানিছোঁ আৰু প্ৰত্যক্ষ দেখিছোঁ। আকৌ দেখিছোঁ যে মানুহৰ ভাব-গতিৰ পৰিবৰ্তনৰ লগে লগে সাহিত্যৰো লৰচৰ হয়, সেইৰূপে জাতীয় জীৱনৰ ইতিহাসৰ যুগে যুগে সাহিত্যৰো গঢ়-গতি লৰচৰ হয়। যেনে, ধৰ্মযুগৰ ধৰ্মসাহিত্য, কৰ্মযুগৰ কৰ্মসাহিত্য। জাতীয় জীৱনৰ দৰ্পণ সাহিত্য আমি যত্ন নকৰিলেও আমাৰ মনৰ ভাব-গতি যেনেকুৱা সাহিত্যও সেই আহিৰে হব। তথাপি আমি সাহিত্যক ভালৰ ফালে চাল দিয়াবলৈ যত্ন কৰা নিতান্ত উচিত। কাৰণ মানুহৰ মনৰ ভাব-গতি, সাহিত্য প্ৰত্যেকে প্ৰত্যেককে আকৰ্ষণ কৰে। ইংৰাজী ভাষাত কবলৈ গলে, They react on each other। ভাৰতবৰ্ষৰ বৰ্তমান নৈতিক আৰু আৰ্থিক অৱস্থালৈ মন কৰিলে ইয়াকে দেখা যায় যে আমাৰ মানুহৰ মনৰ ভাব-গতি এতিয়াও দেশৰ অৱস্থা অনুসৰি লৰচৰ হোৱা নাই। এই কঠিন কৰ্মৰ যুগত তাৰ্কিকতকৈ কৰ্মীৰ আৱশ্যক বেচি। ভাৰতবৰ্ষত বহুত লোকে দুবেলা দুমুঠি খাবলৈ অন্ন নাপালে সংক্ৰামক ৰোগত আৰু অজ্ঞানতাৰ বাবে বছৰি লক্ষ লক্ষ লোক অকাল মৃত্যুৰ মুখত পৰে। য়ুৰোপৰ মহাসমৰ প্ৰায় ৫৫ বছৰ ব্যাপী লাগি কিমান লক্ষ মানুহ মাৰিলে ? কিন্তু এক ইনফ্লুয়েঞ্জাই দুমাহৰ ভিতৰত ভাৰত-বৰ্ষৰ ৬০ লক্ষ মানুহ মাৰি গ'ল। আমি কওঁ মান-মৰাণৰ উপদ্ৰৱে আমাৰ দেশ ছন্ কৰিলে। মান-মৰাণৰ উপদ্ৰৱ ধ্বংস হয়তো এক পুৰুষৰ ভিতৰত পুৰণ হৈছিল, কিন্তু প্ৰকৃতপক্ষে আমাৰ দেশ ছন্ কৰিব লাগিছে কালা-আজাৰৰ নিচিনা শত্ৰুৱে, যি পাহৰাই পাহৰাই ২০।৩০ বছৰৰ ভিতৰত একোবাৰ দেখা দি এমুঠৰপৰা লোক মাৰি পয়মাল কৰে। এতিয়া আমি অন্ন সংস্থান কৰিম বা মাউৰৰপৰা ৰক্ষা কৰিবলৈ যত্ন কৰিম নে বৈষ্ণৱ ডাঙৰ নে শাক্ত ডাঙৰ বা সাকাৰ উপাসনা ভাল নে নিৰাকাৰ উপাসনা ভাল এনে তৰ্কত লাগি যাম ? আমাক লাগে আমাৰ মানুহৰ মনৰ ভাব-গতি এনেকৈ বদলি হ'ব যাতে তেওঁলোক কৰ্মী হয়, কাৰ্য্যকুশল হয়, দেশৰ প্ৰত্যেক মানুহেই যেন কৰ্মত লাগে, দেশত অৰ্থ সৃষ্টি কৰাত লাগি পৰে। ধন ৰক্ষা আৰু দেহ ৰক্ষাৰ বাবে যি বিলাক কাৰ্য্য কৰিব লাগে তাক যেন কৰিবলৈ কোনো কুণ্ঠিত নহয়। আমাৰ ভদ্ৰলোক বুলিলে আমি উকীল, মোক্তাৰ, হাকিম, কেৰাণী, গৱৰ্ণমেণ্টৰ বিষয়া এই বিলাকক বুজো— এওঁলোক কিন্তু প্ৰকৃত কৰ্মী নহয়। এওঁলোকে দেশৰ অৰ্থ সৃষ্টি নকৰে। ইংৰাজী ভাষাত এনে শ্ৰেণীৰ লোকক Parasitic population বোলা যায়। অৰ্থাৎ এওঁলোকে পৰৰ গাত শিপোৱা উদ্ভিদ বা পৰৰ গাৰ ৰস শুহি প্ৰাণ ধাৰণ কৰা মহ, উৰহৰ নিচিনা এবিধ জীৱ। যি সকলে অৰ্থ সৃষ্টি কৰে তেওঁলোক গাঁৱত। তেওঁলোকৰ অভাৱৰ কোনো জোৰা নমৰে। তেওঁলোকেই সংক্ৰামক ৰোগত মৰি শেষ হ'ব লাগিছে। যদি দেশ ৰক্ষা কৰিব খুজিছা, তেন্তে তেওঁলোকক ৰক্ষা কৰা। তেওঁলোকৰ অন্নৰ সংস্থান আৰু স্বাস্থ্য ৰক্ষাৰ দিহা কৰা। অকল গৱৰ্ণমেণ্টক ধৰিয়াই থাকিলে কাম নচলে। আমাৰ নিজৰ কৰ্ত্তব্য আমি নিজে কৰিব লাগে।

আমাক লাগে পৰস্পৰৰ সহযোগ, তেনেহলে আমি সকলো কৰিব পাৰোঁ। যদি দেশত কিবা আন্দোলনৰ আৱশ্যক কৰে, তেনেহলে সেয়ে পৰস্পৰ Co-operation বা সহযোগৰ আন্দোলন। আজি-কালি পাঠশালাৰ আধাআধি লিখা-পঢ়া শিকি যিবিলাক লোক গাঁওবিলাকত সোমাইছে তেওঁলোকে পূৰ্ব্বৰ এই সহযোগ নষ্ট কৰি দলাদলিৰ সৃষ্টি কৰিছে। তাৰ ফলত আজি এটা ৰাজহুৱা নামঘৰৰ ঠাইত প্ৰত্যেক গাঁৱতে কেবাটাও হৈছে। গাঁৱলীয়া পথ-পদূলি, পুখুৰী, পঢ়াশালি সকলো-লৈকে লোকৰ আওকাণ হৈছে। পৰস্পৰৰ খিয়ালা-খিয়ালি, মামলা-মোকৰ্দমা খুব বাঢ়িছে, কিন্তু আগৰ দৰে মিলিজুলি পুখুৰী খনা, বাট-পদূলি বন্ধা দৃষ্টান্ত আজি-কালি দেখিবলৈ পোৱাই নাযায়। দেশৰ এনে লোকৰ ভাব-গতি কিহে লৰচৰ কৰিব যদি সাহিত্যই নকৰে? সেইদেখি মই অনুনয় কৰি কওঁ, যিসকল লেখাকৰে নতুন পুথি লিখিব খোজে, সাময়িক পত্রিকাত প্ৰবন্ধ লিখিব খোজে, বাতৰি কাকত চলাব খোজে, তেওঁলোকে যেন দেশৰ বৰ্ত্তমান অৱস্থা ভালকৈ আলোচনা কৰি কৰ্ম চেষ্টাৰ ফালে মানুহৰ মন ঘূৰাবলৈ যত্ন কৰে। তেওঁলোকে যেন পুথি, প্ৰবন্ধ, পত্রিকা, বক্তৃতা আদিত সহযোগিতা শিক্ষা দিয়ে আৰু নিজেও কাৰ্য্যত সেই সহ-যোগিতাৰ আর্হি দেখুৱায়। আমাৰ ধ্বংস এনেয়ে হবৰ বাকী নাই, এতিয়া গঢ়ন-মূলক কাৰ্য্য নকৰিলে নহয়। চতুৰ্থ অধিবেশনৰ সভাপতি বন্ধুবৰ হেমচন্দ্ৰ গোস্বামীয়ে কৈছিল, "আমাৰ জাতীয় সাহিত্যত স্ত্রীভাবৰ প্রাবল্যতকৈ পুৰুষভাবৰ প্ৰাবল্য বেচি। পুৰুষভাব আমাক স্বভাৱেই দান কৰিছে; কিন্তু স্ত্রীভাব পাবলৈ হ'লে আমাৰ সাধনাৰ আৱশ্যক। অসমীয়া জাতিৰ চৰিত্ৰ চাই, উপন্যাস, নাটকতকৈ বুৰঞ্জী, দৰ্শন, ধৰ্মনীতি, ৰাজনীতি, সমাজনীতি বিষয়ৰ সাহিত্যইহে আমাৰ মানুহৰ মনক বিশেষভাৱে আকৰ্ষণ কৰিব পাৰিব।" গোসাঁইদেৱৰ এইকথা বোধকৰোঁ সচা আৰু আমাৰ সাহিত্যিকসকলে এই কথাৰ সত্যতা যেন কাৰ্য্যতে প্ৰতিপাদন কৰে এয়ে আমাৰ বাঞ্ছা। ৰোহ-ঠেহ, দন্দ-খৰিয়াল, বাক-বিতণ্ডা, ভয়, সন্দেহ আৰু ঔদাসীন্য স্ত্রীভাৱৰ ভিতৰত পৰে। কিন্তু অকুতোভয়তা, দৃঢ় সংকল্পতা, নীৰৱ কৰ্মচেষ্টা আৰু গঢ়নমূলক ঐকান্তিক অধ্যৱসায় পুৰুষভাবৰ লক্ষণ। এই পুৰুষভাব যেতিয়া অসমীয়া সাহিত্যৰ ছত্ৰে ছত্ৰে বিৰিঙি পৰিব, যিদিনা এনে সাহিত্যৰ উদগনিত আমাৰ মানুহে তন্দ্রাৰপৰা সাৰ পাই, এলাহ নিহালি কাতিকৈ থৈ উদ্যমশীল হৈ কামত লাগি যাব, যিদিনা পৰস্পৰ হিংসা, খোৱা-কামোৰা গুচি পৰস্পৰ সহযোগ আৰু একতা দেশত স্থাপিত হ'ব, তেতিয়া বুজিম যে আমাৰ জাতীয় সাহিত্যই চৰিত্ৰ শুধৰাবলৈ, জাতীয় উন্নতি সাধিবলৈ প্ৰকৃত কাজ কৰিলে।

আমাৰ দেশৰ বৰ্ত্তমান আৱশ্যকৰ বাবে আৰু আমাৰ সাহিত্যৰ অংগ পূৰ্ণ কৰিবৰ নিমিত্তে আমাৰ সম্প্ৰতি ধৰ্মনীতি, সমাজনীতি বা ৰাজনীতি বিষয়ক পুথি বা আলোচনীতকৈ অৰ্থবিজ্ঞান, কৃষিবিজ্ঞান, শিল্প, বাণিজ্য, স্বাস্থ্যতত্ব, শিক্ষা, সমবায় আদি কৰি লাগতিয়াল বিষয়বিলাকৰ ফালে পুথি, সাময়িক পত্রিকা, প্ৰবন্ধ, বক্তৃতা প্ৰভৃতি যাইকৈ লাগে। বিশেষ এই বিলাকৰ বিষয়ে সৰল প্ৰাঞ্জলভাৱে আমাৰ দেশৰ মানুহক বুজাবলৈ আৰু সেই বিলাকৰ ফালে আমাৰ মন চাল ঘূৰাবলৈ এই সভাই

পাৰিলে এখনি সুবৃহৎ মাহেকীয়া আলোচনী উলিয়াব লাগে। এই বিলাক বিষয়ে পুথি, প্ৰবন্ধ আদি লিখিবলৈ এই সভাই পাৰ্য্যমানে লিখকবিলাকক উৎসাহ দিব লাগে। বন্ধুবৰ শ্ৰীযুত হেমচন্দ্ৰ গোসাঁয়ে কৃষি-বিজ্ঞান সম্পৰ্কে সহজ ভাষাত এখনি অসমীয়া পুথিৰ বাবে ৫০'০০ টকা বঁটা দিবলৈ গাত লৈছে। তেখেতে যদি সেই অনুমতি দিয়ে, তেন্তে ময়ো আৰু ৫০'০০ টকা দি সেই বঁটাৰ মূল্য ১০০'০০ টকা কৰিব খোজো। দুখৰ বিষয় যে এই বিলাক লাগতিয়াল বিষয়ৰ শিক্ষা আমাৰ মজলীয়া বা হাইস্কুলবিলাকত দিয়া নহয়। আশাকৰোঁ আমাৰ শিক্ষা বিভাগৰ বৰ্তমান অসমীয়া মন্ত্ৰী ডাঙৰীয়াই এই বিষয়ে মনোযোগ দিব।

সাহিত্যৰ কেইবাটাও অংগত যে অসমীয়া জাতি অইনতকৈ হীন তাক আমি অস্বীকাৰ কৰিব লাগে। অসমীয়া জাতি যে সংগীতপ্ৰিয় তাৰ কোনো ভুল নাই। অসমীয়া ডেকা-গাভৰু, বোৱাৰী-জীয়াৰী, বুঢ়া-আদহীয়া সকলোৰে মুখতে গীত শুনিবলৈ পোৱা যায়। অসম দেশত যেনেকৈ গৰখীয়া, মহ-ৰখীয়া, টং-ৰখীয়া, নাও-বোৱা, হাবিকটা মানুহৰ মুখত গীত শুনা যায়, ভাৰতবৰ্ষৰ আন ঠাইত তেনে কম। তথাপি সংগীত বিদ্যাৰ যে আমাৰ দেশত উন্নতি হোৱা নাই এই কথা নুই কৰিব নোৱাৰি। বৰ্তমান সময়ত সংগীত চৰ্চা খুব কম লোকেহে কৰে। আৰু যি কৰা হয় সি বঙালীৰ আহিত। ভাৰতবৰ্ষৰ প্ৰায় সকলো ভাষাৰে গীতৰ ৰেকৰ্ড আছে; নাই অসমীয়া ভাষাৰ গীতৰ ৰেকৰ্ড। সিদিনাখন মহীশূৰ ৰাজ্যত ৰজাঘৰীয়া কাল-হোৱাত আৰু নৰ্তকসকলৰ গীত-বাদ্য শুনি আহিলোঁ। যদিও সি হিন্দুৰ ছয় ৰাগ, ছয়ত্ৰিশ ৰাগিনীৰপৰা উদ্ভূত সংগীত, তথাপি কাণত তাৰ বিশেষত্ব অনুমিত হ'ল। আমাৰ বৰ্তমান অসমীয়া সঙ্গীতত তেনে কোনো বিশেষত্ব নাই। আমাৰ গাঁৱলীয়া নাওঠা গীতবিলাককে পুৰণা সম্পত্তি বুলি গপমাৰি থাকিলে বোধকৰোঁ আমাৰ সংগীতৰ উন্নতি সাধন কৰা নহ'ব। শঙ্কৰ-মাধৱৰ দিনত ৰচা বৰ-গীত-বিলাকো ৰাগ-তাল ঠিক ৰাখি গাব জনা লোক আজি-কালি প্ৰায় নাই বুলিলেই হয়। একেটি গীতকে কমলাবাৰী সত্ৰৰ ভকতে আন ৰকমে আৰু বৰপেটা সত্ৰৰ ভকতে আন ৰকমে গোৱা শুনিছো। এই এটি বিষয় সম্পৰ্কে আমাৰ দেশৰ শিক্ষিত লোক-সকলে মন কৰা উচিত। কাৰণ তেওঁলোকে যত্ন নকৰিলে অসমীয়া সংগীত বুলি এটা বস্তু হোৱা টান।

আমাৰ দেশত আলেখ্য বা চিত্ৰ-বিদ্যাৰো সেই অৱস্থা। পুৰণি পুথিবিলাকত যিবিলাক চিত্ৰ দেখা যায়, পুৰণি কালৰ নমুনাৰে আজি-কালিও যিবিলাক কপাহী আৰু পাটৰ কাপোৰত আমাৰ তিৰোতাবিলাকে ফুল, গছ, বটা, তৰা বা ফুটুকি দিয়ে; পুৰণি বটা, শৰাই, বীৰি-মণি আদিত যি মিনা কৰা (enamelled) চিত্ৰ দেখা যায় আৰু ধাতু, কাঠ, শিল, ম'হৰ শিং, গছৰ শিং বা হাতী দাঁতত কটা যিবিলাক চিত্ৰ দেখা যায়, সেয়ে আমাৰ আগৰ কালৰ চিত্ৰ-বিদ্যাৰ চানেকী। এসময়ত সেয়ে প্ৰশংসাৰ যোগ্য আছিল। গুৰু চৰিত্ৰৰপৰা আমি জানিব পাৰোঁ যে শঙ্কৰ-দেৱে অসমীয়া তিৰোতাই বৈকুণ্ঠৰ চিত্ৰ ভুজি বোৱা কাপোৰ এখন কোচবিহাৰৰ নৰনাৰায়ণ ৰজাক উপঢৌকন স্বৰূপে দিছিল। ৰজাই সেই কাপোৰ দেখি মোহিত

হৈ কাপোৰখনি মূৰত তুলি লৈছিল। এই আৰ্টাইবোৰ কিন্তু idealistic অৰ্থাৎ অনুমানক বা আদৰ্শ চিত্ৰৰ চানেকী। পূৰ্বকালত এনেকুৱাই আহি আছিল। অলপতে মিছৰ দেশত তিনি হাজাৰ বছৰৰ আগৰ ৰজা তুতেন্‌খামেনৰ মৈদামত যিবিলাক চিত্ৰ আৰু মূৰ্তি পোৱা গৈছে, সিও আনুমানিক যেনহে বোধ হয়। বৰ্তমান সভ্যজগতত কিন্তু আনুমানিকতকৈ realistic আনুৰূপিক বা যথাৰ্থ চিত্ৰহে বেচি আদৰ। এনে আনুৰূপিক চিত্ৰতো বৰ্তমান, সময়ত ভাৰতবাসীয়ে কৃতিত্ব লাভ কৰিছে। আমাৰ দেশত চিত্ৰ-বিদ্যা বা আন তেনে শিল্প-বিদ্যা শিক্ষাৰ কোনো উপায় নাই। আন আন প্ৰদেশত Fine Arts School বা এনে সুকুমাৰ কলা শিক্ষাৰ বিদ্যালয় খোলা হৈছে। অসম দেশত আজিলৈকে ইমান যত্ন কৰিও এটি টেক্‌নিকেল স্কুল খুলিব পৰা নাই, সেই দেশত যে শীঘ্ৰে School of Arts খুলিব পৰা যাব এনে আশা বিড়ম্বনা মাত্ৰ।

খনিকৰ কাম বা Sculpture ইও সাহিত্যৰ অংগভুক্ত। এই বিদ্যাতেই আমি বৰ্তমান সময়ত বৰ লাজলগাভাৱে দুখীয়া। অতি প্ৰাচীন কালৰ কথা নকওঁ, আহোম ৰজা সকলৰ দিনতো মন্দিৰ, দেৱালয়, কাৰেংঘৰ, ৰংঘৰ আদি সজাত অসমীয়া কাৰিকৰসকলে কাম কৰিছিল। শিলাকুটী, খনিকৰ এইবিলাকৰ বেলেগ বেলেগ খেল আছিল। শিলাকুটী মৌজা, খনিকৰ গাঁও এওলোকৰে পূৰ্বৰ বাসস্থান। এতিয়া সেইবিলাক ঠাইত এটিও শিলকুটা মানুহ নাই। কিন্তু সেই ঠাইৰ অসমীয়া মানুহেই আজি দুশ বছৰৰ পূৰ্বে পৰ্বতৰপৰা শিল কাটি উলিয়াই তাত নানা প্ৰকাৰ চিত্ৰ আৰু মূৰ্তি কাটি কাটি তাৰে দৌল, মন্দিৰ আদি সাজিছিল। দুখৰ বিষয় এতিয়া তাতোকৈ সামান্য শিলকুটা কাম কৰিবলৈ বিদেশৰ মানুহ নানিলে নহয়। ইটা পকীৰ কাম বিদেশী ৰাজমিস্ত্ৰী নহলে আমাৰ দেশী কৰোঁতা নাই।

বন্ধুসকল। মই জানো যে আজি মোতকৈ ভালেমান উপযুক্ত লোকে আপোনা-লোকক ৰচনা বা বক্তৃতা শুনাবলৈ বৈ আছে। এতেকে মই বাজে কথা কৈ আপোনা-লোকৰ সময় নষ্ট কৰা উচিত নহয়। মোৰ এই লৰালৰিকৈ লিখা সংক্ষেপ অভি-ভাষণ যে এনে বৃহৎ সন্মিলনীৰ উপযুক্ত নহয়, তাক মই ভালকৈ জানো। মোৰ আশা আৰু প্ৰাৰ্থনা যেন আপোনালোকে নিজগুণে মোৰ সকলো ত্ৰুটী আৰু দোষ মাৰ্জনা কৰে।

অসম সাহিত্য সভাৰ সপ্তদশ সন্মিলনৰ বুৰঞ্জী শাখাৰ সভাপতিৰ অভিভাষণ

সমবেত প্ৰতিনিধিবৰ্গ আৰু সমজুৱাসকল,

আপোনালোকৰ অভ্যৰ্থনা সমিতিৰ আহ্বান পোৱাত নানা কথা মনত খেলাই-ছিল। আজি এবছৰ চাৰিমাহৰ পূৰ্বে মোৰ টান নৰিয়া হোৱা কথা আপোনালোকৰ বোধকৰোঁ বহুতে জানে। এতিয়া যদিও শৰীৰ ভালেখিনি সুস্থ হৈছে তথাপি আপোনা-লোকৰ বুৰঞ্জী শাখাৰ সভাপতিৰ গুৰুভাৰ লবলৈ প্ৰথমতে সাহ নজন্মিছিল। এই হ'ল প্ৰথম কথা। দ্বিতীয় কথা এই যে যদিও মই এবাৰ সাহিত্য সভাৰ সভাপতিৰ পদ পাইছিলোঁ, বুৰঞ্জী শাখাৰ কোনো অধিবেশনত উপস্থিত থকা নাই। এই কাৰণে বাস্তৱিক বুৰঞ্জী শাখাৰ সভাপতিৰ কি কাম তাক পূৰ্বে ভালকৈ নজনাকৈ নিজৰ গাত দায়িত্ব লোৱা উচিত হ'ব নে নহব এই বিষয়ে অলপ সন্দেহ আছিল। তৃতীয় কথা এই যে যদিও মই নিজে আমাৰ অতীজ কালৰ বুৰঞ্জীৰ বিশেষ আলোচনা কৰোঁ আৰু জানো যে, অতীতৰ জ্ঞান লাভ কৰি ভৱিষ্যত উন্নতিৰ বাট সুগম কৰাই বুৰঞ্জী চৰ্চাৰ আচল উদ্দেশ্য, তথাপি আমাৰ বৰ্তমান ৰাজনৈতিক, আৰ্থিক আৰু সামাজিক দুৰৱস্থালৈ মন কৰি একোবাৰ ভাবোঁ যে আমাৰ জাতিৰ অস্তিত্ব ৰক্ষা কৰা অসম্ভৱ। যদি এয়ে সচা হয় তেন্তে আমাৰ জাতীয় বুৰঞ্জী চৰ্চা কৰাৰ উদ্দেশ্য কি? মামথ নামৰ এবিধ অতিবৃহৎ কায় হাতী আৰু dinosaur নামৰ এবিধ বৰ ডাঙৰ গুঁইসাপ এই পৃথিৱীত হাজাৰ হাজাৰ বছৰৰ আগেয়ে আছিল। কিন্তু এতিয়াও পণ্ডিতসকলে এই জন্তু দুটাৰ তথ্য অনুসন্ধান কৰে। সেই প্ৰকাৰে অসমীয়া জাতি লোপ পালেও ভৱিষ্যতৰ ঐতিহাসিকসকলে এই জাতিৰ তথ্য অনুসন্ধান কৰিব, ই নিশ্চয়। হৰপ্পা আৰু মহেন্‌জাডাৰোৰ সভ্যতাৰ সৃষ্টিকাৰক জাতিটো লোপ পোৱা আজি প্ৰায় চাৰি হাজাৰ বছৰ হ'ল, কিন্তু ঐতিহাসিকসকলে আজিকালিও সেই জাতিৰ মানুহবিলাক কেনে ঘৰত আছিল, কেনেকৈ খোৱা-লোৱা কৰিছিল, তেওঁ-লোকৰ পোচাক কেনে আছিল, তেওঁলোকৰ ধৰ্ম কি আছিল, তেওঁলোকে তেওঁ-লোকৰ মৃত দেহৰ কি প্ৰকাৰ সংস্কাৰ কৰিছিল, তেওঁলোকৰ কঙ্কাল আৰু মূৰৰ খোলা পৰীক্ষা কৰি তেওঁলোক কোন জাতিৰ মানুহ আছিল, তেওঁলোকৰ ভাষা কি আছিল আৰু তেওঁলোকৰ যি লিপি পোৱা গৈছে তাৰ পাঠোদ্ধাৰ কৰিব পাৰি নে নোৱাৰি ইত্যাদি তথ্য বিচৰা নাই নে? তথাচ যদি বাস্তৱিকেই আমাৰ জাতীয়

অস্তিত্ব ৰক্ষা কৰিবলৈ আমি অপাৰগ বা অপ্ৰস্তুত তেনেহলে আমাৰ জাতিৰ ভৱিষ্যত উন্নতিৰ কাৰণে পুৰণি বুৰঞ্জী উদ্ধাৰ কৰি পুৰণি কীৰ্তি-কলাপৰ গান গোৱাৰ কোনো আৱশ্যক নাই। এই নিৰ্বাণোন্মুখ জাতিৰ নিমিত্তে ভগদত্ত, ভাস্কৰবৰ্মা, শ্ৰীহৰ্ষবৰ্মা, মীননাথ, নাগাৰ্জুন, পৃথুৰাজা, চিলাৰায়, শঙ্কৰদেৱ, লাচিত বৰফুকন, জয়মতী, ৰুদ্ৰসিংহ প্ৰভৃতিৰ বৃত্তান্তৰ কোনো মূল্য নাই। এইবিলাক শঙ্কা আৰু সন্দেহ যদিও এতিয়ালৈকে মনৰপৰা দূৰ হোৱা নাই তথাপি শেষত ভাবি ইয়াকে স্থিৰ কৰিলোঁ যে ডেকাসকলে যেতিয়া উৎসাহেৰে সৈতে আমাৰ সাহিত্য আৰু ইতিহাসৰ চৰ্চা কৰিবলৈ ওলাই আমাক নিমন্ত্ৰণ কৰিছে এনে অৱস্থাত দুশ্চিন্তা কাতিকৈ থৈ তেওঁলোকৰ উৎসাহতে উৎসাহিত হৈ তেওঁলোকৰ আহ্বান শিৰোধাৰ্য্য কৰাই শ্ৰেয়। এই সিদ্ধান্ত অনুসাৰে আজি আপোনালোকৰ আগত আমাৰ জাতীয় আৰু দেশীয় বুৰঞ্জীৰ আলোচনা সম্পৰ্কে দুই-চাৰিআষাৰ কথা কবলৈ থিয় হলোঁ। থিয় হৈয়ো অলপ ভয় লাগিছে, কাৰণ আজি কেইদিনমানৰ আগেয়ে এই গুৱাহাটীতে কংগ্ৰেছ মহাসভাৰ সভাপতি পণ্ডিত জৱাহৰলাল নেহৰুৱে হেনো কৈ গৈছে, যে পুৰণি কীৰ্তি-কলাপৰ গীত গাই পূৰ্বপুৰুষসকলৰ গৌৰৱকে নিজৰ গৌৰৱ বুলি ভাবি বৰ্তমান অৱস্থালৈ মন নকৰি ভেম কৰি বহি থকা অমাৰ্জনীয় অপৰাধ। এই কথা সচা বুলি আমিও জানো আৰু সেই বাবেই ওৰিতে কৈছোঁ যে ভৱিষ্যত উন্নতিৰ বাট সুগম কৰাৰ নিমিত্তেই অতীতৰ বুৰঞ্জী চৰ্চা কৰা আৱশ্যক। এইটো স্বীকাৰ কৰোঁ যে ৰাজনীতি আৰু অৰ্থনীতি চৰ্চা কৰা বৰ্তমান সময়ত অতি আৱশ্যক, কিন্তু সেই বুলি সাহিত্য, বিজ্ঞান, বুৰঞ্জী আদি একেবাৰে দলিয়াই পেলাব নোৱাৰি। দেশৰ আটাইবিলাক মানুহেই ৰাজনীতিত লাগি থাকিব নেকি? তেনেহলে আমাৰ উন্নতি সৰ্বাঙ্গীন কেনেকৈ হ'ব?

বিশেষকৈ আমাৰ দেশীয় আৰু জাতীয় বুৰঞ্জী উদ্ধাৰ কৰা কাৰ্য্য আমি নকৰিলে কোনে কৰিব? এই কাৰ্য্য পিচলৈ পেলাই থব নোৱাৰি। যিমানদিন গৈছে সিমান আমাৰ পুৰণি বুৰঞ্জীৰ আহিলা-পাতিবিলাক নষ্ট আৰু লুপ্ত হৈ যাবলৈ ধৰিছে। আজি প্ৰায় ৪০ বছৰ আগৰপৰাই এই বুৰঞ্জী উদ্ধাৰ কাৰ্য্য আৰম্ভ হৈছে। মহামতি চাৰ্ এডবাৰ্ড গেইট্ চাহাবেই এই কাৰ্য্য আৰম্ভ কৰে। আজি প্ৰায় ৩০ বছৰ আগেয়ে, তেওঁৰ History of Assam-ৰ প্ৰথম তাঙৰণ ছপা হৈ ওলোৱাৰ সময়ত প্ৰাচীন প্ৰাগজ্যোতিষ ৰাজ্যৰ বুৰঞ্জীৰ আহিলা-পাতি একেবাৰে কম আছিল। এনেকি তেতিয়া বিখ্যাত ভাস্কৰবৰ্মাৰ ফলি ওলোৱা নাছিল আৰু তাৰ পূৰ্বে ওলোৱা কামৰূপৰ ৰজাবিলাকৰ ফলিৰপৰা তেওঁৰ নাম পোৱা নগৈছিল। সেইবাবে বাণভট্টৰ হৰ্ষচৰিতত উল্লেখ থকা কুমাৰ ভাস্কৰবৰ্মা আৰু তেওঁৰ পূৰ্বপুৰুষবিলাকক অনেকে কাল্পনিক বুলিও অনুমান কৰিছিল। বাস্তৱিকে ই বৰ আচৰিত কথা যে ভাস্কৰবৰ্মা আৰু শ্ৰীহৰ্ষবৰ্মাৰ নিচিনা প্ৰতাপশালী চক্ৰৱৰ্তী ৰজাৰ নাম যোড়শ শতিকাৰ যোগিনীতন্ত্ৰ আৰু তাৰ আগৰ হৰগৌৰী-সম্বাদতো পোৱা যায়। এনেকি আৰিমত্তৰ নিচিনা তেওঁবিলাকৰ বিষয়ে কোনো প্ৰবাদো এই দেশত প্ৰচলিত থকা বুলি জনা নাযায়। ব্ৰহ্মপুত্ৰৰ ওচৰৰ তেজপুৰৰ পাষাণলিপি আৰু সেই ঠাইৰ হাজৰা পুখুৰী নথকা

হলে হৰ্জ্জৰবৰ্মাৰ যে সেয়ে ৰাজধানী আছিল তাকো ধৰা টান হ'লহেঁতেন। ইং ১৯১২ চনত কামৰূপ অনুসন্ধান সমিতি স্থাপিত হয়। এই সমিতি স্থাপনৰ লগে লগে ভাস্কৰবৰ্মাৰ ফলিবিলাক শ্ৰীহট্টত আৱিষ্কৃত হয় আৰু তাৰ কিছু কালৰ পিচতে ইন্দ্ৰপাল ৰজাৰ এখন ফলিৰ, ধৰ্মপাল ৰজাৰ ফলিৰ, তেজপুৰৰ হৰ্জ্জৰবৰ্মাৰ শিলা-লিপিৰ আৰু ৰজাদুৱাৰৰ ১১২৭ শকৰ শিলালিপিৰ পাঠ উদ্ধাৰ কৰা হয়। ৺পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু ৺চন্দ্ৰনাথ শৰ্মা জীয়াই থাকোঁতে যি উদ্যমেৰে এই সমিতিৰ কাম চলিছিল সেইদৰে আজিলৈকে চলি থকা হলে অৱশ্যে পুৰণি বুৰঞ্জীৰ সাঁজুলি আৰু বহুত গোট খালেহেঁতেন। তথাচ যোৱা দহ বছৰৰ ভিতৰত সমিতিৰ সহকাৰী সম্পাদক শ্ৰীযুত সৰ্বেশ্বৰ কটকীয়ে কেইবাঠাইলৈ গৈ বহুত অনুসন্ধান কৰিছে। গুৱাহাটী চহৰৰ ভিতৰৰপৰাই তেওঁ কিছুমান প্ৰাচীন বুদ্ধমূৰ্তি আৱিষ্কাৰ কৰাৰ ফলত পূৰ্বকালত অসমত বৌদ্ধধৰ্ম প্ৰচলন থকাৰ বিশেষ প্ৰমাণ ওলাইছে। নুমলী-গড়ৰপৰা তেওঁ বহুত কষ্ট কৰি যিবিলাক প্ৰাচীন ভাস্কৰ্য্যৰ চানেকি আনিছে সেই-বিলাক বাস্তৱিকেই চাবলগীয়া। তেওঁৰ নিচিনাকৈ অসম ইঞ্জিনীয়াৰিং চাৰ্ভিচৰ শ্ৰীযুত ৰাজমোহন নাথে নগাঁও জিলাৰ হাবিৰ মাজত থকা ডবকা, কন্দলী প্ৰভৃতি ঠাইৰ তথ্য অনুসন্ধান কৰি বহুত বুৰঞ্জীমূলক কথা উলিয়াইছে। কিছুদিন হ'ল এজন মিকিৰৰ ঘৰত তেওঁ দুই প্ৰস্থ পিতলৰ ফলি পাইছে। প্ৰথম প্ৰস্থত দুখন ফলি আৰু দ্বিতীয় প্ৰস্থত তিনিখন ফলি। ফলিবিলাকত যিবিলাক আখৰ আছে সেইবিলাক চেনিৰে কুটা বা খোদাই কৰা নহয়, এবিধ চিয়াঁহীৰে লিখা। ব্ৰাহ্মী, দেৱনাগৰী আৰু আধুনিক অসমীয়া আখৰ এই ফলিবিলাকৰ লিখাত দেখা যায়। সেই বাবে লিখাখিনি এতিয়াও ভালকৈ পঢ়িব পৰা নাই। পণ্ডিত পদ্মনাথ ভট্টাচাৰ্য্য বিদ্যাবিনোদ আৰু ডক্টৰ নলিনীকান্ত ভট্টশালীয়ে এই লিখা পঢ়িব নোৱাৰিলে। কিন্তু দুয়োজনৰ মতে ই সৰহ দিনৰ আগৰ লিখা নহয়। এতেকে এই ফলিবিলাকৰ পৰা যে কোনো ঐতিহাহিক কথা পোৱা যাব এনে মনে নধৰে।

শ্ৰীযুত সৰ্বেশ্বৰ বৰুৱাই উত্তৰ লক্ষীমপুৰৰ ঘিলামৰাত দুখন তামৰ ফলি পাই তাৰ পাঠ 'আৱাহন' আৰু কামৰূপ অনুসন্ধান সমিতিৰ আলোচনীত প্ৰকাশ কৰিছে। প্ৰথমখন ফলিৰ তাৰিখ ১৩৯২ শক আৰু দ্বিতীয়খনৰ তাৰিখ ১৪০১ শক। প্ৰথমখন সধয়াপুৰী বা শদিয়াৰ ৰজা সত্যনাৰায়ণৰ আৰু দ্বিতীয়খন তেওঁৰ পুত্ৰ লক্ষ্মীনাৰায়ণৰ। এই দুখন ফলিৰ দ্বাৰা ব্ৰাহ্মণক ভূমি দান কৰা হৈছিল। এই দুইজন যে চুটিয়া ৰজা আছিল এই বিষয়ে যথেষ্ট সন্দেহ আছে, কাৰণ প্ৰথম-খন ফলিত লিখা আছে যে সত্যনাৰায়ণ সুৰ-ৰিপু-বংশ-সম্ভূত অৰ্থাৎ অসুৰ বংশীয়, কিন্তু তেওঁৰ পিতাক নন্দীশ্বৰে বীৰবৰক যুদ্ধত পৰাভূত কৰে। অথচ বীৰবৰৰপৰাই চুটিয়া ৰজাসকলে তেওঁলোকৰ বংশলতা আৰম্ভ কৰে। দেওধাই বুৰঞ্জীৰ লিখামতে ১১৪৬ শকত বীৰবৰৰ পুতেক গৌৰীনাৰায়ণ ওৰফে ৰত্নধ্বজ পাল ৰজা হয়। এতেকে দেখা যায় যে ইংৰাজী ১৫ শতিকাৰ সত্যনাৰায়ণ ৰজাৰ পিতৃ নন্দীশ্বৰৰ সমসাময়িক বীৰবৰ আৰু চুটিয়া ৰজাসকলৰ আদিপুৰুষ ত্ৰয়োদশ শতিকাৰ বীৰবৰ একেজন লোক নহবও পাৰে। এই বিষয়ে আৰু বিশেষ অনুসন্ধান হোৱা আৱশ্যক।

কামৰূপ অনুসন্ধান সমিতি স্থাপিত হবৰপৰাই পুৰণি ঠাইবিলাকলৈ গৈ সেইবিলাকৰ তথ্য অনুসন্ধান কৰা, পুৰণি শিলালিপি, তাম্ৰলিপি, মুদ্ৰালিপি, অস্ত্ৰলিপি আদি পাঠ কৰি তাৰপৰা ঐতিহাসিক সত্য উদ্ধাৰ কৰা, পুৰণি পুথি সংগ্ৰহ কৰা, পুৰণি ভাস্কৰ্য্য, স্থাপত্য আৰু চিত্ৰকলা আদিৰ চানেকি সংগ্ৰহ কৰা ইত্যাদি কাৰ্য্য কৰা হৈছে। পুৰণি পুথিৰ দুই এখন সমিতিৰ খৰচত ছপা কৰাও হৈছে। এইটি কাম কিন্তু বহু ব্যয়সাধ্য। সেইবাবে এই কাম এতিয়া গৱৰ্ণমেণ্ট পুৰাতত্ত্ব বিভাগৰ নামে নিজৰ বিভাগৰপৰা কৰিছে। বৰ সুখৰ বিষয় যে এই বিভাগৰপৰা ভালেখিনি পুথি ছপা হৈ ওলাইছে। ছপা হবলগীয়া বহু পুথি আছে আৰু তাৰে বিশেষ আৱশ্যকীয় পুথিবিলাক আগেয়ে ছপা হোৱা ভাল। ৺পণ্ডিত হেমচন্দ্ৰ গোস্বামীয়ে যোগিনী-তন্ত্ৰখনি ছপাবলৈ প্ৰস্তুত কৰিছিল। কিন্তু তেওঁৰ সেই কাৰ্য্য সম্পূৰ্ণ নহওঁতেই তেওঁ চুকাল। এতিয়ালৈকে সেই আধৰুৱা কাৰ্য্য হাতত লবলৈ কোনো আগবঢ়া নাই। আপোনালোকে জানিব পাৰে যে কালিকা-পুৰাণ কামৰূপত অনুমান একাদশ শতিকাত ৰচিত হোৱা এখনি গ্ৰন্থ আৰু সেই প্ৰকাৰে যোগিনী-তন্ত্ৰ ষোড়শ শতিকাত কামৰূপত ৰচিত হোৱা এখনি গ্ৰন্থ। এই দুই গ্ৰন্থ ভাৰতবৰ্ষত সৰ্বময় প্ৰখ্যাত। আজি পাঁচ বছৰ হ'ল কামৰূপ অনুসন্ধান সমিতিয়ে Journal of the Assam Research Society নামে এখনি তিনিমহীয়া আলোচনী প্ৰকাশ কৰিছে। আৰম্ভৰেপৰা এই আলোচনী সম্পাদকৰ ভাৰ মোৰ গাতে আছে। আজিকালি ভাৰতবৰ্ষৰ সকলো প্ৰদেশতে একোখনকৈ Research Society বা গৱেষণা সমিতি আছে।

প্ৰত্যেক প্ৰাদেশিক সমিতিৰ মুখপত্ৰ স্বৰূপে একোখনিকৈ গৱেষণাৰ আলোচনী আছে। কামৰূপ অনুসন্ধান সমিতিকেই এতিয়া Assam Research Society বোলা হৈছে। আৰু মই সম্পাদন কৰা আলোচনীখনিয়েই এই সমিতিৰ জৰ্ণেল। এই জৰ্ণেল ইংৰাজীত লিখা হয়, অন্যান্য প্ৰাদেশিক জৰ্ণেলবিলাকো ইংৰাজীতেই লিখা হয়। অন্যান্য জৰ্ণেলবিলাকৰ নিচিনা আমাৰ জৰ্ণেলো ভাৰতবৰ্ষৰ সকলো ঠাইলৈকে যায় আৰু য়ুৰোপলৈকো যায়। আমাৰ জৰ্ণেলত প্ৰকাশ হোৱা কোনো কোনো প্ৰবন্ধৰ চমুটোকা ভাৰতবৰ্ষৰ আৰু ইংলণ্ডৰ জৰ্ণেলতো ওলাইছে। আমাৰ দেশত ঐতিহাসিক তথ্যৰ অনুসন্ধান কেনে হ'ব লাগিছে আৰু তেনে অনুসন্ধানৰ ফলত কি কি নতুন তথ্য জনা গৈছে তাক সকলো ঠাইৰ মানুহে জানিব লাগে— সেই বাবেই ইংৰাজী ভাষাত এই আলোচনী প্ৰকাশিত কৰা হয়। এই জৰ্ণেলত আলোচনা কৰাৰ ফলত কি কি নতুন তথ্য আমি জানিব পাৰিছোঁ তাৰ এটা চমু আভাস এইখিনিতে আপোনালোকক দিম।

আপোনালোকে জানে যে আজিকালি যেনেকৈ ভিজিটিং কাৰ্ডত মানুহে নিজ নিজ নাম ব্যৱসায়, ঠিকনা আদি ছপা কৰাই লয় আৰু অচিনাকি মানুহলৈ সেই কাৰ্ড পঠাই নিজৰ পৰিচয় দিয়ে, সেই প্ৰকাৰ প্ৰাচীন কালত ৰজাবিলাকে বা ডাঙৰ মানুহবিলাকে আত্ম-পৰিচয়-জ্ঞাপক নিজৰ মোহৰ প্ৰস্তুত কৰি সেই মোহৰ কুমাৰ মাটিৰ চটিয়াৰ ওপৰত মাৰি সেই চটাবিলাক জুইত পুৰি লৈ বৰ্তমান কালৰ ভিজিটিং কাৰ্ডৰ নিচিনাকৈ ব্যৱহাৰ কৰিব পাৰিছিল। এইবিলাকক আজিকালি terracotta

seal বোলা হয়। যোৱা ১৯১৭ চনত কামৰূপ ৰজা ভাস্কৰবৰ্মাৰ এনেকুৱা এটা 'ছিল' নালন্দা বিহাৰৰ ভগ্নাৱশেষৰ ভিতৰত পোৱা যায়। সেই ছিলটিত কি কি কথা লিখা আছে তাৰ পাঠ মোৰ Early History of Kamrupa নামে পুথিত দিয়া আছে। এই ছিলত ভাস্কৰবৰ্মাৰ পূৰ্বপুৰুষ গণপতিবৰ্মাৰপৰা ভাস্কৰবৰ্মালৈকে বংশলতা মাত্ৰ দিয়া আছে। কিন্তু কোনোজন ৰজাৰ বিষয়ে বিশেষ একো লিখা হোৱা নাই। যোৱা ১৯২৭-২৮ ইং চনত এই নালন্দা বিহাৰত আৰু কিছুমান পুৰণি ছিল পোৱা যায়। ইয়াৰ ভিতৰতে কনৌজৰ শ্ৰীহৰ্ষবৰ্ধন আৰু কামৰূপৰ ভাস্কৰ-বৰ্মাৰো ছিল পোৱা যায়।

ভাস্কৰবৰ্মাৰ এই ছিলৰ লিপিৰ পাঠ এতিয়ালৈকে আৰ্কিঅ'লজিকেল বিভাগৰ কোনো ৰিপোৰ্টত ওলোৱা নাই। ভূতপূৰ্ব গৱৰ্ণমেণ্ট এপিগ্ৰাফিষ্ট শ্ৰীযুত হীৰানন্দ শাস্ত্ৰীয়ে লিখা Memoirs of Nalanda নামে পুথিত এইবিলাক ছিলৰ পাঠ প্ৰকাশিত হ'বৰ কথা, কিন্তু সেই পুথি এতিয়াও ছপা হোৱা নাই। বৰ্তমান গৱৰ্ণমেণ্ট এপি-গ্ৰাফিষ্ট ডক্তৰ চক্ৰৱৰ্তীৰ অনুগ্ৰহত ভাস্কৰবৰ্মাৰ নতুনকৈ পোৱা ছিলটিৰ এটি পাঠ পাই, সেই পাঠ কামৰূপ অনুসন্ধান সমিতিৰ জৰ্ণেলত আজি কেইমাহমান পূৰ্বে প্ৰকাশ কৰা হৈছে। সেই ছিলত পুষ্যবৰ্মাৰপৰা ভাস্কৰবৰ্মালৈকে সম্পূৰ্ণ বংশলতা দিয়া আছে আৰু ইয়াৰ ৰজাসকলক "মহাৰাজাধিৰাজ শ্ৰীপ্ৰাগ-জ্যোতিষেন্দ্ৰ" বোলা হৈছে। ইয়াৰ দ্বাৰা বুজা যায় যে তেওঁলোক কাৰো কৰতলীয়া নাছিল। কিন্তু তেওঁলোকৰ অধীনত কৰতলীয়া ৰজা আছিল। কৰতলীয়া ৰজাইও মহাৰাজ উপাধি লব পাৰিছিল, কিন্তু আৰু আন সৰু ৰজাৰ ওপৰত স্বাধীন ৰজা হৈহে নিজক মহাৰাজাধিৰাজা বুলিব পাৰিছিল। সেই ছিলৰপৰা আৰু এটি নতুন তথ্য জানিব পাৰি। ইয়াত ভাস্কৰবৰ্মাৰ উৰ্ধতন পুৰুষ পঞ্চম শতিকাৰ মহেন্দ্ৰবৰ্মাক বোলা হৈছে। "দ্বিস্তুৰগমেধাহৰ্তা" আৰু তেওঁৰ পিতামহ ষষ্ঠ শতিকাৰ স্থিতবৰ্মাক বোলা হৈছে, "দ্বিৰশ্বমেধযাজি" অৰ্থাৎ তেওঁলোক দুজনৰ প্ৰত্যেকেই দুটিকৈ অশ্বমেধ যজ্ঞ কৰিছিল। আপোনালোকে জানিব পাৰে যে সমৃদ্ধিশালী দেশৰ ওপৰত চক্ৰৱৰ্তী ৰজা নহলে একেজন ৰজাৰ ৰাজত্বৰ ভিতৰতে দুবাৰকৈ অশ্বমেধ কৰা সম্ভৱপৰ হ'ব নোৱাৰে। ইয়াৰ পৰাই আপোনালোকে অনুমান কৰিব পাৰে যে এই ৰজাসকল কিমান পৰাক্ৰমী আছিল। যদিও সমুদ্ৰগুপ্তৰ এলাহাবাদ প্ৰশস্তিৰপৰা জনা যায় যে চতুৰ্থ শতিকাত সমুদ্ৰগুপ্তৰ দিগ্বিজয়ৰ সময়ত কামৰূপ সমটত আৰু ডবাকৰ ৰজাই গুপ্ত সম্ৰাটৰ শৰণাপন্ন হৈছিল, তথাপি তাৰ পিচৰ শতিকাত কামৰূপৰ ৰজা মহেন্দ্ৰবৰ্মা সম্পূৰ্ণ স্বাধীন নহলে অশ্বমেধ যজ্ঞৰ অনুষ্ঠান কৰা সম্ভৱপৰ ন'হলহেঁতেন। বৌদ্ধ প্ৰভাৱত বৈদিক যজ্ঞ ক্ৰিয়াদি লুপ্ত হোৱাত উত্তৰ ভাৰতবৰ্ষত বহুদিন অশ্বমেধ যজ্ঞৰ অনুষ্ঠান বন্ধ আছিল। সমুদ্ৰগুপ্তই বহুদিনৰ মূৰত মগধত আকৌ অশ্বমেধ যজ্ঞৰ অনুষ্ঠান কৰাত তেওঁক গুপ্ত যুগৰ শিলালিপি বিলাকত "চিৰোৎসন্নাশ্বমেধাহৰ্ত" বোলা হৈছে। অৰ্থাৎ তেওঁ চিৰকালৰ নিমিত্তে উৎসন্ন হৈ যোৱা অশ্বমেধ পুনৰ আহৰণ কৰিছিল। সেই প্ৰকাৰে মহেন্দ্ৰবৰ্মাকো এই ছিলত "দ্বিস্তুৰগমেধাহৰ্তা" বোলা হৈছে; অৰ্থাৎ তেওঁৰ পূৰ্বে কামৰূপত যদি কোনোবাই অশ্বমেধ যজ্ঞ কৰিছিল সি বহুকালৰ পূৰ্বে

হৈছিল। আৰু এই যজ্ঞৰ অনুষ্ঠান বহুদিন কামৰূপত বন্ধ হৈ থকাৰ পিচত মহেন্দ্রবর্মাই পুনৰ প্রচলন কৰিলে। মহেন্দ্রবর্মাৰ অনুমান কুৰি বছৰ পাচৰ ভাস্কৰ-বর্মাৰ ককাক স্থিতবর্মাইও দুবাৰ অশ্বমেধ পাতিছিল। এই ছিলত তেওঁক কেৱল "দ্বিৰশ্বমেধযাজি" বুলিছে। এই ছিলৰপৰা এইটো আমি সঠিককৈ জানিব পাৰোঁ যে পঞ্চম শতিকাত বৈদিক যজ্ঞাদি ক্রিয়াত পাৰ্গত বৈদিক ব্রাহ্মণ কামৰূপত বহুত আছিল। এই জর্ণেল ওলোৱাৰ পিচৰপৰা আমি আৰু যিখিলাক তথ্য নতুনকৈ জানিব পাৰিছোঁ তাৰ চমু তালিকা এই,—

(১) অনুমান ভাস্কৰবমাৰ ৰাজত্বৰ আৰম্ভৰপৰাই অর্থাৎ ৫৯৩ খ্রীষ্টাব্দৰ পৰা আমাৰ দেশত এটি অব্দ প্রচলিত হৈছিল, তাক কামৰূপী সাল বোলা হয়। পুৰণি কামৰূপৰ বুৰঞ্জীত এই সালৰ উল্লেখ আছে। দেখা যায় যে এই সাল আৰু বঙালী চন একে সময়ৰপৰা আৰম্ভ হৈছিল। বঙালী পঞ্জিকাত লিখা আছে যে মুছলমান আমোলত ভাৰতবর্ষত হিজৰী চনহে প্রচলিত আছিল; কিন্তু সেই চন চান্দ্রমাস হিচাবে গণনা কৰা হয়। সেই বাবে হিন্দুবিলাকে আপত্তি জনোৱাত আকবৰ বাদছাহে হিজৰীৰ দহ বছৰ পাছৰপৰা এটি চন জাৰি কৰি দিলে, সেয়ে বঙালী চন। আকবৰ বাদছাহে জাৰি কৰা এই চন কেৱল বঙ্গদেশত কিয় চলে আৰু মোগলৰাজ্যভুক্ত আন প্রদেশত কিয় নচলে তাৰ কোনো কাৰণ দেখা নাযায়। ইফালে আমি বুৰঞ্জীৰপৰা, বিশেষ ভাস্কৰবর্মাৰ নিধনপুৰত পোৱা তামৰ ফলিৰপৰা জানিব পাৰোঁ যে অন্ততঃ পশ্চিমে কুশী নদীলৈকে উত্তৰবঙ্গ আৰু কর্ণ-সুবর্ণ ধৰি মধ্যবঙ্গ ভাস্কৰবর্মাৰ ৰাজ্যভুক্ত আছিল আৰু অষ্টম শতিকাৰ শ্রীহর্ষবমাৰ দিনলৈকে এই গৌড়ৰাজ্য কামৰূপৰ ৰজাসকলৰ তলতীয়া আছিল। এই কথা আজিকালি বঙালী বুৰঞ্জীবিদ পণ্ডিতসকলেও স্বীকাৰ কৰিবলৈ আৰম্ভ কৰিছে। Indian Culture নামে আলোচনীত শ্রীযুত নলিনীনাথ দাসগুপ্তই Bengal under the Kamrup Kings নাম দি যি প্রবন্ধ লিখিছে তাত এই কথা খোলোচাকৈ লিখা আছে। এতেকে ভাস্কৰবর্মাই জাৰি কৰা এই চন তেতিয়াৰপৰা বঙ্গদেশত বৈ গ'ল এনে অনুমানো স্বভাৱতঃ কৰিব পাৰি; কাৰণ আকবৰ বাদছাহৰ প্রবাদটি অমূলক যেন লাগে। যদি সেয়েই হয় তেন্তে এতিয়াও আমাৰ দেশত কামৰূপী সালটি B S বা বঙালী চন বুলি ধৰা নিতান্ত অযুগুত। যি নওওক এই বিষয়ে আৰু বিশেষ অনুসন্ধান হোৱা আৱশ্যক। এতিয়ালৈকে এই বিষয়ে আমি নিঃসন্দেহ হ'ব পৰা নাই। অন্ততঃ আজি ৭০০ বছৰ আমাৰ দেশত শকাব্দৰ প্রচলন আছে। উত্তৰ গুৱাহাটীত বখ্তিয়াৰ খিলজিৰ পৰাজয়ৰ সময়ত লিখা শিলালিপিত শকাব্দৰ উল্লেখ আছে, যেনে "শাকে তুৰগ-যুগ্মেশে" অর্থাৎ ১১২৭ শকত। নিজৰ দেশৰ প্রতাপশালী ৰজাই জাৰি কৰা সাল তল পেলাই নবম শতিকাত গুপ্তাব্দ আৰু অন্ততঃ দ্বাদশ শতিকাৰপৰা শকাব্দ কেনেকৈ কামৰূপত চলিল এই বিষয়ে এই জর্ণেলত আলোচনা কৰা হৈছে। শেষ মীমাংসা এতিয়াও হোৱা নাই।

(২) কামৰূপত কোনো সময়ত বৌদ্ধধর্ম প্রচলিত আছিল নে নাছিল এই বিষয়ে পূর্বে মতভেদ আছিল; কিন্তু এতিয়া জনা হৈছে যে পূর্বৰপৰাই কামৰূপত বৌদ্ধধর্ম

প্ৰচলিত আছিল। ৰজাসকলে নিজে সেই ধৰ্ম অৱলম্বন নকৰিলেও তাৰ বিৰুদ্ধে নগৈছিল, এনে কি ভাস্কৰবৰ্মাৰ নিচিনা ৰজাই বৌদ্ধ পণ্ডিতসকলক আদৰ কৰিছিল। দশম, একাদশ, দ্বাদশ শতিকাত কামৰূপ আৰু শ্ৰীহট্ট বজ্ৰযান পন্থৰ বৌদ্ধ ধৰ্মৰ ভাওৰ কেন্দ্ৰ হৈ উঠে। এই পন্থৰ সাধনমালা নামক গ্ৰন্থৰপৰা ইয়াৰ বিশেষ প্ৰমাণ পোৱা যায়। তিব্বতীয় পুথিৰপৰা জনা যায় যে এই গ্ৰন্থৰ এজন আদি আচাৰ্য্য সৰহ বা সৰহপাদ; পূৰ্ব অঞ্চলৰ ৰাণী নামে ৰাজ্যত জন্ম গ্ৰহণ কৰিছিল। তেওঁ উৰিষ্যা, মহাৰাষ্ট্ৰ প্ৰভৃতি দেশ পৰ্য্যটন কৰি সিদ্ধ হৈ কামৰূপৰ ৰত্নপাল ৰজাৰ আগত নানা ভৌতিক বিদ্যা আৰু মন্ত্ৰশক্তিৰ পৰিচয় দিছিল। মোৰ মনেৰে কামৰূপৰ দক্ষিণ পাৰৰ ৰাণী বোলা ঠায়েই সেই ৰাণী ৰাজ্য। পূৰ্বকালত এনেকুৱা সৰু সৰু কৰতলীয়া ৰাজ্য বহুত আছিল। এই সৰহপাদৰ শিষ্য নাগাৰ্জুন। এওঁ এজন প্ৰসিদ্ধ ৰসায়নজ্ঞ বৈদ্য আছিল আৰু এওঁৰ নামৰ বড়ি আৰু অভ্ৰ এতিয়াও অসমত প্ৰচলিত আছে। সাধনমালাত দিয়া একজটাৰ সাধনা নাগাৰ্জুনে ভোট দেশৰপৰা অনা উল্লেখ আছে, যেনে—"ইতি নাগাৰ্জুনপাদৈঃ ভোটেষু উদ্ধৃতম্।" Pag-sam-Jon-Zan নামে তিব্বতীয় গ্ৰন্থত লিখা আছে যে নাগাৰ্জুনে যেই সেই ধাতুকে সোণ কৰিব পাৰিছিল আৰু মন্ত্ৰপূত এজোৰ পাদুকা পৰিধান কৰি শূন্যমাৰ্গত বিচৰণ কৰিব পাৰিছিল। এই কথাৰ কিমান সত্যতা আছে কব নোৱাৰি; কিন্তু ইয়াকে জনা যায় যে, একাদশ শতিকাত আলবেৰুণি নামে এজন আৰব Alchemist বা ৰসায়নজ্ঞ বৈদ্য কামৰূপলৈ নাগাৰ্জুনক বিচাৰি আহিছিল। কিন্তু তেওঁ অহাৰ পূৰ্বেই নাগাৰ্জুনৰ মৃত্যু হোৱাৰ বাবে তেওঁ নাগাৰ্জুনক নাপালে। এই কথা তেওঁ লিখি গৈছে। নাগাৰ্জুনৰ শিষ্য শবৰিপা আৰু শবৰিপাৰ শিষ্য লুইপা ওৰফে মৎস্যেন্দ্ৰনাথ। কাৰো কাৰো মতে মীননাথ আৰু মৎস্যেন্দ্ৰনাথ একেজন লোক। Grub-Tob নামে তিব্বতীয় গ্ৰন্থমতে মীননাথ কামৰূপৰ কৈবৰ্ত জাতিৰ লোক; কিন্তু গোৰ্খা-বিজয় নামে পুথিৰপৰা জনা যায় যে মৎস্যেন্দ্ৰনাথ কদলী নামে নাৰী ৰাজ্যৰ ৰাণী কমলাৰ প্ৰেমত আবদ্ধ হৈ তেওঁৰ অসাধাৰণ যৌগিক শক্তি হেৰুৱাইছে। মৎস্যেন্দ্ৰনাথৰ শিষ্য গোৰক্ষনাথে আহি কদলী ৰাজ্যৰপৰা মৎস্যেন্দ্ৰনাথক মায়া-মোহৰপৰা উদ্ধাৰ কৰি লৈ যায়। নগাঁও জিলাৰ কন্দলীয়েই সেই কদলী ৰাজ্য বুলি শ্ৰীযুত ৰাজমোহন নাথে আমাৰ জৰ্ণেলত দেখুৱাইছে। বাস্তৱিক নগাঁও জিলাৰ লোকে nasalization বিশেষকৈ কৰে। বাদুলাক বান্দুলী আৰু বাদুলা আতাক তাত বন্দুলা আতা বোলে। এনে অৱস্থাত কদলীও কন্দলী হোৱা একো আচৰিত নহয়। বিশেষ কন্দলী জয়ন্তীয়া পাহাৰৰ ওচৰৰ আৰু খাচিয়া জয়ন্তীয়া জাতিৰ মাজত তিৰোতাই সকলো সম্পত্তিৰ মালিক। এইবিলাক দেশতেই নাৰী ৰাজ্য হোৱা সম্ভৱ। গোৰ্খা-বিজয় পুথিত লিখা প্ৰবাদ ভাৰতবৰ্ষৰ প্ৰায় সকলো ঠাইতে শুনা যায়। মহাৰাষ্ট্ৰ দেশত যি বিৱৰণ পোৱা যায় তাত নাৰী ৰাজ্যৰ নাম দিয়া আছে কামৰূপ। কন্দলী ৰাজ্যত অগুৰু কাঠ সৰহকৈ পোৱা যায়, তাৰ ৰাণী কমলাৰ ১৬০০ মাইকী গা-ৰখীয়া চিপাহী বা body-guard আছিল। তাৰ প্ৰায় এটাইবিলাক তিৰোতাই পাটৰ কাপোৰ পিন্ধিছিল আৰু প্ৰত্যেক ঘৰতে একোটাকৈ পানীখোৱা পুখুৰী আছিল, ইত্যাদি বিৱৰণৰ

পৰাও কদলীয়ে অসমৰ ভিতৰত কোনো সৰু কৰতলীয়া ৰাজ্য আছিল ইয়াক অনুমান কৰিব পাৰি।

(৩) অনুসন্ধান সমিতিৰ জৰ্ণেলত আলোচনাৰপৰা এইটো একপ্ৰকাৰ সাব্যস্ত হৈছে যে নগাঁও জিলাৰ ডবকাই সমুদ্ৰগুপ্তৰ প্ৰশস্তিৰ ডবাক ৰাজ্য। এই ৰাজ্যৰ মাজেদি কপিলী নদী প্ৰবাহিত হৈছিল। সেই বাবে অনুমান এই ৰাজ্যক কপিলী ৰাজ্যও বোলা হৈছিল। চীন দেশীয় প্ৰাচীন বৃত্তান্তৰপৰা জনা যায় যে ২৮ খ্ৰীষ্টাব্দত এই ৰাজ্যৰ চন্দ্ৰপ্ৰিয় বা চন্দ্ৰবৰ্ম্মত নামে এজন ৰজাই চীন দেশলৈ কটকী পঠাইছিল। বৰ্ত্তমান ত্ৰিপুৰা ৰাজবংশৰ ৰজাসকলৰ ৰাজ্য এই কপিলীৰ পাৰতে আছিল। আৰু হেৰম্ব বা কছাৰী ৰাজ্য তাৰ পূৰ্বে আছিল। কপিলীৰ পাৰৰ প্ৰাচীন ত্ৰিপুৰা ৰাজ্যকে অনুমান ডবকা বা কপিলী ৰাজ্য বোলা হৈছিল। কামৰূপৰ ৰজাসকল প্ৰতাপশালী থকাত এওঁলোক নিশ্চয় কামৰূপৰ কৰতলীয়া আছিল। ত্ৰিপুৰা ৰাজ্যৰ বুৰঞ্জী ৰাজমালাৰপৰা জানিব পাৰি যে অনুমান ষষ্ঠ শতিকাত কছাৰী ৰজাই কপিলী ৰাজ্য দখল কৰাত ত্ৰিপুৰা ৰজা পলাই পৰ্ব্বত পাৰ হৈ বৰ্ত্তমান কাছাৰ জিলাৰ বৰাক বা বৰচক্ৰ নদীৰ পাৰত ৰাজ্য পাতিলেগৈ।

(৪) সমিতিৰ জৰ্ণেল, ইণ্ডিয়ান কালচাৰ, এছিয়াটিক ছোচাইটিৰ জৰ্ণেল আদি আলোচনীত আলোচনা কৰাৰ ফলত এইটো ঠিক হৈছে যে ভাস্কৰবৰ্ম্মাৰ নিধনপুৰত পোৱা তামৰ ফলিত উল্লেখ কৰা কৌশিকা নদীয়েই বৰ্ত্তমান কুশী নদী। এই নদীৰ প্ৰাচীন নাঁম কৌশিকা বা কৌশিকী। মাৰ্কণ্ডেয় পুৰাণত কৌশিকা নামহে আছে। ভাস্কৰবৰ্ম্মাৰ বৃদ্ধ পিতামহ মহাভূতবৰ্ম্মাই এই নদীৰ পাৰৰ পূৰ্ব মিথিলাৰ ময়ূৰশাল্মল অগ্ৰহাৰৰ মাটি ব্ৰাহ্মণসকলক দান কৰিছিল। ষষ্ঠ শতিকাৰ শেষ ভাগত মহাসেনগুপ্তই কামৰূপ আক্ৰমণ কৰি ভাস্কৰবৰ্ম্মাৰ পিতৃ সুস্থিতবৰ্ম্মাক পৰাজয় কৰাৰ পিচত এই দান কৰা মাটিবিলাক আকৌ গুপ্তৰাজ্যৰ ভিতৰত সোমায়। সপ্তম শতিকাৰ আগডোখৰত ভাস্কৰবৰ্ম্মাই শ্ৰীহৰ্ষৰ সহায়ত শশাংকক পৰাভূত কৰি তেওঁৰ ৰাজ্য গৌড় আৰু কৰ্ণসুবৰ্ণ দখল কৰাৰ পিচত নিধনপুৰত পোৱা তামৰ ফলিৰ দ্বাৰা মহাভূতবৰ্ম্মাৰ দান আকৌ বাহাল ৰখা হয়। আপোনালোকে জানে যে নিধনপুৰৰ শ্ৰীহট্ট জিলাৰ কৰিমগঞ্জ মহকুমাৰ পঞ্চ-খণ্ড পৰগণাৰ এখন গাঁও। ভাস্কৰবৰ্ম্মাৰ ফলিবিলাক এই গাঁৱতে পোৱাৰ বাবে এই অঞ্চল ভাস্কৰবৰ্ম্মাৰ ৰাজ্যৰ ভিতৰত ভুক্ত আছিল আৰু বৰ্ত্তমান কুশিয়াৰা নদীয়েই ফলিত উল্লেখ কৰা কৌশিক—এই বুলি কোনো কোনো লোকে তৰ্ক কৰে। এনে কি, এই বাবেই পঞ্চ-খণ্ডৰ লাইব্ৰেৰীত থকা ভাস্কৰবৰ্ম্মাৰ ফলিবিলাকৰ অন্ততঃ চাৰিখন এতিয়ালৈকে স্থানীয় লোকে অসম গৱৰ্ণমেণ্টক দিয়া নাই। শ্ৰীহট্ট কামৰূপ ৰাজ্যৰ ভিতৰত থকা অসম্ভৱ নহয়, কিন্তু মহাভূতবৰ্ম্মাই দান কৰা মাটি যে শ্ৰীহট্টৰ ভিতৰৰ নহয় এই বিষয়ে কোনো সন্দেহ নাই। ভাস্কৰবৰ্ম্মাৰ কেবাশ বছৰৰ পাচত মিথিলাৰপৰা শ্ৰীহট্টলৈ অহা কোনো ব্ৰাহ্মণৰ লগতে এই ফলিবিলাকো শ্ৰীহট্টলৈ অহা তাজকৈ অনুমান কৰিব পাৰি।

(৫) যোৱা পাঁচ বছৰৰ ঐতিহাসিক তথ্য অনুসন্ধানৰ ফলত পোৱা গৈছে যে ভাস্কৰবৰ্ম্মাৰ এজনী জিনিবীয়ে তেওঁৰ মৃত্যুত শোক সম্বৰণ কৰিব নোৱাৰি সহমৰণ

অৱলম্বন কৰে। লিগিৰীজনীয়ে এনে কৰিব পাৰে বুলি সন্দেহ কৰি ভাস্কৰবৰ্মাই জীয়াই থাকোঁতেই লিগিৰীজনীক হাক দিছিল, কিন্তু সেই হাক নুশুনিও তাই চিতাত জাপ দি পুৰি মৰিল। এই কথা প্ৰায় তাৰ এশ বছৰৰ পিচৰ অৰ্থাৎ অষ্টম শতিকাৰ কাশ্মীৰী লেখক দামোদৰগুপ্তই তেওঁৰ 'কুট্টনীমতম্' নামে পুথিত লিখি গৈছে—

ভাস্কৰবৰ্মনি যাতে সুৰৱসতিং ৱাৰিতাপি ভূপতিনা।
তদ্দুঃখমসহমানা প্ৰৱিৱেশ ৱিলাসিনী দহনম ॥

এই ত ্যটিৰ সন্ধান আমাৰ সুযোগ্য সভাপতি শ্ৰীযুত কৃষ্ণকান্ত সন্দিকৈ ডাঙৰীয়াই মোক জানিব দিয়াৰ বাবে তেওঁক ধন্যবাদ দিওঁ। বাণভট্ট শ্ৰীহৰ্ষৰ সভাপণ্ডিত আৰু ভাস্কৰবৰ্মাৰ সম-সাময়িক আছিল। তেওঁৰ হৰ্ষ-চৰিতত ভাস্কৰবৰ্মাক "ভীম ইব কুমাৰ" বোলা হৈছে। ইয়াৰ দ্বাৰা বুজা যায় যে তেওঁ বিয়া কৰোৱা নাছিল, অথচ দামোদৰ গুপ্তৰপৰা জানিব পাৰিলোঁ যে তেওঁৰ এনে এগৰাকী গা-লগা লিগিৰী অছিল যিগৰাকীয়ে তেওঁৰ জ্বলন্ত চিতাত জাপ দি পুৰি মৰিল। ইয়াৰপৰা এনে অনুমান কৰিব পাৰি যে লিগিৰীজনীয়েই তেওঁৰ হৃদয় সম্পূৰ্ণৰূপে অধিকাৰ কৰি থকাৰ বাবে তেওঁ অইন কাকো বিয়া নকৰালে আৰু সেই বাবেই অপুত্ৰক হৈ মৰিল। অপুত্ৰক হৈ ৰজা মৰিলে স্বভাৱতে উত্তৰাধিকাৰ লৈ দেশত এটা তোলপাৰ হয়। ভাস্কৰবৰ্মাৰ মৃত্যুৰ পিচত যে এনে এটা তোলপাৰ হৈছিল আৰু সেই তোল-পাৰৰ ভিতৰতে "মেচ্ছাধিনাথ" শালস্তম্ভই সিংহাসন অধিকাৰ কৰিছিল, এই সম্বাদ আমি একাদশ শতিকাৰ ৰত্নপালবৰ্মাৰ ফলিৰপৰা জানিব পাৰোঁ। এইদৰেই বুৰঞ্জীৰ ঘটনা বিলাক প্ৰমাণিত হয়।

এই সূত্ৰতে আৰু এটা নতুন তথ্য পোৱা গৈছে। শ্ৰীযুত ৰাধাগোবিন্দ বসাকে ত্ৰিপুৰা জিলাত এখনি তামৰ ফলি পাই তাৰ পাঠ উদ্ধাৰ কৰিছে। সেই ফলিৰ তাৰিখ কোনো অব্দৰ ৪৪ নাইবা ২৪৪ বছৰত। বসাকে ৪৪ হৰ্ষঅব্দ ধৰি সেই ফলিৰ তাৰিখ ৬৫০ খ্ৰীষ্টাব্দত পেলাইছে আৰু প্ৰাচ্য বিদ্যাৰ্ণৱ নগেন্দ্ৰনাথ বসুৱে গুপ্তাব্দৰ ২৪৪ ধৰি ফলিৰ তাৰিখ ৬৬৩ খ্ৰীষ্টাব্দত পেলাইছে। এই ফলিত লিখা কথাৰপৰা জনা যায় যে লোকনাথ আৰু জীৱধাৰণ নামে দুজন কৰতলীয়া ৰজাই যুজ কৰাত তেওঁলোকৰ ওপৰৰ চক্ৰৱৰ্তী ৰজা জয়তুংগবৰ্মাই লোকনাথক শ্ৰীপট্টদি কৰতলীয়া ৰজা বুলি গ্ৰহণ কৰিলে। বসাকে জয়তুংগবৰ্মাৰ নাম জয়তুংগবৰ্ষ পঢ়িছে —কিন্তু প্ৰাচ্যবিদ্যাৰ্ণৱে কয় যে সেই নাম জয়তুংগবৰ্ম আৰু এওঁ ভাস্কৰবৰ্মাৰ পাচত কামৰূপৰ ৰজা হৈছিল। ভাস্কৰবৰ্মা যেনেকৈ গৌড়বঙ্গৰ ওপৰত চক্ৰৱৰ্তী ৰজা আছিল, জয়তুংগবৰ্মাও সেই প্ৰকাৰ গৌড়বঙ্গ আৰু কামৰূপৰ ওপৰত চক্ৰৱৰ্তী ৰজা আছিল। শালস্তম্ভই ভাস্কৰবৰ্মাৰ সিংহাসন অধিকাৰ কৰি জয়তুংগ বা Pinnacle of Victory নাম লোৱা একো অসম্ভৱ নহয়। শালস্তম্ভৰ পুতেকৰ নাম বিজয়বৰ্ম—কিন্তু বিৰুদ-নাম আছিল বিগ্ৰহস্তম্ভ, সেই প্ৰকাৰ জয়তুংগবৰ্মৰ বিৰুদ-নাম আছিল শালস্তম্ভ। সেই বংশৰ পিছৰ ৰজা বীৰবাহুৰ বিৰুদ নাম আছিল ৰণস্তম্ভ।

(৬) আৰু এটা তথ্য পোৱা গৈছে যাৰ নিমিত্তে শ্ৰীযুত নলিনীনাথ দাসগুপ্তক ধন্যবাদ দিব লাগে। তেওঁ দেখুৱাইছে যে ৭৫৩ খ্ৰীষ্টাব্দৰ ৰাষ্ট্ৰকূট ৰজা দন্তি-দুৰ্গৰ তামৰ ফলি মতে কৰ্ণাট ৰজা দ্বিতীয় কীৰ্তিবৰ্মাৰ যিবিলাক সৈন্যই কাঞ্চি, কেৰল, চোল আৰু পাণ্ড্য দেশৰ ৰজাবিলাকক আৰু শ্ৰীহৰ্ষ আৰু বজ্ৰট ৰজাক পৰা-ভূত কৰিছিল সেই সৈন্যক দন্তিদুৰ্গ ৰজাই অতি সহজে যুদ্ধত খেদুৱালে। এই ফলিত উল্লেখ কৰা শ্ৰীহৰ্ষ আৰু কনৌজৰ সম্ৰাট শ্ৰীহৰ্ষবৰ্ধন একেজন মানুহ বুলি ফ্লীট্ চাহেবে অনুমান কৰিছিল, কিন্তু সকলোৱে জানে যে হৰ্ষবৰ্ধন সপ্তম শতিকাৰ ৰজা দ্বিতীয় কীৰ্তিবৰ্মা আৰু বজ্ৰট অষ্টম শতিকাৰ ৰজা। এতেকে এই ফলিৰ শ্ৰীহৰ্ষ যে অষ্টম শতিকাৰ কামৰূপৰ ৰজা শ্ৰীহৰ্ষবৰ্ধন তাত কোনো সন্দেহ নাই। এওঁৰ জোঁৱায়েক নেপালৰ ৰজা জয়দেৱৰ শিলালিপিত যে এওঁক "গৌড়ৌড্ৰাদি-কলিঙ্গ-কোশল-পতি" বুলিছে সেই কথাৰ সত্যতা এতিয়া পোৱা গ'ল। ওড্ৰ অৰ্থাৎ উৰিষ্যা আৰু কলিংগ অৰ্থাৎ গাঞ্জাম প্ৰদেশ জয় কৰি এওঁ আৰু দক্ষিণলৈ গৈ কীৰ্তিবৰ্মাৰ কৰ্ণাট ৰাজ্য আক্ৰমণ কৰাত পৰাজিত হৈছিল। ৭৪৮ খ্ৰীষ্টাব্দৰপৰা কীৰ্তিবৰ্মাৰ ৰাজত্ব আৰম্ভ হয়। এতেকে এই চনৰপৰা ৭৫৩ খ্ৰীষ্টাব্দৰ ভিতৰতে তেওঁ শ্ৰীহৰ্ষবৰ্মাক পৰাভূত কৰে।

(৭) সমিতিৰ জৰ্ণেলত লিখি শ্ৰীযুত নলিনীনাথ দাসগুপ্তই প্ৰমাণ কৰিছে যে একাদশ শতিকাৰ কামৰূপৰ ৰজা হৰ্ষপালবৰ্মা আৰু তেওঁৰ পুতেক ধৰ্মপাল উভয়ে নামজ্বলা সংস্কৃত কবি আছিল। "কবীন্দ্ৰ-বচন-সমুচ্চয়" নামে পুথিত হৰ্ষ-পালৰ কবিতা আৰু শ্ৰীধৰদাসৰ "সদুক্তিকৰ্ণামৃত" নামে পুথিত ধৰ্মপাল ৰজাৰ কবিতা উদ্ধৃত কৰা হৈছে। এইবিলাক পূৰ্বে অসমীয়া মানুহৰ চকুত পৰা নাছিল। সেইদৰে শ্ৰীযুত যোগেন্দ্ৰ চন্দ্ৰ ঘোষ নামে আন এজন বঙালী তথ্যানুসন্ধান কৰা লিখকে প্ৰমাণ কৰিব খোজে যে "মুদ্ৰাৰাক্ষস" নাটকৰ লিখক বিশাখদত্ত কামৰূপৰ লোক আৰু সুবিখ্যাত "ৰত্নাৱলী" নাটকৰ লিখক শ্ৰীহৰ্ষ সপ্তম শতিকাৰ সম্ৰাট শ্ৰীহৰ্ষবৰ্দ্ধন নহয়, তেওঁ অষ্টম শতিকাৰ কামৰূপৰ ৰজা শ্ৰীহৰ্ষদেৱ। বিশাখদত্ত সমন্ধে তেওঁৰ প্ৰবন্ধ Royal Asiatic Society ৰ জৰ্ণেলত আৰু ৰত্নাৱলীৰ লেখক সমন্ধে প্ৰবন্ধ Assam Research Society ৰ জৰ্ণেলত প্ৰকাশিত হৈছে।

(৮) অসমত আৰ্য্য-বসতি আৰু কলিতাবিলাকৰ সমন্ধে সমিতিৰ জৰ্ণেলত ভালেখিনি লিখা-লিখি হৈছে। এই বিষয়ে অন্যান্য আলোচনীতো লিখা-লিখি হৈছে আৰু নৃ-তত্ত্ব সমন্ধে পণ্ডিতসকলে বৰ্তমান যিবিলাক মৌলিক তত্ত্ব আৱিষ্কাৰ কৰিছে সেইবিলাকে এই বিষয়ৰ ওপৰত বহুত পোহৰ পেলায়। বৈদিক আৰ্য্যবিলাকে খ্ৰীষ্টাব্দৰ ১৫০০।২০০০ বছৰৰ আগেয়ে উত্তৰ পশ্চিম কালৰপৰা ভাৰতবৰ্ষত সোমাই প্ৰথম পঞ্জাব আৰু তাৰপৰা লাহে লাহে উত্তৰ ভাৰতৰ পূবফালে আগবাঢ়ি গৈ শেষত প্ৰাগ্জ্যোতিষ পৰ্য্যন্ত পাইছিলহি আৰু আৰ্য্য ভাষা আৰু আৰ্য্য কৃষ্টি এই-দৰেই উত্তৰ-ভাৰতত পশ্চিমৰপৰা পূবলৈ বিস্তাৰিত হৈছিল; এইটোৱেই পণ্ডিতসকলৰ আগৰ সিদ্ধান্ত আছিল। এই সিদ্ধান্ত সৰহদিন নাথাকিল, কাৰণ পিচত দেখা গ'ল যে পূৰ্ব ভাৰতৰ ভাষা আৰু কৃষ্টিৰ লগত কাশ্মীৰ, পশ্চিম পঞ্জাব, সিন্ধু, গুজৰাট

প্ৰভৃতি ঠাইৰ ভাষা আৰু কৃষ্টিৰ খুব সাদৃশ্য দেখা যায়, কিন্তু মধ্য ভাৰতৰ গংগা উপত্যকাৰ লগত তেনে সাদৃশ্য নাই। ইয়াকে দেখি ডক্টৰ হোৰ্ণলী প্ৰমুখ্যে কিছুমান পণ্ডিতে স্থিৰ কৰিলে যে বৈদিক আৰ্য্যবিলাক ভাৰতবৰ্ষলৈ অহাৰ পূৰ্বেই অবৈদিক এদল আৰ্য্য ভাৰতবৰ্ষৰ পূবফাললৈ আহিছিল আৰু এটা দলে কাশ্মীৰ, সিন্ধু প্ৰভৃতি ঠাইত বসতি কৰিছিল। পূব ভাৰতৰ মগধ, বিদেহ, বাৰেন্দ্ৰ, প্ৰাগ্‌-জ্যোতিষ প্ৰভৃতি ঠাইৰ ব্ৰাহ্মণ, ক্ষত্ৰিয় অধিবাসীবিলাক এওঁলোকৰে সন্তান-সন্ততি। কাৰো কাৰো মতে এই দল আৰ্য্য পঞ্জাব মধ্য ভাৰতৰ মাজেদি নাহি তিব্বতেদি নাইবা হিমালয়ৰ পাদদেশেদি আহি প্ৰাগ জ্যোতিষ পাইছিলহি। নৃ-তত্ত্ববিদ্ পণ্ডিত-সকলে কিন্তু উত্তৰ ভাৰতৰ মানুহবিলাকৰ মূৰ, নাক, আকৃতি আদি পৰীক্ষা কৰি কয় যে বৰ্তমান সময়ত উত্তৰ-পশ্চিম প্ৰদেশ, পঞ্জাব আৰু যুক্ত প্ৰদেশৰ বাহিৰে ভাৰতবৰ্ষৰ আন কোনো ঠাইত প্ৰকৃত আৰ্য্য বংশৰ লোক দেখিবলৈ পোৱা নাযায়। তেওঁলোকে আৰু কয় যে পূব-ভাৰতৰ ব্ৰাহ্মণ, কায়স্থ আদি সমাজৰ উচ্চ তৰপৰ লোকৰ আকৃতি আৰু কাশ্মীৰ, সিন্ধু, গুজৰাট প্ৰভৃতি ঠাইৰ তেনে শ্ৰেণীৰ মানুহৰ আকৃতিৰ বিশেষ সাদৃশ্য আছে আৰু এওঁলোকে মূলতে Homo Alpinus জাতিৰ মানুহ; আৰ্য্য জাতিৰ মানুহ নহয়। ডক্টৰ হটন চাহাবেও এওঁলোকক আলপাইন জাতিৰ মানুহ বুলিছিল। এই মানুহবিলাক ইৰাণ দেশৰপৰা ভাৰতবৰ্ষলৈ অহা, সেই বাবে ইৰাণী আৰ্য্য ভাষাৰ আৰু ইৰাণী আৰ্য্যকৃষ্টিৰ চিন অদ্যাপি পূৰ্ব ভাৰতত পোৱা যায়, বিশেষকৈ অসমত; কাৰণ ইয়াত মগধ বা বংগদেশৰ নিচিনাকৈ পাচত অহা বৈদিক সভ্যতাৰ চৌৰ কোব ভালকৈ নাপালেহি। অলপতে শ্ৰীযুত নগেন্দ্ৰনাথ ঘোষ নামে এজন বঙালী পণ্ডিতে The Aryan Trail in Iran and India নামে এখনি পুথি লিখিছে আৰু সেই পুথি কলিকতা বিশ্ববিদ্যালয়ে প্ৰকাশ কৰিছে। এই পুথি অনুসাৰে ইৰাণ দেশৰ Magian-বিলাকেই ভাৰতবৰ্ষলৈ বৈদিক আৰ্য্য-সকল অহাৰ পৰ্বে অহা লোক, যিসকলৰ ভাষা আৰ্য্য ভাষা আছিল, সভ্যতাও আৰ্য্য সভ্যতাই আছিল, কিন্তু জাতিত এওঁলোক আৰ্য্য নহৈ আলপাইন আছিল। এওঁলোক ইৰাণ দেশত বহুদিন এচিৰিয়েনচবিলাকৰ ওচৰত থাকি অসুৰ বা অহুৰক ঈশ্বৰ আৰু দৈৱ আৰু দেৱতাবিলাকক চৈতান Ahreinan বুলি বিশ্বাস কৰিছিল। অসমত এতিয়াও দেও (দেৱ) শব্দৰ অৰ্থ ভূত (malavolent divinity)। এওঁলোকৰ আৰু বৈদিক আৰ্য্যসকলৰ এইখিনিতে পাৰ্থক্য। মগধ, প্ৰাগ্‌জ্যোতিষ আদি দেশত বৈদিক আৰ্য্যসকল অহাৰ পূৰ্বেই এওঁলোকৰ ৰজা আৰু ৰাজ্য স্থাপিত হোৱা খুব সম্ভৱ; আৰু পাচত বৈদিক আৰ্য্যসকল আহিলত মগধৰ জৰাসন্ধ আৰু প্ৰাগ্‌জ্যোতিষৰ নৰক ভগদত্ত অসুৰ-জাতীয় বোলাৰ অৰ্থ এইয়ে।

(৯) ভাৰতবৰ্ষৰ লোকসকলৰ নৃ-তত্ত্ব স্থিৰ কৰি পণ্ডিতসকলৰ মতে তলত লিখা জাতিবিলাকৰ লোকে অগা-পিচাকৈ ভাৰতবৰ্ষত বসতি কৰিছে।

১। নিগ্ৰিটো জাতি—বৰণ ক'লা আৰু আকৃতিত খৰ্বকায়। অনুমান এই জাতিৰ লোকে আফ্ৰিকা দেশৰপৰা আহি ভাৰতবৰ্ষত বসতি কৰিছিল আৰু এওঁলোকক ভাৰতবৰ্ষৰ আদিম জাতি বুলি অনুমান কৰিব পাৰি। যি সময়ত

এওঁলোক ভাৰতবৰ্ষলৈ আহে সেই সময়ত দক্ষিণ ভাৰতবৰ্ষৰপৰা আফ্ৰিকালৈ বামেদি বাট আছিল আৰু গুজৰাট, সিন্ধু, যমুনা, গংগা শুত উপত্যকা অৰ্থাৎ বিন্ধ্যা পৰ্বতমালাৰ উত্তৰৰ ঠাইবিলাক হিমালয়ৰ পাদ-মূললৈকে সমুদ্ৰৰ গৰ্ভত আছিল। হিমালয়ৰপৰা অসম, ছোট-নাগপুৰ, উৰিষ্যা হৈ ভাৰতবৰ্ষলৈ বামেদি বাট আছিল। এই নিগ্ৰিটো জাতিৰ বৰ্তমান কালৰ নমুনা হৈছে আন্দামান দ্বীপৰ অধিবাসীসকল। এই জাতিৰ লোক অসমত বা পূৰ্বে ভাৰতবৰ্ষত নাই।

২। প্ৰটো-অষ্ট্ৰেলয়ড জাতি—এই জাতিৰ লোকৰ আকৃতি, ভাষা আৰু কৃষ্টি অষ্ট্ৰেলিয়াৰ আদিম অধিবাসীসকলৰ আকৃতি, ভাষা আৰু কৃষ্টিৰ লগত সাদৃশ্য আছে। সেইবাবে এওঁলোক Austroloid বা Austro-Asiatic বোলা হয়। অতি পূৰ্ব কালত মালয় উপদ্বীপৰ লগত অষ্ট্ৰেলিয়াৰ বামেদি সংযোগ আছিল। সেই সময়ত একে জাতিৰ লোকেই অষ্ট্ৰেলিয়া, মালয় উপদ্বীপ, শ্যাম, ব্ৰহ্মদেশ, ভাৰতবৰ্ষ প্ৰভৃতি দেশত বসতি কৰিছিল। সাওঁতাল পৰগণাৰ পৰ্বতীয়া জাতিবোৰ আৰু অসমৰ খাচিয়া চিন্টেংবিলাক অষ্ট্ৰোলইড জাতিৰ মানুহ। খাচিয়া আৰু মুণ্ডাৰী ভাষা Austro-Asiatic ভাষা। খাচিয়া আৰু মুণ্ডাবিলাকৰ মাজত প্ৰচলিত Folk-tales বা সাধুকথা বহুত মিলে আৰু প্ৰায়বিলাক Austroloid জাতিৰ মানুহৰ মৃতলোকৰ সংকাৰৰ নিয়ম একে ৰকম। এওঁলোকে মৰিশালিত থিয়কৈ শিল পোতে আৰু সেইবাবেই এওঁলোকৰ কৃষ্টিক megalithic culture বোলা হয়। এওঁলোকে পৰ্বতৰ চালত কোৰেৰে থাক কাটি কাটি খেতি কৰে, তাকে terraced cultivation বোলা হয়। অসমত এসময়ত এওঁলোকেই প্ৰবল আছিল কাৰণে অসম উপত্যকাৰ প্ৰায় সকলো ঠাইতে এওঁলোকে পোতা থিয় শিল এতিয়ালৈকে আছে। ভাৰতবৰ্ষৰ সকলো প্ৰদেশতে থিবিলাক নাক-চেপেটা শ্ৰেণীৰ মানুহ আছে, এটাই-বিলাকৰ মূল হৈছে এই Austroloid জাতি। এই জাতিৰ মানুহ পূৰ্বকালত মেচোপটেমিয়া আৰু আনাটোলীয়া পৰ্য্যন্ত বিয়পি আছিল।

৩। Austroloid জাতিৰ মানুহ কেইবা হাজাৰ বছৰ ভাৰতবৰ্ষত প্ৰবল হৈ থকাৰ পিচত আন এটা জাতিৰ মানুহ উত্তৰ-পশ্চিম ফালৰপৰা আহি সোমায়। এই জাতিৰ নাম Mediterranean। এই নামাকৰণ নতুন। পূৰ্বে এওঁলোকে Dravidian বোলা হৈছিল। এতিয়া কিন্তু Dravidian জাতিবাচক শব্দ নহয়, ভাষাৰ নামহে। নামজ্বলা নৃতত্ত্ববিদ পণ্ডিত এই গুৱাহাটী চহৰৰে অধিবাসী, শ্ৰীযুত বিৰজাশঙ্কৰ গুহই এই জাতিটোক Early Aryan নাম দিব খোজে, কাৰণ এওঁ-লোক আৰু আৰ্য্যবিলাক গুৰিতে একে গছৰে বেলেগ বেলেগ পোখা। বৰ্তমান তামিল, তেলেগু কেণাৰীজ, মালায়ালম ভাষাৰ নিচিনা এওঁলোকৰ ভাষাও Dravidian ভাষা আছিল বুলি অনুমান কৰিব পাৰি। সিন্ধু প্ৰদেশৰ মহেন্‌জদাৰো আৰু পঞ্জাবৰ হৰাপ্পাত থিবিলাক ৫ হাজাৰ বছৰৰ আগৰ কীৰ্তিৰ চিন আৰু সভ্যতাৰ নিদৰ্শন আবিষ্কৃত হৈছে, সেইবিলাক তেওঁলোকৰেই আছিল; এইটো প্ৰায় স্থিৰ হৈছে। এওঁ-লোকৰ চিত্ৰলিপিৰ পাঠ্য এতিয়াও উদ্ধাৰ হোৱা নাই। ভাৰতবৰ্ষত থিবিলাক punch-marked coins এতিয়াও পোৱা যায়, সেইবিলাক মুদ্ৰাও এওঁলোকেই

প্রচলন কৰা বুলি বিশ্বাস কৰিব পাৰি, কাৰণ এওঁলোকৰ কুমাৰ-মাটিৰ খোলাৰ ওপৰত পোৱা লিপি আৰু এই মুদ্রাবিলাকত চাব মৰা লিপি একে। এওঁলোকৰ ভিতৰত পুৰোহিত শ্রেণীৰ লোক আছিল।

বংগদেশৰ পুঁদবিলাক দক্ষিণ ভাৰতবৰ্ষৰ উৰিয়া ব্রাহ্মণ, তেলেগু ব্রাহ্মণ, কেণাৰীজ ব্রাহ্মণ আৰু পশ্চিম ভাৰতবৰ্ষৰ সাৰস্বত ব্রাহ্মণ, চিপপাবন ব্রাহ্মণ আৰু দেশস্থ ব্রাহ্মণ এই জাতিৰ লোক বুলি বহুতে অনুমান কৰে আৰু ডক্টৰ হুটনে অসমৰ কলিতাবিলাকো এই জাতিৰে বুলি কব খোজে। এই সম্বন্ধে মই মোৰ পূর্বমত পৰিহাৰ কৰি অন্য মত গ্রহণ কৰিছোঁ, তাক আপোনালোকে পিচত গম পাব। আৰ্য্যবিলাকৰ নিচিনা এই জাতিৰ মূৰ-দীঘল অর্থাৎ এওঁলোক Dolicho-cephalic Mediterranean-বিলাকে পঞ্জাব, সিন্ধুপ্রদেশ, গংগা উপত্যকা, এনে কি বিহাৰ আৰু মধ্য বংগ পৰ্য্যন্ত প্ৰবল হৈ আছিল। এওঁলোকে দ্রাবিড়ী ভাষাৰ ঠাঁচ এইবিলাক ঠাইতো দিলে। মাত্র অসমত এই ভাষাৰ ঠাঁচ নাই। কলিতাবিলাকক Mediterranean নোবোলা মোৰ ইও এটা কাৰণ। দ্রাবিড়ী ভাষাবিলাকৰ উচ্চাৰণত মূৰ্ধণ্য ট, ঠ, ড, ঢ, ণ, আৰু চ, ছ, জ, ঝ ৰ প্ৰাবল্য খুব বেচি। কলিকতাৰ-পৰা উৰিষ্যা হৈ মাদ্রাজলৈ ৰেলেদি গতে ষ্টেচনবিলাকত দ্রাবিড়ী কথা-বার্তা শুনিলে কাণত টাল মাৰে। অসমীয়া ভাষাত আজিলৈকে মূৰ্ধণ্য বা cerebral নাই। দ্রাবিড়ী ভাষাৰপৰা সংস্কৃতে পঞ্জাব আৰু মধ্য ভাৰতত এই বিশেষত্ব উপার্জন কৰিলে।

হৰপ্পা আৰু মহেন্‌জদাৰোৰ সভ্যতাৰ শেষ অৱস্থাতে আগেয়ে উল্লেখ কৰা অসুৰ-পূজক আৰু আৰ্য্য ভাষা আৰু কৃষ্টি অৱলম্বন কৰা ইৰাণীয় আলপাইন-বিলাক ভাৰতবৰ্ষলৈ আহিছিল। মহেন্‌জদাৰোত যিবিলাক মানুহৰ মূৰৰ খোলা পোৱা গৈছে। তাৰ এটা Alpine মানুহৰ। এওঁবিলাকৰ এটা দল সিন্ধু, গুজৰাট, বোম্বাই পৰ্য্যন্ত গ'ল আৰু আন এটা দল পঞ্জাব আৰু মধ্যভাৰতত সৰহ দিন নাথাকি পোনে পোনেই পূব-ভাৰতলৈ গ'ল। সেইবাবেই এওঁলোকৰ আৰ্য্য ভাষাত দ্রাবিড়ী ঠাঁচ নহ'ল। অসমীয়া ভাষা এওঁলোকৰ নির্ভাজ ভাষাৰ নিদর্শন। বিহাৰ আৰু বংগদেশৰ আৰ্য্যভাষা এওঁলোকেই প্ৰথমতে অনা; কিন্তু এইবিলাক ঠাইত পূর্বৰেপৰা দ্রাবিড়ী চলি আছিল আৰু পাছতো বৈদিক আৰ্য্যসকলৰ দ্রাবিড়ী ঠাঁচ পোৱা সংস্কৃতৰ প্রভূত্ব এইবিলাক ঠাইত অসমতকৈ বেচি হৈছিল। সেই বাবে বিহাৰী আৰু বঙালী আৰ্য্যভাষাত দ্রাবিড়ী ঠাঁচ থাকিলেও অসমীয়াত সিমান নাই। অসমীয়াৰ আৰু এটা বিশেষত্ব এই যে সংস্কৃতত প্রচলিত নথকা অথবা সংস্কৃতে হেৰুওৱা কিছুমান আৰ্য্য শব্দ এতিয়াও অসমীয়াত আছে। এই বিষয়ে শ্ৰীযুত দেবানন্দ ভড়ালীয়ে তেওঁৰ "অসমীয়া ভাষাৰ মৌলিক বিচাৰ" নামে পুথিত ভালেখিনি উদাহৰণ দিছে। তাৰে অসমীয়া "বতৰ" শব্দটি বিশেষ উল্লেখযোগ্য। অসমীয়া 'বতৰ' জার্মান wetter আৰু ইংৰাজী weather একে ধাতুৰপৰা উদ্ভৱ হৈছে। সংস্কৃতত এই শব্দৰ নাম-গোন্ধেই নাই। খ্রীষ্টাব্দৰ প্রায় ১৫০০ বছৰ পূর্বে বৈদিক আৰ্য্যবিলাক ভাৰত-বৰ্ষলৈ আহে। তেওঁলোক যে অন্ততঃ মহাভাৰতৰ যুদ্ধৰ সময়ত অর্থাৎ অনুমান খ্রীষ্টপূর্ব নৱম শতিকাত পূব ভাৰতৰ বিদেহ, মগধ, বংগ আৰু প্ৰাগ্‌জ্যোতিষ

পাইছিলহি তাক ভালকৈ অনুমান কৰিব পাৰি। ইয়াৰ বহুদিন পূৰ্বেই অসমত তিব্বতীয়বৰ্মান জাতিৰ মানুহবিলাক সোমাই Australoid জাতিৰ মানুহবিলাকক তল পেলালে। সেই জাতিৰ মানুহবিলাকৰ কিছুমান পৰ্বতবিলাকলৈ পলাল আৰু কিছুমান ভৈয়ামতে থাকি তিব্বতীয় জাতিৰে মিহলি হ'ল। মিকিৰ, খাচুং, গাৰো আদি ভৈয়াম বা অনুচ্চ পৰ্বতৰ মানুহবিলাক আৰু অসমৰ নিচেই তল-খাপৰ হিন্দু-বিলাক এই মিশ্ৰ জাতিৰ বুলি অনুমান কৰিব পাৰি। তিব্বতীয়-বৰ্মানবিলাক যে ভালেমান দিন উত্তৰবংগ আৰু অসমৰ ভৈয়ামবিলাকত ৰাজত্ব কৰি আছিল তাৰ প্ৰমাণ হৈছে নদীবিলাকৰ নামেই। তিব্বতীয়-বৰ্মানৰ যি ক্লেদ ভৈয়ামত প্ৰবল হৈ আছিল তেওঁলোকৰ সাধাৰণ নাম বড়ো। এই বড়ো ভাষাৰ নামেই নদী-বিলাকত আজিলৈকে আছে। এই ভাষাত পানীক দি বা টি, দৈ বা জৈ বোলে। সেইবোৰ নদীৰ নাম তিস্তা, কৰতিয়া, কালদিয়া, পাগলাদিয়া, টিহু, দিহিং, দিচাং, দিক্ৰং, দিখৌ, দিগাৰু, ভোগদৈ ইত্যাদি। অনুমান ভাৰতবৰ্ষলৈ বৈদিক আৰ্য্যসকল অহাৰ আগতে উত্তৰ বংগ আৰু অসমত আলপাইন প্ৰাধান্য হয়। মহাভাৰতৰ সময়ত বা তাৰ কিছু পূৰ্বে আৰ্য্যবিলাক আহি মগধ, উত্তৰ বংগ আৰু অসমত অসুৰপূজক আলপাইনবিলাকক প্ৰবল দেখা পাইছিল। বৈদিক আৰ্য্য-সকলে মগধ, উত্তৰ বংগ আৰু প্ৰাগজ্যোতিষ আৰ্য্য ভাষা আৰু কৃষ্টিসম্পন্ন আলপাইন ৰাজন্যবৰ্গক ব্ৰাত্যস্তোম (Vratyastoma) পদ্ধতি অনুসাৰে সোনকালে ব্ৰাত্য-ক্ষত্ৰিয় কৰি ললে আৰু আলপাইন পুৰোহিতবিলাক ব্ৰাহ্মণ বুলি জনাজাত হ'ল। ইয়াৰ বহু পূৰ্বে দক্ষিণ আৰু পশ্চিম ভাৰতবৰ্ষত এইদৰেই Mediterranean জাতিৰ পুৰোহিতবিলাক তেলেগু ব্ৰাহ্মণ, কেনাৰীজ ব্ৰাহ্মণ, দেশস্থ ব্ৰাহ্মণ, সাৰস্বত ব্ৰাহ্মণ আৰু চিপ্-পাবন ব্ৰাহ্মণ হ'ল। এনেতে বৌদ্ধ প্ৰভাৱ হোৱাত আৰু তাৰ লগে লগে বৈদিক ব্ৰাহ্মণসকলৰ প্ৰতিপত্তি কমি যোৱাত এইবিলাক অবৈদিক ব্ৰাহ্মণৰ প্ৰতিপত্তি কোনো প্ৰকাৰে খৰ্ব হোৱা নাছিল। এতিয়া দেখা গ'ল যে আলপাইনবিলাকে পোন প্ৰথমে আৰ্য্যভাষা আৰু কৃষ্টি পূৰ্ব-ভাৰতবৰ্ষত প্ৰচাৰ কৰে। অসমৰ ব্ৰাহ্মণ, কায়স্থ আদি সম্প্ৰদায়ে মিথিলা, কনৌজ প্ৰভৃতি ঠাইকেহে নিজৰ আদিস্থান বুলি বিবে-চনা কৰে। কিন্তু কলিতা দেশ বা কলিতা ৰজাৰ দেশ অসমৰ উত্তৰে কোনো ঠাইত আছে বুলি প্ৰবাদ এতিয়ালৈকে চলি আছে। অসমৰ এই কলিতাবিলাকেই যে ইৰাণৰপৰা আৰ্য্যভাষা আৰু সভ্যতা লগত লৈ অহা Alpine জাতিৰ মানুহ এই-টোহে মোৰ অনুমান হয়। বৰ্তমান সময়ৰ কিছুমান অসমীয়া ব্ৰাহ্মণ আৰু কায়স্থও যে বঙালী ব্ৰাহ্মণৰ নিচিনা মূলতে আলপাইন আছিল সেই বিষয়ে সন্দেহ খুব কমেই আছে। নৃ-তত্ত্ববিদ পণ্ডিতলোকৰ দ্বাৰা অসমত Anthropometric Survey হলে এইবিলাক তথ্য ভালকৈ ওলাব। আলপাইনবিলাকৰ নাক ওখ আৰু দীঘল মূৰ-ঘূৰণীয়া (Round-headed) অথবা Brachy-cephalic বৰ্তমান সমস্ত ভাৰতবৰ্ষত নিৰ্ভেজ Alpine গঢ় বংগদেশৰ কায়স্থ আৰু গুজৰাটৰ নাগৰ ব্ৰাহ্মণবিলাকৰ আৰু চিত্ৰালৰ খো (Kho) বিলাকৰ আছে। ভাণ্ডাৰকাৰৰ মতে নাগৰ ব্ৰাহ্মণবিলাকৰ বহুপূৰ্বে ঘোষ, বসু, দত্ত, দাস, পালিত, সোম, সেন,

পাল, কুণ্ড, দাস, নাগ, বৰ্ম্মণ, নন্দী ইত্যাদি পদবী আছিল। খ্ৰীষ্টাব্দৰ পঞ্চম শতিকাত ভাস্কৰবৰ্মাৰ পূৰ্বপুৰুষ মহাভূতবৰ্মাই দুশ বছৰ ব্ৰাহ্মণক কুশী নদীৰ পাৰত তামৰ ফলি কৰি মাটি দিছিল। সেই ফলি পুৰি নষ্ট হোৱাত সপ্তম শতিকাত ভাস্কৰবৰ্মাই নিধনপুৰত পোৱা ফলি লিখি দিছিল। এই ফলিত যিবিলাক ব্ৰাহ্মণৰ নাম আছে তেওঁবিলাকৰো এইবিলাক পদবী আছিল। সপ্তম শতিকাৰ ত্ৰিপুৰা অঞ্চলৰ লোকনাথ নামে কৰতলীয়া ৰজাৰ তামৰ ফলিত যিবিলাক ব্ৰাহ্মণৰ নাম পোৱা যায় তেওঁলোকৰো এনেবিলাক পদবী আছিল। অষ্টম শতিকাৰ উৰিষ্যাৰ ৰজা শুভকৰৰ যি তামৰ ফলি ওলাইছে সেই ফলিত নাম দিয়া ব্ৰাহ্মণসকলৰো এনে পদবী দেখা যায়। আজিকালি বঙালী কায়স্থ সকলৰহে এনে পদবী দেখা যায়। কিন্তু বল্লালসেনৰ দিনলৈকে বংগদেশত আৰু ধৰ্মপাল ৰজাৰ দিনলৈকে কামৰূপত ব্ৰাহ্মণৰ এনে পদবী আছিল। ইয়াৰপৰা অনুমান কৰিব পাৰি যে এনে পদবীধাৰীসকল পূৰ্বে ব্ৰাহ্মণ বা Alpine priest আছিল। অনুমান সেন ৰজা-সকলৰ দিনত বংগদেশৰপৰা বৌদ্ধ প্ৰভাৱ আঁতৰ হোৱাত বৈদিক ক্ৰিয়া-কাণ্ডৰ যেতিয়া লৈকে প্ৰচলন হবলৈ ধৰিলে তেতিয়া বৈদিক ব্ৰাহ্মণৰ বিশেষ আৱশ্যক হ'ল। তেতিয়া মিথিলা আৰু মধ্যপ্ৰদেশৰ কনৌজ আদি ঠাইৰপৰা বংগদেশলৈ বৈদিক ব্ৰাহ্মণৰ সমাগম হোৱা সম্ভৱ। অনুমান অষ্টম শতিকাত আদিসুৰ ৰজাৰ দিনত পাঁচজন বৈদিক ব্ৰাহ্মণ বংগদেশলৈ আহিছিল আৰু বৰ্তমান সময়ৰ সমস্ত ৰাঢ়ীয়, বাৰেন্দ্ৰ আৰু পাশ্চাত্য বৈদিক ব্ৰাহ্মণ সম্প্ৰদায় সেই পাঁচজনৰপৰাই বাঢ়িছে ই কোনো প্ৰকাৰে বিশ্বাসযোগ্য নহয়। ৰায়বাহাদুৰ ৰমাপ্ৰসাদ চন্দই নিজে কৈছে—The story of the descent of all the Rarhiya and Barendra Brahmans from the five immigrants from Kanauj imported by Adisura appears to be a much later invention আচল কথা এই যে এইবোৰ ব্ৰাহ্মণৰ সন্তান-সন্ততিবিলাকে আগৰ স্থানীয় আল-পাইন ব্ৰাহ্মণবিলাকৰে মিহলি হৈ গ'ল আৰু আলপাইনবিলাকৰ কিছুমান ব্ৰাহ্মণ হৈয়েই ৰ'ল, কিছুমান বৈদ্য হ'ল আৰু কিছুমান কায়স্থ হৈ গ'ল। মিহলি হোৱাৰ বাবে বৰ্তমান বঙালী ব্ৰাহ্মণৰ মূৰ বঙালী কায়স্থৰ মূৰতকৈ অলপ দীঘল। অস-মতো বিচাৰ কৰিলে আলপাইন ব্ৰাহ্মণ ভালেখিনি আছে বুলি জনা যাব। ইফালে মিচিৰ, শুকুল, তেৱাৰী, তিৰোতীয়া প্ৰভৃতি মৈথিল আৰু কনৌজীয়া ব্ৰাহ্মণও অসমত আছে। সকলোবিলাক মিহলি হৈছে। আজিকালি গুজৰাটতো আলপাইন নাগৰ ব্ৰাহ্মণবিলাক ৰাণীয়া বা পণ্ডিত ব্ৰাহ্মণৰূপেহে পৰিগণিত হয়। আপোনালোকে জানে যে চীন পৰ্য্যটক Yuan Chwang-এ ভাস্কৰবৰ্মাক ব্ৰাহ্মণ বুলি লিখি গৈছে। পূৰ্বে কোৱা গৈছে যে ব্ৰাহ্মণবিলাকৰ ভিতৰত বৰ্মনটো এটা পদবী আছিল। এতেকে ভাস্কৰবৰ্মাৰ বংশ পূৰ্বৰ বঙালী কায়স্থবিলাকৰ নিচিনাকৈ সপ্তম শতিকাত ব্ৰাহ্মণ বুলি খ্যাত হোৱা অসম্ভৱ নহয়। বিশেষ Yuan Chwang অন্ততঃ এমাহ কামৰূপত আছিল। এওঁ শ্ৰীহট্ট বৈশ্য জাতীয় বুলি লিখি গৈছে। এওঁ যে ভাস্কৰবৰ্মাৰ প্ৰকৃত জাতি বা কুল কি নজনাকৈ ব্ৰাহ্মণ বুলি লিখি গৈছিল এইটো বিশ্বাসযোগ্য নহয়।

তেওঁ পুংখানুপুংখৰূপে সকলো কথা অনুসন্ধান কৰিছে তেওঁৰ বিবৰণত লিখিছে; কোনো সম্বাদ তেওঁ ভুল কৰি লিখি থৈ যোৱা নাই।

এতেকে এতিয়া দেখা গ'ল যে যি অসমীয়া জাতিৰ বুৰঞ্জী লৈ আমি আলোচনা কৰোঁ, সেই জাতি অষ্ট্রেলাইদ, তিব্বতো-বৰ্মান, শ্যান, আলপাইন আৰু বৈদিক আৰ্য্য জাতিৰ ভিত্তিৰ ওপৰত গঢ়া। এওঁবিলাকৰ ভাষা সভ্যতা আৰু কৃষ্টিৰ চিন আছে। এওঁলোকৰ বৰ্তমান সময়ৰ ভাষা যদিও মূলতে আৰ্য্য ভাষা তথাপি Austroloid আৰু Tibeto-Burman ভাষাৰ শব্দ এই ভাষাত আছে। ভালকৈ বিচাৰ কৰি চালে বৰ্তমান অসমীয়া মানুহৰ মাজত এতিয়ালৈকে চলি থকা সাধু-কথাৰ আঁতি-গুৰি বহুত দূৰলৈকে শিপাব। আৰু সৰহ উদাহৰণ দিবৰ আৱশ্যক নাই। যোৱা পাঁচ বছৰৰ ভিতৰতে আমাৰ দেশৰ প্ৰাচীন বুৰঞ্জী সম্বন্ধে কিমান নতুন তথ্য ওলাল আপোনালোকে বুজিব পাৰিলে। এইবিলাক তথ্য আৱিষ্কাৰ কাৰ্য্যত সমিতিৰ জৰ্ণেলখনিয়ে কিমান সাহৰ্য্য কৰিছে তাকো আপোনালোকে দেখিলে। এই জৰ্ণেলখনিৰ এতিয়া পাঁচ বছৰ সম্পূৰ্ণ হৈছে। দুখৰ বিষয় এই জৰ্ণেলখনিয়ে এতিয়াও অসমীয়া মানুহৰ সহযোগ আৰু সহায় উপযুক্ত পৰিমাণে পোৱা নাই। মই স্বীকাৰ কৰোঁ যে মোৰ নিচিনা অভাজনৰ দ্বাৰা এনে এখন জৰ্ণেলৰ সম্পাদকীয় ভাৰ গ্ৰহণ কৰা উচিত নহয়। মোৰ গাৰপৰা এই ভাৰ আৰু কাৰবাক শোধাব পাৰিলে মই ৰক্ষা পৰোঁ। আজি এই পাঁচ বছৰে এই জৰ্ণেলৰ কাৰণে বঙালী, মহাৰাষ্ট্ৰীয় আৰু ইংৰাজ লিখকৰপৰা প্ৰবন্ধ পোৱা হৈছে, কিন্তু অসমীয়া প্ৰবন্ধ সংগ্ৰহ কৰা বৰ কঠিন কাৰ্য্য। মই নিজে প্ৰবন্ধ লিখিছে অনেক সময়ত জৰ্ণেলৰ কলেৱৰ পূৰ্ণ কৰিব লগাত পৰে। এই অৱস্থা যদি আগলৈকে থাকে, তেনেহলে মই নিজে সোনকালে এই জৰ্ণেলৰ সম্পাদকৰ ভাৰ এৰি দিবলৈ বাধ্য হম।

ইয়াৰ পূৰ্বে মই কৈছোঁ যে আমাৰ জাতীয় আৰু দেশীয় বুৰঞ্জী উদ্ধাৰ কৰা কাৰ্য্য আমি নকৰিলে কোনে কৰিব? এই কাৰ্য্যত অসমীয়াৰ কৰ্তব্য পোন প্ৰথম, তাৰ পাচতহে আনৰ। যি জাতিয়ে এই কৰ্তব্য ভালকৈ সমাধা কৰিব পাৰিছে সেই জাতিয়েহে আজিকালি জগতত সভ্য আৰু শিক্ষিত বোলাব পাৰিছে। এই কৰ্তব্য পালন কৰাত যেয়ে পিচপৰা সেয়ে নিজক প্ৰকৃতপক্ষে সভ্য আৰু শিক্ষিত বোলাব নোৱাৰে। অলপতে গুৱাহাটী চহৰতে বহা গুৱাহাটী বংগীয় সাহিত্য পৰিষদ আৰু প্ৰবাসী বঙালী ছাত্ৰ সম্মিলনীৰ বুটীয়া বৈঠকত কলিকতা বিশ্ববিদ্যালয়ৰ ডক্টৰ নীহাৰৰঞ্জন ৰায়ে কৈ গৈছে যে অসমৰ প্ৰকৃত বুৰঞ্জী-সংকলনত বঙালীৰ যথেষ্ট কৰ্তব্য আছে, কাৰণ তেওঁৰ মতে আজিলৈকে অসমত যিবিলাক বুৰঞ্জী লিখা হৈছে সেইবোৰ নিৰ্ভুল নহয়। আৰু অসমৰ ইতিহাস জগতত আমি সৰহ দূৰ অগ্ৰসৰ হ'ব পৰা নাই। এইখিনিতে মোৰ বক্তব্য এই যে এতিয়ালৈক আমাৰ পুৰণি ইতিহাসৰ যিবিলাক তথ্য নিৰূপণ কৰা হৈছে তাত কাৰো আপত্তি থাকিলে তেওঁ আমাৰ জৰ্ণেলত প্ৰবন্ধ লিখি সেইবিলাক ভুল শুধৰাবলৈ চেষ্টা কৰিব পাৰে, আৰু যদি আমাৰ জৰ্ণেলত লিখিবলৈ তেওঁলোকে বেয়া পায় তেন্তে Indian Culture, Indian Historical Quarterly নাইবা J R A S B-ত লিখিলেও আমি ভাল

পাম, কাৰণ আমাৰ উদ্দেশ্য হৈছে ঐতিহাসিক সত্য উদ্ধাৰ কৰা। ডক্টৰ ৰায়ে পণ্ডিত পদ্মনাথ বিদ্যাবিনোদৰ খুব সুখ্যাতি কৰি কৈছে যে তেওঁৰ যত্ন আৰু পুৰুষাৰ্থৰ ফলত কামৰূপৰ বুৰঞ্জীৰ যিবিলাক তথ্য ওলাইছে সেইবিলাক অসমীয়া বুৰঞ্জীলৈ বঙালীৰ দান। পণ্ডিত বিদ্যাবিনোদক আমি অসমৰ মানুহ বুলি ধৰোঁ আৰু তেওঁ আদিৰপৰা কামৰূপ অনুসন্ধান সমিতিৰ এজন গুৰিয়াল আৰু আজি পৰ্য্যন্ত এজন বিশিষ্ট সভ্য। এওঁৰ অনুসন্ধান আমি সমিতিৰ অনুসন্ধানেৰে ভিতৰুৱা বুলিহে বিবেচনা কৰোঁ আৰু আমি তাক নতশিৰে দুই হাত আগবঢ়াই গ্ৰহণ কৰিছোঁ। আমাৰ জৰ্ণেলত যিসকল বঙালী লিখকে লিখি আমাৰ বুৰঞ্জী চহকী কৰিছে তেওঁ-লোকৰ ওচৰত আমাৰ কৃতজ্ঞতা আমি জনাওঁ। ডক্টৰ ৰায়ক আমি কওঁ যে তেওঁ কোনমতে আজি ৪০০ বছৰৰ পূৰ্বে জলপাইগুৰি, ৰংপুৰ, কোচবিহাৰ আৰু পূৰ্ব মৈমনসিংহৰ অধিবাসীবিলাক প্ৰায় ১৫০০ বছৰ কামৰূপী আছিল। সমস্ত উত্তৰ বংগ মধ্যবংগ প্ৰায় ১৫০ বছৰ কামৰূপ-ভুক্ত আছিল। সেই বাবে সেই ঠাইৰ বৰ্তমান বঙালীবিলাকক আমি প্ৰবসুৱা বুলিব নোখোজোঁ। তেওঁলোক আদিতে কামৰূপী আছিল বুলিহে আমি দাবী কৰোঁ। আমি জানো যে ৰংপুৰ, মৈমনসিংহ, জলপাইগুৰি আৰু কোচবিহাৰৰ কলিকতীয়াবিলাক বঙালী কায়স্থ হোৱা আজি বেচি দিন হোৱা নাই। আজি প্ৰায় ১২০ বছৰৰ আগেয়ে ডক্টৰ বুকা-ননে এইবিলাক জিলাত বিস্তৰ কলিতা মানুহ দেখিছিল। সেই কলিতাবিলাকৰ তিৰোতাই মেখেলা পিন্ধিছিল আৰু তেওঁলোক তাঁত বোৱাত পটু আছিল। এই ১২০ বছৰৰ ভিতৰতে এই অসমীয়া মানুহবিলাকৰ কোনো চিন-চাব নোহোৱা হ'ল। ই আমাৰ পক্ষে অৱশ্যে বৰ বেজাৰৰ কথা; কিন্তু যিসকলে অসমক বংগদেশৰ ভিতৰত সুমুৱাই বৃহত্তৰ বংগ সৃষ্টি কৰিব খোজে তেওঁলোকৰ পক্ষে বৰ আনন্দৰ কথা হ'ব পাৰে। অসমীয়া স্ব-জাতীয় বোধ আৰু স্বাতন্ত্ৰ্যবোধ দেখি ডক্টৰ ৰায়ে বেয়া পাব নালাগে। আমি স্বতন্ত্ৰ হৈও বংগদেশৰ আৰু অসমৰ বুৰঞ্জী অনুসন্ধান কৰাত সহায় কৰিম, কিন্তু কামৰূপৰ আৰু অসমৰ পূৰ্বৰ গৌৰৱ আমি পাহৰিব নোৱাৰোঁ। আমাৰ জাতীয় আৰু দেশীয় বুৰঞ্জী চিৰকাল পৰাধীনতাৰ মলিন ছায়াৰ তলত পৰি থকা হলে পূৰ্বস্মৃতি মচি পেলাবলৈ কিজানি অলপ-অচৰপ যত্ন কৰিলোঁহেঁতেন, কিন্তু আমাৰ অতীত যে অতিশয় উজ্জ্বল আৰু গৌৰৱপূৰ্ণ, এনে অতীতৰ স্মৃতি কোন সতেৰে পাহৰিম? ভাৰতবৰ্ষীয় জাতীয়তাৰ সোঁতত বুৰ মাৰি নিজৰ স্বতন্ত্ৰতা একেবাৰে হেৰুৱাম?

কামৰূপৰ প্ৰান্তৱৰ্তী উত্তৰ বংগ আৰু পূৰ্ববংগৰ সৈতে কামৰূপৰ ভাষাগত কৃষ্টিগত, আৰু জাতিগত সাদৃশ্য বহুত আছে আৰু থাকিবৰ কথা। কিন্তু সেই বুলি অসমীয়া বা কামৰূপী ভাষা বংগ ভাষাৰ ঠেৰুলি; অসমীয়া বা কামৰূপী কৃষ্টি বঙালী সভ্যতাৰ নকল আৰু অসমীয়া জাতি ব্ৰাহ্মণ, কায়স্থাদি উচ্চবৰ্গ সকলো বংগদেশৰপৰা আদিতে অহা এনে দাবী কৰা অন্যায়। অসমীয়া ভাক বঙালী; অসমীয়া অনন্ত কন্দলী বঙালী, অসমীয়া সুকনান্নী ৰচনা কৰা সুকবি নাৰায়ণ বঙালী অসমীয়া কন্যা বাৰমাহী গীত বঙালী "বাৰমাস্যা গীত" এনে বুলি দাবী কৰা আৰু

অন্যায়। ইফালে আমি যদি দাবী কৰোঁ যে উত্তৰ বংগৰ অধিবাসীবিলাকৰ অধিক ভাগ মূলতে অসমীয়া কলিতা আৰু বাকীবিলাক অসমীয়া কোচ বা ৰাজ-বংশী, উত্তৰ বংগৰ ভাষা কামৰূপী ভাষাৰে ঠেতুলি আৰু উত্তৰ বংগৰ সভ্যতাৰ মূল কামৰূপী সভ্যতা, তেনেহলে এই দাবী কোনেও ঐতিহাসিক সত্যৰ ওপৰত নির্ভৰ কৰি একেবাৰে দলিয়াই পেলাব নোৱাৰে। বর্তমান সময়ত কামৰূপ নামটি ৰৈছেগৈ এখন ক্ষুদ্র জিলাত। সেই দেখি উজনি অঞ্চলৰ কোনো কোনো লোকে কামৰূপ অনুসন্ধান সমিতি নামটি বৰ পছন্দ নকৰে। মোৰ Early History of Kamaiupa নামে পুথি ওলোৱাৰ পাচত কোনো লোকে মোক সুধিছিল যে মই কিতাপ-খনৰ নাম Early History of Assam নুবুলিলো কিয়? ইংৰাজী ১৯১২ চনত কামৰূপত অনুসন্ধান সমিতি স্থাপিত হয়। তেতিয়া পণ্ডিত হেমচন্দ্ৰ গোস্বামী আৰু সত্যনাথ বৰা এই সমিতিৰ দুজন ঘাই গুৰিয়াল আছিল। তেতিয়া তেওঁলোকে বহুত বিবেচনা কৰিহে এই নামকৰণ কৰিছিল। পূর্বকালত কামৰূপৰ সীমা আছিল "কৰতোয়াং সমাৰভ্য যাবদ্দিকৰবাসিনী"। সপ্তম শতিকাৰ Yuan chwang-অৰ বিৱৰণ মতে কামৰূপৰ পূর্ব সীমা আছিল অসম আৰু মান দেশৰ মাজৰ পর্বতশ্রেণী। এই সমিতিৰ উদ্দেশ্য হৈছে এই বিশাল ৰাজ্যৰ ইতিবৃত্ত সংগ্ৰহ কৰা, অকল বর্তমান অসম প্রদেশৰ বা অসম উপত্যকাৰ নহয়। পুৰণি কাম-ৰূপৰ সীমাৰ ভিতৰত বর্তমান অসম পৰি যায়, সেই বাবে অনুসন্ধানৰ ক্ষেত্ৰ বহল কৰি কামৰূপ অনুসন্ধান সমিতি নাম দিয়া একো অন্যায় হোৱা নাই। অসম অনুসন্ধান নাম দিয়া হলে কোচবিহাৰ আৰু কমতা ৰাজ্যৰ ইতিবৃত্ত এই সমিতিয়ে অনুসন্ধান কৰা আৱশ্যক নহ'লহেঁতেন। জর্ণেলখনি ওলোৱাৰপৰা এই সমিতিৰ ইংৰাজী নাম কৰা হৈছে Assam Research Society আৰু জর্ণেলৰ নাম হৈছে Journal of the Assam Research Society পাটনাৰপৰা ওলোৱা বিহাৰ প্রদেশৰ জর্ণেলৰ নাম Journal of the Bihar and Orissa Research Society, ইয়াৰ নাম Journal of the Magadha Research Society নহয়, যদিও সেই নাম হলে কোনো প্রকাৰৰ অযুগুত নহলহেঁতেন।

অতএব আশা কৰোঁ যে কামৰূপ অনুসন্ধান সমিতিৰ নাম সম্বন্ধে যদি কাৰোবাৰ কিবা আসোঁৱাহ থাকে তাক পৰিহাৰ কৰি যেন সকলো কৃতবিদ্য অসমীয়া মানুহে এই সমিতিত যোগদান কৰে। এই সমিতিৰ ঘৰৰ ওচৰতে লগালগিকৈ অসম প্রাদেশিক Museum সাজিবলৈ যোজা কৰা হৈছে তাক আপোনালোকে দেখিছে। আশা কৰোঁ আৰু তিনি চাৰি মাহৰ ভিতৰতে Museum ঘৰটি সজা হ'ব। খাৰঘুলিৰ শিল, ভৰলুৰ বালি, জামছেদপুৰৰ লোহা আৰু প্রাচীন মগধৰ ৰোহিতাশ্ব দুর্গৰ ওচৰত তৈয়াৰ হোৱা স্বদেশী Rohtas cement-ৰ দ্বাৰা এই গৃহ নির্মাণ কৰা হ'ব। এজন মাৰোৱাৰী ভদ্রলোক, ৰায়বাহাদুৰ নওপৎৰায় কেড়িয়াৰ বদান্যতাৰ ফলত আৰু অসম গৱর্ণমেণ্টে মঞ্জুৰ কৰা টকাৰ সহায়ত এই ঘৰটি সাজি-বলৈ কাৰবাৰ কৰা হৈছে। এই বুৰঞ্জী শাখাৰপৰা ৰায়বাহাদুৰ কেড়িয়াক আৰু অসম গৱর্ণমেণ্টক, বিশেষকৈ শিক্ষা মন্ত্রী মৌলনা ওৱাহীদক, ধন্যবাদ দিয়া একান্ত উচিত।

আৰু দুই চাৰিটা কথা কৈ মোৰ বক্তৃতা শেষ কৰিম। আমাৰ বুৰঞ্জীৰ কোনো কোনো অংশ এতিয়াও অন্ধকাৰত পৰি আছে, অনুসন্ধানৰ দ্বাৰা সেইবিলাকত পোহৰ পেলাব লাগে। কামৰূপৰ ৰজা ধৰ্মপালৰ পাচত জয়পালৰ নাম পাইছোঁ। তেওঁ দ্বাদশ শতিকাৰ ৰজা আছিল আৰু বংগদেশৰ চিলিমপুৰ নামে ঠাইত পোৱা এখন শিলালিপিত তেওঁক "অচিন্তাধামন" বোলা হৈছে আৰু তাত লিখা আছে যে তেওঁ সিদিনাখনৰ বিকানিৰ মহাৰজাৰ নিচিনাকৈ সোণেৰে আৰু সোণৰ মোহৰেৰে তুলাপুৰুষ-দান কৰিবলৈ সমৰ্থ হৈছিল। ইয়াৰপৰা বুজা যায় তেওঁ এজন প্ৰতাপশালী ৰজা আছিল আৰু তেওঁৰ ৰাজ্য বৃহৎ আৰু সমৃদ্ধিশালী আছিল। এওঁৰপৰা ষোড়শ শতিকাৰ বিশ্বসিংহ ৰজাৰ ৰাজত্বৰ আৰম্ভলৈকে ৩০০ বছৰৰ কামৰূপৰ বুৰঞ্জী ৰব আন্ধাৰ। এই সময়ৰ ভিতৰতে অৱশ্যে কমতাপুৰত ৰাজপাট হয় আৰু ইপিনে পূবফালে কছাৰী আৰু চুটিয়াবিলাকক ঠেলি আহোমসকলে পৰাক্ৰমী ৰাজ্যৰ ভেঁটি পাতে। ত্ৰয়োদশ শতিকাৰ মাজ মানৰপৰা পূৰ্ব অসম বা সৌমাৰৰ সঠিক বিৱৰণ আহোম বুৰঞ্জীৰপৰা পোৱা যায়; কিন্তু সেই বুৰঞ্জীতো কমতা, কছাৰী আৰু চুটিয়া ৰাজ্যৰ বিৱৰণ একেবাৰে অসম্পূৰ্ণ। সৌমাৰৰ স্বৰ্গনাৰায়ণ ৰজা আৰু কামৰূপৰ নৰনাৰায়ণ ৰজাৰ৹আগত কোনো ৰজাৰ মোহৰ বা মুদ্ৰা আজি পৰ্য্যন্ত ওলোৱা নাই। এওঁলোকৰ আগেয়ে যে কামৰূপত কোনো মুদ্ৰাৰ চলন নাছিল, এনে কেতিয়াও হ'ব নোৱাৰে। কাৰণ চিলিমপুৰৰ শিলালিপিয়েই কয় যে কামৰূপৰ ৰজা জয়পালে নিজৰ গাৰ ওজনৰ পৰিমাণে সোণ আৰু সোণৰ মুদ্ৰা ব্ৰাহ্মণসকলক দান কৰিছিল। এতেকে দ্বাদশ শতিকাতো মুদ্ৰাৰ প্ৰচলন আছিল। আমাৰদেশত গাহৰি মোহৰ বুলি এবিধ মুদ্ৰাৰ নাম শুনা যায় আৰু এনে প্ৰবাদ আছে যে এনে এটা মোহৰ ঘৰত থাকিলে কোনো অপায়-অমংগল নহয়। কামৰূপৰ ৰজাসকলে নিজক নৰকাসুৰৰ বংশৰ বুলি চিনাকি দিছিল। এই নৰক বৰাহ-ৰূপী নাৰায়ণৰ ঔৰস-জাত পুত্ৰ, গতিকে পূৰ্বৰ কামৰূপী ৰজাসকলৰ মুদ্ৰাত বৰাহৰূপী নাৰায়ণৰ প্ৰতিকৃতি থকা অসম্ভৱ নহয়। এই মুদ্ৰাৰ নামহে শুনা যায় কিন্তু এতিয়ালৈকে পোৱা নাই। চিলঙৰ Coin cabinet-ত যিটো গাহৰি মোহৰ বুলি ৰখা হৈছে মোৰ বিশ্বাস সেইটি জাল মুদ্ৰা। আপোনালোকৰ কোনোবাই কামৰূপৰ ৰজাসকলৰ মুদ্ৰা পালে আমাক খবৰ দিলে সুখী হ'ম।

আপোনালোকক অসমৰ বুৰঞ্জীৰ কোনো নতুন কথা কবলৈ মই আজি এই অধিবেশনৰ সভাপতিৰ পদ লোৱা নাছিলোঁ। মোৰ উদ্দেশ্য আপোনালোকৰ মাজত বুৰঞ্জীবিলাক অনুসন্ধান আৰু আলোচনাৰ প্ৰতি এটি আগ্ৰহ সৃষ্টি কৰা। এই উদ্দেশ্য যদি অলপ পৰিমাণেও সফল হৈছে তেন্তে মোৰ পৰিশ্ৰম সাৰ্থক হৈছে বুলি জানিম। ইয়াকে কৈ আপোনালোকে যে ইয়াত গোট খাই কোনো কোনোৱে দূৰ বাটৰপৰা আহি মোৰ কথাখিনি মন দি শুনিলে এই বাবে আপোনালোকক নমস্কাৰ জনাই আপোনালোকৰপৰা বিদায় ললোঁ।

———

স্তোত্ৰ

সকলোৰে পিতা তুমি, তুমি সৰ্ব্বময়,
সকলো দেশতে পূজ্য সকলো সময়,
জ্ঞানী বা অজ্ঞানী কিবা সাধু যত নৰে;
পূজিছে, "যিহোবা" "যোধ" বা 'লৰ্ড' নামেৰে
(তুমি) জ্ঞানৰ অতীত আৰু অনাদি কাৰণ,
ৰাখিছা জ্ঞানক মোৰ কৰি আচ্ছাদন,
এই মাত্ৰ জানো মই তুমি দয়াময়,
আৰু জানো মূঢ়মই নাই জ্ঞানোদয়।
যদিও কৰিছা অন্ধ অৱস্থা আমাৰ
তেওঁ পাৰোঁ বেয়া ভাল কৰিব বিচাৰ,
সকলো জীৱই যদি ভাগ্যৰ অধীন
তথাপিও নৰ মন সদায় স্বাধীন।
বিবেকে যি কৰে মোক কৰ্ম্মৰ বিধান,
হওক যেন তাত ৰতি স্বৰ্গৰ সমান,
অথবা নৰক বুলি যি কামে দঢ়াই,
হওক যেন ঘিন তাত নৰকৰ প্ৰায়।
অনন্ত দয়াৰ গুণে যি দিছে প্ৰভুয়ে
তাত যেন সকলোৰে সন্তোষিত হোৱে
যেতিয়াই সুখে ভুঞ্জে প্ৰভুদত্ত দান,
তেতিয়াই লোকে ৰাখে ঈশ্বৰৰ মান।
তোমাৰ যে দয়া এই ক্ষুদ্ৰ পৃথিৱীত
ভাবিব নিদিবা যেন আছে যে ইয়াত
আৰু যেন তুমি মাত্ৰ নৰৰে ঈশ্বৰ,
নেভাবা যি হলে প্ৰভু হাজাৰ বিজাৰ।
এই যেন বলহীন অজ্ঞানৰ হাত,
পতিত লোকক যেন নকৰে আঘাত;
পৃথিৱীত যি সদায় বিপক্ষ তোমাৰ;
তাক যেন নকৰাহো মন্দ ব্যৱহাৰ

ন্যায় পথে আছা যদি কৰা দয়া দান,
যিহত থাকিম ময় সুখে অৱস্থান,
ভ্ৰান্ত হই ভ্ৰমো যদি ময় ভ্ৰম পথ;
সুপথে চলাই কৰা পূৰ্ণ মনোৰথ।
যি যি বস্তু দিছা প্ৰভু ভাবি মোৰ হিত
কদাছিতো যেন তাত নহও গৰ্বিত;
নিদিছা যি বস্তু যেন তাতো দয়াময়
নহয় কদাপি অসন্তোষৰ উদয়।
শিকোৱা পৰৰ দুখ ভাবে আপোনাৰ
অন্যৰ দোষ দেখিলে নকৰোঁ প্ৰচাৰ
দয়াময় যি কৰুণা দিছা মোৰ প্ৰতি,
সেই দয়া দেখাও পৰক দিয়া মতি
যদিও অধম ময় নহও অধিক
কিয়নো তুমিয়ে দিছা এই প্ৰাণ মোক
চলোৱাহে দয়াময় তোমাৰ অধীনে
জীৱন মৃত্যুৰ মুখে যাওঁ যেই পোনে,
যি আছে সূৰ্য্যৰ তলে সকলো থাকোক,
কেৱল আজিৰ প্ৰভু অন্ন শান্তি হ'ক;
ভাল-বেয়া দিয়া তুমি জানাহে তুমিএ
তোমাৰ ইচ্ছাই যেন সম্পূৰণ হোৱে
সকলো ভুবন প্ৰভু তোমাৰেহে স্থান
পৃথিবী সাগৰ শূন্য পৱিত্ৰ আসন
সকলোৱে যেন একে লগে গীত গাই
প্ৰকৃতিও পূজে যেন ধূনা উকৰাই। *

---

* ইংৰাজীৰপৰা ভাঙি লিখা।

বসন্ত বিদায়

মধুৰ বসন্ত হলহি অন্ত, নাই আৰু সি মলয় পৱন
নাই কোকিলৰ, সি মধুৰ স্বৰ, শুনি যাক হয় হৰিষ মন ।
ৰঙা বৰণৰ কুঁহি পাতে, আৰু মলয় মৃদু বাতে,
নকৰে ধেমালি, পৰি হালিদুলি, গৈছে নুমলি পাতবো বৰণ ॥
বনত বিহঙ্গে নেগাই গীত, বনফুল গন্ধে নহৰে চিত
সূৰ্য্য দেৱৰ, প্ৰখৰ কিৰণ, দেখি লতাফুল সবে মলিন ।
দুবৰি ডালিয়ে উষা কালে, নেসানে নিয়ৰ নিজ গালে,
মুকুতা মণিটি, বুলি সি বোপাটি, ধৰিবলৈ আৰু নকৰে মন ॥
ইটি ফুল এৰি সিটিত পৰি, নুফুৰে ভোমোৰাই ঘূৰি ঘূৰি,
বসন্তত ভুলি, মধু ৰস তুলি, নকৰে আৰু গুঞ্জৰণ
বসন্ত গলে আহিব জহ, গজিব নকৈ যতেক শহ,
আহি পালে জাৰ, হ'ব মহামাৰ, প্ৰকৃতি শোভা কৰিব হৰণ" ॥
যোৱাগৈ বসন্ত যোৱা বাৰু, বছৰৰ মূৰত আহিবা আৰু
ফল-ফুলে আকৌ শুকান গছক, সজাবা আহি কৰি যতন ।
কবাহি আহি অসমীয়াক, "নুশুনিবা আৰু এলাহৰ হাক,
উঠা সাজি-পাৰি, বুকে সাহ ধৰি, দেখুৱা আনক নিজৰ মান ॥"

—x—

ব্ৰহ্মপুত্ৰ

১

এক ধ্যান এক জ্ঞান এক মন্ত্ৰ স্মৰি
সদায় গইছা তুমি কুল্ কুল্ কৰি,
দিন গই হ'ল ৰাতি,
সপ্তাহ মাহক কাটি,
বছৰৰ পাছে গ'ল বছৰ বাগৰি।
সদায় গইছা তুমি কুল্ কুল্ কৰি॥

২

ক'লই গইছা তুমি কি কামত যোৱা?
মিনতি কৰিছোঁ মোক কোঁৱাচোন কোঁৱা?
দিন যায়, ৰাতি যায়,
ভাগৰ-আমনি নাই,
কুল্ কুল্ ৰব তুলি কিবা গান গোৱা?
মিনতি কৰিছোঁ মোক কোৱাচোন কোৱা?

৩

কেনেনো সুন্দৰ ভাব তোমাৰ গানৰ,
সংসাৰৰ চিন্তা হয় মনৰ আঁতৰ।
সি গানত ভোল গই,
সন্ধ্যা হ'লে ৰই ৰই,
শুনিছোঁ কিমান বহি পাৰত তোমাৰ।
তথাপি পলোৱা নাই হেঁপাহ মনৰ॥

৪

কত দিন দেখিছোঁহি সন্ধ্যা সময়ত
কিবা ৰূপ ধৰা তুমি হিয়াৰ মাজত।
দেখিছোঁ তাৰকা কোটি
অনন্তৰ শিৰে উঠি,
দাপোণ মনেৰে ভাবি তোমাৰ বুকুত।
অধোমুখ হই সবে চায়হি ভ্ৰমত ॥

৫

দেখিছোঁ সদায় তুমি ন ন ভাব ধৰা,
সদায় তোমাৰ মন আনন্দেৰে ভৰা,
কুল্ কুল্ গীত তেও
নেপাহৰা কেতিয়াও,
সদায় তোমাৰ বয় প্ৰেমৰ নিজৰা।
আপোন লক্ষ্যৰ বাট কেতিয়াও নেৰা ॥

৬

সাগৰেৰে তোমাৰ কি ইমান প্ৰণয়?
এখন্তেক নেদেখিলে পৰাণ নৰয়!
সি প্ৰেমত পমি গই
শত ধাৰা ৰূপে বই
সাগৰক পালে তাতে পোৱা তুমি লয়!
কুল্ কুল্ কুল্ গান তাতে লোপ হয় ॥

৭

বুজিছোঁ বুজিছোঁ তুমি পৰম প্ৰেমিক,
তোমাক দেখিয়ে দিওঁ মানৱক ধিক্,
হ'বনে মানৱ হায়!
প্ৰেমিক তোমাক প্ৰায়,
ৰাখিব আগত সদা লক্ষ্য কৰি ঠিক।
—তোমাক দেখিয়ে দিওঁ মানৱক ধিক্ ॥

৮

শিকোঁৱা শিকোঁৱা হেৰা নদ পুণ্যবান,
শিকোৱা আমাক তুমি প্ৰেম কিনো ধন,
তোমাৰ দৰেই যেন
কুল কুল্ তুলি গান
পাৰিম কৰিব এক মন এক ধ্যান।
শিকোঁৱা শিকোঁৱা হেৰা নদ পুণ্যবান ॥

৯

তোমাৰ নিচিনা যেন লক্ষ্য স্থিৰ কৰি
চলি যাওঁ সেই পথে মহামন্ত্ৰ স্মৰি।
ৰোগ শোক তাপ ভয়
সকলো কৰিম জয়
অন্তিম কালত যেন সকলোকে এৰি।
অনন্তত লীন হ'ব ই জীৱন তৰী ॥

—x—

আমাৰ শিল্প

১

সকলোৱে মানিব লাগিব যে আমাৰ শিল্পৰ উন্নতি আগেয়ে অধিক আছিল। আমাৰ এতিয়ালৈকে থকা পুৰণি বস্তুবিলাক দেখিলেই সেই কথা ভালকৈ বুজিব পাৰি। শিল কটা, কাপোৰ বোৱা, অলংকাৰ আৰু কাঁহি-বাটি গঢ়া, হাতীৰ দাঁত বা পহুৰ শিঙৰ বনকৰা প্ৰভৃতি কামত বুঢ়াবিলাক বহুতগুণে আমাতকৈ শ্ৰেষ্ঠ আছিল। সেইবিলাক গুণ লাহে লাহে আমাৰ গাৰপৰা যাব লাগিছে, আমিহে তাক দেখিও দেখা নাই। অসম-ৰজাসকলৰ লগে লগে দেৱ-মন্দিৰবিলাকত দেৱমূৰ্ত্তি, শিলৰ খুটা, শিলৰ দুৱাৰ কটাও শেষ হ'ল। সেই বিদ্যা এতিয়া আমাৰ মাজত লোপ হৈছে। আমাৰ দেশত আগেয়ে বহুত ভাল ভাল কাপোৰ সীয়া হৈছিল। ৰজাঘৰৰ আৰু ডাঙৰীয়াসকলৰ কাপোৰ-কানি জোলাবিলাকৰ দ্বাৰাই বোৱা হৈছিল। জোলাৰ বংশই এতিয়া ধ্বংস পালে। সিহঁতে কপাহী, পাট, মুগা, মেজাংকৰী, কেটকুৰি, এড়ী প্ৰভৃতি কাপোৰ বৰ চিকণকৈ বৈছিল। তিমান মিহি কাপোৰ এতিয়া আমাৰ দেশত নাই। অসমীয়া পাট সকলোতকৈ শ্ৰেষ্ঠ, কিন্তু বংগদেশৰপৰা এতিয়া সস্তা-ভাৱেৰে পাট আমদানি হোৱাত সেই কাপোৰৰ ব্যৱহাৰ একেবাৰে বন্ধ হ'ল। মেজাং-কৰী আৰু কেটকুৰিৰো দশা সেইয়ে। মুঠেই মুগা আৰু এড়ী এই দুই কাপোৰহে আমাৰ দেশত আজিলৈকে আছে। তাৰো অৱস্থা ভাল নহয়। তাৰ কাৰণ প্ৰথ-মতঃ বহুত ঠাইত আমাৰ ভেকাসকলে মুগাৰ মেখেলা গাৰুৰ গিজিপ বুলি এৰি দিছে। দ্বিতীয়তঃ এইবিলাক কাপোৰ বহুমূলীয়া, বহুতে সেইবাবেই পাট-মুগা কাপোৰ পিন্ধিব নোৱাৰে। এই দেখি মুগা, এড়ী কাপোৰ আগৰ সমান বোৱা নহয়। কিন্তু বহুতে এই কথা নেমানে। তেওঁলোকে কয় যে আগতকৈ মুগা বা এড়ী কাপোৰ বোৱা একো কম হোৱা নাই, বৰং অধিক হৈছে; গৱৰ্ণমেণ্টেও তাকে কয়।

আমাৰ প্ৰজা সংখ্যা আগতকৈ এতিয়া অধিক হবও পাৰে। কিন্তু সেই বুলি অসমীয়া মানুহৰ সংখ্যা অধিক হোৱা নাই। বঙালী, হিন্দুস্থানী প্ৰভৃতি ভাৰতৰ আন আন ঠাইৰ মানুহ আহিহে অসমৰ প্ৰজা-সংখ্যা অধিক কৰিছে। আৰু সেই-বিলাকে অসমীয়া মুগা বা এড়ী কাপোৰ কেতিয়াও ব্যৱহাৰ নকৰে। আগেয়ে আমাৰ পুৰুষ মানুহবিলাকেও মুগাৰ চুৰিয়া আৰু এড়ীয়া কাপোৰ লৈছিল। এতিয়া সেই পৰিচ্ছদ বহুতৰ নাই। পাঠকসকলে এতিয়া বুজি লওক, এইবিলাক কাপোৰ

আগতকৈ সবহ বোৱা হয় নে কম হয়। ক্রমে আৰু বোৱা কমিহে আহিব। অলপৰপৰা ইংৰাজ বেপাৰী কিছুমানে আমাৰ দেশৰপৰা এড়ী (Cocoon) লৈ গৈ কলত কাপোৰ বৈ এই দেশলৈ আনিছে। বোধকৰোঁ বহুতে সেই কাপোৰ দেখা নাই। সি বৰ চিকণ আৰু মিহি হৈছে; কলত তৈয়াৰী হোৱা বাবে বেচোঁ কম হ'ব। তেতিয়া অসমীয়া মানুহে সেই কাপোৰ সস্তাত নিকিনি আৰু আমাৰ দেশত বোৱা কাপোৰ লবনে? এতিয়া পাচ সেৰ এড়ীৰ বেচ যদি ১০ ০০ টকা হয়, সেই পাচ-সেৰ এড়ীৰ সূতা কাটি কাপোৰ বৈ বেচিলে ১২ ০০ টকাৰ ওপৰ নহয়। এনে স্থলত অসমীয়া মানুহে এড়ী নেবেচি কাপোৰ বেচিবলৈ ইচ্ছা কৰিব কিয়? সেই দেখি-য়েই কওঁ—মুগা আৰু এড়ী কাপোৰৰ অৱস্থা ভাল নহয়। কপাহী কাপোৰৰ ভিতৰত আছে খনীয়া ছকঠীয়া, চেলেং আৰু গামোচা। পুৰুষৰ মাজৰপৰা খনীয়া কাপোৰ গুচি বঙালী ৰেপাৰ হ'ল। এতিয়াও ভাল ভাল গুণাকটা খনীয়া আৰু চেলেং আছে; কিন্তু আমাৰ মানুহৰ উৎসাহ নোহোৱাৰ বাবেই সেইবিলাকৰ উন্নতি হ'ব পৰা নাই।

বহুতে আমাৰ অলংকাৰবিলাক দেখিবলৈ শুৱনী নহয় আৰু বৰ গধুৰ বুলি আপত্তি কৰে, এই কথা একেবাৰে মিছা নহয়। ঢোল যেন বিৰি আৰু খামুচীয়া কেৰুৱেই তাৰ প্ৰমাণ। কিন্তু সেই বুলি এটাইবিলাক অলংকাৰ বেয়া নহয়। আমাৰ কিছুমান গহনা দেখি কোনেও নিন্দা কৰিব নোৱাৰে। এইবিলাক গহনাও আগেয়ে যিমান ভালকৈ গঢ়া হৈছিল এতিয়া তেনেকৈ নহয়। সেই দেখি আমাৰ মানুহৰ পুৰণি নিভাঁজ গহনালৈ ইমান হেঁপাহ।

আগেয়ে আমাৰ দেশত হাতীৰ দাঁত আৰু শিঙৰ কাম সুন্দৰৰূপে কৰা হৈছিল। খৰমৰ চুলা, কাকৈ, ফণি, কাণ খজুৱা প্ৰভৃতি কাম এতিয়াও যোৰহাট আৰু বৰপেটাত বিশেষকৈ কৰা হয়। কিন্তু সেই বিষয়ে কোনেও শিল্পীবিলাকক উৎসাহ নিদিয়ে আৰু সেইবিলাক বস্তুৰ প্ৰতি মানুহৰ আদৰ নোহোৱা হৈছে। গড়ৰ খড়গৰ কোশা আজিকালি খুব কম পোৱা যায়। কৃষ্ণসাৰ পহুৰ শিঙৰ লাখুটি আজিকালি প্ৰায় নোহোৱা হ'লহি। কাঁহী-বাটি, লোটা-চৰিয়া প্ৰভৃতি ঘৰুৱা বস্তুৰ গঢ়ন বৰ সামান্যৰূপে হয়। অসমত এইবিলাক গঢ়োৱা ঠাই বিশেষকৈ বহা আৰু সৰ্থেবাৰী। কাঠৰ কামো আগতকৈ এতিয়া বেয়া হৈছে। এতিয়া আমাৰ দেশত যিমান বাঢ়ৈ আছে সকলোবিলাকেই বঙালীৰ আহি লৈ শিকা; আগৰ পড়িসোজা বা চালপীৰাবিলাক এতিয়াৰ বাঢ়ৈয়ে সাজিব নোৱাৰে।

এইবিলাক কামৰ আগেয়ে আমাৰ দেশত বিশেষ উন্নতি নাছিল। কিন্তু আগেয়ে যি যি ফেৰা আছিল, এতিয়া সিও নাইকিয়া হৈছে। ভাল আহি লৈ আমাৰ মানুহে শিল্পৰ কাম যে নিশিকেই—আগৰ যি আছিল তাকো পাহৰিছে। উইলীয়েম-স্যন চাহাবে অনুগ্ৰহ কৰি আমাৰ উন্নতিৰ অৰ্থে যোৰহাটত এটি শিল্প-বিদ্যালয় পাতি দিছে, কিন্তু গৱৰ্ণমেণ্টে বৰ দুঃখেৰে প্ৰকাশ কৰিছে যে শিল্প শিক্ষাত অসমীয়াৰ যিমান উৎসাহ নথকাৰ বাবে বিদ্যালয়টিয়ে উন্নতি কৰিব পৰা নাই। ই কম দুঃখৰ কথা নহয়। আমাৰ মানুহে মিছা কথাত উৎসাহ আৰু সময়ৰ অন্যায় খৰচ কৰে।

কিন্তু এনেকুৱা লাগতিয়াল শিল্পটিলৈ তেওঁলোকে আওকাণ কৰি আছে। আমাৰ এড়ীয়া, মুগা কাপোৰ তল পৰিল আৰু তাৰ ঠাই বিলাতী কাপোৰে আহি অধিকাৰ কৰিলে। বিলাতী বেপাৰীক আমি আমাৰ জাৰ গুচাবৰ নিমিত্তে কিমান টকা দিছো তাক এতিয়াও ভাবি চোৱা নাই। ইমান দ কথাও কাৰো মনত সোমোৱা নাই, ই কম আচৰিত কথা নহয়। আমাৰ ডেকাসকলে আকৌ যেনেকৈ বঙালী সাজ পিন্ধাবলৈ ভাল পায়, কিন্তু ইফালে বঙালী সাজ পিন্ধালে যে বিলাতী কাপোৰৰ আৱশ্যক হ'ব, আৰু বিলাতী কাপোৰ কিনিলে যে দেশৰ টকা ওলাই সাত সাগৰ তেৰ নদী পাৰ হৈ যাব তাক কোনে ভাবিছে? পুৰুষৰ সাজৰ বাবেই বিলাতী বেপাৰীক ধন দি তৎ নেপাওঁ, তিৰোতাৰ সাজৰ বাবেও মাঞ্চেষ্টাৰৰ ফাললৈ গলে দেখোঁ আমাৰ মানুহ সম্বলশূন্য হ'ব। বহুতে আপত্তি কৰে যে মুগা, এড়ী কাপোৰৰ বেচ বিলাতী কাপোৰৰ তিনিগুণ, কিন্তু তেওঁলোকে ভাবি নেচায় যে অসমীয়া কাপোৰৰ বাবে ধন ভগন কৰিলে তাক অসমীয়াইহে পাব। কিন্তু বিলাতী কাপোৰৰ বাবে যি ধন দিয়া যায় সি আৰু এই দেশত নাথাকে। আৰু তেওঁলোকে অনাহক কথাত কত টকা খৰচ কৰে, কিন্তু অসমীয়া কাপোৰৰ বাবে টকা সৰহ দিবলৈ গলেহে গাত নসহে। 'দেশীয় আৰু বিদেশী সাজ' বোলা প্ৰবন্ধৰ শেহত 'আসাম বন্ধু'ৰ পত্ৰপ্ৰেৰকে এই যুক্তিৰ ভালৰূপে উত্তৰ দিছিল; বোলে আজাত নিদিলে লোণ পিটিকাত যায় চাৰিগুণ। আমাৰ মানুহে এতিয়া বোম্বাইৰ দৰে কলকাৰখানা খুলি বিদেশী কাপোৰ এই দেশৰপৰা আঁতৰাব নোৱাৰে হয়, তেওঁলোকে যদি চেষ্টা কৰি আমাৰ দেশজাত শিল্পৰ উন্নতি কৰে আৰু বিদেশী কাপোৰ ব্যৱহাৰ নকৰোঁ বুলি ধৰে, তেনেহলে দেশৰ কিমান উপকাৰ হয় ভাবি চাওঁক। ৰপ্তানি কৰা দেশজাত বস্তুৰপৰা ধন আমি নাপাওঁৱেই, ইয়াৰ ওপৰত আকৌ বিদেশী বেপাৰীক কাপোৰৰ বাবে ইমান ধন দিব লাগে। দেশৰ শিল্পৰ ধ্বংস হ'বলগীয়া হলহি, কিন্তু কোনোবাই ইয়াৰ প্ৰতিকাৰৰ চেষ্টা কৰিছেনে? কোনোবাই ভাবিছেনে, কেনেকৈ দেশৰপৰা বিলাতী বস্তুৰ ব্যৱহাৰ গুচাব পৰা যায়?

আমাৰ ৰজা ইংৰাজ; সেইদেখি বিলাতী বস্তুৰ আমদানি কমাবলৈ আমাক সেই ৰজাই কেতিয়াও সহায়তা নকৰে। এতেকে আমি নিজে প্ৰতিজ্ঞাবদ্ধ হৈ নিজ উৎসাহ আৰু সাহৰ ওপৰত ভৰ দি যেতিয়ালৈকে বিদেশী বস্তুৰ ব্যৱহাৰ গুচাবলৈ আৰু আমাৰ শিল্পৰ বিস্তাৰ কৰিবলৈ যত্ন নকৰোঁ তেতিয়ালৈকে দেশৰ মংগল নাই। এজন বা দুজনৰ উৎসাহৰ দ্বাৰাই হ'ব নোৱাৰে। পৃথিৱীত যিমান ডাঙৰ কামৰ অনুষ্ঠান হোৱা দেখা গৈছে সকলো মুঠ বন্ধাৰেহে। আমিও মুৰ পাতি এই কামত নধৰিলে কৃতকাৰ্য্য হ'ব নোৱাৰিম।

—x—

আমাৰ শিল্প

২

ইয়াৰ আগৰ প্ৰবন্ধত আমি ৰজাৰ দিনত আমাৰ দেশৰ (Architecture) শিলৰ ঘৰদুৱাৰ, সাঁকো ইত্যাদি বন্ধা কথা উনুকিয়াইছিলোঁ। আজি সেইবিলাক কামত আমাৰ মানুহৰ পাৰদৰ্শিতা আহোম ৰজাসকলৰ দিনত আৰু পুৰণি কামৰূপৰ হিন্দু ৰাজত্বৰ সময়ত কিমান আছিল সেই বিষয়ে কম।

ভাৰতবৰ্ষত বৌদ্ধধৰ্ম প্ৰবল হোৱাৰ বহুত আগেয়ে পুৰণি কামৰূপত প্ৰতাপী হিন্দু ৰজাবিলাকে ৰাজত্ব কৰিছিল। সেই সময়ত কামৰূপ ৰাজ্যৰ সীমা পূবে দিকৰাই আৰু পশ্চিমে কৰতোৱা নদী আছিল। ইয়াৰ দ্বাৰাই সেই কালৰ কামৰূপৰ হিন্দু ৰজাসকল কিমান প্ৰতাপশালী আছিল তাক বেছকৈ অনুমান কৰিব পাৰি। বহু দেৱ-মন্দিৰ, শিলৰ ঘৰ ইত্যাদি সেইসকল ৰজাৰ দিনত হৈছিল; সেইবিলাকৰ চিন আজিলৈকে অলপ অলপ আছে।

ভগদত্তৰ বংশৰ পাছত যেতিয়া বৌদ্ধধৰ্ম আমাৰ দেশত প্ৰচাৰ হবলৈ ধৰিলে, তেতিয়া মানুহৰ বৈদিক ধৰ্মলৈ বিদ্বেষ হোৱাত সেই হিন্দু দেৱালয় বিলাকলৈ অৱহেলা হ'ল আৰু সেই বাবেই বহুত ভাঙি-ছিঙি গ'ল। বহুত আকৌ বৌদ্ধবিলাকে ধ্বংস কৰিলে। সিমানতো এই দেৱ-মন্দিৰবিলাক সাং হোৱা নাছিল, মুছলমানবিলাকে ভাৰতবৰ্ষৰ শেষ হিন্দু ৰজা পৃথুৰায়ক পৰাভৱ কৰি দিল্লীৰ সিংহাসন অধিকাৰ কৰাৰ অলপ সময়ৰ পাচতে বংগদেশো সিহঁতৰ দ্বাৰাই অধিকৃত হ'ল। সেই সময়ত কামৰূপৰ হিন্দু ৰাজবংশৰ ৰজাই কমতাপুৰত ৰাজত্ব কৰিছিল। মুছলমানবিলাকে কমতাপুৰৰ নীলাম্বৰক পৰাজয় কৰাত কামৰূপ খণ্ড সিহঁতৰ অধিকাৰলৈ যায়। সেই সময়ত সিহঁতে বহুত দেৱালয় একেবাৰে ধ্বংস কৰিলে। খৃঃ ১৫৫৩ অব্দত বংগদেশৰ নবাব চলেমানৰ সেনাপতি কালাপাহাৰ বা কালযৱন অসমলৈ আহি বহুত দেৱ-মন্দিৰ আৰু মূৰ্তি ভাঙি যায়। সেই সময়ত কামাখ্যাৰ মন্দিৰটিও ভঙা পৰে; এতিয়া যি মঠ বৰ্তমান আছে তাক আগৰ ভেঁটিৰ ওপৰত কোচ বিহাৰৰ ৰজা শুক্লধ্বজেহে নিৰ্মাণ কৰে।

ভগদত্তৰ সময়ৰপৰা খৃঃ ষষ্ঠ শতিকাৰ পাছলৈকে প্ৰাগ্‌জ্যোতিষপুৰেই কামৰূপৰ ৰাজধানী আছিল। এই পুৰণি নগৰৰ চিন মাটিৰ তলত পোত যোৱা গড়, মঠ, শিলখুটা ইত্যাদিৰ বাজে আন একো আজি-কালি দেখিবলৈ পোৱা নাযায়।

কালৰ সোঁতে সেইবিলাকক একেবাৰেই ধুই নিছে। পুৰণি শোণিতপুৰ আৰু কুণ্ডিল নগৰৰো অৱস্থা সেয়ে। সিমান ডাঙৰ নগৰবিলাকৰ আজি কালি আমি নিচেই অলপহে চিন দেখিবলৈ পাওঁ।

গুৱাহাটীৰ পাচত কমতাপুৰেই কামৰূপৰ ৰজাসকলৰ ৰাজধানী হয়। বংগদেশৰ নবাব হুচেনচাই ১২ বছৰ যুদ্ধ কৰিহে কমতাপুৰৰ ৰজা নীলাম্বৰক পৰাজয় কৰি কামৰূপ লয়। সেই কমতাপুৰ এতিয়াৰ অসমৰ ভিতৰত নপৰে আৰু সেই নগৰৰো আজি কালি একো বিশেষ চিন দেখা নাযায়।

কালাপাহাৰে ধ্বংস কৰাৰ আগেয়ে বিশ্বসিংহ ৰজাই যোগিনীতন্ত্ৰ চাই মাটি খানি পীঠস্থান উলিয়াই পুৰণি ভেঁটিৰ ওপৰতে কামাখ্যা মন্দিৰ সজায়। আহোম ৰজাবিলাকৰ মাজত সেইদৰে পুৰাণ তন্ত্ৰাদি চাই বহুত দেৱালয় সাজে। কিন্তু আগৰ ভগ্নাৱশেষবিলাকৰে সৈতে তুলনা কৰি চালে বৰ্তমান দেৱালয়বিলাকৰ গঠন নিচেই সামান্য বুলি নাভাবি নোৱাৰি। এইবিলাক দেৱালয়ৰ চাৰিওফালে পৰি থকা শিল্পৰ মূৰ্তি, খামচূড়া প্ৰভৃতি দেখিলে আগৰ দিনত আমাৰ দেশত এই শিল্পৰ কিমান উন্নতি আছিল তাক ভালকৈ বুজিব পাৰি। আহোম ৰজাসকলৰ দিনত এই বিদ্যাৰ বিশেষ উন্নতি নহে বৰং অধোগতিহে হৈছিল। দেশত ভাল শিল্পী নথকাৰ নিমিত্তে আহোম ৰজাসকলে বিদেশৰপৰা কাৰিকৰ আনি বহুৱাইছিল আৰু সেইবিলাকৰ দ্বাৰাই তলাতল ঘৰ, গড় আৰু নানা দেৱালয় সজাইছিল। ক্ৰমে এই শিল্পৰ আলোচনা এনেকৈ কম হৈ আহিবলৈ ধৰিলে যে আজি কালি অসমত এজনো ভাল ঘৰশলীয়া (mason) বিচাৰি পাবলৈ নাই আৰু যদিও আমাৰ দেশত ইটা বা শিলৰ অভাৱ, তথাপি নিচেই সাধাৰণ পকী ঘৰ এটি সাজিব লাগিলেও তাৰ সজুলিবিলাক বিদেশৰপৰা নানিলে নহয়।

— —

অসমত উৎপন্ন বাণিজ্য বস্তু

কাঠ

প্ৰকৃতিৰ ভঁৰাল অসমত যিমানবিলাক উৎপন্ন বস্তু আছে, সেইবিলাকৰ মাজত কাঠো এটি বৰ প্ৰধান বস্তু। অসমৰ কাঠনিবিলাকত শাল (Shorea Robusta), চাম (Artocaerpus chaplasha), নাহৰ, এজাৰ, গমাৰী (Gmelina Arborca), কৈৰ, শিংগৰী, পমা (Cedrela Toona) প্ৰভৃতি বহুত বহুমূলীয়া কাঠ পোৱা যায়। সেইবিলাকৰপৰা নাও, খুটা, ধুম, স্লিপাৰ কাটি বিদেশলৈ ৰপ্তানি কৰা হয়। গমাৰী কাঠ প্ৰায় সকলো কাঠতকৈ টান আৰু মূল্যবান; ই ইংৰাজী Teak কাঠৰ নিচিনা আৰু ইয়াৰ দ্বাৰাই অসমত সকলোতকৈ ভাল নাও-বিলাক কটা হয়। ৰ'দত বা পানীৰ তলত থাকিলেও এই কাঠ অলপো বেয়া নহয়। পমা কাঠ দেখিবলৈ প্ৰায় mahogany ৰ দৰে কিন্তু তাতকৈ অনেক অংশে নীহ। সকলো কাঠৰ মাজত শালেই বৰ লাগতিয়াল আৰু তাক বহুত পৰিমাণে আমাৰ দেশত পোৱা যায়। শালগছ গজিলে একে ঠাইতে হৈ ক্ৰমে চাৰিওফালে বিস্তাৰিত হৈ পৰে। অসমত কামৰূপৰ কোনো কোনো ঠাই, গাৰো আৰু খাচিয়া পৰ্বতত শালগছ উৎপন্ন হয়। সকলো কামতে শালগছৰ আৱশ্যক হোৱাত এই কাঠৰ বেপাৰো বৰ লাভজনক। অলপ দুঃখ কৰিলেই এই বেপাৰত সুকলমে লাভ কৰিব পাৰি। অসমীয়া মানুহৰ কাঠৰ কামত সিমান আগ্ৰহ দেখিবলৈ পোৱা নাযায়। ধুমৰ কামত মাৰোৱাৰী আৰু বঙালী বেপাৰীবিলাকে বৰ লাভ কৰিব লাগিছে। সিহঁতে কামৰূপৰ পলাশবাৰীৰপৰা, গাৰো পৰ্বতৰ মন্নইমুখ আৰু গোৱাল-পাৰাৰ কাঠ নি বিশেষকৈ চিৰাজগঞ্জ আৰু ঢাকাত বিক্ৰি কৰে আৰু সেইদৰেই বহুত লাভ কৰে। কলিকতাত অসমৰ শালকাঠৰ বেপাৰ নিচেই কম বুলিব পাৰি। তালৈ ব্ৰহ্মদেশ আৰু নেপালৰ শালবহে বেচি আমদানি হয়। অসমৰ শাল কিন্তু ব্ৰহ্মদেশ বা নেপালৰ শালকাঠতকৈ ভাল বুলি সকলোৱে কয়; আমাৰ দেশৰ শাল সৰহকৈ পালে যে কলিকতাতো তাৰ আদৰ হ'ব, সেই বিষয়ে অকণো সন্দেহ নাই।

স্লিপাৰৰ কামো আজি কালি আমাৰ দেশত কিছু পৰিমাণে চলিছে। কিন্তু মূলধন নথকাৰ বাবে সাধাৰণ অসমীয়াই এই বেপাৰত হাত দিব নোৱাৰে। অসমত এতিয়া নতুন ৰেল চলিলে স্লিপাৰৰ কাম বেচিকৈ হ'ব আৰু তাৰ দ্বাৰাই অসমৰ কাঠনিবিলাকো অলপ পৰিষ্কাৰ হ'ব যেন আশা কৰা যায়।

যোৱা বছৰত গৱৰ্ণমেণ্টে অকল কাঠনিত উৎপন্ন বস্তু বিলাকৰপৰা ৩২৬৭৯৩ টকা আয় কৰিছে। এই টকাৰ অধিকাংশ ভাগ কাঠৰ বেপাৰী বিলাকৰপৰা গৱৰ্ণমেণ্টে গছত লগোৱা ৰাজহৰ (royalty) বাবে পাইছে। যোৱা বছৰত তাৰ আগৰ বছৰতকৈ কাঠনিৰ ৰাজহৰপৰা গৱৰ্ণমেণ্টে প্ৰায় ৫২০০০ মান টকা কম পাইছে। কামৰূপ আৰু গাৰো পৰ্বতৰ মানুহবিলাকৰ মাজত "কলা আজাৰ"ৰ সোমোৱাই তাৰ প্ৰধান কাৰণ।

এই প্ৰবন্ধাৱলীৰ আৰম্ভণতে কৈছোঁ যে যদিও আমাৰ দেশ নানা বস্তুৰ ভঁৰাল তথাপি সেই ভঁৰালৰপৰা ধন উলিয়াই আনিবৰ নিমিত্তে যিবিলাক উপকৰণ আৱশ্যক সেইবিলাক নথকাৰ বাবে আমাৰ নিমিত্তে সেই লুকাই থকা ধনবিলাক আচল ধনৰ লেখত পৰিব পৰা নাই। ইংৰাজ অহাৰ আগেয়ে আমাৰ দেশৰ বিখ্যাত নাগমাটিৰ খনিবিলাকৰপৰা ধন কোনেও উলিয়াব নোৱাৰিছিল। য'ৰে নাগমাটি ত'তে পৰি মাটিৰ গৰ্ভত লুকাই আছিল। তাৰনো কি ব্যৱহাৰ হয় তাক কোনেও নাজানিছিল। ইংৰাজ আহি খনি চাই তাক খানিবৰ উদ্যোগ কৰিলে। বিলাতত তেতিয়াই মূলধন তুলি যৌথ কাৰবাৰ খোলা হ'ল। ইংলণ্ড আৰু ভাৰতৰ আন ঠাইৰপৰা খনিত কাম কৰিবলৈ অসংখ্য মানুহ আহি দেশ ভৰিল। অকল সেয়েই নহয়, নাগমাটি খনিৰপৰা ওলালেই ধন নোলায়; যি ঠাইলৈ নিলে সেই নাগমাটিৰপৰা ধন পাব পাৰি, সেই ঠাইলৈ তাক নিব লগা হ'ল। তেতিয়াই আকৌ মূলধন উঠিল, ৰেলপথ হ'ল, শেষত ক্ৰমে অসমৰ নাগমাটি চাৰিওফালে প্ৰসিদ্ধ হৈ উঠিল। নাগমাটিত যি উদাহৰণ দেখুওৱা গ'ল, অসমৰ হাবিবিলাকৰ মাজত থকা বহুমূলীয়া কাঠবোৰৰ সম্পৰ্কেও তাকে কব পাৰি। প্ৰথমতে কাঠনিবিলাকত গছ কটা, কাঠফলা ইত্যাদি কাম কৰিবলৈ মানুহ পোৱা টান; এইবিলাক কামৰ নিমিত্তে বিদেশৰপৰা মানুহ পোৱাও নিচেই সহজ কথা নহয়। কাৰণ আমাৰ হাবিবিলাক এনে অসুবিধা আৰু নানা ৰকমৰ ৰোগেৰে ভৰা যে কোনো বিদেশী তালৈ গৈ মৰিব নোখোজে। দ্বিতীয়তে আজিলৈকে আমাৰ বাট-পথবিলাক সুগম হোৱা নাই। সেইদেখি এনেকুৱা বাণিজ্য বস্তুবিলাকৰ অনা-নিয়াৰ (conveyance) বৰ অসুচল। ৰেলপথ হলে বাট-পথো মুকলি হ'ব আৰু তাৰ লগে লগে কাম কৰা মানুহৰ সংখ্যাও সৰহ হ'ব। সেয়ে হলেই এইবিলাক অসুবিধা গুচিব, তেতিয়া নিঃসন্দেহে কাঠৰ বেপাৰ ভালকৈ চলিব।

ৰেছম

চাহ কাঠৰ পাচত আমি আমাৰ দেশৰ ৰেছমৰ (Silk) সম্পৰ্কে অলপ কবলৈ আগবাঢ়িছোঁ। ইয়াৰ আগেয়ে আমি দ্বিতীয় বছৰৰ পঞ্চম সংখ্যা জোনাকীত "আমাৰ শিল্প" নামেৰে প্ৰবন্ধত অসমৰ ৰেছমৰ বিষয়ে কিছুমান কথা কৈছিলোঁ; এতিয়া সেই বিষয়ে বিশেষকৈ কবলৈ সৰহ নাই। অসমত পাট, মুগা, মেজাঙ্কৰী, কেটকুৰি, এড়ী প্ৰভৃতি ৰেছম পোৱা যায়। অসমীয়া পাটৰপৰা কৰা কাপোৰ কাল-

দেশৰ পাটৰপৰা বোৱা কাপোৰতকৈ বেচি মিহি আৰু দিন যোৱা। আগৰ দিনৰ ৰজা বুঢ়াগোহাঁই আৰু ৰাজ্যৰ আন আন ডাঙৰ বিষয়াবিলাকে বিশেষকৈ এই কাপোৰ পিন্ধিছিল, আৰু তেতিয়াৰ জোলাবিলাকে সেইবোৰ কাপোৰ বৰ চিকুণকৈ বব পাৰিছিল। অসমৰ ৰজাসকলৰ লগে লগে অসমীয়া পাটৰ কাপোৰৰ আদৰ কমিল আৰু ক্ৰমে সেই কাপোৰ বোৱাও কম হৈ আহিল। এতিয়া সেই দেখি এই কাপোৰ পোৱা বৰ টান হৈ পৰিছে। বিশেষ বঙ্গদেশৰপৰা আজিকালি সস্তা দৰত নীহ তছৰৰ কাপোৰ পোৱা যায়। সেই কাপোৰ পাই অসমীয়া পাটৰ কাপোৰ কোনেও বেচি ধন দি লব নোখোজে।

পাটৰ পাচতে মুগা। মুগাপোক (Antheroea Assama), চোম, দীঘলতি প্ৰভৃতি গছৰ পাতেৰে পোহ হয়। চোমগছ অসমৰ উজনি খণ্ডতে সৰহকৈ পায়। নামনিৰ কামৰূপ আদি ঠাইত চোমগছ একেবাৰে নগজে। উজনিৰ বহুত মানুহৰ নিজৰ চোমনি আছে। সাৱধান আৰু মনোযোগেৰে বছৰেকৰ ভিতৰত পাঁচবাৰ মুগা লগাব পৰা যায়। সকলোতকৈ জাৰকালি লগোৱা মুগাৰ সূতা ভাল। আমাৰ দেশত মুগা সকলো ৰকম ৰেছমতকৈ সৰহ পৰিমাণে প্ৰস্তুত কৰা হয়; কাৰণ অসমীয়া তিৰোতাৰ মুগাৰ ৰিহামেখেলাই সাধাৰণ বেশ। মেজাঙ্কৰী আৰু কেটকুৰি, মুগাৰে বেলেগ বেলেগ বিধ মাথোন; মেজাঙ্কৰী মুগা সকলোতকৈ চিকুণ। ইয়াৰ পোক এদাকৰি গছত লগোৱা হয়। আগৰ দিনত মেজাঙ্কৰীৰ যিমান আদৰ আছিল এতিয়া সিমান নাই। কেটকুৰি মুগাও খুব কম পৰিমাণেহে পোৱা যায়। ইয়াৰ পোক বগৰি গছৰ পাতেৰে পোহা হয়।

এড়ীও প্ৰায় মুগাৰ সমান পৰিমাণেই অসমত প্ৰস্তুত কৰা হয়। এড়ীপোক নানাৰকম গছৰ পাতেৰে পোহে, তাৰ মাজত এড়াগছৰ পাতেই ঘাই। অসমৰ প্ৰায় সকলো ঠাইতে এড়ী পোৱা যায়। কামৰূপত ভোটৰ দুৱাৰৰ ওচৰত ইয়াক বিশেষকৈ পায়। বছৰৰ ভিতৰত এড়ীপোক দুবাৰ গছত লগোৱা হয়। সূতা-বিলাকৰ কিছুমান বগা আৰু কিছুমান ইটাবৰণীয়া। বগা সূতাৰ কাপোৰ দেখি-বলৈ বৰ ভাল আৰু এই কাপোৰৰ বৰ আদৰ। এড়ী আৰু মুগা সূতা বা কাপোৰৰ বেহা বৰ লাভজনক হবৰ সম্ভাৱনা। অসমত এড়ী আৰু মুগা এই দুবিধকে বেচিকৈ প্ৰস্তুত কৰা হয়। অসমৰ বাহিৰেও আন ঠাইত অসমীয়া ৰেছমৰ কাপোৰৰ ঘাইকৈ এড়ীৰ আজিকালি চলতি হৈছে। কলিকতা প্ৰভৃতি ঠাইত চাহাববিলাকৰ এড়ী কাপোৰৰ পোছাক বৰ হেঁপাহৰ বস্তু। অসমীয়া মানুহৰপৰা কিনি লৈ মাৰো-ৱাৰীবোৰে এই কাপোৰবিলাক বিদেশলৈ ৰপ্তানি কৰে। অসমীয়া মানুহে স্বদেশ-জাত এইবিলাক ৰেছমৰ কাপোৰৰ বেপাৰ কৰা নিতান্ত যুগুত; কাৰণ এইবিলাক কাপোৰৰ টকা অসমীয়া মানুহত বাজে আন কোনোৱেই নাপায়। এই বেপাৰত আমাৰ মানুহে এতিয়াৰপৰাই ধৰিব লাগে, নহলে পিচলৈ সুবিধাৰে এই বেপাৰ চলোৱা টান হ'ব; কাৰণ মাৰোৱাৰী যি বেপাৰতে লাগিছে তাকে নষ্ট কৰি সিহঁতত বাজে আন কোনোৱেই চলাব নোৱাৰা কৰিছে। বঙ্গদেশত বাজেও অসমৰ পাট-মুগা কাপোৰ দাঁতিপৰীয়া পৰ্বতবিলাকলৈও ৰপ্তানি হয়। যোৱা বছৰত সেইবিলাক

ঠাইৰ অসভ্যবিলাকৰ মাজলৈ প্ৰায় ১৬,০০০ টকাৰ অসমীয়া ৰেছমৰ কাপোৰ গৈছে।

অসমৰপৰা অকল কপোৰেই নহয় মুগা আৰু এড়ীৰ (cocoon) বহুত পৰিমাণে বিলাতলৈ পঠোৱা হয়। বিলাতত এইবিলাকৰপৰা সূতা উলিয়াই ৰেপাৰ, আলোৱান আদি কাপোৰত মিহলি কৰে, কেতিয়াবা অসমীয়া ৰেছমৰ সূতাৰে আন সূতা লগ লগাই এবিধ ৰেছমৰ কাপোৰ বৈও এই দেশলৈ পঠায়। সেই কাপোৰ-বিলাক দেখিবলৈ বৰ চিকুণ। যোৱা বছৰত অসম দেশৰপৰা বাজলৈ ১,৭১,৪১০ টকাৰ cocoon আৰু ১,৩৩,৪০০ টকাৰ বোৱা ৰেছমৰ কাপোৰ ৰপ্তানি হৈ গৈছে। দুঃখৰ বিষয় তৈয়াৰী অসমীয়া এড়ী মগা কাপোৰৰ যিমান আৱশ্যক সেই পৰিমাণে আমাৰ দেশত পোৱা নাযায়। দেশীয় মানুহে এই ৰেপাৰত লাগি বিস্তাৰিতৰূপে এইবিলাক কাপোৰ বোৱালে তেতিয়া অভাৱ অনুসৰি যোগান হ'ব। তাকে কৰিলে জাতীয় প্ৰধান শিল্প এটিও লোপ নোপোৱাকৈ ৰক্ষা কৰা হ'ব আৰু বহুতৰ পেট পোহাৰো দিহা ওলাব। বঙ্গদেশ আৰু ভাৰতৰ আন আন ঠাইত জাতীয় শিল্প-বিলাকৰ ৰক্ষা আৰু উদ্ধাৰৰ অৰ্থে দেশহিতৈষীবিলাকে যত্ন কৰিব লাগিছে, আশা কৰোঁ অসমীয়া মানুহেও যেন আওকাণ কৰি হাত সাবটি নাথাকে।

---

* Vide Memorandum on the Industrial Arts and Manufactures in Kamrup By the late Mr Fatik Chandra Borooah (Assam News, Vol I, No 48)

ভূঁইকপৰ উপকাৰিতা

পৃথিৱীৰ আকাৰলৈ চাই ভূঁইকপবিলাক অতি সামান্য আলোড়ন মাথোন; কিন্তু সেই আলোড়নৰ ফলত পৃথিৱীত মানুহৰ কিমান ধন-প্ৰাণ নষ্ট হৈছে তাৰ ঠিক নাই। বহুত ঠাইত একোখন ডাঙৰ নগৰ ধ্বংস হৈছে; ঘৰ-বাৰী, মানুহ, পশু প্ৰভৃতি একেবাৰে নাশ পাইছে, আগ্নেয়গিৰিবিলাক মানুহৰ নিমিত্তে ধ্বংসৰ মূল, সেই দেখি বোধকৰোঁ এই ভূঁইকপৰ উপকাৰিতা সম্বন্ধে বিচাৰ কৰিবলৈ যোৱা বহুতে আচৰিত বুলি ভাবিব। কিন্তু দৰাচলতে ভূঁইকপৰপৰা মানুহৰ যেনেকৈ এফালে হানি হৈছে, আনফালে সেইদৰে এটি মহৎ উপকাৰ সাধিত হ'ব লাগিছে। সেই উপকাৰৰ তুলনাত হানিৰ ভাগটি নিচেই সামান্য বুলি অনুমান হয়। সেই উপকাৰ কেনেকৈ সাধিত হৈছে তাক দেখুৱাবলৈ চেষ্টা কৰা যাওক।

আজিকালি যেনেকৈ পৃথিৱীত বহু ওখ-চাপৰ ঠাই আছে, আদিৰেপৰা যদি তেনে নহৈ পৃথিৱীখন সম্পূৰ্ণ বৰ্ত্তুলাকাৰ হলহেঁতেন তেনেহলে যে পৃথিৱীৰ ওপৰ ভাগত অকণো মাটিৰ ভাগ নাথাকিলহেঁতেন তাত কোনো সন্দেহ নাই। তেনেকুৱা হলে পৃথিৱীৰ কেউমেৰ সমৌনদ-সাগৰ এখনেৰে বেৰ়া থাকিলহেঁতেন। কিন্তু কেৱল পৃথিৱীৰ আভ্যন্তৰিক শক্তিবিলাকৰ বলতহে এনে হবলৈ পোৱা নাই, এই শক্তিৰ দ্বাৰাই পৃথিৱীৰ ওপৰ ভাগত দ্বীপ, দেশ, মহাদেশ, পৰ্বত প্ৰভৃতিৰ সৃষ্টি হৈছে।

মাটিৰ প্ৰধান শত্ৰু পানী। পানীয়ে দুবিধ উপায়েৰে মাটিৰ ধ্বংস সাধন কৰিব লাগিছে; সেই দুবিধ উপায় এই—

১। প্ৰথমতে সাগৰে সদায় পাৰত খুন্দিয়াই উপকূল ভাগ ক্ষয় কৰিব লাগিছে। তাদৰ নৈয়েই কেতিয়াবা একোখন গাঁও ভাঙি পানীৰ গৰ্ভত লুকুৱায়; তেনেস্থলত সাগৰে যে বছৰে বছৰে কিমান মাটি পাৰৰপৰা ধুই বা এৰুৱাই নিয়ে তাক সহজে বুজিব পাৰি। বহুতে কব পাৰে এইদৰে সাগৰে সদায় মাটি ধুই নিয়া হলে দ্বীপ-বিলাকৰ কেতিয়াবাই অন্ত পৰিলহেঁতেন। কিন্তু তেওঁলোকে নাভাবে যে যেনেকৈ এফালে এইদৰে মাটিৰ ধ্বংস হ'ব লাগিছে আনফালে আকৌ নৈসৰ্গিক নিয়ম অনু-সাৰে সেই হানি পুৰোৱা হৈছে। সেই হানি কেনেকৈ পুৰোৱা হৈছে তাক আমি এতিয়া কম। এইদৰে হানিৰ প্ৰতিকাৰ নোহোৱা হলে সোনকালে মাটিৰ ধ্বংস হ'লহেঁতেন আৰু পানীৰ ভাগ বেচি হ'লহেঁতেন। পাৰৰপৰা মাটি ধুই নি তাৰ অধিক ভাগ সাগৰে নিজ গৰ্ভতে লুকায় থয়, কিছু ভাগেৰে নতুন উপকূল সাজে;

এইবিলাকক আমি চাপৰি বোলোঁ। যিবিলাক মাটি সাগৰে নিজ গৰ্ভৰ ভিতৰত ৰাখে তাৰ দ্বাৰাই সাগৰৰ গভীৰত্ব কম হৈ আহে। সদায় তলত মাটি পৰি পৰি সাগৰখন ক্ৰমে বাম হবই হ'ব। এইদৰে সাগৰৰ তলি ওপৰলৈ উঠিলে পানীৰ ওপৰ ভাগ (level) ওখহৈ আহি ক্ৰমে পাৰ একেবাৰেই বুৰাই দিয়ে, নহয় বা চাপৰ গঢ়া পাই তাক বেচিকৈ ভাঙিবলৈ ধৰে।

২। দ্বিতীয়ত বৰষুণে সাগৰৰ এই কাৰ্য্যত সহায়তা কৰে। বৰষুণৰ পানীয়েও বহুত মাটি দেশৰ চাৰিওফালৰপৰা ধুই আনি সাগৰত পেলাই সাগৰৰ তলি ওখ কৰে আৰু তাৰ লগে লগে মাটিৰ ওপৰ ভাগৰ (level) নমায়। এই কাৰ্য্য সদায় হৈ থাকিলে অৱশেষত পানীয়ে দেশ বুৰাই দিয়ে। পৃথিৱীত পানীৰ বিস্তৃতি বেচি হলে সূৰ্য্যৰ শোষক শক্তিৰ দ্বাৰাই বেচি বাষ্প ওপৰলৈ নিয়া হ'ব আৰু তাৰ ফলত বৰষুণ বেচিকৈ হ'ব। এই এটাইবিলাক কাৰণ গোটখাই পৃথিৱীত মাটিক পানীয়ে ঢাকিবলৈ কাৰবাৰ কৰে।

আমি ওপৰত কৈ অহাৰপৰা দেখা যাব যে পৃথিৱীত মাটিক পানীৰ তলত ৰাখিবৰ ঘাই উপায় পৃথিৱীৰ ওপৰভাগ যিমানদূৰ পৰা যায় সমান কৰি পৃথিৱীক এটি বাতলু-গুটিৰ নিচিনা ঘূৰণীয়া কৰা। সেইদেখি মাটিৰ ধ্বংস নিবাৰণ কৰিব লাগিলে তাৰ ঘাই উপায় হ'ব পৃথিৱীক এইদৰে বাতলু-গুটিৰ নিচিনা ঘূৰণীয়া কৰা কাৰ্য্যত বাধা দিয়া। পৃথিৱীৰ ওপৰভাগ যিমান অসমান ওখ-চাপৰ হয়, সিমান মাটিয়ে পানীৰ ধ্বংসকাৰী শক্তিক দুৰ্বল কৰিব পাৰে। এতিয়া দেখা যাওঁক কিহে পৃথিৱীক অসমান আৰু ওখ-চাপৰ কৰিব পাৰে।

বিজ্ঞান পঢ়া সকলোৱেই জানে যে পৃথিৱীৰ আভ্যন্তৰিক শক্তিৰ উত্তেজনা হলে প্ৰায়েই ঠায়ে ঠায়ে একোডোখৰ ভূ-খণ্ড ওফন্দি উঠে আৰু সেইদৰেই একো-ডোখৰ তললৈ সোমাই যায়। বৈজ্ঞানিকসকলে অনুসন্ধান কৰি জানিব পাৰিছে যে সাধাৰণতে ভূগৰ্ভৰ শক্তিৰ কাৰ্য্যত পৃথিৱীৰ মাটি থকা ঠাইবিলাক ওফন্দি ওপৰলৈ উঠে আৰু প্ৰায়েই পানীৰে ঢকা ঠাইহে তললৈ সোমায়। পৃথিৱীৰ আভ্যন্তৰিক শক্তিৰ কাৰ্য্যত ওপৰলৈ মাটি ওফন্দি উঠা আৰু পানী তললৈ বহি যোৱা দুটি উদাহৰণ দিয়া গ'ল—

১। খৃঃ ১৮২২ অব্দৰ নবেম্বৰ মাহত দক্ষিণ আমেৰিকাৰ চিলি নামে দেশত এবাৰ বৰ ভয়ানক ভুঁইকপ হয়। ভুঁইকপ হোৱাৰ পিচদিনাখন দেখা গল যে দীঘল উপকূল এভাগৰপৰা এশ মাইলতকৈও বেচি দূৰলৈ হইকি গ'ল; যি ঠাই আগেয়ে সাগৰৰ তলত আছিল সেইডোখৰ তেতিয়া সাগৰৰ level ৰপৰা বহুত ওখলৈ উঠিল। দেশখনৰ ভিতৰলৈ মাটিৰ level আৰু বেচিকৈ ওপৰলৈ উঠিল।

২। খৃঃ ১৮১৯ অব্দত ভাৰতবৰ্ষৰ কচ্চ নামে প্ৰদেশত হোৱা ভুঁইকপত ওপৰত কোৱাতকৈও এটি আচৰিত ঘটনা হয়। এই ভুঁইকপত সিন্ধু নদীৰ মুখ আগতকৈ

বহুত দ হ'ল। বান পানীৰ বাবে এই নদীৰ মুখেদি জাহাজ ভিতৰলৈ যাব নোৱাৰিছিল। ভুঁইকপৰ পিচত নৈৰ তলি একেবাৰেই বহি গ'ল, চিদ্ৰি নামে গাঁও আৰু তাত থকা দুৰ্গ একেবাৰেই পানীৰ তলত লুকাল। ইফালে চিদ্ৰিৰপৰা প্ৰায় ৬ মাইলমান দূৰৈত এডোখৰ দ-সমান ঠাই একেবাৰে ওখ হৈ উঠিল। সেই ঠাইৰ মানুহবিলাকে তেতিয়াৰপৰা এই ওখ ঠাইডোখৰৰ "আল্লাবন্দ্" নাম থলে। পিচত পৰীক্ষা কৰি চোৱাত জনা গ'ল যে এই ঠাইডোখৰ দীঘলে প্ৰায় ৫০ মাইল আৰু বহলে ১৬ মাইল।

প্ৰাণীতত্ত্ব

বহুতৰ বিশ্বাস এই যে, মানুহে যিমান বিজ্ঞানৰ উন্নতি সাধন কৰে, সিমান স্বভাৱৰ কাৰ্য্যকলাপ বিলাক দেখি তাৰ উৎপত্তিৰ কাৰণ স্থিৰ কৰিব পাৰি, মানুহৰ বোধগম্য নোহোৱা ঈশ্বৰৰ অসীম ক্ষমতাৰ প্ৰতি আস্থা কমি আহে, সিমান মানুহে ঈশ্বৰৰ সমকক্ষ হ'ব পাৰিব বুলি আশা কৰে। এই বিশ্বাসটি অমূলক, কাৰণ ডাঙৰ ডাঙৰ বিজ্ঞানবিদ্ পণ্ডিতসকলেই কৈছে যে যিমানে বিজ্ঞানৰ বাটত আগবঢ়া যায় সিমান পৰমেশ্বৰৰ সৃষ্টি-কৌশল বুজিব পাৰি, তেওঁৰ অসাধাৰণ বুদ্ধি আৰু ক্ষমতাৰ চিনাকী পোৱা যায় আৰু তেওঁৰ তুলনাত আমি যে কিমান নিকৃষ্ট তাকো সুন্দৰকৈ বুজা যায়।

বৈজ্ঞানিক কল্পনাৰ বলত আমি জড় জগতৰ পৰিবৰ্ত্তন বিলাকৰ আদি-অন্ত বিচাৰি উলিয়াইছোঁ। এই কল্পনাৰ সহায়তে আমি পৃথিৱী, চন্দ্ৰ, সূৰ্য্য প্ৰভৃতি সৌৰ-জগতৰ গ্ৰহবিলাকৰ প্ৰথমাৱস্থা কেনে আছিল তাক জানিব পাৰিছোঁ। অকল কল্পনাৰ ওপৰতে আমাৰ বৈজ্ঞানিক শিক্ষা হোৱা নাই। উন্নতিৰ সোঁতত নিতে ন ন বৈজ্ঞানিক যন্ত্ৰবিলাকৰ আবিষ্কাৰ হ'ব লাগিছে। সেই যন্ত্ৰবিলাকৰ কাৰ্য্যৰ দ্বাৰাই আমি পণ্ডিতসকলৰ অনুমানবোৰৰ সত্যতা প্ৰমাণ কৰি চাইছোঁ। এই এটাইবিলাক সাধাৰণ কথা। আন গ্ৰহবিলাকৰ কথা এৰি অকল পৃথিৱী সম্বন্ধীয় কথাবোৰ আলচ কৰিয়েই তথা মানিব লাগে।

পৃথিৱীৰ বিৱৰণ সম্পৰ্কে এটি যাই প্ৰশ্ন এই যে, পৃথিৱীত প্ৰাণীৰ সৃষ্টি ক'ৰপৰা হ'ল ? জড় বস্তুৰ যোগত প্ৰাণৰ উদ্ভৱ হৈছে নে ই এক পৰমেশ্বৰৰ সৃষ্টি ? এই কথা বৰ গুৰু আৰু ই আমাৰ আলোচনাৰ ভিতৰৰ নহয়। প্ৰাণ কি বস্তু, প্ৰাণী মাত্ৰৰে সেই সম্বন্ধে এটা মুঠ জ্ঞান আছে ; সেই জ্ঞানটি কেনে তাক ভাষাৰে বিশদৰূপে বুজোৱা টান। প্ৰত্যেক জীৱৰ এই সম্বন্ধে যি আত্ম-প্ৰত্যয় আছে সেয়ে যথেষ্ট। আমি মুঠতে ইয়াকে জানো যে জড় বস্তুৰ লগত প্ৰাণ লাগি প্ৰাণী হৈছে।

প্ৰাণীৰ উৎপত্তি আৰু পৰিবৰ্ত্তনৰ গতি নিৰ্ণয়ৰ আবিষ্কাৰ আধুনিক বৈজ্ঞা-নিক জগতৰ এটি বৰ ডাঙৰ ঘটনা। বেয়ে সেয়ে দেখিছে যে পৃথিৱীত মানুহ, বান্দৰ, ঘোঁৰা, হাতী, গৰু, ম'হ, চৰাই প্ৰভৃতি নানা শ্ৰেণীৰ স্থলচৰ প্ৰাণী আৰু মাছ, কাছ প্ৰভৃতি জলচৰ প্ৰাণী আছে। তাত বাজেও গছ, লতা ইত্যাদি উদ্ভিদ প্ৰাণীও পৃথিৱীত আছে। এই এটাইবিলাকৰ যে প্ৰথমতে একে উৎপত্তি ঠাই, এনেকুৱা

মেৰ-পাক খোৱা প্ৰাণী-সূত্ৰৰ যে আদিতে একেডালি মাথোন জাঁত আছিল, তাক ভাবিলেও আচৰিত হ'ব লাগে। সুপ্ৰসিদ্ধ পণ্ডিত ডাৰউইনে প্ৰথমতে এই আচৰিত সত্য উলিয়াই সাধাৰণৰ চকুৰ আগত দাঙি ধৰে। *

জীৱবিলাকৰ মাজত প্ৰাণৰ পৰিমাণৰ তাৰতম্য থকাৰ বাবে বেলেগ বেলেগ শ্ৰেণীত প্ৰাণীবিলাকক ভাগ কৰিব পাৰি। মাছতকৈ হাঁহৰ প্ৰাণৰ পৰিমাণ বেচি, বান্দৰতকৈ মানুহৰ পৰিমাণ বেচি, সেই দেখি জীৱ-জখলাত মাছ-হাঁহৰ আৰু বান্দৰ-মানুহৰ তলৰ খাপত থাকিব। জীৱ-জখলাত সকলোতকৈ ওখ ঠাই সম্প্ৰতি মানু-হেই অধিকাৰ কৰিছে। পাচত যে কালৰ গতিত নানা পৰিৱৰ্তন হৈ এই জখলাৰ অৱস্থা কেনেকৈ লৰে তাক কোনে ক'ব পাৰে ? এই জীৱ-জখলাৰ নিচেই তলৰ খাপত প্ৰটোপ্লেজম বা প্ৰাণপংক নামে এবিধ প্ৰাণী আছে। সমুদ্ৰত ইহঁতৰ উৎপত্তি হয়। সাধাৰণত দেখিলে ইহঁতৰ যে প্ৰাণ আছে তাক বুজা টান, ইহঁতৰ কোনো অংগ বা ইন্দ্ৰিয় নাই; ডোখৰ ডোখৰকৈ কাটি দিলেও প্ৰত্যেক কটা অংশই একোটা বেলেগ প্ৰটোপ্লেজম হৈ উঠে। আকৌ কেবাডোখৰ একেলগে কৰি দিলে সেই এটাই-বোৰ মিলি এটা জীৱৰ নিচিনা কাম কৰে। কোনো বিশেষ কোষৰ মাজত এই প্ৰটোপ্লেজ্‌ম উৎপত্তি হ'লে তেতিয়া নিৰ্দিষ্ট আকাৰৰ এটা জীৱৰ সৃষ্টি হয়; তেতিয়া সেই প্ৰাণীক জীৱ-জখলাৰ নিচেই তলৰ খাপৰ ওপৰত ঠাই দিয়া হয়। এনেকুৱা প্ৰথম নিৰ্দিষ্ট আকাৰৰ প্ৰাণীবিলাকৰ অংগ প্ৰত্যংগৰ সিমান ভেদাভেদ নাথাকে। জোক-কেঁচু প্ৰায় এই শ্ৰেণীৰ জীৱ। কোনো বস্তু ধৰিব লাগিলে সিহঁতে গাটোৰ এছোৱা দীঘলকৈ মেলি দিয়ে বা কোনো বিপদৰ আশংকা হ'লে তেতিয়াই গোটেই গাটো কোঁচাই ঘূৰণীয়া বাটলু-গুটিৰ দৰে হয়। কোনো আহাৰ খাব লাগিলে আহাৰীয় বস্তুটিৰ চাৰিওফালে মেৰাই ধৰি তাৰ সাৰ শুহি পেলায়।

এই প্ৰটোপ্লেজম অৱস্থাৰপৰা উন্নতি হৈয়েই পৃথিৱীত নানা জীৱ-জন্তু সৃষ্টি হৈছে। প্ৰকৃতিৰ প্ৰণালীৰ দ্বাৰাই জীৱবিলাকৰ আদিতে একেটা উৎপত্তিৰ ঠাই হৈয়ো অনন্ত কালৰ গতিত নানা শ্ৰেণীভেদ হৈছে। প্ৰত্যেক জীৱ প্ৰাণীজগতৰ ক্ৰমিক উন্নতিৰ প্ৰত্যেক অৱস্থাৰ একোটা গঢ় মাথোন। এই ক্ৰমিক উন্নতি এটা বৰ প্ৰাকৃতিক বিৱৰ্তনৰ দ্বাৰাই সধা হৈছে, আৰু সেই বিৱৰ্তনৰ এতিয়ালৈকে শেষ ফল মানুহৰ সৃষ্টি। এই ক্ৰমোন্নতিৰ সাধক, পৰিৱৰ্তন সদায় চলি আছে আৰু ভৱিষ্যতলৈও সেইদৰেই চলি থাকিব।

এতিয়া এনে প্ৰশ্ন হ'ব পাৰে যে প্ৰকৃতিৰ কি প্ৰণালী অনুসাৰে জীৱ জগতত শ্ৰেণীভেদ হৈছে ? এই প্ৰণালী এইবিলাক নিয়মৰ দ্বাৰাই গঢ়া। যেনে, (১) বৃদ্ধি আৰু পুনৰুৎপত্তি, (২) পুৰুষানুক্ৰমিক গুণাধিকাৰ, (৩) বহিৰ্জগতৰ অৱস্থাৰ আৰু ব্যৱহাৰৰ তাৰতম্য, (৪) জীৱসমহৰ ঘনবৃদ্ধি, সিহঁতৰ মাজত জীৱন ৰক্ষাৰ নিমিত্তে যুঁজ আৰু তাৰ ফলস্বৰূপে প্ৰাকৃতিক নিৰ্বাচনৰ দ্বাৰাই হোৱা জীৱ চৰিত্ৰৰ প্ৰকৃতি ভেদ আৰু উন্নতিহীন জীৱৰ লোপ। এই কেইটা নিয়ম বৰ গুৰু আৰু বুজিবলৈ বৰ টান, সেইদেখি এই বিষয়ে অলপ বিশদৰূপে বুজাবলৈ চেষ্টা কৰা যাওক।

বৃদ্ধি আৰু পুনৰুৎপত্তি এই দুটা গুণ সকলো জীৱৰেই আছে। সময়ৰ

গভিত মানুহ, গৰু, ঘোঁৰা, চৰাই, তৃণ সকলো বাঢ়ে আৰু সিহঁতৰ সন্ততি উৎপাদন কৰি জীৱসংখ্যা বঢ়ায়। এই দুটা গুণ নথকা হলে জগতত প্ৰাণী নাথাকিলহেঁতেন।

দ্বিতীয় নিয়মটি বৰ আৱশ্যকীয়। পৃথিৱীৰ সকলো প্ৰকাৰ জীৱই নিজ নিজ গুণ নিজ সন্তান সন্ততি বিলাকক দি যায়। সকলোৱেই দেখিছে যে বহুত মানুহৰ কিছুমান ৰোগ সিহঁতৰ পূৰ্বপুৰুষ বিলাকৰপৰা অধিকাৰ কৰা। ডাক্তৰী শাস্ত্ৰত এনেকুৱা বহুত ঘটনাৰ কথা উল্লেখ কৰা আছে। উদাহৰণ স্বৰূপে এটা ঘটনাৰ উল্লেখ কৰি এই কথাৰ সত্যতা দেখুওৱা যাওক। এসময়ত অষ্ট্ৰেলীয়া দেশৰ এজন চহা মানুহে তাৰ ভেঁড়া পোৱালি এটাৰ ঠেং কেইটা আন আন তাৰ সমনীয়া পোৱালিৰ ঠেংতকৈ চুটি যেন দেখিলে। ঠেং চুটি হোৱাৰপৰা চহা মানুহ-টোৱে বুজিলে যে সেই ভেঁড়া পোৱালিটি ডাঙৰ হলে আন ভেঁড়াৰ নিচিনাকৈ সি ডেও দি চকোৱা পাৰ হৈ পলাব নোৱাৰিব। এইটো বৰ সুবিধা যেন দেখি সেই ভেড়াৰ যিবিলাক পোৱালিৰ সেইদৰে ঠেং চুটি হ'ল সেই বিলাকক বেলেগে থৈ সিহঁতৰ সন্ততি জন্মোৱালে। তেতিয়া সেই সন্ততিবিলাকৰ ঠেং চুটি হোৱা আৰু স্পষ্টকৈ দেখা গ'ল। এইদৰে কেৱাবাৰো চুটি ঠেঙীয়া ভেড়াৰ যোৰ মিলাই দিয়াৰপৰা এবিধ নতুন জাতৰ ভেড়া সৃষ্টি হ'ল। আগৰ পুৰুষৰ গুণবিলাক তাৰ পাচৰ পুৰুষে অধিকাৰ কৰাত কিছুমান নিয়মে কাম কৰে; যেনে, মতা জীৱটিৰ বিশেষত্ব সাধাৰণতে মতা সন্ততিয়ে অধিকাৰ কৰে, মাইকীৰ বিশেষত্ব মাইকী সন্ততিয়ে অধিকাৰ কৰে। আকৌ দেখা যায় যে এটা জীৱৰ জীৱনৰ যি সময়ত এটা বিশেষত্ব অৰ্জা হৈছিল তাৰ সন্ততি বিলাকেও পিচত জীৱনৰ ঠিক তেনে সময়তে সেই বিশেষত্ব অধিকাৰ কৰে। সেই নিয়মে কোনো এক শ্ৰেণীৰ জীৱনিগাকৰ বুৰজীৰ আদিতে অৰ্জা গুণবিলাকৰ চিন এই শ্ৰেণীৰ জীৱৰ প্ৰত্যেক পুৰুষৰ সন্ততি-বোৰৰ জীৱনৰ প্ৰথম ভাগতে দেখিবলৈ পোৱা যায়, শেষভাগত অৰ্জা গুণ বা বিশেষত্ব-বিলাক জীৱনৰ পিচভাগতহে ফুটি ওলায়।

এতিয়া বহিৰ্জগতৰ বেলেগ বেলেগ অৱস্থাৰ বাবে আৰু অভ্যাস, ব্যৱহাৰ আৰু অব্যৱহাৰৰ দ্বাৰাই জীৱবিলাকৰ কি নিয়মে লক্ষণ ভেদ হ'ব লাগিছে তাক বিচাৰ কৰি চোৱা যাওক। বহিৰ্জগতৰ অৱস্থা বুজিলে বহুত কথা বুজায়; ইয়াত আমি জল, বায়ু, ঠাইৰ প্ৰাকৃতিক অৱস্থা প্ৰভৃতিৰ কথা উল্লেখ কৰিম। কোনো ঠাই বৰ গৰম বা শীত প্ৰধান হলে সেই ঠাইৰ জীৱবিলাকো জলবায়ুৰ সেই অৱস্থাৰ উপযোগী হ'ব লাগিব, তেহে সিহঁত তিষ্ঠিব পাৰিব। জলবায়ুৰ অৱস্থাৰ গুপৰত উদ্ভিজ বস্তুৰ অৱস্থাই যিমান নিৰ্ভৰ কৰে জন্তুৰ অৱস্থাই সিমান নকৰে। প্ৰাণীতত্ত্ব-বিদ্ পণ্ডিতসকলে দেখিছে যে ঠাইৰ গুণৰ তাৰতম্যৰপৰা জীৱবিলাকৰ মাজত প্ৰভেদ দেখা যায়। মহাদেশ বিলাকত যিবিলাক চৰাই আছে সেইবিলাকৰ বৰণ দ্বীপবোৰত থকা চৰাইৰ বৰণতকৈ বহুত উজ্জ্বল। সাগৰৰ পাঁতিত থকা গছ-গছনিৰ পাতবিলাক সাধাৰণতে বোচি ডাঠ দেখা যায়। এনেকুৱা প্ৰভেদৰ বহুত উদাহৰণ আছে। তাৰ এটি উদাহৰণ দেখুৱালেই হ'ব। ঘৰচীয়া হাঁহৰ ঠেঙৰ গধুৰতাতকৈ বনৰীয়া হাঁহৰ ঠেঙৰ গধুৰতা বহুত কম। তাৰ কাৰণ এই যে ঘৰচীয়া হাঁহবিলাকে

ঠেঙেৰেই সদায় কাম কৰে, ৰবি-চৰি ফুৰিব লাগিলে খোজকাঢ়ে, কিন্তু বনৰীয়া হাঁহবিলাকে প্ৰায় সদায় উৰি ফুৰে, সেইদেখি সিহঁতৰ ঠেঙৰ কাম সিমান নহয়। এই কাৰণৰ নিমিত্তেই ঘৰচীয়া হাঁহৰ ঠেং বনৰীয়া হাঁহৰ ঠেঙতকৈ গধুৰ। ব্যৱহাৰ আৰু অব্যৱহাৰৰ কাৰ্য্যৰ উদাহৰণ প্ৰায় এনেকুৱাই। কোনো বিশেষ অৱস্থাত পৰাৰ বাবে কেতিয়াবা কোনো প্ৰকাৰ জীৱৰ এটা বিশেষ অংগৰ কাম নোহোৱা হৈ পৰে। তেনেকুৱা হলে সেই অংগৰ ক্ৰমে হীন অৱস্থা হয় আৰু এই ৰকমে বহুত পুৰুষৰ পাচত হয়তো জীৱটিৰ সেই অনাৱশ্যকীয় অংগটিয়ে লোপ পায়। অষ্ট্ৰীচ বা উটচৰায়ে কেতিয়াও তাৰ ডেৌকাৰ ব্যৱহাৰ নকৰে। কোনো বিপদ উপস্থিত হলে সি তাৰ বলী ঠেংটোৰে গোৰ মাৰি শত্ৰুক বিমুখ কৰে। অনুমান কৰি জানিব পৰা যায় যে এই উট চৰাইৰ পূৰ্বপুৰুষবিলাকে সম্ভৱতঃ ডৌকাৰ কোনো আৱশ্যক নেদেখি তাক ব্যৱহাৰ নকৰিছিল বা কেতিয়াবা কদাচিতহে কৰিছিল। এনেকুৱা হোৱাৰপৰা উট চৰাইৰ ডৌকাবোৰ দুৰ্বল হবলৈ ধৰিলে আৰু ঠেঙৰ কাৰ্য্য বাঢ়ি অহাত সেই অংগৰে কালত ক্ৰমিক উন্নতি হবলৈ ধৰিলে। অৱশেষত উট চৰাইৰ ডৌকা দুখন কাম কৰিবলৈ একেবাৰে অক্ষম হৈ পৰিল আৰু ঠেঙৰ শক্তি ইমান বাঢ়িল যে তাৰ একে গোৰতে ডাঙৰ ডাঙৰ জন্তুৰো প্ৰাণ বধ হ'ব লাগিছে। কেকোঁৰা প্ৰভৃতি সদায় মাটিৰ তলৰ আন্ধাৰ গাঁতত সোমাই থকা বহুত জীৱৰ চকুৰ আৱশ্যক আৰু কাৰ্য্য প্ৰায় নথকাৰ বাবে সিহঁতৰ সেই অংগহীন বা বিকৃতি হোৱা দেখা গৈছে।

প্ৰাণীবিলাকৰ অপৰিসীম বৃদ্ধিয়েই সিহঁতৰ মাজত জীৱন ৰক্ষাৰ বাবে ঘটা যুদ্ধবলৰ কাৰণ। প্ৰত্যেক জীৱই যিবিলাক সন্ততি উৎপাদন কৰে সেই এটাইবিলাক যদি তিষ্ঠিব পাৰি বাঢ়ে, তেনেহলে অতি অলপ কালতে পৃথিৱী প্ৰাণীৰে ভৰি পৰিব। কিন্তু তেনে কেতিয়াও নহয়। প্ৰাণীৰ সংখ্যা সৰহ হলে সিহঁতৰ মাজত নানা কাৰণৰ বাবে প্ৰতিদ্বন্দ্বিতা হৈ উঠে, যি যোগ্য সি ৰক্ষা পায়, যি অযোগ্য সি নষ্ট পায়। জীৱন ৰক্ষাৰ নিমিত্তে যুজ—এইটো অলপ বুজিবলগীয়া কথা। খাদ্য নোহোৱাৰ সময়ত দুটা কুকুৰৰ মাজত জীৱন ৰক্ষাৰ কাৰণে যুজ হোৱা বুজিব পাৰি। মিচলটো নামেৰে এবিধ গছত গজা উদ্ভিদ আছে। সেইবিলাক সাধাৰণতে এপল গছত হয়। যদি একেডাল গছতে তেনেকুৱা বহুত মিচলটো গজে, তেনেহলে এডালো বাঢ়িব নোৱাৰে, হেচা-হেচি হোৱাত এটাইবিলাক মৰি যাব। আকৌ মিচলটোবিলাক এডাল গছৰপৰা আন গছ এডালত হবলৈ চৰাইবিলাকৰ সহায় লাগে, কাৰণ চৰাইবিলাকে সিহঁতৰ গুটিবিলাক নি আন গছৰ খোৰোঙত নেপেলালে আৰু আন উপায়ে সেই গছত মিচলটো হ'ব নোৱাৰে। চৰাইবিলাক সদায় মিচলটো থকা গছলৈ নাহে; সেইদেখি ভাবি চালে মিচলটোবোৰে আন আন যিবিলাক গছে ফল উৎপাদন কৰি চৰাইবিলাকক আকৰ্ষণ কৰে, তেনেবোৰ গছৰে জীৱন ৰক্ষাৰ কাৰণে প্ৰতিদ্বন্দ্বিতা কৰে। এইদৰে প্ৰতিদ্বন্দ্বিতা কৰি জীৱসংখ্যা নকমা হলে পৃথিৱীত এক ভয়ানক ঘটনা হৈ উঠিবহেঁতেন। হাতীয়ে সকলোতকৈ কম সন্ততি উৎপাদন কৰে। ডাৰউইনে স্থিৰ কৰিছে যে সাধাৰণতে

হাতীয়ে ৩০ বছৰ বয়সৰপৰা পোৱালি জগাবলৈ আৰম্ভ কৰি ৯০ বছৰ বয়সলৈকে তিনিযোৰ মাথোন পোৱালি প্ৰসৱ কৰে। এই নিয়মে চলি গলে ৫০০ বছৰৰ মূৰত পৃথিৱীত একেযোৰ হাতীৰপৰা ১৪ নিযুত হাতী উৎপন্ন হয়। কিন্তু হাতীৰ সংখ্যা ইমান সৰহ হ'লে কেতিয়াও এটাইবিলাক তিষ্ঠিব নোৱাৰে; সিহঁতৰ মাজত তেতিয়া প্ৰতিদ্বন্দ্বিতা হৈ সংখ্যা কমি যায়। আমি এতিয়া দেখিলোঁ যে কোনো জীৱৰ সংখ্যা পৃথিৱীত সৰহ হলে সিহঁতৰ মাজত জীৱন ৰক্ষাৰ কাৰণে যুদ্ধ হয়, তাত কিছুমানে ৰক্ষা পায় আনবিলাক মৰে। ইয়াৰ ৰহস্য কি বুজা যাওক। পৃথি-ৱীত যেতিয়া জীৱবিলাক চাৰিওফালে ছিটিকি পৰিল তেতিয়া সিহঁতৰ থকা ঠাইৰ মাজত প্ৰভেদ হবলৈ ধৰিলে। কিছুমান গৰম দেশলৈ, কিছুমান শীতপ্ৰধান দেশলৈ কিছুমান পৰ্বতীয়া ঠাইলৈ, আনবিলাক ভৈয়ামৰ ফালে এইদৰে সিঁচাসিঁচি গ'ল। যিবিলাক পৰ্বতপূৰ্ণ ঠাইবোৰলৈ গ'ল সিহঁতৰ ভিতৰত যিবিলাক অযোগ্য আছিল সিবিলাক মৰিল। সেইদৰে শীতপ্ৰধান ঠাইলৈ যোৱাবিলাকৰ মাজত যিবোৰ আছিল বা যিবিলাকৰ জাৰ গুচাবৰ কোনো উপায় আছিল সিহঁত ৰ'ল, বাকীবিলাক লোপ পালে। এইদৰে যিবিলাক ঠাইৰ প্ৰাকৃতিক অৱস্থাৰ উপযোগী হোৱাৰ বাবে তিষ্ঠিল, সেইবিলাকে সেই ঠাইবোৰতে থাকি বেলেগ বেলেগ বিশেষত্ব আৰ্জিলে। সেইবোৰ বিশেষত্ব পুৰুষানুক্ৰমে প্ৰাণীবিলাকৰ মাজত চলি আহি সিহঁত এক বেলেগ জাতৰ প্ৰাণী হৈ উঠিল। এইদৰে কোনো কোনো শ্ৰেণীৰ একেবাৰে লোপ হৈছে, কিছুমানে কোনো বিশেষ ঠাইত পৰি সেই ঠাইৰ উপযোগী হোৱাত তাতে কোনো বিশেষ গুণ অধিকাৰ কৰি একশ্ৰেণী নতুন জীৱৰ সৃষ্টি কৰিলে।

প্ৰাকৃতিক নিৰ্বাচন বোলাত কি বুজা যায়, তাৰ অলপ ভু বোধকৰোঁ এতিয়া পোৱা গৈছে। আগেয়েই কৈছোঁ যে নানা কাৰণৰ বাবে জীৱবিলাকৰ মাজত বহুত প্ৰভেদ জন্মিছে, প্ৰত্যেক শ্ৰেণী জীৱৰ বেলেগ বেলেগ ফালে পৰিৱৰ্তন হোৱাৰ বাবেই এনে প্ৰভেদ হৈছে। এই পৰিৱৰ্তনবিলাক কিছুমান জীৱৰ নিমিত্তে উপকাৰী আৰু কিছুমানৰ অনিষ্টকৰ। এই অনিষ্টকৰ পৰিৱৰ্তনবিলাক এৰি উপকাৰী পৰি-ৱৰ্তনবিলাক এক আচৰিত প্ৰাকৃতিক নিয়মৰ দ্বাৰাই ৰখা হয়। ইয়াকে আমি প্ৰাকৃতিক নিৰ্বাচন বুজিছোঁ। যিবিলাক জীৱৰ উপকাৰী পৰিৱৰ্তন নহৈ কেৱল অনিষ্টকৰ পৰিৱৰ্তন হয়, সিহঁত তিষ্ঠিব নোৱাৰে, কালত সিহঁতৰ বিনাশ হয়। এইদৰে একো শ্ৰেণীৰ জীৱ অসুবিধাযুক্ত অৱস্থাত থকাৰ নিমিত্তে লোপ পাই জীৱ-মণ্ডলীৰ একোটা শ্ৰেণী হীন কৰিছে। লোপ পাই যোৱা প্ৰাণীবিলাক আৰু দুনাই পৃথিৱীত নোলায়, কাৰণ প্ৰাণী-সূত্ৰৰপৰা সিহঁত ছিগি পৰিল। এতিয়া ভূগৰ্ভৰপৰা সময়ে সময়ে সেই লোপ পোৱা প্ৰাণীবোৰৰ কিছুমানৰ চিন দেখিবলৈ পোৱা যায়। ৰুচ দেশত আগেয়ে মামথ নামেৰে হাতীতকৈও ডাঙৰ নোম থকা এবিধ জন্তু আছিল, সেই জন্তু আজিকালি আৰু পৃথিৱীত নাই, কিন্তু তাৰ হাড়-মূৰ এতিয়াও ৰুচদেশৰ ফালে মাটিৰ তলত ওলায়। প্ৰাকৃতিক নিৰ্বাচনৰ দ্বাৰাই এই নিয়মে জীৱবিলাকৰ মাজত তাৰতম্য ঘটাৰ দ্বাৰাই সিহঁতৰ এক ডাঙৰ উপকাৰ সাধা হ'ব আহিছে। যিমান প্ৰভেদ বাঢ়িছে, সিমান জীৱবিলাক নতুন নতুন জাতিত বিভক্ত

হৈছে, সিমান সেইবাবে জীৱনৰক্ষাৰ কাৰণে কৰা যুঁজৰ তেজ কমিছে, কাৰণ একে ৰকমৰ জীৱৰপৰা প্ৰভেদ ঘটি নানাবিধ জীৱৰ সৃষ্টি হোৱাৰপৰা সিহঁতৰ সংখ্যা কমি সিহঁতৰ মাজত প্ৰতিদ্বন্দ্বিতা লঘু হৈছে। প্ৰকৃতিৰ ইও এক আচৰিত কৌশল।

আমি আগেয়ে জীৱশ্ৰেণীক এডাল জখলাৰে তুলনা কৰিছোঁ। এতিয়া আকৌ কওঁ যে জীৱসমূহক ঘাইকৈ এডাল ডাঙৰ গছেৰে ভালকৈ তুলনা কৰিব পাৰি। গছডাল মাটিৰপৰা ওপৰলৈ উঠোঁতে একেডাল ডাঙৰ গুৰি হৈ থাকে, তাৰ ওপৰৰপৰা বেলেগ বেলেগ ডালত বিভক্ত হয়। গছডালৰ সকতে থাকোতে বহুত পোখা ওলায়, কিন্তু সেই এটাইবিলাক নেবাচে। কিছুমান ৰস নোহোৱা হৈ সৰি পৰে, কিছুমানহে বাঢ়ি ডাঙৰ-দীঘল হয়। সিহঁতৰপৰা সেইদৰে আৰু বহুত সৰু ডাল হয়, তাৰে কিছুমান মৰে। মৰা ডালবিলাক ভাগি পৰি মাটিত পোতখাই থাকে। আমি জীৱবিলাকৰ যি ক্ৰমিক অভিব্যক্তি অলপ দেখুৱালোঁ সিও ঠিক এনেকুৱাই।

বহুতে এই অভিব্যক্তিবাদৰ প্ৰতিবাদ কৰি কয় যে যদি দৰাচলতে সকলো প্ৰকাৰৰ প্ৰাণী মূলতে একেটা উৎপত্তিৰপৰা জন্মিছে, তেনেহলে আমি জীৱশ্ৰেণীকে এনে অংগহীন দেখোঁ কিয়? যদি পৰিবৰ্তনৰ সোঁতত জীৱবিলাকৰ বহুত জাতি লোপ পোৱাৰ বাবে তেনে অংগহীন হৈছে, ভূগৰ্ভত সেই এটাইবোৰ হোৰোৱা অংগৰ চিন দেখা নাযায় কিয়? কিন্তু অলপ ভাবি চালেই বুজিব পাৰি যে আচলতে ভূগৰ্ভ তত্ত্বৰ এতিয়াও উন্নতি হোৱা নাই। ভূগৰ্ভৰ আৰু কত কি আছে এতিয়াও আমি জানিব পৰা নাই। আৰু এটা কথা, অংগবিলাক একে সময়তে হীন হোৱা নাই, সেইবাবে একে ঠাইতে সিহঁতৰ চিন পোৱা টান। মাটিৰ তলৰপৰা এটাই-বিলাক লুপ্ত হোৱা জীৱৰ চিন বিচাৰি উলিয়াবলৈ আৰু কত যুগ লাগিব তাক কোনে কব পাৰে? আকৌ এটা ঘাই আপত্তি এই যে যদি একেটা মূল জীৱৰপৰা সকলো জীৱৰ সৃষ্টি হৈছে, তেনেহলে বিস্তীৰ্ণ সাগৰ আৰু অভেদ্য পৰ্বতমালাৰ দ্বাৰাই পৃথক হোৱা পৃথিৱীৰ বেলেগ বেলেগ অংশত প্ৰায় একে ৰকমৰ জীৱ ক'ৰপৰা হ'ল। এইটো ভাবিবলগীয়া কথা। কিন্তু বৈজ্ঞানিক পণ্ডিতসকলে কয় যে আজি-কালি পৃথিৱীৰ ওপৰ ভাগত যেনেকৈ মাটি আৰু পানীৰ ভাগ কৰা আছে, আগেয়ে তেনে নাছিল। আগেয়ে সম্ভৱতঃ ডাঙৰ ডাঙৰ মহাদেশবিলাক লগলগা আছিল আটলাণ্টিক মহাসাগৰত বহুত দ্বীপমালাৰপৰা এইটো অনুমান হয় যে এসময়ত ইউৰোপ আৰু আমেৰিকাৰ মাজত সাগৰৰ ব্যৱধান নাছিল। সকলো বৈজ্ঞানিকেই স্বীকাৰ কৰে যে যি সমূদ্ৰ আগেয়ে বহুত দ আছিল, কালত সিও এতিয়া বাম হৈ আহিছে। সেই নিয়মে বাম পানীও ক্ৰমে দ হৈছে। যদি এনে এসময়ত ডাঙৰ মহাদেশবিলাক আৰু দ্বীপবোৰ একেলগে থুপ খাই আছিল, তেনেহলে ভেতিয়াই যে জীৱবিলাক পৃথিৱীৰ চাৰিওফালে বিস্তাৰিত হৈ গৈছে তাতো একো সন্দেহ নাই। ইয়াত বাজেও প্ৰকৃতিৰ আৰু বহুত আচৰিত কৌশলৰ দ্বাৰাই জীৱবিলাকক চাৰিও-ফালে ছটিয়াই দিয়া হৈছে। গছৰ গুটি বতাহত উৰি বহুত দূৰ ঠাইলৈ গৈ তাত আকৌ গছ গজোৱা বহুতে জানে। কোনো কোনো গছৰ গুটিৰত বৰ হাবি প্ৰকাৰ

নিমিত্তে তলত শুটি সৰি পৰিলেও হাবিৰ নিমিত্তে তাত গজিব নোৱাৰে। ভগৱানৰ কৌশলত তেনে বহুত গছৰ গুটিবোৰ নোমেৰে চকা। নোম থকা গুটিবিলাক বতাহত উৰি বহুত দূৰৈত পৰেগৈ আৰু তাতে মুকলি ঠাই পালে গছ গজায়। জলপ্লাৱন, বতাহ আৰু কেতিয়াবা চৰাইৰ সাহায্যত বহুত পানীত থকা জীৱ আৰু উদ্ভিজ্জ প্ৰাণী এঠাইৰপৰা আন ঠাইলৈ যাব পাৰে।

আমি ওপৰত প্ৰাণীবিলাকৰ সাধাৰণতে ঘটা শাৰীৰিক অভিব্যক্তিৰ কথা কলোঁ। তাত বাজেও প্ৰাণীৰ মানসিক জগতত যে কি এক আচৰিত অভিব্যক্তি ঘটিছে তাক আলচ কৰিলে আৰু তধা মানিব লাগে। সাগৰৰ বস্তু প্ৰটোপ্লেজমৰপৰা ক্ৰমিক অভিব্যক্তি হৈ শেষফল মানুহ হ'ল; কিন্তু কি বস্তুৰপৰা অভিব্যক্তি হৈ মানুহত সোমাই থকা ওখ ভাব আৰু প্ৰবৃত্তিবিলাক—ধৰ্মজ্ঞান, ন্যায়-অন্যায়বোধ প্ৰভৃতি উৎপন্ন হ'ল তাক নিৰ্ণয় কৰা টান। মানুহৰ এইবিলাক ভাব-প্ৰবৃত্তি যি মূল উপকৰণৰ অভিব্যক্তিৰপৰা হৈছে সি কি, তাৰ আলোচনা আমি প্ৰটোপ্লেজমৰ ভিতৰত প্ৰাণ ক'ৰপৰা হ'ল, এই কথাৰ আলোচনাৰ নিচিনাকৈ ইয়াতে এৰিলোঁ।

---

* Origin of species by C Darwin

হেমচন্দ্ৰ বৰুৱা

চতুৰ্থ ভাগ "জোনাকী"ত হেমচন্দ্ৰ বৰুৱাই নিজে লিখা আত্ম-জীৱন-চৰিত প্ৰকাশিত হৈছিল। তাৰপৰা সকলোৱে তেওঁৰ জীৱন-চৰিত সংক্ষেপকৈ জানিব পাৰে। "উষা"ৰ পাঠকসকলক উক্ত মহৎলোকজনৰ এটি ছবি উপহাৰ দি তাৰ লগে লগে তেওঁৰ জীৱনৰ কেইটিমান ঘাই লক্ষণলৈ ডেকাসকলৰ মন আকৰ্ষণ কৰাই এই ক্ষুদ্ৰ প্ৰবন্ধৰ উদ্দেশ্য।

হেমচন্দ্ৰ বৰুৱাই নিজ পুৰুষাৰ্থৰ বলত শিক্ষা লাভ কৰিছিল। তেওঁৰ সংস্কৃত আৰু ইংৰাজী ভাষাত বিশেষৰূপে ব্যুৎপত্তি আছিল। সৰুতে শিৱসাগৰীয়া বৰুৱাৰ পঢ়াশালিত তেওঁ সংস্কৃত পঢ়িছিল হয়, কিন্তু ডাঙৰ হৈ নিজ চেষ্টাৰ দ্বাৰাইহে তেওঁ সেই ভাষাত পণ্ডিত হৈছিল। বহুতে নাজানে যে তেওঁ ভাল সংস্কৃত কবিতা ৰচিব পাৰিছিল। ছাৰ ষ্টুৱাৰ্ট বেলী অসমৰ চীফ কমিশ্যনাৰ হৈ আহোঁতে গুৱাহাটীত তেওঁক অভ্যৰ্থনা কৰাৰ অৰ্থে হেমচন্দ্ৰ বৰুৱাই এটি অতি শুৱলা সংস্কৃত কবিতা ৰচনা কৰিছিল। ৰায় জগন্নাথ বৰুৱা বাহাদুৰে সেই কবিতা মুখস্থ কৰি ৰাখিছিল আৰু তাক সদায় শলাগিছিল। হেমচন্দ্ৰ বৰুৱাই সৰুতে তেওঁৰ দদায়েকে নজনাকৈ লুকাই ইংৰাজী শিকিছিল আৰু পিছত তেওঁ নিজে যত্ন কৰি সেই ভাষাত বিশেষ পণ্ডিত হৈছিল। এগনিউ চাহাবে তেওঁৰ ইংৰাজী বিদ্যাত পাৰ্গতালি দেখি আদৰেৰে নিজৰ অফিচলৈ তেওঁক ঘাই কেৰাণী কৰি নিছিল। হেমচন্দ্ৰ বৰুৱাৰ চৰ্কাৰী ডাঙৰ বিষয়লৈ বিশেষ হেঁপাহ থকা হলে একষ্ট্ৰা এছিষ্টেণ্ট কমিশ্যনাৰৰ পদৰপৰাহে তেওঁ পেন্সন পালেহেঁতেন, কাৰণ সেই পদ লবলৈ তেওঁক আহ্বান কৰা হৈছিল। ইংৰাজী ১৮৭৬ চনৰ ১৮ ডিচেম্বৰ তাৰিখে পীট চাহাবে চিলঙৰপৰা তেওঁলৈ এই বিষয়ে তলত লিখা মতে চিঠি লিখিছিল— "মহাশয়, আপুনি শিৱসাগৰ জিলাত অস্থায়ীভাৱে একষ্ট্ৰা এছিষ্টেণ্ট কমিশ্যনাৰ পদ লবলৈ যাবনে? সেই কামত দিনদিয়েকৰ ভিতৰতে হাজিৰ হবগৈ লাগিব। টেলিগ্ৰামেৰে আপোনাৰ উত্তৰ জনাব।" হেমচন্দ্ৰ বৰুৱাই এই পদলৈ বাঞ্ছা নকৰি কেৰাণী হৈয়ে থাকিল। এই প্ৰকাৰে ইংৰাজী ১৮৬৭ চনত তেওঁক এবাৰ ওপৰ অসম বিভাগৰ ডেপুটী ইন্সপেক্তৰৰ পদ যচা হৈছিল। তেওঁৰ সময়ত তেওঁ অসমীয়াৰ ভিতৰত এজন বিশেষকৈ ইংৰাজী জনা লোক আছিল। দূৰৈৰ ঠাইৰ আৰু ভিন জিলাৰ মানুহেও তেওঁৰ দ্বাৰাই ইংৰাজীত দৰখাস্ত লিখাবলৈ তেওঁৰ গুৰিলৈ আহিছিল। তেওঁ "আসাম নিউজ" ইংৰাজী বাতৰি কাকতৰ সম্পাদক আছিল

আৰু ইংৰাজীত তেওঁ এখন পুথিও লিখিছিল। অসমীয়া ভাষা বঙলা ভাষাৰপৰা পৃথক, এই কথা বুজাবলৈ তেওঁ অনেক লিখালিখি কৰিছিল, আৰু এই কথা লৈ তেওঁৰ সমসাময়িক বঙালী ভদ্ৰলোকসকলোবে সৈতে প্ৰায়ে তেওঁৰ তৰ্ক হৈছিল। সেইবুলি তেওঁ বঙলা ভাষা কেতিয়াও নিঘিণাইছিল। তেওঁ মাজে মাজে বঙলা বাতৰি কাকতলৈও প্ৰবন্ধাদি লিখা লিখকে জানে।

হেমচন্দ্ৰ বৰুৱাই কপতটা বৰকৈ ঘিণাইছিল। সেইদেখি অতিপাত নৈষ্ঠিক (Orthodox) সমাজলৈ তেওঁ ভয় কৰি নচলিছিল। তেওঁৰ "বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰি" সেই সময়ৰ অসমীয়া সমাজক বিদ্ৰূপ কৰি লিখা এখনি নাটক। তেওঁৰ বয়স্য ও পৰম বন্ধু এই প্ৰবন্ধ লেখকৰ পিতাকলৈ উক্ত পুথি উচৰ্গা কৰোঁতে তেওঁ যি লিখিছে তাতেই তেওঁৰ কপটতালৈ কেনে ঘৃণা আছিল বুজা যায়। হেমচন্দ্ৰ বৰুৱা অতি মিতব্যয়ী আছিল, এনেকি এই কাৰণে কোনোৱে তেওঁক কৃপণ বুলি ভাবিছিল। আদি-পাঠ, পাঠমালা, ব্যাকৰণ প্ৰভৃতি অসমীয়া পুথি লিখি আৰু Way to Health নামে ইংৰাজী পুথি অসমীয়ালৈ ভাঙি গৱৰ্ণ-মেণ্টৰপৰা মুঠতে তেওঁ ১১০০ টকা পাইছিল। কামৰূপৰ পুৰণি সংস্কৃত পুথি গোটোৱা বিষয়ত ৰজা ৰাজেন্দ্ৰলাল মিত্ৰক সহায় কৰাৰ বাবে তেওঁ গৱৰ্ণমেণ্টৰপৰা শলাগ আৰু আৰ্থিক পুৰস্কাৰো পাইছিল। ইংৰাজী ১৮৯৬ চনত প্ৰায় ৬০ বছৰ বয়সত তেওঁৰ মৃত্যু হয়। গোড়া (Orthodox) হিন্দু সমাজৰপৰা আঁতৰ হৈ থকা বুলিও তেওঁৰ গুণলৈ নাপাহৰি কেইজনমান ভদ্ৰ বংশৰ ব্ৰাহ্মণে সমাজৰ কঠোৰ শাসনলৈ ভয় নকৰি তেওঁৰ শৱ সৎকাৰ কৰিছিল। এওঁলোক অসমীয়া সমাজৰ ধন্যবাদৰ পাত্ৰ সন্দেহ নাই।

হেমচন্দ্ৰ বৰুৱা

(সোঁৱৰা কথা)

হেমচন্দ্ৰ বৰুৱা আৰু তেওঁৰ অভিধান

হেমচন্দ্ৰ বৰুৱাই প্ৰায় দহ বছৰমান পৰিশ্ৰম কৰিহে তেওঁৰ ডাঙৰ অভিধানখনি লিখি উলিয়ায়। তেতিয়া তেওঁ দেখিলে যে তেনে বৃহৎ পুথি ছপা কৰাত বহুত খৰচ লাগিব। তেওঁ বাস্তবিক কৃপণ আছিল, নহলে নিজৰ যি সাঁচতীয়া ধন আছিল আৰু যি ধন তেওঁৰ মৃত্যুৰ পিচত তেওঁৰ উত্তৰাধিকাৰীসকলে পালে তাৰেই সহজে তেওঁ অভিধানখনি ছপা কৰি উলিয়াব পাৰিলেহেঁতেন। কিন্তু তাকে নকৰি অলপ খৰচত ছপা কৰিব পৰাকৈ তেওঁ এখনি সৰু পঢ়াশালীয়া অভিধান লিখিলে। এইখিনিও তেওঁ নিজে প্ৰকাশ কৰিবলৈ নাপালে। তেওঁৰ ডাঙৰ অভিধানখনি তাহানি কলিকতাত পঢ়া কেইজনমান উদ্যোগী ছাত্ৰে ৰাইজৰপৰা ধন তুলি ছপা কৰিবলৈ কাৰবাৰ কৰিছিল। এই কথা বহুতে নাজানে। ছাত্ৰবিলাকৰ প্ৰস্তাৱত তেওঁ মান্তি হোৱা হলে কিজানি তেওঁৰ জীৱদ্দশাতে অভিধানখনি প্ৰকাশ কৰিব পৰা হলহেঁতেন। তেওঁৰ মৃত্যুৰ পিচত অসমীয়া হিতৈষী কৰ্ণেল পি-আৰ-টি-গৰ্ডন চাহাবৰ যত্ন আৰু শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীৰ উদ্যোগ আৰু পৰিশ্ৰমৰ ফলত গবৰ্ণমেন্টৰ খৰচত পুথিখনি ছপা কৰা হয়। অসমীয়া ভাষা থাকে মানে এই পুথিয়ে হেমচন্দ্ৰ বৰুৱাৰ নাম যুগমীয়া কৰি ৰাখিব।

অসমীয়া ভাষাৰ চলন আৰু হেমচন্দ্ৰ বৰুৱা

এই কাৰ্য্যত হেমচন্দ্ৰ বৰুৱাৰ যত্ন সকলোৱে জানে। অসমীয়া ভাষা যে বঙলা ভাষাৰ অপভ্ৰংশ নহয়, এই কথা বুজাবলৈ তেওঁ অশেষ পুৰুষাৰ্থ কৰিছিল। ইংৰাজী আৰু বঙলা সাময়িক পত্ৰিকাবিলাকত তেওঁ এই বিষয়ে বহুত প্ৰবন্ধ লিখিছিল। তেওঁ বঙলা কাকতত বঙলা ভাষাৰে সুন্দৰ প্ৰবন্ধ লিখা বহুতে নাজানে। অসমীয়া ভাষা লৈ যুদ্ধ তেওঁৰ দিনত ভালকৈ এবাৰহে হৈ গৈছিল। বহমূৰীয়া দৈত্যৰ (hydra-headed monster) নিচিনা মিছা কথা মৰিও নমৰে। হেমচন্দ্ৰ বৰুৱাই এবাৰ মাৰি থোৱা দৈত্য আকৌ সজীৱ হৈ মুখ মেলি উঠাত দ্বিতীয়বাৰ

শ্ৰদ্ধাস্পদ শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱাই তীক্ষ্ণ বাণেৰে তাক বধ কৰিলে। অসমীয়া লিখাত আখৰ জোঁটনিৰ ব্যতিক্ৰম কৰা তেওঁ মুঠেই সহিব নোৱাৰিছিল। অশুদ্ধ ভাষাৰে প্ৰবন্ধ লিখি "আসাম নিউজ"ত ছপা কৰিবলৈ পঠোৱা লিখকসকলৰ বিলাই "চিঠি লিখোঁতা বিলাকৰ প্ৰতি" এই স্তম্ভত ভালকৈ দেখা গৈছিল। "আপোনাৰ চিঠিয়ে আমাৰ স্কটা কাকতৰ পাচিতহে ঠাই পালে" এনে নিৰ্দয় সমিধান বহুতে পাইছিল। সহৃদয় অমায়িক গুণাভিৰাম বৰুৱা আছিল ঠিক ইয়াৰ বিপৰীত। তেওঁৰ "আসাম বন্ধু" বহুত ন লিখাকৰ আদৰৰ ধন আছিল। এই কাকতত আখৰ জোঁটনিৰ কটকটীয়া নিয়ম নাছিল। "আসাম-বন্ধু"ৰ ভুল আখৰ জোঁটনি দেখি কতদিন হেমচন্দ্ৰ বৰুৱাক মুখ বিকটা বিকটি কৰা দেখিছোঁ; কিজানি সেই সময়ত গুণাভিৰাম বৰুৱাক লগ পোৱা হলে তেওঁ ভালকৈ কেৰ্আষাৰমান কথা শুনাই দিলেহেঁতেন। সি যি কি হওক, কেৰাজনো ডেকা অসমীয়া লিখাক হেমচন্দ্ৰ বৰুৱাৰ প্ৰিয়পাত্ৰ আছিল। লম্বোদৰ বৰা, পানীন্দ্ৰনাথ গগৈ আৰু শ্ৰীযুত হেমচন্দ্ৰ গোস্বামীৰ নাম ইয়াত উল্লেখযোগ্য। এই প্ৰবন্ধ লিখক ল'ৰাকালত তেওঁৰ তত্বাৱধানতে লেখা-পঢ়া শিকি অসমীয়া ভাষাত কোনো ৰচনা আদি নিলিখাত তেওঁ পেটে পেটে বেয়া পাইছিল।• বহুদিনৰ পিচত "জোনাকী"ত এই লিখকে ৰচা এটি অসমীয়া কবিতা পঢ়ি বৰ সন্তোষ প্ৰকাশ কৰি লিখকৰ বন্ধু এজনক কৈছিল।

হেমচন্দ্ৰ বৰুৱাৰ ধৰ্ম্মমত

কোনো লোকে তেওঁৰ ধৰ্ম্মমতৰ কথা সুধিলে তেওঁ হাঁহি কৈছিল, "মই agnostic হিন্দুৰ সাংখ্য দৰ্শনতেই ঈশ্বৰ মনা নাই।" এই কথা তেওঁ অনেকক কোৱা দেখা গৈছিল। তেওঁৰ মানত নীতি আৰু ধৰ্ম একে আছিল। যাৰে নৈতিক চৰিত্ৰ ভাল, সেয়ে প্ৰকৃত ধাৰ্মিক—এনে তেওঁ বুজিছিল। ভণ্ডামি তেওঁ মুঠেই সহিব নোৱাৰিছিল। তেওঁৰ যেনে বিশ্বাস, তেনে কাৰ্য্য কৰিবলৈ তেওঁ অলপো সঙ্কোচ নকৰিছিল। কোনো সাম্প্ৰদায়িক ধৰ্ম্মমতলৈ তেওঁৰ আস্থা আছিল বুলি একেবাৰেই কব নোৱাৰি। তেওঁৰ খোৱা-লোৱাত কোনো বিচাৰ নাছিল। প্ৰকাশ্যে শূদিৰৰ হাতে ভাত খাইছিল, কাকো নিম্নিপাইছিল।

বন্ধুবৰ গোসাঁইৰ স্মৃতি

বন্ধুবৰ গোসাঁই বয়সে মোতকৈ কেইবছৰমানৰ ডাঙৰ হলেও আমি দুয়ো একে বছৰতে এণ্ট্ৰেঞ্চ পৰীক্ষা পাছ কৰি গৱৰ্ণমেণ্টৰপৰা বৃত্তি পাই কলিকতালৈ পঢ়িবলৈ গৈছিলোঁ। সেই বছৰ নগাঁৱৰ পৰা গোসাইৰ লগত প্ৰসন্ন ফুকন, খিজয় বৰুৱা আৰু ৰবিনাৰায়ণ ববাও গৈছিল। দুখৰ বিষয়, এটাই কেইজন অকালতে এই মৰ্ত্যধামৰপৰা আঁতৰিল। মোৰ লগত গুৱাহাটীৰপৰা জয়কৃষ্ণ, লক্ষ্মীপতি আৰু কল্পনাথ গৈছিল, তেওঁলোকও আজি ইহজগতত নাই। ডাক্তৰি পঢ়িবলৈ জয়কৃষ্ণ (ডাক্তৰ হৰেকৃষ্ণ দাসৰ ককায়েক) বোম্বাইলৈ গ'ল আৰু ৰবিনাৰায়ণ মাদ্ৰাজলৈ গ'ল, আমি কলিকতাতে ৰলোঁ। কলিকতাত গোসাঁই, মই, ম্যাকেশ্বৰ আৰু প্ৰসন্ন ফুকন এই চাৰিজন সহপাঠীয়ে এবাৰ এখনি গ্ৰুপ ফটো তোলাইছিলোঁ। এই গ্ৰুপৰ মই মাথোন জীৱিত। অসমীয়া মানুহ ইমানেই অল্পায়ু।

সৰুৰেপৰা গোসাঁই সাহিত্যসেৱী আছিল। ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাৰ "আসাম বন্ধু"ত প্ৰকাশিত হোৱা তেওঁৰ গুৰলা অসমীয়া কবিতা আমি স্কুলত থকাৰপৰা পঢ়িছিলোঁ। কলিকতাত শ্ৰদ্ধাস্পদ লক্ষ্মীনাথ বেজবৰুৱা আৰু চন্দ্ৰকুমাৰ আগৰৱালাৰ লগত আমাৰ চিনাকি হ'ল। তেওঁলোকৰ অসমীয়া ভাষা আৰু সাহিত্যলৈ আগ্ৰহ দেখি আমাৰো বৰ উৎসাহ জন্মিল। আমাৰ এটাইবিলাকৰে উদ্যোগত, বিশেষকৈ আদিতে আগৰৱালাৰ অৰ্থৰ সহায়ত "জোনাকী" প্ৰকাশ কৰা হ'ল। আমি গাইপতি নিজ নিজ স্পৃহা অনুসৰি "জোনাকী"ৰ বাবে লিখাৰ ভাৰ লৈছিলোঁ। আগৰৱালাই যাইকৈ কবিতা লিখিছিল। গোসাঁয়ে কবিতা আৰু অসমীয়া সম্বন্ধে মৌলিক ৰচনা লিখিছিল, বেজবৰুৱাৰ ধেমেলীয়া ৰচনা আৰু মোৰ ভাগত আছিল শিল্প-বাণিজ্য আদি বিষয়ৰ আলোচনা। "জোনাকী"ৰ দ্বিতীয় বছৰৰ শেষভাগত নাইবা তৃতীয় বছৰৰ আদিতে কৃষ্ণপ্ৰসাদ দুৱৰা আৰু পদ্মনাথ বৰুৱাই কিছু প্ৰতিদ্বন্দ্বিতাৰে "বিজুলী" উলিয়ায়। এওঁলোকৰ লগতে শ্ৰীযুত বেণুধৰ ৰাজ-খোৱাও আছিল আৰু এওঁলোকক ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাই বিশেষকৈ অনুগ্ৰহ কৰা যেন দেখা গৈছিল। "জোনাকী" হেমচন্দ্ৰ বৰুৱাৰ আখৰ জোঁটনিৰ বিশেষ পক্ষপাতী আছিল। যা হওক এই প্ৰতিদ্বন্দ্বিতাৰপৰা শেষত ভালৰ বাহিৰে বেয়া ফল ধৰা নাছিল। "জোনাকী"ৰ সেই সময়ৰ আন যাই লিখাৰু আছিল ৰত্নেশ্বৰ মহন্ত আৰু লম্বোদৰ বৰা।

কলিকতাত অসমীয়া ভাষা উন্নতি-সাধিনী সভা প্ৰথমে প্ৰতিষ্ঠিত হোৱাৰ

প্ৰধান উদ্যোগী গোঁসাই। এই সভাই তেতিয়াই অসমীয়া পুথিৰ এখনি তালিকা প্ৰকাশ কৰিবলৈ মন কৰি তাৰ উপাদান সংগ্ৰহ কৰিবলৈ আৰম্ভ কৰে। গোঁসাই কলিকতাৰপৰা অসমলৈ অহাৰ পিচত শ্ৰীযুত ৰমাকান্ত বৰকাকতী আৰু মই উভয়ে অঃ ভাঃ উঃ সাঃ সভাৰ যুটীয়া সম্পাদকৰূপে এই অসম্পূৰ্ণ তালিকা প্ৰকাশ কৰোঁ। গোঁসায়ে শেষত গৱৰ্ণমেণ্টৰপৰা এই কাৰ্য্যতে নিয়োজিত হৈ এখনি সম্পূৰ্ণ তালিকা প্ৰস্তুত কৰে। ই বৰ পৰিতাপৰ বিষয় যে সেই তালিকা প্ৰকাশিত হোৱাৰ পূৰ্বেই তেওঁ অকালতে দেহত্যাগ কৰিলে। অনুমান এই তালিকাৰ পাতনিখনিও তেওঁ সম্পূৰ্ণ কৰিব নোৱাৰিলে। তেওঁ যিবিলাক মহৎ কাৰ্য্য হাতত লৈছিল সেই-বিলাক এতিয়া সম্পূৰ্ণ কৰে কোনে?

কৌটিল্যৰ সময়ত প্ৰাগজ্যোতিষ

কৌটিল্য বা চাণক্যৰ সময় খৃঃ পূঃ চতুৰ্থ শতিকা। সেই সময়ত অনুমান এই দেশৰ নাম আছিল প্ৰাগজ্যোতিষ। কামৰূপ নাম বৰ বেচি পুৰণি নহয়। পণ্ডিতসকলে অনুমান কৰে যে খৃষ্টাব্দৰ আৰম্ভৰ পিচৰপৰাহে কামৰূপ নামৰো আৰম্ভ হৈছিল। সি যি কি হওক কৌটিল্যৰ অৰ্থশাস্ত্ৰত কামৰূপ বা প্ৰাগজ্যোতিষ নামৰ উল্লেখ নাই কিন্তু লৌহিত্যপদৰ নাম পোৱা যায় আৰু সেই সময়ৰ এই দেশৰ দুই এখন ঠাই আৰু নদীৰ নামৰ উল্লেখ আছে।

অৰ্থশাস্ত্ৰত ভাৰতবৰ্ষৰ বেলেগ বেলেগ ঠাইত পোৱা নবিধ তৈলপৰ্ণিকৰ নাম দিছে আৰু এই নামবিলাক ঠাইবিলাকৰ নামৰপৰা হৈছে। অৰ্থশাস্ত্ৰৰ ভাষ্যকাৰ দুজন—শ্ৰীমূল আৰু ভট্টস্বামী। এওঁলোকৰ মতে এই নবিধ তৈলপৰ্ণিকৰ ভিতৰত পাঁচ বিধেই কামৰূপত পোৱা গৈছিল; যেনে, অশোকগ্ৰাম, জোঙ্গা, গ্ৰামেৰু সুবৰ্ণকুড্য আৰু পাৰলৌহিত্য। প্ৰথমে দেখা যাওক তৈলপৰ্ণিক বস্তুটো কি। শ্ৰদ্ধাস্পদ বন্ধু শ্ৰীকালীৰাম মেধি ডাঙৰীয়াই মোক চিঠিৰে জনাইছে যে "আয়ুৰ্বেদ সংগ্ৰহ" নামে এখন পুথিৰ মতে গ্ৰন্থিপৰ্ণ, গ্ৰন্থিক, কাকপুষ্প, শুচ্চক, নীলপুষ্প আৰু তৈলপৰ্ণক, গেঁটেলা বা গাঁথিয়নৰ নাম। এতেকে দেখা যায় যে কৌটিল্যৰ সময়ত প্ৰাগজ্যোতিষ দেশৰপৰা পাঁচবিধ গাঁথিয়ন অন্ততঃ মগধ দেশৰ ৰাজধানীলৈ গৈছিল। গাঁথিয়ন খুন্দি তেলত দি তাৰ দ্বাৰাই তেল সুগন্ধি কৰি সেই সুগন্ধি তেল উত্তৰ ভাৰতবৰ্ষত বহু পূৰ্বে ব্যৱহৃত হৈছিল। সেই ব্যৱহাৰ অসমত এতিয়াও আন সময়ত নহলেও বিবাহৰ সময়ত আছে। ওপৰত লিখা পাঁচখন ঠাইৰ ভিতৰত গ্ৰামেৰু, সুবৰ্ণ্যকুড্য আৰু পাৰলৌহিত্য অসমৰ ঠাই বুলি প্ৰমাণ কৰিব পাৰি। বৰ্তমান কামৰূপ জিলাৰ "গামেৰীমূৰী", গ্ৰামেৰু আৰু "সোণকুড়িহা" সুবৰ্ণ্যকুড্য বুলি ধৰিব পাৰি। শ্ৰীমূলৰ টীকা অনুসাৰে "সুবৰ্ণ্যকুড্যোনাম গ্ৰামঃ কামৰূপগঃ।" পাৰলৌহিত্য ব্ৰহ্মপুত্ৰৰ পাৰৰ কোনো ঠাই।

অৰ্থশাস্ত্ৰত বেলেগ বেলেগ ঠাইত উৎপন্ন হোৱা বেছমী কাপোৰৰ উল্লেখ আছে। তাত লিখা মতে বঙ্গক বা বঙ্গদেশত হোৱা কাপোৰ বগা আৰু মিহি কিন্তু সুবৰ্ণ্যকুড্যত হোৱা কাপোৰৰ বং সূৰ্য্যৰ নিচিনা আৰু সেই কাপোৰৰ দীঘ আৰু বানিৰ সূতা তিয়াই বোৱা হয়। সুবৰ্ণকুড্য বা সোণকুড়িহাৰ কাপোৰেই যে অসমীয়া তিতাকৰীয়া মুগাৰ কাপোৰ তাত বোধকৰোঁ কোনো সন্দেহ নাই। বঙ্গদেশত পাট কাপোৰেই হয় আৰু পাট কাপোৰ বগা কিন্তু মুগা কাপোৰ বং উজ্জ্বল

সোণৰ বৰ্ণ অৰ্থাৎ সূৰ্য্যৰ বৰ্ণৰ নিচিনা। সোণকুড়িহা বৰ্তমান হাজো আৰু নল-বাৰীৰ মাজৰ এখন গাঁও। ইয়াত আজিকালি বহুত ব্ৰাহ্মণৰ বাস। কেইশমান বছৰৰ আগেয়ে ইয়াতে কিজুৰা ৰজাৰ নগৰ আছিল। অনুমান খৃঃ পূঃ চতুৰ্থ শতিকাত ইয়াত বৰ্তমান শুৱালকুছিৰ নিচিনা তাঁতী সম্প্ৰদায়ৰ বাস আছিল। আমাৰ দেশৰ যিসকল লোকে আহোমসকল এই দেশলৈ অহাৰ পৰাহে এড়ী, মুগা আৰু পাটৰ কৃষি আৰম্ভ হোৱা বুলি কয় তেওঁলোকে এবাৰ অৰ্থশাস্ত্ৰলৈ মন কৰিব। অসম-কামৰূপ প্ৰাগজ্যোতিষত প্ৰায় ২৩০০ বছৰৰ আগেয়ে কৃষি, শিল্পৰ আৰু বাণিজ্যৰ কিমান উন্নতি হৈছিল পাঠকসকলে মন কৰি চাই আমাৰ বৰ্তমান অৱস্থালৈ মন কৰি এবাৰ হুমুনিয়াহ পেলাব।

সেই সময়ত আৰু এবিধ বস্তু এই দেশৰপৰা গৈছিল, তাৰ নাম অগৰু চন্দন। এই চন্দন পোৱা ঠাইবিলাকৰ নাম জোঙ্গা, দোঙ্গা, জাপা তুৰুপা আৰু গ্ৰামেৰু। ইয়াৰ পূৰ্বে কোৱা হৈছে যে বৰ্তমান গামেৰীমূৰীয়েই তেতিয়াৰ গ্ৰামেৰু। বাকীবিলাক অনুমান এই দেশলৈ আৰ্য্য-সমাগমৰ পূৰ্বৰ বড়ো জাতিৰ মানুহে দিয়া ঠাইৰ নাম। আজি তিনি হাজাৰ বছৰ আৰ্য্য বসতিৰ পিচত এই ঠাইবিলাকৰ নিশ্চয় হিন্দু নাম হৈ গৈছে।

সেই সময়ত গছৰ ছাল বা আঁহৰ পৰা সূতা উলিয়াই কাপোৰ বোৱা হৈছিল। কৌটিল্যই এনেকুৱা তিনিবিধ কাপোৰৰ উল্লেখ কৰিছে যেনে মাগধিক, পোণ্ড্ৰিক আৰু সুবৰ্ণ্যকুড্যক। এতেকে দেখা যায় যে এই শিল্প মগধ, পুণ্ড্ৰ বা উত্তৰ বঙ্গ আৰু সোণকুড়িহা (অসম) এইবিলাক ঠাইত আছিল। এই তিনিও বিধৰ ভিতৰত সোণকুড়িহাত হোৱা "পাত্ৰোৰ্ণই" এটাইতকৈ উত্তম আছিল অসমে সৌবৰ্ণ্য-কুড্যকা শ্ৰেষ্ঠ।) সোণকুড়িহাতে এই এটাইবিলাক বস্তু উৎপন্ন নহলেও এই গাঁও বা নগৰ যে তেতিয়া এই দেশৰ এখনি ঘাই বাণিজ্যঠাই আছিল তাত কোনো সন্দেহ নাই।

———

মানৱ জাতিৰ সভ্যতা

মানুহ আৰু পশুবিলাকৰ ভিতৰত এটা বৰ ডাঙৰ প্ৰভেদ এই যে মানুহ উন্নতিশীল জীৱ, কিন্তু পশুবোৰ তেনে নহয়। এই প্ৰভেদৰ বাবেই মানুহ যিমান অসভ্য হওক, পশুবিলাকতকৈ বহুত গুণে শ্ৰেষ্ঠ। চৰায়ে তাৰ বাঁহ সাজে, খিবৰে তাৰ গড়াল সাজে, মৌ-বৰলে সিহঁতৰ চাক বান্ধে; চৰাইৰ বাঁহ, বিবৰৰ গড়াল, মৌ-বৰলৰ চাক, আদিৰেপৰা একে নিয়মে সজা হৈ আহিছে এহাজাৰ বছৰৰ আগেয়ে কাউৰীয়ে যেনেকৈ বাঁহ সাজিছিল, এতিয়াও সেইদৰে সাজিছে; কিন্তু এশ বছৰৰ আগেয়ে মানুহে যেনেকৈ ঘৰ সাজিছিল, এতিয়া তেনেকৈ নাসাজে। চৰাইৰ বাঁহ, বিবৰৰ গড়াল আৰু মৌ-বৰলৰ চাক কালৰ গতিত একো উন্নতি নহৈ আদিম অৱস্থাতে আছে; কিন্তু যি মানুহে প্ৰথমে আদিম অৱস্থাত বাঁহ-পাতৰ পঁজা-ঘৰ সাজিছিল, সিহঁতৰ সন্ততিবোৰে আজিকালি প্ৰকাণ্ড প্ৰকাণ্ড অট্টালিকা সাজিছে। ইয়াৰ দ্বাৰাই বুজা যায় মানৱ জাতি উন্নতিশীল, কিন্তু পশুবিলাকৰ উন্নতি নাই। স্বভাৱৰপৰা যিবিলাক শক্তি পাইছে, তাৰ লগে লগে নিজৰ বুদ্ধিৰ বলত আন আন উপায় উলিয়াই মানুহ আন জীৱবোৰতকৈ শ্ৰেষ্ঠ হৈছে। কোনো জন্তুৱে মানুহৰ নিচিনাকৈ কাপোৰ বৈ পিন্ধিব পৰা নাই, খাদ্য ৰাখি খাব জনা নাই, আন আন জন্তু পুহিব জনা নাই। কিন্তু মানুহে এনেকুৱা বহুত জীৱনো পায় উলিয়াই জগতত সভ্য হৈছে। যিবিলাকে সৰহকৈ এনেকুৱা স্বাধীন উপায় উলিয়াব পাৰিছে, সিহঁতেই সিমান সভ্য হৈছে। যেয়ে পৰা নাই, সেয়ে সিমান অসভ্য আৰু বৰ্বৰ হৈ আছে। মানুহৰ মাজত সভ্যতাৰ তাৰতম্যৰ মূল এয়ে। এই প্ৰভেদৰ কাৰণেই কোনোৱে গছৰ ছাল পিন্ধিছে, কোনোৱে মলমল পিন্ধিছে, কোনোৱে বাঁহৰ চুঙাত পানী খাইছে, কোনোৱে সোণ-ৰূপৰ পাতত আহাৰ কৰিছে। কোনোৱে চিঁ‌ডিৰি ব্যৱহাৰ কৰিছে, কোনোৱে 'দেহলাই' ব্যৱহাৰ কৰিছে, কোনোৱে কলগছৰ ভুৰ বান্ধি নৈ পাৰ হৈছে, কোনোৱে ভাপ-নাৱেৰে সাগৰৰ ওপৰেদি অহা-যোৱা কৰিছে।

স্বাধীন উপায়বিলাক উলিয়াব পৰা শক্তি, মানুহৰ প্ৰকৃতিগত বা স্বভাৱৰ পৰা পোৱা নহয়। কাৰণ যি জাতি আজি একেবাৰে অসভ্য, পাঁচশ বছৰৰ পিচত হয়তো দেখিবা সেই জাতি সভ্যতাৰ বহুত ওপৰলৈ উঠিছে। বহিৰ্জগতৰ কাৰ্য্যৰ ফলত এনেকুৱা প্ৰভেদ হোৱা নাই। কাৰণ যি ঠাইত আগেয়ে অসভ্যই বাস কৰিছিল, সেই ঠাই পিচত এক সভ্য জাতিৰ থকা ঠাই হৈছে; আকৌ যি দেশ আগেয়ে সভ্যতাৰ আদি ঠাই আছিল, সেই দেশ পিচত অসভ্য মানুহৰ বাসস্থান

হৈছে। তেনেহলে মানুহৰ সভ্যতাৰ উন্নতিৰ ঘাই নিয়ম কি? কি কাৰণে বেলেগ বেলেগ জাতিবোৰ সভ্যতাৰ বেলেগ বেলেগ খাপত উঠিব পাৰিছে?

পাশ্চাত্য পণ্ডিতসকলৰ বহুতে কয়, প্ৰাণীজগতৰ ক্ৰমিক অভিব্যক্তিৰ যি ন নিয়ম, সেই নিয়মেই মানৱ জাতিৰ সভ্যতাতো খাটিছে। যোগ্যৰ উন্নতি, অযোগ্যৰ অধঃপাত, পূৰ্বপুৰুষৰ গুণ বা বিশেষত্বৰ অধিকাৰ প্ৰভৃতি ডাঙৰ ডাঙৰ নিয়ম-বোৰৰ দ্বাৰাই পৃথিৱীৰ জাতিবিলাক অসভ্য অৱস্থাৰপৰা সভ্য অৱস্থালৈ উঠিছে। অভিব্যক্তিবাদী বিলাকে কয়, জীৱন ৰক্ষাৰ নিমিত্তে হোৱা যুজলৈ সাজু হ'বৰ কাৰণে মানুহে নানা উপায় কৌশল উদ্ভাৱন কৰে, সেইবিলাক অৰ্জা উপায় আৰু কৌশল এক পুৰুষৰপৰা আন পুৰুষে অধিকাৰ কৰে, আৰু চৰিত্ৰত সেইবোৰ শক্তি পোত-খাই ৰয়। এইদৰে যি জাতিয়েই সুবিধাজনক নানা উপায় বা কৌশল উলিয়াই পিচলৈও সাঁচি থৈ গৈছে, সেই জাতিৰেই উন্নতি হৈছে; সেই জাতিয়েই সভ্য বুলি জগতত গণ্য হৈছে। যিবিলাকে এই জীৱন ৰক্ষাৰ যুজত যোগ্যতা দেখুৱাব পৰা নাই, সেইবিলাকেই প্ৰাকৃতিক নিয়মানুসাৰে পিচলৈ হুঁহকিছে, সেইবিলাক জাতিয়েই অসভ্য বুলি পৃথিৱীত গণ্য হৈছে। এই মতানুসাৰে মানুহে যুদ্ধ-বিগ্ৰহ, অত্যাচাৰ-কুসংস্কাৰ, দুৰ্ভিক্ষ প্ৰভৃতিৰ মাজেদি গৈ উন্নতিৰ অখলাত ভৰি দিব পাৰিছে। যি বিলাক মানুহে এইবিলাক অসুবিধা অতিক্ৰম কৰিব পৰা নাই, সিহঁতৰ উন্নতিত বহুত প্ৰতিবন্ধক হৈছে। এই নিয়মে যদি সচাসচিকৈয়ে মানৱ জাতিৰ ক্ৰমোন্নতি ঘটিছে, তেনেহলে মানৱ জাতিৰ অৱনতি হ'বৰ প্ৰায় আশঙ্কা নাই। কাৰণ প্ৰাকৃতিক নিৰ্বাচন প্ৰভৃতি অভিব্যক্তিৰ নিয়মবোৰৰ দ্বাৰাই সমাজৰ অৱনতিজনক অঙ্গ বিলাক লোপ পাই সমাজ কেৱল উন্নতিৰ বাটেৰেহে যাব। কিন্তু এইটি সাধাৰণ নিয়ম নে? এই প্ৰশ্নৰ উত্তৰত কওঁ নহয়। জগতৰ বুৰঞ্জী মেলি চোৱা, আধুনিক সময়ৰ জাতিবোৰৰ সভ্যতাৰ অৱস্থালৈ এবাৰ মন কৰি চোৱা, দেখিবা অভিব্যক্তিৰ নিয়মানু-সাৰে উন্নতি নহৈ বহুত জাতিৰ সভ্যতাৰ অৱস্থাই লৰচৰ কৰিব নোৱাৰা হৈ আছে। এইবিলাক জাতিৰ সভ্যতাৰ প্ৰাণ নাই; সেই নিমিত্তে সি বাঢ়িব নোৱাৰে। অভি-ব্যক্তিবাদী বিলাকৰ মতে সভ্য জাতিয়ে বহুদিনৰ ক্ৰমোন্নতিৰ মূৰত সভ্য অৱস্থাত উপস্থিত হৈছে। অসভ্য জাতিৰ কেতিয়াও এনেকুৱা ক্ৰমোন্নতি হোৱা নাই, সেই দেখি অসভ্য অৱস্থা গুচা নাই। কিন্তু সেইবুলি ইংৰাজ জাতিক আমি আগৰেপৰা উন্নতিৰ বাটেৰেহে অহা পুৰণি জাতি আৰু হিন্দু, চীন, গ্ৰীক, ৰোমান প্ৰভৃতি জাতিক কোনোকালে উন্নতিৰ বাটত ভৰি নিদিয়া আদিম অৱস্থাৰ জাতি বুলিমনে? বুৰঞ্জীয়ে কয় যি সময়ত পুৰণি হিন্দুবিলাকে, গ্ৰীকবিলাকে, ৰোমানবিলাকে, মিচৰবিলাকে ডাঙৰ ডাঙৰ বৈজ্ঞানিক আৰু কঠিন দাৰ্শনিক প্ৰশ্ন বিলাকৰ সিদ্ধান্ত বিচৰাত নিযুক্ত আছিল, যি সময়ত সেই সেই জাতিবিলাকে কৃষি, বাণিজ্য, শিল্প প্ৰভৃতিৰ উন্নতি কৰিছিল, যি সময়ত আৰ্য্যাৱৰ্ত্তত পৰাক্ৰমী হিন্দু ৰজাবিলাকে অসংখ্য ডাঙৰ ডাঙৰ নগৰ আৰু ৰাজ্য পাতিছিল, চীনবিলাকে প্ৰকাণ্ড গড়েৰে গোটেইখন চীনদেশ বেৰি পেলাইছিল, মিচৰত পিৰামিড সজা হৈছিল, বেবিলনৰ নাম গোটেই এছিয়াত বিখ্যাত হৈ উঠিছিল, এথেন্স, থিবচ্, মৰ্মৰ শিলৰ মূৰ্ত্তি আৰু অট্টালিকাৰে

—৫

পৰিপূৰ্ণ আছিল, টাইবৰৰ পাৰত পৰাক্ৰমী ৰোমানবিলাকৰ ৰাজধানী ইউৰোপৰ শ্ৰেষ্ঠ মানুহবিলাকৰ থকা ঠাই হৈ উঠিছিল,সেই সময়ত আধুনিক সভ্য জাতি ইংৰাজ, জাৰ্মান, ফৰাচী, মাৰ্কিন প্ৰভৃতিৰ পূৰ্বপুষবিলাকে হাবিত বাঁহ পাতৰ ঘৰ সাজি বাস কৰিছিল, গছৰ ছাল পিন্ধিছিল আৰু শিল, গছৰ পূজা কৰিছিল। অভিব্যক্তিৰ মতে যদি উন্নতিৰ বাটত উঠা জাতিৰ প্ৰাকৃতিক নিসমানুসাৰে ক্ৰমিক উন্নতিত বাজে অৱনতি নহয়, তেনেহলে হিন্দু, চীন, মিচৰীয়া গ্ৰীক আৰু ৰোমান সভ্যতাৰ আধুনিক অৱস্থা এনে কিয় ?

অভিব্যক্তিবাদীবিলাকে ইয়াৰ ভাল উত্তৰ দিব নোৱাৰে। আৰু আন এদল মানুহে কয় যে মানুহ সমাজৰ সৃষ্টি হ'বৰ পিচত সেই সমাজৰ কিছুমান নিয়ম গঢ়া হয়; কালক্ৰমত সেই নিয়মবিলাক সমাজৰ গাত ইমান দকৈ পোতখায় যে সিহঁতক সমাজৰ শৰীৰৰপৰা বাজ কৰা বৰ টান হৈ উঠে। সমাজে সেই অনাৱশ্যকীয় অথচ এৰিব নোৱাৰা নিয়ম বিলাকৰ বাবে নতুন লাগতিয়াল সমাজৰ হিতকৰ নিয়ম নকৈ সুমুৱাই লব নোৱাৰে। সেইদেখি সমাজৰ সভ্যতাৰ উন্নতিৰ বাট বন্ধ হয়, সেই সভ্যতাৰ প্ৰাণ নোহোৱা হয়। ভাবি চালে যাইকৈ ভাৰতবৰ্ষতে এই নিয়মটি সুন্দৰকৈ খাটিছে যেন অনুমান হয়। হিন্দু সমাজৰ কিছুমান পুৰণি নিৰ্জীব, কুটিল নিয়ম ভিত্তিত বান্ধি লৈ আধুনিক সময়ৰ হিন্দুবিলাকে সমাজক নতুন আৰু আৱশ্যকীয় সাজ পিন্ধাব পৰা নাই। সেই পুৰণি নিয়মবোৰ যিমান পুৰণি হৈছে, সিমান সিহঁত মেৰপাক খাই ধৰা কুসংস্কাৰ হৈ সমাজৰ মানুহৰ মনক চাকি তাত ন পোহৰ ন বতাহ একোকে ঠুটিয়াব নোৱৰা কৰিছে। কিন্তু যদিও হিন্দু সমাজৰ এনেকুৱা সঙ্কীৰ্ণ আৰু ৰক্ষণশীল অৱস্থা হৈছে, তথাপি তাত নতুন নতুন সংস্কাৰ নোসোমোৱাকৈ থকা নাই। হিন্দু ৰাজ্য শেষ হ'বৰপৰাই নানা বিদেশী জাতিয়ে আহি ভাৰতবৰ্ষ আক্ৰমণ কৰিছে। কোনোৱে এই দেশৰ ধন ৰত্ন সকলোকে যিমান পাৰে লুটি লৈ নিজ দেশলৈ উলটি গৈছে, কোনোৱে আকৌ নতুন ৰাজ্য পাতি ভাৰতবৰ্ষত ৰাজত্ব কৰিছে। অতি প্ৰাচীন কালৰেপৰা ভাৰতত বিদেশীৰ প্ৰভুত্ব চলি আহিছে। ইমান দিন বিদেশীৰ প্ৰভুত্বৰ তলত যে হিন্দু সমাজৰ অলপো গঢ়গতি লৰা নাই এনে নহয়। ৰাজনৈতিক বিপ্লৱবোৰৰ লগে লগে একোটা ভয়ানক সামাজিক বিপ্লৱ হৈ উঠে; তাতে সমাজৰ বহুত লৰচৰ হয়। তাৰ ওপৰত আকৌ ভাৰতবৰ্ষৰ ভিতৰতে নানা নতুন ধৰ্মৰ সৃষ্টি হৈ দেশত বহুত ধৰ্মবিপ্লৱ হৈছে। সেই ধৰ্মবিপ্লৱবোৰৰ আনুসঙ্গিক সমাজৰ লৰচৰ বহুত হৈছে। হিন্দুসমাজৰ ইমান ৰক্ষণশীল প্ৰকৃতি নোহোৱা হলে ভাৰতবৰ্ষত যিমান ৰাজবিপ্লৱ আৰু ধৰ্মবিপ্লৱ হৈছে, এইবোৰৰ দ্বাৰাই ইমান দিনে হিন্দু সমাজৰ গঢ় যে একেবাৰেই লৰিলহেঁতেন, এনে অনুমান হয়।

তেনেহলে দেখা গ'ল, সমাজৰ লৰচৰ কৰিব নোৱৰা অৱস্থা হৈ তাত নতুন উন্নতি সোমোৱাৰ বাট মাৰ যোৱাৰ বাবেই মানৱ জাতিৰ সভ্যতাৰ অৱনতি হৈছে, এনে নহয়। বুৰঞ্জী চালে জানিব পৰা যায় যে পৃথিবীৰ সমাজবিলাকৰ বহুতৰ অকাল উন্নতিৰ বাট বন্ধ হৈয়েই থকা নাই; বহুত সমাজে উন্নত অৱস্থানপৰা নামি

একেবাৰেই তললৈ গৈছে। দৰাচলতে সমাজবোৰৰ গতিৰ ফালে অলপ মন কৰিলেই এনে বোধহয় যে কালৰ গতিত প্ৰত্যেক সমাজৰে উত্থান, উন্নতি আৰু অধঃপাত হ'ব লাগিছে। পৃথিৱী বহুত উন্নত সভ্যতাৰ সমাধি ঠাই। বহুতে সমাজৰ সভ্যতাক কাল্পনিক চৰাই ফেনিক্সৰে তুলনা কৰে। এনে প্ৰবাদ আছে যে এটা ফেনিক্স চৰাই বহুত দিন জীয়াই থাকি পিচত মৰিলে তাৰ শৰীৰৰ যি অৱশেষ থাকে, তাৰপৰা আৰু এটি নতুন ফেনিক্সৰ সৃষ্টি হয়। সেই ফেনিক্সটোও সেইদৰে মৰি আৰু এটি নতুন ফেনিক্সৰ জনম লোৱায়। সেইদৰে এক সভ্যতা মৰি, তাৰ ঠাইত আৰু ন সভ্যতা এটাৰ সৃষ্টি হয়। পৃথিৱীত এইদৰে কত সমাজ সভ্যতাৰ জখলাত ভৰি দি ওপৰলৈ উঠিল, কালক্ৰমত আকৌ তললৈ নামিল; কতবাৰ বিজ্ঞান, দৰ্শন, বাণিজ্য, শিল্পৰ উন্নতি হৈ আকৌ অধোগতি হৈছে। যি জাতিয়ে এসময়ত পিৰামিড সাজিব পাৰিছিল, কলোচচ গঢ়িব পাৰিছিল, পৰ্বতৰ শিল কাটি ডোখৰ ডোখৰ কৰিছিল, সাগৰত সেতু বান্ধিছিল, সেই জাতি আজি অৰ্দ্ধসভ্য বুলি পৃথিৱীত গণ্য হৈছে। এতিয়া সেই জাতিৰ মানুহবোৰে সিহঁতৰ পূৰ্বপুৰুষ বিলাকৰ কীৰ্তিৰ চিনবোৰ দেখি তথা মানি তেওঁলোক দেৱশক্তিসম্পন্ন আছিল বুলি অনুমান কৰে।

মানৱ জাতিৰ সভ্যতাৰ উন্নতি আৰু অৱনতিৰ নিয়ম তেনেহলে কি? আমি ওপৰত আলোচনা কৰাৰপৰা দেখিছোঁ যে সমাজৰ উন্নতি বা অৱনতি সমাজৰ ভিতৰৰ মানুহবিলাকৰ স্বাভাৱিক গুণ বা দোষৰ কাৰণে নহয়, আৰু দেখিছোঁ বহিৰ্জগতৰ কাৰ্য্য যেনে, থকা ঠাইৰ গুণ বা দোষৰ বাবে জাতি সভ্য বা অসভ্য নহয়। কালৰ গতিত মানুহৰ সমাজে বহুত অৱস্থা পায়। সেই সেই অৱস্থাৰ সমাজত এক প্ৰকাৰৰ ৰীতি-নীতি, বিশ্বাস, ভাষা, নিয়ম, অনুষ্ঠান প্ৰভৃতিৰ সৃষ্টি হয়। সমাজৰ সেইবিলাক অঙ্গৰ কোনোটিৰ কোনো বিশেষ অৱস্থাৰ বাবে সমাজৰ উন্নতি বা অৱনতি হৈ থাকে। সেই বিশেষ অৱস্থাবিলাক কেনে, তাক ক্ৰমে বিচাৰ কৰা যাব।

আমি আগেয়েই উনুকিয়াইছোঁ যে অভিব্যক্তিৰ নিয়মবিলাকৰ দ্বাৰাই সমাজৰ উন্নতি হোৱা দেখুৱাব পাৰিলেও সমাজৰ উন্নতিৰ প্ৰতিৰোধ বা অৱনতিৰ কাৰণ নিৰ্দেশ কৰিবলৈ অভিব্যক্তিবাদীবিলাক অপাৰগ। বাস্তৱিক অভিব্যক্তিৰ নিয়ম অনুসাৰেই মানুহে বেলেগ বেলেগ জীৱন এৰি সামাজিক জীৱন নিৰ্বাহ কৰে; সেই নিয়মবোৰৰ মতেই সমাজৰ সহজ অৱস্থা গুচি বিষম অৱস্থা হয়। বিষম শব্দৰ দ্বাৰা ইয়াত কুটিল আৰু মেৰপাক খোৱা বুজোৱা গৈছে। সমাজ স্থাপিত হোৱাৰ আগেয়ে প্ৰত্যেক মানুহ বেলেগ হৈ আছিল, পাচে কাৰ্য্যৰ গতিত মানুহবোৰে দেখিলে যে বেলেগ বেলেগভাবে জীৱন যাত্ৰা নিৰ্বাহ নকৰি বহুত একেলগে মিলি থাকিলে নানা ফালে নানা সুবিধা হয়। অনুমান হয়, মানুহবোৰৰ মাজত যুদ্ধ-বিগ্ৰহ আৰু প্ৰতিদ্বন্দ্বিতা থকাৰ পৰাই এই একেলগে থকা ভাব মানুহৰ মনত উপজিল। সেই সুবিধাবিলাক পাবৰ কাৰণে পিচত বহুত পৰিয়াল গোটখাই সিহঁতৰ মাজত এক সমাজ গঢ়িলে। অভিব্যক্তিৰ নিয়মানুসাৰে অনিশ্চিত অসংলগ্ন আৰু সমজ একাকাৰ অৱস্থাৰপৰা সমাজ লাহে লাহে নিৰূপিত সামঞ্জস্য থকা আৰু সন্নিযুক্ত

বিষমাৱস্থালৈ যাবলৈ ধৰিলে। তেতিয়া সমাজত বেলেগ কৰ্মবিভাগ বহুত মানুহৰ সম্মিলন, পৰস্পৰৰ সাহায্যৰ দ্বাৰাই সমাজ ক্ৰমে উন্নতিৰ বাটত আগবাঢ়িবলৈ ধৰিলে। এই সম্মিলনৰ লগত আৰু দুটি গুণ থকাত সমাজে সোনকালে উন্নতি লাভ কৰিলে। সেই গুণ দুটিৰ এটি সাম্যভাব, আনটি স্বাধীনতা। সমাজৰ সকলো মানুহ সমান, সকলোৰে সমান অধিকাৰ, এয়ে সাম্যভাব। সমাজৰ কোনো মানুহ কাৰো দাস নহয়, কোনো মানুহে কিছুমান স্বাভাৱিক গুণ অধিকাৰ কৰি আন মানুহৰ ওপৰত ৰাজত্ব কৰিব নোৱাৰে; মূল কথা সমাজত কাৰো আগত কোনেও মূৰ দোঁৱাব নালাগে, এয়ে স্বাধীনতা। এই তিনিটা অঙ্গ সমাজত থাকিলে সমাজ সভ্য হৈ থাকে, সেই গুণ কেইটা আঁতৰিলে সমাজৰ উন্নতিৰ গতিৰোধ হৈ সি তললৈ নামি আহে। মাজত সম্মিলন আৰু পৰস্পৰ সহানুভূতি থাকিলে মানুহৰ অৱস্থা উন্নত হয়, আটাইবিলাক মানুহে লগ লাগি সমাজৰ উন্নতিৰ কাৰণে পৰিশ্ৰম কৰিলে সিহঁতে সভ্য নাম লয়। সম্মিলন আৰু ঐক্য নহৈ সমাজত বিবাদ আৰু যুদ্ধ-বিগ্ৰহ হলে সমাজৰ অৱনতি হয়। মানুহবিলাকে বিবাদত লিপ্ত থাকি সমাজৰ উন্নতিৰ কাৰণে পৰিশ্ৰম কৰিব নোৱাৰে। পৰস্পৰ বিবাদ আঁতৰালেই আকৌ সমাজৰ উন্নতি হবলৈ ধৰে। বুৰঞ্জী চালে ইয়াৰ বহুত উদাহৰণ পোৱা যায়। প্ৰাচীন কালত এথেঞ্চ আৰু স্পাৰ্টাৰ মাজত যি যুদ্ধ-বিগ্ৰহ হৈছিল, তাৰ নিমিত্তে বহুত দিন গ্ৰীচত সভ্যতাৰ উন্নতি নহৈ আগৰ সভ্যতাই লোপ পাবলৈ আৰম্ভ কৰিছিল। এনেতে মেচিডন ক্ষমতাই বৃদ্ধি পাই যেতিয়া গোটেইখন গ্ৰীচ অধিকাৰ কৰিলে, তেতিয়া এথেঞ্চ স্পাৰ্টাৰ পৰস্পৰ বিবাদ নোহোৱা হ'ল। মেচিডনৰ অধীনত গ্ৰীক জাতি আকৌ উন্নত হৈ উঠিল। ইংলণ্ডত নৰ্মান অধিকাৰ হোৱাৰ আগেয়ে সেই দেশৰ বেলেগ বেলেগ সম্প্ৰদায়বোৰৰ মাজত অনৈক্য আছিল। ডেঞ্চবিলাকে চেক্সন বিলাকেৰে বিবাদ কৰিছিল। প্ৰথম উইলিয়ামে ৰাজত্ব কৰাৰ সময়ৰপৰাই সেই বিবাদৰ অন্ত পৰিল। এঙ্গল, চেক্সন, জুটডেন প্ৰভৃতি বেলেগ বেলেগ জাতিবিলাক নৰ্মান ৰাজত্বৰ তলত গোটখাই এটা জাতি হ'ল। সেই জাতিৰ মাজত সম্মিলন হবলৈ ধৰিলে। ইংৰাজ জাতিৰ সভ্যতাৰ সূত্ৰপাত তেতিয়াৰপৰাই হয়। আধুনিক ভাৰতবৰ্ষতো এইদৰে ইংৰাজ ৰাজত্বৰ অধীনত সম্প্ৰদায়বিলাকৰ মাজত বিবাদ গুচিবলৈ আৰম্ভ হৈছে। এনে এটা দিন আহিব, যেতিয়া ভাৰতবৰ্ষৰ সমাজত সম্মিলন হ'ব, ভাৰতবৰ্ষত আকৌ সভ্যতাৰ উন্নতি হ'ব। মানুহৰ মাজত সম্মিলন ওপজোৱাৰ এটা যাই উপায় বাণিজ্য। বাণিজ্যত সংলিপ্ত থকা মানুহবোৰে অকল সুবিধা আৰু স্বাৰ্থৰ বাবে পৰস্পৰৰ মাজত সম্ভাৱ ৰাখে এনে নহয়, বাণিজ্যৰ কাৰণে নানা দেশত ফুৰি মানুহবিলাকৰ মন মুকলি হয়, কুসংস্কাৰৰ নিচিনা কুঁৱলী আঁতৰাত মন ফৰকাল হয়। কুসংস্কাৰ, সকলো ৰকম বিবাদ আৰু অনৈক্যৰ মূল। সি আঁতৰিলে কন্দলৰ কাৰণ নোহোৱা হয়। তেতিয়া মানুহৰ মাজত সম্মিলন হবলৈ ধৰে। ধৰ্মৰ জৰীৰে বান্ধ খায়ো বহুত মানুহে পৰস্পৰৰ মাজত সম্ভাৱ ৰাখে। কিন্তু কাজত সেই ধৰ্মানুৰাগ ঠেক হৈ সমাজত বিপৰীত ভাব হৈ উঠে। পৰস্পৰৰ মাজত সম্ভাৱৰ পৰিবৰ্তে সমাজত কন্দল তেতিয়া আৰু বাঢ়ে।

সাম্যভাব আৰু স্বাধীনতাৰ বিষয় একে ঠাইতে আৰম্ভ কৰিব পাৰি। আগেয়েই কোৱা হৈছে অভিব্যক্তিৰ নিয়ম অনুসাৰে সমাজে সহজ অৱস্থাৰপৰা কুটিল অৱস্থালৈ যায়। কৰ্মবিভাগ হৈ পৰে অৰ্থাৎ বেলেগ বেলেগ কামৰ নিমিত্তে বেলেগ বেলেগ মানুহ নিযুক্তি হয়। মানুহবিলাকৰ মাজত পৰস্পৰৰ ওপৰত বেচিকৈ নিৰ্ভৰ কৰা আৱশ্যক হৈ উঠে। প্ৰাণীৰ অভিব্যক্তিত যেনেকৈ অঙ্গহীন পিণ্ডাকাৰ জীৱৰ পৰা সন্নিযুক্ত নানা অঙ্গ-প্ৰত্যঙ্গ থকা জীৱ হৈছে সমাজৰ অভিব্যক্তিতো সেইদৰে সমাজত প্ৰথমে মানুহবোৰে নিজে নিজে আপোনাৰ সকলো বিলাক আৱশ্যকীয় কাম সাধি লয়, ইটোৱে সিটোৰ কাৰ্য্যত সহায়তা নকৰে; পিচত কামবিলাকৰ বেলেগ বেলেগ ভাগ হৈ প্ৰত্যেক ভাগৰ কাৰণে বেলেগ বেলেগ শ্ৰেণীৰ মানুহ লগোৱা হয়। তেতিয়া সমাজৰ অঙ্গ হয়। প্ৰাণীৰ যিমান উন্নতি হয় সিমান অঙ্গ বাঢ়ি এটা অঙ্গৰ অৱস্থাৰ ওপৰত আনবিলাকৰ অৱস্থা নিৰ্ভৰ কৰে সিমান অঙ্গবিলাক সিহঁতৰ আৱশ্যকীয় হৈ উঠে। সমাজৰো সেইদৰে নানা অঙ্গ বাঢ়ি অৱশেষত সমাজৰ জীৱনৰ কাৰণে প্ৰত্যেক অঙ্গ আৱশ্যকীয় হৈ উঠে। কিন্তু সমাজৰ এই অভিব্যক্তিৰ গতিত এটি বিপদ উপস্থিত হবৰ আশঙ্কা সদায় হয়; আৰু আগৰেপৰা সাৱধান নহলেও সেই বিপদ যথাৰ্থই ঘটি সমাজক লাওলোৱা কৰে। সেই বিপদটি সমাজত সাম্যভাবৰ বিনাশ।

কিন্তু কেনে কাৰ্য্যৰ গতিত পৰি এই বিপদৰ আশঙ্কা উপস্থিত হয়? আমি জানো সমাজৰ আদিম অৱস্থাত মানুহৰ মাজত প্ৰত্যেক পৰিয়ালেই একোটা সমাজ হৈ পৰে। পৰিয়ালৰ বয়সিয়াল মান্য মানুহজনেই আনবিলাক পৰিয়ালভুক্ত মানুহৰ ওপৰত কৰ্তৃত্ব চলায়। এই পাৰিবাৰিক শাসনৰ (Patriarchal Government) পিচত প্ৰত্যেক পৰিয়ালৰ তেনেকুৱা মুখ্য মানুহবিলাকৰ মাজৰপৰা এজনক বাছি সকলোৱে দলপতি কৰি লোৱা হয়; কালক্ৰমত সেই দলপতিবিলাকে ৰজা নাম পায়। ইংৰাজবিলাকৰ পূৰ্ব্বপুৰুষ চেক্সনবিলাক যেতিয়া জাৰ্ম্মানীত আছিল, সেই সময়ত সিহঁতৰ সমাজত কোনো বিশেষ দলপতি বা ৰজা নাছিল। বহুত পৰিয়াল একে ঠাইতে লগলাগি পৰস্পৰৰ ভিতৰত সহানুভূতি আৰু সদ্ভাৱ ৰাখি আছিল মাথোন। কেতিয়াবা যুদ্ধৰ সময়ত মুখিয়াল মানুহবোৰৰ মাজৰপৰা এজনক বাছি সিহঁতৰ দলপতি কৰি লোৱা হৈছে। ব্ৰিটন আক্ৰমণ কৰিবৰ সময়ত সেইদৰে বেলেগ বেলেগ দলপতি পাতি লৈছিল। কালক্ৰমত সেই বেলেগ বেলেগ দলপতিবিলাক ৰজা হৈ বেলেগ বেলেগ ৰাজ্য পাতিলে। ইষ্ট-এংগ্লীয়া, মাৰ্চিয়া প্ৰভৃতি সপ্তৰাজ্যৰ তেতিয়া সৃষ্টি হয়। অৱশেষত সেই সৰু সৰু ৰাজ্যবিলাকৰ পৰস্পৰৰ মাজত যুদ্ধ-বিগ্ৰহ হৈ সিহঁত দুৰ্ব্বল হোৱাত এটাইবোৰ ৰাজ্য পৰাক্ৰমী ওৱেচেক্স ৰাজ্যৰ তললৈ আহিল। তেতিয়া ওৱেচেক্স ৰাজ্য ডাঙৰ হ'ল, ওৱেষ্টচেক্সন ৰজাবোৰৰ ক্ষমতা বাঢ়িল। ৰজাৰ যিমান ক্ষমতা বাঢ়ি যায়, সিমান ৰজা ও প্ৰজাৰ মাজত প্ৰভেদ বহল হয়। অৱশেষত ৰজাৰ ক্ষমতা স্বেচ্ছাচাৰী হৈ উঠে, ৰাজ্যত অত্যাচাৰ হবলৈ ধৰে; এজন ৰজাৰ সুখৰ কাৰণে হাজাৰ হাজাৰ মানুহে খাটিব লাগে, হাজাৰ হাজাৰ মানুহে ৰাজ সিংহাসনৰ আগত নীৰৱ হৈ পৰি থাকেহি।

অকল সেয়েই নহয়, ৰজাৰ ওচৰত কিছুমান বিশ্বাসী বন্ধু থাকে। সিহঁতক ৰজাই আদৰ কৰি বিষয়-সম্পত্তি দি ডাঙৰ মানুহ কৰে; সিহঁতেই উপাধি পায়; দেশত উপাধি পোৱা ডাঙৰীয়া বুলি বিখ্যাত হৈ উঠে। সেইবিলাক ডাঙৰীয়াৰ সুখৰ নিমিত্তে আকৌ বহুত মানুহে খাটিব লাগে। এইদৰে দেশত এফালে একশ্ৰেণী কুলিন ডাঙৰীয়াৰ সৃষ্টি হয়, আনফালে একশ্ৰেণী দাস ব্যৱসায়ী মানুহৰ আৰম্ভ হয়। ইয়াৰ দ্বাৰাই সমাজত সাম্যভাব নোহোৱা হৈ পৰে। যেতিয়া এনেকুৱা কুলিন প্ৰথা দেশত বৰকৈ চলিবলৈ ধৰে, যেতিয়া ডাঙৰীয়াবিলাক ওপৰলৈ উঠে আৰু সাধাৰণ-বিলাকে দাসত্বৰ শিকলি পিন্ধে, যেতিয়া ৰজাৰ ক্ষমতাৰ আৰু ইচ্ছাৰ একো প্ৰতি-বন্ধক নাথাকে, তেতিয়া সমাজে এক ভয়লগা গঢ় লয়। দেশত সাম্যভাবৰ পৰি-বৰ্তে দাসত্বৰ বান্ধ দিনে দিনে টান হবলৈ ধৰে। জাতীয় সভ্যতা সমাজৰ এনে-কুৱা অৱস্থাৰ বাবে ক্ৰমে পিচলৈ হুহঁকিবলৈ আৰম্ভ কৰে।

এই গ'ল সমাজত ৰাজনৈতিক স্বাধীনতাৰ কথা। মানুহৰ ধৰ্ম বিষয়ে সাম্যভাব নহলে দেশীয় সভ্যতাৰ অৱস্থা আৰু বেয়া হয়। ওপৰত দেখুৱা মতে সমাজত, যেনেকৈ এদল কুলিন ডাঙৰীয়াৰ সৃষ্টি হয়, সেইদৰে ধৰ্মযাজক-বিলাকো সমাজৰ অভিব্যক্তিত সাধাৰণ মানুহৰপৰা বহুত দূৰৈত গৈ পৰে। নিজ সুবিধাৰ নিমিত্তে ধৰ্মযাজকবোৰে নানা নিয়ম-প্ৰণালী কৰি সমাজত সিহঁতৰ শ্ৰেষ্ঠত্ব ভালকৈ থাপি লয়। সিহঁতে যি বিধি দিয়ে, তাক লংঘন কৰিলে সাধাৰণ মানুহ-বোৰ সমাজচ্যুত হয়। আধ্যাত্মিক স্বাধীনতা নাপাবৰ কাৰণে নীচ শ্ৰেণীৰ মানুহ-বোৰৰ শিক্ষা নিষিদ্ধ বুলি সিহঁতে নিয়ম কৰে। এই ৰকমে সমাজত ধৰ্ম বিষয়ে সাম্যভাব আৰু স্বাধীনতা নোহোৱা হয় আৰু ক্ৰমে দেশীয় সভ্যতাও তললৈ নামে।

সমাজত এনেকুৱা সম্মিলন সাম্যভাব আৰু স্বাধীনতা নোহোৱাৰ কাৰণেই যে জাতিৰ সভ্যতাৰ উন্নতিৰ গতিৰোধ হৈ শেষত সি ধ্বংস পাইছে, তাৰ বহুত উদাহৰণ দেখুৱাব পৰা যায়। পৃথিৱীত যিবিলাক পুৰণি জাতিৰ সভ্যতাই লোপ পাইছে, সেইবিলাকৰ অৱনতিৰ কাৰণ বিচাৰি চালেই এই কথাৰ সত্যতা ভালকৈ বুজিব পৰা হ'ব। হিন্দু সমাজৰ বহুত অনিষ্টকৰ ভিতৰুৱা পৰিবৰ্তন হোৱাৰ বাবেই হিন্দু সভ্যতাৰ অধোগতি হ'ল, তাক হিন্দু মাত্ৰেই জানে। পুৰণি ভাৰতবৰ্ষত বুৰঞ্জী পৰ্য্যোতাসকলে দেখিছে যে প্ৰায় মহাভাৰতৰ সময়ৰপৰাই ভাৰতবৰ্ষত সম্মিলন নাই। তেতিয়াৰপৰা পৃথ্বিৰাজৰ সময়লৈকে ভাৰতবৰ্ষত নানা সৰু সৰু ৰাজ্য হৈ পৰস্পৰৰ মাজত বিবাদ আৰু অনৈক্য চলি আহিছিল। সেই অনৈক্যৰ ফলত ভাৰতবৰ্ষত মুছলমানৰ ৰাজত্ব হ'ল; হিন্দু গৌৰৱ, হিন্দু স্বাধীনতা আৰু সভ্যতাৰ মূৰত কুঠাৰৰ ঘা পৰিল। ভাৰতবৰ্ষত অকল সম্মিলনৰ অভাৱৰ নিমিত্তেই হিন্দু সভ্যতাৰ অৱনতি হোৱা নাই। বহুদিনৰ আগৰপৰা হিন্দু সমাজৰপৰা সাম্যভাব আৰু স্বাধীনতাই বিদায় লৈছে। শেষত ৰজাৰ ক্ষমতা স্বেচ্ছাচাৰী হৈ উঠিল, ৰজা প্ৰজাৰ মাজত স্বৰ্গ-মৰ্ত্যৰ প্ৰভেদ হ'ল, ব্ৰাহ্মণবিলাকৰ ক্ষমতা বঢ়াত সিহঁতে নানা উপায়েৰে নিজৰ প্ৰাধান্য স্থাপন কৰিলে। ব্ৰাহ্মণ পূজা আৰু দেৱ পূজা প্ৰায় একে হৈ পৰিল, টান নিয়মবিলাকৰ নিমিত্তে নীচকুলীয়া মানুহবোৰ নানা অধিকাৰৰপৰা বঞ্চিত

হ'ল, সাধাৰণ মানুহৰ আধ্যাত্মিক স্বাধীনতা নোহোৱা হ'ল। তেতিয়া হিন্দু সভ্যতাৰো শোচনীয় অৱস্থা হৈ পৰিল। ভাৰতবৰ্ষৰ নিচিনা ইংলণ্ডতো এসময়ত সমাজত সম্মিলন, সাম্যভাব আৰু স্বাধীনতা লাহে লাহে কমি গৈছিল হয়, কিন্তু সৌভাগ্যক্রমে কিছুমান কাৰ্য্যৰ গতিত ইংলণ্ডীয় সভ্যতাৰ অৱস্থা বেয়া হবলৈ নাপায়; বৰং তাৰ উন্নতিৰ বাট মুকলি হ'ল। আগেয়ে কোৱা হৈছে যে ইংলণ্ডত দেশীয় সমাজত অনৈক্য গুচি নৰ্মান আৰু এঞ্জেভাইন কৈদৰ ৰজাবিলাকৰ ৰাজত্বৰ সময়ত মানুহবোৰৰ মাজত সাম্যভাব আৰু স্বাধীনতা নথকাৰ বাবে ইংৰাজবিলাকৰ জাতীয় সভ্যতাৰ উন্নতিয়ে বহুতদিন প্ৰতিবন্ধক পাই আছিল। সমাজত সাম্যভাব থপাৰ প্ৰথম চেষ্টাত ৰজাৰ স্বেচ্ছাচাৰী ক্ষমতাক দমাবলৈ কাৰবাৰ হৈছিল। বেৰণবিলাকে এই কাৰ্য্যত সাধাৰণ মানুহৰ নেতৃত্ব কৰিছিল। ৰজাক দমাবলৈ চেষ্টা কৰোঁতে দেশত সমৰাগ্নি জ্বলি উঠিল, বহুত ৰক্তপাতৰ ফলত মেগ্নাকাৰ্টা সাধাৰণ মানুহবিলাকে পালে। ইংলণ্ডীয় সমাজত সাম্যভাব আৰু স্বাধীনতা স্থাপনৰ এয়ে প্ৰথম খোজ। সেই সময়ৰপৰাই ইংৰাজ প্ৰজাবিলাকৰ ৰজাৰ ওপৰত ক্ষমতা দিনে দিনে বাঢ়িবলৈ ধৰিলে। মেগ্নাকাৰ্টাৰ প্ৰায় ৪৫০ বছৰৰ পিচত স্বেচ্ছাচাৰিতাৰ বাবে প্ৰথম চাৰ্লচৰ শিৰচ্ছেদ কৰি ইংলণ্ডীয় প্ৰজাবিলাকে ৰজাৰ ওপৰত সিহঁতৰ প্ৰভুত্বৰ সম্পূৰ্ণ চিনাকি দিয়ে। কিন্তু অকল ৰজাৰ ক্ষমতা খৰ্ব্ব কৰাৰ পৰা একো ফল লাভ নহ'ল। ৰজাৰ অপৰিসীম ক্ষমতাৰ পৰিবৰ্তে ফিউডেল নিয়মৰ গুণত বেৰণবোৰৰ ক্ষমতা দিনে দিনে বৃদ্ধি পাবলৈ ধৰিলে। ৰজাৰ বিপক্ষে অস্ত্ৰ ধৰোঁতে সাধাৰণ মানুহ আৰু বেৰণবিলাকে একেলগে গোট খাইছিল হয়, কিন্তু যেতিয়া ৰজা প্ৰজাৰ হাতৰ তলতীয়া হ'ল, তেতিয়া সাধাৰণ মানুহবোৰে বেৰণবিলাকৰ অপৰিমিত ক্ষমতা খৰ্ব্ব কৰিবলৈ কাৰবাৰ কৰিলে। ফিউডেল নিয়মৰ দ্বাৰাই বেৰণবিলাকৰ মাটিত থকা ৰায়তবোৰে বেৰণৰ দাসত্ব কৰিছিল। ক্রমে ইংৰাজ জাতিৰ মানুহবিলাকৰ মনত যিমান স্বাধীনতাৰ উদয় হবলৈ ধৰিলে, সিমান বেৰণৰ ৰায়তবিলাকে দাসত্বৰ শিকলি ছিঙিবলৈ নানা উপায় উলিয়াবলৈ কাৰবাৰ কৰিলে। শেহত বেৰণবিলাকৰ অত্যাচাৰ অসহ্য হোৱাত দ্বিতীয় ৰিচাৰ্ডৰ সময়ত ইংলণ্ডত সাধাৰণ মানুহৰ বিদ্ৰোহানল উপস্থিত হ'ল। ইংলণ্ডৰ বুৰঞ্জীত এই বিদ্ৰোহৰ নাম কৃষক বিদ্ৰোহ। ইংৰাজ সমাজলৈ সাম্যভাব আৰু স্বাধীনতা আনিবৰ উদ্দেশ্যত আৰু এটি প্ৰধান উদ্যম। এই উদ্যমৰ পিচত ইউৰোপত শিক্ষা, সমাজ, ধৰ্ম্ম, শাসন প্ৰণালী এই সকলোৰে এক নতুন গঢ় লৈ নতুন যুগ আৰম্ভ কৰে। ইউৰোপীয় বুৰঞ্জীত এই যুগৰ নাম নৱাভ্যুদয় কাল (Renaissance period)। এই যুগৰ আৰম্ভতে ইংলণ্ডত অক্সফোৰ্ড, কেম্ব্ৰিজ প্ৰভৃতি ঠাইত ইউনিভাৰচিটি বা বিশ্ববিদ্যালয়বোৰ স্থাপিত হয় আৰু কেথলিক ধৰ্ম্মৰ পৰিবৰ্তে প্ৰটেষ্টাণ্ট ধৰ্ম্ম ইংলণ্ডত চলিবলৈ ধৰে। ইউনিভাৰচিটিবোৰৰ দ্বাৰাই ফিউডেল নিয়মৰ গুণত লোপ পোৱা সমাজৰ সাম্যভাব আৰু স্বাধীনতাক আকৌ উদ্ধাৰ কৰা হ'ল। বিদ্যালয়বিলাকত বৰ মানুহ, সৰু মানুহৰ মাজত ভেদাভেদ নথকাৰ বাবে দেশত কৌলিনত্বৰ হেঁচা অনেক পৰিমাণে লঘু হ'ল। সিকালে কেথলিক ধৰ্ম্মৰ

অৱনতিৰ লগে লগে অৰ্থলোভী ধৰ্মযাজকবোৰৰ প্ৰাধান্যও নোহোৱা হ'ল। সাধাৰণ মানুহৰ আধ্যাত্মিক স্বাধীনতা হ'ল। তেতিয়াৰপৰা আজিলৈকে ইংলণ্ডীয় বুৰঞ্জীয়ে আমাক কেৱল ইংলণ্ডীয় সমাজত সম্মিলন, সাম্যভাব আৰু স্বাধীনতাৰ উন্নতিৰ কথাহে দেখুৱাইছে।

ইংলণ্ডীয় সমাজৰ এই সাম্যভাব যে কালত নোহোৱা হ'ব চোচিয়েলিষ্ট নামে এদল মানুহে এনে বিশ্বাস কৰে। তেওঁলোকে কয় যে সম্প্ৰতি এফালে যেনেকৈ কিছুমান মানুহৰ খুব ধন-সম্পত্তি হৈছে, আনফালে তেনেকৈ কিছুমান মানুহ একেবাৰেই নিঃকিন হৈছে। ইংলণ্ডত মানুহৰ সম্পত্তিৰ এনেকুৱা অসমঞ্জস্য হোৱাৰপৰা অৱস্থা বেয়া হ'ব আৰু তাৰ ফলত জাতীয় সভ্যতাৰ অৱনতি হ'ব, এনে কথা তেওঁবিলাকৰ মুখে শুনিবলৈ পোৱা যায়। আজিকালি মাৰ্কিন দেশৰ সমাজত ওখ খাপৰ সম্মিলন, সাম্যভাব আৰু স্বাধীনতা থকাৰ নিমিত্তে বিখ্যাত হেনৰি জৰ্জ নামে এজন আমেৰিকান অৰ্থনীতিজ্ঞ চোচিয়েলিষ্টৰপৰা জানিব পৰা যায় যে বৰ্ত্তমান সময়ত আমেৰিকাতো ইংলণ্ডৰ নিচিনা মানুহৰ মাজত সম্পত্তিৰ যি অসামঞ্জস হৈছে তাৰ দ্বাৰাই কালত মাৰ্কিন জাতিৰ সমাজৰ অৱস্থা বেয়া হৈ দেশী সভ্যতাৰ অধোগতি হ'বৰ সম্ভাৱনা আছে।

সহানুভূতি

লোকৰ মনৰ ভাবেৰে আমাৰ মনৰ ভাবৰ ঐক্যই সহানুভূতিৰ মূল। আমাৰ চাৰিওফালে যাতে আমাৰ মনৰ ভাবৰ প্ৰতিবিম্ব দেখোঁ, তাৰে সৈতে আমি মিলোঁ, তাকে আমি সহানুভূতি দেখুৱাওঁ। ইয়াকে কৰা মানুহৰ লক্ষণ।

এই সহানুভূতিৰ বলত মানুহৰ সমাজ স্থাপন, পৰিয়ালৰ মাজত মিল আৰু একে জাতিৰ মানুহৰ মাজত ঐক্যভাব হৈছে। অকল যে আমি আনলৈ সহানুভূতি দেখুৱাবলৈ ব্যগ্ৰ এনে নহয়, আমাৰ অন্তৰেও আনৰ সহানুভূতি দেখুৱাবলৈ সদায় বিচাৰে। যেয়ে আমাক সেই সহানুভূতি দেখুৱায় তাকে আমি ভাল পাওঁ, সেয়ে আমাৰ বন্ধু; যেয়ে নেদেখুৱায় তাকে আমি ভাল নাপাওঁ, তাৰ সৈতে আমাৰ মতভেদ আৰু বিবাদ।

নিচেই কম বয়সৰপৰাই মানুহৰ মনত সহানুভূতিৰ গুটি সিচা হয়। কেচুৱা ল'ৰাই লোকে হাঁহিলে হঁহা আৰু লোকে কান্দিব খুজিলে কেঁকুৰিবলৈ ধৰাই তাৰ প্ৰথমাৱস্থা পিচত ক্ৰমে বৃত্তিৰ বিকাশ হয়। বহুত মানুহ একেলগে গোটখাই একেটা ভাব প্ৰকাশ কৰিলে আমাৰ মনেও সেই ভাবকে প্ৰকাশ কৰে। 'বেজাৰকৈ মন মাৰি থকা ল'ৰা এটিক ৰঙিয়াল আন ল'ৰা কিছুমানৰ মাজলৈ আনিলে তাৰ মনৰপৰা বেজাৰ আঁতৰি যায়। সি তেতিয়া ৰঙিয়াল আন ল'ৰাবিলাকক সহানুভূতি দেখুৱায়। ইয়াকে Contagion of feeling বোলে। সহানভূতিৰ ই প্ৰথম অৱস্থা।

কিন্তু আমাৰ ভাবেৰে আনৰ ভাব মিলিলেই সহানুভূতি সম্পূৰ্ণ নহয়। লোকৰ মনত কি হ'ব লাগে তাক ভালকৈ চাবলৈ আমাৰ মনেই দাপোনৰ নিচিনা। কোন সময়ত আমাৰ মনত কি ভাবৰ উদয় হয়, তাক সেই সময়ৰ আমাৰ মনৰ ভাবেৰে বিজাই জানিব পাৰোঁ। কথাটো অলপ বহলাই কোৱা যাওক। যেনে, কোনো মানুহ এটি দুখত পৰিলে তেওঁৰ ভাব কেনে হয় তাক আমি সেই অৱস্থাত পৰিলে আমাৰ মনৰ ভাব কেনেকুৱা হয়, তাৰে সৈতে মিলালেই সহজে বুজিব পাৰোঁ, সেই দেখি সেই মানুহটিৰ দুখত আমি দুখ আৰু সুখত সুখ অনুভৱ কৰোঁ। লোকৰ দুখ বা সুখ দেখি তাক অনুভৱ কৰিলেই, সেই অনুসাৰে কাৰ্য্য কৰিবলৈ আমাৰ ইচ্ছা হয়। অৰ্থাৎ দুখ দেখিলে সেই দুখ গুচাবলৈ যত্ন কৰিবলৈ আৰু সুখ দেখিলে তাক সংবৰ্ধন কৰিবলৈ আমাৰ প্ৰবৃত্তি জন্মে। সেয়েই সহানুভূতিৰ পূৰ্ণ অৱস্থা। দুখীয়াৰ দুখ দেখি আমাৰ যি সহানুভূতি হয় তাৰে পূৰ্ণাৱস্থাৰ নাম দাক্ষিণ্যভাব (benevolence)। সহানুভূতিপূৰ্ণ মন কেনে সাঁচত চলা হ'ব লাগে?

প্ৰথমতে—আমাৰ মন এনেকুৱা হ'ব লাগে যেন লোকৰ অলপ সুখ বা দুখ দেখিলেই আমাৰ মনো তুল্য-ভাবযুক্ত হয়। দ্বিতীয়তে—আমি লোকৰ মুখ বা আকৃতি দেখিয়েই তেওঁলোকৰ মনৰ ভাব কেনে তাক বুজিব পাৰিব লাগে। শেহত লোকৰ কেনে অৱস্থাত আমাৰ মনৰ ভাব কেনে হ'ব পাৰে তাক কল্পনা কৰিব পৰা শক্তি থাকিব লাগে। মনত বেঁকা ভাব থকা মানুহৰ সহানুভূতি কম। সেই দেখি হিংসুক মানুহে লোকক সহানুভূতি দেখুৱাব নোৱাৰে।

লোকৰ সুখত আমাৰ যি সহানুভূতি হয়, দুখত তাতকৈ অনেক অংশ বেছি হয়। যি সহানুভূতি দেখুৱায়, তাতকৈ যাক দেখুৱা হয়, তাৰ মনত বেছি ৰং লাগে। উমলি থকা সৰু ল'ৰাটিৰ ধেমালিত ডাঙৰে যোগ দিলে বা আন কোনোৰকমে তাৰ ধেমালিত সহানুভূতি দেখুৱালে, সি আনন্দত বিভোৰ হয়? দুখীয়াৰ দুখত আনে সহানুভূতি দেখুৱালেও দুখ কমে। সহানুভূতি পালে অকল আমি যে ৰং পাওঁ এনে নহয়, সহানুভূতিৰ দ্বাৰাই আমাৰ ধাৰণাবিলাক দৃঢ়ীভূত হয়। এটা ল'ৰাই কোনো এটি কামত কৃতকাৰ্য্য হ'ব পাৰিলে নিজৰ শক্তিৰ সি যি ধাৰণা কৰিব পাৰিব, আন মানুহে তাক কৃতকাৰ্য্য হোৱা দেখি প্ৰশংসা কৰিলে, তাৰ সেই ধাৰণা আৰু দৃঢ় হ'ব।

পৰস্পৰ সহানুভূতিৰ ই বিশেষ লক্ষণ যে যাক আমি সহানুভূতি দেখুৱাওঁ, সি আমাক ঘূৰি সহানুভূতি নেদেখুৱালে তাৰ প্ৰতি আমাৰ আৰু সহানুভূতি নাথাকে। সেই বাবেই, যাক আমি আপোনপেটীয়া মানুহ বোলোঁ, তেনে মানুহে কেতিয়াও লোকৰপৰা সহানুভূতি আশা কৰিব নোৱাৰে। পৰস্পৰ সহানুভূতি বিশেষকৈ দুবিধ। প্ৰথম—আমাৰ বন্ধু-বান্ধৱৰ সুখ-দুখত সহানুভূতি প্ৰকাশ কৰোঁ। দ্বিতীয়তে আমি এটা বা দুটাৰ প্ৰতি সহানুভূতি নেদেখুৱাই সহানুভূতিৰ ক্ষেত্ৰ বহল কৰোঁ। কোনো জাতীয় অনুষ্ঠান এটিৰ প্ৰতি আমাৰ যি সহানুভূতি হয়, সেয়েই এই বিধৰ।

এতিয়া কেনে অৱস্থাত আমাৰ সহানুভূতি জন্মিব পাৰে তাক দেখা যাওক। পৰস্পৰ সহানুভূতি হ'ব লাগিলে দুয়োপক্ষৰ প্ৰকৃতি আৰু মনৰ ভাবৰ ঐক্য হ'ব লাগে আৰু দুয়োপক্ষৰ মাজতে ঘনিষ্ঠতা হ'ব লাগে। সহানুভূতিতকৈ দয়া (Pity) অলপ ওখ। দুখত পৰা, নিঃসহায় মানুহলৈ আমাৰ কোমল মৰমৰ ভাব এটি ওপজে, সেয়ে দয়া। দয়া সহানুভূতিৰ এবিধ বলী অৱস্থা; অৰ্থাৎ সহানুভূতি বাঢ়িলে বা গাঢ় হলে দয়াত পৰিণত হয়। এনেকুৱা সহানুভূতি দেখুৱাত সদায় আনন্দৰ চিন থাকে; সেই দেখিয়েই কোনো কোনো মনোবিজ্ঞানবিদ পণ্ডিতে Luxury of pity-ৰ কথা উল্লেখ কৰে।

আমি আগেয়ে কৈছোঁ যে কম বয়সৰপৰাই ল'ৰাৰ মনত সহানুভূতিৰ উদ্ৰেক হয়। ডাৰউইনে কৈছে, তেওঁৰ ছমহীয়া ল'ৰা এটিয়ে তাৰ ধাইজনীয়ে কান্দিব খুজিলেই ফেঁকুৰিবলৈ ধৰে।

ক্ৰমে যিমানেই অভিজ্ঞতা বাঢ়ে, সিমানে ল'ৰাৰ সহানুভূতিৰ বিকাশ হয়। লোকৰ দুখ দেখি বা দুখৰ কথা শুনি আমাৰ প্ৰথমে দয়া জন্মে। সৰু ল'ৰাৰ আগত আন কোনো মানুহৰ কষ্টৰ কথা ক'লে সি সদায় বেজাৰৰ চিন দেখুৱায়।

ল'ৰাই সোনকালে লোকৰ দুখ বুজিব পাৰিলেও আনৰ সখ অলপ ডাঙৰ হলেহে বুজিব পাৰে। যিমানে ল'ৰাই দয়া দেখুৱাবলৈ ধৰে, সিমানে ক্রমে পিচত সি লোকৰ সুখৰ কথা ধাৰণা কৰিব পাৰে। কাৰণ দয়া হলে সদায় আনৰ দুখ গুচি সুখ হোৱাহে দেখিবলৈ আমি বাঞ্ছা কৰোঁ। প্ৰথমতে নিজৰ ঘৰত হে লৰাৰ সহানুভূতিৰ কাম কৰে। পিচত তাৰ যিমান অভিজ্ঞতা, বুদ্ধি আৰু অনুভৱ কৰিব পৰা শক্তি বাঢ়ে সিমান সহানুভূতিৰ ক্ষেত্ৰ বহল হৈ যায়। যি ল'ৰাই ঘৰৰ ভাই-ভনী আৰু মাক-বাপেককহে সহানুভূতি দেখুৱাব জানিছিল, পিচত সি বাটৰুৱা, মগনীয়া আৰু দুখীয়া বন কৰা মানুহৰ প্ৰতিও সহানুভূতি দেখুৱাবলৈ ধৰে। শেষত ক্রমে সহানুভূতিৰ বিকাশ হৈ তাৰ শেষ সম্পূৰ্ণাৱস্থা Benevolence ত দক্ষিণ্য-ভাবত পৰিণত হয়।

ল'ৰাৰ শিক্ষাত সহানুভূতিৰ বহুত ব্যৱহাৰ দেখবলৈ পোৱা যায়। পঢ়াশালিত ইটো সিটোৰ মাজত সহানুভূতি জন্মোৱা শিক্ষকৰ এটি প্ৰধান কাম। তাৰ নিমিত্তে শিক্ষকে নিজে ল'ৰাবিলাকক সহানুভূতি দেখুৱাব লাগে। তেহে সিহঁতে আনকো পৰস্পৰ সহানুভূতি দেখুৱাবলৈ শিকে। জ্ঞানৰ অনুশীলন আৰু চৰিত্ৰ গঠন কৰাত সহানুভূতিৰ বিশেষ সম্বন্ধ আছে। সেইদেখি আমাৰ মন সহানুভূতি-পূৰ্ণ হ'ব লাগে।

সংসাৰত সুখ নে দুখ

সংসাৰ সুখৰ নে দুখৰ ঠাই এই প্ৰশ্ন সম্পৰ্কে মানুহৰ মাজত বৰ মতভেদ আছে। এদলে কয় সংসাৰ সুখৰ আঁকৰ; যতে থাকা, যি অৱস্থাতে আছা, শেষত সুখ পাবাই পাবা, কালৰ গতিত তোমাৰ সুখ হবই হ'ব। আনদলে সংসাৰত সদায় এন্ধাৰ মাথোন দেখে। তেওঁলোকে কয় সংসাৰত প্ৰত্যেক খোজতে দুখ আৰু বিপদ। সুখ আশা কৰি তুমি যি কাজকে কৰা শেষফল তাৰ বিষময় হবই হ'ব। কেতিয়াবা যি অলপ সুখৰ আভাস দেখা যায় সি তপত বালিত এটোপা পানীৰ নিচিনা।

পৃথিবীৰ দাৰ্শনিক বিলাকক এই দুই দলৰ মাজতে ভগাই দিব পাৰি। প্ৰথমবিধ পণ্ডিতে কয় মানুহৰ জীৱনত দুখতকৈ সুখৰ ভাগ বেছি, নহলে মানুহে জীয়াই থাকিবলৈ বিচাৰিব কিয়? মানুহ জীয়াই থকাই, জীৱনত সুখৰ ভাগ বেচি থকাৰ প্ৰমাণ। সংসাৰত এফালে যিমান দুখ, বিপদ ভয়, নৈৰাশ প্ৰভৃতিৰ সমাবেশ আনফালে সেইদৰে সৰহকৈ মৰম, দয়া, প্ৰীতি, সহানুভূতি আৰু বিশুদ্ধ প্ৰণয় বৰ্তমান। এই কাৰণেহে মানুহ মৰিব নোখোজে, মৰিবৰ সময়তো সিহঁতে হেঁপাহ চকুৰে ইহজীৱনৰ ফালে উভতি চায় Cast a longing lingering look behind এই দলৰ যিবিলাক অভিব্যক্তিবাদৰ ফলীয়া তেওঁলোকৰ মতে সুখেই অভিব্যক্তিৰ মূল। জীৱন দুঃখপূৰ্ণ হোৱা হলে কেতিয়াবাই পৃথিৱী প্ৰাণীহীন হলহেঁতেন। সুখ আছে বুলিয়েই সংসাৰত জীৱন আছে। সুখ নোহোৱা হলে জীৱন ৰক্ষাৰ সলনি জীৱন-লোপ মানুহৰ ঘাই উদ্দেশ্য হৈ উঠিলহেঁতেন। এই শ্ৰেণীৰ দাৰ্শনিকবিলাকৰ মতে সুখ কি? নে যি জীৱন ৰক্ষাৰ উপযোগী। বেন্থাম আৰু মিলে কৈছে যে সুখ অৰ্জা আৰু দুঃখ গুচোৱাই জীৱনৰ মূল উদ্দেশ্য। অভিব্যক্তিবাদী স্পেন্সাৰে কয়, যি সুখদায়ক সেয়েই জীৱনবৰ্ধনকাৰী, যি জীৱনবৰ্ধনকাৰী সেয়েই সুখদায়ক। যদি সুখেই অভিব্যক্তিৰ ঘাই কথা তেনেহলে দেখা গ'ল সংসাৰত সুখৰ ভাগ বেছি, নহলে মানুহৰ ক্ৰমিক অভিব্যক্তি হ'ব ক'ৰপৰা? সুখৰ ভাগ অধিক থকাৰ বাবেই পৃথিৱীত জীৱনৰ বৃদ্ধি আৰু উন্নতি কৰিবৰ উপযোগী নানা উপায় যেনে, সমাজ বৰ্ধন, ধৰ্মজ্ঞানৰ চৰ্চ্চা, জাতীয় প্ৰেম প্ৰভৃতি দেখিবলৈ পাওঁ। জীৱন দুঃখময় হোৱা হলে জীৱন ধ্বংস কৰাৰ নিমিত্তে নানা উপায় উলিওৱা হলহেঁতেন। সমাজ বন্ধনৰ পৰিবৰ্ত্তে মানুহৰ মাজত পৰস্পৰ কন্দল, গৃহবিবাদ আৰু যুদ্ধ-বিগ্ৰহ হলহেঁতেন, ধৰ্ম্ম শিক্ষাৰ সলনি সংসাৰত অধৰ্ম্মৰ ৰাজ্য হলহেঁতেন; মৰম, দয়া, সৰলতা, প্ৰেম,

বন্ধুতা, প্ৰভৃতি এটাইবিলাক পৃথিবীৰপৰা আঁতৰিবলহেঁতেন। কিন্তু তেনে হোৱাৰ আগন্তুক নাই; কিয়নো জীৱনত সুখৰ ভাগ সৰহ আৰু সেইদেখি জীৱন ৰখোৱা আৰু উন্নত কৰা মানুহৰ ঘাই কাম।

দ্বিতীয়বিধ পণ্ডিতে কয় যে সুখবাদীবিলাকে সংসাৰৰ বৰ্তমান স্বৰূপ অৱস্থালৈ মন কৰি নাচায়। মানুহৰ ভাগ্যত সুখতকৈ দুখৰ অংশ বেচি এইকথা প্ৰমাণ কৰিবলৈ তেওঁলোকে দেখুৱায় যে যিফালেই চোৱা দেখিবা, যে সংসাৰত যাক সুখ বোলে তাতকৈ তাৰ বিপৰীতটিক সৰহ পৰিমাণে মানুহে পায়। যদি বোলা ধনত সুখ, চোৱা পৃথিবীত ধনীতকৈ দুখীয়াৰ সংখ্যা বেছি; যদি কোৱা ধৰ্মই সুখৰ বাটলৈ নিয়ে, চোৱা, সংসাৰত ধাৰ্মিক মানুহতকৈ পাপীৰ সংখ্যা সৰহ। যদি জ্ঞানৰ পোহৰে মানুহক সুখী কৰে, চোৱা পৃথিবীত জ্ঞানৰ পোহৰতকৈ অজ্ঞানতাৰ অন্ধাৰৰ ভাগ বেছি। কিন্তু অকল সেয়েই নহয়। দুঃখবাদীবোৰে আৰু এটা ঘাই যুক্তিৰে তেওঁলোকৰ মত সমৰ্থন কৰে। তেওঁলোকে কয় যে মানুহৰ জীৱনত ইচ্ছাই সকলো কাৰ্য্যৰ মূল। ইচ্ছাশূন্য জীৱন হ'ব নোৱাৰে। ইচ্ছা বা কামনাই সদায় আমাক সেই ইচ্ছা বা কামনা পূৰাবৰ উপযোগী কাৰ্য্যলৈ হেঁচুকিব লাগিছে। এটি ইচ্ছা পূৰোৱা হলে আন এটিয়ে তাৰ ঠাই লয়হি। মানুহ যি অৱস্থাতেই থাকক সি সদায় ইচ্ছাৰ দাস। পঁজাঘৰৰ তলত থকা দুখীয়াই নিজৰ অৱস্থালৈ মন কৰি হুমুনিয়া পেলাই সুখী হবলৈ বাঞ্ছা কৰে। ইফালে ৰাজসিংহাসনত বহি ৰজাই অস্থিৰ মনেৰে নিজৰ অপাৰ চিন্তাৰ বিষয়ে ভাবি, চিন্তাশূন্য দুখীয়া মানুহৰ জীৱনকো নিজৰ জীৱনতকৈ বেছি সুখী বুলি বিবেচনা কৰিছে। এপিনে ল'ৰাই সকতে লোকৰ তত্ত্বাৱধানত থাকি ভাল নাপাই সোনকালে তাৰ অভিভাৱকবিলাকৰ নিচিনা বয়সীয়াল আৰু স্বাধীন হবলৈ ইচ্ছা কৰে; আনফালে সেই অভিভাৱকবিলাকে সংসাৰৰ ভাবনাৰ হেঁচা সহিব নোৱাৰি বেজাৰ মনেৰে সৰু কালৰ চিন্তাহীন, সৰল জীৱনৰ কথা ভাবি আকৌ সেই অৱস্থা পাবলৈ বাঞ্ছা কৰে। সংসাৰত মানুহৰ গতিয়েই এনেকুৱা। ইচ্ছাই সদায় মানুহক চলাব লাগিছে। ইচ্ছাই কি বুজায়? নে যি ইচ্ছা কৰে তাৰ কিবা অভাৱ আছে। সেই অভাৱ পূৰাবলৈ তাৰ ইচ্ছাই উপযুক্ত বস্তুটি বিচাৰে; সেই বস্তু নাপালে মনৰ শান্তি নোহোৱা হয়। মনৰ শান্তি নহলে সুখ হ'ব নোৱাৰে; তেনেহলে দেখা গ'ল সদায় এটি ইচ্ছাৰ দাস হৈ থাকিলে সুখ হ'ব নোৱাৰে। ইফালে শুনিতে কৈ অহা হৈছে যে মানুহৰ জীৱন ইচ্ছাশূন্য কেতিয়াও হ'ব নোৱাৰে, এতেকে এইটো স্থিৰ হ'ল যে মানুহৰ জীৱনত সুখ নাই বা তাৰ ভাগ নিচেই কম।

হিন্দুৰ লয় তত্ত্ব আৰু বৌদ্ধৰ নিৰ্বাণ দুয়ো এই দুঃখবাদৰ ওপৰতে নিৰ্ভৰ কৰে। বৌদ্ধ ধৰ্মৰ ঘাই উদ্দেশ্য—নিৰ্বাণ, অৰ্থাৎ আত্মাৰ সংসাৰত পৰ্য্যটন কৰাৰ শেষ। নিৰ্বাণ পালেই অৰ্থাৎ পৃথিৱীত পুনৰ্জ্জন্মৰ অন্ত পৰিলেই মোক্ষপদ হয়। বৌদ্ধ ধৰ্ম মতে সংসাৰত জীৱন নিৰ্বাহ কৰাৰ সকাম নাই, কিয়? নে সংসাৰত সুখ নাই? আধুনিক হিন্দু দুঃখবাদী। বৈদিক কালৰ হিন্দুবিলাকো যে তেনে আছিল তাৰ প্ৰমাণ নাই। পুৰণি আৰ্য্য হিন্দুৰ মন ল'ৰাৰ নিচিনা সৰল আৰু ৰঙিয়াল আছিল।

সংসাৰত জীৱন দুঃখময় এনে চিন্তাৰ ভাৱৰে কেতিয়াও তেওঁলোকৰ মনক চাকিব নোৱাৰিছিল। শিশুৰ অকপটতাৰে আৰ্য্য ঋষিয়ে গৰু দিয়া, ধান দিয়া, পানী দিয়া বুলি ঈশ্বৰক স্তুতি কৰিছিল। সময়ৰ গতিত সৰলতা আৰু আনন্দৰ সলনি বেজাৰৰ অন্ধকাৰে হিন্দুৰ মন আগুৰি পেলালে। আধুনিক ইংৰাজবিলাক হলে হিন্দুবিলাকৰ নিচিনা বিমৰ্ষ নহয়। বিষাদ কুঁৱলীয়ে সিহঁতৰ মনক চাকিব পৰা নাই, সিহঁতৰ মন আনন্দপূৰ্ণ। হিন্দুধৰ্মই মানুহক দুঃখবাদী কৰে, খ্ৰীষ্টধৰ্মই মানুহক সুখবাদী কৰে। ইউৰোপীয়বিলাক সুখবাদী সেইবাবেই বোধকৰোঁ সিহঁতে জড়শক্তিৰ বিষয়ে বেচি আলোচনা কৰে। হিন্দুৱে সংসাৰত আচল সুখ নাই বুলি ভাবি পাৰ্থিব বস্তু আৰু জড়শক্তিক ঘিণায়। ইউৰোপীয় পণ্ডিত বেচি বৈজ্ঞানিক, হিন্দু পণ্ডিত বেছি দাৰ্শনিক।

মুঠ কথা, একশ্ৰেণী মানুহে সংসাৰ দুখেৰে বা সুখেৰে ভৰা সদায় এই বিষয় লৈ আলোচনা কৰিবলৈ ভাল পায়। সংসাৰত দুঃখ যেনেকৈ আছে সুখও সেইদৰে আছে। মানুহে ইচ্ছা কৰিলে দুখৰ বোজাটি বহুত পৰিমাণে লঘু কৰিব পাৰে। সুখ অৰ্জাই আমাৰ জীৱনৰ মূল উদ্দেশ্য হ'ব নালাগে। Life is a cluster of wants " জীৱন অভাৱৰ সমষ্টি, এইদৰে নাভাবি জীৱন কৰ্তব্যৰ সমষ্টি বুলি বিবেচনা কৰিব লাগে। কৰ্তব্য সাধিব পাৰিলেই আমাৰ সুখ। অন্তৰত হিতাহিত বিবেচক যিটি শক্তি আছে সেই শক্তিৰ সহায়েৰে আমি সদায় আমাৰ কৰ্তব্যবিলাক বিচাৰি পাওঁ। কৰ্তব্য বুলি জানিলেই তাক সম্পাদন কৰিব লাগে, ফলাফল বিবেচনা কৰা অযুগুত। কৰ্তব্য সাধোঁতে সময়ে সময়ে তোমাৰ দৈহিক দুঃখ হ'ব পাৰে, কিন্তু তাক সধাৰ বাবে তুমি বিমল শান্তি লাভ কৰিবা। সেই শান্তিয়েই তোমাৰ সুখৰ নিজৰা হৈ পৰিব।

কামৰূপ সাম্ৰাজ্য

খ্ৰীষ্টীয় সপ্তম শতিকাৰ আদিভাগৰপৰা অষ্টম শতিকাৰ মাজ ভাগলৈকে কামৰূপৰ ৰজাবিলাকৰ বিস্তীৰ্ণ সাম্ৰাজ্য আছিল। শ্ৰীহৰ্ষ বৰ্মাৰ দিনত এই সাম্ৰাজ্যৰ পূব সীমা শদিয়া, পশ্চিম সীমা অযোধ্যা, উত্তৰ সীমা হিমালয় পৰ্বত আৰু দক্ষিণ সীমা মাদ্ৰাজ প্ৰেছিডেন্সীৰ গঞ্জাম পৰ্য্যন্ত জুৰি আছিল। দুখৰ বিষয়, বুৰঞ্জী তথ্য বিচৰা অসমীয়া লেখকসকলেও এই বিস্তীৰ্ণ সাম্ৰাজ্যৰ ধাৰণা কৰিবলৈ টান পায়। কাৰণ সঙ্কীৰ্ণ ভাবটি মনৰপৰা নুগুচে। অথচ এই বৃহৎ সাম্ৰাজ্যৰ ঐতিহাসিক প্ৰমাণ বিস্তৰ আছে আৰু এই প্ৰমাণ বঙালী, মাদ্ৰাজী প্ৰভৃতি আন ভাৰতবৰ্ষীয় পুৰাতত্ববিদসকলে গ্ৰহণ কৰিছে। দেখা যায় এই প্ৰমাণ গ্ৰহণ কৰিবলৈ অনিচ্ছুক কেৱল আমাৰ সঙ্কীৰ্ণমনা দুই এজন অসমীয়াহে। কি দুখৰ কথা! আমাৰ কোনো কোনো লেখকে 'বৃহত্তৰ অসম' 'বৰ অসম' আদি শব্দৰ সৃষ্টি কৰিছে কিন্তু 'প্ৰাগজ্যোতিষ' বা 'কামৰূপ' নাম লিখিবলৈ হাত ধৰে। মহাভাৰত, ৰামায়ণ আৰু পুৰাণ আদিত কিন্তু কামৰূপ বা প্ৰাগজ্যোতিষৰহে নাম পোৱা যায়। অসম নাম অতি অৰ্বাচীন।

কামৰূপৰ পুৰণি কীৰ্তি আৰু গৌৰৱ ঘোষণা কৰিছে যাইকৈ আন প্ৰদেশৰ লোকে। কামৰূপৰ প্ৰাচীনতম তামৰ ফলিৰ উদ্ধাৰ হৈছে এজন ছিলঠীয়া ভদ্ৰলোকৰ যত্ন আৰু অৰ্থ খৰচৰ দ্বাৰা। অষ্টম শতিকাৰ শেষভাগৰ প্ৰসিদ্ধ পণ্ডিত কুমাৰিলভট্ট যে কামৰূপী, নৱম শতিকাৰ আদিভাগৰ প্ৰসিদ্ধ বৌদ্ধ আচাৰ্য্য অভিনৱগুপ্ত যে কামৰূপী তাক আনেহে চকুত ঘোকোটা মাৰি আমাক দেখুৱাই দিছে। সেইদৰে দশম শতিকাৰ তিব্বতীয়া বৌদ্ধ আচাৰ্য্য মীননাথ (মীনাই) যে কামৰূপৰ কৈৱৰ্ত জাতীয় এই সংবাদো য়ুৰোপীয়ান এজনৰপৰাহে আমি প্ৰথমে পাইছোঁ। এছিয়াটিক চোচাইটিৰ জৰ্ণেলত এজন বাঙালী লেখকে অলপতে দেখুৱাইছে যে মুদ্ৰাৰাক্ষস নাটকৰ গ্ৰন্থকাৰ বিশাখদত্ত কামৰূপৰ ব্ৰাহ্মণ। তেওঁ অনুমান ভাস্কৰবৰ্মাৰ দিনত নাইবা তেওঁৰ পুত্ৰৰ দিনত এই পুথি লিখিছিল। সেই সময়ত কামৰূপত দত্ত উপাধিধাৰী কিছুমান নাগৰ ব্ৰাহ্মণ আছিল। ভাস্কৰবৰ্মাৰ তামৰ ফলিত অন্ততঃ দুজন দত্ত উপাধিধাৰী ব্ৰাহ্মণৰ নাম আছে। ৺ৰাখালদাস বানাৰ্জীয়ে তেওঁৰ History of Orissa নামে গ্ৰন্থত দেখুৱাইছে যে দশম শতিকাত কামৰূপৰ শৃঙ্টক গ্ৰামৰ বিষ্ণুসোমাচাৰ্য্য নামে পণ্ডিত এজনে উৰিষ্যাৰ গঙ্গ ৰজাৰপৰা মাটি-বৃত্তি পাইছিল। ৰায়বাহাদুৰ আনন্দচন্দ্ৰ আগৰৱালাৰ মতে তেজপুৰৰ ভাটিৰ শিলবীয়েই

শৃঙ্গটক গাঁও। Giuseppe Tucci নামে ইটালীয় পণ্ডিত এজনে দেখুৱাইছে যে তিব্বতীয় গ্ৰন্থ Grub To'b অনুসাৰে তিব্বতত বৌদ্ধধৰ্ম প্ৰচাৰ কৰা ৰাহুল? নামে এজন পণ্ডিত কামৰূপৰ শূদ্ৰ। বহুলাৰ গুৰু নাগাৰ্জুন এজন প্ৰসিদ্ধ কবিৰাজ আছিল। আৰব ঐতিহাসিক আলবেৰুণীয়ে (Alberuni) তেওঁৰ নাম উল্লেখ কৰি গৈছে। তেওঁ দশম শতিকাৰ লোক। এওঁৰ নামৰ নাগাৰ্জুনৰ বড়ি এতিয়াও অসমত চলি আছে। মহামহোপাধ্যায় হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপাল দৰবাৰ লাইব্ৰেৰীৰ পৰা নাগাৰ্জুনে লেখা যোগশতক নামে পুথি এখন আনিছে। এই যোগশতকত এশ প্ৰকাৰ বড়িৰ বিষয় লেখা আছে। যোগ অৰ্থে Prescription বা Mixture এওঁ যে এজন কামৰূপী বৈদ্য আৰু বৌদ্ধ আচাৰ্য্য আছিল তাৰ কোনো সংশয় নাই। আলবেৰুণীয়েও এওঁক এজন ডাঙৰ বৈদ্য আৰু Alchemist বুলি কৈছে। নৱম শতিকাৰ আদিভাগত শঙ্কৰাচাৰ্য্য কামৰূপ দেশলৈ আহি কামৰূপী বৌদ্ধ দাৰ্শনিক অভিনৱগুপ্তক বাদত পৰাস্ত কৰিছিল। চীন পৰ্য্যটক য়ুয়ানচাঙৰ জীৱনীৰপৰা জনা যায় যে তেওঁ নালন্দাত থকা সময়ত কামৰূপৰ হীনযান মতাৱলম্বী ব্ৰাহ্মণ এজনে নালন্দালৈ গৈ মহাযান সম্প্ৰদায়ৰ আচাৰ্য্যবিলাকেৰে সৈতে বাদ কৰিছিল। প্ৰাচীন কামৰূপৰ গৌৰৱস্থল এই পণ্ডিতবিলাকে কামৰূপৰ বাহিৰে আন দেশতো কৃতিত্ব লাভ কৰিছিল। ই দেশবাসীৰ বৰ গৌৰৱৰ কথা।

— — -

মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্ম্মমত

মহাপুৰুষ শঙ্কৰদেৱে জড় মূৰ্তিত ঈশ্বৰ বুদ্ধি কৰি উপাসনা কৰাৰ বিৰুদ্ধে শিক্ষা দিছিল। "তীৰ্থ বুলি কৰে জলত শুদ্ধি, প্ৰতিমাত কৰে দেৱতা বুদ্ধি, বৈষ্ণৱত নাই ইসব মতি, গৰুতো অধম, কৃষ্ণ বদতি।" কোনোৱে কিন্তু কীৰ্তনৰ ধ্যান-বৰ্ণন অধ্যায় আৰু শঙ্কৰে বৰদোৱাত থাকোঁতে জগন্নাথদেৱৰ প্ৰতিমা সজোৱা কথাৰ দ্বাৰাই শঙ্কৰে যে পৌত্তলিকতা শিক্ষা দিছিল এনে প্ৰমাণ কৰিব খোজে।

শঙ্কৰৰ ধ্যান-বৰ্ণনত যি ধ্যানৰ কথা আছে সি মানস ধ্যান। ঈশ্বৰ চিন্তাৰ কাৰণে প্ৰথম অৱস্থাত মানুহে এটি ৰূপ চিন্তা বা ধ্যান কৰিব লাগে, নহলে চিত্ত স্থিৰ নহয়, কোনো ধাৰণা হ'ব নোৱাৰে। সেই দেখিহে তেওঁ 'মুখে বোলা ৰাম, হৃদয়ে ধৰা ৰূপ' এনে কথা শিকাইছিল। অজ্ঞান লোকবিলাকক ব্ৰহ্মজ্ঞান শিক্ষা দিবৰ নিমিত্তে শাস্ত্ৰকৰ্তাবিলাকে ব্ৰহ্মৰ ৰূপ কল্পনা কৰিছিল।

চিন্ময়স্যাদ্বিতীয়স্য নিষ্কলস্যাশৰীৰিণঃ।
উপাসকানাং কাৰ্য্যাৰ্থং ব্ৰহ্মণো ৰূপকল্পনা॥

উপাসকবিলাকৰ সাধনাৰ সাহায্যাৰ্থে শৰীৰহীন, উপাধিশূন্য অদ্বিতীয় জ্ঞান-ৰূপ পৰমেশ্বৰৰ ৰূপ কল্পনা কৰা হৈছে। এয়ে সাকাৰ উপাসনাৰ মূল। শঙ্কৰৰ উদ্দেশ্য আছিল অজ্ঞবিলাকক ব্ৰহ্মজ্ঞান শিক্ষা দিয়া। বাস্তৱিক ঈশ্বৰ সাধনাৰ পথত আগবঢ়া লোকৰ প্ৰথম অৱস্থাতেহে এনে উপাসনা আৱশ্যকীয়। যি এই পথত ভালকৈ আগুৱাব পাৰিছে তেওঁৰ এনে প্ৰকাৰ অৱলম্বন নহলেও হ'ব পাৰে। মলয় বতাহ এনেই বলি থাকিলে তালবৃন্তৰ আৱশ্যক কি? নাম উচ্চাৰণ কৰোঁতে কৰোঁতে প্ৰথমে নামত ৰুচি, পাছত নামত আসক্তি আৰু শেহত নামত আনন্দ জন্মে; তেতিয়া নাম উচ্চাৰণ বা শ্ৰৱণ মাত্ৰেই ভক্ত আনন্দত পৰিপ্লুত হয়। গৰখীয়া ল'ৰাই ভগবান শ্ৰীকৃষ্ণৰ নাম গোৱা শুনি আনন্দত শঙ্কৰৰ চকুৰ লোতক বাগৰি পৰিছিল। সেই প্ৰকাৰে ঈশ্বৰক চিন্তা কৰি যি সাধক হ'ব পাৰিছে তেওঁৰ সামান্য কথাতে ব্ৰহ্মস্ফূৰ্তি হয়। এটি কম বয়সীয়া ইংৰাজ ল'ৰাই দেৱালয়ত আউজি ত্ৰিভঙ্গভাৱে থিয় হৈ থকা দেখি মহাত্মা ৰামকৃষ্ণ পৰমহংসৰ সমাধি অৱস্থা হৈছিল। ত্ৰিভঙ্গ ৰূপ দেখিয়েই তেওঁৰ ব্ৰহ্মস্ফূৰ্তি হ'ল। কিন্তু beginner-অৰ এনে অৱস্থা

হ'ব নোৱাৰে। গতিকে ঈশ্বৰৰ কল্পিত ৰূপৰ মানস ধ্যান আৱশ্যক। কিন্তু ঈশ্বৰ-বুদ্ধি কৰি মাটি বা শিলৰ প্ৰতিমাক পূজা আদি কৰা গৰু সদৃশ মূৰ্খৰ কাম।

অপ্সু দেৱা মনুষ্যাণাং দিৱি দেৱা মনীষিণাং।
কাষ্ঠলোষ্টেষু মূৰ্খাণাং মুক্তস্যাত্মনি দেৱতা ॥

মাধৱদেৱে লিখিছে—"অব্যক্ত ঈশ্বৰ হৰি, কিমতে পূজিবা তাঙ্ক, ব্যাপকত কিবা বিসৰ্জন। এতাৱন্ত মূৰ্তিশূন্য কোনমতে চিন্তিবাহা, ৰাম বুলি শুদ্ধ কৰা মন ॥" ইয়াকে দেখিও বহুতে ভাবে যে শঙ্কৰে সাকাৰ উপাসনাৰ আৰু মাধৱে নিৰাকাৰ ঈশ্বৰৰ সাধনাৰ শিক্ষা দিছিল। বাস্তৱিক ঈশ্বৰ যে নিৰ্গুণ, নিৰাকাৰ, নিৰ্বিকাৰ, চৈতন্যস্বৰূপ এই কথা দুয়ো কৈছে। কেৱল ভক্তৰ নিমিত্তেহে তেওঁ সাকাৰ আৰু সগুণ। নহলে অল্পবুদ্ধিৰ মানুহে কেনেকৈ নিৰাকাৰ নিৰ্গুণ ব্ৰহ্মৰ ধাৰণা কৰিব। সেই দেখি লোকে মানৱীয় উত্তম গুণবিলাকৰ উৎকৰ্ষ ব্ৰহ্মত আৰোপিত কৰি তেওঁক সগুণ ঈশ্বৰভাৱে আৰাধনা কৰে। সগুণ ঈশ্বৰৰ আৰাধনা কৰোঁতে কৰোঁতে জ্ঞানোন্নতি হলে শেহত নিৰ্গুণ ঈশ্বৰৰ সাধনাত ধৰিব পাৰি। ওপৰত তুলি দিয়া ঘোষাৰ পদ কেইফাঁকিৰ আগতে লিখিছে, "একান্ত ভকতসবে, নিৰ্গুণ কৃষ্ণৰ গুণ, গাৱে সদা বসিয়া যথাত। বৈকুণ্ঠকো পৰিহৰি, যোগীৰ হৃদয় এৰি, থাকে হৰি সাক্ষাতে তথাত ॥" আকৌ ঘোষাৰ এঠাইত আছে, "নিৰ্গুণ কৃষ্ণৰ, গুণক প্ৰকাশ, কৰিলা শ্ৰীশঙ্কৰে।" নিৰ্গুণৰ গুণ বাস্তৱিক paradox ; ইয়াৰ অৰ্থ এই যে নিৰ্গুণ ঈশ্বৰকে ভক্তসকলে সগুণভাৱে আৰাধনা কৰে। সগুণ ঈশ্বৰৰহে সাকাৰ উপাসনা, অৰ্চনা আদি বোলা যায়। নিৰ্গুণ নিৰাকাৰ ব্ৰহ্মৰ সাধনাৰ প্ৰকৃততে কোনো নাম হ'ব নোৱাৰে; কাৰণ শব্দ বা নাম মাত্ৰেই গুণবাচক। তথাপি যিমানদূৰ ব্যক্ত কৰিব পৰা যায় ভাষাত ইয়াক যোগ বোলা হৈছে, অৰ্থাৎ পৰমাত্মাৰ লগত জীৱাত্মাৰ মিলন।

এতেকে ঈশ্বৰ নিৰাকাৰ আৰু সাকাৰ। কিন্তু আকাৰ বুজিলে আমি যি বুজোঁ তেওঁ তাৰ অতীত। তেওঁৰ কোনো জড়, স্থূল কিম্বা সূক্ষ্ম পৰমাণুবিশিষ্ট ৰূপ নাই আৰু হ'ব নোৱাৰে। মাধৱদেৱে লিখিছে, "যতেক প্ৰাকৃত আকাৰবৰ্জিত, ভৈলন্ত যিহেতু হৰি। সেই হেতুতেসে নিৰাকাৰ নাম, আছন্ত ঈশ্বৰে ধৰি ॥" কিন্তু নিৰাকাৰ বুলি তেওঁ একেবাৰে শূন্য নহয়। শাস্ত্ৰমতে তেওঁৰ ৰূপ আছে, যাক ভক্তসকলে দৰ্শন কৰিব পাৰে। সেই ৰূপ নিত্যৰূপ, সেই ৰূপেই সৎচিৎআনন্দ-ৰূপ। সেই ৰূপ ভাষাত ব্যক্ত কৰিব পৰা নাযায়। চৰ্ম-চকুৰে তাৰ দৰ্শন হ'ব নোৱাৰে। অন্তৰ তন্ময় হলে, ভক্তি-চকু মেল খালেহে সেই নিত্যৰূপ দৰ্শন কৰা যায়। এনে দৰ্শন লাভ কৰা সৌভাগ্যশালী সিদ্ধ পুৰুষৰহে হ'ব পাৰে—

শৃণ্বন্তু বিশ্বেহমৃতস্য পুত্ৰা আ যে ধামানি দিব্যানি তস্থুঃ
বেদাহমেতং পুৰুষং মহান্তমাদিত্যবৰ্ণং তমসঃ পৰস্তাৎ ॥

হে দিব্যধামবাসী অমৃতৰ পুত্ৰসকল ! তোমালোকে শুনা । মই সেই তিমিৰ-ব্যতীত জ্যোতিৰ্ময় মহান পুৰুষক জানিছোঁ ।

কিন্তু ভক্তৰ জ্ঞানৰ উন্নতি হৈ যেতিয়া তত্ত্বজ্ঞান পৰিস্ফুট হয়, তেতিয়া আৰু ৰূপ দেখা নাযায় । তেতিয়া অখণ্ড সচ্চিদানন্দ ব্ৰহ্মৰ উপলব্ধি হয় । ইয়াৰ উপমা যেনে সচ্চিদানন্দ অপাৰ সাগৰ, তাৰ আকাৰ-আয়তনৰ কোনো ধাৰণা নহয় । মাজে মাজে ভক্তিৰূপ হিমৰ দ্বাৰা সি বৰফ হৈ আকাৰ ধাৰণ কৰিছে । জ্ঞানসূৰ্য্য উদয় হোৱাৰ পাছত বৰফ গলি যায়, তেতিয়া আকৌ অপাৰ সমুদ্ৰ । "জ্ঞান-প্ৰসাদেন বিশুদ্ধসত্ত্বস্ততস্তু তং পশ্যতে নিষ্কলং ধ্যায়মানঃ"—জ্ঞানৰ প্ৰসাদত শুদ্ধচিত্ত লোক-বিলাকে ধ্যানযুক্ত হৈ নিৰবয়ৱ ব্ৰহ্মক উপলব্ধি কৰে । এই অৱস্থা কাৰো হলে "কৰতলন্যস্তমলকৱৎ" আৰু কোনো সংশয় নাথাকে । "ভিদ্যতে হৃদয়গ্ৰন্থি-শ্ছিদ্যন্তে সৰ্বসংশয়াঃ ।"

শঙ্কৰদেৱে আৰু মাধৱদেৱে অনাৱশ্যক হোম, যাগ, পূজা আদি কৰ্ম এৰি ভক্তিক একান্তমনে ধৰিবলৈ শিকাইছিল আৰু সেই উদ্দেশ্যতেহে ওপৰত উদ্ধৃত কৰা ঘোষাৰ পদ কেইফাঁকি লিখা হৈছিল । তাৰ ঠিক পাছৰ পদৰপৰা ইয়াক ভালকৈ বুজা যায়,—"কৰ্মত বিশ্বাস যাৰ, হিয়াতে থাকন্তে হৰি, অতিশয় দূৰ হোন্ত তাৰ ।" শঙ্কৰৰ একাদশ স্কন্ধত আছে,—

যাৰ যেন মতি কৰে বেদক ব্যাখ্যান ।
নিজ ধৰ্ম ভকতিক ত্যজি বুজে আন ॥
কেহো বোলে বেদে কৰে যজ্ঞ ব্ৰত দান ।
কতো বোলে ক্ষুদ্ৰ দেৱ পূজা তীৰ্থ স্নান ॥
কেহো বোলে বেদে কহে জ্ঞানতে সে গতি ।
গুণৰ ইচ্ছাই বুজে যাৰ যেনে মতি ॥

× × ×

নছাৰে কৰ্মৰ শোক দুঃখ প্ৰতি দিনে ।
জ্ঞানতো নাহিক গতি ভকতি বিহনে ॥

× × ×

তপ জপ সন্ন্যাস পৰম মহাদানে ।
নপাৱে আমাক সখি যোগ মহাজ্ঞানে ।
কেৱলে ভকতি একে মোক কৰে বশ্য ।" ইত্যাদি ।

দৰাচলতে যি ভক্তিমাৰ্গ আশ্ৰয় কৰে তেওঁৰ কৰ্মত বিশ্বাস নাই । জৈমিনিৰ পূৰ্বমীমাংসাৰ প্ৰবৃত্তি-ধৰ্মৰ ক্ৰিয়া-কাণ্ডৰ শিক্ষা খণ্ডন কৰাৰ কাৰণেই ব্যাসদেৱৰ নিবৃত্তি ধৰ্মৰ উত্তৰমীমাংসাৰ সৃষ্টি যেন অনুমান হয় । বেদান্তৰ শাৰীৰক-ভাষ্যকাৰ পূজ্যপাদ শঙ্কৰাচাৰ্য্যই "অথাতো ব্ৰহ্মজিজ্ঞাসা" এই আদি সূত্ৰৰ টীকা কৰোঁতে কৈছে যে চিত্ত-শুদ্ধিহে ব্ৰহ্মজিজ্ঞাসাৰ হেতু হ'ব পাৰে । যজ্ঞ, হোম আদি কৰ্ম-মীমাংসাৰ

ক্ৰিয়া তেনে হ'ব নোৱাৰে। সেইবিলাক বৰং ব্ৰহ্মজিজ্ঞাসাৰ বাধাহে হয়। বহুতে ব্ৰত কৰি বেদাদি অধ্যয়ন কৰে; কিন্তু তথাপি ব্ৰহ্মজিজ্ঞাসু নহয়। বহুতে নানা প্ৰাকৃতিক তত্ত্ব-বিষয়ৰ জ্ঞান লাভ কৰিব পাৰিছে, কিন্তু ব্ৰহ্মতত্ত্ব জানিব নোৱাৰে। বহুতে স্মৃতি, তৰ্ক, দৰ্শন আদিত পাৰ্গত হৈছে, কিন্তু ব্ৰহ্মজ্ঞান লাভ কৰিব পৰা নাই। বহুতে নিত্য গঙ্গাস্নান, জপ, তৰ্পণ, দান, দেৱকাৰ্য্য, পিতৃকাৰ্য্য আদি কৰিব লাগিছে, কিন্তু তেওঁলোকৰো ব্ৰহ্মজ্ঞানৰ উদয় হোৱা নাই। বেদান্তবাদীৰ মতে ধৰ্মক্ৰিয়া আদিৰ দ্বাৰাই যি চিত্তপ্ৰসন্নতা হয় সেয়ে মাত্ৰ তাৰ ফল আৰু জানিত বা অজানিত-ভাৱে এই ফল প্ৰত্যাশা কৰিয়েই কৰ্ম সাধাৰণতে কৰা হয়, সেইবাবে এনে সকাম কৰ্ম ব্ৰহ্মজিজ্ঞাসাৰ অনুকূল নহৈ বৰং প্ৰতিকূল হয়। কৰ্ম নিষ্কামভাৱে কৰিব নোৱাৰিলে চিত্তশুদ্ধি নহয়; অথচ চিত্তশুদ্ধি হলেহে তত্ত্বজ্ঞান হয় আৰু তত্ত্বজ্ঞান হলেহে মুক্তি হয়, শ্ৰৌত বা স্মাৰ্ত কৰ্মৰ সহায়ত নহয়, এই কথা বেদান্তবাদী-সকলে দঢ়াই দঢ়াই কৈছে। বেদান্তৰ ব্যাখ্যাকাৰ অদ্বৈতবাদী আৰু শঙ্কৰাচাৰ্য্য আৰু বিশিষ্টাদ্বৈতবাদী ৰামানুজস্বামী উভয়ে এই কথাত মিলে। কিন্তু শঙ্কৰা-চাৰ্য্যই জ্ঞানমাৰ্গক আৰু ৰামানুজে ভক্তিমাৰ্গক শ্ৰেষ্ঠ বুলিছে। জ্ঞানমাৰ্গৰ সোঽহং ভাবত ভক্তিৰ স্থান নাই, সেই দেখি ভক্তিমাগৰ ভগৱান আত্মাতকৈ বিশেষ অৰ্থাৎ trancendental. এই ভাৱেই সৰ্বত্ৰ বৈষ্ণৱ সমাজত প্ৰবল।

সংসাৰীৰ পক্ষে 'সোঽহং ভাব' অসম্ভৱ আৰু অনুপযুক্ত। সংসাৰীয়ে কত খুন, কত জাল, কত চুৰ, কত পৰস্ত্ৰীহৰণ আদি ভয়ঙ্কৰ ভয়ঙ্কৰ পাপ কৰিব লাগিছে, তেনে সংসাৰীয়ে যদি কয় "হে ঈশ্বৰ, তুমিয়ে মই, ময়েই তুমি" তেনেহলে কেনে শুনায়? অবিদ্যাৰ নাশ হলে, দেহবুদ্ধি গলে, মানুহ জীৱন্মুক্ত হয়, কিন্তু দেহবুদ্ধি যায় ক'ত? "মই" ভাব কেতিয়াও সংসাৰীৰ নাযায়। ৰামকৃষ্ণ পৰমহংসই সুন্দৰকৈ কৈছিল "আমি" গেলে ঘুচিবে জঞ্জাল কিন্তু 'আমি'তো যায়না, তবে থাক শালা 'দাস আমি' হয়ে।" অৰ্থাৎ যি পৰ্য্যন্ত দেহবুদ্ধি থাকে সেই পৰ্য্যন্ত সেব্য সেৱকৰ ভাবৰ ভক্তিয়েই সংসাৰীলোকৰ পক্ষে সহজ আৰু উপযুক্ত। এই দাস্য-ভাবৰ ভক্তিয়েই মহাপুৰুষীয়া ধৰ্মৰ মূল শিক্ষা। এই দাসভাবৰ প্ৰাৰ্থনা কেনে সুন্দৰ ঘোষাৰপৰা দেখক —

সহস্ৰ সহস্ৰ আতি অপৰাধ দিনৰাতি
কৰোঁ মই মহামূঢ় জন।
আমি প্ৰভু তযু দাস আকে জানি জগবাস
ৰাখিওক শ্ৰীমধুসূদন॥
ধৰ্মক জানাহোঁ মই তথাপি প্ৰবৃত্তি নাই
অধৰ্মতো নিবৃত্তি নহয়।
হৃদিস্থিত হুয়া তুমি যেনে কৰাইবাহা স্বামী
হৃষীকেশ কৰিবোঁ তেনয়॥

নজানোহো আৱাহন নজানোহো বিসৰ্জন
পুজামন্ত্ৰ নাজানো কিঞ্চিৎ।
এতেকে পৰমেশ্বৰ দাস ভৈলোঁ চৰণৰ
মোৰ গতি সাধিবে উচিত ॥

মুছলমানে মছজিদৰপৰা, খৃষ্টান পাদুৰীয়ে পুলপিটৰপৰা, ব্ৰাহ্ম আচাৰ্য্যই বেদীৰপৰা অবাধে এই প্ৰাৰ্থনা কৰিব পাৰে। কাৰণ এই ভাবৰ ঈশ্বৰ-ভক্তিয়েই বিশ্বজনীন, universal religion

ভক্তিতেই চিত্ত শুদ্ধি হয়, জ্ঞান উদয় হয়। একাদশ স্কন্ধত শ্ৰীকৃষ্ণই উদ্ধৱক কৈছে, "জ্ঞানে গতি কৰে ৱেদ, লয়ো তাৰ পৰিচ্ছেদ, আছে জ্ঞান ভকতিৰ মাজে।" নাৰদ, সনক, সনন্দ, সনাতন, সনৎকুমাৰ প্ৰভৃতি ঋষিসকলে জ্ঞানী হৈও ভক্তি-পথহে দেখুৱাই গৈছে। এওঁলোক "মুক্তিতো নিস্পৃহ" আছিল অৰ্থাৎ তত্বজ্ঞান লাভ কৰি নিৰাকাৰ নিৰ্গুণ ব্ৰহ্মক উপলব্ধি কৰিও আকৌ সগুণ ঈশ্বৰৰ ভক্তিকে শ্ৰেষ্ঠ বুলি মানিছিল। যীশুখৃষ্ট, কবীৰ, নানক, চৈতন্য, ৰামানন্দ, শঙ্কৰদেৱ প্ৰভৃতি মহাত্মাসকলে ব্ৰহ্মজ্ঞান লাভ কৰিও লোকহিতাৰ্থে ভক্তি-পথকে প্ৰবৰ্তন কৰি গৈছে। এয়ে প্ৰকৃত সনাতন ধৰ্মপথ। বেদান্তৰ সাৰ, ভক্তি প্ৰবৰ্তক অমূল্য গ্ৰন্থ ভাগৱত আৰু গীতা এই ধৰ্মৰ ভিত্তিস্বৰূপ। এই ধৰ্মকে শিক্ষা দি অনাৱশ্যক ক্ৰিয়াদি পৰিত্যাগ কৰাই হৰিভক্তিত লোকক ৰত কৰাবলৈ পুৰুষাৰ্থ কৰাৰ বাবেই শঙ্কৰ, মাধৱ, দামোদৰ প্ৰভৃতিৰ বিৰুদ্ধে ৰজাৰ গুৰিত স্বাৰ্থপৰ লোকবিলাকে ভিন ভিন সময়ত গোচৰ কৰিছিল। এই মহাত্মাসকলে যেতিয়া ধৰ্মপ্ৰচাৰ আৰম্ভ কৰে তেতিয়া লোক-সমাজত ক্ৰিয়াকাণ্ডৰ আধিপত্য খুব আছিল। এনেকি ক্ৰিয়াবিলাক ক্ৰমে ইতৰ লোকৰ ভিতৰত অনাচাৰত পৰিণত হৈছিলগৈ। অনাচাৰীবিলাকে তেওঁলোকৰ ধৰ্মমত বৌদ্ধমত বুলি নিন্দা কৰিছিল। আৰ্য্য ঋষিবিলাকৰ কেবাযুগব্যাপী অনু-শীলনৰ চৰম ফল, আৰ্য্য দৰ্শনৰ সাৰ বেদান্তাদি যি ধমৰ ভিত্তি সেই ধমমত শাস্ত্ৰ-বিৰুদ্ধ বৌদ্ধমত বুলি আজিকালিও কোনো লোকে কবলৈ সাহ কৰে, ইহে আচৰিত। প্ৰকৃত সনাতন ধৰ্ম কি তাক নজনাৰ বাবেই লোকে এনে মন্তব্য প্ৰকাশ কৰে।

ভগবানোক্ত বেদসকল আৰু তদন্তগত ব্ৰাহ্মণ, সংহিতা আৰু উপনিষদ-বিলাক, ঋষিপ্ৰণীত বেদান্তাদি ষড়দৰ্শন পূৰ্বাপৰ এতিয়াও আছে। কোনোকালে সেইবিলাক লুপ্ত হোৱা নাছিল।* সেইবিলাক অধিকাৰভেদে ভিন্ন ভিন্ন লোকৰ

---

* অতি প্ৰাচীন কালত উপবেদ বা তন্ত্ৰ নামৰ বেদৰ আৰু এটি অঙ্গ থকা জনা যায়। সেই কালত নানা অলৌকিক বিজ্ঞান-ৰহস্য আছিল। কোনো কোনোৱে বিশ্বাস কৰে যে বৰ্তমান যুগত সেই শাস্ত্ৰৰ অধিকাৰীৰ অভাৱৰ নিমিত্তে ত্ৰিকালজ্ঞ ঋষিসকলে সেইবিলাক লোকৰ অগম্য আশ্ৰমবিলাকত ৰাখিছে। বৰ্তমান যিসকল শাস্ত্ৰ তন্ত্ৰ নামে পৰিচিত সেইবিলাক কস্মিনকালেও বেদৰ অন্তৰ্গত নাছিল।

উপৰোক্ত ধৰ্মশিক্ষা থকা সত্ত্বেও দেশত অধৰ্মৰ বিস্তাৰ কিয় হ'ল ? পৰিত্ৰাণ আৰু ধৰ্ম-সংস্থাপনৰ অৰ্থে যুগে যুগে কিয় ভগবানৰ অৱতাৰ আৱশ্যক হয় ? বুদ্ধ, মহাবীৰ, নানকাদি মহাত্মাসকলে কি নিমিত্তে ভিন ভিন সময়ত আবিৰ্ভাৱ হৈ ধৰ্মপ্ৰচাৰ কৰিব লাগিছিল ? ইয়াৰ কাৰণ এনে অনুমান হয় যে প্ৰাচীন কালত ইতৰ লোকবিলাকৰ প্ৰকৃত ধৰ্ম শিক্ষাৰ্থে বিশেষ সুবন্দৱস্ত নাছিল। আৰ্য্য ঋষিসকলৰ সময়ত শূদ্ৰাদি ইতৰ লোকৰ গূঢ় দাৰ্শনিক ধৰ্মতত্ত্বসকল ধাৰণা কৰিবৰ শক্তি নাছিল। সেইবাবে সিহঁত একপ্ৰকাৰ সনাতন ধৰ্ম শিক্ষাৰ বহিৰ্ভূত আছিল। ঋষিসকলৰ পৰৱৰ্তী সময়ত চতুৰ্জাতিৰ স্থলত নানা জাতি হ'ল। এক ব্ৰাহ্মণ শ্ৰেণীত বাজে আন সকলো জাতি একপ্ৰকাৰ খিচিৰি হৈ নানা জাতিৰ সৃষ্টি হ'ল। এই সুযোগত বহুত ইতৰ শ্ৰেণীৰ লোকৰ উন্নতি হ'ল, কিন্তু এই লোকসকলৰ আৰ্য্য-ধৰ্মৰ সাৰ গ্ৰন্থবিলাকত অধিকাৰ নাছিল। এই লোকবিলাকক কুলীন যাজক সম্প্ৰদায়ে যি ধৰ্ম বুজাই দিছিল তাত পৰে সিহঁতৰ আন ওখ ধৰ্মভাব নাছিল। যাজক শ্ৰেণীৰ খুব প্ৰাধান্য বাঢ়িল। শেহত স্বাৰ্থলোভী যাজকবিলাকৰ শিক্ষাৰ ফলত ইতৰ শ্ৰেণীৰ লোকৰ মাজত দেৱতা, উপদেৱতা আদিৰ নিৰৰ্থক পূজা আৰু নানা প্ৰকাৰ কুসংস্কাৰ প্ৰচলিত হ'ল। হংস, পাৰাৱত, ছাগ, কুৰ্ম, মহিষ ইত্যাদিৰ বলিদানৰ বিশেষ আড়ম্বৰ বাঢ়িল। এনে কি ধৰ্মৰ নাম কৰি নৰহত্যা পৰ্য্যন্ত কৰা হ'ল। সৰহ দূৰলৈ নাযাওঁ, আমাৰ দেশৰ কামাখ্যা, কেঁচাইখাতী আদি ঠাইত গোঁসানীৰ আগত নৰবলিও দিয়া হৈছিল। "ভোগী"বিলাকৰ বিৱৰণ পঢ়িলে শৰীৰ শিয়ঁৰি উঠে। এইবিলাক ক্ৰিয়া-কাণ্ডৰ যাজকবিলাকক উদ্দেশ্য কৰিয়েই শাস্ত্ৰত বোধকৰোঁ কৈছে—

নযোনিৰ্নাপি সংস্কাৰো ন শ্ৰুতং ন চ সন্ততিঃ।
কাৰণানি দ্বিজত্বস্য বৃত্তমেব তু কাৰণম্ ॥

ব্ৰাহ্মণ বংশত জন্ম কিম্বা সংস্কাৰ কিম্বা বেদ অধ্যয়নৰ দ্বাৰাই দ্বিজত্ব লাভ নহয়। ব্ৰাহ্মণৰ আচাৰৰ দ্বাৰাইহে ব্ৰাহ্মণত্ব হয়। বাস্তৱিক এই অশিক্ষিত লোক-বিলাকক অজ্ঞানতা আৰু কুসংস্কাৰৰ অন্ধকাৰ কূপত পেলাই থৈ নিজ স্বাৰ্থ উদ্ধাৰ কৰাই একশ্ৰেণীৰ নীচমনা যাজকৰ ঘাই নীতি আছিল যেন বোধ হয়। এয়ে প্ৰাচীন হিন্দু সভ্যতাৰ গাৰ ডাঙৰ চেকা। হায়! এতিয়া নানা প্ৰকাৰ নিৰৰ্থক ব্যাখ্যা, sophistries কৰিলেও সি চেকা মচিব নোৱাৰি।

বুদ্ধ, মহাবীৰ, কবীৰ, নানক প্ৰভৃতি মহাত্মাসকলৰ নিচিনাকৈ এই অজ্ঞ, হীন জাতিৰ লোকবিলাকক যথাৰ্থ ধৰ্মশিক্ষা দি সিহঁতক উদ্ধাৰ কৰিবৰ অৰ্থেহে শঙ্কৰে ঘাইকৈ চেষ্টা কৰিছিল। শঙ্কৰে বহলকৈ ভেটি পাতি অট্টালিকা সাজিবৰ দিহা কৰিছিল। মাধৱে সেই অট্টালিকাৰ ওপৰৰ ভাগ সম্পূৰ্ণ কৰিছিল। মাধৱৰ ৰচনা আৰু শিকনি গভীৰ দাৰ্শনিক তত্ত্বমূলক। এই কাৰণেইহে দুইবো ৰচনাৰ অলপ তাৰতম্য দেখা যায়।

প্ৰকৃততে দুয়ো একে শিক্ষাকে দিছিল। শঙ্কৰ গৃহী আৰু মাধৱ সংসাৰ-বিৰাগী আছিল। কিন্তু মাধৱে বৈৰাগ্য শিক্ষা দিয়া নাছিল। কিজানি সংসাৰী লোকে একেবাৰে বেদ-পথ এৰে এনে আশঙ্কা কৰি তেওঁ লিখিছে, "অবিৰক্ত ভকতৰ বেদ লঙ্ঘিবাৰ দোষ, মানিবাহা ইহাক নিশ্চয়। পৰম বিৰক্ত যিটো, কৃষ্ণৰ ভকত ভৈল, তাৰ একো নাহিকে নিৰ্ণয়॥" সংসাৰী হলে বেদৰ বিহিত কৰ্ম কৰে, কিন্তু সেইসকল ভক্তি-অবিৰোধী কৰ্ম হ'ব লাগে। সেইদেখি তেওঁ লিখিছে, "তাৱত কৃষ্ণৰ ভক্ত নৰে, ভক্তি-অবিৰোধী কৰ্ম কৰে, কৃষ্ণৰ কথাত ৰতি যাৱে নোপজয়। যেবে ভৈল কৃষ্ণ কথা ৰত, নিত্য নৈমিত্তিক আদি যত, কথাৰ বিৰোধী জানিয়া সবে ত্যজয়॥" নিষ্কামভাৱে কৰা কৰ্মহে এনে ভক্তি-অবিৰোধী কৰ্ম হ'ব পাৰে। মাধৱে বৈৰাগী হৈ যি শিক্ষা দিছিল শঙ্কৰে তেওঁৰ অমূল্য জীৱনৰ দৃষ্টান্তৰ দ্বাৰাই তাকে বুজাইছে; অৰ্থাৎ সংসাৰী হবা, কিন্তু অনাসক্তভাৱে এহাতে যেনেকৈ সংসাৰ ধৰা, আনহাতেৰে তেনেকৈ ভগৱানৰ পাদপদ্মত ধৰি থাকিবা। সংসাৰীৰ বিবেক আৱশ্যক। বিবেক কি? নে ঈশ্বৰেই সত্য, জগতৰ আন সকলো বিষয়বস্তু অনিত্য, এই বুদ্ধি। এই জ্ঞানৰ বৰ্ম পিন্ধি সংসাৰী হলে কোনো ভয় নাই। এৰাঁগাখীৰ পানীত দিলে পানীৰে একেবাৰে মিহলি হৈ যায়। তেতিয়া পানীৰপৰা গাখীৰ উদ্ধাৰ কৰা অসম্ভৱ হয়। কিন্তু দুগ্ধৰ উৎকৰ্ষ সাধন কৰি যেতিয়া মাখন প্ৰস্তুত কৰা হয় তেতিয়া সেই মাখনক নিঃশঙ্কভাৱে পানীত ৰাখিব পাৰি। দুগ্ধৰ যেনেকৈ উৎকৰ্ষ কৰা যায় সেই প্ৰকাৰ চিত্তকো শুদ্ধ কৰা যায়। সংসাৰৰূপ জলত শুদ্ধচিত্ত হৈ মাখনৰূপে অৰ্থাৎ নিৰ্লিপ্তভাৱে থাকিব লাগে। এই চিত্ত-শুদ্ধিৰ একমাত্ৰ উপায় সাধু-সংগ আৰু ভক্তি সহকাৰে ঈশ্বৰৰ নাম-গুণ কীৰ্তন। এয়ে উভয় মহাপুৰুষৰ শিকনি।

জ্ঞানযোগ, কৰ্মযোগ আৰু ভক্তিযোগ এই তিনিটি পথৰ লক্ষ্য এক—ব্ৰহ্ম-প্ৰাপ্তি। কলিত অন্নগত প্ৰাণ। কলিৰ লোকৰ পক্ষে জ্ঞানযোগ আৰু কৰ্মযোগ কঠিন। দেহবুদ্ধি কোনো প্ৰকাৰে নাযায়, লোক মায়াত ডুব গৈ থাকে। জ্ঞানৰ দ্বাৰাই চিত্তশুদ্ধি হোৱা বৰ কঠিন, গতিকে জ্ঞানযোগ একপ্ৰকাৰ অসম্ভৱ। লোকৰ অলপ আয়ুসৰ নিমিত্তে কৰ্ম কৰোঁতে কৰোঁতে জীৱন যায়, কোনো কৰ্ম অংগপূৰ্ণ নহয়। হাজাৰ ভবা যায় নিষ্ক্ৰিয়ভাৱে কৰ্ম কৰা গৈছে, কিন্তু কামনা আহি পৰে। তেনে অৱস্থাত কৰ্মই কেনেকৈ ভগৱান সিদ্ধিৰ বাবে সহায় কৰিব? বৰং তাৰ বিপৰীতে সংসাৰত আসক্তিহে বঢ়াই দিয়ে। সেই দেখি কলিত ভক্তিযোগ—নাৰদীয় ভক্তি, অৰ্থাৎ ভগৱানৰ নাম-গুণ কীৰ্তন, এয়ে সহজ পথ, এয়ে যুগধৰ্ম। মাধৱদেৱে লিখিছে, "হৰি গুণ কীৰ্তন কলিৰ নিজ ধৰ্ম। জানিবাহা সমস্ত শাস্ত্ৰৰ তত্ত্ব-মৰ্ম॥"

বৰদোৱাত জগন্নাথদেৱৰ প্ৰতিমা সজোৱাৰ উদ্দেশ্য চৰিত্ৰ-পুথি মন দি পঢ়িলেই বোধকৰোঁ বুজা যায়। সেই সময়ৰ কিছু পূৰ্বে ব্ৰাহ্মণবিলাকে ভক্তসকলক যৎপৰোনাস্তি নিৰ্য্যাতন কৰাত শঙ্কৰেৰে সৈতে ব্ৰাহ্মণ পণ্ডিতবিলাকৰ খুব বাদ-প্ৰতিবাদ চলিছিল। সেই বাদত ব্ৰাহ্মণবিলাকহে পৰাস্ত হৈছিল। কোৰোজা বাটৰ

দ্বাৰাই প্ৰতিমা গঢ়াই প্ৰতিষ্ঠা কাৰ্য্যৰ নিমিত্তে ব্ৰাহ্মণসকলক নিমন্ত্ৰণ কৰাত প্ৰথমতে তেওঁলোকে নিমন্ত্ৰণ গ্ৰহণ নকৰিবলৈ আলচ পাতিছিল। কিন্তু চৰিত্ৰত লিখিছে যে সোণ-ৰূপ আদি দান-দক্ষিণাৰ বিশেষ আয়োজনৰ ভু পাই ব্ৰাহ্মণসকল আহিল। প্ৰতিষ্ঠা কাৰ্য্য আৰু দান দক্ষিণাদি দিয়া সমাধা হলত ব্ৰাহ্মণবিলাকক মাতি শঙ্কৰে সেই প্ৰতিমা পূজা কৰা সম্বন্ধে বিচাৰ আৰম্ভ কৰিলে। আলোচনাৰ পাছত এয়ে স্থিৰ হ'ল আৰু পণ্ডিতবিলাকেও স্বীকাৰ কৰিবলৈ বাধ্য হ'ল যে—

যতেক মৃত্তিকাময় যত শিলাময়।
যত জলময় ইটো দেৱ তীৰ্থ হয়॥
কিন্তু শুদ্ধি কৰে চিৰকাল সেবি যেবে।
দৰশন মাত্ৰে শুদ্ধ কৰে সাধু নৰে॥
দেৱতো তীৰ্থতো হন্তে শুদ্ধ হোৱে নৰ।
সাধুএৰে দেৱে তীৰ্থে অনেক অন্তৰ॥

ইয়াৰ চুম্বক মৰ্ম এয়ে যে ব্ৰাহ্মণবিলাকে যিসকল হৰিসেৱাৰত শুদ্ধচিত্ত সাধুক নিৰৰ্থক লাঞ্ছনা কৰিবলৈ কুণ্ঠিত নহৈছিল, তেনে সাধু নৰ মাটি বা শিলৰ প্ৰতিমাতকৈও শ্ৰেষ্ঠ। শঙ্কৰে হৰিভক্ত বিদ্বেষী ব্ৰাহ্মণবিলাকক এই শিক্ষা দিবৰ নিমিত্তেহে ৺জগন্নাথৰ প্ৰতিমা কৰাইছিল, এনে বুজা যায়, পৌত্তলিকতা প্ৰচাৰ কৰিবৰ অৰ্থে নহয়। বৰদোৱাৰ বাহিৰে গাঙমৌ, ক্ষেত্ৰি, বৰপেটা, পাটবাউসী প্ৰভৃতি ঠাইত তেনে কোনো প্ৰতিমা স্থাপন কৰোৱা চৰিত্ৰৰপৰা পোৱা নাযায়। শদিয়াৰপৰা গোৱাল-পাৰালৈকে অসমৰ গাঁৱে গাঁৱে নামঘৰ, কীৰ্তনঘৰবিলাক আছে, সেইবিলাকত থাপনা আছে, শলাবন্তি আছে, কিন্তু কোনো মূৰ্তি বা প্ৰতিমা নাথাকে। পৌত্তলিকতা বুলিলে প্ৰতিমাত পূজা বুজায়, অথচ পূজা-সেৱা প্ৰভৃতি কৰ্মযোগৰ অন্তৰ্গত। শঙ্কৰ-মাধৱ দুয়োজনে পায্যমানে বৰ্তমান যুগত এই কৰ্মযোগৰে অসাৰতা দেখাই ভক্তি-যোগৰ প্ৰাধান্য বুজাইছে, তেনেস্থলত এওঁলোকে পৌত্তলিকতা শিক্ষা দিছিল বুলি কোৱা যে নিতান্ত ভুল তাত কোনো সন্দেহ নাই। ঘোষাত আছে, "জ্ঞান কৰ্ম বিনে, কেৱলে ভক্তিতে, পাৱয় সংসাৰ পাৰ। কেৱল ভকতি, পুৰুষক তাৰে, সহায় কাকো নাচাৱে। জ্ঞান কৰ্ম তাৰে, তাৰিতে নাপাৰে, ভকতি নাপাৱে যাৱে॥"

শঙ্কৰৰ প্ৰদৰ্শিত ধৰ্মই সনাতন ধৰ্ম। আজিকালি ভাৰতবৰ্ষময় সনাতন ধৰ্মৰ ৰোল উঠিছে। এই ধৰ্ম শিক্ষাৰ্থে হিন্দু বিশ্ববিদ্যালয় স্থাপন কৰাৰ কাৰণে দেশৰ চিন্তাশীল লোকবিলাকে যত্ন কৰিব লাগিছে আৰু সেই যত্ন যে সোনকালে ফলদায়ক হ'ব তাৰ সন্দেহ নাই। সেয়ে হলে এই ধৰ্ম ভাৰতীয় হিন্দুবিলাকৰ একমাত্ৰ ধৰ্ম হ'ব। তেতিয়া নানা পন্থ, নানা আচাৰ গুচি ভাৰতবৰ্ষত আকৌ বিশুদ্ধ বৈদিক ধৰ্ম বিস্তাৰ হ'ব। জগদীশ্বৰৰ কৃপাত যেন সেই শুভদিন শীঘ্ৰে হয় এই প্ৰাৰ্থনা।

শঙ্কৰদেৱে অৱতাৰ মানিছিল, তেওঁ লীলা-বিগ্ৰহধাৰী শ্ৰীকৃষ্ণৰ উপাসনা

শিক্ষা দিছিল, গতিকে তেওঁ বহু ঈশ্বৰবাদী আৰু পৌত্তলিক আছিল, এনে মন্তব্য প্ৰকাশ কৰা নিতান্ত ভুল। প্ৰকৃত সনাতন হিন্দু ধৰ্মৰ মূলত একেশ্বৰবাদ। এই ধৰ্মত জড়োপাসনা নাই। দুৰ্ভাগ্যবশতঃ ইউৰোপীয়বিলাকৰ মত অনুসৰি আমাৰ দেশীয় কোনো কোনো শিক্ষিত লোকে হিন্দুবিলাকক বহু ঈশ্বৰবাদী জড়োপাসক বা পৌত্তলিক বুলি নিন্দা কৰে। হিন্দুবিলাকে জানে যে সমুদায় জড় পদাৰ্থতে এক অনাদি অনন্ত পৰমেশ্বৰ অন্তৰ্য্যামী হৈ আছে, সেই অন্তৰ্য্যামী পুৰুষকহে উপাসনা কৰা হয়, জড় পদাৰ্থ অৱলম্বন মাত্ৰ। যেনে প্ৰকাৰেই হওক ঈশ্বৰত চিত্ত সমাধান কৰিব পাৰিলেই তেওঁৰ উপাসনা কৰা হয়। সেই নিমিত্তে প্ৰতিমা উপাসনাও প্ৰকৃত নিৰাকাৰৰহে উপাসনা। নিৰাকাৰৰ ধাৰণা বা সাক্ষাৎ উপাসনা নহয় বাবে এনে উপায় অৱলম্বন কৰা হয়। ক্ষুদ্ৰমতি ল'ৰাই বিস্তীৰ্ণ ভূমণ্ডলৰ বিষয় ধাৰণা কৰিব নোৱাৰে, সেইবাবে globe বা গোলকৰ সাহায্যত শিক্ষকে বুজাই দিয়ে। সাকাৰ উপাসনা নিন্দা কৰি যিসকলে নিৰ্গুণ নিৰাকাৰৰ উপাসনা কৰে তেওঁলোকেই দয়াময়, মংগলময়, সৰ্বশক্তিমান, ন্যায়বান প্ৰভৃতি বিশেষণ ব্ৰহ্মত প্ৰয়োগ কৰে। তেওঁলোকেও প্ৰাৰ্থনাৰ সময়ত নিৰাকাৰ ব্ৰহ্মৰ চৰণ কমল, সিংহাসন, শান্তিময় ক্ৰোড় প্ৰভৃতিৰ উল্লেখ কৰে। ই তেওঁলোকৰ দোষ বুলিব নোৱাৰি, কাৰণ নিৰাকাৰ আৰু নিৰ্গুণৰ ধ্যান সাধাৰণৰ পক্ষে অসম্ভৱ বাবেই তেওঁলোক অজ্ঞাতভাৱে সাকাৰৰ চিন্তা কৰিবলৈ বাধ্য হয়। লোকৰ অধিকাৰভেদে ভিন্ন ভিন্ন প্ৰকাৰ উপাসনাৰ সৃষ্টি, কিন্তু সকলোৰে লক্ষ্য এক পৰমব্ৰহ্ম সাধনা।

মায়া হ্যেষা ময়া সৃষ্টা যন্মাং পশ্যসি নাৰদ।
সৰ্বভূতগুণৈৰ্মুক্তং মৈবং মাং দ্ৰষ্টুমৰ্হসি ॥

হে নাৰদ, তুমি যে মোক দেখিছা ই মোৰ মায়াৰে ফলত, নহলে মই গুণাতীত, মোক নেদেখিলাহেঁতেন। লোকৰ উপকাৰৰ নিমিত্তেই ভগবানে মায়িক শৰীৰ গ্ৰহণ কৰে, এই কথা গীতাত আছে। এই মায়িক শৰীৰেই তেওঁৰ লীলা। মাধৱদেৱে ঘোষাত লিখিছে যে কঠিন আত্মতত্ত্ব লোকে সহজে বুজিবৰ নিমিত্তেই ভগবানৰ লীলাৰ মূল কাৰণ।

পৰম দুৰ্বোধ আত্মতত্ত্ব তাৰ জ্ঞান অৰ্থে হৰি যত
লীলা অৱতাৰ ধৰা তুমি কৃপাময়।

মায়িক শৰীৰ পৰিগ্ৰহ কৰিলে নিৰ্গুণ ঈশ্বৰ সগুণৰূপে অৱতীৰ্ণ হয়। সেই সগুণ ঈশ্বৰৰ প্ৰতিহে ভক্তিৰ উদ্ৰেক হয়, সেয়ে হলেহে আত্মতত্ত্ব-জ্ঞান হ'ব পাৰে। কেৱল শাস্ত্ৰ অধ্যয়ন, অনুশীলন বা চিন্তাৰ দ্বাৰাই যে তত্ত্বজ্ঞান হ'ব পাৰে এনে বিশ্বাস একেবাৰে ভুল। ৰাশি ৰাশি শাস্ত্ৰ পঢ়িলেও প্ৰকৃত জ্ঞানী হ'ব নোৱাৰি। শাস্ত্ৰজ্ঞান পাণ্ডিত্য নহয়। ব্ৰহ্মজ্ঞানহে পাণ্ডিত্য, বৃহদাৰণ্যক উপনিষদত এই কথা আছে।

দৰাচলতে ভক্তি নহলে জ্ঞান আৰু জ্ঞান নহলে মুক্তি নহয়, এই কথা শঙ্কৰাচাৰ্য্য আদি কৰি জ্ঞানমাৰ্গৰ আচাৰ্য্যবিলাকেও স্বীকাৰ কৰে। "ভক্ত্যা মামভিজানাতি যাবান্ যশ্চাস্মি তত্ত্বতঃ।" বৈষ্ণৱপ্ৰধান পূজ্যপাদ শ্ৰীধৰস্বামীয়ে কয় যে ভক্তিয়েই মুক্তিৰ কাৰণ; জ্ঞান ভক্তিৰ ফল মাথোন। শঙ্কৰাচাৰ্য্য প্ৰভৃতিয়ে কিন্তু জ্ঞানকেহে মুক্তিৰ মুখ্য হেতু বুলি ধৰে। এই মাত্ৰ প্ৰভেদ। অপাৰগৰ পক্ষেহে ভক্তিমাৰ্গ শ্ৰেয়ঃ এনে সিদ্ধান্ত ভুল, তাৰ কোনো সন্দেহ নাই। ভক্তি থাকিলে হে উপনিষদ-জ্ঞানৰ আবিৰ্ভাৱ হয়। কেৱল বুদ্ধিৰ পৰিচালনা কৰি কি ব্ৰহ্মলাভ কৰিব পাৰি? (১)

এতেকে দেখা গ'ল যে মাধৱদেৱে লিখামতে লোকৰ তত্ত্বজ্ঞানৰ সাহায্যাৰ্থেই বাস্তৱিক ভগবানৰ লীলা। এই লীলা অৱতাৰধাৰী ভগবানৰ প্ৰতি একান্ত নিষ্ঠ ভক্তিকেই শঙ্কৰ মাধৱ দুয়ো শিকাইছিল। সেই বাবে তেওঁলোকৰ কাকো বহু ঈশ্বৰ-বাদী বুলি সিদ্ধান্ত কৰা নিতান্ত ভুল। উপনিষদৰপৰা একেশ্বৰবাদ ৰাজা ৰামমোহন ৰায়েও বুজাইছিল। "সদেৱ সৌম্যেদমগ্ৰ আসীদেকমেবাদ্বিতীয়ম" (ছান্দোগ্য)। এই উদ্ধৃতাংশৰ অৰ্থ একেশ্বৰবাদেই নহয়; ইয়াৰ বৈদান্তিক অৰ্থ বহুত গভীৰ। কেৱল যে পৰমেশ্বৰ এক এনে নহয়; এক ব্ৰহ্মৰ বাহিৰে সৎ আৰু একো নাই। ব্ৰহ্মই এক সৎ আৰু অদ্বিতীয়। ব্ৰহ্ম আৰু জীৱাত্মা এক, জগৎ মিথ্যা। ব্ৰহ্ম-বিদ্যা আৰু আত্মতত্ত্বজ্ঞান একে; সেয়েহে মুক্তিৰ কাৰণ; কৰ্ম কোনো কালে মুক্তিৰ কাৰণ নহয়। যিবাবে আত্মা আৰু ব্ৰহ্মৰ একত্ব বুজা নাযায় সেয়ে মায়া বা অবিদ্যা; তাৰে নিমিত্তে অসৎ জগতকো সৎ যেন বোধ হয়। বিদ্যালাভ হলে অৰ্থাৎ অবিদ্যা নাশ হলে বুজা যাব যে এক ব্ৰহ্মই সত্য, আন সকলো মিথ্যা আৰু জীৱাত্মা আৰু ব্ৰহ্ম অভেদ। এজন পণ্ডিতে লিখি গৈছে—

> শ্লোকাৰ্দ্ধেন প্ৰবক্ষ্যামি যদুক্তং গ্ৰন্থকোটিভিঃ।
> ব্ৰহ্ম সত্যং জগন্মিথ্যা জীৱো ব্ৰহ্মৈব॥

---

(১) It is through the heart that the Lord is seen and not through the intellect The intellect is only the street cleaner cleansing the path for us, a secondary worker, the Policeman , * * It is feeling that works, that moves with speed infinitely superior to that of electricity or anything else —**Vivekananda**

ভগৱানে নিজে কৈছে—

> তেষাং সততযুক্তানাং ভজতাং প্ৰীতিপূৰ্বকম্।
> দদামি বুদ্ধিযোগং তং যেন মামুপযান্তি তে॥

> ভগৱন্ত ভক্তিযুক্ত পুৰুষৰ আত্মবোধ মাধৱৰ প্ৰসাদে বিনয়।
> কৃষ্ণৰ কৃপান্ত তেৰে অভয় সংসাৰ-ভয় এহি বানে গীতাৰ নিৰ্ণয়॥

—নামঘোষা

কোটি গ্ৰন্থৰ দ্বাৰাই যি বুজোৱা হৈছে তাক মই অৰ্দ্ধ শ্লোকৰ দ্বাৰাই কওঁ; অৰ্থাৎ ব্ৰহ্ম সত্য জগৎ মিথ্যা। জীৱাত্মা আৰু ব্ৰহ্ম এক। গীতাত "অহমাত্মা গুড়াকেশ সৰ্বভূতাশয়স্থিতঃ।" উপনিষদবিলাকতো এই কথাকে বিশেষৰূপে বুজোৱা হৈছে। বাস্তৱিক এই monistic principle যে অধিকভাগ উপনিষদৰ তাৎপৰ্য্য তাক সন্দেহ কৰাৰ কাৰণ খুব কমেই দেখা যায়। ভগবান শঙ্কৰাচাৰ্য্যই এই কথা স্পষ্টভাৱে কৈ গৈছে। ছান্দোগ্য উপনিষদত আৰুণিয়ে শ্বেতকেতুক উপদেশ দিছে, "ঐতদাত্ম্যমিদং সৰ্বং তৎ সত্যং স আত্মা তত্ত্বমসি শ্বেতকেতো।" ইয়াতো সেই এক কথাকে কৈছে। "তত্ত্বমসি" অৰ্থাৎ "তুমি সেই আত্মা", ইয়াৰ দ্বাৰাই জীৱাত্মা পৰমাত্মা এক ইয়াকে বুজোৱা হৈছে। এয়ে অদ্বৈতবাদ।

বৈষ্ণৱ আচাৰ্য্যবিলাকৰো অদ্বৈতবাদ, কিন্তু সেয়ে বিশিষ্ট প্ৰকাৰৰ; সেই দেখি এওঁলোকক বিশিষ্টাদ্বৈতবাদী বোলা হয়। ব্ৰহ্ম অনাদি, অনন্ত, সৰ্বজ্ঞ, সৰ্ব-শক্তিৰ মূলাধাৰ। সূৰ্য্যৰ এক ৰশ্মিৰ নিচিনা জীৱাত্মাবিলাক ব্ৰহ্মৰ অংশ, কিন্তু সূৰ্য্য যেনেকৈ ৰশ্মিতকৈ অধিক সেই প্ৰকাৰ ব্ৰহ্ম জীৱাত্মাতকৈ অধিক। জীৱাত্মা-সকল ব্ৰহ্মৰ দাস। (২)

এই ভাবৰ নিমিত্তেই বৈষ্ণৱ সম্প্ৰদায়ৰ আশ্ৰয় ভক্তিমাৰ্গ আৰু নিৰ্গুণ ব্ৰহ্মৰ সগুণভাৱে আৰাধনা। জ্ঞান নহলে মুক্তি নহয়, অথচ ভক্তি নহলে জ্ঞান নহয়। সেই বাবেই গীতাত ভগবানে সগুণোপাসকক শ্ৰেষ্ঠ বুলিছে। গীতা উপনিষদৰ সাৰ। "সৰ্বোপনিষদো গাবো" আৰু "দুগ্ধং গীতামৃতং মহৎ।" প্ৰকৃততে ভক্তিয়েই যে মুক্তিৰ কাৰণ আৰু সেই নিমিত্তে সগুণোপাসনা সকলোতকৈ প্ৰশস্ত এই কথা উপ-নিষদসন্মত। বৈষ্ণৱ সমাজত গীতাৰ শাঙ্কৰ ভাষ্যতকৈ শ্ৰীধৰ স্বামীৰ টীকা বেচি আদৰণীয়।

দেখা যায় যে দুই শ্ৰেণীৰ লোকে সগুণোপাসনা নকৰে। ইয়াৰ একশ্ৰেণীৰ হৈছে মনুষ্য আকাৰে পশুবিলাক যাৰ কোনো ধৰ্মজীৱন নাই। আন শ্ৰেণী

---

(২)
তোমাৰেসে অংশ আমি যত জীৱজাক।
তোমাৰ মায়ায়ে প্ৰভু বান্ধিলে আমাক॥
তুমি সত্য ব্ৰহ্ম, তোমাতে প্ৰকাশে, জগত ইটো অসন্ত।
জগতন্তে সদা তুমিও প্ৰকাশা, অন্তৰ্য্যামী ভগৱন্ত॥
তুমি আত্মা হেন জানিয়া তোমাক, চিত্তে ভজে বিটোজন।
তুচ্ছ পুত্ৰ দাৰা, বিষয় ভোগত, নাই তাৰ প্ৰয়োজন॥
অসন্ত জগতখান তোমাত উত্তৰ ভৈল সন্ত হেন প্ৰকাশে সদায়।
কৰ্মজড় মনুষ্যৰ মন মগ্ন, ভৈল তাতে, বেদৰ নুবুজে অভিপ্ৰায়॥
তোমাৰ অদ্বৈতৰূপ, পৰম আনন্দ পদ, তাতে মোৰ মগ্ন হোক চিত্ত।
ভৈলোহোঁ দাসৰো দাস, জানি আবে নৰহৰি আমাক সেৱিবা কদাচিত॥
—কীৰ্ত্তন।

হৈছে যিবিলাক জীৱন্মুক্ত পৰমহংস অৰ্থাৎ যিসকলে তত্বজ্ঞান লাভ কৰি আত্মাত ঈশ্বৰক উপলব্ধি কৰিছে। যি ব্ৰহ্মলাভ কৰিছে তেওঁৰ আৰু কিহৰ নিমিত্তে চেষ্টাৰ আৱশ্যক ? কিন্তু নাৰদাদি জীৱন্মুক্ত পুৰুষে মুক্তিকো ঠেলি পেলাই সগুণোপাসকৰ ভক্তিকে শ্ৰেষ্ঠ বুলি মানিছিল। এই বাবেহে এওঁলোকক "মুক্তিত নিস্পৃহ" বোলা হয়। মুক্তিৰ নিমিত্তে ভক্তিকো তেওঁলোকে সকাম ভক্তি যেন বিবেচনা কৰিছিল। "মুমুক্ষু ভকতজনত কৰিও কেৱল ভক্ত গৰিষ্ঠ ॥" "মই নিজে অমৃত হোৱাতকৈ সদায় অমৃত আস্বাদন কৰি থাকিম"—এওঁলোকৰ এই ভাব আছিল। মিষ্টান্ন লোকে খাবলৈ বিচাৰে, কোনেও মিষ্টান্ন নিজে হবলৈ ইচ্ছা নকৰে। এই নিমিত্তেই প্ৰকৃত ভক্তসকলে জ্ঞানমাৰ্গৰ সোঽহং ভাব ভাল নাপায় তেওলোকে জ্ঞানকো তুচ্ছ যেন দেখে। (৩)

পূৰ্বেই কোৱা হৈছে যে বৈষ্ণৱ আচাৰ্য্যবিলাক ঠিক অদ্বৈতবাদী নহলেও শঙ্কৰাচাৰ্য্যৰ মত তেওঁলোকে ঠেলিব পৰা নাই। বুৰঞ্জীৰ আদিৰপৰা জগতত ভগবান শঙ্কৰাচাৰ্য্যৰ নিচিনা আধ্যাত্মিক বিষয়ে deep and bold thinker আৰু এজন বোধকৰোঁ হোৱা নাই। ইউৰোপীয়ান পণ্ডিতসকলে তেওঁৰ গভীৰ গৱেষণা

---

(৩)
নাৰদ সনতকুমাৰ সনন্দ, শুকমুনি আদি কৰি।
মুকুতি সুখক ঠেলি ৰাম নাম সদা ফুৰে সুমৰি ॥
ভকতজনৰ হৰিনামেসে সৰ্বস্ব।
মুকুতিকো ঠেলি আগ হোৱে হৰিযশ। —নামঘোষা

ভকতিৰ মহিমা দেখিও অদভুত।
ভৈল কৃতকৃত্য যিটো জীৱন্তে মুকুত ॥
তথাপিতো প্ৰাৰ্থনা কৰয় ভকতিক।
জানিয়া আনন্দ অতি মোক্ষতো অধিক ॥ —ভক্তি ৰত্নাৱলী

He (the Bhakta), soon, through the mercy of the Lord, reaches a plane where pedantic and powerless reason is left far behind and the mere intellectual groping through the dark gives place to the day-light of direct perception He no more reasons and believes, he almost perceives He no more argues, he senses And is not this seeing God, and feeling God and enjoying God, higher than every-thing else ? Nay, bhaktas have not been wanting who have maintained that it is higher than even Moksha—liberation

—Vivekananda.

দেখি স্তম্ভিত হৈছে। তেওঁৰ শাৰীৰিক ভাষ্য ভাৰতবৰ্ষৰ সকলো ঠাইতে শীৰ্ষ-স্থানীয় বুলি বিবেচনা কৰা হয়। তেওঁৰ মায়াবাদ উল্লেখ কৰি কোনো কোনো কৰ্মমাৰ্গৰ আচাৰ্য্যই তেওঁৰ মত শূন্যবাদী বৌদ্ধমতৰ নামান্তৰ মাত্ৰ বা প্ৰচ্ছন্ন বৌদ্ধবাদ বুলি নিন্দা বা উপহাস কৰিছে। কিন্তু কি শৈৱাচাৰ্য্য, কি বৈষ্ণৱাচাৰ্য্য সকলোৱেই প্ৰকাৰান্তৰে তেওঁৰ মত অৱলম্বন নকৰাকৈ থকা নাই। সেই বাবেই শঙ্কৰ মাধৱ দুয়োৰো লেখাতে অদ্বৈতবাদ, মায়াবাদ প্ৰভৃতিৰ বিস্তৰ প্ৰমাণ পোৱা যায়।(৪)

যি হওঁক জগৎ অনিত্য হলেও আকাশ-কুসুম বা শশশৃঙ্গৰ নিচিনা অলীক নহয়। এই কথা মায়াবাদীয়েও কয়। জগৎ আছে হয় কিন্তু "মন্দান্ধকাৰে ৰজ্জুঃ সৰ্প ইব" অৰ্থাৎ কম পোহৰত দূৰৰপৰা লেজুক যেনেকৈ সাপ যেন দেখা যায় সেই প্ৰকাৰ মায়াৰ গুণত জগতকো নিত্য যেন বোধ হয়। একমাত্ৰ সৎ ভগবান, কিন্তু জগৎ তেওঁৰ সৃষ্টি, গতিকে জগতক একেবাৰে তুচ্ছ জ্ঞান কৰা ঠিক নহয়। এই ভাবহে সংসাৰীৰ উপযুক্ত আৰু পাশ্চাত্য ধৰ্মভাবৰ লগত এই ভাব অলপ মিলে। অন্নময়কোষ অৰ্থাৎ দেহৰ ধ্বংসৰ লগে লগে স্থূল জগতৰ সম্বন্ধ ৰহিত হয়, সেই বাবেই জগৎ অনিত্য; কিন্তু নিত্য আত্মাৰ লগত নিত্য পৰমাত্মাৰ সম্বন্ধ অবিচ্ছিন্ন আৰু চিৰস্থায়ী, নিত্য বস্তুহে সাৰ ধন। তথাপি যিমান দিন দেহ থাকে সিমান দিন জগৎ সত্য যেনহে বোধ হয়; আৰু শুদ্ধচিত্ত হৈ থাকিব পাৰিলে এনেভাৱে আত্মা-পৰমাত্মাৰ নিকট আৰু চিৰস্থায়ী সম্বন্ধ কেতিয়াও পাহৰাব নোৱাৰে। ভক্তি-তেই চিত্তশুদ্ধি হয়। পাথিৱ জীৱন একেবাৰে মূল্যহীন নুবুলি বৈষ্ণৱ গুৰুসকলে পৃথিবীত নৰতনু লাভ যে কি সৌভাগ্যৰ কথা তাক বাৰ বাৰ কৈছে। নৰজীৱন-

(৪)
আত্মা ঈশ্বৰক লাগ প্ৰত্যেকে সন্ততে পাই।
নপাই জানা তাক অবিদ্যাত।
অবিদ্যা গাশিলে লাগ কৃষ্ণক পাৱয় যেন
কণ্ঠ-লগ্ন বস্তুক সাক্ষাত॥

*

মায়া আদি কৰি যত সমস্তে জগতে জড়
কৃষ্ণেসে চৈতন্য আত্মা শুদ্ধ।

*

মাধৱেসে আত্মা নিজ মাধৱেসে ইষ্ট গুৰু
মাধৱেসে দেৱতা পৰম।

*

মুমুক্ষুজনৰ যেৱে অবিদ্যা-জনিত সুখে
বিৰকতি ভৈল আতিশয়।
কেৱলে আত্মাত মাত্ৰ সদায়ে ৰমণ কৰে
তেৱে বিধি-কিঙ্কৰ গুচয়॥ —নামঘোষা

ৰূপ সুবিধা পাই জীৱই অকল ভক্তি আশ্ৰয় কৰি মুক্তি লাভ কৰিব পাৰে, শঙ্কৰে কীৰ্তনৰ প্ৰায় প্ৰত্যেক অধ্যায়ৰ শেষত এই কথা লোকক বুজাবৰ চেষ্টা কৰিছে।

এই ভক্তি কেৱল একনিষ্ঠ অব্যভিচাৰী হ'ব লাগে, নহলে ব্ৰহ্মলাভ নহয়। গীতাত ভগবানে কৈছে, "মাংচ যোঽব্যভিচাৰেণ ভক্তিযোগেন সেৱতে। স গুণান্ সমতীত্যৈতান ব্ৰহ্মভূয়ায় কল্পতে॥ সৰ্বধৰ্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।" নামঘোষাত লিখিছে—

"মোত মাত্ৰ সদা দিয়া মন, মোৰ ভক্ত হোৱা সৰ্বক্ষণ,
মোক পূজা মাত্ৰ মোকে কৰা নমস্কাৰ।
কহিলো তোমাত সত্য বাণী, পাইবা মোক সুখে মহামানী,
তুমি প্ৰিয়তম সুহৃদ সখি আমাৰ॥"
"কৃষ্ণ নিগদতি সব্যসাচী, পৰমাৰ্থ তত্ত্ব লয়ো বাছি,
সুদৃঢ় বিশ্বাসে শৰণ লৈয়ো আমাত।
মোতে মাত্ৰ সদা দিয়া চিত্ত, গায়ো মোৰ গুণ নাম গীত,
সকল শাস্ত্ৰৰ কহিলোঁ সাৰ সাক্ষাত॥"

এই দেখি শঙ্কৰ মাধৱে প্ৰচাৰ কৰা ধৰ্মক "একশৰণ" ধৰ্ম বোলা হয়, অৰ্থাৎ পৰমেশ্বৰৰ প্ৰতি নিষ্কাম, একনিষ্ঠ, সুদৃঢ় ভক্তিয়েই এই ধৰ্মৰ মূল কথা। ভগবানৰ প্ৰসাদত যি মহাপুৰুষৰ এই প্ৰকাৰ একান্ত ভক্তি হৃদয়ত জন্মে তেওঁ মোক্ষপদকো আশা নকৰি অকল ভক্তিতেই মজি থাকে।

এই বাবেই মহাপুৰুষীয়া সম্প্ৰদায়ৰ মাজত অন্য দেৱ-দেৱীৰ পূজা নিষিদ্ধ। "এক দেৱ এক সেৱ, এক বিনে নাহি কেৱ।" "অন্য দেৱী-দেৱ, নকৰিবা সেৱ, গৃহকো নাযাইবা, প্ৰসাদ নাখাইবা, ভক্তি হৈব ব্যভিচাৰ।" অন্য দেৱী পূজা কৰিলে ভক্তি ব্যভিচাৰী হয়। দামোৰদেৱেও এই ধৰ্মকেহে শিক্ষা দিছিল। কালক্ৰমত এই শিক্ষা লৰচৰ হয়। বৰ্তমান কোনো কোনো দামোদৰী পন্থৰ বৈষ্ণৱ আচাৰ্য্যই শিষ্যক শাক্ত মন্ত্ৰ দিয়াও শুনা যায় আৰু তেনে শিষ্যই প্ৰকাশ্যে তান্ত্ৰিক নিয়মে দেৱীৰ পূজা কৰাও দেখা যায়।

একমেবাদ্বিতীয়ম্ পৰমেশ্বৰৰ প্ৰতি একনিষ্ঠ অব্যভিচাৰী ভক্তি যে শঙ্কৰ মাধৱৰ ধৰ্মৰ মূল ভিত্তি আছিল এই কথা বাৰে বাৰে উল্লেখ কৰা হৈছে। এই বাবে গুৰু দুজনাই আন দেৱ-দেৱীৰ পূজা একেবাৰে মানা কৰিছিল আৰু যিবিলাক শিষ্যই এই নিষেধ নামানিছিল সিহঁতক একেবাৰে পৰিত্যাগ কৰিছিল। ইয়াৰ ভাল উদাহৰণ ব্যাসসকলাই বাপু। এইজনা ব্ৰাহ্মণ শিষ্য আদিৰপৰা শঙ্কৰৰ পৰম ভক্ত আছিল। বৰদোৱাত ব্ৰাহ্মণবিলাকে শঙ্কৰৰ প্ৰতি অত্যন্ত দ্বেষভাব আচৰণ কৰাৰ সময়ত ৰত্নাকৰ কন্দলি আৰু এওঁ দুয়ো দৃঢ়ভাৱে শঙ্কৰৰ পক্ষ অৱলম্বন কৰি আছিল। ভটিয়াই কামৰূপ দেশলৈ আহোঁতে বাটতে এওঁৰ এটি পুত্ৰৰ "বৰ-খহ" অৰ্থাৎ বসন্ত ৰোগত মৃত্যু হয়। পাচত বৰপেটাত থাকোঁতে এওঁৰ দ্বিতীয় পুত্ৰৰো সেই ৰোগ উপস্থিত হোৱাত ব্ৰাহ্মণে পুত্ৰৰ মায়াত গুৰুৰ নিষেধ সত্ত্বেও শঙ্কৰে

নজনাকৈ মনে মনে ওচৰৰ চপৰা পাঁৱলৈ গৈ তাতে শীতলাৰ পূজা কৰিছিল। শঙ্কৰে এই কথাৰ ভু পাই ব্যাসসকলাই বাপুৰ মুখ নাচাওঁ বুলি তেনেজন হিতকাৰী শিষ্যকো পৰিত্যাগ কৰিলে। শেহত হাজাৰ অনুনয় বিনয় কৰা সত্ত্বেও শঙ্কৰে তেওঁক ক্ষমা নকৰিলে। ব্যাসসকলাই বাপুৱে শেহত শ্ৰীক্ষেত্ৰলৈ গৈ সাগৰত পৰি প্ৰাণত্যাগ কৰিলে। ব্যাসসকলাই বাপুৰ প্ৰতি এনে আচৰণ কৰি যে শঙ্কৰে নিজে মৰ্মান্তিক বেদনা পাইছিল তাৰ কোনো সন্দেহ নাই, কিন্তু তেওঁ নিজে যি ধৰ্মনীতি প্ৰচাৰ কৰিছিল সেই নীতিৰ বিৰুদ্ধে কাৰ্য্য কৰা লোকক তেওঁ প্ৰশ্ৰয় দিলে যে ফল অতি বিষম হ'লহেঁতেন এই কথা তেওঁ ভালকৈ বুজিছিল।

একমাত্ৰ ঈশ্বৰ চৈতন্য, আন দেৱ-দেৱী সমস্ত জড়।(৫) এতেকে জড়ৰ উপসনা কৰা কৰ্তব্য নহয়। "চৈতন্য কৃষ্ণক এৰি, জড়ক ভজিয়া মৰে, কিনো লোক অধম মুগুধ।" একমেবাদ্বিতীয়ম্ ঈশ্বৰৰ আগত অন্য দেৱ-দেৱী তুচ্ছ।(৬)

---

(৫) হৰিসে চৈতন্য, আত্মা জ্ঞানময়, আৰৰ সমস্তে জড়।
বেদ বেদান্তৰ, সমস্ত শাস্ত্ৰৰ, এহিসে বিচাৰ বৰ॥
হৰিমাত্ৰ সত্য, চৈতন্য ঈশ্বৰ, পৰম তত্ত্ব নিৰ্ণয়।

হে কৃষ্ণ তুমি মাত্ৰ, চৈতন্য স্বৰূপ নিত্য, সত্য শুদ্ধ জ্ঞান অখণ্ডিত।
আৰৰ যতেক ইটো, তোমাৰ বিনোদ ৰূপ, চৰাচৰ মায়াৰ কল্পিত॥
পৰম পুৰুষ ভগবন্ত নাহি পূৰ্বাপৰ আদি অন্ত
তুমিসে চৈতন্য সমস্ত ভাৱ ভাৱন্তা। —ঘোষা।

জানিলোঁ সাক্ষাতে তুমি পুৰুষ পুৰাণ।
নিৰঞ্জন আনন্দ স্বৰূপ সৰ্বজ্ঞান॥
তুমিসে কেৱল সঁচা সবে মায়াময়।
তোমাতেসে হন্তে সৃষ্টি হোৱে স্থিতি লয়॥ —দশম স্কন্ধ।

(৬) কৃষ্ণ এক দেৱ দুঃখহাৰী, কাল মায়াদিৰো অধিকাৰী,
কৃষ্ণ বিনে শ্ৰেষ্ঠ দেৱ নাহি নাহি আৰ।
সৃষ্টি স্থিতি অন্তকাৰী দেৱ, তান্ত বিনে আন নাহি কেৱ,
জানিবা বিষ্ণুসে সমস্ত জগতে সাৰ॥ —ঘোষা।

দেৱৰ দেৱতা হৰি, জানিয়া যতন কৰি,
লৈয়ো এক শৰণ কৃষ্ণত।
গোৱা গুণ নাম গীত, কৰিয়া একান্ত চিত্ত,
তেবে থান পাইবা বৈকুণ্ঠত॥ —দশম স্কন্ধ।

বুজিবা মনত সবে কৰিয়া নিশ্চয়।
কৃষ্ণ বিনা আন শ্ৰেষ্ঠ দেৱ নাহিকয়॥
কৃষ্ণক ভজনী দেৱ জানা নিষ্ঠ কৰি।
লৈয়োক শৰণ সবে আন পৰিহৰি॥ —ভক্তি ৰত্নাকৰ।

ঘোষাত আছে——"হৰিৰ গৃহৰ দ্বাৰে, বেত্ৰৰ প্ৰহাৰযোগ্য, ব্ৰহ্মা ইন্দ্ৰ আদি দেৱজাক।" শ্ৰীক্ষেত্ৰ আদি তীৰ্থত যাত্ৰীৰ ইমান বেছি সমাগম হয় যে পাণ্ডাবিলাকে বেতেৰে কোবাই আগলৈ হেঁচ যোৱা মানুহবিলাকক আঁতৰত ৰাখিব লাগে। মাধৱদেৱ নিজে শ্ৰীক্ষেত্ৰলৈ গৈছিল আৰু তেওঁ তাতে এনে দুৰৱস্থা দেখি এই উপমা দিয়া যেন বোধহয়। যি হওক, এই উপমাৰ দ্বাৰাই একমাত্ৰ চৈতন্য ঈশ্বৰ আৰু জড় দেৱ-দেৱীৰ ভিতৰত কেনে পাৰ্থক্য তাক ভালকৈ বুজা যায়।

কোচ ৰজাৰ প্ৰধান বিষয়া বিৰু কাজীৰ সভাত মাধৱদেৱে এদিন পৰমেশ্বৰত বাজে আন দেৱতা জড় বুলি প্ৰকাশ কৰাত বিৰুৱে মাধৱক নথৈ তিৰস্কাৰ কৰিছিল আৰু সভাস্থ ব্ৰাহ্মণসকলে মাধৱক নানা উপহাস কৰিছিল। মাধৱে তেতিয়া ভগবানৰ মোহিনী লীলা উল্লেখ কৰি দেখুৱালে যে ভগবানৰ মায়াই আন দেৱতা নালাগে যাক দেৱাদিদেৱ মহাদেৱ বোলা হয় তেওঁকো মুহিছিল। জড়কহে মায়াই মোহিত কৰিব পাৰে, চৈতন্যৰ মোহ হ'ব নোৱাৰে। মহাদেৱে অহঙ্কাৰ কৰি কৈছিল,——

মহাযোগবলে শুদ্ধ কৰি আছোঁ কায়া।
ব্ৰহ্মময় দেখোঁ কি কৰিব পাৰে মায়া॥

কিন্তু সেই অহঙ্কাৰ চূৰ্ণ হ'ল। এতেকে এক অনন্ত ভগবানেই নিত্য, শুদ্ধ, বুদ্ধ, আন সকলো মায়াৰ বশ, গতিকে জড়। ভগবানৰ এই লীলাৰপৰা এই কথা ভালকৈ বুজা যায়। আৰু এই উদ্দেশ্যেই শঙ্কৰৰ "কীৰ্তন"তো "হৰমোহন" অধ্যায় লিখা হৈছিল। বহুদিন হ'ল, "জোনাকী"ত এজন লিখকে অশ্লীল কুৰুচিপূৰ্ণ কথা থকা "হৰমোহন" অধ্যায় কীৰ্তনত ঠাই পোৱা দেখি দুঃখ প্ৰকাশ কৰি লিখিছিল। সেইজন লিখকে এই আধ্যাৰ গূঢ় তাৎপৰ্য্য বুজা নাছিল এনে অনুমান হয়। এই অধ্যায়ত এটি এনে সুন্দৰ স্তুতি আছে যে সেইটি ইয়াত তুলি নিদি নোৱাৰিলোঁ। এই স্তুতিটি এই——

নমো নমো মাধৱ বিধিৰ বিধিদাতা।
তুমি জগতৰ গতি মতি পিতা মাতা॥
তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক॥
তুমি কাৰ্য্য কাৰণ সমস্ত চৰাচৰ।
সুবৰ্ণ কুণ্ডতে যেন নাহিকে অন্তৰ॥
তুমি পশু পক্ষী সুৰাসুৰ তৰু তৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিন ভিন॥
তোমাৰেসে মায়ায়ে মোহিত সৰ্ব্বক্ষণে।
তুমি আত্মা তোমাক নজানে একোজনে॥

সমস্ত ভূতৰে তুমি আছা হৃদয়ত।
তথাপি নাপাই তোমাক বিচাৰে বাহিৰত॥
তুমিসে কেৱলে সত্য মিছা সবে আন।
জানি জ্ঞানীগণে কৰে হৃদয়ত ধ্যান॥
নমাগোহোঁ সুখ ভোগ নালাগে মুকুতি।
তোমাৰ চৰণে মাত্ৰ থাকোক ভকতি॥

এই স্তুতিতে বেদান্তৰ তাৎপৰ্য্য সুন্দৰৰূপে পোৱা যায়।

একনিষ্ঠ ভক্তিসহকাৰে এক চৈতন্য ঈশ্বৰৰ আৰাধনাই ধৰ্মৰ মূল কথা। এই আৰাধনাৰ উপায় পূজা, হোম, যজ্ঞ আদি নহয়, কেৱল ঈশ্বৰৰ নাম-গুণ শ্ৰৱণ-কীৰ্তন। উত্তৰ হ'ব পাৰে যে অকল হৰিনাম উচ্চাৰণ কৰিয়েই কি জীৱৰ উদ্ধাৰ হ'ব পাৰে? কত লোকে খাওঁতে, বহোঁতে, শোওঁতে হৰিনাম লয়, কিন্তু তেনে লোকৰো চৰিত্ৰ মলিন দেখা যায়, তেনে লোকৰো বহুত প্ৰকৃত ধাৰ্মিক নহয়। কথিত আছে যে ৰূপ গোস্বামীয়েও এনে প্ৰকাৰ সন্দেহ কৰি এদিন শ্ৰীচৈতন্যক সুধিছিল যে কি ভাবৰ নাম-কীৰ্তনৰ দ্বাৰাই ঈশ্বৰ ভজনা কৰিব লাগে? ইয়াৰ উত্তৰত চৈতন্যদেৱে এটি শ্লোক মাতিছিল। শ্লোকটি এই—

তৃণাদপি সুনীচেন তৰোৰিব সহিষ্ণুনা।
অমানিনা মানদেন কীৰ্ত্তনীয়ঃ সদা হৰিঃ॥

নিজক তৃণতকৈও হীন যেন ভাবি, তৰুৰ নিচিনা সহিষ্ণু হৈ নিজে মান নিবিচাৰি পৰক মান দেখুৱাই হৰি-কীৰ্তন কৰিব লাগে। ইয়াৰ অৰ্থ অলপ আলোচনা কৰি চোৱা যাওক।

পৰমেশ্বৰক ভজনা কৰিব খুজিলে অহঙ্কাৰ, দাম্ভিকতা আদি অন্তৰৰপৰা একেবাৰে যাব লাগে। নিজক তৃণতকৈও হীন যেন জ্ঞান কৰিব পাৰিলেহে পৰমেশ্বৰৰ ভজনা কৰিব পাৰি, অৰ্থাৎ বিনয় নহলে ভক্তি নহয় আৰু অন্তৰত ভক্তি নহলে অকল নাম উচ্চাৰণৰ দ্বাৰাই কি ফল লাভ হ'ব। জগদীশ্বৰৰ ভৰিত বিনীত হৈ প্ৰাৰ্থনা কৰিব নোৱাৰিলে ব্ৰহ্মকৃপা লাভ নহয়। যি অহঙ্কাৰী সি নিজৰ আৰাধনাকে নিজে কৰে; মই কেনে পণ্ডিত, কেনে বুদ্ধিমান, কেনে ধাৰ্মিক ইত্যাদি। তেনে মানুহে ভগৱানৰ আৰাধনা কেনেকৈ কৰিব? এতেকে দেখা গ'ল বিনয় আৱশ্যক। দ্বিতীয়তে আৱশ্যক সহিষ্ণুতা। বৃক্ষই সহিষ্ণুতাৰ সুন্দৰ শিক্ষা দিয়ে। ৰ'দ, বৰষুণ, ধুমুহা সকলোকে বৃক্ষই সহ্য কৰে, কিন্তু জীৱৰ হিত-সাধন বৃক্ষই সদায় কৰি আছিছে। চৰাইবিলাকক বৃক্ষই আশ্ৰয় দিয়ে, ৰ'দত দুখ পোৱা প্ৰাণীক বৃক্ষই ছায়া দিয়ে। যি মানুহে বৃক্ষৰ ডাল কাটি নিয়ে তাকো বৃক্ষই ছায়া নিদিয়াকৈ নাথাকে। বৃক্ষৰ কেনে সহিষ্ণুতা, ধৈৰ্য্য আৰু পৰোপকাৰিতা। বৃক্ষৰ একনিষ্ঠতাও অনুকৰণৰ যোগ্য। বৃক্ষই একে ঠাইতে শিপা মেলি তলৰ মাটি খামোচ মাৰি ধৰি অটলভাৱে থাকে। ঈশ্বৰ সাধনাতো সেই প্ৰকাৰে একনিষ্ঠভাৱে এক পৰমেশ্বৰৰ পাদপদ্মত চিত্ত নিবিষ্ট কৰিব লাগে। বিষয়ৰ নানা জঞ্জালে চিত্ত অস্থিৰ কৰিলে

ঈশ্বৰ ভজনা নহয়। সাধনাৰ আৱশ্যক। ধৈৰ্য্য, সহিষ্ণুতা নহলে কোনো বিষয়ে সাধনা নহয়। ঈশ্বৰ সাধনাতো এইবিলাক গুণ নহলে কেনেকৈ হ'ব ? অন্য সাধনাতকৈতো ঈশ্বৰ সাধনা সহজ নহয়। শ্লোকটিত আকৌ কৈছে "অমানিনা মানদেন।" নিজে মান যশস্যাৰ বাবে হেঁপাহ নকৰিবা, কিন্তু আনক সন্মান কৰিবা। যি সদায় মান, যশ আদিৰ বাবে চিন্তা কৰি থাকে, তাৰ ঈশ্বৰৰ প্ৰতি ভক্তি হোৱা অসম্ভৱ। লোকক দেখুৱাবলৈ বাহিৰে বিনীত ভাব আৰু দীনতা প্ৰকাশ কৰি অন্তৰত মান, যশ, ধন, পদ-গৌৰৱ আদিৰ নিমিত্তে চিন্তা কৰিলে ভয়ানক কপটতা হয়। তেনে কপট হৃদয়ত ভক্তিৰ বীজ কেতিয়াও অঙ্কুৰিত নহয়। এতেকে বাহিৰাকৈ নহয়, অন্তৰত দীন হবা আৰু এনে অৱস্থা হলেহে আন প্ৰাণীকো একে ব্ৰহ্মৰ অংশ বুলি বিবেচনা কৰি সিহঁতক বাহ্যিকভাৱে নহয়, অন্তৰেৰে সেতে সন্মান কৰিব পাৰিবা। চৈতন্য-দেৱৰ এই মহা উপদেশ বাস্তৱিক অমূল্য।

শঙ্কৰদেৱ-মাধৱদেৱৰো শিকনি এয়ে। সুদৃঢ় বিশ্বাস আৰু শ্ৰদ্ধাপূৰ্বক এক-প্ৰাণ হৈ হৰিনাম শ্ৰৱণ-কীৰ্তন কৰিব নোৱাৰিলে সিদ্ধি নহয়। এইভাৱে নাম-প্ৰসঙ্গ কৰিব পাৰিলে লাহে লাহে নামত ৰুচি, ক্ৰমে নামত আগ্ৰহ আৰু শেহত নামত আনন্দ জন্মিব আৰু তেতিয়া ঈশ্বৰে নিজেই হৃদয়ত প্ৰকাশিত হ'ব। লোকক দেখাই কেৱল "হৰি হৰি" বুলি কপটতা কৰিলে একো সিদ্ধি নহয়। যি লোকে দেহ, জন, অৰ্থ, পদ-মৰ্য্যাদা আদিৰ আশা কৰি হৰিনাম লয়, তেও লোকক হৰিনামে তাৰিব নোৱাৰে। তেওঁলোকৰ ভক্তিমাৰ্গ আশ্ৰয় কৰা বৃথা। শঙ্কৰ-মাধৱ দুইৰো পুথিবিলাকত এইবিলাক কথা বাৰে বাৰে উল্লেখ কৰা আছে। (৭)

---

(৭) সুদৃঢ় বিশ্বাস কৰি যিটো জন,
সদা ৰাম-নাম গাৱে।
তাক বাপদায় দিয়া দুষ্ট কলি
দূৰতো দূৰ পলাৱে।।

কৃষ্ণ কথা শুনে গাৱে যিটো শ্ৰদ্ধা কৰি।
অল্পকালে হিয়াত প্ৰৱেশ হোন্ত হৰি।।

ৰহস্যক জানে যিটো লোক সতত কীৰ্ত্তন কৰে মোক
ধৰি দৃঢ় ব্ৰত কৰি যত্ন বিপৰীত।
মোৰ সৰ্বোত্তম দুই পাৱে কৰে নমস্কাৰ ভক্তিভাৱে
তাৰ মোৰ এৰাএৰি নাই কদাচিত।।

মুকুত সবৰো মনক টানিয়া আনয় হৰিৰ গুণে।
একপ্ৰাণ হয়া মহন্তসকলে গাৱয় কহয় শুনে।।

দেহ ধন জন অৰ্থ লোভে পাষণ্ড বুদ্ধিৰে যিটো লৱে
সিটো হৰি-নামে তাৰিতে শীঘ্ৰে নপাৱে।। —ঘোষা।

শ্ৰৱণং কীৰ্তনং ৱিষ্ণোঃ স্মৰণং পাদসেৱনম।
অৰ্চনং ৱন্দনং দাস্যং সখ্যমাত্মনিৱেদনম॥

শঙ্কৰদেৱ-ৰচিত কীৰ্তনতে আছে—

শ্ৰৱণ কীৰ্ত্তন স্মৰণ বিষ্ণুৰ
অৰ্চ্চন পদ সেৱন।
দাস্য সখিত্ব বন্দন বিষ্ণুত
কৰিৱ দেহা অৰ্পণ॥
নববিধ ভক্তি বিষ্ণুত আচৰে
সেহিসে পাঠ উত্তম।

এই নৱবিধ ভক্তিৰ বিষয়ে বিষ্ণুপৰী সন্ন্যাসীৰ ভক্তিৰত্নাৱলীত বিশদৰূপে লিখা আছে। ইয়াৰ মৰ্ম এই—

শ্ৰৱণ—অন্যৰ দ্বাৰাই উক্ত বা কীৰ্ত্তিত হৰি-কথা শুনা। সাধু-সঙ্গত হৰি-কথা আলাপ।

কীৰ্তন—নিজে হৰি-কথা আৰু হৰি-গুণ নাম-কীতন আৰু প্ৰসঙ্গ কৰা।

ৱিষ্ণোঃ স্মৰণম—মনত হৰিৰ নাম-ৰূপ স্মৰণ।

পদসেৱন—কোনো বিগ্ৰহ অৱলম্বন কৰি তদন্তৰ্য্যামী ভগৱানৰ পৰিচৰ্য্যা।

অচন—ভগৱানৰ উদ্দেশ্যে জল-ফুল আদিৰ দ্বাৰাই পূজা।

দাস্য—নিজক ভগৱানৰ কিঙ্কৰ ভাবি সমস্ত কৰ্ম ঈশ্বৰত অপণ কৰা। ভৃত্যৰ নিচিনা প্ৰভুৰ প্ৰতি একান্ত অনুৰাগ, বিশ্বাস আৰু ভক্তি, প্ৰভুৰ কৰুণাৰ নিমিত্তে কৃতজ্ঞতা প্ৰকাশ, প্ৰভুৰ আজ্ঞা পালন, প্ৰভুৰ প্ৰীতিকৰ কাৰ্য্যসাধন আৰু

দৈত্য—শিশুবিলাকক উপদেশ দিওঁতে প্ৰহ্লাদে কৈছে—

কৃষ্ণকথা শ্ৰৱণত শুদ্ধ হৈব মন।
সৰ্বদায় কৰিবেক কৃষ্ণৰ কীৰ্ত্তন॥
কৃষ্ণৰ চৰণ চিন্তিবেক হৃদয়ত।
আছন্ত ঈশ্বৰ হৰি সমস্তে ভূতত॥
হেন জানি প্ৰাণাধিক কৰিবা সৎকাৰ।
তেবেসে কৃষ্ণত ৰতি হৈবেক তোমাৰ॥
হৰিৰ সেৱাত কিছু নাহিক প্ৰয়াস।
আপুনি লৈৱন্ত হৰি হৃদয়ত বাস॥ —কীতন।

এহি মানে মাত্ৰ শ্ৰেষ্ঠ ধৰ্ম পুৰুষৰ।
একচিত্তে ভক্তি আচৰিয়া মাধৱৰ॥
শ্ৰৱণ কীৰ্ত্তন তান কৰিব সদায়।
ভকতিও আতপৰে আৱ শ্ৰেষ্ঠ নাই॥

অপ্ৰীতিকৰ কাৰ্য্যৰপৰা নিৰন্ত হোৱা, প্ৰভুৰ সৰ্বতোভাৱে সেৱা ইত্যাদি এইৰূপ সাধনাৰ কাৰ্য্য।

সখ্য—ঈশ্বৰকে পৰম সুহৃদ বুলি বিবেচনা কৰি তেওঁতে পৰম বিশ্বাস স্থাপন কৰা। বন্ধুৱে কোনো দোষত বন্ধুক নেৰে, বৰং দোষৰপৰা কেনেকৈ বন্ধু ৰক্ষা পৰে তাৰে চেষ্টা কৰে। সেই প্ৰকাৰে ঈশ্বৰেও ভক্তক কেতিয়াও নেৰে। পাপকাৰ্য্য কৰিলেও যাতে পাপৰপৰা ভক্তই উদ্ধাৰ পায় তাৰে পথ ঈশ্বৰে দেখুৱাই দিয়ে।

আত্ম-নিবেদন—দেহ-সমৰ্পণ। অকল ভগৱানৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰ কৰি থকা। গৰুৰ গিৰীহঁতে লোকক গৰু বেচিলে গৰুৰ পোহপাল যি গৰাকীয়ে কিনি লয় তেৱেঁই দিব বুলি নিশ্চিত হৈ থাকে; সেই প্ৰকাৰে যি ভক্তই ঈশ্বৰত আত্ম-সমৰ্পণ কৰে, তেওঁ সম্পূৰ্ণভাৱে ঈশ্বৰত নিৰ্ভৰ কৰি নিশ্চিত থাকে।

বন্দন—"সৰ্ব্বং খল্বিদং ব্ৰহ্ম" এই উপনিষদ-বাক্য সাৰ কৰি সংসাৰৰ সকলো বস্তুতে ঈশ্বৰক দেখি সকলোকে নমস্কাৰ কৰিলেই মাধৱক নমস্কাৰ কৰা হয়। বন্দনৰ অৰ্থ নমস্কাৰ। ভক্তিৰত্নাৱলীত আছে—

পৰম শ্ৰদ্ধায়ে নিতে হৰিগুণ যত।
শ্ৰৱণ কীৰ্তন সুখে কৰয় সতত॥
অতি অল্পকালে আসি প্ৰভু ভগৱন্ত।
হিয়াতে সাক্ষাতে তাৰ প্ৰকাশ হোৱন্ত॥ —ভক্তি ৰত্নাৱলী

এৰি লোক যিটো আন দেৱত ভকতি।
একে মাধৱক মাত্ৰ ভজে দৃঢ়মতি॥
তাহাৰ পাতক যদি সিজে প্ৰমাদতে।
নাশ হোৱে সিও ঈশ্বৰৰ প্ৰসাদত॥ —নিমি-নৱসিদ্ধ সংবাদ।

শুনৈ কৃষ্ণ-কথা যিটো কৰিয়া যতন।
তাহাৰ হিয়াত প্ৰৱেশয় নাৰায়ণ॥
শুনন্তে কৃষ্ণৰ কথা সাধুৰ সঙ্গত।
পৰম নিশ্চল ভক্তি হোৱয় কৃষ্ণত॥
আত্মা ঈশ্বৰত মাত্ৰ দৃষ্টি হোৱে তাৰ।
কৃষ্ণ-কথা শ্ৰৱণৰ মহিমা অপাৰ॥
ঈশ্বৰ কৃষ্ণৰ লীলা চৰিত্ৰ সিজন।
পৰম শ্ৰদ্ধায়ে সদা কৰন্ত শ্ৰৱণ॥
অতি অল্পকালে আসি তাহাৰ হিয়াত।
হোন্ত ভগৱন্ত কৃষ্ণ প্ৰকাশ সাক্ষাত॥
কৃষ্ণ-পাৱে একশৰণ পশিয়া কৃষ্ণক সদা স্মৰয়।
হোৱে পাপক্ষয় মুকুতি মিলয় এহিসে ভৈলা নিৰ্ণয়॥

—ভক্তি ৰত্নাকৰ।

জল বায়ু বহ্নি মহী নক্ষত্ৰ আকাশ।
বৃক্ষ নদী সমুদ্ৰ তটস্থ দিশ পাশ॥
আছে আনো সংসাৰত বস্তু যত যত।
কৃষ্ণক দেখিব মাত্ৰ মনে সমস্তত॥
হৰিৰ শৰীৰ ইটো হেন বুদ্ধি কৰি।
সবাহাক নমস্কাৰ কৰিব সাদৰি॥

এই কেইবিধ ভক্তিৰ ভিতৰত শ্ৰৱণ-কীৰ্তনকে সাধনাৰ মধ্য উপায় বুলি শঙ্কৰ-মাধৱ দুয়ো ধৰিছে। এই দুটি হলেই ইবিলাক আপোনা-আপুনি হয় এনে বুজোৱা হৈছে আৰু হৰিগুণ নাম-কীৰ্তনেই কলিৰ লোকৰ শ্ৰেষ্ঠ ধৰ্ম বুলি ব্যাখ্যা কৰা হৈছে। "হৰেৰ্নাম হৰেৰ্নাম হৰেৰ্নামৈৱ কেৱলম। কলৌ নাস্ত্যেৱ নাস্ত্যেৱ নাস্ত্যেৱ গতিৰন্যথা॥" অৰ্চন, পদসেৱন আদিত যি পূজা আছে, তাৰ আৱশ্যকতা সম্পৰ্কে মহাপুৰুষ দুজনাৰ পুথিত বিশেষ একো লিখা পোৱা নাযায়। সাধনৰ এই দুটি অঙ্গ সিমান আৱশ্যক বা উপযুক্ত নহয় এয়ে তেওঁলোকৰ অভিপ্ৰায় যেন বুজা যায়। বিশেষ এই প্ৰকাৰ পূজা নিষ্কাম হলেহে ফলপ্ৰদ হয় আৰু এই পূজাৰ সামগ্ৰী ধন-বিত-সুবৰ্ণ আদি নহয়, তাত নাৰায়ণৰ তৃপ্তি নহয়, অকপট শুদ্ধ ভক্তিহে পূজাৰ পৰম বস্তু, এই কথা স্পষ্টভাৱে লিখা আছে। (৮)

---

(৮) ইন্দ্ৰিয়ৰ সুখ অৰ্থে অৰ্চ্চয় তোমাক।
সিটো মূঢ়মতি বঞ্চিলেক আপোনাক॥
নুহি যোগ্য প্ৰাৰ্থিবে তোমাৰ চৰণত।
বিষয় সম্বন্ধ-সুখ আছে যত যত॥
শুনা কৃষ্ণ-পূজাৰ সামগ্ৰী যেন মত॥
গৰ্ব আদি দূষিত যতেক বহু ধন।
তাত অতি তৃপিতি নুহিকে নাৰায়ণ॥
অকপট শুদ্ধ ভাব আদি হৃদয়ৰ।
পূজাৰ পৰম বস্তু সেহিসে কৃষ্ণৰ॥
তযু পাদ-পঙ্কজে নিশ্চল বুদ্ধি নৰে।
জলে ফুলে অব্যভিচাৰিণী পূজা কৰে॥ —ভক্তি ৰত্নাৱলী।

জলে ফুলে পত্ৰে মাত্ৰ হৰি পূজিবেক।
আলোচিয়া মনত নিশ্চয় কৰিবেক॥
এতেকেতে তৃপ্তি হুয়া প্ৰভু ভগৱন্ত।
পৰমপদ বৈকুণ্ঠক দিবাক খোজন্ত॥
কৃপালু কৃষ্ণৰ গুণ কহন নযায়।
নতু পূজা কৰন্তে পূৰ্বতে পূজা পায়॥ —ভক্তি ৰত্নাকৰ।

"ভক্তি-ৰত্নাকৰ" শঙ্কৰদেৱে ৰচা সংস্কৃত ভাষাৰ এখনি গ্ৰন্থ। ৰামচৰণ ঠাকুৰে ইয়াৰ অসমীয়া পদ কৰিছে।

আন আন মত অনুসাৰে ভক্তিৰ নিম্নলিখিত প্ৰকাৰৰ বেলেগ stage বা স্তৰৰ কথা পোৱা যায়; যেনে, শান্ত, দাস্য, বাৎসল্য, মধুৰ। এইবিলাককো সাধনৰ পথ বুলিব পাৰি। বাৎসল্য ভাবত শিশুক যেনেকৈ স্নেহ কৰা যায় সেই প্ৰকাৰ স্নেহ কৰা হয়। ভাৰতবৰ্ষৰ শিশু কানাই আৰু খৃষ্টানবিলাকৰ Baby Jesus এই ভাবৰপৰা সমুদ্ভূত। মধুৰ ভাব অকল ভাৰতবৰ্ষতহে দেখিবলৈ পোৱা যায়। এই ভাবত সংসাৰৰ সকলো জীৱ স্ত্ৰী, পুৰুষ একমাত্ৰ ভগৱান। স্ত্ৰী-পুৰুষৰ যি নিকট সম্বন্ধ, ঈশ্বৰেৰে সৈতে তেনে সম্বন্ধ এই ভাবত কৰা হয়। এই ভাবতহে ৰাস-লীলা কৰা হয়। মহা-প্ৰেমিক চৈতন্যৰ মতে এই ভাবৰ ভক্তিয়েই সৰ্বোত্তম। সেই দেখি তেওঁৰ এই ভাবৰ সাধনা আছিল। কথিত আছে যে দুষ্টা ব্যভিচাৰিণী ব্ৰজৰ যুৱতীবিলাকেও এই কামভাবেৰেই শ্ৰীকৃষ্ণক ভজি উদ্ধাৰ পাইছিল। সাধাৰণৰ পক্ষে যে এই ভাব অনুপ-যুক্ত তাক কোৱা বাহুল্য মাত্ৰ। বঙ্গদেশৰ "নেড়ানেডী"ৰ কথা যি জানে তেৱেঁই বুজিব এই প্ৰকাৰ ধৰ্ম-সাধনাৰ ফল কি হয়। অসমৰ মঙ্গলৰ অৰ্থেই শঙ্কৰ-মাধৱে শ্ৰীকৃষ্ণৰ লগত শ্ৰীৰাধাৰ সমাবেশ কৰা নাছিল। শান্ত ভাবত ধ্যান-ধাৰণা আদি হয়। দৰাচলতে এই ভাব নিৰ্গুণোপাসনাৰহে উপযুক্ত। সেইদেখি শঙ্কৰ-মাধৱৰ প্ৰদৰ্শিত ধৰ্মত সখ্য আৰু দাস্য-ভাবৰ ঈশ্বৰ-সাধনাহে শ্ৰেষ্ঠ কৰি বুজোৱা হৈছে। (৯)

দাস্য-সখ্য-ভাবৰ ঈশ্বৰ-সাধনা বাস্তৱিক সংসাৰীৰ বিশেষ উপযুক্ত। শান্ত-ভাবৰ ধাৰণা কিম্বা মধুৰ ভাবৰ প্ৰেমৰসৰ আস্বাদ সমাজভুক্ত সংসাৰীৰ উপযুক্ত নহয়। সেই বাবে ধ্যানমগ্ন যোগী আৰু মধুৰ ভাবৰ সাধক প্ৰেম-ৰসাস্বাদী বৈৰাগী উভয়ে সংসাৰ-ত্যাগী সন্ন্যাসী। কিন্তু জগতৰ অধিক ভাগ লোক সংসাৰী। ব্ৰহ্মৰ সাধনা যোগী-ঋষিৰহে সাধ্য, সংসাৰী লোকৰ অসাধ্য; সংসাৰী কেৱল বেদ-বিহিত কৰ্মৰ অধিকাৰী অৰ্থাৎ সংসাৰীৰ পক্ষে বেদবিহিত দেৱোপাসনা আৰু ওপৰৰ

---

(৯) সখ্য-হৰিক বান্ধৱ বুলিয়া যিজন কৰয়ে কীৰ্ত্তন।
সমস্ত শাস্ত্ৰৰ তত্ত্বক জানিল জানা সেহি মহাজন।।
হৰি ও হৰি করুণাসাগৰ কৰিও কৃপা আমাক।
প্ৰিয়তম আত্মা সখা ইষ্টগুৰু মানিয়া আছোঁ তোমাক।।
কিনো অপৰাধ কৰি আছোঁ আমি বান্ধৱ মাধৱ প্ৰাণ।
কৃষ্ণ নিজ ইষ্টদেৱ প্ৰিয়তম সুহৃদ সোদৰ বন্ধুজন।।
যিটোজনে শুদ্ধভাবে হৰিত শৰণ লৈয়া হৰিক সুহৃদ বুলি আছে।
হে প্ৰাণবন্ধু কৃষ্ণ কৃপাৰ সাগৰ কৃপাদৃষ্টি চাহিওক মোক।
দাস্য-মই অনাথক দয়া কৰহ পৰমানন্দ, দাস বুলি ধৰিও মনত
থৈও নিজ ভৃত্যৰ সঙ্গত।
আঙ্গুলি মুখত কৰোঁ দন্তে তৃণ তুলি ধৰোঁ কেশ ছিণ্ডি দেওঁ চৰণত।।
হে হৰি মোক, দাস হেন মানি, ক্ষমিও কৃপাময়।।
নিজ দাস কৰি হৰি মোক কিনা কিনা।
আগ ধন নলাগায় নাম-ধন বিনা।। —ঘোষা।

খাপৰ জ্ঞানীসকলৰ নিমিত্তে ব্ৰহ্মৰ সাধনা শ্ৰেয়ঃ, এনে ধাৰণা বহুতৰ আছে। এই ধাৰণা ভুল। এই ভুল ধাৰণাৰ নিমিত্তেই সংসাৰীয়ে হোম, যাগ, প্ৰায়শ্চিত্ত আদি ক্ৰিয়াৰ দ্বাৰাই দেৱতা-উপদেৱতাক পূজি পুণ্য আৰ্জি স্বৰ্গাদি সুখৰ আশা কৰে। এই প্ৰকাৰ স্বৰ্গসুখ কিন্তু স্থায়ী নহয়। পুণ্যক্ষয় হলে কৰ্মীৰ আকৌ পতন হয়। সকাম কৰ্ম বন্ধৰ কাৰণ। গীতাত আছে যে ঈশ্বৰৰ উদ্দেশ্যে যি কৰ্ম কৰা হয় তদ্ভিন্ন আন কৰ্ম কেৱল বন্ধৰ কাৰণ। "যজ্ঞাৰ্থাৎ কৰ্মণোহন্যত্ৰ লোকোহয়ং কৰ্ম-বন্ধনঃ।" ইয়াত "যজ্ঞৰ" অৰ্থ কৰোঁতে শঙ্কৰাচাৰ্য্যই কৈছে "যজ্ঞো বৈ বিষ্ণুঃ।" অৰ্থাৎ যজ্ঞাৰ্থ কৰ্ম কৰা মানে ঈশ্বৰৰ উদ্দেশ্যে কৰ্ম কৰা। এয়ে দাস্য সাধনাৰ মূল। সংসাৰীয়েও দাস্য-সম্বন্ধভাৱে ঈশ্বৰ সাধনা কৰিব পাৰে। শঙ্কৰ-মাধৱ উভয়ে এই কথা লোকক বুজাবৰ চেষ্টা কৰিছিল।(১০) সকলো কৰ্ম ঈশ্বৰত

---

(১০) বৃহৎহাৰিত-সংহিতাত দাস্য-সাধনাৰ বিষয়ে এই প্ৰকাৰ লিখা আছে—

তং স্বীকুৰ্বন্তি বিদ্বাংস স্বস্বৰূপতয়া সদা।
নৈসৰ্গিকং হি সৰ্বেষাং দাস্যমেৱ হৰেঃ সদা॥
স্বাম্যং পৰস্বৰূপং স্যাদ্দাস্যং জীৱস্য সৰ্বদা।
প্ৰকৃত্যা হ্যাত্মনো ৰূপং স্বাম্যং দাস্যমিতি স্থিতি॥
দাস্যমেৱ পৰো ধৰ্মো দাস্যমেৱ পৰং হিতম্।
দাস্যেনৈৱ ভৱেন্মুক্তিৰন্যথা নিৰয়ং ভৱেৎ॥
বিষ্ণোৰ্দাস্যং পৰা ভক্তিৰেষা তু ন ভৱেৎ ক্বচিৎ।
তেষামেৱ হি সংস্পৃষ্টং নিৰয়ং ব্ৰহ্মণা নৃপ॥

০ ০ ০ ০

তস্মাদ্দাস্যং পৰং ভক্তিমালম্ব্য নৃপসত্তম।
নিত্যং নৈমিত্তিকং সৰ্বং কুৰ্য্যাৎ প্ৰীত্যৈ হৰেঃ সদা॥

তাৎপৰ্য্য—

উচ্চ শ্ৰেণীৰ ভক্তসকলে নিজৰ আধ্যাত্মিক উন্নতিৰ গুণে উচ্চ ভাৱৰ ভক্তিৰ নানা প্ৰকাৰ সাধনা কৰিব পাৰে, কিন্তু জনসাধাৰণৰ নিমিত্তে সেব্য-সেৱকৰ ভাৱৰ ভক্তি য়েই স্বভাৱতে ভাল।

সৰ্বশক্তিমান পৰমেশ্বৰ সকলোৰে প্ৰভু, জীৱবিলাক তেওঁৰ দাস, এই সম্বন্ধ স্বাভাৱিক।

দাস্য-সাধনাই পৰম ধৰ্ম আৰু পৰম হিতকাৰী। এই সাধনাৰ দ্বাৰাই মোক্ষ লাভ হয়। অন্য পন্থা অৱলম্বন কৰাবিলাক নৰকত পৰে।

দাস্য-ভাৱৰ সাধনাও অতি শ্ৰেষ্ঠ সাধনা। ইয়াৰ দ্বাৰাই অতি উচ্চ ভাৱৰ ভক্তি জন্মে। হে নৃপ, ভক্তিহীনজনক চুলেই নৰকগামী হয়।

সেই নিমিত্তে হে পুণ্যবান ৰাজন্, তুমি দাস্য-ভাৱৰ সাধনা অৱলম্বন কৰি ঈশ্বৰ-প্ৰীতিৰ অৰ্থে নিত্য-নৈমিত্তিক কৰ্মবিলাক কৰা।

সমৰ্পণ কৰি ঈশ্বৰৰ প্ৰিয় কাৰ্য্য সাধন আৰু অপ্ৰিয় কাৰ্য্য বৰ্জন, এয়ে দাস্য-ভক্তিৰ উদ্দেশ্য। সংসাৰী হৈ সন্তানৰ লালন-পালন, সিহঁতক চৰিত্ৰবান আৰু ধাৰ্মিক কৰিবৰ চেষ্টা, ইও ঈশ্বৰৰ প্ৰিয় কাৰ্য্য। এই যে দৰিদ্ৰই অন্নাভাৱত কষ্ট পাব লাগিছে, ৰোগীয়ে শুশ্ৰূষা খুজিছে, দুৰ্বলে বলীৰ অত্যাচাৰৰপৰা পৰিত্ৰাণ পাবলৈ অস্ফুট কাতৰোক্তি কৰিব লাগিছে—চকুৰ আগত সদায় কত এনে অৱস্থা দেখিব লাগিছোঁ। দৰিদ্ৰক প্ৰতিপাল, ৰোগীৰ শুশ্ৰূষা, দুৰ্বলীক ৰক্ষা ইত্যাদি ঈশ্বৰৰ আদেশ নহয়নে? জীৱনৰ সকলো ঘটনা, সকলো কাৰ্য্যৰ ভিতৰেদি ঈশ্বৰক স্মৰণ ৰাখিব লাগিব। সংসাৰী ব্ৰহ্ম-সাধনাৰ উপযুক্ত নহয়—এনে অভিপ্ৰায় ঈশ্বৰৰ নহয়। প্ৰাচীন কালত ধৰ্মসাধনাৰ নিমিত্তে স্ত্ৰী-পুত্ৰৰ বন্ধন ছিঁণ্ডি সংসাৰ ত্যাগ কৰি নিৰ্জন হাবিত নাইবা পৰ্বতৰ গুহাত জীৱন কটোৱা বিধি আছিল। কিন্তু পৰৱৰ্তী সময়ত ধৰ্মৰ আদৰ্শ পৰিবৰ্তিত হ'ল। সত্য, ত্ৰেতা, দ্বাপৰ যুগৰ ধৰ্ম-সাধনাৰ উপায় কলি-যুগত অনুপযুক্ত। বৰ্তমান যুগত ধৰ্মৰ নিমিত্তে নিৰ্জন সাধনাৰ আৱশ্যকতা থাকি-লেও একেবাৰে সংসাৰ ত্যাগ কৰিবৰ আৱশ্যক নাই। সংসাৰতহে মনুষ্যত্বৰ পূৰ্ণ বিকাশ হয়। সংসাৰৰ নানা প্ৰলোভন আদিৰ মাজত চিত্ত স্থিৰ ৰাখি ঈশ্বৰৰ ভজনা কৰি ঈশ্বৰৰ কৰুণাৰ বলেৰে বলী হৈ সমাজ-সেৱা, মানৱ-সেৱা কৰিব লাগিব। একেবাৰে বিষয়াসক্ত হৈ ধন, মান আদিৰ কাৰণে চিন্তা কৰি থাকিলে চিত্ত স্থিৰ নাথাকে। সংসাৰত থাকি বাসনা পৰিত্যাগ কৰিব পাৰিলে যথাৰ্থ বৈৰাগ্য হয়। যিসকল দেখাই বৈৰাগী কিন্তু প্ৰকৃততে বাসনা এৰিব পৰা নাই সেইবিলাক কপট আৰু অধাৰ্মিক। সেইবিলাকহে ঘোৰ সংসাৰী। এনে বৈৰাগীক মাধৱদেৱে শূকৰেৰে তুলনা কৰিছে—

গৃহবাসে কিবা ভক্তি কৰিৱে বাধয়।
গৃহে থাকি ভকতি কৰিবে শুভানয় ॥
এৰে গৃহবাস নতু হোৱন্তে বিৰক্তি।
পাচত ধৰয় সিটো শূকৰৰ বৃত্তি ॥

যেন আপোনাৰ বিষ্ঠা শূকৰে এৰয়।
পৰৰ বিষ্ঠাক পাছে ভোজন কৰয় ॥

—দৈত্যাৰি-কৃত গুৰুচৰিত্ৰ

*

এই বিষয়ে ভক্তি-ৰত্নাকৰত আছে—

প্ৰমত্ত পুৰুষ যদি বনে চলি যায়।
বনতো সংসাৰ তাৰ জানা নুগুচয় ॥
যিবা হেতু হয় শত্ৰু লগতে থাকয়।

যিটো জ্ঞানী জিতেন্দ্ৰিয় আত্মাতে ৰময় ।
গৃহবাস-দোষে বা তাহাক কি কৰয় ॥
হৰিৰ সেৱক তুমি পৰম মহন্ত ।
ইন্দ্ৰিয় সবক জিনি ভৈলা উপশান্ত ॥
গৃহবাসে বনবাসে সমান তোমাৰ ।

শুদ্ধচিত্ত হৈ সংসাৰত থকাই ভাল, বনবাসৰ কোনো আৱশ্যক নাই। সংসাৰত্যাগী জ্ঞানপন্থৰ যোগীয়ে নিৰ্গুণ ব্ৰহ্মৰ সত্তা লৈয়ে থাকে। সেই সত্তাত যোগীয়ে নিজক আৰু জগতক ডুবাই দিয়ে। সংসাৰী ভক্তৰ ঈশ্বৰ নিত্য হলেও লীলাময়। যাৰেই নিত্যতা তেওঁৰেই লীলা। সেইদেখি ভক্তই জগতক মিথ্যা বুলি এৰি নিদিয়ে, কাৰণ জগৎ ঈশ্বৰৰে লীলা। জ্ঞানপন্থৰ যোগীৰ নিৰ্জন সাধনা, কিন্তু সংসাৰী ভক্তৰ নাম-ঘৰ, সমাজ-ঘৰ, গীৰ্জা, মছজিদ প্ৰভৃতিত সমবেত কীৰ্তন, নাম, উপাসনা, প্ৰাৰ্থনা, প্ৰসঙ্গ। সংসাৰী ভক্তৰ ধৰ্ম যেনে ঈশ্বৰমুখী তেনে সমাজমুখী।

গাইগোটা সাধন এই ধৰ্মৰ অনুমোদিত ব্যৱস্থা নহয়। সেইদেখি ৰাজহুৱা নাম-ঘৰ, কীৰ্তন-ঘৰ আদিত ভক্তসকলে গোট খাই সমবেত প্ৰসঙ্গ, নাম, কীৰ্তন আদি কৰা অসমীয়া বৈষ্ণৱ সম্প্ৰদায়ৰ ধৰ্মৰ প্ৰধান অঙ্গ। ঢাপখি বজাই তাল, নাগাৰা আদিৰ সাহায্যেৰে নাম কীৰ্তন কৰা হয়। বংগদেশীয় বৈষ্ণৱবিলাকৰ নিচিনা নগৰ-কীৰ্তন, নৃত্য আদি অসমীয়া বৈষ্ণৱৰ মাজত প্ৰচলিত নাই। সমবেত কীৰ্তনৰ বাহিৰেও বহুতে নিজ নিজ ঘৰত প্ৰসঙ্গ আদিৰ দ্বাৰাই পাৰিবাৰিক উপাসনা কৰে, আৰু এই বাবে পাৰিবাৰিক উপাসনা-ঘৰ বা নাম-ঘৰ প্ৰায় লোকৰ আছে। প্ৰসঙ্গ বা প্ৰাৰ্থনাৰ (prayer) কেইটামান ঘাই ভাগ আছে যাক ছন্দ বোলা হয়; যেনে, নাম-ছন্দ, শৰণ-ছন্দ। ইয়াৰ বাহিৰেও মাধৱদেৱৰ ঘোষাত প্ৰশংসা, ভজন, উপদেশ, মহিমা, আত্ম-উপদেশ, আত্ম-নিন্দা, কাকুতি প্ৰভৃতি প্ৰসঙ্গৰ অংগ দেখা যায়।

শঙ্কৰ-মাধৱ উভয়ে কৰ্মবাদী মীমাংসক আচাৰ্য্যসকলৰ মতৰ বিৰুদ্ধে শিক্ষা দিছিল। ইয়াৰ কাৰণ এই যে এতিয়াতকৈ তেওঁলোকৰ সময়ত জনসাধাৰণৰ মাজত কৰ্মবাদীসকলৰ প্ৰাধান্য খুব বেছি আছিল। মীমাংসক আচাৰ্য্যবিলাক নিৰী-শ্বৰবাদী, অৰ্থাৎ যাক আজিকালি সাধাৰণ ভাষাত নাস্তিক (atheist) বোলা হয়।(১১) তেওঁলোকৰ মতে বেদ নিত্য আৰু অভ্ৰান্ত আৰু জীৱৰ ধৰ্ম বেদবিহিত যাগ-পূজাদিৰ দ্বাৰাই স্বৰ্গ কামনা কৰা। 'স্বৰ্গকামো যজেত'। ইত্যাদি বেদবাক্য

---

(১১) দাৰ্শনিক ভাষাত যিসকলে দেহৰ অতিৰিক্ত আত্মাৰ স্বতন্ত্ৰতা স্বীকাৰ নকৰে, অৰ্থাৎ যিবিলাক দেহাত্মবাদী (materialist) তেওঁবিলাককহে নাস্তিক বোলা হয়। চাৰ্বাক এই শ্ৰেণীৰ ঘাই আচাৰ্য্য। জৈমিনি প্ৰভৃতি মীমাংসক আচাৰ্য্যসকল আৰু কপিল প্ৰমুখ্যে সাংখ্যবাদী আচাৰ্য্যসকল নিৰীশ্বৰবাদী হলেও তেওঁলোকক নাস্তিক বোলা নহয়, কাৰণ তেওঁলোকে আত্মাৰ স্বতন্ত্ৰ অস্তিত্ব মানে।

উদ্দেশ্যে যজ্ঞ কৰা হয় সত্য, কিন্তু দেৱতা গৌণ মাত্র, প্রয়োজনীয় নহয়; দেৱতা কেৱল মন্ত্রাত্মক। বিধি-নিষেধ আদি পালন কৰি অভ্রান্ত বেদৰ বিহিত কর্ম কৰিলেই পুণ্য সঞ্চয় হয়, ঈশ্বৰৰ প্রয়োজন নাই—এয়ে তেওঁলোকৰ মত। তেওঁলোকে জগৎস্রষ্টা বা পালনকর্তা এজন ঈশ্বৰ আছে বুলি স্বীকাৰ নকৰে। প্রকৃততে তেওঁলোকৰ ধর্ম Godless religion (১২) কর্মবাদীসকলৰ এই ঈশ্বৰ-বিমুখী ধর্মই পূর্বাপৰ জনসাধাৰণৰ মাজত প্রচলিত আছে—ই বাস্তৱিক আশ্চর্য্যৰ বিষয়। এতিয়াও যিসকলে মীমাংসকবিলাকৰ অনুমোদিতভাৱে স্বর্গাদি সুখৰ আশা কৰি বা আন সংকল্প কৰি machine বা যন্ত্রৰ নিচিনাকৈ যাগ-যজ্ঞ-পূজাদি কৰে তেওঁলোকেই সমাজত গোড়া হিন্দু বুলি পৰিচিত। ঈশ্বৰৰ উদ্দেশ্যে কর্ম কেইজনে কৰে? হায়! এই প্রকাৰ কর্মৰপৰা নিবৃত্ত কৰি লোকক ঈশ্বৰমুখী কৰি-বলৈ যত্ন কৰাৰ বাবেই শঙ্কৰ-মাধৱ আদিয়ে নানা প্রকাৰ নির্য্যাতন সহ্য কৰিব লগাত পৰিছিল। এতিয়াও তেওঁলোকক সমাজবিৰোধী ধর্মপ্রচাৰক বুলি জনাশুনা লোকেও ব্যাখ্যা কৰে। শঙ্কৰ-মাধৱে যি কর্মযোগ শিক্ষা দিছিল সি সম্পূর্ণভাৱে ঈশ্বৰমুখী।

চেতসা সর্বকর্মাণি ময়ি সংন্যস্য মৎপৰঃ।
বুদ্ধিযোগমুপাশ্রিত্য মচ্চিত্তঃ সততং ভৱ ॥
ব্রহ্মণ্যাধ্যায় কর্মাণি সঙ্গং ত্যক্ত্বা কৰোতি যঃ।
লিপ্যতে ন স পাপেন পদ্মপত্রমিবাম্ভসা ॥

নুবুজে বেদ অভিপ্রায় গূঢ়।
কর্মক কৰিবে নজানে মূঢ় ॥
মূর্খ হুয়া বোলে মই পণ্ডিত।
নষ্ট কৰি ফুৰে আনৰো চিত ॥
নিষ্কামে কৰিয়া সকল কর্ম।
বিষ্ণুত অর্পিব সিসব ধর্ম ॥ —কীর্তন

ঈশ্বৰত সমস্ত ধর্ম সমর্পণ কৰাই দাস্য-ভক্তিৰ মূল কথা আৰু এই প্রকাৰ ভক্তিয়েই মহাপুৰুষীয়া ধর্মৰ সাৰ, এই কথা বাৰে বাৰে উল্লেখ কৰা হৈছে। যি

---

(১২) মহামহোপাধ্যায় মহেশচন্দ্র ন্যায়ৰত্নৰ মীমাংসা-দর্শনৰ পাতনিত লিখিছে—

"But though dealing so largely with the sacred Scriptures of the Hindus and thus commanding a large share of their respect, oddly enough, it propounds a Godless system of religion The main drift of its arguments is to show that if bliss be the fruit of good works, the interposition of a deity is simply superfluous."

কৰ্মৰ মূলত সফল-লাভৰ আশা নাই, যি কৰ্ম নিৰহংকাৰীভাৱে কেৱল ভগৱানৰ উদ্দেশ্যে কৰা হয় সেয়েহে প্ৰকৃত যজ্ঞ-কৰ্ম। যজ্ঞৰ প্ৰকৃত ভাৱ ত্যাগ (sacri fice)। এই যজ্ঞৰ বেদী জগতৰ হিত, ত্যাগ, আত্ম-বলিদান আৰু যজ্ঞেশ্বৰ স্বয়ং ঈশ্বৰ। এনে ধৰ্মই ঈশ্বৰমুখী আৰু সমাজমুখী।

সদ্‌গুৰুৰ আৱশ্যকতা সম্পৰ্কে মহাপুৰুষীয়া সম্প্ৰদায়ৰ মত এই—গুৰুৰ উপদেশ ধৰ্ম-সাধনৰ নিমিত্তে আৱশ্যকীয়, কিন্তু সেই গুৰু উপযুক্ত গুৰু হ'ব লাগে, নতুবা বিশেষ হানি হয়। উত্তম গুৰু কেনে ভক্তি-ৰত্নাকৰত লিখিছে—

বেদৰ ৰহস্য তত্ত্ব সকলে জানন্ত।
কৃষ্ণক ভকতি বলে সাক্ষাৎ কৰন্ত॥
এহেন্তে উত্তম গুৰু কহিলোঁ সম্প্ৰতি।
ইহাৰেসে উপদেশে শুদ্ধ হোৱে মতি॥

শাস্ত্ৰ জানে অথচ ভক্ত নহয়। এনেজনৰ উপদেশ উপকাৰী নহয়। হাজাৰ শাস্ত্ৰ পঢ়াৰপৰা মেধাৰ দ্বাৰাই ব্ৰহ্মজ্ঞান নহয়। "নায়মাত্মা প্ৰবচনেন লভ্যো ন মেধয়া ন বহুনা শ্ৰুতেন।" (কঠোপনিষদ)। ভক্ত অথচ শাস্ত্ৰ-জ্ঞান নাই এনে গুৰুৱে শিষ্যৰ সংশয় গুচাব নোৱাৰে। সেইদেখি গুৰু একাধাৰে শাস্ত্ৰ-জ্ঞানী আৰু ভক্ত হ'ব লাগে। কোনো বিশেষ বৰ্ণ বা জাতিৰ লোকহে গুৰু হ'ব পাৰে, এনে কথা পোৱা নাযায়। কিন্তু ধৰ্ম-গুৰু আৰু শিষ্য একে ধৰ্মাৱলম্বী হোৱা নিতান্ত আৱশ্যক, বৈষ্ণৱ ধৰ্মাৱলম্বী শিষ্যক শাক্ত-ধৰ্ম দিয়া যেনে অনুচিত, তেনেকৈ শিষ্য শাক্ত-মতাৱলম্বী গুৰুৰ ওচৰলৈ যোৱাও অযুগুত। এনে বেমেজালি বৰ্তমান সময়ত অসমত হৈছে, কিন্তু ভাৰতবৰ্ষৰ অন্য ঠাইত এনে বোধকৰোঁ হোৱা নাই।

উপনিষদ, ব্ৰহ্মসূত্ৰ আৰু গীতা—এই তিনিভাগ গ্ৰন্থক যে আমাৰ শাস্ত্ৰত প্ৰস্থান-ত্ৰয় বোলা হয় ইয়াৰ ভাবাৰ্থ এনে অনুমান হয় যে মূল হিন্দু-শাস্ত্ৰৰ ভিতৰত এই তিনটি ভাগ প্ৰকৃত ঈশ্বৰ-প্ৰতিপাদক আৰু ঈশ্বৰ-সাধনামূলক, আৰু সেইদেখি এই তিনিওটিৰ শিক্ষা আশ্ৰয় কৰি জীৱই নিৰ্ভয়ে ইহলোকৰপৰা অনন্তলোকলৈ প্ৰস্থান কৰিব পাৰে। ব্ৰহ্মসূত্ৰৰ বিশদ ব্যাখ্যা উপনিষদবিলাকত পোৱা যায় আৰু গীতা উপনিষদৰ সাৰ। এই নিমিত্তে গীতাক প্ৰস্থান-ত্ৰয়ৰ সাৰ বুলিব পাৰে। সচৰাচৰ কোৱা হয় যে সহস্ৰনামৰ নাম, ভাগৱতৰ সৎসংগ আৰু গীতাৰ একশৰণ— এই লৈয়ে মহাপুৰুষীয়া ধৰ্ম। এই তিনিটি অংগৰ ভিতৰত শৰণেই যে যাই আৰু ধৰ্মৰ মূল ভিত্তি তাক কোৱা বাহুল্য মাত্ৰোন। গীতাৰ একশৰণ কি? সে এক পৰমেশ্বৰত সুদৃঢ় বিশ্বাস, সকলো ধৰ্ম-কৰ্ম তেওঁতে সমৰ্পণ, কায়মনোবাক্যে একশৰণ, তেওঁৰ প্ৰতি অব্যভিচাৰী ভক্তি।

মন্মনা ভৱ মদ্ভক্তো মদ্‌যাজী মাং নমস্কুৰু।
মামেৱৈষ্যসি যুক্ত্বৈৱমাত্মানং মৎপৰায়ণঃ॥

মচ্চিত্তা মদ্গতপ্ৰাণা বোধয়ন্তঃ পৰস্পৰম্ ।
কথয়ন্তশ্চ মাং নিত্যং তুষ্যন্তি চ ৰমন্তি চ ॥
তমেৱ শৰণং গচ্ছ সৰ্বভাৱেন ভাৰত ।
তৎপ্ৰসাদাৎ পৰাং শান্তিং স্থানং প্ৰাপ্স্যসি শাশ্বতম্ ॥
যোগিনামপি সৰ্বেষাং মদ্গতেনান্তৰাত্মনা ।
শ্ৰদ্ধাৱান ভজতে যো মাং স মে যুক্ততমো মতঃ ॥
মৎকৰ্মকৃন্মৎপৰমো মদ্ভক্তঃ সঙ্গৱৰ্জিতঃ ।
নিৰ্বৈৰঃ সৰ্বভূতেষু যঃ স মামেতি পাণ্ডৱ ॥
যে তু সৰ্বাণি কৰ্মাণি ময়ি সংন্যস্য মৎপৰাঃ ।
অনন্যেনৈৱ যোগেন মাং ধ্যায়ন্ত উপাসতে ॥
তেষামহং সমুদ্ধৰ্তা মৃত্যুসংসাৰসাগৰাৎ ।
ভৱামি ন চিৰাৎ পাৰ্থ ! ময্যাৱেশিতচেতসাম ॥
ময্যেৱ মন আধৎস্ব ময়ি বুদ্ধিং নিৱেশয় ।
নিৱসিষ্যসি ময্যেৱ অত উৰ্দ্ধং ন সংশয়ঃ ॥
মাঞ্চ যোঽব্যভিচাৰেণ ভক্তিযোগেন সেৱতে ।
স গুণান সমতীত্যৈতান ব্ৰহ্মভূয়ায় কল্পতে ॥
যো মামেৱমসংমূঢ়ো জানাতি পুৰুষোত্তমম ।
স সৰ্ববিদ ভজতি মাং সৰ্বভাৱেন ভাৰত ॥ —গীতা ।

মাধৱদেৱৰ ঘোষাত গীতাৰ এইবিলাক শ্লোকৰ সুন্দৰ মৰ্ম পোৱা যায় । একশৰণেই গীতাৰ মূল শিক্ষা । এয়ে বিশ্বাসৰ ধৰ্ম, ভক্তিৰ ধৰ্ম, একশৰণ ধৰ্ম । ইয়াতকৈ আৰু উচ্চ ধৰ্মশিক্ষা গীতাত আছে, এনে মনে নধৰে ।

গীতাত কৰ্মযোগ, জ্ঞানযোগ, ধ্যানযোগ আৰু ভক্তিযোগৰ এক অপূৰ্ব সামঞ্জস্য কৰা হৈছে । হিন্দু-দৰ্শন এটাইবিলাকে দুঃখবাদৰ ওপৰত নিৰ্ভৰ কৰে । ঐকান্তিক দুঃখ-নিবৃত্তিয়েই জীৱৰ ধৰ্ম আৰু পুৰুষাৰ্থ, এয়ে হিন্দু-দৰ্শনৰ মূল শিক্ষা যেন বোধ হয় আৰু এয়ে পাশ্চাত্যসকলৰ Hedonism ৰ নিচিনা শিক্ষা । পূৰ্বেই দেখুৱা হৈছে যে নিৰীশ্বৰবাদী মীমাংসকসকলৰ মতে বেদৰ কৰ্ম-কাণ্ডই যাই, জ্ঞান-কাণ্ড অনাৱশ্যকীয় । বেদ-বিহিত কৰ্ম কৰিব পাৰিলেই ইহলোকৰ অন্তত জীৱৰ স্বৰ্গাদি সুখ হয় । সাংখ্যবাদীসকলৰ মতে কৰ্মই দুঃখ-নিবৃত্তি কৰিব নোৱাৰে ; কাৰণ কৰ্ম বন্ধনৰ কাৰণ আৰু কৰ্ম-ফলৰ নিমিত্তে জীৱ ঘূৰি ঘূৰি সংসাৰলৈ আহিব লাগে । বিশেষ স্বৰ্গাদি সুখ স্থায়ী নহয়, আৰু অনন্ত কাল স্থায়ী আত্মাৰ পক্ষে অস্থায়ী সুখৰ আৱশ্যক কি ? সেইদেখি দুঃখ-নিবৃত্তিৰ সাংখ্যমতে একমাত্ৰ উপায় জ্ঞান—প্ৰকৃতি-পুৰুষৰ প্ৰভেদ-জ্ঞান—পঞ্চবিংশতি তত্ত্ব-জ্ঞান । পুৰুষ বা আত্মাৰ প্ৰকৃতিৰ লগত একত্ব-বোধ বাবেই যত দুঃখ । প্ৰকৃতিৰপৰা পুৰুষৰ ভেদ সাক্ষাৎকাৰ হলেই সকলো সুখ-দুঃখৰ অন্ত পৰে । এই অৱস্থাৰ নামেই কৈৱল্য অৰ্থাৎ পুৰুষ বা আত্মাৰ স্বতন্ত্ৰতা-বোধ । পুনঃ পুনঃ তত্ত্ব-আলোচনাৰ দ্বাৰাই এই অৱস্থা লাভ হয় । এই

দৰ্শনত ঈশ্বৰৰ অস্তিত্ব কিম্বা আৱশ্যকতা একেবাৰে নাই, বৰং "ঈশ্বৰাসিদ্ধেঃ", "প্ৰমাণাভাৱান্নকতৎসিদ্ধিঃ" ইত্যাদি সাংখ্য-সূত্ৰৰ দ্বাৰাই ঈশ্বৰ-এক প্ৰকাৰ অস্বীকাৰ কৰা হৈছে। পতঞ্জলিৰ যোগশাস্ত্ৰ সাংখ্য-তত্ত্বৰ ওপৰত নিৰ্ভৰ কৰে। সাংখ্যৰ কৈৱল্য অৱস্থা আৰু যোগ-মাৰ্গৰ "নিৰ্বীজ সমাধি" একে কথা। এই দুই দৰ্শনৰ প্ৰভেদ ইয়াকে দেখা যায় যে পতঞ্জলিয়ে ঈশ্বৰ মানিছিল আৰু চিত্তবৃত্তি-নিৰোধৰ দ্বাৰাই সমাধি-সিদ্ধিৰ বাবে অন্য অন্য উপায়ৰ লগত ঈশ্বৰৰ প্ৰণিধানো এটি উপায় বুলি তেওঁ উল্লেখ কৰিছে, "ঈশ্বৰপ্ৰণিধানাদ্বা"। ইয়াৰ দ্বাৰাই বুজা যায় যে ঈশ্বৰপ্ৰণিধানৰ বাহিৰে আন উপায়ৰ দ্বাৰাইও চিত্তবৃত্তি নিৰোধ কৰি সমাধি সাধন কৰিব পাৰি। এতেকে দেখা যায়, মীমাংসা-দৰ্শনৰ কৰ্ম-যোগ, সাংখ্য-দৰ্শনৰ জ্ঞান-যোগ আৰু পাতঞ্জল দৰ্শনৰ ধ্যান-যোগ প্ৰকৃত ঈশ্বৰমুখী নহয়। এনে বুজা যায় যে জ্ঞান-যোগৰ কৈৱল্য আৰু ধ্যান-যোগৰ সমাধি-অৱস্থা এক প্ৰকাৰ psychical exercise অৰ ফল যায়। এনে আত্ম-সাক্ষাৎকাৰ কেনে তাক ভাষাত বুজোৱা টান আৰু তেনে অৱস্থা হলেই যে একেবাৰে দুঃখ-নিবৃত্তি হয় তাকো নিশ্চয় কৰি কোৱা টান। ইয়াতে এইমাত্ৰ কব লাগে যে বেদান্ত যদিও ব্ৰহ্ম-প্ৰতিপাদক, তথাপি বেদান্তৰ নিৰ্গুণ ব্ৰহ্ম মানুহৰ ধাৰণা, জ্ঞান ভক্তি আদিৰ অতীত, আৰু বেদান্ত দৰ্শনৰ মূল উদ্দেশ্য নিৰ্গুণ ব্ৰহ্মত স্থিতি বা মোক্ষ-লাভ—সাংখ্যবাদীৰ কৈৱল্য আৰু যোগ-শাস্ত্ৰৰ "নিৰ্বীজ সমাধি" প্ৰায় একে যেন অনুমান হয়। গীতাৰ ঈশ্বৰ কিন্তু সগুণ যাক ভক্তি কৰিব পৰা যায়। এই সৱিশেষ বা সগুণ ব্ৰহ্মৰ উপাসনাহে গীতাত শ্ৰেষ্ঠ বোলা হৈছে। গীতাত কৈছে যে নিৰ্গুণ সাধকসকলেও ভগৱানক পায় হয়, কিন্তু তেওঁলোকৰ পথ অতি ক্লেশকৰ।

ক্লেশোঽধিকতৰস্তেষামব্যক্তাসক্তচেতসাম্।
অব্যক্তা হি গতিদুঃখং দেহৱদ্ভিৰৱাপ্যতে ॥ —গীতা।

গীতাই কৰ্মবাদীক কয়, তোমাৰ সকলো কৰ্ম ঈশ্বৰত অৰ্পণ কৰা, ফল-কামনা এৰি কৰ্তৃত্ব-ভাৱ এৰি কৰ্ম কৰা, অৰ্থাৎ কৰ্ম-সন্ন্যাসৰ আৱশ্যক নাই, কিন্তু কৰ্ম-ফল-সন্ন্যাসৰ সম্পূৰ্ণ আৱশ্যক। ঈশ্বৰমুখী হৈ কৰ্ম কৰা। গীতাই সাংখ্যবাদীক কয়, তোমাৰ তত্ত্বজ্ঞান কেৱল অনাদি অনন্ত ভগৱানৰ স্বৰূপ-জ্ঞান, তোমাৰ প্ৰকৃতি কিম্বা পুৰুষ স্বতন্ত্ৰ নহয়, উভয়ে ঈশ্বৰৰ অধীন; ঈশ্বৰ-সাধনা নহলে তোমাৰ কৈৱল্য লাভ নহয়। গীতাই যোগ-মাৰ্গাৱলম্বীক কয়, ঈশ্বৰত চিত্ত সংযোগেই তোমাৰ মুখ্য উদ্দেশ্য। এই যোগৰ ফল যে নিৰ্বীজ সমাধি বা আত্ম-সাক্ষাৎকাৰমাত্ৰ এনে নহয়, এই যোগৰ ফল ঈশ্বৰৰ সংগ-লাভ। মুঠতে দেখা যায় যে গীতাত কৰ্ম-যোগ, ধ্যান-যোগ জ্ঞান-যোগ সকলো ভক্তিমূলক কৰি ভক্তি-যোগৰে প্ৰাধান্য দেখুৱাইছে। এয়েহে গীতাৰ পূৰ্ণধৰ্মৰ তাৎপৰ্য্য। যদি কোনোবাই বুজে যে গীতাৰ পূৰ্ণধৰ্মই নিৰীশ্বৰবাদী, ঈশ্বৰবাদী সকলো দৰ্শনৰ ভিন্ন ভিন্ন মত বাদিছে, আগম, নিগম, প্ৰবৃত্তি, নিবৃত্তি সকলো পন্থৰ ধৰ্ম সত্য বুলি স্থিৰ কৰিছে, তেন্তে সেই

বুজা ভুল বুজা। বৈদিক যুগৰ ইন্দ্ৰ, বৰুণ, উষা আদি নৈসৰ্গিক শক্তিৰ আৰাধনা (Nature worship) দাৰ্শনিক যুগৰ গূঢ় আধ্যাত্মিক তত্ত্বমূলক ধৰ্ম (rationalism) অদ্বৈতবাদ আৰু মায়াবাদ (idealism), বৌদ্ধযুগৰ শূন্যবাদ (nihilism) পৌৰাণিক যুগৰ ভক্তি-যোগ (emotionalism), তান্ত্ৰিক যুগৰ নিৰৰ্থক ঈশ্বৰ-বিমুখী ক্ৰিয়াকাণ্ড (ritualism), আৰু ধৰ্মহীন এন্ধাৰ যুগৰ হিন্দু-শাস্ত্ৰৰ দোহাই দি কৰা ভূত, ভৈৰৱ, শিল, গছ আদিৰ পূজা আৰু বীভৎস আচাৰ (feticism and sensualism) এই সকলোবিলাক যদি পূৰ্ণধৰ্মৰ অংগ হয় তেন্তে এনে ধৰ্ম মানি চলা অসম্ভৱ।

কোনো কোনোৱে কয় যে পূৰ্ণ হিন্দু-ধৰ্মৰ এভাগ সত্য বুলি মানি বাকী-ভাগ অসত্য বা অসাৰ বুলি ধৰা সাম্প্ৰদায়িকতাৰ দোষ। অভ্ৰান্ত শাস্ত্ৰৰ খাতিৰত, পূৰণিকলীয়া মত আৰু বিশ্বাসৰ প্ৰতি শ্ৰদ্ধাৰ খাতিৰত এনে লোকে পৰস্পৰ-বিৰুদ্ধ ধৰ্ম-মতৰ ভিতৰত এক প্ৰকাৰ মিলন বা সন্ধি স্থাপন কৰিব খোজে। এনে মিলন গোজামিলন মাথোন। সত্য ধৰ্মৰ লগত এনে গোজামিলন নচলে। যি সত্য ধৰ্ম সি কি নিম্ন অধিকাৰী কি উচ্চ অধিকাৰী সকলোৰে পক্ষে জাতি-বৰ্ণ-নিৰ্বিশেষে সত্য আৰু পালনীয়। গীতাত ভিন ভিন পন্থৰ যি মিলন কৰা হৈছে সি গোজা-মিলন নহয়। গীতাই কৰ্মীৰ কম, জ্ঞানীৰ জ্ঞান, যোগীৰ ধ্যান ঈশ্বৰমুখী কৰি বিশ্বাস আৰু একশৰণ ভক্তিৰ ধৰ্ম প্ৰচাৰ কৰিছে। গীতাৰ কৰ্ম ঈশ্বৰৰ কম, গীতাৰ জ্ঞান ঈশ্বৰৰ জ্ঞান, গীতাৰ ধ্যান ঈশ্বৰৰ ধ্যান। এই অপূৰ্ব মিলনত কৰ্ম, জ্ঞান, ধ্যান সকলো ভক্তিযোগৰ অন্তৰ্গত হৈছে। শেষ ফল—কৰ্ম ভক্তিমূলক, জ্ঞান ভক্তি-মূলক, ধ্যান ভক্তিমূলক। ভক্তিবিবৰ্জিত কৰ্ম, জ্ঞান আৰু ধ্যান অকৰ্মণ্য, ফুটুকাৰ ফেন। গীতাৰ ভক্তিমূলক বিশ্বাস আৰু শৰণৰ ধৰ্ম উচ্চৰপৰা নিম্নলৈকে সকলোৰে পক্ষে উপযুক্ত। এয়ে সাৰ্বলৌকিক আৰু সাৰ্বভৌমিক ধৰ্ম।

কৰ্ম-সাধনৰ নানা উপায়,নানা মত, পন্থা দেখা যায়। শান্ত-ভাব, দাস্য-ভাব, বীৰ-ভাব, স্ত্ৰী-ভাব, সন্তান-ভাব আদি ভাব আছে, নিৰাকাৰ পোষক আছে, পৌত্তলিক আছে, জড়োপাসক আছে, কঠোৰ তপস্যাব্ৰত ধৰা যোগী আছে, পশুঘাত কৰি পশুৰ ৰক্তৰ দ্বাৰাই পূজা কৰা শক্তি-উপাসক আছে, কাপালিক আছে, অঘোৰপন্থী আছে, সহজ ভজন আছে, ৰাতিখোৱা পুণধৰীয়া ভকতো আছে। সকলো পথ সত্য পথ নহয়। সকলো পথ সমান নহয়। কোনো পথ সহজ আৰু সুগম, কোনো পথ দুৰ্গম আৰু বিপদপূৰ্ণ আৰু কোনো পথ ঘৃণনীয়। অমুকৰ ঘৰলৈ যাব লাগিলে তেওঁৰ পদূলিয়েদি বাট-ঘৰৰ তলেদি চ'ৰাঘৰলৈ যাব পাৰি, নাইবা তেওঁৰ চাপৰ বাহিৰৰ ভিনিহতীয়া খাল ডেই, খিয় চাপ বগাই, চাপত বোৱা বাঁহৰ আজোৰ খাই, বাঁহৰ চেচুকত গজা চোৰাতৰ মাজেদিও ওলাবলৈ পাৰি, নাইবা তেওঁৰ বাৰীৰ পিচফালৰ চুৱাপাতনিৰ ওপৰেদিও যাব পাৰি। সহজ ভাল পথ থকাত বেয়া পথ অবলম্বন কৰা উচিত নহয়। বেয়া পথেদি গলে অনেক সময়ত নানা বাধা, বিপদ, প্ৰলোভন আদিৰ বাবে গম্য ঠাইত উপস্থিত হোৱা অসম্ভৱ হৈ পৰে।

এইদেখি শঙ্কৰ মাধৱ আৰু দামোদৰ, এওঁলোকে শিকাইছিল যে ঈশ্বৰত

দৃঢ় বিশ্বাস আৰু একান্ত শৰণেই প্ৰকৃত ধৰ্ম আৰু এয়ে সহজ ধৰ্ম-পথ। প্ৰজা, ধনী, নিৰ্ধনী, পণ্ডিত, মূৰ্খ, গৃহী, উদাসীন সাধক, অসাধক, আৰ্য্য, ম্লেচ্ছ, ব্ৰাহ্মণ চণ্ডাল সকলোৰে নিমিত্তে এই বিশ্বাসৰ ধৰ্ম, এই একশৰণ ধৰ্ম উপযুক্ত আৰু সৰ্বতোভাবে আৱশ্যকীয়। এই ধৰ্মৰ ঈশ্বৰ-সাধনাৰ উপায় দাস্যভাবে, অৰ্থাৎ গীতাৰ উপদিষ্টভাবে, সকলো ঈশ্বৰত সমৰ্পণ, ঈশ্বৰৰ প্ৰিয়কাৰ্য্য সাধন, অপ্ৰিয় কাৰ্য্য বৰ্জন, ঈশ্বৰৰ নাম-গুণ শ্ৰৱণ-কীৰ্তন, নাম-ৰূপ স্মৰণৰ দ্বাৰাই নিত্য তেওঁৰ উপাসনা। শ্ৰৱণ-কীৰ্তনাদিৰ দ্বাৰাই বহিৰঙ্গ সাধনা আৰু ৰূপ-চিন্তাৰ দ্বাৰাই অন্তৰঙ্গ সাধনা।

কৰ্ণে কথা মনে ৰূপ মুখে তযু নাম।
ৰহোক সদায় ডাকি বোলা ৰাম ৰাম॥

মহাপুৰুষসকলে বুজাইছিল যে ধ্যান, ধাৰণা, যজ্ঞ, পূজা আদি সত্য, ত্ৰেতা দ্বাপৰাদি যুগৰ সাধনাৰ উপযুক্ত ধৰ্ম-সাধনাৰ উপায় আছিল; অথাৎ সেইবিলাক বৰ্তমান যুগৰ পাপমতি লোকৰ পক্ষে অনুপযুক্ত। শ্ৰৱণ-কীতন-স্মৰণৰ দ্বাৰা ব্ৰহ্মানুভূতি সম্ভৱ হয়। শ্ৰদ্ধা ভক্তি সহকাৰে শ্ৰৱণ কীৰ্তন স্মৰণ কৰিব পাৰিলে অলপ কালৰ ভিতৰতে হৃদয়ত ঈশ্বৰ প্ৰকাশিত হয়। এনে আশ্বাসপূৰ্ণ উপদেশৰপৰা বাস্তৱিক সংসাৰীৰ মনত আশাৰ সঞ্চাৰ হয়। হৃদয়ত বল হয়। প্ৰাচীন কালত আৰ্য্য ঋষিয়ে এইদৰে বিশ্বাসী সকলোকে আশ্বাস দি কৈছিল—

শৃণ্বন্তু বিশ্বেঽমৃতস্য পুত্ৰা
আ যে ধামানি দিব্যানি তস্থুঃ॥

বেদাহমেতং পুৰুষং মহান্ত—
মাদিত্যবৰ্ণং তমসঃ পৰস্তাৎ॥
তমেৱ বিদিত্বাতিমৃত্যুমেতি
নান্যঃ পন্থা বিদ্যতেঽয়নায়॥

দিব্য ধামবাসী যত অমৃত-সন্তানসবে
শুনা শুনা হই সাৱধান।
জানিছোঁ নিশ্চয় মই তিমিৰ অতীত সেই
জ্যোতিৰ্ময় পুৰুষ মহান্॥
জানিলে মানৱে যাক বিধিৰ কিঙ্কৰ গুচে
নাথাকিব মৰণৰ ভয়।
কহিলোঁ ধ্ৰুৱপ সাৰ মৃত্যু-ভয় তৰিবৰ
আন পন্থা আৰু নাই নাই॥

মহাপুৰুষীয়া বৈষ্ণৱ ধৰ্মৰ আনখনি মূলগ্ৰন্থ শ্ৰীমদ্ভাগৱত। ব্যাসদেৱে জ্ঞান-পন্থ তন্ন তন্ন কৰি ব্ৰহ্ম-মীমাংসা কৰি মনত শান্তি নাপালে। শেষত মহৰ্ষি নাৰদৰ উপদেশমতে সগুণ ঈশ্বৰৰ মহিমা-লীলা বৰ্ণনা কৰি ভাগৱত-গ্ৰন্থ লিখি শান্তি লাভ কৰিলে। শুকান জ্ঞানতকৈ ৰসাল ভক্তিৰ শ্ৰেষ্ঠতাৰ প্ৰমাণ ইয়াতকৈ আৰু কি হ'ব পাৰে? সাত দিনৰ অন্তত সাপৰ কামোৰৰপৰা নিশ্চয় মৰিব বুলি জানি পৰীক্ষিত ৰজাই আন শাস্ত্ৰ কাতিকৈ জীৱনৰ শেষ সময়ত এই ভক্তি-প্ৰৱৰ্তক অমূল্য শাস্ত্ৰ ভাগৱত শুকদেৱৰ মুখৰপৰা শুনিছিল। ভাগৱতোক্ত শ্ৰৱণ-কীৰ্তন ধৰ্মৰ এক অংগ অৰ্থাৎ শ্ৰৱণৰ দ্বাৰাইহে ধৰ্ম সাধন কৰি মোক্ষপদ লাভ কৰাই ৰজা পৰীক্ষিতৰ উদ্দেশ্য আছিল। শুকদেৱ নিজে মহাজ্ঞানী আৰু নিৰ্গুণ ব্ৰহ্মৰ সাধক আছিল, কিন্তু তেওঁ ভাগৱত পঢ়ি ভক্তি-ৰসত মজিছিল।

শুক নিগদতি পৰীক্ষিত যদি আমি নিৰ্গুণত স্থিত
তথাপি উত্তমশ্লোকৰ মহিমা গুণে।
কৰিলেক বশ্য মোৰ চিত্ত ভাগৱত গ্ৰন্থ বিপৰীত
পৰম আনন্দে পঢ়িলোঁ মই আপোনে॥
তোমাত কহিবো সেহি শাস্ত্ৰ তুমি আৰু শুনিবাৰ পাত্ৰ
মহাপুৰুষৰ সেৱক তুমি সম্প্ৰতি।
ই শাস্ত্ৰত শ্ৰদ্ধা মাত্ৰকত মুকুন্দৰ পাদ-পঙ্কজত
অতি শীঘ্ৰে তাৰ হোৱে জানা সতী মতি॥ —নামঘোষা॥

উত্তমশ্লোকৰ অৰ্থ ঈশ্বৰ। ভাগৱত-গ্ৰন্থৰ উদ্দেশ্য এই উত্তমশ্লোকৰ মহিমা প্ৰকাশ কৰা। সগুণ ঈশ্বৰৰ মহিমা-গুণ কীৰ্তন কৰি ঈশ্বৰ ভজনা কৰাই ভাগৱতী ধৰ্ম। এই মহাধৰ্মৰ মন্ত্ৰ মহাপুৰুষ শঙ্কৰদেৱে তেওঁৰ ৰচিত ভাগৱতৰ প্ৰত্যেক অধ্যায়ৰ শেষতে লিখি ভক্তিধৰ্ম প্ৰৱৰ্তাইছিল। বিপ্ৰপত্নীপ্ৰসাদ-লীলা অধ্যায়ৰ শেষত তেওঁ লিখিছে—

শ্ৰৱণ কীৰ্তনে যিটো অনুক্ষণে
ভজে মহা ভক্তিভাৱে।
সি সি মহাজনে সুখে অপ্ৰয়াসে
হাততে মুকুতি পাৱে॥
জানি ইটো তত্ত্ব ঈশ্বৰ কৃষ্ণত
হুয়োক একশৰণ।
গোৱা গুণ গীত কৰি এক চিত্ত
ৰক্ষিও যমৰ ৰণ॥
কলিত নামেসে কলিত নামেসে
কলিত নামেসে গতি॥
নাম এৰি আন গতি নাই নাই
নাই জানা শ্ৰুতি শ্ৰুতি॥

এই পদ কেইফাঁকিতে ধৰ্মৰ চুম্বক মৰ্ম পোৱা যায়। অলপ কথাৰ দ্বাৰাই এনেকৈ সম্পূৰ্ণ ভাব প্ৰকাশ কৰাৰ ক্ষমতা মহাপুৰুষ শঙ্কৰৰহে আছিল। ওপৰৰ পদকেশাৰীৰ এটি শব্দও পেলনীয়া নহয়। এইদৰে পুথিৰ এঠাইত নহয়, পাতে পাতে ভিন ভিন ভাষাৰে হৰিনাম-ধৰ্ম জন-সমাজত প্ৰচাৰ কৰাই তেওঁৰ উদ্দেশ্য আছিল। তেওঁৰ গুণ সুঁৱৰি সুঁৱৰি তেওঁৰ প্ৰিয় শিষ্য মাধৱদেৱে লিখিছিল—

হৰি ভকতিৰ পাতিলন্ত হাট
শঙ্কৰে জগত জুৰি।
হৰি নামৰস বেহায়া জগতে
চলয় বৈকুণ্ঠপুৰী ॥

পূৰ্বে কোৱা হৈছে যে গীতাৰ একশৰণ আৰু ভাগৱতৰ সৎসঙ্গ মহাপুৰুষীয়া ধৰ্মই লৈছে। এই সৎসঙ্গ সম্বন্ধে ভাগৱতত ভগৱানে উদ্ধৱক উপদেশ দিছে—

প্ৰায়েণ ভক্তিযোগেন সৎসঙ্গেন বিনোদ্ধৱ।
নোপায়ো বিদ্যতে সম্যক্ প্ৰায়ণংহি সতামহম্ ॥
ন ৰোধয়তি মাং যোগো ন সাংখ্যং ধৰ্ম এৱ চ।
ন স্বাধ্যায়স্তপস্ত্যাগো নেষ্টাপূৰ্তং ন দক্ষিণা ॥
ব্ৰতানি যজ্ঞশ্ছন্দাংসি তীৰ্থানি নিয়মা যমাঃ।
যথাৱৰুন্ধে সৎসঙ্গঃ সৰ্বসঙ্গাপহোহি মাম ॥

ওপৰোক্ত প্ৰকাৰে সাধু-সঙ্গৰ উপকাৰিতা বৰ্ণনা কৰি ভগৱানে উদ্ধৱক উপদেশ দিছে—"হে উদ্ধৱ, তুমি শ্ৰৌত, স্মাৰ্ত কৰ্মবিলাকলৈ আস্থা নকৰি সৰ্বতোভাৱে মোৰ শৰণাগত হোৱা, মোৰপৰাই তুমি নিৰ্ভয় হবা।" এই উপদেশ আৰু গীতাত অৰ্জুনৰ প্ৰতি ভগৱানৰ উপদেশ একে। গীতাত ভগৱানে কৈছে—

সৰ্বধৰ্মান পৰিত্যজ্য মামেকং শৰণং ব্ৰজ।
অহং ত্বাং সৰ্বপাপেভ্যো মোক্ষয়িষ্যামি মা শুচঃ ॥

ভাগৱতত ভগৱানে উদ্ধৱক পৰম জ্ঞানৰ কথা কৈও উপদেশ দিছে—

তস্মাত্ত্বমুদ্ধৱোৎসৃজ্য চোদনাং প্ৰতিচোদনাম্।
প্ৰৱৃত্তঞ্চ নিবৃত্তঞ্চ শ্ৰোতব্যং শ্ৰুতমেৱ চ ॥
মামেকমেৱ শৰণমাত্মানং সৰ্বদেহিনাম্।
যাহি সৰ্বাত্মভাৱেন ময়া স্যা হ্যকুতোভয়ঃ ॥

ইয়াৰ অন্বয় এই—তস্মাৎ হে উদ্ধৱ, ত্বং চোদনাং শ্রুতিং প্রতিচোদনাং স্মৃতিং প্রবৃত্তং বিহিতং কর্ম নিবৃত্তং অবিহিতং শ্রোতব্যং শ্রুতমেব চ সৰ্বম্ উৎসৃজ্য অনাদৃত্য সৰ্বাত্মভাবেন সৰ্বদেহিনাম আত্মানং একম্ এব মাং শৰণং যাহি গচ্ছ। ময়া এব চ ত্বম্ অকুতোভয়ঃ স্যাঃ ভবিষ্যসি।

মীমংসকবিলাকৰ বেদবিহিত কৰ্মকাণ্ডৰ বিষয়ে শিক্ষা আৰু জীৱহিংসা কৰি দেৱ-দেৱীৰ পূজা কৰা বিষয়ে ভাগৱতত কি কৈছে দেখা যাওক।

ন তে মামঙ্গ জানন্তি হৃদিস্থং য ইদং যতঃ।
উকথশস্ত্রা হ্যসুতৃপো যথা নীহাৰচক্ষুষঃ॥
তে মে মতমবিজ্ঞায় পৰোক্ষং বিষয়াত্মকাঃ।
হিংসায়াং যদি ৰাগঃ স্যাদ যজ্ঞ এৱ ন চোদনা॥
হিংসাবিহাৰা হ্যালব্ধৈঃ পশুভিঃ স্বসুখেচ্ছয়া।
যজন্তে দেৱতা যজ্ঞৈঃ পিতৃন ভূতপতীন খলাঃ॥
স্বপ্নোপমমমুং লোকমসন্তং শ্রৱণপ্রিয়ম।
আশিষে হৃদি সঙ্কল্প্য ত্যজন্ত্যৰ্থান যথা বণিক॥
ৰজঃসত্ত্বতমোনিষ্ঠা ৰজঃসত্ত্বতমোজুষঃ।
উপাসতে ইন্দ্রমুখ্যান্ দেৱাদীন্ন তথৈৱ মাম॥
ইষ্টেহ দেৱতা যজ্ঞৈৰ্গত্বা ৰংস্যামহে দিৱি।
তস্যান্ত ইহ ভূয়াস্ম মহাশালা মহাকুলাঃ॥
এৱং পুষ্পিতয়া ৱাচা ব্যাক্ষিপ্তমনসাং নৃণাম।
মানিনাঞ্চাতিলুব্ধানাং মদ্বাৰ্তাপি ন ৰোচতে॥

ইয়াৰ তাৎপৰ্য্য এই——এন্ধাৰে চাকি ধৰিলে যেনেকৈ ওচৰৰ বস্তুকো নেদেখি সেই প্রকাৰে কৰ্মমাৰ্গ অৱলম্বন কৰি অন্ধ হৈ ভোগবিলাসী লোকবিলাকে অন্তৰ্য্যামী-ৰূপে নিজ হৃদয়ত প্রতিষ্ঠিত থকা ঈশ্বৰক তকিব নোৱাৰে। এইবিলাক লোকে ঈশ্বৰৰ অভিপ্ৰায় নুবুজি হিংসাদি কাম্যত আসক্ত হয় আৰু ক্ৰমে হিংসা কাৰ্য্যই সিহঁতৰ প্ৰিয় হৈ উঠে। সেই নিমিত্তে এই খল প্ৰকৃতিৰ লোকবিলাকে যজ্ঞত বধ কৰা পশুবিলাকৰ মাংসৰ দ্বাৰাই নিজৰ তৃপ্তি সাধন কৰে আৰু সেই যজ্ঞৰ দ্বাৰাই পিতৃলোক, দেৱতা আৰু ভূতপতিবিলাকৰ পূজা কৰে। এনেবিলাক লোকে শুনোতে ভাল লগা স্বপ্নোপম মায়াময় ক্ষণস্থায়ী স্বৰ্গাদি পৰলোক সুখ আৰু ঐহিক সুখ বাঞ্ছা কৰি মূৰ্খ বণিকৰ নিচিনাকৈ মূল সম্বল পৰমাৰ্থ-তত্ত্ব দলিয়াই অৰ্থাৎ কাঞ্চন দি কাঁচ লয়। সত্ত্বাদি গুণত্ৰয়ৰ অধীন মানুহে ত্ৰিগুণময় ইন্দ্ৰাদি দেৱতাবিলাকৰ আৰাধনা কৰে, কিন্তু গুণাতীত পৰব্ৰহ্মৰ আৰাধনা নকৰে। এই জীৱনত যজ্ঞাদিৰ অনুষ্ঠান কৰি দেৱতাবিলাকৰ পূজা কৰি মৰণৰ পিছত স্বৰ্গলোকত অতুল ঐশ্বৰ্য্য ভোগ কৰিব, তাৰ পিছত পুণ্য ক্ষয় হলে পুনৰ সংসাৰলৈ আহি শ্ৰেষ্ঠ কুলত জন্ম

ধৰি বিপুল ঐশ্বৰ্য্যৰ অধিকাৰী হৈ সুখে থাকিব এনেকুৱা ৰমণীয় বেদবাক্যৰ প্ৰলোভনত জীৱবিলাক দৃঢ়ভাৱে আসক্ত হয়, সিহঁতৰ মনত ভগবানে অলপো ঠাই নাপায়।

ভাগৱতত জীৱহিংসা কৰি দেৱ-দেৱীৰ উদ্দেশ্যে কৰা যজ্ঞাদি ক্ৰিয়াৰ এনে প্ৰকাৰ নিন্দা স্পষ্টভাৱে থকাতো ভাগৱত অৱলম্বন কৰি ধৰ্মশিক্ষা দিয়া কোনো কোনো অসমীয়া বৈষ্ণৱ গুৰুৱে কেনেকৈ শিষ্যক শাক্ত মন্ত্ৰ দি, জীৱ-হিংসা কৰি বলি কাটি দেৱ-দেৱী পূজা কৰিবলৈ বিধি বা অনুমতি দিয়ে ইয়াকেহে বুজা টান।

শব্দ-ব্ৰহ্ম বেদৰ প্ৰকৃত অৰ্থ নাজানি নিজ নিজ ৰুচি অনুসাৰে মায়াৰ প্ৰভাৱত ভিন ভিন লোকে শ্ৰেয়ঃ-সাধনৰ বিবিধ উপায় নিৰ্ণয় কৰিছে। সেইদেখি ভাগৱতত কৈছে—

মন্মায়ামোহিতধিয়ঃ পুৰুষাঃ পুৰুষৰ্ষভ।
শ্ৰেয়ো বদন্ত্যনেকান্তং যথাকৰ্ম যথাৰুচি॥

ঐশ্বৰ্য্যকামী মীমাংসক পণ্ডিতসকলে বুধি দিয়ে "স্বৰ্গকামো যজেত", কোনো কোনোৱে অণিমাদি আঠ প্ৰকাৰ ঐশ্বৰ্য্য লাভ কৰাকে শ্ৰেষ্ঠ সাধন বুলি মানে। কোনোৱে কাম, স্ত্ৰী-সম্ভোগ আদিকে জীৱনৰ ঘাই কৰ্ম বুলি মানে। কোনো কোনো দেহাত্মবাদী নাস্তিকৰ মতে "ভস্মীভূতস্য দেহস্য পুনৰাগমনং কুতঃ। তস্মাৎ সৰ্বপ্ৰযত্নেন ঋণং কৃত্বা ঘৃতং পিবেৎ॥" অৰ্থাৎ, Eat, drink and be merry প্ৰকৃততে কিন্তু ক্ষণস্থায়ী সামান্য সুখৰ কামনা নকৰি নিত্যানন্দক বিচৰাই একমাত্ৰ কৰ্তব্য। ভক্তি নহলে নিত্যানন্দ ভগবানক লাভ কৰা নাযায়। ভগৱদ্ভক্তি হলে জীৱৰ একেবাৰে অভাৱ নাথাকে। লৌকিক বিষয়-সম্ভোগলৈ বৈৰাগ্য হলেও ভক্তৰ নিত্য অলৌকিক সম্ভোগ হয়। অণিমাদি ঐশ্বৰ্য্য ভক্ত সাধকৰ পিছে পিছে ফুৰে। এয়ে গীতাৰো উপদেশৰ মৰ্ম। ভাগৱত আৰু গীতা দুয়োখনি গ্ৰন্থতে ভক্তিযোগৰ প্ৰাধান্য দেখুওৱা হৈছে, সেই বাবে এই দুইখনিয়েই বৈষ্ণৱ সমাজৰ ধৰ্মৰ মূল ভেটি।

ভাগৱত ধৰ্ম বা ভাগৱতী ধৰ্ম কি এই বুলি নিমি ৰজাই প্ৰশ্ন কৰাত নৱসিদ্ধৰ জ্যেষ্ঠজন কবিয়ে ৰজাক উত্তৰ দিছে—

কায়েন বাচা মনসেন্দ্ৰিয়ৈৰ্বা বুদ্ধ্যাত্মনা বানুসৃতস্বভাবাৎ।
কৰোতি যদ যৎ সকলং পৰস্মৈ নাৰায়ণায়েতি সমৰ্পয়েত্তৎ॥
ভয়ং দ্বিতীয়াভিনিবেশতঃ স্যাদীশাদপেতস্য বিপৰ্য্যয়োঽস্মৃতিঃ।
তৎ কৰ্ম সংকল্পবিকল্পং মনো বুধো নিৰুন্ধ্যাদভয়ং ততঃ স্যাৎ॥
শৃণ্বন্ সুভদ্ৰাণি ৰথাঙ্গপাণের্জন্মানি কৰ্মাণি চ যানি লোকে।
গীতানি নামানি তদৰ্থকানি গায়ন্ বিলজ্জো বিচৰেদসঙ্গঃ॥

দেহ, বাক্য, মন, ইন্দ্ৰিয়, বুদ্ধি, চিত্ত, নিজ সংস্কাৰ বা স্বভাৱ অনুসাৰে যি যি কৰ্ম কৰা হয় সকলো সেই পৰাৎপৰ পৰমেশ্বৰক সমৰ্পণ কৰা উচিত। ঈশ্বৰ-বিমুখ লোকবিলাকে আত্মভাব পাহৰি দেহাদি নশ্বৰ বস্তুত আসক্তি কৰে আৰু সেই

বাবেই নানা প্ৰকাৰ শোক মোহ আদিৰপৰা ভয় পায়। এতেকে যাৰ মায়াৰ গুণত এনে হয় সেই পৰমেশ্বৰকে বুদ্ধিমানবিলাকে সাক্ষাৎ গুৰু বুলি ভাবি অব্যভিচাৰী ভক্তিৰ দ্বাৰাই ভজনা কৰে। চক্ৰপাণি শ্ৰীহৰিৰ সৰ্বপাপনাশন, জন্ম, কৰ্ম, নাম, গুণ, গীত আদি সামাজিক লাজ এৰি কীৰ্তন কৰি সাধু ভক্তবিলাকে অনাসক্তভাবে সংসাৰত ফুৰে। এই ভাগৱতী ধৰ্মই শঙ্কৰ, মাধৱ দামোদৰৰ দ্বাৰাই প্ৰচাৰিত একশৰণ নাম-কীৰ্তন-ধৰ্ম।

এই ধৰ্ম-প্ৰচাৰৰ নিমিত্তে ভাগৱত, গীতা আৰু পদ্মপুৰাণৰ সহস্ৰনাম—এই তিনিখনি মূল শাস্ত্ৰ অৱলম্বন কৰি মহাপুৰুষ দুজনে আৰু তেওঁলোকৰ যুগৰ কেবাজনো বৈষ্ণৱ ধৰ্মশিক্ষকে সংস্কৃত আৰু অসমীয়া ভাষাত পুথি লিখিছিল। এইবিলাক পুথিৰ ঘাই কেইখন আৰু লেখকৰ নাম যিমানদূৰ জনা যায় তলত দিয়া হ'ল—

শ্ৰীশঙ্কৰদেৱ—ভাগৱতৰ প্ৰথম আৰু দ্বিতীয় স্কন্ধ, আৰু তৃতীয় স্কন্ধৰ অনাদি পাতন, ষষ্ঠ স্কন্ধৰ অজামিলোপাখ্যান, অষ্টম স্কন্ধ, দশম স্কন্ধৰ আগছোৱা একাদশ আৰু দ্বাদশ স্কন্ধ, নিমি-নৱসিদ্ধ সংবাদ, কীৰ্তন, ভক্তি-প্ৰদীপ, ভক্তি-ৰত্নাকৰ (সংস্কৃত), গুণমালা, ভটিমা, বৰগীত।

শ্ৰীমাধৱদেৱ—নামঘোষা, ভক্তি-ৰত্নাৱলী, নামমালিকা, জন্ম-ৰহস্য, ভটিমা, বৰগীত।

শ্ৰীভট্টদেৱ—কথা-গীতা, কথা-ভাগৱত, ভক্তি-বিবেক (সংস্কৃত)।

শ্ৰীসুকবিশেখৰ বা অনন্তকন্দলী—ভাগৱতৰ শেষ দশম, ষষ্ঠ স্কন্ধৰ বৃত্ৰা-সুৰ-বধ, সহস্ৰনাম-বৃত্তান্তৰ পদ (কীৰ্তন-পুথি ভুক্ত), শৰণ-সংহিতা (সংস্কৃত)।

শ্ৰীগোবিন্দ মিশ্ৰ—গীতাৰ পদ, ভক্তি-বিবেকৰ পদ।

শ্ৰীকবিচন্দ্ৰ মিশ্ৰ—হৰিকীৰ্তন-গৌৰৱ (সংস্কৃত)।

শ্ৰীৰামচৰণ মিশ্ৰ—ভক্তিৰত্নাকৰৰ পদ।

শ্ৰীভাগৱত মিশ্ৰ—সাত্বত তন্ত্ৰৰ পদ।

শ্ৰীসাৰ্বভৌম ভট্টাচাৰ্য্য—পদ্মপুৰাণ স্বৰ্গখণ্ড ৰহস্যৰ পদ।

শ্ৰীৰাম—ভক্তিচন্দ্ৰমালা।

এই তালিকাত ৰামায়ণ, মহাভাৰত আৰু নাট আদি ধৰা হোৱা নাই। চাবলৈ গলে এই যুগৰ অসমীয়া সাহিত্যই এই নাম-কীৰ্তন-ধৰ্মমূলক।

মহাপুৰুষীয়া সম্প্ৰদায়ৰ ধৰ্মমত সম্পৰ্কে আমাৰ যি বুজা হৈছে তাক সংক্ষেপভাৱে লিখা হ'ল। সকলো আৱশ্যকীয় কথাৰ উল্লেখ হৈছে বুলি আমি সাহকৈ কব নোৱাৰোঁ। কোনো দোষ দেখিলে পাঠকসকলে নিজগুণে আমাক ক্ষমা কৰিব। আমাৰ বিশ্বাসমতে এই প্ৰবন্ধত যি ধৰ্মমতৰ সংক্ষেপ মৰ্ম লিখা হ'ল সেই ধৰ্মমত অসমীয়া বৈষ্ণৱ সাধাৰণৰে ধৰ্মমত বুলিলে একো ভুল নহয়। কাৰণ শঙ্কৰদেৱ আৰু মাধৱদেৱৰ বাহিৰে অসমৰ আনজন ঘাই ধৰ্মপ্ৰৱৰ্তক দামোদৰদেৱৰ প্ৰচাৰিত ধৰ্মও এয়ে আছিল। দামোদৰদেৱেও একশৰণ নাম-কীৰ্তন ধৰ্মকে লোকক শিক্ষা দিছিল। তেওঁ নিজে লিখা কোনো পুথি নাথাকিলেও

তেওঁৰ চৰিত্ৰ লিখক ৰামৰায় আৰু তেওঁৰ প্ৰধান আৰু প্ৰিয় শিষ্য ভট্টদেৱৰ পুথি চালে এই বিষয়ে কাৰো সংশয় থাকিব নালাগে। দামোদৰদেৱৰ পৰৱৰ্তী সময়ত কোনো কোনো বৈষ্ণৱ আচাৰ্য্যই তান্ত্ৰিক ধৰ্ম শিক্ষা দিবলৈ আৰম্ভ কৰাৰ বিশেষ কাৰণ আছিল। বিদেশী শান্তিপুৰীয়া ভট্টাচাৰ্য্যৰ ঘৰে ৰজাক আৰু লাহে লাহে তেওঁৰ ঘাই অমাত্যসকলক শিষ্য কৰা দেখিয়েই যে উজনীয়া দামোদৰপন্থী কোনো কোনো গোসাঁয়ে পূৰ্বৰ নিয়ম নৰচৰ কৰি ধৰ্মশিক্ষা সময়-উপযোগী বা পাত্ৰ-উপযোগী কৰিবলৈ চেষ্টা কৰিছিল এই কথা সহজে বুজিব পাৰি। অনুমান, তেতিয়াৰ-পৰাই এওঁলোকে শাক্তক শাক্ত মন্ত্ৰ আৰু বৈষ্ণৱক বৈষ্ণৱ মন্ত্ৰ দিবলৈ ধৰে। বোধ-কৰোঁ তেনে কৰাৰ বাবেই তেওঁলোক ৰাজানুগ্ৰহত বিশেষ মান্যৱন্ত আৰু আঢ্যৱন্ত হৈছিল। বাস্তৱিক দেশীয় জাতীয় ভাবৰপৰা বিবেচনা কৰি চালে তেওঁলোকে এনে নীতি অৱলম্বন নকৰা হলে বিদেশীয় বঙালী ধৰ্মগুৰুৰহে আধিপত্য দেখিলোঁ-হেঁতেন। কিন্তু সেই বুলি এইসকল পৰৱৰ্তী আচাৰ্যই শিক্ষা দিয়া পৰিৱৰ্তিত ধৰ্ম-মতেই যে মূলতঃ দামোদৰদেৱৰ ধৰ্মমত আছিল এনে স্থিৰ কৰা আমাৰ বিশ্বাসেৰে ভুল। শঙ্কৰ-মাধৱৰ নিচিনাকৈ দামোদৰদেৱেও কোচবিহাৰ ৰজাৰ সভাত নিৰ্ভয়-ভাৱে একশৰণ নাম-কীৰ্তন ধৰ্মৰ গৌৰৱ ৰক্ষা কৰিছিল। কোঁচৰ ৰজাই দামোদৰ-দেৱক দুৰ্গাপূজা, গঙ্গাস্নান, যাগ-যোগ-ব্ৰত আদি এৰাৰ কাৰণ সোধাত দামোদৰদেৱে উত্তৰ দিলে—

তীৰ্থক সেৱন দেৱী উপাসন
ধৰ্ম কৰ্ম যাগ যোগ।
ৰাম কৃষ্ণ নামে সকলে সিজয়
নলাগে একো উদ্যোগ॥

* * *

এতেকেসে ৰাম কৃষ্ণ নাম বিনে
নজানোহো আমি আন।
কৃষ্ণৰ নামত ধৰ্ম কৰ্ম যত
সবাৰ আশ্ৰয় স্থান॥

—ৰামৰায়দ্বিজ-কৃত গুৰুলীলা।

ইয়াকে কৈ সন্তুষ্ট নহৈ দামোদৰদেৱে অতি দৃঢ়প্ৰতিজ্ঞভাৱে আকৌ ৰজাক কলে—

পঞ্চভূত দেহা যাৱত থাকয়
তাৱত নাম নেৰিবো।
ই দেহ পৰিলে যেহি যোনি পাওঁ
জন্মে জন্মে নাম লৈবো॥

যি ধৰ্মবীৰৰ নাম-ধৰ্মত ইমান শ্ৰদ্ধা, দৃঢ় আৰু আসক্তি আছিল তেওঁ যে সেই ধৰ্মৰ বাহিৰে আন শিক্ষা লোকক দিছিল এনে মীমাংসা কৰা কিমান দূৰ সঙ্গত বুদ্ধিমান পাঠকসকলে বিবেচনা কৰি চাব।

উপসংহাৰত আমাৰ বক্তব্য এই যে যদিও পৰৱৰ্তী সময়ত মহাপুৰুষীয়া, ঠাকুৰীয়া, দামোদৰী, হৰিদেৱপন্থী আদি সম্প্ৰদায় আৰু বামুণীয়া পথ, নিকা পথ, কালজাৰ পথ আদি পন্থৰ সৃষ্টি হৈ চকৰিৰ ভিতৰত চকৰি হৈছিল, আদিতে মূল ধৰ্ম-মত কিন্তু এটিহে আছিল। সেই বাবে এতিয়াও সেই মূল ধৰ্মত ধৰি ভিতৰৰ অনাৱশ্যক চকৰিবিলাক গুচাই বাহিৰৰ ঘাই চকৰি ৰাখি তাক ঘঁহি পিহি উজ্জ্বল কৰি তাৰ মাজত সকলো অসমীয়া বৈষ্ণৱ সোমালেই দেশৰ মঙ্গল হয় আৰু মূল ধৰ্ম-প্ৰৱৰ্তক মহাপুৰুষসকলৰ গৌৰৱ ৰক্ষা কৰা হয়। সকলো চিন্তাশীল অসমীয়াই এই বিষয়ে নিজ কতব্য বুজি কাম কৰিব, এয়ে আমাৰ আশা। এইটো সকলোৱেই মনত ৰাখিব লাগে যে পৰমেশ্বৰৰ বিশেষ কৃপা আৰু আমাৰ পৰম ভাগ্য গুণেহে এনে বিশুদ্ধ ঈশ্বৰমুখী উদাৰ সত্য ধম আমাৰ দেশত মহাপুৰুষীয়াসকলৰ দ্বাৰাই প্ৰৱৰ্তিত হৈছিল।

বুৰঞ্জীৰ বিবিধ টোকা

১

প্ৰায় চাৰি পাঁচ হাজাৰ বছৰ পূৰ্বে আৰ্য্যবিলাক আহি ভাৰতবৰ্ষত বসতি কৰাৰ আগেয়ে এই দেশত অন্য এজাতিৰ মানুহে বহু কালৰপৰা বাস কৰিছিল। এতিয়া এইটো স্থিৰ হৈছে যে সেই জাতিৰ মানুহ আৰু বেবিলন আৰু এচিয়াৰ আদিম অধিবাসীবিলাক একে জাতিৰে আছিল। বেবিলনৰ এক অংশৰ প্ৰাচীন নাম ছুমাৰ ((Sumer)। সেই বাবে এই জাতিটোক ছুমাৰিয়ান বোলা হয়। বৰ্তমান দক্ষিণ ভাৰতবৰ্ষৰ দ্ৰাবিড়িয়ান জাতিবিলাক এই ছুমাৰিয়ানবিলাকৰ বংশধৰ। ছুমাৰিয়ানবিলাকে তেওঁলোকৰ পূৰ্ববৰ্তী ভাৰতৰ অধিবাসী অষ্ট্ৰো-এচিয়াটিক (Austro-Asiatic) জাতিৰ লোকবিলাকক খেদি ভাৰত অধিকাৰ কৰিছিল। ভাৰতবৰ্ষৰ পূবফালৰপৰা তিবেতো-বৰ্মান জাতিৰ মানুহো আহি ভাৰতত বসতি কৰিছিল। বৰ্তমান সময়ৰ খাছিয়াবিলাক Austro-Asiatic জাতিৰ চিন আৰু অসমৰ গাৰো, মিকিৰ, নগা আদি জাতি তিবেতো-বৰ্মান বংশৰ। ছুমাৰিয়ানবিলাক এওঁলোকতকৈ বহুত উন্নত আৰু সভ্য জাতি আছিল। অনুমান আমাৰ দেশৰ মাহিষ্য দাস, কৈৱৰ্ত আৰু নমঃশূদ্ৰবিলাক এই ছুমাৰিয়ান জাতিৰে অন্তভুৰ্ক্ত।

আৰ্য্যবিলাক ভাৰতবৰ্ষলৈ আহি ছুমাৰিয়ান, তিবেতো-বমান আৰু অষ্ট্ৰো-এচিয়াটিক জাতিৰ মানুহবিলাকক পাই তেওঁবিলাকক নানা অৱজ্ঞাসূচক নাম দিছিল। তেওঁলোকে ছুমাৰিয়ানবিলাকেৰে ঘোৰ যুঁজ কৰিব লগাত পৰিছিল। এচিৰিয়াৰ সবাতকৈ প্ৰাচীন ৰাজধানীৰ নাম অচ্ছুৰ (Asshur) আৰু এচিৰিয়ানবিলাকৰ ঘাই দেৱতাৰ নাম অসুৰ। আৰ্য্যবিলাকে একে জাতিৰ লোকক এচিৰিয়া আৰু ভাৰতবৰ্ষৰ পঞ্চনদত পাই তেওঁলোকক অসুৰ বোলা খুব সম্ভৱ। আমাৰ দেশৰ বাণাসুৰ, নৰকাসুৰ আদি ৰজা অসভ্য নাছিল। মহাভাৰতৰ যুদ্ধৰ সময়ত নৰকাসুৰৰ পুতেক ভগদত্ত প্ৰাগজ্যোতিষৰ মহাপৰাক্ৰমী ৰজা আছিল। অসুৰ দানৱবিলাকৰ শিল্প আৰু কাৰুকাৰ্য্য আৰ্য্যবিলাকৰো প্ৰশংসনীয় আছিল। যুধিষ্ঠিৰ ৰজাৰ ইন্দ্ৰপ্ৰস্থৰ বিৰাট ৰাজসভাত ময়দানৱেহে নিৰ্মাণ কৰিছিল। আজি কিছু দিন হ'ল সিন্ধু প্ৰদেশৰ মহেঞ্জদাৰো নামে ঠাইত প্ৰাচীন ছুমাৰিয়ান নগৰ এখনিৰ ধ্বংসাৱশেষ পোৱা হৈছে। এই ধ্বংসাৱশেষৰপৰা প্ৰাচীন ছুমাৰিয়ানবিলাকৰ উক্ত সভ্যতাৰ চিনাকি পোৱা যায়। বৰ্তমান সময়ৰ আৰ্য্যজাতিৰ নিচিনা একালত ছুমাৰিয়ানবিলাকৰ উক্ত সভ্যতাৰ চিনাকি পোৱা যায়। বৰ্তমান সময়ৰ আৰ্য্যজাতিৰ নিচিনা

একালত ছুমাৰিয়ানবিলাকেই পৃথিৱীৰ পৰাক্ৰমী জাতি আছিল। কোনো কোনো পণ্ডিতৰ মতে এওঁলোকেই ইজিপ্ত বা মিছৰ দেশত প্ৰথমে সভ্যতা বিস্তাৰ কৰে। এওঁলোকৰ তুলনাত আৰ্য্যবিলাক আধুনিক জাতি। খ্ৰীষ্টাব্দৰ আৰম্ভৰ প্ৰায় ২৫০০ বছৰৰ পূৰ্বে আৰ্য্যবিলাকে পঞ্চনদত বসতি কৰে আৰু তাৰো প্ৰায় এহাজাৰ বছৰৰ পাচেহে আৰ্য্য সভ্যতা ভাৰতবৰ্ষত বিস্তাৰ কৰে। মিছৰৰ ছুমাৰিয়ানবিলাকৰ সভ্যতা খ্ৰীষ্টাব্দৰ আৰম্ভৰ ৫০০০ বছৰ আগৰ পুৰণি। এচিৰিয়া আৰু বেবিলনত ছেমিটিক (Semitic) জাতিৰ লোকে ছুমাৰিয়ানবিলাকক পৰাজয় কৰিলে, ভাৰতবৰ্ষত আৰ্য্যবিলাকে তেওঁলোকক লাহে লাহে আৰ্য্যাবৰ্ত্তৰপৰা খেদি পেলালে। কাল-ক্ৰমত এনে উচ্চ জাতিৰ একেবাৰে পতন হ'ল।

১৯০৭ চনত জাৰ্মান প্ৰফেছৰ হিউগো উিঙ্কলাৰে ((Hugo Winckle) এচিয়া মাইনৰত কিছুমান শিলৰ ফলি পাইছিল। এই ফলিত খ্ৰীষ্টৰ প্ৰায় ১৪০০ বছৰৰ আগেয়ে মিটানি আৰু হিটাইট জাতিৰ মাজত যি সন্ধি স্থাপন হৈছিল তাক Cuneiform script বা শৰলিপিত লিপিবদ্ধ কৰা আছে।* এই সন্ধিৰ সাক্ষী-স্বৰূপ তাতে উভয় জাতিৰ নানা দেৱতাক আহ্বান কৰা হৈছে। এই দেৱতাবিলাকৰ মাজত মিত্ৰ, বৰুণ, ইন্দ্ৰ আৰু নাসত্যৰ (অশ্বিনী-কুমাৰদ্বয়) নাম পোৱা যায়। ভাৰত-বৰ্ষলৈ অহাৰ পূৰ্বেই আৰ্য্যবিলাকৰ এইবিলাক দেৱতা আছিল। মধ্য এচিয়াৰ মাল-ভূমিত আৰ্য্যবিলাক একেলগে থাকি তাৰপৰা দল দল হৈ বেলেগ বেলেগ ঠাইলৈ গ'ল কিন্তু দেৱতাবিলাক বহু দিনলৈকে একেই আছিল। ইৰাণী আৰ্য্যবিলাকৰো এইবিলাক দেৱতাই আছিল। আশ্চয্য এই যে আৱেস্তাৰ (Avesta) সময়ত ইৰাণীবিলাকৰ অসুৰ হ'ল ঘাই দেৱতা আৰু আদ্যদেৱতা হ'ল দৈত্য, যেনে, "অহুৰ মাজদা" ঘাই দেৱতা আৰু ইন্দ্ৰ আৰু নাসত্য (Naonhaithya) দৈত্য। ইৰাণী-বিলাকে এচিৰিয়ান দেৱতাক দেৱতা বুলি মানি ল'লে কিন্তু মিত্ৰ (Mithra) তেওঁ-লোকৰ দেৱতা হৈয়েই থাকিল।

মিটানি আৰু হিটাইট জাতিৰ সন্ধিৰ বহু পূৰ্বেই ভাৰতবৰ্ষলৈ আৰ্য্যবিলাক আহিছিল। আৰ্য্যবিলাকে মধ্যদেশ অধিকাৰ কৰাৰ বহুত পিছতহে মহাভাৰতৰ যুদ্ধ হয়। অনুমান খ্ৰীঃ পূঃ ১৫ শতিকাত এই যুদ্ধ হৈছিল। ডাক্টৰ হেমচন্দ্ৰ ৰায়চৌধুৰীয়ে তেওঁৰ Political History of Ancient India নামে গ্ৰন্থত বায়ুপুৰাণ বিষ্ণু পুৰাণ আৰু ভাগৱত পুৰাণৰ আভ্যন্তৰিক প্ৰমাণৰপৰা দেখুৱাইছে যে খ্ৰীঃ পূঃ ১৪ শতিকাৰ আদিভাগতে পৰীক্ষিত ৰজাৰ জন্ম হৈছিল—

মহাপদ্মাভিষেকাত্তু যাবজ্জন্ম পৰীক্ষিতঃ
এবম্বৰ্ষসহস্ৰান্তু জ্ঞেয়ম্ পঞ্চাশদুত্তৰম্॥

অৰ্থাৎ মহাপদ্ম নন্দৰ অভিষেকৰপৰা ১০৫০ বছৰ পূৰ্বে পৰীক্ষিত ৰজাৰ জন্ম হৈছিল। খ্ৰীঃ পূঃ ৩৭২ অব্দত মহাপদ্ম নন্দৰ অভিষেক বুলি ধৰিব পাৰি।

---

*Cuneiform scriptৰ আখৰবোৰ কাঁড়ৰ নিচিনা, সেইদেখি "শৰলিপি" নাম দিয়া হ'ল।

ডক্টৰ ভিনচেণ্ট স্মিথৰ এয়ে মত। এতেকে পৰীক্ষিত ৰজাৰ সময় খ্ৰীঃ পূঃ ১৪শ শতিকাৰ আদিভাগত নাইবা ১৫শ শতিকাৰ শেষ ভাগত। ইয়াৰপৰাও দেখা যায় যে খ্ৰীঃ পূঃ ১৫ শতিকাত মহাভাৰতৰ যুদ্ধ হৈছিল। মিছৰ দেশৰ বুৰঞ্জীমতে পৰীক্ষিত ৰজাৰ সময়ত ইজিপ্তত অষ্টাদশ ৰাজবংশৰ (VIII dynasty) তৃতীয় এমেন হোটেপ (Amenhotep III) আৰু চতুৰ্থ টেহুটাইমচ ((Tehutimes IV) ৰজা আছিল। এওঁলোকৰ পৰৱৰ্তী ৰজাৰ নাম তুতাৰাম আমেন যাৰ কবৰ অলপতে পোৱা গৈছে। এওঁলোকৰ পিচত খ্ৰীঃ পূঃ ১২৮৫ অব্দত মেনেপটা ৰজাৰ দিনত মুছাই (Moses) ইজ্ৰাৱেলাইটবিলাকক মিছৰৰপৰা উলিয়াই আনে। ওল্ড টেস্টেমেণ্টত মেনেপটাকে Pharaoh of the Exodus বোলা হৈছে। পৰীক্ষিত ৰজা মুছাতকৈ প্ৰায় ১০০।১৫০ বছৰ আগৰ। পৰীক্ষিতৰ সমসাময়িক বেবিলনৰ ৰজা খাৰা খাৰ্দছ ((Khara Khardash) আৰু এচিৰিয়াৰ ৰজা অছুৰ উবালীট ((Asshur Ubalit) ।

পৰীক্ষিতৰ পিছত জন্মেজয় শতানিক প্ৰভৃতি ৫ জন হস্তিনাপুৰত ৰজা হয় আৰু নিক্ষাকুৰ দিনত ৰাজধানী কৌশম্বীলৈ অনা হয়। শতপথ ব্ৰাহ্মণত লিখা আছে যে প্ৰোতি কৌশম্বেয় উদ্দালক আৰুণিৰ সমসাময়িক ঋষি। এই উদ্দালক আৰুণি উপনিষদবিলাকৰ মতে জনক ৰজাৰ সময়ৰ ঋষি। ছান্দোগ্য প্ৰভৃতি উপ-নিষদত আৰুণি আৰু বিদেহৰ ৰজা জনকৰ বহুত উল্লেখ পোৱা যায়। ইয়াৰ দ্বাৰা অনুমান হয় যে জনক ৰজা আৰু উপনিষদবিলাকৰ যুগ পৰীক্ষিতৰ সময়ৰপৰা প্ৰায় ৩০০ বছৰ পিছে। খ্ৰীঃ পূঃ প্ৰায় দ্বাদশ শতিকাৰপৰা আৰম্ভ কৰি ষষ্ঠ শতিকাৰ বুদ্ধৰ সময়লৈকে ভাৰতীয় দাৰ্শনিক যুগৰ সময় নিৰ্ণয় কৰিব পাৰি। ৰামায়ণৰ মতে সীতাৰ বাপেক জনক ৰজা ত্ৰেতা যুগৰ ৰজা, কিন্তু উপনিষদমতে জনক পৰীক্ষিতৰো পাছৰ ৰজা। বৃহদাৰণ্যক উপনিষদত আছে যে জনকৰ ৰাজ-চ'ৰাত এজন পণ্ডিত আহি প্ৰশ্ন কৰিলে যে পৰীক্ষিত আৰু তেওঁৰ বংশধৰবিলাক ক'লৈ গ'ল। যাজ্ঞবল্ক্যই উত্তৰ দিলে যে অশ্বমেধ যজ্ঞৰ দ্বাৰায় যি স্থান পোৱা যায় তালৈ তেওঁলোক গৈছে। উপনিষদৰ জনকৰো অশ্বপতি নামে কেকয় ৰাজ্যৰ এজন সমসাময়িক ৰজা আছিল। ৰামায়ণ মতেও দশৰথ, অশ্বপতি আৰু জনক তিনিজন সমসাময়িক ৰজা। মহাভাৰত, দাৰ্শনিক সাহিত্য, পৌৰাণিক সাহিত্য ইত্যাদিৰপৰা ভাৰতবৰ্ষীয় ইতিহাসৰ কাল নিৰ্ণয় কৰা টান। সেই দেখি ডক্টৰ স্মিথ প্ৰভৃতি ঐতিহাসিকসকলে প্ৰাচীন ভাৰত বুৰঞ্জী গৌতম বুদ্ধৰ সময়ৰপৰাহে আৰম্ভ কৰিছে।

ভাৰতবৰ্ষীয় ইতিহাসৰ আদিৰেপৰা গ্ৰীক আক্ৰমণৰ পিছলৈকে ভাৰতবৰ্ষত চক্ৰৱৰ্তী ৰজা হোৱা নাছিল। নানা সৰু সৰু ৰাজ্যত আৰ্য্যাবৰ্ত্ত বিভক্ত আছিল। মহাভাৰতত লিখা আছে যে জৰাসন্ধই মগধত ৮৬,০০০ ৰজা বন্দী কৰি থৈছিল। এওঁবিলাক নিশ্চয় গ্ৰাম্যাধিপতি আছিল। আমাৰ দেশতো এসময়ত পানটানৰ্ব ৰজা, বেলতলাৰ ৰজা, ৰাণীৰ ৰজা, লুকিৰ ৰজা ইত্যাদি বহুত সৰু সৰু ৰজা আছিল। দাৰ্শনিক যুগতো বহুত সৰু সৰু ৰাজ্য আছিল, তাৰে ভিতৰত দ্বাই

কেবাখনো আছিল——যেনে, গান্ধাৰ, কেকয়, বিদেহ, মদ্ৰ, উসিনাৰ, মৎস্য, কুৰু, পাঞ্চাল, কাশী আৰু কোশল। গান্ধাৰৰ ঘাই নগৰ আছিল তক্ষশিলা আৰু পুষ্কৰ-ৱতী। সেই সময়ত গান্ধাৰ দাৰ্শনিক শিক্ষাৰ এখনি ঘাই ঠাই আছিল। উদ্দালক আৰুণিয়ে তক্ষশিলাৰ এজন প্ৰসিদ্ধ গুৰুৰপৰা শিক্ষা পাইছিল। এই আৰুণিয়েই তেওঁৰ পুতেক শ্বেতকেতুক তত্বজ্ঞান শিকাইছিল। "ঐতদাত্ম্যমিদং সৰ্বংতৎ সত্যং স আত্মা তত্বমসি শ্বেতকেতো।" এয়ে উপনিষদ দৰ্শনৰ সাৰ কথা। গান্ধাৰৰ ওচ-ৰতে কেকয় ৰাজ্য আছিল আৰু মদ্ৰদেশৰ ৰাজধানীসকল বৰ্তমান শিয়ালকোট। উসিনাৰ মধ্যদেশৰ উত্তৰফালে আৰু ইয়াৰ ৰাজধানী আছিল ভোজনগৰ। মৎস্য দেশেই হৈছে বৰ্তমান জয়পুৰ, আলৱাৰ আৰু ভৰতপুৰ। জয়পুৰৰ অন্তৰ্গত বাইৰাট বা বিৰাট এই দেশৰ প্ৰাচীন ৰাজধানী। কুৰুদেশৰ প্ৰাচীন ৰাজধানী হস্তিনাপুৰ, পিচত নিক্ষাকু ৰজাৰ দিনত ৰাজধানী কৌশম্বীলৈ তুলি নিয়া হ'ল। জনকৰ সময়ত কুৰুদেশৰ ৰজাৰ ক্ষমতা হ্ৰাস হ'ল, কিন্তু গ্ৰীক আক্ৰমণৰ সময়লৈকে দুখন দেশত পৌৰবংশীয় ৰজা আছিল আৰু তাৰে এজনে আলেকজেণ্ডাৰে সৈতে বিষম যুদ্ধ কৰিছিল। পাঞ্চাল দেশেই বৰ্তমান বুদাউন আৰু ফৰক্কাবাদ জিলা। এইদেশৰ প্ৰাচীন ৰাজধানী কাম্পিল্যাই বৰ্তমান কাম্পিল। ওলডেনবাৰ্গ চাহাবৰ মতে পাঞ্চালী-বিলাকেই ঋগ্বেদৰ সময়ৰ ক্ৰিবী আৰু তুৰক। এওঁলোকে তেতিয়া সিন্ধু আৰু অসিক্লীৰ (Chenab) মাজত বাস কৰিছিল। কাশীৰ ৰাজধানী আছিল বাৰাণসী আৰু জনকৰ দিনত কাশীৰ ৰজা আছিল অজাতশত্ৰু। কৌশিতকী উপনিষদৰ-পৰা জানিব পাৰি যে এইজন ৰজাই গাগ্য বালকীৰে দৰ্শনশাস্ত্ৰ লৈ তৰ্ক কৰিছিল। কোশল ৰাজ্যৰ নগৰ অযোধ্যা সৰযু নদীৰ পাৰত আছিল আৰু ইয়াত ইক্ষাকু বংশৰ ৰজাই ৰাজত্ব কৰিছিল। মগধৰ বিম্বিসাৰ ৰজাৰ সময়ত বৌদ্ধ গ্ৰন্থবিলাকৰ মতে ভাৰতবৰ্ষত ষোড়শ মহাজনপদ আছিল যেনে—কাশী, কোশল, অঙ্গ, মগধ, বাজ্জী, মল্ল, চেদী, বৎস, কুৰু, পাঞ্চাল, মৎস্য, সুৰসেন, অশ্মক, অৱন্তী, গান্ধাৰ, কম্বোজ।

গ্ৰীক আক্ৰমণৰ পূৰে পাৰসিকবিলাকে ভাৰতবৰ্ষ আক্ৰমণ কৰিছিল। খ্ৰীঃ পূঃ ৬ষ্ঠ শতিকাৰ মাজভাগত পাৰশিক সম্ৰাট কুৰুশে (Cyrus) পঞ্জাব আক্ৰমণ কৰিছিল; কিন্তু তেওঁ জয়ী হব নোৱাৰিলে। কাবুল আৰু সিন্ধু নদীৰ মাজত তেওঁ অশ্বটক (Astacenians) আৰু অস্মক (Assacenian) বিলাকক পৰাজয় কৰি তেওঁলোকৰপৰা কৰ আদায় কৰিছিল। এই অশ্বটক আৰু অস্মকবিলাক হিন্দু আছিল। দাৰায়ুছৰ (Darius) দিনত গান্ধাৰ পাৰস্যৰ কৰদ দেশ আছিল। পঞ্জা-ৱৰপৰা তেওঁ ক্ষুদ্ৰকবিবিলাকক (Hydracei or Oxideakai) যুজৰ সৈন্য কৰি নিছিল। তেওঁৰ পুতেক ক্ষয়ৰ্শই (Xerxes) ভাৰতবৰ্ষীয় সৈন্য গ্ৰীচদেশ আক্ৰমণ কৰিবলৈকো নিছিল। পাৰস্যত আলেকজাণ্ডাৰৰ আক্ৰমণ ৰোধ কৰিবলৈও ভাৰ-তীয় অশ্বাৰোহী সৈন্য নিয়া হৈছিল। গ্ৰীক ঐতিহাসিকসকলে লিখিছে যে এওঁলোক বৰ বিক্ৰমেৰে মেচিডনীয়ানবিলাকৰ ব্যূহ দুবাৰ ভেদ কৰিছিল।

বুৰঞ্জীৰ বিবিধ টোকা

২

এসময়ত বৈদিক ধৰ্মাবলম্বী আৰ্য্যবিলাক ভাৰতবৰ্ষৰ আৰ্য্যাবৰ্তৰপৰা আৰম্ভ কৰি আফগানিস্থান, পাৰস্য, মেচপটেমিয়া আৰু এচিয়ামাইনৰলৈকে বিয়পি আছিল। ইন্দ্ৰ, বৰুণ, মিত্ৰ, নাসত্য আদি তেওঁলোকৰ দেৱতা আছিল আৰু ঋগ্বেদোক্ত নিয়মে অগ্নি প্ৰজ্বলিত কৰি তেওঁবিলাকে আহুতি প্ৰদান কৰিছিল আৰু সোমৰস পান কৰিছিল। ঋগবেদত আফগানিস্থানৰ কাবুল নৈৰ নাম কুভা, ছোৱাট (Swat) নৈৰ নাম সুবাস্তু, গুমাল নৈৰ নাম গোমতী। সমস্ত আফগানিস্থান অশোক ৰজাৰ সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। পাৰস্যৰ ইৰাণীবিলাক ভাৰতবৰ্ষীয় বৈদিক আৰ্য্যবিলাকৰ ভাই-ককাই। এচিয়ামাইনৰৰ হিটাইট (Hittite) আৰু মিটানি (Mitani) এই দুই জাতি বৈদিক ধৰ্মাবলম্বী আৰ্য্য আছিল। এই দুই জাতিৰ মাজত আগেয়ে কাজিয়া আছিল, কিন্তু মিছৰ ৰাজ্যৰ লগত যুদ্ধ হ'ব লগীয়া হোৱাত দুই জাতিৰ মাজত সন্ধি স্থাপন হ'ল। এই সন্ধিপত্ৰ শিলালিপিত লিখা হৈছিল আৰু সেই শিলালিপি পোৱা হৈছে। তাৰপৰা দেখা যায় যে খ্ৰীঃ পূঃ ১৪০০ অব্দত এই সন্ধি হৈছিল আৰু সেই সন্ধিপত্ৰত উভয় জাতিৰ দেৱতা—ইন্দ্ৰ, বৰুণ, নাসত্যৰ উল্লেখ আছে। Hittite এই নামটি বাইবেলৰপৰা পোৱা, কিন্তু মিছৰ দেশৰ বুৰঞ্জীৰপৰা দেখা যায় যে মিছৰীবিলাকে এই জাতিক ক্ষেতা (Kheta) বুলিছিল আৰু এচিৰীয়ানবিলাকে এই জাতিৰ মানুহক ক্ষত্তি (Khatti) বুলিছিল। এওঁলোকেই যে ভাৰতবৰ্ষৰ ক্ষত্ৰিয়, তাক ভালকৈ অনুমান কৰিব পাৰি। মিছৰৰ কেবাজনো ৰজাই (Pharaoh) মিটানি ৰাজ্যৰ কুঁৱৰী বিয়া কৰাইছিল। খ্ৰীঃ পূঃ ১৫০০ অব্দৰ Tel-el-Amarna lettersবিলাকৰপৰা পোৱা যায় যে মিটানিবিলাকৰ ৰজাৰ নাম আছিল Artatama, Tusratta (দশৰথ), Suttarna ইত্যাদি। এইবিলাক ঠিক ভাৰতবৰ্ষীয় আৰ্য্য নামৰ নিচিনা। এই ক্ষত্তি আৰু মিটানিবিলাকে লগ লাগি মিছৰ দেশৰে খুব যুঁজ কৰিছিল। অৱশেষত মিছৰৰ Ramses II ৰজাওৰ দিনত এওঁলোক পৰাজিত হয়। খ্ৰীঃ পূঃ ১৩৪০ অব্দৰ শিলৰ ফলি এখনৰপৰা দেখা যায় যে এচিৰিয়াৰ ৰজা Tiglathpileser এ ক্ষত্তিবিলাকেৰে যুঁজ কৰি সিহঁতৰ দেশ জয় কৰিছিল, সেই দেশৰ নাম সুবৰ্ত্ত্ (Subartu)। ইও ভাৰতবৰ্ষীয় নামৰ নিচিনা।

পাৰস্যৰ ইৰাণী আৰ্য্য আৰু ভাৰতবৰ্ষীয় আৰ্য্যবিলাকৰ মাজৰ সম্বন্ধ আৰু ঘনিষ্ঠ আছিল। ইৰাণী জৰথুস্ট্ৰৰ গাথা (গীতা) আৰু বেদৰ ভাষা খুব মিলে। এই বিষয়ে গেল্ডনাৰে (Geldner) এইদৰে লিখিছে— "The Gatha language (much more than the later Zend) and the language of the Vedas have a close resemblance, they seem hardly to be more than two dialects of one tongue Whole strophes of the Gathas can be turned into good old Sanskrit by the application of certain phonetic law" আমাৰ যজ্ঞ ইৰাণীবিলাকৰ যৎস্না, আমাৰ হোতাৰ আৰু তেওঁলোকৰ Zaotar একে। জৰথুস্ট্ৰ (Zoroaster) নিজে হোতাৰ অৰ্থাৎ যজ্ঞাহুতি দিয়া ভৃগু, বশিষ্ঠ আদিৰ নিচিনা এজন ঋষি আছিল। য়ুৰোপীয়ান পণ্ডিতবিলাকৰ মতে খ্ৰীষ্টাব্দৰপৰা ১000 বছৰ আগেয়ে জৰথুস্ট্ৰৰ গাথা লিখা হৈছিল। কালক্ৰমত পাৰস্যৰ বৈদিক আৰ্য্য সভ্যতা লোপ পালে আৰু ছেমিটিক ধৰ্ম, ভাষা, সাহিত্যই সেই ঠাই অধিকাৰ কৰিলে, কিন্তু প্ৰাচীন ইৰাণী আৰ্য্যৰ বংশধৰ পাৰস্যৰপৰা খেদা খোৱা বৰ্তমান পাৰ্চীবিলাক এতিয়াও অগ্নিউপাসক, পূৰ্বৰ হোতাৰ বা Zaotar ৰ স্থলত এতিয়া দস্তুৰ (Dastur) পাৰ্চীবিলাকৰ পুৰোহিত। পাৰস্যৰ প্ৰাচীন ৰজাবিলাকৰ নাম ভাৰতবৰ্ষীয় ৰজাৰ নামৰ নিচিনাই। কেৱল গ্ৰীক ঐতিহাসিকসকলে সেইবিলাক নাম ভালকৈ উচ্চাৰণ কৰিব নোৱাৰি বদলাই লিখি গৈছে—যেনে, কাম্বুজ্য (Cambyses), কুৰুশ (Cyrus), ক্ষয়ৰ্শ (Xerxes), ঋতুপৰ্ণ (Artapherne)। আলেকজেণ্ডাৰৰ সময়ৰ আৰ্য্য হিন্দু ৰজাবিলাকৰ নামো গ্ৰীকবিলাকে সেইদৰে বদলাইছে, যেনে—সৌভূতি (Sophytes) আৰু অম্ভি (Momphis)। হিন্দু আৰ্য্যবিলাকৰ ব্ৰাহ্মণৰ নিচিনা ইৰাণী আৰ্য্যবিলাকৰো এদল সুকীয়া পুৰোহিত আছিল, যাক গ্ৰীকবিলাকে Magi বুলিছিল। জেন্দ ভাষাত এই অগ্নিহোত্ৰী পুৰোহিতবিলাকক অথৰ বুলিছিল। হিন্দু আৰ্য্যবিলাকে আৰ্য্যাৱৰ্ত অধিকাৰ কৰাৰ বহুত পিছত ইৰাণী অগ্নিহোত্ৰী পুৰোহিতসকল ভাৰতবৰ্ষলৈ অহা আৰু তেওঁলোকেই অথৰ্ববেদ ভাৰতবৰ্ষলৈ অনা কোনো কোনো পণ্ডিতে অনুমান কৰে। কাৰো কাৰো মতে ভাৰতবৰ্ষৰ মগ ব্ৰাহ্মণ বা শাকদ্বীপী ব্ৰাহ্মণবিলাক এই ইৰাণী পুৰোহিতসকলৰ বংশধৰ। এই বিষয়ে ডক্টৰ স্পুনাৰে (Dr Spooner) এইদৰে লিখিছে—"After the coming of those Aryans who first invaded Northern Indian and to whom we attribute rightly the Rigveda there followed a series of invasions of the Magians from Persia that continued till the rise of the Maurya Empire"

পঞ্জাবৰ হৰপ্পা আৰু সিন্ধুপ্ৰদেশৰ মহেঞ্জদাৰো নামে ঠাইত ছুমাৰিয়ান শৰলিপিত (cuniform) লিখা খিবিলাক মাটিৰ মোহৰ (signet seals) পোৱা গৈছে আৰু যিবিলাক প্ৰায় ৫000 হেজাৰ বছৰ পুৰণি বুলি থিৰাং হৈছে ডক্টৰ ৱাডেল (L A Waddell, LL D, C B, C I E) নামে এজন প্ৰত্নতত্ত্ববিদ্ পণ্ডিতে সেইবিলাক পঢ়িব পাৰিছে। তেওঁৰ "Indo-Sumerian Seals Deciphered" নামে পুথিত সেইবিলাক মোহৰ আৰু কবৰ-লিপিৰ (Grave amulet) সম্পূৰ্ণ

বৃত্তান্ত লিখিছে। অৱশ্যে ডক্টৰ ৱাডেলৰ পাঠয়ে নিৰ্ভুল তাৰ কোনো প্ৰমাণ নাই, বিশেষ তেওঁৰ কেতবোৰ মীমাংসা আন পণ্ডিতৰ মীমাংসাৰ লগত নিমিলে। প্ৰাচীন ছুমাৰিয়ানবিলাকে ছেমিটিক নাইবা দ্ৰাবিড়িয়ান বুলি পণ্ডিতবিলাকে আগেয়ে বিশ্বাস কৰিছিল কিন্তু ডক্টৰ ৱাডেলৰ মতে যিবিলাক ছুমাৰিয়ানৰ এইবিলাক মোহৰ আৰু কবৰ ওলাইছে—সেইবিলাক আৰ্য্য আছিল আৰু এইবিলাকেই ভাৰতবৰ্ষত প্ৰথম আৰ্য্য উপনিৱেশ পাতে। এই আৰ্য্যবিলাকেই সম্ভৱতঃ সমুদ্ৰপথেৰে ভাৰতবৰ্ষলৈ আহিছিল। তাৰ বহুকাল পাছেহে বামেৰে পাৰস্য আৰু আফগানিস্থানৰ মাজেদি আৰ্য্য হিটাহিট, ক্ষেত্তা, ক্ষত্তি বা ক্ষত্ৰিয় আদি আৰ্য্যবিলাক আহি আৰ্য্যাৱৰ্তত ৰাজ্য বিস্তাৰ কৰে। তেওঁৰ মতে আৰ্য্যবিলাকৰ ভাৰতবৰ্ষত আদি বসতি খ্ৰীষ্টাব্দৰ প্ৰায় 4000 হেজাৰ বছৰ আগৰ। তেওঁৰ এটি মীমাংসা আন পণ্ডিতবিলাকে সহজে গ্ৰহণ নকৰিব আৰু সেই মীমাংসা অনুসাৰে প্ৰাচীন আৰ্য্য সাম্ৰাজ্য মেছ-পটেমীয়াৰপৰা আৰম্ভ কৰি ভাৰতবৰ্ষৰ পঞ্চনদলৈকে বিস্তৃত আছিল আৰু আমাৰ বেদ, মহাভাৰত পুৰাণ আদিত সত্য, ত্ৰেতা যুগৰ যি ৰজাসকলৰ নাম লিখা হৈছে, সেইসকল যে অকল ভাৰতবৰ্ষৰ ৰজা আছিল এনে নহয়, তেওঁলোক পঞ্জাবৰপৰা মেছপটেমিয়ালৈকে জুৰি সমস্ত আৰ্য্যদেশৰ ৰজা আছিল। তেওঁৰ মতে মেছপটে-মিয়াৰ খ্ৰীঃ পূঃ ৩৮০০ অব্দৰ বিখ্যাত ৰজা (Sargon I of Agade) আৰু আমাৰ পুৰণি ইতিবৃত্তৰ অযোধ্যাৰ সগৰ ৰজা একেজন ৰজা। হৰপ্পাত পোৱা দুটি মোহ-ৰৰপৰা তেওঁ এই সিদ্ধান্ত কৰিছে, তাৰে এটি এই—

Sag-ara dub gu Ag-du (ৱাডেলৰ পাঠ)
Sagara, the tablet of, at the land of Agdu (ৱাডেলৰ তৰ্জমা)

অন্যটি মোহৰ এইজন ৰজাৰ মন্ত্ৰীৰ (Tax, Dax, Takn বা দক্ষ)। ৱাডেলৰ মতে তাৰ পাঠ এই—

Tax (takh) Sa (Sir) gan-a gu Ag-du
Tax (takh), the minister of Sagana (Sirguna) of
the land of Agdu (ৱাডেলৰ তৰ্জমা)

শকুনি বা সগৰ ৰজাৰ মন্ত্ৰী দক্ষৰ নাম আমি ক'তো পোৱা নাই আৰু Agdu বা Agade একে ঠাইৰে নাম হলেও তাৰপৰাই "অযোধ্যা" নাম হোৱা সম্ভৱ যেন বিবেচনা নহয়। আৰু এটা মোহৰৰ পাঠ এই—

Kha-as Assias Bar-u-gu edin as
The seer Assias the Bargu (fire priest) of Edin (ৱাডেলৰ তৰ্জমা)

Barugu, Brigu, বা Bhriguৰ অৰ্থ অগ্নিহোত্ৰী পুৰোহিত, কোনো নিৰ্দিষ্ট লোকৰ নাম নহয়। ৱাডেলৰ মতে Baruguৰপৰা ভৃগু হৈছে আৰু Assias, Ausija একে, অৰ্থাৎ পুৰোহিতজনৰ নাম আৰু উপাধি ঔসিজ ভৃগু। ঋগবেদত

ঔসিজ কাক্ষিবনৰ উল্লেখ আছে। দাসী কন্যা ঔসিজৰ সন্তান ঔসিজ কাক্ষিবন, কিন্তু মান ঋগবেদৰ সূক্ত এও নিজে ৰচা আৰু তাত তেও সিন্ধু নদীৰ পাৰত অৱস্থিতি কৰা বুলি লিখিছে। এই কাক্ষিবন যে ভৃগুখেলৰ ঋষি আছিল তাক গোৱা নেযায়। সি যি হওক, এই ঔসিজবো এটি মোহৰ পোৱা হৈছে। ডক্টৰ ৱাডেলৰ মতে তাৰে পাঠ এই—

Tab mer-u gim us-iz Samas uriki as
The sister Meru the slave girl Usiz of the
sun (shrine) at uriki (ডক্টৰ ৱাডেলৰ তৰ্জমা)

ঋগবেদ মতে কাক্ষিবনৰ মাকৰ নাম উসিজ আৰু ঘৈণীয়েকৰ নাম ঋকায়া; কিন্তু এই মোহৰ মতে 'উৰিকিত থকা দাসী কন্যা উসিজ'। উৰিকিৰপৰা যদি "ঋকায়া" হৈছে তেন্তে কাক্ষিবনৰ ঘৈণীয়েকো সেই ঠাইৰে। ৱাডেলৰ মতে meru-ৰপৰা বুজিব পাৰি যে "উসিজ" এজনী Amorite sun-priestess আছিল। আৰু দুটি মোহৰ ৱাডেলৰ মতে কণ্ব ঋষি সম্পৰ্কে। সেই দুটিৰ পাঠ এই—

Kan-wa bar-ama wa
Kanwa the Barama the ear (of god)
Kan-we sib-as kha-iti-sig tab e (din as)
Kanwe priest enchanter of khaitisig at the second Edin

Sumerian ভাষাত Barama ৰ অৰ্থ পুৰোহিত বা ear of God এই শব্দৰপৰাই সংস্কৃত ব্ৰহ্ম আৰু ব্ৰাহ্মণ শব্দ হৈছে বুলি ৱাডেলে অনুমান কৰে। আমাৰ বেদ আৰু উপনিষদত কিন্তু যি অৰ্থে ব্ৰহ্ম শব্দ ব্যৱহৃত হৈছে ঠিক সেই অৰ্থতে খ্ৰীষ্টাব্দৰ ১০০০ বছৰ আগৰ পাৰস্য দেশতো জৰথুস্ত্ৰৰ গাথাত ব্ৰহ্ম শব্দ ব্যৱহাৰ কৰা হৈছে। গাথাত আছে "যেহ্যা ব্ৰহ্মো বহু ক্ষ্মাসি মনংহা" ইয়াৰ সংস্কৃত অনুবাদ—"যস্য ব্ৰহ্ম বহু পৃচ্ছ্য মনসা"। Baramaৰপৰা ব্ৰহ্ম বা ব্ৰাহ্মণ হোৱা কিমান দূৰ সম্ভৱ পাঠকসকলে বিবেচনা কৰিব। Khaitisig ছুমাৰিয়ান ভাষাৰ khatti sig যাৰ অৰ্থ high pries। মুঠ কথা ডক্টৰ ৱাডেলৰ এইবোৰ মীমাংসাৰে যথাযথ হৈছে এই বিষয়ে আমাৰ ঘোৰ সন্দেহ আছে। কণ্ব, ভৃগু, সগৰ আদিৰ মোহৰত আৰ্য্য সংস্কৃত ভাষাৰ ঠাইত ছুমাৰিয়ান ভাষা হয় কিয়? এইবিলাক ছুমাৰিয়ানে মৰা মাটিত পুতিছিল; কিন্তু যত দূৰ জনা যায় ভাৰতবৰ্ষীয় আৰু ইৰাণী আৰ্য্যবিলাকে মৰা শ হয় পুৰিছিল নাইবা পেলাই দিছিল। পাৰ্চীবিলাকে এতিয়াও মৰা শ শগুনক খুৱাবলৈ পেলাই দিয়ে। আলেকজাণ্ডাৰে ভাৰতবৰ্ষৰ তক্ষশীলা নগৰতো সেই দস্তুৰকে দেখিছিল। ডক্টৰ ৱাডেলৰ আৰু এখনি পুথি আছে, সেইখনৰ নাম The Phoenician Origin of the Britons সেই পুথিত তেও লিখিছে যে 'Hitto-Phoenicians' আৰ্য্য-হিটাইট জাতি বা ক্ষত্ৰিয়বিলাকেই হোমাৰৰ ইলিয়াডৰ Trojans তেওঁলোকৰ যাই দেৱতা আছিল বৈদিক ইন্দ্ৰ (In-

da-ra বা In-du-ru)। এই ট্ৰোজানবিলাকেই ইংলণ্ডত উপনিবেশ পাতে আৰু খ্ৰীষ্টাব্দৰ কেবা হাজাৰ বছৰৰ আগৰপৰা ইংৰাজবিলাকৰ patron saintঅৰ নাম (বৈদিক ইন্দ্ৰৰ নাম অনুসৰি) St Andrew এইবিলাক সিদ্ধান্ত কাল্পনিক যেন অনুমান হয়।

বুৰঞ্জীৰ বিবিধ টোকা

৩

আৰ্য্যবিলাকৰ আদি বাসস্থান ক'ত আছিল এই বিষয়ৰ খাটাং মীমাংসা এতিয়াও হোৱা নাই। পূৰ্ব্বৰ মীমাংসা আছিল যে তেওঁবিলাক মধ্য এচিয়াৰ কোনো ঠাইত আছিল, কিন্তু এই মীমাংসা এতিয়াৰ পণ্ডিতবিলাকে বিশ্বাস নকৰে। বৰ্তমান মীমাংসা মতে এওঁবিলাক আদিতে অষ্ট্ৰিয়া, হাঙ্গেৰি আৰু বহেমিয়াত বাস কৰিছিল। তাৰপৰা ক্ৰমাৎ আহি এওঁলোকে এচিয়ামাইনৰ পালে আৰু তাৰপৰা পূৱফালে আহি পাৰস্য আৰু ভাৰতবৰ্ষত বসতি কৰিলে। এই আৰ্য্যবিলাকক এতিয়া Indo-European বা Indo-Germanic নাম নিদি Wiros বোলা হয়, কাৰণ এই জাতিৰ লোকৰ বহু শাখাতে Wiro শব্দৰ অৰ্থ মানুহ। এই Wiro শব্দ আমাৰ আৰ্য্য শব্দৰে সম্পৰ্কীয়। এই Wiroবিলাক আদিতে এটি শ্বেতজাতি (White race) আছিল। য়ুৰোপৰপৰা আহি এচিয়াত বাস কৰাৰ পিছত তেওঁলোকৰ বৰ্ণ ধূম্ৰ বা মাথ হ'ল। ভাৰতবৰ্ষলৈ অহা কিছুমান ঋষি-বংশৰ লোকবে শ্বেত-বৰ্ণৰ আছিল তাৰ বিশেষ প্ৰমাণ আছে। ঋগ্বেদত বশিষ্ঠ-কুলক শ্বেত আৰু কণ্ব ঋষিৰ বংশক শ্যাত বা কৃষ্ণবৰ্ণৰ বুলিছে। এনেকি খ্ৰীঃ পূঃ দ্বিতীয় শতিকাৰ পতঞ্জলিৰ মহাভাষ্যতো ব্ৰাহ্মণৰ লক্ষণ লিখিছে "গৌৰঃ শুদ্ধাচাৰঃ পিঙ্গলঃ কপিলকেশঃ। গৌৰবৰ্ণ আৰু কপিলকেশ শীতপ্ৰধান য়ুৰোপবাসীৰহে হয়। ইয়াৰপৰা অনুমান হয় যে কেতবোৰ ঋষিকুল আদি বাসস্থানৰপৰা একেবাৰে ভাৰতবৰ্ষ পাইছিলহি। কেতবোৰ এচিয়ামাইনৰ আৰু মেছপটেমিয়াৰপৰা আহিছিল, ইবিলাকেই ধূম্ৰ বা কৃষ্ণ। ঋগ্বেদোক্ত যদু, তুৰ্বসু, ভাৰত, ত্ৰিৎসু, পুৰু, দ্ৰুহ্যো, অনু আদি ৰাজন্যকুল অনুমান এচিয়ামাইনৰৰপৰা অহা আৰু তেওঁলোকৰ লগতে কেতবোৰ পুৰোহিত কুলো আহিছিল। যদু আৰু তুৰ্বসুসকল অনুমান সমুদ্ৰ পথে আহিছিল। ঋগ্বেদত আছে "হে ইন্দ্ৰ, তুমি যেতিয়া সমুদ্ৰ পাৰ হৈ আহা, তেতিয়া যদু আৰু তুৰ্বকক তোমাৰ লগত সমুদ্ৰৰ সিপাৰৰপৰা আনিছিলা।" হৰিবংশত আছে যে ইক্ষাকুৰ পুত্ৰ হাৰষ্যৰ পুত্ৰ যদু আৰু যদুৰপৰা যাদৱ বংশ বৃদ্ধি হৈছিল আৰু তেওঁলোক সমুদ্ৰ পাৰত বাস কৰিছিল। ইয়াত উল্লেখ কৰা উচিত যে ডক্টৰ ৱাডেলৰ মতে উপৰোক্ত হাৰষ্য আৰু মেছপটেমিয়াৰ ছুমাৰিয়ান ৰজা উৰুৱাছ (Uruas) একেজন ৰজা আৰু এৰেঁই সিন্ধু নদীৰ উপত্যকাত খ্ৰীষ্টাব্দৰ প্ৰায় ৩০০০ বছৰ পূৰ্ব্বে প্ৰথমে ছুমাৰিয়ান ৰাজ্য পাতিছিল। ছুমাৰিয়ান কিম্বদন্তীমতে এই উৰুৱাছ

বিখ্যাত হিৰেক্লিছৰ (Greek Hercules) পুত্ৰ। অন্যান্য ভট্টৰ ৰাজেন্দ্ৰৰ মতে ছুমাৰিয়ানবিলাকো আৰ্য্য আৰু এওঁলোকবে কিছুমান সমুদ্ৰপথে আহি ভাৰতবৰ্ষত বসতি কৰিছিল। এওঁলোকেই ঋগ্বেদৰ যদু আৰু তুৰ্বসু কুল নেকি?

* * *

ভিন্ন ভিন্ন সময়ত ভিন্ন ভিন্ন আৰ্য্যদল আহি এই দেশত বসতি কৰাৰ কাৰণে এই দলবিলাকৰ মাজত পৰস্পৰ একতা হ'ব নোৱাৰিছিল। ঋষিকুলবিলাকৰ মাজত ভয়ানক খিয়লা-খিয়লি আছিল। বশিষ্ঠ আৰু বিশ্বামিত্ৰসকলৰ মাজৰ কাজিয়াৰ ফলত ভাৰতকুলৰ ৰজা সুদাসৰ লগত আৰু দহটি ৰাজন্যকুলৰ ঘোৰ যুদ্ধৰ কথা ঋগ্বেদত উল্লেখ কৰা আছে। এই যুদ্ধত সুদাস জয়ী হৈছিল আৰু সংঘবদ্ধ ৰাজন্যকুলৰ ধ্বংস হয়। আদিৰেপৰা ভাৰতবৰ্ষীয় ৰজাবিলাকৰ মাজত পৰস্পৰ দ্বেষ আৰু বিগ্ৰহ দেখা যায়। অনেক সময়তযে পুৰোহিতকুল এনে বিগ্ৰহৰ প্ৰৰোচক আছিল সিও ভালকৈ অনুমিত হয়। এনে বিগ্ৰহৰ ফলত কোনো একতা হ'ব নোৱাৰিছিল আৰু দাৰায়ুছ বা আলেকজেণ্ডাৰৰ নিচিনা আক্ৰমণকাৰী আহিলে একেলগ লাগিযে বিদেশী আক্ৰমণকাৰীক প্ৰতিৰোধ কৰিব লাগে এনে জ্ঞান ভাৰতবৰ্ষীয় ৰাজন্য-সম্প্ৰদায়ৰ কোনো দিনেই জন্মা নাছিল। আলেকজেণ্ডাৰে ভাৰতবৰ্ষৰ সীমা নৌ পাওঁতেই গান্ধাৰৰ ৰজা অম্ভিয়ে (Greek, Momphis) আমাৰ মান-অনা বৰফুকনৰ নিচিনাকৈ দেশদ্ৰোহ কৰি তেওঁক আগ বঢ়াই আনিছিলগৈ; অম্ভিৰ উদ্দেশ্য আছিল আলেকজেণ্ডাৰৰ দ্বাৰায় তেওঁৰ পৰাক্ৰমী শত্ৰু পুৰুক দমন কৰা। এজন ইংৰাজ ঐতিহাসিকে লিখিছে—"While Alexander was still in Bukhara, Ambhi began to negotiate on his own account Envoys from Taksnasila made their way over the ridges of the Hindukush They were charged with the message that Ambhi was ready to march by Alexander's side against any Indians who might refuse to submit Thus the European, at his first arrival at the gates of India, found India divided against itself It was the hand of an Indian prince which unbarred the door to the invader" ইয়াতকৈ আৰু লাজৰ কথা কি হ'ব পাৰে? এক মৌৰ্য্য সম্ৰাট চন্দ্ৰগুপ্ত আৰু অশোক চক্ৰবৰ্তী ৰজা হৈ বংগদেশৰপৰা কাবুললৈকে ৰাজ্য বিস্তাৰ কৰিছিল আৰু তেওঁলোকক যৱন ইৰাণী সকলোৱে ভয় কৰিছিল। তেওঁলোকৰ পিছত ভাৰতবৰ্ষ আকৌ সৰু সৰু ৰাজ্যত বিভক্ত হৈ ক্ৰমাৎ যৱন, শক, হূণ, মুছলমান আদিৰ কবলত হৈছিল। চন্দ্ৰগুপ্তৰ মহামন্ত্ৰী কৌটিল্য বা চাণক্যৰ অৰ্থশাস্ত্ৰৰপৰাই দেখা যায় ইটো ৰজাই সিটো ৰজাৰে যুঁজ কৰি পৰস্পৰ দুৰ্বল হৈ থাকিবা শত্ৰুৰ দ্বাৰা পৰাজিত হোৱাই যেন সেই সময়ৰ ৰাষ্ট্ৰনীতি আছিল। অৰ্থশাস্ত্ৰত লিখিছে, "দুৰ্বল ৰজাই বলী ৰজাৰে মিত্ৰতা কৰিবলৈ যত্ন কৰিব, কিন্তু বলী ৰজাই যুঁজ কৰি আনক

পৰাজয় কৰিব আৰু ৰাজ্য বিস্তাৰ কৰিব।" কৌৰৱবিলাক বলী হৈ বিৰাট ৰাজ্যৰ গোধন বলেৰে হৰি নি বিগ্ৰহ কৰিছিল। এইযে ভাই ভাই বিৰোধ কুৰুক্ষেত্ৰৰ বহু আগৰপৰা আজিলৈকে চলি আহিছে, ইয়েই আৰ্য্য হিন্দুৰ অৱনতিৰ মূল। আলেকজেণ্ডাৰে পুৰুক আক্ৰমণ কৰাৰ সময়ত এদল ভাৰতবৰ্ষীয় সেনাই আলেক-জেণ্ডাৰৰ বেতনভোগী হৈ দেশীয় ৰজা পুৰুৰ বিপক্ষে ৰণ কৰিবলৈ আহিছিল। শেষ সময়ত সিহঁতৰ মনত উদয় হ'ল যে বিদেশীৰ ফলীয়া হৈ দেশীয় লোকেৰে যুঁজা নিতান্ত অপকৰ্ম। সিহঁতে তেতিয়া মন্ত্ৰণা কৰি ইয়াকে ঠিক কৰিলে যে পুৰুৰ ফলীয়া হৈ যুঁজাই যুগুত। এই মন্ত্ৰণা কিন্তু আলেকজেণ্ডাৰৰ কাণলৈ গ'ল আৰু তাৰ ফলত তেওঁৰ আজ্ঞা অনুসৰি গ্ৰীকবিলাকে ৰাতিৰ ভিতৰতে শুই থকা সেই নিৰস্ত্ৰ ভাৰতবৰ্ষীয়বিলাকক কচু কটাদি কাটি এটিও নোহোৱা কৰিলে। পুৰুৰ লগালগি ৰাজ্য তেওঁৰ আপোন ভায়েকৰ আছিল; অনুমান, পিতৃৰাজ্য দুই ভায়ে সমানে ভগাই লৈছিল। আলেকজেণ্ডাৰৰ আক্ৰমণ কিন্তু অকল জ্যেষ্ঠ পুৰুৱেহে সহিলে, তেওঁৰ ভায়েক তেওঁৰ সহায়লৈ নাহিল। পুৰুৰ ৰাজ্য, বৰ্ত্তমান পঞ্জাবৰ দুখন জিলা গোটালে যিমান হ'ব সিমানহে আছিল। ইমান সৰু ঠাইৰ ভিতৰৰপৰা সৈন্য গোটাই জগৎবিজয়ী আলেকজেণ্ডাৰক ভেটা নিতান্ত দুঃসাহসিকতাৰ কাম। আলেকজেণ্ডাৰে ভাবিছিল যে অন্যান্য সৰু ৰজাৰ নিচিনাকৈ পুৰুৱেও তেওঁৰ বশ্যতা স্বীকাৰ কৰিব আৰু এই নিমিত্তে পুৰুক মাতি দূত পঠাইছিল। পুৰুৱে উত্তৰ পঠালে, "মই সসৈন্যে যুঁজলৈ সাজু হৈ আলেকজেণ্ডাৰক মোৰ ৰাজ্যৰ সীমাত অল-পতে দেখা কৰিম।" ঝিলম নদীৰ পাৰত পুৰু আৰু পুৰুৰ সেনাই যথেষ্ট ক্ষত্ৰিয়-বীৰ্য্য দেখুৱালে; কিন্তু আলেকজেণ্ডাৰৰ সেনাবল বেছি, সংখ্যা-বলত আলেকজেণ্ডাৰ জয়ী হ'ল। গ্ৰীক ঐতিহাসিকসকলে লিখি থৈ যোৱামতে এটি বৃহৎ হাতীৰ ওপৰত উঠি পুৰুৱে বিষম যুঁজ কৰিছিল। যি ঠাইতে ৰণ যোৰতৰৰূপে হৈছিল, সেই ঠাইতে পুৰু নিজে বৰ্ত্তমান আছিল। পুৰু ৬॥ ফুট ওখ এজন অতিকায় বীৰ আছিল। অস্ত্ৰাঘাতত শৰীৰ ক্ষত-বিক্ষত হোৱা সত্বেও তেওঁ যুঁজ এৰা নাছিল। তেওঁৰ সৈন্য এটাইবিলাক ঘাটি ৰণত বিমুখ হোৱাতহে তেওঁৰ হাতী ফিৰালে। এইখিনিতে ইংৰাজ বুৰঞ্জী-লেখক এজনে তলত লিখা দৰে লিখিছে:—

"When all hope was over the royal elephant turned and made its way from the place of carnage The Paurava had not gone far when a man came galloping after him Coming within earshot, he shouted to the prince to have his elephant halted he brought a message from the Yavana king The Paurava recognized the hated face of the Raja of Takshasila Then he turned round in his seat and with what strength his wounded arm could gather, threw a javelin Ambhi evaded it and galloped back to his overlord Presently the Paurava was overtaken again by other horsemen, calling him to stop and receive Alexander's message Loss of blood had brought on intolerable thirst It came to the Paurava that he had done all

that honour required, that he might yield to destiny The elephant was halted and he alighted, The envoys of Alexander gave him to drink Then he bade them conduct him to the king

As the little party neared the Macedonian lines, the Paurava saw the conqueror of the world come gallpoing out to meet him It was an instance of two strong men, from diverse ends of the earth, coming face to face Alexander, whose romantic vein was easily touched was all admiration, the Greek books say, for an antagonist so splendid in person, so brave and proud"—Cambridge History of India

আলেকজেণ্ডাৰে কনিষ্ঠ পুৰুৰ ৰাজ্য আৰু কেইখনমান সৰু সৰু ৰাজ্য দখল কৰি সেইবিলাক জ্যেষ্ঠ পুৰুৰ ৰাজ্যত সুমুৱাই তেওঁক ভাৰতৰ ৰজা পাতি থৈ গ'ল, কিন্তু দুখৰ বিষয় আলেকজেণ্ডাৰ হেন জগৎবিজয়ী বীৰৰ লগত যুঁজা পুৰুৰ কোনো উল্লেখ আমাৰ পুৰাণ আদিত নাই। পুৰুৰ নাম ভাৰত-বুৰঞ্জীত সোণৰ আখৰেৰে লিখা উচিত। পুৰুৰ বাহিৰেও অম্বক, ক্ষুদ্ৰক, মালৱ আদি সংঘবদ্ধ কিছুমান ক্ষত্ৰিয় ৰাষ্ট্ৰই গ্ৰীকবিলাকেৰে ঘোৰ যুঁজ কৰিছিল। মালৱবিলাকৰ দুৰ্গ অধিকাৰ কৰোঁতে আলেকজেণ্ডাৰ আহত হয়। এপাত কাঁড় তেওঁৰ বৰ্ম ভেদ কৰি বুকুত সোমায় আৰু কষ্টমপিহে তেওঁৰ প্ৰাণৰক্ষা হয়। ভাৰতবাসীবিলাকৰ শৌৰ্য্য-বীৰ্য্য দেখি গ্ৰীক সৈন্য আৰু পূবফালে আগ নাবাঢ়োঁ বুলি দৃঢ় সঙ্কল্প কৰিলে। আলেকজেণ্ডাৰৰ নানা প্ৰবোধ বাক্য নিষ্ফল হ'ল। আলেজেণ্ডাৰে নিজেও যেতিয়া পুৰুৰপৰা জানিব পাৰিলে যে প্ৰাচ্য (Greek, Prasii) মগধ ৰজাই ৮০,০০০ অশ্বাৰোহী, ৮,০০০ ৰথ, ৬০০০ হাতী আৰু ২,০০,০০০ পদাতিক সৈন্য সংগ্ৰহ কৰি তেওঁলৈ বৈ আছে তেতিয়া তেওঁৰ মনো বিচলিত হ'ল। ভাবি-গুণি তেওঁ উলটি যোৱাই স্থিৰ কৰিলে আৰু খ্ৰীঃ পূঃ ৩২৫ অব্দত গ্ৰীকবিলাক ভাৰতবৰ্ষৰপৰা বাহিৰ হ'ল।

* * *

আলেকজেণ্ডাৰ ভাৰতবৰ্ষৰপৰা বাহিৰ হৈ যোৱাৰ কেইবছৰমান পিছতে চন্দ্ৰগুপ্তই পঞ্জাবৰপৰা যৱনবিলাকক খেদাই দিলে। তাৰ পিছত গ্ৰীক ছেলিউকছে পুনৰ ভাৰত আক্ৰমণ কৰাত তেওঁক চন্দ্ৰগুপ্তই পৰাজিত কৰিলে আৰু তেতিয়াৰপৰা আফগানিস্থান আৰু বেলুচিস্থান মৌৰ্য্য সাম্ৰাজ্যৰ অন্তৰ্ভুক্ত হ'ল। মগধৰ ৰজা বিম্বিসাৰ বা অজাতশত্ৰুৰ দিনত অৰ্থাৎ খ্ৰীঃ পূঃ ষষ্ঠ শতিকাত পাৰস্যৰ ৰজা দাৰায়ুছে ভাৰত আক্ৰমণ কৰি পঞ্জাবৰ কিয়দংশ অধিকাৰ কৰি তেওঁৰ ৰাজ্যৰ বিশেষ ক্ষত্ৰপ (Satrap) পঞ্জাবত পাতিছিল, কিন্তু সেই অধিকাৰ সময় দিন নাথাকিল। আলেকজেণ্ডাৰৰ সময়ত আফগানিস্থানৰ সীমাৰপৰা হিন্দু ৰজাইহে পঞ্জাবৰ নানা ঠাইত ৰাজত্ব কৰিছিল। মৌৰ্য্য সাম্ৰাজ্য দুৰ্বল হৈ পৰাত সুৰু পাই মধ্য-

এচিয়াৰ গ্ৰীকবিলাকে আকৌ পঞ্জাব অধিকাৰ কৰি কিছু কাল ৰাজত্ব কৰিছিল। এই গ্ৰীক ৰজাবিলাকৰ ভিতৰত মিনেন্দাৰ (Menander) প্ৰধান। পালিগ্ৰন্থত এওঁক মিলিন্দ বোলা হৈছে। শকলৰ (বৰ্তমান সিয়ালকোট) যবন ৰজা মিলিন্দই যে Menander তাৰ কোনো সন্দেহ নাই। এওঁ বৌদ্ধ পণ্ডিত নাগসেনক নানা প্ৰশ্ন কৰিছিল আৰু সেই প্ৰশ্নবিলাকৰ সন্তোষজনক উত্তৰ পাই নিজে বৌদ্ধ ধৰ্মত দীক্ষিত হ'ল। মিলিন্দপন্‌হ (মিলিন্দপ্ৰশ্ন) নামে পালিগ্ৰন্থত এই প্ৰশ্নবিলাক আৰু তাৰ উত্তৰ আছে। মিলিন্দ বৌদ্ধ হৈছিল আৰু Heliodorus নামে তক্ষশিলাত ৰাজত্ব কৰা আন এজন গ্ৰীক ৰজা বৈষ্ণৱ হৈছিল। গোৱালিয়ৰৰ ওচৰত পোৱা এখন শিলৰ ফলিত তেওঁক "ভাগৱত" বোলা হৈছে। শকবিলাকে ভাৰতবৰ্ষ আক্ৰমণ কৰি এই সকু সকু যৱন ৰাজ্যবিলাক সমূলি ধ্বংস কৰিলে। মগধৰ শুংগবংশৰ পুষ্যমিত্ৰ ৰজা আৰু মহাভাষ্যকাৰ পতঞ্জলি ঋষি মিলিন্দৰ সমসাময়িক। পতঞ্জলিয়ে এই যৱন ৰজাৰ কথা উল্লেখ কৰিছে। পুষ্যমিত্ৰই অশ্বমেধ যজ্ঞ পাতিছিল। তেওঁৰ যজ্ঞৰ ঘোঁৰা যৱনবিলাকে ধৰি ৰখাত তেওঁৰ পৌত্ৰ বাসুমিত্ৰই যৱনবিলাকক যুদ্ধত পৰাজয় কৰি ঘোঁৰা উদ্ধাৰ কৰিছিল। সেই মহাযজ্ঞত পতঞ্জলি নিজে উপস্থিত আছিল। এই যজ্ঞ অনুমান খ্ৰীঃ পূঃ দ্বিতীয় শতিকাৰ মাজমানত হৈছিল। সেই সময়ৰপৰাই যে ভাৰতবৰ্ষত বৌদ্ধধৰ্মৰ প্ৰভাব কমিছিল তাক এই অশ্বমেধ যজ্ঞৰ পুনৰ অৱতাৰণাৰপৰাই বুজিব পাৰি।

বুৰঞ্জীৰ বিবিধ টোকা

৪

দৰ্শন, গণিত, জ্যোতিষ আদি শাস্ত্ৰত প্ৰাচীন আৰু মধ্য যুগৰ প্ৰতীচ্য দেশ-বিলাক ভাৰতবৰ্ষৰ ওচৰত যেনে ধৰুৱা, গল্প বা আখ্যায়িকাৰ বাবেও সেই দেশ-বিলাক তেনে ধৰুৱা। পঞ্চতন্ত্ৰ কেতিয়া ৰচা হৈছিল এই বিষয় এতিয়াও স্থিৰ হোৱা নাই; কিন্তু খ্ৰীঃ ষষ্ঠ শতিকাৰ মাজভাগত ই ভাৰতবৰ্ষৰ বাহিৰে ইমান প্ৰসিদ্ধ হৈ উঠিছিল যে পাৰস্যৰ তেতিয়াৰ ৰজা খুস্ৰু অনুশিৰ্বণৰ আজ্ঞাত ইয়াক পহলবী ভাষালৈ অনুবাদ কৰা হৈছিল। চিৰিয়াক ভাষাৰ ৫৭০ খ্ৰীঃ ৰ অনুবাদখনিৰ নাম "কালিনাগ আৰু দামনাগ।" আৰবী ভাষাৰ অনুবাদখনিৰ নাম "কালিলা আৰু দিমনা।" পঞ্চতন্ত্ৰৰ "কৰটক" আৰু "দমনক" এই দুই শিয়ালৰ নামৰপৰাই এইবিলাক নাম হৈছে। আৰবী অনুবাদখনিৰপৰাই য়ুৰোপীয় দেশবিলাকত পঞ্চ-তন্ত্ৰৰ গল্পবিলাক প্ৰচলিত হৈছিল আৰু Theodor Benfeyৰ অনুসন্ধানৰ ফলত এইটো প্ৰকাশ হৈছে যে অন্ততঃ ৪০ টি ভাষাত "কালিলা আৰু দিমনাৰ অনুবাদ হৈছে অক্সফোৰ্ড য়ুনিভাৰ্ছিটিৰ প্ৰফেছৰ মেকডনেল চাহাবে লিখিছে, "Probably no book except the Bible has been translated into so many languages, certainly no secular book" বেনফি চাহাবে লিখিছে, "The story of the migration of Indian fairy tales from East to West is more wonderful and instructive than many of these fairy tales themselves" ১

ওৱেলছৰ "Llewellin's Dog" নামে সাধুকথা সকলোৱে জানে। Llewellinএ কুকুৰটিকে তেওঁৰ কেঁচুৱা ল'ৰাৰ ৰখীয়া কৰি চিকাৰ কৰিবলৈ গৈছিল; উভতি আহি দেখিলে যে ল'ৰা শুৱাই থোৱা খাটখনি উবুৰি হৈ পৰি আছে আৰু কুকুৰটিৰ মুখত তেজ লাগি আছে। কুকুৰেই কেঁচুৱাটিক কামুৰি খালে বুলি ভাবি খঙতে তেওঁ কুকুৰটি তৎক্ষণাৎ বধ কৰিলে। অলপ পিছত ভালকৈ বিচাৰ কৰি দেখিলে যে শিশুটি খাটৰ তলতে পৰি শুই আছে আৰু তাৰ ওচৰতে এটা মৰা বাংকুকুৰ (wolf)। তেতিয়া তেওঁ জানিব পাৰিলে যে তেওঁৰ কুকুৰেই সেই wolfটি মাৰি শিশুটিক ৰক্ষা কৰিছিল। তেওঁৰ তেতিয়া মনত বৰ খেদ

---

১ "India's Past", by A A. Macdonell.

উপস্থিত হ'ল। এই গল্পটি একেবাৰে পঞ্চতন্ত্ৰৰপৰা ধাৰ কৰা, মাত্ৰ পঞ্চতন্ত্ৰত কুকুৰৰ ঠাইত নেউল আৰু wolfৰ ঠাইত ফেটী সাপ। খ্ৰীঃ ১৫ শতিকাত লিখা জাৰ্মান কিতাপ "Das Buch der Beispiele der alten weisen" আৰু ১৫৭০ খ্ৰীঃ ৰ চাৰ টমাচ নৰ্থৰ "The Moral Philosophie of Doni" এই দুয়োখনি পঞ্চতন্ত্ৰৰে আশ্ৰয় লৈ লিখা আখ্যায়িকা। প্ৰফেছৰ মেক্‌ডনেলে লিখিছে, "During many centuries the Panchatantra enriched the literatures of three continents and exercised an extraordinary influence on the narrative works of the whole Middle Ages"

* * *

৬৭৩ খ্ৰীষ্টাব্দত ইছিং (I-Tsing) নামে এজন চীন পৰিব্ৰাজক ভাৰতবৰ্ষলৈ আহে। তেওঁ ১৫ বছৰ ভাৰতবৰ্ষত থাকে আৰু ৬৮৮ খ্ৰীষ্টাব্দত ভাৰতবৰ্ষৰপৰা ফিৰি যায়। তেওঁ সাগৰে আহি তাম্ৰলিপ্তিত নামিছিল আৰু যাওঁতেও সেই বাটেই যায়। তেওঁ সেই সময়ৰ যি সামাজিক আৰু গাৰ্হস্থ্য নিয়ম-প্ৰণালী দেখিছিল তাৰ এটি বিৱৰণ লিখি গৈছে। সেইবিলাক নিয়ম আজি প্ৰায় ১৩০০ বছৰৰ পিছত এতিয়াও ভাৰতবৰ্ষত বিদ্যমান। তেওঁ লিখিছে, "বৌদ্ধ শ্ৰমণসকলে ভাত খাবলৈ হাত-মুখ ধুই একোখনি কাঠৰ পীৰাত বহে। পীৰাবিলাক প্ৰায় ৭ ইঞ্চি ওখ আৰু দীঘে-পথালিয়ে ১ ফুট। এহাত এহাত অন্তৰত একোখনি পীৰা পৰা হয় আৰু মজিয়া গোবৰেৰে মচি তাৰ ওপৰত নতুন পাত পাতি দিয়া হয়। শ্ৰমণবিলাকে পীৰাত লেপেটা কাঢ়ি বহি খায়। চীনদেশত কিন্তু ভিক্ষুবিলাকে দুফুট ওখ চকিত ভৰি ওলমাই বহি খায়। এই নিয়ম বেয়া। ভাৰতত কি ধনী, কি দৰিদ্ৰ সকলোৱে কাঠেৰে দাঁত মাজে আৰু শৌচ কৰি মাটি-পানী লৈ গাধোৱে। তেওঁলোকে খোৱা-বস্তুৰ চুৱা-নিকা বৰ বিচাৰ কৰে। খোৱা-পাতৰ খোৱাখিনি চুৱা, তাক ঘূৰি খাম বুলি সাঁচি থোৱা নিতান্ত অন্যায়। খাই উঠি ভালকৈ মুখ-হাত ধুব লাগে। কুকুৰ ছুলে গা ধুব লাগে। চুৱা-নিকাৰ বিচাৰৰ বাবেই ভাৰতবৰ্ষীয়বিলাক আন দেশবাসী বিলাকতকৈ শ্ৰেষ্ঠ। এসময়ত হিমালয়ৰ উত্তৰৰপৰা কেইজনমান দূত ভাৰতবৰ্ষলৈ আহিছিল। তেওঁলোকে শৌচ কৰি গা নোধোৱাত ভাৰতবৰ্ষীয় বিলাকে বিদ্ৰূপ কৰিলে। চীন দেশতো চুৱা-নিকাৰ বিচাৰ নাই, কিন্তু যিবিলাকে বুদ্ধৰ ধৰ্ম মানে, তেওঁলোকে চুৱা-নিকা সম্পৰ্কে সাৱধান হোৱা উচিত।" তেওঁৰ পূৰ্ব্ববৰ্তী য়ুৱনচাঙৰ নিচিনাকৈ ইছিং কামৰূপলৈ অহা নাছিল, কিন্তু তেওঁ দেখি যোৱা চুৱা-নিকাৰ ব্যৱস্থাবিলাক সম্পূৰ্ণ অসমীয়া নাছিল, কিন্তু তেওঁ দেখি যোৱা চুৱা-নিকাৰ ব্যৱস্থাবিলাক সম্পূৰ্ণ অসমীয়া হিন্দুৰ নিয়মবিলাকৰ নিচিনা। ইছিং ভাৰতবৰ্ষলৈ আহোঁতে জাবা, সুমাত্ৰা আদি দ্বীপবিলাক হৈ আহিছিল। সেইবিলাকৰ অধিবাসীবিলাক তেতিয়া বৌদ্ধ ধৰ্মাৱলম্বী আছিল আৰু আদিতে সিংহলৰপৰা বৌদ্ধধৰ্ম সেইবিলাক দেশত প্ৰৱৰ্তিত হৈছিল।

কলিকতা হাইকোৰ্টৰ ভূতপূৰ্ব জজ পাজিটাৰ চাহাবৰ মহাভাৰত আৰু* পুৰাণবিলাকৰপৰা উদ্ধাৰ কৰা প্ৰাচীন আৰ্য্য হিন্দু ৰজাবিলাকৰ বংশাৱলীখনি বিশেষ মূল্যবান যেন লাগে।

মহাভাৰতৰ যুদ্ধৰপৰা বুদ্ধৰ আৱিৰ্ভাৱৰ সময়লৈকে ৰজাবিলাকৰ বংশাৱলী আৰু ৰাজ্যবিলাকৰ ঐতিহাসিক বৃত্তান্ত পাজিটাৰ চাহাবে একৰকম তৈয়াৰ কৰিছে।† তাৰ পূৰ্ববৰ্তী অৰ্থাৎ সত্য, ত্ৰেতা, দ্বাপৰ যুগৰ ৰাজবংশাৱলী আৰু ঐতিহাসিক বিবৰণৰ বিষয়ে তেওঁ যি সংগ্ৰহ কৰিছে, তাকে চুম্বককৈ সম্প্ৰতি ইয়াত দিয়া হ'ল।

ৰাজবংশাৱলী

ঐক্ষ্বাকু (অযোধ্যা)	পৌৰৱ	যাদৱ	হৈহয়
|	|	|	|
মনু	মনু	মনু	মনু
ইক্ষ্বাকু	ইলা	ইলা	ইলা
বিকুক্ষি	পুৰুৰবা	পুৰুৰবা	পুৰুৰবা
শশাদ	আয়ু	আয়ু	আয়ু
ককুৎস্থ	নহুষ	নহুষ	নহুষ
অনেনা	যযাতি	যযাতি	যযাতি
পৃথু	পুৰু	যদু	যদু
বিষ্টৰশ্ব	জন্মেজয় (২)	ক্ৰষ্টু	সহস্ৰজিৎ
আৰ্দ্ৰ	প্ৰচীবন্ত	বৃজিবন্ত	শতজিৎ
যুবনাশ্ব (১)	প্ৰবীৰ	স্বাহী	হৈহয়
শ্ৰৱস্ত	মনস্যু	ৰুসন্ত	ধৰ্মনেত্ৰ
বৃহদশ্ব	অভয়দ	চিত্ৰৰথ	কুন্তি
কুবলয়াশ্ব	সুধন্বন	শশবিন্দু	সহঞ্জ
দৃঢ়শ্ব	বাহগৱ	পৃথুশ্ৰৱণ	মাহিষ্মন্ত
প্ৰমোদ	সংযাতি	অন্তাৰ	ভদ্ৰসেন্য
হৰ্যশ্ব	অহংযাতি	সুযজ্ঞ	দুৰ্দম
নিকুম্ভ	ৰৌদ্ৰাশ্ব	উশনস	কনক
সংহৎশ্ব	ঋচেয়ু	সিনেয়ু	কাৰ্ত্তবীৰ্য্য
কৃশাশ্ব	মতিনাৰ	মৰুত্ত	অৰ্জ্জুন
প্ৰসেনজিৎ	তংসু	কম্বলবৰ্হি	জয়ধ্বজ

---

* "Ancient Indian Historical Tradition", by F E. Pargiter, M.A , I C S

† "Dynasties of the Kali Yuga", by F.E Pargiter, I C.S

ঐক্ষ্বাকু	পৌরব	যাদব	হৈহয়
যুবনাশ্ব (২)	দুষ্যন্ত	কম্বক	তালজংঘ
মান্ধাতৃ	ভরত	পরব্রত	বীতিহোত্র
পুরুকুৎস	ভরদ্বাজ	জয়মঘ	অনন্ত
ত্রাসদস্যু	বিতথ	বিদর্ভ	দুর্জয়
সম্ভূত	ভুবমন্যু	ক্রথভীম	সুপ্রতীক
অনারণ্য	বৃহৎক্ষত্র	কুন্তি	কোশিক (চেদি)
ত্রাসদাশ্ব	সুহোত্র	ধৃষ্ট	
হর্যশ্ব (২)	হস্তিন	নিবৃত্তি	
বসুমত	অজমীঢ়	বিদূরথ	
ত্রিধন্বন	ঋক্ষ (১)	দশার্হ	বসু
ত্রার্য্যারুণ	সম্বরণ	ব্যোমন	চৈদ্য
সত্যব্রত ত্রিশঙ্কু	কুরু	জিমুত	প্রত্যগ্রহ
হরিশ্চন্দ্র	পরীক্ষিত (১)	বিকৃতি	
রোহিত	জন্মেজয় (২)	ভীমরথ	
হারিত	ভীমসেন (১)	রথাভার	
চুঞ্চু	বিদূরথ	দশরথ	
বিজয়	সার্বভৌম	একাদশরথ	
রুরুক	জয়ৎসেন	শকুনি	
বৃক	আরাধিন	করম্ভ	
বাহু	মহাভৌম	দেবরত	
সগর	অযুতযুগ	দেবক্ষত্র	
অসমঞ্জস	অক্রোধন	দেবান	
অংশুমন্ত	দেবতিথি	মধু	
দিলীপ	ঋক্ষ (২)	পুরুবস	
ভগীরথ	ভীমসেন (২)	পুরুদবন্ত	
শ্রুত	দিলীপ	জন্তু	
নাভাগ	প্রতাপ	সাত্বত	
অম্বরীষ	ঋষ্টিসেন	ভীমসাত্বত	
সিন্ধুদ্বীপ	শান্তনু	অন্ধক-বৃষ্ণি	
অযুতাযুস	ভীষ্ম	কপোতরমণ—দেবমীঢ়ুষ	
ঋতুপর্ণ	বিচিত্রবীর্য্য	বিলোমন—শূর	
সর্বকাম	ধৃতরাষ্ট্র	নল বাসুদেব	
সুদাস	যুধিষ্ঠির	অভিজিত দামঘোষ	
মিত্রসহ কল্মাষপাদ	অভিমন্যু	পুনর্বসু শ্রীকৃষ্ণ	শিশুপাল

ইক্ষ্বাকু	পৌৰব	যাদব	হৈহয়
|			|
অশ্মক		উগ্রসেন শাম্ব	ধৃষ্টকেতু
মূলক		কংস	

শতৰথ
বিশ্বসহ (১)
দিলীপ (২)
খট্টাঙ্গ
দীৰ্ঘবাহু
ৰঘু
অজ
দশৰথ
ৰাম
কুশ
অতিথি
নিষাদ
নল
নভস
পুণ্ডৰিক
ক্ষেমধন্বন
দেবানিক
অহিনাগু
পৰিপত্র
দলবল
উকথ
ব্রজনাভ
শঙ্খন
ব্যুষিতশ্ব
বিশ্বসহ (২)
হিৰণ্যাভ
পুষ্য
ধ্রুবসন্ধি
সুদৰ্শন
অগ্নিবৰ্ণ
শিঘ্ৰ
মৰু

ইয়াতে কুৰুক্ষেত্ৰৰ যুদ্ধ।

পাৰ্জিটাৰ চাহাবৰ গণনামতে খ্রীঃ পূঃ ৯৫০ অব্দত মহাভাৰতৰ যুদ্ধ হৈছিল। এই যুদ্ধৰ প্রায় ১০০ বছৰ পিছত মগধৰ সিংহাসনত সেনজিৎ ৰজা আছিল। সেনজিতৰ পিছত ১৫জন বৃহদ্রথ বংশৰ ৰজা, তাৰ পিছত ৫জন প্রদ্যোৎ বংশৰ ৰজা, তাৰ পিছত ১০জন শিশুনাগ বংশৰ ৰজা হয়। তাৰ পিছতহে মহাপদ্মনন্দই মগধৰ সিংহাসন অধিকাৰ কৰে। নন্দবংশৰ ৮জন ৰজা হোৱাৰ পিছত খ্রীঃ পূঃ ৩২২ শকত চন্দ্রগুপ্ত মৌৰ্য্য মগধৰ ৰজা হয়। প্রত্যেক ৰজাৰ ৰাজত্বকাল ১০ বছৰৰপৰা ১৫ বছৰলৈকে ধৰি পাৰ্জিটাৰ চাহাবে মহাভাৰতৰ যুদ্ধকাল খ্রীঃ পূঃ ৯৫০ শক নিৰ্দেশ কৰিছে। সেইদৰে ওপৰত লিখা ৰাজবংশৰ তালিকাৰ পুৰুৰবাৰপৰা মহাভাৰতৰ যুদ্ধলৈকে ৯২জন ৰজাৰ গড়ে ১২ বছৰ ৰাজত্বকাল ধৰিলে পুৰুৰবাৰ সময় প্রায় খ্রীঃ পূঃ ২০৫০ শকত পৰে। তাৰ ২০০ বছৰমান আগৰপৰা ভাৰতবৰ্ষত আৰ্য্য উপনিবেশ বুলি ধৰিব পাৰি।

মহাভাৰতৰ যুদ্ধৰপৰা যেনেকৈ যুগান্তৰ হ'ল, অৰ্থাৎ দ্বাপৰ যুগ অন্ত হৈ কলিযুগ হ'ল, সেইৰকমে পূৰ্বেও তেনে বৃহৎ ঘটনাৰ দ্বাৰায় যুগান্তৰ হৈছিল। সত্য যুগত জামদগ্ন্যৰ দ্বাৰায় ক্ষত্ৰিয় কুলৰ বিনাশ হৈছিল, অৰ্থাৎ সেই সময়ত হৈহয়বিলাকে ইবিলাক ৰাজ্য গ্রাস কৰে। হৈহয়বিলাক ঐক্ষ্বাকু বংশৰ সগৰৰ দ্বাৰায় ধ্বংস হোৱাত এটি যুগান্তৰ হয়, অৰ্থাৎ তেতিয়া সত্যযুগৰ অন্ত হয়। তাৰ পিছত দাশৰথি ৰামৰ দ্বাৰাই দক্ষিণ ভাৰতবৰ্ষ আক্রমণ আৰু ৰাক্ষস বিলাকৰ ধ্বংস হোৱাত আৰু এটি যুগান্তৰ হৈ দ্বাপৰ যুগৰ অৱতাৰণা হ'ল আৰু এই যুগ কুৰুক্ষেত্ৰৰ যুদ্ধৰ পিচতে অন্ত হ'ল। এই বিলাক যুগান্তৰ কেৱল ভাৰতবৰ্ষ সম্পৰ্কেহে। পাৰ্জিটাৰ চাহাবৰ নিয়মমতে ভাৰতবৰ্ষত যুগান্তৰ হ'লে মুছলমানৰ ভাৰত অধিকাৰৰ সময়তে তেনে এটি যুগান্তৰ হৈ গ'ল। আৰু তাৰ পিছতে ইংৰাজৰ ৰাজত্বৰপৰা নতুন যুগ চলিছে। কলিযুগ কেতিয়াবাই ওৰ পৰিল।

পাৰ্জিটাৰ চাহাবে সিদ্ধান্ত কৰিছে যে ঐক্ষ্বাকু বংশীয় অযোধ্যাৰ

গ্ৰসুসূত্ৰ
সুগন্ধি
অসবৰ্ণ
বিশ্ৰুতবন্ত
বৃহদ্বল
বৃহৎকস্য

ৰাজবংশ আৰু ঐক্ষাকুৰ পুত্ৰ নিমিৰপৰা হোৱা বিদেহৰ ৰাজবংশ আৰ্য্য নহয়, ইলাৰপৰা সম্ভূত চন্দ্ৰবংশীয় ৰজাবিলাকহে আৰ্য্য। এতেকে তেওঁৰ মতেপৌৰৱ, যাদব, হৈহয়, দ্ৰুহ্যো, তুৰ্বসু, কান্য-কুব্জ, কাশী, অগ্ন ইত্যাদি ৰাজবংশবিলাক আৰ্য্য অৰ্থাৎ ঐল বিলাকেই আৰ্য্য। আৰ্য্যবিলাক ভাৰতবৰ্ষলৈ অহাৰ পূৰ্বৰেপৰা তপস্যা কৰা কেতবোৰ ঋষিকুল আছিল,তেওঁলোকো আৰ্য্য নহয়। আৰ্য্যবিলাকৰপৰাহে অগ্নিত আহুতি দি যজ্ঞ কৰা নিয়ম ওলাল আৰু হোতাৰ এক শ্ৰেণী ওলাল। শেহত ঋষিকুল আৰু হোতাৰবিলাক সকলো ব্ৰাহ্মণ হ'ল। আৰ্য্যবিলাকৰ বহুতে পূৰ্বে নিজেই হোতাৰ আছিল। সেইবাবে পূৰ্বৰ বহুত ক্ষত্ৰিয় শেহত ব্ৰাহ্মণ হ'ল। এইবিলাক মীমাংসা অৱশ্যে সহজে গ্ৰহণ কৰা কঠিন।

বুৰঞ্জীৰ বিবিধ টোকা

৫

পুৰাণ বিলাকৰপৰা প্ৰাচীন ভাৰতবৰ্ষৰ ঐতিহাসিক বিৱৰণ দুইৰকমে পোৱা যায়। এক ভূত বা অতীত কালৰ বিৱৰণ আৰু আনটি ভৱিষ্যৎ কালৰ বিৱৰণ। কুৰুক্ষেত্ৰৰ যুদ্ধৰ প্ৰায় ১০০ বছৰমানৰ পিছত অতীত কালৰ বিৱৰণ-বিলাক লিখা হৈছিল যেন অনুমান হয়। কাৰণ যুদ্ধৰ পিছৰপৰা ৫জন পৌৰৱ, ৪জন ঐক্ষাকু আৰু ৬জন বৃহদ্ৰথ বংশৰ ৰজাহে অতীত কালৰ বিৱৰণৰ মাজত পৰে। ৰজা গড়ে পাঁচজন হয় আৰু প্ৰত্যেকৰ ২০ বছৰ ৰাজত্বকাল ধৰিলে যুদ্ধৰ ১০০ বছৰ পিছতে অতীত শেষ হৈ ভৱিষ্যতত পৰে। এই ভৱিষ্যৎ কালৰ বিৱৰণ মতে মহাপদ্মানন্দ ৰজা হোৱাৰ পুৰ্বে আৰু পৌৰৱ ৰজা অধিসিমকৃষ্ণ, ঐক্ষাকু ৰজা দিবাকৰ আৰু বাহদ্ৰথ ৰজা সেনজিতৰ পিছত ২৫জন পৌৰৱ, ১৬জন বাৰ্হদ্ৰথ আৰু ২৬জন ঐক্ষাকু ৰজা হৈছিল। এতেকে দেখা যায় পৌৰৱ অধিসিমকৃষ্ণ, অযোধ্যাৰ দিবাকৰ আৰু মগধৰ সেনজিৎ সমসাময়িক ৰজা আছিল, আৰু তেওঁ-বিলাকৰ ৰাজত্বৰ সময়ৰপৰাই অতীত অন্ত হৈ ভৱিষ্যতত পৰিল। মগধৰ নন্দবংশ পৰ্য্যন্ত ভৱিষ্যৎ বিৱৰণ আছে আৰু প্ৰকৃততে ভৱিষ্যৎ বিৱৰণখনি নন্দবংশৰ ৰজা হোৱাৰ পিছতহে লিখা হৈছিল, কিন্তু মহাভাৰত যুদ্ধৰ ১০০ বছৰ পাছত লিখা পুৰাণত সেই বিৱৰণ সুমাবৰ নিমিত্তে ভৱিষ্যতবাণীৰ নিচিনাকৈ ৰখা হ'ল। প্ৰকৃততে ভৱি-ষ্যৎ বিৱৰণখিনি পিছত প্ৰক্ষিপ্ত। ভৱিষ্যৎ বিৱৰণত আছে যে সেনজিৎ ৰজাৰ পিছত মগধত সেই বংশৰে (বৃহদ্ৰথ) ১৬জন ৰজা, তাৰ পিছত ৫জন প্ৰদ্যোৎ বংশৰ ৰজা আৰু তাৰ পিছত ১০জন শিশুনাগ বংশৰ ৰজা হ'ব। তাৰ পিছত মহাপদ্মনন্দই ক্ষত্ৰিয়কুল নাশ কৰি মগধৰ সিংহাসন অধিকাৰ কৰিব। পাৰ্জিটাৰ চাহাবৰ গণনামতে খ্ৰীঃ পূঃ ৮৫০ শকৰপৰা ভৱিষ্যৎ পুৰাণৰ বিৱৰণ আৰম্ভ হৈছিল আৰু সেই সময়তে বাৰ্হদ্ৰথ সেনজিৎ মগধৰ ৰজা আছিল। অধিসীমকৃষ্ণ জন্মেজয় ৰজাৰ প্ৰপৌত্ৰ আৰু সেনজিৎ জৰাসন্ধৰ পুত্ৰ সহদেৱৰপৰা সপ্তম ৰজা। ঐক্ষাকু দিবাকৰ ভাৰত যুদ্ধত নিহত হোৱা বৃহদ্বলৰপৰা পঞ্চম ৰজা।

অৰিসীমকৃষ্ণৰ বংশ তালিকা তলত দিয়া হ'ল ঃ

পৰীক্ষিত
|
জন্মেজয়
|
শতানিক (১)
|
অশ্বমেধ দত্ত
|
অৰিসীমকৃষ্ণ (অনুমান খ্ৰীঃ পূঃ ৮৫০ অব্দ)
|
নিক্ষাকু

নিক্ষাকুৰ দিনত ৰাজধানী হস্তিনাপুৰৰপৰা তুলি আনি কৌশম্বীত পতা হ'ল এই বংশৰে বসুদানৰ পুত্ৰ শতানিক (২) আৰু তেওঁৰ পুত্ৰ উদয়ন * গৌতম বুদ্ধৰ সমসাময়িক। সেই সময়ত মগধৰ ৰজা শিশুনাগ-বংশীয় বিম্বিসাৰ, কোশলৰ ঐক্ষাকু-বংশীয় ৰজা প্ৰসেনজিৎ, অৱন্তীৰ ৰজা চন্দ্ৰপ্ৰদ্যোৎ আৰু তক্ষশীলাত পুক্কু-সতি ৰজাই ৰাজত্ব কৰিছিল। এই এটাইবিলাক খ্ৰীঃ পূঃ ষষ্ঠ শতিকাৰ মাজভাগৰ। এওঁলোকৰ দিনৰপৰাই ভিনচেণ্ট স্মিথ চাহাবে প্ৰাচীন ভাৰতবৰ্ষৰ বুৰঞ্জী আৰম্ভ কৰিছে। বৌদ্ধ জাতকবিলাকৰপৰা এই সময়ৰ ভাৰতবৰ্ষৰ বিৱৰণ বহুত জানিব পাৰি।

* * *

পাৰ্জিটাৰ চাহাবৰ গণনামতে মহাভাৰতৰ যুদ্ধৰ সময়ৰপৰা বুদ্ধদেৱৰ আৱিৰ্ভাৱৰ সময়লৈকে অনুমান ৪০০ বছৰ হয়। এয়ে উপনিষদবিলাকৰ কাল আৰু দাৰ্শনিক যুগৰ আৰম্ভ। বুদ্ধৰ সময়ত এই যুগৰ চৰম কাল আৰু এই যুগ খ্ৰীষ্টীয় চতুৰ্থ শতিকালৈকে চলিছিল। উপনিষদৰ কালত বিদেহত জনক ৰজাই ৰাজত্ব কৰিছিল। দাৰ্শনিক পণ্ডিত বিলাকৰ দ্বাৰা তেওঁৰ ৰাজসভা পৰিপূৰ্ণ আছিল। এই পণ্ডিতসকলৰ মাজত যাজ্ঞবল্ক্যই শ্ৰেষ্ঠ। এওঁৰ ঋষি মাহিত্থি। গুৰু-শিষ্য-পৰম্পৰাৰ এখনি তালিকা তলত দিয়া হ'ল, তাৰে ওপৰৰজন তলৰ-জনৰ গুৰু ঃ

---

* উদয়নৰ প্ৰধান মহিষী বাসৱদত্তা অৱন্তীৰ ৰজা প্ৰদ্যোতৰ কন্যা। কবি ভাসৰ "স্বপ্নবাসৱদত্তা" এই ৰজা আৰু তেওঁৰ মহিষী সম্পৰ্কে এখনি নাটক।

তুৰকাবশেয় (জন্মেজয়ৰ সময়ৰ)
|
যজ্ঞবাচস
|
কুশ্ৰী
|
শাণ্ডিল্য
|
বাৎস্য
|
বাম কাক্ষায়ণ
|
মাহিত্থি

এই তালিকাৰপৰা তুৰকাবশেষৰপৰা মাহিত্থিলৈকে প্ৰায় ১২০ বছৰ পোৱা যায়। আৰু এখনি এইৰকমে তালিকা দিয়া হ'ল ঃ

দৈবাপী সৌনক

দৃতি ঐন্দ্ৰোত
|
পুলোৰ প্ৰাচীনযোগ্য
|
পৌলোষী সত্যযজ্ঞ

সৌনক জন্মেজয় ৰজাৰ সময়ৰ ঋষি আৰু পৌলোষী সত্যযজ্ঞ উদ্দালক আৰুণিৰ সমসাময়িক ঋষি। উদ্দালক আৰুণি জনক ৰজাৰ সভাৰ পণ্ডিত আৰু "তত্ত্বমসি" মহাবাক্য এওঁৰ মুখৰপৰাই প্ৰথমে ওলায়। এতেকে ওপৰৰ তালিকাৰপৰাও দেখা যায় যে জন্মেজয়ৰপৰা জনক ৰজা প্ৰায় ১০০।১২০ বছৰৰ অন্তৰত কুৰুবংশৰ ৰজা নিক্ষাকু আৰু বিদেহৰ প্ৰসিদ্ধ দাৰ্শনিক ৰজা জনকয়ে সমসাময়িক আছিল ই খুব সম্ভৱ। এতেকে খ্ৰীঃ পূঃ নৱম শকিকাৰ আদিভাগত জনক ৰজা আৰু যাজ্ঞবল্ক্য, উদ্দালক, আৰুণি প্ৰভৃতি দাৰ্শনিকসকল আছিল এনে অনুমান হয়। তাৰ প্ৰায় ২৫০ বছৰ পাছেহে অৰ্থাৎ খ্ৰীঃ পূঃ ষষ্ঠ শতিকাৰ মাজভাগত বুদ্ধদেৱৰ আবিৰ্ভাব হয়।

* * *

*পূৰ্বকালত ক্ষত্ৰিয়বিলাক ব্ৰাহ্মণ হোৱা বহুত উদাহৰণ পোৱা যায়। বিশ্বামিত্ৰ ঋষিৰ পূৰ্বেই নহুষ ৰজাৰ পুত্ৰেক যতিয়ে ভায়েকক ৰাজসিংহাসন এৰি দি মুনি হৈছিল। প্ৰাচীন ভাৰত বুৰঞ্জীত বহুত ৰাজৰ্ষিৰ নাম পোৱা যায়। উৰুকস্য,

কপি, গাৰ্গ্য, প্ৰিয়মেধ আৰু মৌদ্গল্যবিলাক পৌৰৱ বংশৰপৰা উদ্ভৱ হোৱা ক্ষত্ৰিয় ব্ৰাহ্মণ। বিষ্ণুবৃদ্ধ আৰু হাৰিতসকল সূৰ্য্য-বংশীয় মান্ধাতৃৰপৰা উদ্ভৱ হোৱা ব্ৰাহ্মণ। অধিকাংশ ক্ষত্ৰিয় ব্ৰাহ্মণবিলাক অঙ্গিৰস গোত্ৰত ভুক্ত হৈছিল। সৌনকবিলাক চন্দ্ৰ-বংশীয় কাশীৰ ৰজাৰ বংশৰপৰা উদ্ভৱ হোৱা। দুষ্যন্তৰ পুত্ৰ ভাৰতে অঙ্গিৰস ঋষি ভৰদ্বাজক পোষ্য কৰি ৰাখিছিল, তেওঁৰ ঔৰসৰপৰাও কেতবোৰ ক্ষত্ৰিয় ব্ৰাহ্মণ হ'ল। ভাৰত বংশৰপৰা উদ্ভৱ হোৱা উত্তৰ পাঞ্চাল ৰাজকুলৰ বহুতে ব্ৰাহ্মণ হৈছিল। এই বংশৰে মুদ্গলৰপৰা মৌদ্গল্যবিলাক, মিত্ৰয়ুৰপৰা মৈত্ৰেয়ীবিলাক আৰু দিবোদাসৰপৰা দেবোদাসীবিলাক হৈছিল। এওঁলোকৰ কেবাজনো সামবেদত উল্লেখ থকা ঋষি। এই বংশৰে এঠালৰপৰা দ্ৰুপদ ৰজা, আন এটি ঠালৰপৰা কৃপ আৰু কৃপি, আৰু আন এটি ঠালৰপৰা দ্ৰোণ, অশ্বত্থমা আদিৰ উদ্ভৱ হৈছিল। ভাৰ্গৱবিলাক পূৰ্বে হৈহয় বংশৰ ৰজাৰ পুৰোহিত আছিল। এই বংশৰ কাৰ্তবীৰ্য্য ৰজাই এওঁলোকক বহুত ধন-সম্পত্তি দান কৰিছিল। তেওঁৰ পিছৰ ৰজাসকলে অত্যাচাৰ কৰাত ভাৰ্গৱ-বিলাক মধ্যদেশলৈ গ'ল আৰু তাত ভাগৱ ঋষি ঋচিক ঔৰ্বই কান্যকুব্জৰ ৰজা গাধিৰ কন্যা সত্যৱতীক বিবাহ কৰিলে। এওঁৰ পুত্ৰ বিখ্যাত জমদগ্নিয়ে আকৌ অযোধ্যাৰ ৰজাৰ কন্যা ৰেণুকাক বিবাহ কৰাইছিল। জমদগ্নিৰ পুত্ৰ বিখ্যাত পৰশুৰাম। এওঁক সেই দেখি "ব্ৰহ্মক্ষত্ৰ" বোলা হৈছিল। কাশীৰ ৰজা প্ৰতৰ্দনে হৈহয় ৰজা বীতিহোত্ৰৰ ৰাজ্য আক্ৰমণ কৰাত ভাৰ্গৱ ঋষি এজনে বীতিহোত্ৰ ৰজাক ব্ৰাহ্মণ বুলি লুকুৱাই ৰক্ষা কৰিলে। তেতিয়াপৰা বীতিহোত্ৰৰ বংশ ব্ৰাহ্মণ হ'ল আৰু এই বংশৰে প্ৰমতিৰ পুত্ৰ ৰুৰু আৰু ৰুৰুৰ পুত্ৰৰ সুনক। এই সুনকৰপৰাই সৌনকবিলাক হ'ল। জন্মেজয় ৰজাৰ সময়ৰ দৈবাপী সৌনক এই বংশৰে ঋষি। অনুমান খ্ৰীঃ পূঃ ৮৫০ অব্দৰ অধিসিমকৃষ্ণ ৰজাৰ পিছত নৈমিষাৰণ্যত মহাভাৰত আবৃত্তি কৰাৰ সময়ত যাই ঋষিজন সৌনক। এইবিলাক বিৱৰণৰপৰা স্পষ্ট বুজা যায়, পূৰ্বকালত ব্ৰাহ্মণ আৰু ক্ষত্ৰিয় এই দুই জাতিৰ ভিতৰত বৰ্ণভেদ নিয়ম সিমান কটকটীয়া নাছিল।

আমাৰ দেশৰ বুৰঞ্জী

আমাৰ ভিতৰৰ বহুতে বোধ কৰোঁ এইটো জানিব খোজে যে আমাৰ দেশৰ এখনি বুৰঞ্জী লেখিব লাগিলে বুৰঞ্জীৰ বিষয় সম্বন্ধে কি কি ঠাইৰপৰা আমি সহায় পাব পাৰোঁ; অৰ্থাৎ কি কি মূল ঠাইৰপৰা আমি অসমৰ বুৰঞ্জীৰ উপকৰণ গোটাব পাৰোঁ। বহুতে বোধকৰোঁ জানে যে কোনো এক দেশৰ বুৰঞ্জী লেখিব লগা হলে ইতিহাস লেখকসকলে সেই দেশৰ পুৰণি পুথি, সাধুকথা, তাম বা শিলৰ ফলি, বংশাৱলী, মুদ্ৰা, পুৰণি মন্দিৰ, অট্টালিকা বা নগৰৰ ভগ্নাৱশেষ প্ৰভৃতিৰপৰা বুৰঞ্জীৰ উপকৰণ গোটায়। দুৰ্ভাগ্যবশতঃ আমাৰ দেশৰ বুৰঞ্জীৰ কাৰণে ওপৰত উল্লেখ কৰা একোৰ পৰাও ভালকৈ সহায় পোৱা নাযায়। অকল অসম বুলিয়েই নহয়, গোটেইখন ভাৰতবৰ্ষৰে বুৰঞ্জীৰ এই অৱস্থা। প্ৰাচীন ভাৰতবৰ্ষৰ ভাল বুৰঞ্জী নাই, কাৰণ যি যি বস্তুৰ সহায়ত পুৰণি কালৰ বুৰঞ্জী লেখিব পাৰি, ভাৰতবৰ্ষত সেইবিলাকৰ অভাব। মহাভাৰতৰ সময়ৰপৰা বুদ্ধৰ সময়লৈকে এই দীৰ্ঘকালৰ ভাৰত বুৰঞ্জী এন্ধাৰৰ চাকনেৰে ঢকা। এই চাকন দাঙি ঐতিহাসিক সত্য উদ্ধাৰ কৰিবৰ এতিয়া কোনো উপায় নাই।

আহোমবিলাকৰ ৰাজত্বৰ পূৰ্বৰ ফলি, মুদ্ৰা বা ভগ্নাৱশেষৰপৰা অসমৰ পুৰণি কালৰ বুৰঞ্জী সম্পৰ্কে নিচেই অলপ কথাহে জানিব পাৰি। পুৰণি কামৰূপ ৰাজ্যৰ চিন আজিকালি নিচেই অলপ মাথোন দেখা যায়। অসমৰ যিবিলাক ঘাই দেৱ-মন্দিৰ আছে, প্ৰায় সেই এটাইবিলাকেই আহোমৰ দিনত সজোৱা। তামৰ ফলি শিলৰ ফলি মাজে মাজে যি ওলায়, সিও প্ৰায় আহোম ৰজাসকলৰহে। মুদ্ৰাৰে আহোম ৰজাসকলৰ বাহিৰে তাৰ আগৰ কালৰ ৰজাসকলৰ দিনৰ নাই বুলিলেই হয়। গুৱাহাটীৰ ওচৰৰ কামাখ্যা দেৱীৰ মন্দিৰটি বহুকলীয়া বুলি শুনা যায়। কিন্তু আমি জানো যে সেই মন্দিৰৰ ভেটি বৰ পুৰণি বুলি জনা গলেও তাৰ ওপৰভাগ কোচবিহাৰৰ ৰজাৰ দ্বাৰায় ১৪৮৭ শকতহে সজোৱা। মন্দিৰৰ ভিতৰতে কোচ ৰজা নৰনাৰায়ণ আৰু শুক্লধ্বজৰ মূৰ্তি আছে। কোচ ৰজাসকলৰ বিষয়েও বিশেষ কোনো কথা এই মন্দিৰৰপৰা জানিব নোৱাৰি। ভগ্নাৱশেষৰ ভিতৰত তেজপুৰত কিছুমান পুৰণি কালৰ ধ্বংসাৱশেষ আছে, তাকে আজি-কালি বহুতে বাণৰজাৰ ৰাজধানী শোণিতপুৰৰ অৱশেষ বুলি কয়। এই সম্বন্ধেও আকৌ মতভেদ আছে। আনন্দৰাম বৰুৱাই তেজপুৰক পুৰণি কালৰ বাণ ৰজাৰ ৰাজধানী বুলিব নোখোজে; তেওঁৰ মতে আজি-কালিৰ বংগদেশৰ ৰাজসাহী বিভাগৰ অন্তৰ্গত দিনাজপুৰহে বাণা-সুৰৰ ৰাজধানী আছিল। তাত হেনো এতিয়াও "বাণৰজাৰ গড়" বুলি এটা গড়ৰ

চিন আছে।১ তেজপুৰত বাজে শদিয়াৰ ওচৰত ভীষ্মক ৰজাৰ ৰাজধানী কুণ্ডিল নগৰৰ ধ্বংসাৱশেষ আছে। ১৮৪৮ ছনৰ এচিয়াটিক ছোচাইটিৰ জৰ্নেলত কৰ্নেল হেনে চাহাবে এই ভগ্নাৱশেষবিলাকৰ বিৱৰণ লেখিছে। আজিলৈকে এইবিলাকৰ-পৰা ভালৰূপে ঐতিহাসিক সত্য উদ্ধাৰ হোৱা নাই। এই বিষয়ে গেইট চাহাবে লেখিছে,—It is not unlikely that further research amongst this and other ruins in the same direction would add considerably to our knowledge of ancient Assam History

ফলিৰ ভিতৰত জিতাৰি বংশ আৰু পালবংশীয় ৰজা কেইজনমানৰ তামৰ ফলি পোৱা গৈছে, আৰু তাৰপৰা পৰণি কামৰূপৰ বিষয়ে কিছু কথা জানিব পৰা গৈছে। অলপতে বেনাৰচৰ ওচৰত কামৰূপৰ পাল ৰজা এজনে দিয়া ফলি এখন পোৱা গৈছিল। সেই ফলিখনত খ্ৰীঃ ১২ শতিকাৰ আদি ভাগৰ। আহোমৰ দিনৰ আগৰ কিছুমান মুদ্ৰাও পোৱা গৈছে, কিন্তু সেইবিলাক বৰ পুৰণি কালৰ নহয়। আজি তিনি বছৰমান হ'ল গুৱাহাটীত নতুন ৰেলওৱেৰ ষ্টেচনৰ ওচৰত মাটি-খনাত ৩০ টা ৰূপৰ মোহৰ পোৱা গৈছিল। সেইকেইটা বংগদেশৰ মুছলমান নবাবৰ মুদ্ৰা আৰু তাত খ্ৰীঃ ১৩১০ৰপৰা খ্ৰীঃ ১৩৯৯লৈকে তাৰিখ আছে।

ধ্বংসাৱশেষ, ফলি, মুদ্ৰা প্ৰভৃতিৰপৰা ভাল সহায় নাপাই আমি অসমৰ ইতিহাসৰ বাবে পুৰণি সংস্কৃত আৰু অসমীয়া পুথি, বিদেশী বুৰঞ্জী, বংশাৱলী, সাধুকথা প্ৰভৃতিৰ ওচৰত হাত পাতিব লাগে। পুৰণি সংস্কৃত পুথিৰ ভিতৰত মহা-ভাৰত, বিষ্ণুপুৰাণ, ভাগৱত-পুৰাণ, কালিকা-পুৰাণ, যোগিনীতন্ত্ৰ প্ৰভৃতিৰ কামৰূপ বা প্ৰাগজ্যোতিষপুৰৰ বিৱৰণ আছে। এই বিলাক পৌৰাণিক আৰু তান্ত্ৰিক পুথিৰ-পৰা আচল ঐতিহাসিক সত্যবিলাক বাছি উলিওৱা বৰ টান কাম। অসমীয়া ভাষাত প্ৰাচীন কামৰূপৰ বুৰঞ্জী ভালৰূপে লেখা হোৱা নাই। দুই-এখন পুথিত যি অলপ আছে সিও বহুত অমূলক কথাৰে মিহলি হৈ আছে। বিদেশী ভাষাত লিখা পুথিৰ ভিতৰত আইন-ই-আকবৰীত ভগদত্ত বংশৰ ৰজাবিলাকৰ কথা লিখা আছে। চীন পৰিব্ৰাজক হিউৱেনচাঙৰ বিৱৰণৰপৰা খ্ৰীঃ ৭ম শতিকাৰ সময়ৰ কামৰূপৰ বমন ৰজাসকলৰ কথা আৰু সেই সময়ত দেশৰ ভিতৰৰা অৱস্থাৰ কথা জানিব পাৰি। মুছলমানবিলাকে বঙ্গদেশ লোৱাৰ পিচৰপৰা তেওঁলোকৰ কামৰূপেৰে সৈতে অলপ সম্বন্ধ হয়। বঙ্গদেশ অধিকাৰ কৰি কামৰূপ দেশ লবলৈকো তেওঁলোকে মন মেলিছিল আৰু সেই উদ্দেশ্যেৰে কেৱাবাৰো কামৰূপ আক্ৰমণ কৰে। এই বেলেগ বেলেগ আক্ৰমণবিলাকৰ বিৱৰণ বিশেষকৈ 'ফতিয়া-ই-ইব্ৰিয়া', 'তাবাকত-ই-নাচিৰি' প্ৰভৃতি পাৰস্য ভাষাত লিখা পুথিত ভালকৈ আছে। ইয়াত বাজেও 'আকবৰনামা', 'তুজক-ই-জাহাঙ্গীৰী', 'আলমগীৰনামা', 'বাদছাহ-নামা' প্ৰভৃতি পুথিত কমতাপুৰ আৰু কোচ ৰজাবিলাকৰ সম্বন্ধে বহুত কথা আছে। মুছলমানবিলাকৰ বাহিৰেও খ্ৰীঃ সপ্তদশ শতিকাত এজন ইউৰোপীয় ভ্ৰমণকাৰীয়ে

১ Vide preface to his Anglo-Sanskrit Dictionary, vol II

ভাৰতবৰ্ষৰ মানচিত্ৰত Comotay বা কমতাই দেশ দেখুৱাইছে।২ মীৰজুমলাৰ লগত অসমলৈ কেইজনমান ডচ নাবিক গৈছিল। মীৰজুমলাই দেশ লব নোৱাৰি মুদ্ধত হাৰি উভতি অহাত এই নাবিকবিলাকৰ বিৱৰণ Wreek of the ter schilling নামে পুথিত লিখা হৈছিল। ১৮৭১ চনৰ এচিয়াটিক ছোচাইটিৰ জৰ্ণেলত ক্লষ্টাৰ চাহাবে গড়গাঁৱৰ কথা লিখোঁতে এই বিৱৰণৰ সাৰ তুলি দিছে।

আগৰ দিনৰ পুথি আৰু বংশাৱলীৰ ভিতৰত আহোম ভাষাৰ বুৰঞ্জী পুথিবিলাকেই ঘাই। আহোমবিলাকে বুৰঞ্জীৰ মোল বুজিছিল। তেওঁলোকৰ ভিতৰত বহুত ভাল বুৰঞ্জী লেখক আছিল। কীৰ্তিচন্দ্ৰ বৰবৰুৱাই চিৰকাললৈ তেওঁৰ অক্ষয় কীৰ্তি ৰাখিবৰ মনেৰে দেশৰ এটাইবিলাক বুৰঞ্জী গোটাই নৈ নোপোৱাহেঁতেন এতিয়া অসমত আহোম বুৰঞ্জী বহুত থাকিলহেঁতেন। আজিকালি পোৱা বংশাৱলীৰ ভিতৰত দৰঙী ৰজা লক্ষ্মীনাৰায়ণ কোঁৱৰৰ হাতত থকা কোচ ৰজাসকলৰ বংশাৱলীয়েই প্ৰধান। এই বংশাৱলী অনুমান খ্ৰীঃ ১৮০৬ চনত সমুদ্ৰনাৰায়ণ ৰজাৰ আদেশ মতে সূৰ্য্যখৰি নামে এজন গণক পণ্ডিতে লিখে। সূৰ্য্যখৰি সেই সময়ত অসমৰ ভিতৰত এটাইতকৈ ভাল সংস্কৃতজ্ঞ পণ্ডিত আছিল। তেওঁ বহুত সংস্কৃত আৰু অসমীয়া পুথি লিখিছিল। সূৰ্য্যখৰিৰ সন্ততি মনভাল মণ্ডল নামে এজনৰ হাতত এতিয়াও এখন দানপত্ৰ আছে; সেই দানপত্ৰৰ দ্বাৰায় ১৭৭২ শকত আহোম ৰজাই সূৰ্য্যখৰিৰ বিদ্যা আৰু ধৰ্মানুৰাগৰ বাবে তেওঁক মাটি দিছিল।৩

আহোম পুথিবিলাকৰপৰা কাশীনাথ তামুলী ফুকনে প্ৰথমে অসমীয়া ভাষাত অসমৰ বুৰঞ্জী লিখি ছপায়। সেই বুৰঞ্জীত ঘাইকৈ আহোম ৰাজত্বৰ বিষয়েহে ভালকৈ বৰ্ণোৱা হৈছে। তামুলীফুকনৰ পিছত হলিৰাম ঢেকিয়াল ফুকনেও বঙ্গভাষাত এখনি অসম বুৰঞ্জী লিখে। এই পুথিত প্ৰাচীন কামৰূপৰ কথা অলপ আছে। বুৰঞ্জীখনি পঢ়িলে তাৰ লেখক দৰঙীৰজাৰ বংশাৱলীৰ সহায় লোৱা যেন অনুমান হয়। তামুলীফুকনৰ বুৰঞ্জী ওলোৱাৰ অলপ দিনৰ পিছত ৰবিঞ্চন চাহাবৰ বুৰঞ্জী প্ৰকাশিত হয়। এই বুৰঞ্জীত প্ৰাচীন কামৰূপৰ কথা যোগিনীতন্ত্ৰ প্ৰভৃতিৰ পৰা লিখা হৈছে। ৰায় গুণাভিৰাম বৰুৱাইও তামুলীফুকন আৰু ৰবিঞ্চনৰ পুথি মিলাই তেওঁৰ বুৰঞ্জী লিখিছে।

এচিয়াটিক ছোচাইটিৰ জৰ্ণেলত কেবাজনো ইংৰাজ লেখকে অসমৰ বুৰঞ্জী সম্পৰ্কে প্ৰবন্ধ লেখিছে; তাৰ ভিতৰত কৰ্ণেল হেনে, ব্লকমেন আৰু কানিংহামেই প্ৰধান। এওঁলোকত বাজেও প্লেজিয়াৰ, ডেলটন, ডাক্তৰ বুকানন, ওৱেষ্টমেকট প্ৰভৃতি চাহাবে বেলেগ বেলেগ জিলাৰ পুৰণি ইতিবৃত্ত লিখিছে। এইবিলাক গোটাই চাৰ ইউজিয়াম হাণ্টাৰ বাহাদুৰে তেওঁৰ বিস্তৃত বুৰঞ্জীত লিখিছে। শ্ৰীযুত গেইট চাহাবে অসমৰ বুৰঞ্জী সম্বন্ধে বিমানবিলাক পুথি, বংশাৱলী বিচাৰি পোৱা যায়,

---

২ Blaevs Theatrum Orbis Terrarum VolII (Amsterdam,1650,)

৩ Vide Mr Gait's Koch Kings of Kamarupa

প্ৰায় এটাইবোৰকে গোটাই লৈ এতিয়া এখনি বিস্তৃত অসম বুৰঞ্জী লিখিবলৈ কাৰবাৰ কৰিছে। তেওঁৰ যত্ন যে সফল হ'ব তাত অকণো সন্দেহ নাই। গেইট চাহাবে অসমীয়া ভাষা ভালকৈ বুজে আৰু তেওঁ আহোম ভাষাৰপৰা বুৰঞ্জী অসমীয়া বা ইংৰাজীলৈ ভাঙিবলৈও যত্ন কৰিছে। এনে স্থলত তেওঁৰ পুৰুষাৰ্থৰ ফলত- যে আমি সোনকালে এখনি ভাল অসম বুৰঞ্জী পাম এনে আশা কৰিব পৰা যায়। চাবলৈ গলে বুৰঞ্জীৰ এছোৱা The Koch Kings of Kamarupa নাম দি তেওঁ প্ৰকাশো কৰিছে। প্ৰকাশ হোৱাখিনিত কামৰূপৰ আদিকালৰপৰা কোচ- ৰাজ্যৰ শেষলৈকে, এই সময়ৰ বুৰঞ্জী আছে। দুঃখৰ বিষয় মাথোন এই যে পুথি- খনিত গেইট চাহাবে দুটিমান আচৰিত মত প্ৰকাশ কৰিছে, তাৰে এটি উদাহৰণ দিওঁ। তেওঁ কয় যে চীন পৰিব্ৰাজক হিৱেনচাঙে উল্লেখ কৰা বৰ্মন ফৈদৰ ৰজা- বিলাক সম্ভৱতঃ অনাৰ্য্য আছিল, কাৰণ আজিকালি অসভ্য কছাৰীবোৰকো বৰ্মন উপাধি লোৱা দেখা গৈছে। আচলতে বমন শব্দই ক্ষত্ৰিয়হে বুজায়। বৰ্মন ফৈদৰ বিখ্যাত ৰজা কুমাৰ ভাস্কৰবৰ্মা, যাৰ কথা হিৱেনচাঙে লেখি গৈছে, তেওঁ যে ক্ষত্ৰিয় আছিল এই কথা সেই কালৰ প্ৰসিদ্ধ সংস্কৃত লেখক দণ্ডিয়েও তেওঁৰ 'দশকুমাৰ চৰিত্ৰত" লিখি গৈছে। কুমাৰ ভাস্কৰবৰ্মা বা 'কুমাৰ' ৰজা বিখ্যাত ৰজা শিলাদিত্যৰ সমসাময়িক আছিল। শিলাদিত্যৰ বৌদ্ধ উৎসৱৰ সময়ত কুমাৰ ৰজাইও নিমন্ত্ৰিত হৈ উৎসৱত যোগ দিছিল। সেই সময়ত হিউৱেনচাঙো উৎসৱত উপস্থিত আছিল। তেওঁ লিখিছে যে কুমাৰ ৰজাই তেতিয়া ভাৰতবৰ্ষৰ আন আন হিন্দু ৰজাবিলাকৰ পৰা শিলাদিত্যৰ সমান মান-সৎকাৰ পাইছিল।[8] কুমাৰ ৰজা ক্ষত্ৰিয় নহৈ অনাৰ্য্য কুলোদ্ভৱ হোৱা হলে ভাৰতবৰ্ষীয় আন আৰ্য্য হিন্দুকুলতিলক ৰজাবিলাকৰপৰা বোধ কৰোঁ ইমান মৰ্য্যাদা নাপালেহেঁতেন। গেইট চাহাবক এই ভুলটি দেখুৱাবৰ কাৰণে কিছু দিনৰ আগেয়ে 'আসাম' কাকতত এই বিষয়ে লেখা হৈছিল। আশা- কৰোঁ তেওঁৰ বিস্তৃত বুৰঞ্জীত তেওঁ এনেবিলাক ভুল কথা আৰু ভুল মত প্ৰকাশ কৰি তেওঁৰ পুথিৰ আদৰ আৰু মূল্য নকমায়।

---

[8]শ্ৰীযুত ৰমেশচন্দ্ৰ দত্তই এই বিষয়ে তেওঁৰ পুথিত এইদৰে লিখিছে—During the festivel a small image of Buddha was daily laid forth on a gorgeously caparisoned elephant, Siladitya with five hundred elephants marching to the right and the king of Assam who came on invitation marching to the left with an equal number of elephant (Ancient India Epochs of Indian History Series)

ভুটীয়া ধৰ্মবিশ্বাস

কামৰূপৰ হাজোত থকা হয়গ্ৰীৱ মাধৱৰ দেৱালয় ভুটানৰ বৌদ্ধবিলাকৰ এটি ঘাই তীৰ্থৰ ঠাই। পুৰণি কালত ভাৰতবৰ্ষত বৌদ্ধধৰ্মৰ প্ৰাদুৰ্ভাৱ প্ৰবল থাকোঁতে এই ঠাইতে যে এটি ডাঙৰ বৌদ্ধ বিহাৰ আছিল তাৰ কোনো সংশয় নাই। খ্ৰীঃ ৭ম শতিকাত ভাৰতবৰ্ষলৈ অহা চীন পৰিব্ৰাজক হিৱেনচাঙে কামৰূপলৈ আহি এই দেশত এটি মাথোন বৌদ্ধ বিহাৰ দেখি যায়। হাজোৰ দেৱালয়েই অনুমান হিউৱেন-চাঙে দেখি যোৱা বৌদ্ধ বিহাৰ। সেই দেখিয়েই ভুটিয়া বৌদ্ধবিলাকে হাজোক সিহঁতৰ তীৰ্থ ঠাই বুলি ভাবে। বছৰি বহুত ভোট পৰ্বতৰপৰা নামি এই দেৱালয়লৈ আহে। ভুটিয়াবিলাকৰ ধৰ্মবিশ্বাস বৰ প্ৰখৰ। এই ধৰ্মবিশ্বাসৰ বলত সিহঁতে যি আচৰিত কষ্টসহিষ্ণুতা আৰু নশ্বৰ অস্থি-মাংসৰ দেহলৈ যি ঘিণ প্ৰকাশ কৰে, তাক দেখি তধা মানিব লাগে। সিহঁতে নিজৰ আঙুলিত জুই লগাই তাৰ পোহৰেৰে ধৰ্মপুথি পঢ়াই ইয়াৰ এটি উদাহৰণ। ভোটান পৰ্বতৰপৰা অনা এবিধ লতাৰে সিহঁতে আঙুলিটোৰ গুৰিত এটা বান্ধ দি লয়। তাৰ পিচত আঙুলিটোত কাপোৰ মেৰাই মেৰাই তাত ঘিউ ঢালি জুই লগাই দিয়ে। দপদপকৈ জুমুঠিৰ নিচিনাকৈ আঙুলিত জুই জ্বলি থাকে। ভুটিয়াই তাৰ পোহৰত তিব্বতীয়া ভাষাত লেখা বৌদ্ধধৰ্মৰ পুথি মেলি পঢ়িবলৈ ধৰে। জুয়ে কাপোৰ পুৰি আঙুলিত লাগে গৈ, কিন্তু ভুটিয়াৰ মুখত অলপো কষ্টৰ চিন দেখা নাযায়, একাগ্ৰমনে সি সেই পুথিকেহে পঢ়ি থাকে। মাজে মাজে জুই নুমাব খুজিলে পাণৰ ঠুলিৰে আঙুলিত ঘিউ ঢালি দি দি থাকে। এই-দৰে আঙুলিটো পুৰি ছাই হলে পুথি জপাই পোৰা আঙুলিত চিকিৎসা কৰি দিলে আঙু-লিৰপৰা ছাঁইখিনি সৰি পৰি অকল হাড়ডাল মাথোন থাকে। ভুটিয়াবিলাকে এইদৰে অকল এটা আঙুলিকে পুৰি নেৰে। একোটাই বছৰি আঙুলি পুৰি এটিও নোহোৱা কৰেগৈ। এবাৰ এজন ভুটিয়া আহিছিল, তাৰ পুৰি পুৰি আঙুলি এটাহে আছিলগৈ, তাকো সি পুৰি শেষ কৰিবলৈ আহিছে। আঙুলি নোহোৱাত তাৰ কি উপায় হৈছে, সি কেনেকৈ খাইছে—এইবুলি সোধাত সি লগৰ ভুটিয়া কেইটামানলৈ মূৰ দুপিয়াই দেখুৱালে, অৰ্থাৎ সিহঁতেই তাক খুৱায়। আৰু এবাৰ এজন ভুটিয়া এইদৰে আঙুলি পুৰিবলৈ আহিছিল; লগতে ভুটিয়াটোৰ ঘৈণীয়েকো আহিছিল, ভুটিয়াই আঙুলিত জুই লগাবলৈ কাপোৰ মেৰাওতেই ঘৈণীয়েকে চিঞৰি কান্দিবলৈ ধৰিলে, কিন্তু সি তাত অলপো বিচলিত নহৈ বৰং ঘৈণীয়েকক সি যে তাৰ অচিৰস্থায়ী ধুলি-মাটিৰ

দেহক কিমান ক্লেশ দিব পাৰে তাক দেখুৱাবৰ মনেৰে শিলেৰে আঙুলিটো থেতা-লিবলৈ ধৰিলে। তাৰ আত্ম-নিৰ্য্যাতন দেখি সকলো অবাক হ'ল; ঘৈণীয়েক বিচূতি হ'ল। অৱশেষত আঙুলিটোত আকৌ কাপোৰ মেৰাই তাত জুই লগাই সি পুথি পঢ়িবলৈ বহিল।

ওপৰত উল্লেখ কৰা ঘটনাবিলাকক সাধুকথা বুলি কোনেও নেভাবিব। হাজোলৈ যোৱা বা তাত থকা প্ৰায় মানুহেই এই আচৰিত ক্ৰিয়া দেখিছে। আগে-য়েই কোৱা হৈছে ভুটিয়াৰ ধৰ্মবিশ্বাস বৰ গধুৰ। ভুটিয়াৰ ধৰ্ম বৌদ্ধ ধৰ্ম, বৌদ্ধ ধৰ্ম সম্পূৰ্ণভাৱে pessimism অৰ্থাৎ দুঃখবাদৰ ওপৰত নিৰ্ভৰ কৰে। এই সংসাৰ অসাৰ, মানৱদেহ নশ্বৰ, দুদিনীয়া, মানৱজীৱন বিষয়াসিক্ত, মোহ প্ৰভৃতি কাঁইটেৰে ভৰা, সেই দেখি দুঃখময়, ইয়াকে বৌদ্ধ ধৰ্মই কয়। মানৱদেহ নষ্ট কৰি, বিষয়া-সিক্তৰ মোহজৰী ছিঙি, মানৱ জীৱনৰ ওৰ পেলাব পাৰিলেই অন্তৰ নিৰ্বাণ লাভ হয়। সেই দেখিয়েই বৌদ্ধৰ পাৰ্থিৱ দেহলৈ ইমান ঘিণ আৰু পাৰ্থিব জীৱন শেষ কৰিবলৈ ইমান হেঁপাহ।

সম্পাদকৰ কথা

এই বছৰ জোনাকী ছমাহ নিৰ্বিঘ্নে চলিছে। নিয়মিত সময়ত কাকত উলিয়াব পৰা নাই; বাবে বাবে বেলি হয়। এই বাবে চলাওঁতাসকলে বৰ বেজাৰ পাইছে। গ্ৰাহকসকলৰ গুৰিত প্ৰাৰ্থনা যেন তেওঁলোকে এই দোষ ক্ষমা কৰে আৰু জোনাকীলৈ কৃপা-দৃষ্টি নেৰে। জোনাকীৰ জীৱন গ্ৰাহকসকলৰ হাতত যিমান নিৰ্ভৰ কৰে, চলাওঁতাসকলৰ হাতত সিমান নকৰে। চলাওঁতাসকলে মাথোন ইয়াকে কব পাৰে যে তেওঁলোকৰ অৱহেলাত কেতিয়াও কাকত মোলোৱাকৈ নাথাকে। বৰ দুখৰ কথা—আজিলৈকে বহুত গ্ৰাহকে জোনাকীৰ বেচকেৰা পঠোৱা নাই। অলপীয়া কথা বাবে বোধ কৰোঁ তেওঁলোকৰ পাহৰণতহে আছে। সেই বাবে আমি তেওঁলোকৰ মনত পেলাই দিছোঁ, অনুগ্ৰহ কৰি যেন সোনকালে বেচকেৰা পঠাই দি আমাক বাধিত কৰে। সম্প্ৰতি চলাওঁতাসকলৰ বিশেষ অসুবিধাৰ বাবে চ'ত আৰু বহাগ এই দুমাহলৈ জোনাকী বন্ধ থাকিব। এই দুমাহৰ জোনাকী একেবাৰেই জেঠ মাহত ওলাব। এই দুমাহৰ ভিতৰত য়দি কোনোবাই জোনাকীলৈ কিবা প্ৰবন্ধাদি বা ধন-বিত পঠাব খোজে, তেনেহলে শ্ৰীযুত ৰমাকান্ত বৰকাকতী, বি-এ, বি-এল, প্লেৰ্ডাৰ, হাই কোৰ্ট, কলিকতা—এই ঠিকনাৰে পঠালেই আমি পাম। শ্ৰীযুত শিৱৰাম বৰদলৈ, বি-এল মহাশয়ে অনুগ্ৰহ কৰি ডিব্ৰুগড়ৰ গ্ৰাহকসকলক জোনাকী বিলাই দিয়াৰ ভাৰ লৈছে। আমাৰ ডিব্ৰুগড়ৰ গ্ৰাহকসকলে তেওঁৰ হাতৰ-পৰাই জোনাকী পাব। কাকতৰ বেচো তেওঁৰ হাততে দিলেই আমি পাম।

বিবিধ টোকা

জাতীয় মহাসমিতি ঃ—জাতীয় মহাসমিতিৰ অধিবেশন এইবাৰ মান্দ্ৰাজত হ'ব। আন আন বছৰৰ দৰে এইবাৰো ভাৰতবৰ্ষৰ নানা দেশৰ কটকীসকল গোট-খাই মান্দ্ৰাজত নিজ মাতৃভূমি ভাৰতবৰ্ষৰ উন্নতিৰ কল্পে আলচ কৰিব। মান্দ্ৰাজ-বাসীসকলে মান্দ্ৰাজৰ নগৰে নগৰে গাঁৱে গাঁৱে গৈ সমিতিৰ নিমিত্তে অৰ্থ সংগ্ৰহ কৰি ফুৰিছে। যাতে ইতৰ শ্ৰেণীৰ মানুহবোৰেও সমিতিৰ উদ্দেশ্য আৰু কাৰ্য্য-প্ৰণালী ভালকৈ বুজিব পাৰে, তাৰ নিমিত্তে মান্দ্ৰাজৰ ষ্টেণ্ডিং কমিটীৰ সমজুৱাসকলে তামিল ভাষাত সৰু সৰু পুথি ৰচি তাত সমিতিৰ উদ্দেশ্য আৰু কাৰ্য্য-প্ৰণালী প্ৰশ্নোত্তৰ ছলেৰে ভালকৈ বুজাই দি বেচ নোলোৱাকৈ সিহঁতৰ মাজত বিলাই দিছে। কটকীসকলে গৈ তাত যাতে থকাত আৰু খোৱা-বোৱাত কোনো ৰকমৰ অসুবিধা ভোগ নকৰে, তাৰ নিমিত্তেও তেওঁলোকে এতিয়াৰেপৰা উদ্যোগ কৰিছে। পাৰ্লিয়া-মেণ্টৰ নামজ্বলা আইৰিচ মেম্বৰ শ্ৰীযুত ব্লেক চাহাবক এই অধিবেশনৰ সভাপতি পতাৰ কথা হৈছে। আৰু তেওঁ সেই পদ কোনো কাৰণৰ নিমিত্তে লব নোৱাৰিলে, ইংলণ্ডৰ প্ৰসিদ্ধ বক্তা, সকলো শ্ৰেণীৰ শ্ৰদ্ধাভাজন, ভাৰতবন্ধু শ্ৰীযুত মাইকেল ডেবিট চাহাবকেই সভাপতি পতাৰ সম্ভৱ। সম্প্ৰতি সমিতিৰ আৰু এটা চেষ্টাত গুটি ধৰিছে। ইমান দিনে সমিতিয়ে বন-আইনৰ কঠোৰতাৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদ কৰি আহিছিল। পাঠকসকলে শুনি বং পাব যে অলপতে লৰ্ড এলগিনে বন-আইনৰ কঠোৰ ধাৰাবোৰ গুচাই দিছে। তাৰ নিমিত্তে আমি লৰ্ড এলগিন আৰু জাতীয় মহাসমিতি দুয়োৰো শলাগ লওঁ। দিনে দিনে সমিতিৰ প্ৰতিপত্তি ভাৰতবৰ্ষ আৰু ইংলণ্ডৰ চাৰিওফালে বিয়পি যাব ধৰিছে। চৈয়দ আহমেদ, ৰাজা শিৱপ্ৰসাদ আদি সমিতিৰ শত্ৰুসকলৰ বিকট আৰাৱ মাৰ যোৱা আজি ২।৩ বছৰমান হৈছে। আৰু যদিও এতিয়া "ইংলিচম্যান" "পাইওনিয়েৰ" আদি কৰি কেইখনমান অজীণ-পাতকী ভাৰতৰ ঘোৰ শত্ৰু, ইংৰাজৰ পৰম বন্ধু কাকতে সময়ে সময়ে বিকট আৰাৱ কৰিবলৈ এৰা নাই, তথাপি তাৰপৰা সমিতিৰ কাৰ্য্যৰ বিশেষ হানি হোৱা নাই আৰু সমিতিয়ে তেনে কাকতক নিচেই পুতৌ কৰিব লগীয়া বস্তু বুলি তেওঁ-লোকৰ বিকট আৰাৱলৈ আওকাণহে কৰিছে। অশেষ বাধা-বিঘিন আওহেলা কৰি সমিতিয়ে ভাৰতৰ অনেক উপকাৰ কৰিছে আৰু আগলৈকো অশেষ উপকাৰ কৰিব বুলি আমাৰ আশা আছে। সি যি হওক আমি আশা কৰোঁ আন আন বছৰৰ দৰে এইবাৰো সমিতিৰ অধিবেশন সুকলমে, নিৰ্বিঘ্নভাৱে সম্পন্ন হ'ব।

স্ত্রী-স্বাধীনতা ঃ—এই বিশাল ভাৰতবৰ্ষৰ বিভিন্ন দেশত থকা হিন্দুবিলাকৰ সামাজিক নিয়মবোৰ কিমান বেলেগ, পাঠক চাওক। আমাৰ দেশত, বঙলা দেশত আৰু উত্তৰ-পশ্চিম প্ৰদেশ প্ৰভৃতি ঠাইত স্ত্রী-স্বাধীনতা নাই। আমাৰ দেশৰ তিৰোতা চাৰি চকোৰাৰ বাজ হ'ব নোৱাৰে। মুখত এহতীয়া ওৰণি লৈও লজিত কোঁচমোচ খাইহে শাহু-শহুৰৰ আগত ওলায়। —অপৰস্য কা কথা? কিন্তু বোম্বাই প্ৰদেশত তেনে নহয়। সেই দেশৰ ভাল মানুহৰ তিৰোতাসকলেও অবাধে মতা মানুহৰ নিচিনাকৈ আলিবাটেদি অহা-যোৱা কৰে। কলিকতাৰ ইডেন গাৰ্ডেনত সন্ধ্যা সময়ত ইংৰাজী মেমসকলক যেনেকৈ নিসঙ্কোচভাৱে ফুৰি ফুৰা দেখিবলৈ পোৱা, বোম্বাইতো ভিক্টোৰিয়া গাৰ্ডেনত সন্ধ্যা সময়ত নানা বৰণীয়া কাপোৰ পিন্ধা মহাৰাষ্ট্রীয় ভদ্রাঙ্গনাসকলক সেইদৰে নিসঙ্কোচভাৱে ফুৰি ফুৰা দেখিবলৈ পাবা। পাঠক, নেভাবিবা যে এই তিৰোতাবোৰে ইংৰাজী শিক্ষা পাইহে এইদৰে ফুৰি ফুৰিবলৈ ধৰিছে। এওঁলোকৰ সমাজৰ এই ৰীতি অতি পুৰণি কালৰপৰা চলি আহিছে। ইংৰাজী শিক্ষাৰ গুটি নহয়। ইংৰাজী শিক্ষা পোৱাৰ পূৰ্বেও তেওঁলোকৰ মাজত অৱৰোধ-প্ৰথা কোনোকালে নাছিল। সেই দেশৰ মনিহবিলাকেও তিৰোতা মানুহক বৰ সম্মান কৰে। ৰাজআলিৰ এটা "ফুট-পথে"দি যদি ৪।৫ জনী ভদ্রাঙ্গনাক অহা দেখিলে, তেওঁলোকে দূৰৈতে সেই বাট এৰি দি সিটি "ফুট-পথ"লৈ গুচি যায়, বা যিমান পৰে ভদ্রাঙ্গনাসকল পাৰ হৈ নাযায়, সিমানপৰ তেওঁলোকে আলিৰ একাষৰত থিয় হৈ থাকে। বৰোদাৰ গুইকুমাৰ এজন মহাৰাষ্ট্রীয় ৰজা। তেওঁৰ মাকে বৰ সুন্দৰৰূপে ঘোঁৰাত উঠিব পাৰে। তেওঁ আগেয়ে কেইজনীমান মহাৰাষ্ট্রীয় তিৰোতাৰ সৈতে ঘোঁৰাত উঠি যুদ্ধবিদ্যা শিকিছিল। গোৱালিয়ৰৰ সিন্ধিয়াও এজন মহাৰাষ্ট্রীয় ৰজা। এওঁ চিকাৰলৈ যাওঁতেও নিজৰ ঘৈণীয়েকক হাতীত তুলি লগতে লৈ যায়। সিদিনা অলপতে তেওঁ ঘৈণীয়েকক লগত লৈ বাঘ চিকাৰ কৰিবলৈ গৈছিল। আমাৰ অসূৰ্য্যম্পশ্যৰূপা পাঠিকাসকলে যেন আমাৰ ওপৰত খং নকৰে। আমি সঁচা কথা কৈছোঁ মাথোন।

বোম্বাই দেশৰ ভাল মানুহৰ তিৰোতাৰ মাজতো শাহু-শহুৰেকৰ আগত ওৰণি লোৱা প্ৰথা নাই। আজি দুবছৰমান হ'ল, বঙলা দেশৰ এজন সম্ভ্রান্ত লোক বোম্বাই দেশৰ ফালে ফুৰিবলৈ গৈছিল। তাত এদিন তেওঁ মহাৰাষ্ট্রীয় বন্ধু এজনৰ ঘৰলৈ গৈ তেওঁৰ সৈতে আলাপ কৰিছিল। মহাৰাষ্ট্রীয় জনৰ ১৭ বছৰীয়া বোৱাৰীয়েক এজনী ওচৰতে থিয় হৈ আছিল। বঙালী ভদ্রলোকজনে মহাৰাষ্ট্রীয় তিৰোতাৰ অলঙ্কাৰ কেনে তাক চাবৰ মনেৰে মাজে মাজে সেই তিৰোতাজনীলৈ বেঁকাই চাইছিল। তেওঁৰ বন্ধুৱে তেওঁৰে মনৰ ভাব বুজিব পাৰি কলে, "আপুনি আমাৰ দেশৰ তিৰোতা মানুহে কি অলঙ্কাৰ পিন্ধে চাব খোজে যদি চাওক, ভিডিত এই অলঙ্কাৰ পিন্ধে, কাণত এই অলঙ্কাৰ পিন্ধে", এইবুলি নিজে বোৱাৰীয়েকৰ ডিঙি আৰু কাণৰপৰা অলঙ্কাৰ সোলোকাই আনি বঙালী ভদ্রলোকজনৰ হাতত দিলেহি। বঙালী ভদ্রলোকজনে অৱশ্যে তেতিয়া ভালকৈ মন দি সেই অলঙ্কাৰবোৰ চাব নোৱাৰিলে। কিয়নো তেওঁৰ মন তেতিয়া সেই মহাৰাষ্ট্রীয়টোৰ সেই অদ্ভুত কাৰ্য্যৰ সমালোচনাত নিযুক্ত

আছিল। তেওঁ চাই এটোৱাৰ পিচত, মহাৰাষ্ট্ৰীয়জনে তেওঁক সেই অলঙ্কাৰ বোৱাৰীয়েকৰ ডিঙিত আৰু পিন্ধাই দিবলৈ কলে। কিন্তু বঙালী ভদ্ৰলোকজনে এই দুষ্কৰ কাজ সাধিবলৈ অনেক চেষ্টা কৰিও মনত সাহ গোটাব নোৱাৰি চুচুক-চামাককৈ থিয় হৈ ৰ'ল। তেতিয়া মহাৰাষ্ট্ৰীয় বন্ধুজনে তেওঁৰ মনৰ ভাব ভালকৈ বুজিব পাৰি হাঁহি কলে, "আপোনালোকৰ দেশত এই কাজটো যেনে লাজৰ কথা বুলি ভাবে, আমাৰ দেশত তাক তেনে লাজৰ কথা বুলি মানুহে নাভাবে।"এইবুলি বঙালী ভদ্ৰলোকজনৰ হাতৰপৰা অলঙ্কাৰখিনি নি বোৱাৰীয়েকৰ ডিঙিত আৰু কাণত নিজে পিন্ধাই দিলেগৈ। পাঠক, কথাটো অলপ কেনেবা কেনেবা যেন লাগিল, নহয়নে? আমাৰ দক্ষিণ-পশ্চিম ফালৰ স্ব-ধৰ্মীবিলাকৰ সামাজিক নিয়ম আমাতকৈ কিমান বেলেগ চাওকচোন!

কুকুৰৰ আশ্চৰ্য্য শিক্ষা ঃ—বিলাতৰ ওৱেষ্টমিনষ্টাৰ নামেৰে এডোখৰ ঠাইত মানুহ এটাই এটা কুকুৰ দেখুৱাই বহুত ধন ঘটিছে। দিনে কত মানুহ সেই কুকুৰ চাবলৈ গৈছে, তাৰ লেখ নাই। কুকুৰটোৱে শিক্ষাৰ প্ৰভাৱত যেনে যেনে কাম কৰিছে শুনি আচৰিত হ'ব লাগে। সি হেনো যোগ আৰু বিয়োগ অঙ্ক কৰিব পাৰে। আকৌ বোলে সি বেলেগ বেলেগ ৰৰণবোৰ চিনিব পাৰে। এটা ঘৰত বেলেগ বৰণৰ কাগজৰ "কাড" কিছুমান থৈ যদি তাক কোৱা, "অমুক ৰৰ-ণীয়া কাডখন আনগৈ" সি ততালিকে গৈ সেই "কাৰ্ড"খন লৈ আহিবগৈ। শিক্ষাৰ কেনে আচৰিত প্ৰভাৱ!

ডাক্তৰি কংগ্ৰেছ ঃ—আজিকালি চাৰিওফালে কংগ্ৰেছ, কনফাৰেঞ্চ প্ৰভৃতি লৈ বৰ ধুমধাম হৈছে। যোৱা বৰদিনৰ সময়ত কলিকতাত ভাৰতবৰ্ষৰ বেলেগ বেলেগ ঠাইৰপৰা বহুত ডাঙৰ ডাঙৰ ডাক্তৰ আহি গোট খাইছিল। এই দেশত হোৱা নানা ৰকমৰ ব্যাধিবোৰৰ উৎপত্তি কাৰণ, প্ৰতিকাৰ প্ৰভৃতি কথাৰ বিচাৰ আৰু ঘাইকৈ ভাৰতবৰ্ষৰ স্বাস্থ্যোন্নতি সম্পৰ্কীয় কথাবিলাক আলোচনা কৰাই এই কংগ্ৰেছৰ উদ্দেশ্য। এইবিলাক বিচাৰৰপৰা যদি দেশৰ স্বাস্থ্যৰ অৱস্থা অলপ ভাল হয় আৰু "কালা আজাৰ" প্ৰভৃতি উৎকট ৰোগৰ প্ৰতিকাৰ ব্যৱস্থা ওলায় তেনেহলে মংগলৰ কথা। নহলে ডাক্তৰসকলে বছেৰেকৰ মূৰত একোবাৰ গোট খাই ভোজ-ভাত খোৱাৰপৰা তেওঁলোকৰ আমোদত বাজে আনৰ একো লাভ-লোক-চান নহয়।

মিছ মুলাৰ ঃ—এওঁ এজনা ইংৰাজ মহিলা। লণ্ডন স্কুল বৰ্ডৰ এওঁ এজন সভ্য আৰু থিয়চফিকেল ছচাইটিৰও এওঁ এজন ঘাই সমজুৱা। অলপতে এওঁ কলিকতাৰ অক্ষয়কুমাৰ ঘোষ নামে এজন বঙালী ডেকাক পো বুলি লৈছে। অক্ষয়কুমাৰক এওঁ এতিয়া আইন-শিক্ষা দিয়াইছে। অক্ষয়ক পিছলৈ পাৰ্লিয়ামেণ্টৰ সভ্য কৰিবলৈ মিছ মুলাৰৰ বৰ ইচ্ছা।

যোৱা বছৰ ঃ—বৰ্তমান কালৰ কেবাজনো প্ৰসিদ্ধ লোকৰ যোৱা বছৰত মৃত্যু হৈছে, এইবাবে খ্ৰীঃ ১৮৯৪ শক বুৰঞ্জীত বিখ্যাত হৈ থাকিব। ফৰাচী ৰাজ-নীতিজ্ঞ কাৰ্ণো, এমেৰিকান লিখক হুম্‌চ, বুৰঞ্জীলেখক ফ্ৰুদ, উপন্যাসলেখক ষ্টিভেন-চন্‌, সুপ্ৰসিদ্ধ ইঞ্জিনিয়াৰ লেচেপ্স, ৰুছিয়াৰ জাৰ তৃতীয় এলেকজেণ্ডাৰ, এই এটাই-বিলাক মানুহ বৰ্তমান শতিকাৰ বুৰঞ্জীত বৰ বিখ্যাত। শতিকাৰ শেষৰ লগে লগে এওঁলোকৰো শেষ হ'ল। যুদ্ধ-বিগ্ৰহৰ নিমিত্তেও যোৱা বছৰ বিশেষ বিখ্যাত আন সৰু সৰু বিগ্ৰহৰ কথাকে নকওঁ, অকল চীন-জাপানৰ যুঁজেই বুৰঞ্জীত বৰ প্ৰসিদ্ধ হৈ থাকিব। ৰুছ-তুৰস্কৰ যুদ্ধৰ পিছৰপৰা এনেকুৱা যুঁজ আৰু হোৱা নাছিল এই যুদ্ধৰ এতিয়ালৈকে অন্ত হোৱা নাই।

থিয়চফিকেল ছচাইটি ঃ—পাঠকসকলৰ বহুতে এই ছচাইটিৰ নাম শুনিছে মানুহৰ মানসিক শক্তিৰ পৰিচালনাৰ দ্বাৰায় যে বহুত আচৰিত, অলৌকিক কাৰ্য্য সাধিব পৰা যায়, তাকে এই ছচাইটিৰ সভ্যবিলাকে দেখুৱাবলৈ বিচাৰে। মেডেম ব্লেভেৎস্কি নামেৰে এজনা বৰ বিখ্যাত ৰুছ মহিলা থিয়চফিষ্ট দলৰ প্ৰধান নায়িকা আছিল। শুনা যায়, তেওঁৰ হেনো বহুত আশ্চৰ্য্য শক্তি আছিল। তেওঁৰ ওচৰলৈ হেনো সদায় তিব্বত দেশৰপৰা এজন মুক্তাত্মা সিদ্ধ-পুৰুষ আহি দেখা দি আছিল। সেই সিদ্ধ-পুৰুষজনৰপৰা বোলে মাজে মাজে একোখন চিঠি হঠাৎ মেডেমৰ আগতে উৰি পৰিছিলহি। এইবিলাক কথা লৈ কিছু দিনৰ পূৰে ইংলণ্ডত বৰ গোলমাল লাগি উঠে। মানুহে ভাবিবলৈ ধৰিলে যে চিঠিবিলাক কোনো সিদ্ধ-পুৰুষে লেখা নহয়। সেইবিলাক মেডেমেই নিজে লেখা। মেডেম মৰাৰ পিচত মানুহে ভাবিলে যে সিদ্ধ-পুৰুষৰ চিঠি লেখা বন্ধ হ'ব। কিন্তু সেই ভাবনা মিছা হ'ল। থিয়চফিষ্ট দলৰ আন এজনা মহিলাৰ আগতো আগৰ দৰে সিদ্ধ-পুৰুষৰ চিঠি উৰি উৰি পৰি বলৈ ধৰিলে, এওঁৰে নাম বিবি এনী বেচাণ্ট। বিলাতত বিবিক কোনেও অবিশ্বাস-নকৰে। কাজেই বিবিয়ে যেতিয়া নিজে কবলৈ ধৰিলে যে তেওঁ সদায় তেনেকৈ চিঠি পায়, তেতিয়া ইংলণ্ডত এই বিষয়ে বৰ আন্দোলন হৈ উঠিল। অলপতে কিন্তু এই ৰহস্যৰ মূল ওলাল। থিয়চফিষ্ট দলৰ প্ৰতিনিধি সভাপতি মিঃ জজেই তিব্বতৰ-পৰা চিঠি লেখা সিদ্ধ-পুৰুষ। এওঁৱেই ফাকি-ফুকা কৰি বিবি বেচাণ্টৰ আগত চিঠি-বিলাক পেলোৱাই দিছিল। থিয়চফিষ্টবোৰেই মিঃ জজৰ দোষ ধৰি দিছে। সিদ্ধ-পুৰুষ মহাশয়ৰ লঘু-লাঞ্ছনাৰ সীমা নোহোৱা হৈছে।

নতুন বৈজ্ঞানিক আৱিষ্কাৰ ঃ—এই শতাব্দীত বিজ্ঞানৰ উন্নতি দিনে দিনে বাঢ়ি গৈছে। পণ্ডিতসকলৰ অদ্ভুত অদ্ভুত আৱিষ্কাৰ দেখি তধা লাগিব লাগে। আমাৰ মানুহে টেলিগ্ৰামৰ কথা শুনিয়েই আচৰিত মানে; কিন্তু সেই টেলিগ্ৰাফৰ এটি নতুন আৱিষ্কাৰ হৈছে, তাক শুনি আৰু আচৰিত মানিব লাগে। অতদিনে তাঁৰ নোহোৱাকৈ টেলিগ্ৰাফ নহৈছিল। সম্প্ৰতি কলিকতাৰ প্ৰেছিডেন্সি কলেজৰ বিজ্ঞানৰ অধ্যাপক শ্ৰীযুত জগদীশচন্দ্ৰ বসু মহাশয়ে তাঁৰ নোহোৱাকৈ টেলিগ্ৰাফ চলাবৰ এটি বুধি উলিয়াইছে।

ইউৰোপৰ এজন বৈজ্ঞানিক পণ্ডিতে টেলিগ্ৰাফত ফটগ্ৰাফৰ নকল লবৰ এটি উপায় উলিয়াইছে। এই উপায়ৰপৰা আন যি হক নহক, পলৰীয়া মানুহ ধৰিবলৈ বৰ সুবিধা হ'ব। তোমাৰ ঘৰৰ মানুহ এটা জানিবা পলাই গ'ল। তেতিয়া তোমাৰ হাতত তাৰ ফটগ্ৰাফ থাকিলে তোমাৰ যলৈকে মন যায় তলৈকে টেলিগ্ৰাফত সেই ফটগ্ৰাফৰ নকল পঠাই দিব পাৰিবা। টেলিগ্ৰাফ অফিচত ফটগ্ৰাফ দিলেই যলৈ তোমাৰ নকল পঠাবৰ মন যাব সেই ঠাইৰ টেলিগ্ৰাফ অফিচলৈ টেলিগ্ৰাফ মাষ্টৰে এই নতুন উপায়ৰ দ্বাৰা ফটগ্ৰাফৰ নকল পঠাই দিব পাৰিব। তাৰ পাছত তুমি যালৈ নকল পঠালা, সেই মানুহে ত'ত ফটগ্ৰাফৰ চেহেৰা চাই পলৰীয়াক ধৰিব।

ৰাজশয্যা ঃ—কিছু দিন হ'ল, আমি শুনিছিলোঁ বোলে ভাৰতবৰ্ষৰ কোনোবা এজন ধনী ৰজাই তেওঁ শুবলৈ পেৰিচ নগৰত এখন পালেঙ্গ সজাইছে। তাৰ চাৰিখুৰাত বোলে চাৰিটি সুন্দৰীৰ মূৰ্তি আছে। সেই শয্যাত মানুহ শুলেই শয্যাই মধুৰ স্বৰেৰে বাজনা বজাবলৈ ধৰে, মূৰ শিতানৰ সুন্দৰী দুটিয়ে বিচনী মাৰিবলৈ ধৰে আৰু ভৰি-পথানৰ দুটিয়ে বাজনাৰ ছেৱে ছেৱে গান গাবলৈ ধৰে।

অজীৰ্ণৰ নতুন দৰৱ ঃ—ব্ৰিডজাৰ নামেৰে ডাক্তৰ এজনে অজীৰ্ণৰ নতুন দৰব এটা উলিয়াইছে। তেওঁ প্ৰমাণ কৰিছে যে চুমাৰ এনে আচৰিত শক্তি আছে যে চুমা খালে মানুহৰ জীৰ্ণ নিয়াৰ পৰা শক্তি সবহ হয়। সেইদৰে মানুহৰ অজীৰ্ণ হলে আনে এজনক চুমা খালে জীৰ্ণ নিয়াৰ পৰা শক্তি বাঢ়িব আৰু সেই দেখি অজীৰ্ণ ভাল হ'ব। যদিহে দৰবটোৱে গুণ দিয়ে, তেনেহলে মানুহৰ দুটা উপকাৰ হ'ব। দৰব কিনা ধনফেৰাও ৰব আৰু বিনা পৰিশ্ৰমে বেমাৰো ভাল হ'ব।

কব লগীয়া কথা

সকলো সভ্য দেশতে আৰু সকলো উন্নত সমাজতে সাহিত্যৰ আদৰ। জাতীয় সাহিত্যৰ উন্নতি জাতীয় সমাজৰ উন্নত অৱস্থাৰ চিন। পৃথিৱীত এতিয়ালৈকে বহুত সমাজে উন্নত সভ্য অৱস্থালৈ উঠি পিছত অধোগতি পাই আকৌ হীনাৱস্থালৈ নামিছে। কালৰ গতিত সেই সমাজবোৰৰ উন্নতি আৰু সভ্যতাই লোপ পালে, কিন্তু সময়ৰ সোঁতে সেই সমাজবিলাকৰ সাহিত্যক একেবাৰে ধুই পেলাব পৰা নাই। প্ৰায় সকলো প্ৰাচীন সমাজতে সাহিত্যৰ অৱশেষ আজিকালি পোৱা যায়। উন্নত সাহিত্যৰ এই অৱশেষবোৰে সেই প্ৰাচীন সমাজবিলাকৰ লুকুৱা গৌৰৱ আৰু সভ্যতাৰ চিনাকি দিয়ে।

অসম বৰ পুৰণি দেশ, অসমীয়া সমাজো প্ৰাচীন। অসমৰ আৰু অসমৰ সমাজৰ বুৰঞ্জী ভালকৈ বিচাৰ কৰি চালেই এই কথাৰ সত্যতাৰ প্ৰমাণ পোৱা যাব। অসমীয়া সমাজ পুৰণিকলীয়া হলে সেই সমাজৰ সাহিত্যও অৱশ্যে পুৰণি। এই সহিত্যৰ সৃষ্টি আজিকালি নকৈ হোৱা নাই বা দহ বছৰ, কুৰি বছৰ, কি এশ বছৰৰ আগেয়েও হোৱা নাই। বহু কালৰ পূৰ্বেই এই সাহিত্যই জনম লৈছে আৰু সময়ত বহু পৰিৱৰ্তনৰ সোঁতত উটি সি এতিয়াও জীয়াই আছে। এই ঠাইত অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যৰ বাহুল্যই পুৰণি বুৰঞ্জী লেখা আমাৰ উদ্দেশ্য নহয়। এই বিষয়ে ইতিমধ্যে পূবে দুজন এজন লেখকে বিশেষ অনুসন্ধান আৰু আলোচনা কৰি লিখিছে। আমি এতিয়া এইমাত্ৰ কব খোজোঁ৷ যে আগৰ দিনত অসমীয়া সাহিত্যৰ অৱস্থা দুখীয়া নাছিল। এতিয়াও অসমত পুৰণিকলীয়া অলেখ পুথি বিচাৰি পোৱা যায়। আগৰ দিনত পদ্য বা গদ্যত লিখা ধৰ্মপুথি, বুৰঞ্জী, চৰিত্ৰপুথি, সাধুকথা, নাট, গীত আৰু বেজালি প্ৰভৃতি পুথি অসমীয়া সাহিত্যত প্ৰচুৰ পৰিমাণে পোৱা যায়। কালৰ গতিত আৰু মান, মৰাণ, কছাৰী প্ৰভৃতিৰ উপদ্ৰৱত বহুত পুথি নষ্ট হ'ল; কিন্তু তথাপি এতিয়াও অসমৰ গাঁৱে গাঁৱে বেলেগ বেলেগ বিষয়ৰ অসমীয়া পুথি বহুত আছে। আমাৰ দেশত যিমানবিলাক থান-সত্ৰ আছে, যিমানবিলাক পণ্ডিত আৰু ভাল মানুহ আছে, সেই প্ৰত্যেক মানুহৰ ঘৰত, পণ্ডিতৰ ওচৰত, থান-সত্ৰত সৰু হক, নিয়মীয়া হক একোটি পুথিভঁৰাল আছে। সেই পুথিভঁৰালবিলাকত ভালকৈ গাত লাগি বিচাৰিব পাৰিলে বহুত পুথি ওলাব। অসমীয়া পুৰণি পুথিৰ আনুমানিক সংখ্যা জানিবৰ অভিপ্ৰায় কৰি "অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ"পৰা অসমৰ উজনি ভাটী সকলো অঞ্চলৰ জনদিয়েক ভদ্ৰলোকলৈ

চিঠি লিখা হৈছিল। সেই চিঠিবিলাকৰ উত্তৰৰ লগত অনুমান ৪০০ মান পুথিৰ নাম পোৱা গ'ল। এই পুথিবোৰৰ নাম প্ৰকাশ কৰি সৰ্বসাধাৰণক জনোৱা সভাৰ অভিপ্ৰায়, আৰু সেই অনুযায়ী এই তালিকাখনি ছপোৱা হ'ল। পুথিবিলাকৰ নাম সভাই প্ৰকাশ কৰাৰ বহুত উদ্দেশ্য আছে। আজিকালি আমাৰ ভিতৰৰ বহুতে আৰু আনেও অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যৰ আগেয়ে কেনে অৱস্থা আছিল তাক নাজানি অসমীয়া ভাষা আৰু তাৰ সাহিত্য এতিয়া নকৈ হৈছে বুলি ভাবে আৰু এনে ভাব থকাৰ বাবে তেওঁলোকে অসমীয়া ভাষা পূৰ্ণ হোৱা নাই আৰু অসমীয়া সাহিত্য কেঁচুৱা অৱস্থাতে আছে এই বুলি তালৈ অলপ হেয়ভাব দেখুৱায়। এই তালিকা চাই তেওঁলোকে অসমীয়া ভাষাত আগেয়ে বেলেগ বিষয়ত কিমান বিলাক সাৰুৱা পুথি ওলাইছে জানিব পাৰিব, আৰু আশাকৰোঁ তাৰপৰা তেওঁ-লোকৰ ভুল বিশ্বাসো আঁতৰিব। তেওঁলোকক আৰু কব লগীয়া এইযে তালিকাত আমি অসমীয়া পুথি অতি অলপৰহে নাম গোটাই প্ৰকাশ কৰিব পাৰিছোঁ। সভাই বিশেষ অনুসন্ধান কৰি জানিব পাৰিছে যে এই তালিকাত যিমান পুথিৰ নাম প্ৰকাশ কৰা হৈছে, ওপৰত উল্লেখ কৰা আমাৰ দেশৰ থান-সত্ৰ আদি ঠাইত যিমানবিলাক পুথি আছে তাৰ সি সাতভাগৰ এভাগ কি দহভাগৰ এভাগো নহয়। আৰু আমাৰ এই তালিকা ছপোৱাৰ যাই অভিপ্ৰায় এই যে ইয়াক চাই আমাৰ ভাষা আৰু সাহি-ত্যৰ পূৰ্ব গৌৰৱ মনত পেলাই যেন দেশৰ জনা-বুজা সকলো লোকে পুৰুষাৰ্থ কৰি পুৰণি অসমীয়া পুথিবোৰৰ সংখ্যা আৰু নাম সংগ্ৰহ কৰে। তেওঁলোকে যত্ন কৰিলে সকল পুথিবোৰৰ নাম নালাগে, পুথিবিলাককে গোটাই সেইবিলাক নষ্ট নোহোৱাকৈ ৰাখিব পাৰে। আমাৰ ভাষাৰ পুৰণি পুথিলৈ আমি মন কাণ নকৰাৰ বাবে তেনে পুথিযে কিমান নষ্ট হ'ল তাক কবৰ সকাম নাই। ইমানতে সেই-বিলাকক নষ্ট হবলৈ নিদি ৰাখিবলৈ চেষ্টা নকৰিলে পিছলৈ আৰু পুথিবোৰ বিচাৰি পোৱা টান হ'ব। এই কথা অসমীয়া ভাষাৰ বন্ধু মানুহেই মনত ৰখোৱা উচিত। আমি যি সৰু তালিকাখনি প্ৰকাশ কৰিলোঁহক, আৱশ্যকীয় সঁজুলিৰ অভাৱত তাকো সুৱলাকৈ সজাই সৰ্বসাধাৰণৰ আগত ধৰিব পৰা নহ'ল। তাক সম্পূৰ্ণ কৰিব লাগিলে যিবিলাক পুথিৰ নাম দিয়া হৈছে সেইবোৰক আদ্যোপান্ত পঢ়িব পাৰিব লাগে। পুথিৰ ভিতৰলৈ সোমাই তাৰ চাৰি চুক মাৰি চাবলৈ নাপালে পুথিৰ বিষয়, লেখাৰ কাল, গ্ৰন্থকৰ্তা প্ৰভৃতি নিৰূপণ কৰিবলৈ আশা কৰা বৃথা। সেইবোৰ পুথিৰ বিষয়ে আন আন যিবিলাক কথা জনা নিতান্ত আৱশ্যক তাকো সবিশেষ জানিব নোৱাৰি ইয়াত এৰিব লগা হ'ল। এইবিলাক অভাৱ আৰু অসুবিধাৰ বাবে এই তালিকাত মাত্ৰ এটা নম্বৰ ধৰি বৰ্ণমালা অনুসাৰে পুথিৰ নামবিলাক সজোৱা হৈছে। পুথি গদ্য নে পদ্য ভাষাত লিখা, ছপা নে নছপা, গ্ৰন্থকৰ্তাৰ নাম, ক'ত পোৱা যায় ইত্যাদি গোটাদিয়েক লাগতিয়াল কথা যিমান পৰা যায় দিয়া হৈছে। চাবলৈ গলে আমাৰ এই তালিকা নিচেই অসম্পূৰ্ণ। দেশৰ জনা-বুজা সকলো লোকে এই তালিকা পঢ়ি চাই ইয়াৰ আৱশ্যকতা বুজি ইয়াক সম্পূৰ্ণ কৰিবলৈ যেন আমাক সহায় কৰে এয়ে ভৰসা। তেওঁলোকৰ বহুতে মন কৰিলে অলপ পৰিশ্ৰম কৰি আমাৰ

অনেক পুৰণি পুথিৰ নাম আৰু বৃত্তান্ত গোটাব পাৰে। স্বদেশ আৰু স্বজাতিৰ গৌৰৱ ৰক্ষা কৰিবলৈ বাঞ্ছা কৰা প্ৰত্যেকেই এই কাৰ্য্যত হাত দিয়া উচিত। তেওঁলোকে এনেবিলাক বিৱৰণ গোটাই আমাক জানিবলৈ দিলে পিচত আমি এই তালিকা সম্পূৰ্ণ কৰি প্ৰকাশ কৰিবলৈ গাত ললোঁ। আৰু এটি কথা এই যে আমাৰ দেশৰ পুৰণি পুথিবিলাক বা সেইবিলাকৰ বৃত্তান্ত অনুসন্ধান কৰাৰ দ্বাৰাই আমাৰ বুৰঞ্জী সম্বন্ধেও বহুত কথা জনা যাব। আমি দেখি বৰ সন্তোষ পাইছোঁ যে সম্প্ৰতি আমাৰ গৱৰ্ণমেণ্টে অসমৰ বুৰঞ্জীৰ বিষয়ে লিখা পুৰণি পুথিবিলাক গোটাবলৈ যত্ন কৰিছে। চাবলৈ গলে এইদৰে বুৰঞ্জী গোটোৱা আমাৰহে কাম আছিল। এতিয়া আমি আমাৰ নিজৰ কৰ্তব্য নিজে সাধিব নোৱাৰাত গৱৰ্ণমেণ্টে আমাৰ সলনি সেই কামত হাত দিছে। যাতে গৱৰ্ণমেণ্টে সুকলমে এই কাম কৰি উঠিব পাৰে এইবাবে আমাৰ দেশৰ জনাবুজা সকলোৱে যত্ন কৰিব লাগে। যি দেশত আমি পুৰুষানুক্ৰমে বাস কৰিছোঁ, যি দেশ আমাৰ জন্মভূমি, যি দেশৰ ৰাজকাৰ্য্যত আগৰ দিনত আমাৰ পূৰ্ব-পুৰুষবিলাকে ভাগ লৈছিল, সেই দেশৰ পূৰ্ব ইতিহাসৰ সজুঁলি গোটোৱা যে আমাৰ এটি মুখ্য কাম ইয়াক বঢ়াই কোৱা বাহুল্য মাথোন।

শেষত কওঁ যে এই তালিকাত থকা সৰহভাগ পুথিৰ নাম আদি জানিব-লগীয়া বৃত্তান্ত দি অসমৰ কেবাজনো জনাশুনা ভদ্ৰলোকে আমাৰ সভাক সহায় কৰিছিল; সেইবাবে সভাই অন্তৰেৰে সৈতে তেওঁবিলাকৰ শলাগ লৈছে। আৰু এই তালিকাখনি ছপোৱা সম্পৰ্কে উত্তৰ লক্ষীমপুৰৰ শ্ৰীযুত পাণীন্দ্ৰনাথ গগৈয়ে আৰু বৰ্তমান কলিকতাত থকা অসমীয়া ভদ্ৰলোকসকলে আথিক সহায় কৰাত তেওঁ-বিলাকৰ ওচৰতো সভা চিৰকাললৈ কৃতজ্ঞতা পাশত বান্ধ খাই থাকিব।

---

* অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ দ্বাৰা সংগৃহীত আৰু প্ৰকাশিত অসমীয়া পুথিৰ তালিকা'ৰ আগ কথা বা কবলগীয়া কথা।

১৮১৭ শক ফাগুণ, ১৮৯৬ খৃঃ

ৰমাকান্ত বৰকাকতি বি-এ, বি-এল
কনকলাল বৰুৱা বি-এ
যুটীয়া সম্পাদক।

অসমীয়া ভাষা উন্নতি সাধনী সভাৰ কাৰ্য্য-বিৱৰণ

৫ম-৭ম বছৰ

আৰম্ভণ :—১৮১০ শকৰ ভাদৰ জন্মাষ্টমীৰ সময়ত এই সভাৰ জন্ম। এতিয়া ১৮১৭ শকৰ ভাদমাহ। সেই লেখমতে সভাৰ ৭ম বৰ্ষ উকলি এতিয়া ৮ম বছৰত ভৰি দিছে। এই সপ্তম বাৰ্ষিক জন্মোৎসৱৰ উপলক্ষে জয়জয়তে আমি পৰম পবিত্ৰ মঙ্গলময় প্ৰভু পৰমেশ্বৰৰ ওচৰত কৃতজ্ঞ হৃদয়েৰে আমাৰ আন্তৰিক ভক্তি জনাওঁ আৰু এই ক্ষুদ্ৰ সভাৰ হিতাকাংক্ষীসকলৰ কায়মনোবাক্যে শলাগ লওঁ আৰু গোহাৰি কৰোঁ যেন তেওঁবিলাকে আগলৈকো যাতে এই সভাৰ উন্নতি হয় তালৈ যত্ন কৰিবলৈ পাছ হুহকি ককাঁলত কাপোৰ বান্ধি দুগুণ উৎসাহেৰে কৰ্তব্য কাৰ্য্যত ধৰে। আমাৰ সভা যদিও নিতান্ত ক্ষুদ্ৰ তথাপি তাৰ উদ্দেশ্য অতি মহৎ। সভাৰ সেই মহৎ উদ্দেশ্য বিলাকলৈ চকু ৰাখিহে সকলোৱে কাৰ্য্য কৰা উচিত।

জন্মৰ সংক্ষেপ বিৱৰণ :—অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ শুৰি নিচেই সৰু। কলিকতাত থকা অসমীয়া ছাত্ৰসকলৰ "টি পাৰ্টি" (অৰ্থাৎ চাহ খোৱা মেল) নামেৰে এখন সন্মিলনী আছিল। সেই সন্মিলনীৰ অধিবেশন বিলাকত দেশহিতকৰ ভাল ভাল বিষয়ৰো অলপ অলপ আলচ হৈছিল। কথা-প্ৰসঙ্গত এদিন সেই আলচৰ ফল স্বৰূপে এই অসমীয়া ভাষা উন্নতি সাধিনী সভাৰ জন্ম হয়। ১৮১০ শকৰ ভাদ মাহতে (ইংৰাজী ১৮৮৮ চনৰ ২৫ আগষ্ট তাৰিখে) ৬৭ নং মিৰ্জাপুৰ ষ্ট্ৰীটৰ বহাত এই সভাৰ প্ৰথম অধিবেশন হয়।

উদ্দেশ্য :—যেনে তেনে প্ৰকাৰে অসমীয়া ভাষা আৰু অসমীয়া সাহিত্যৰ উন্নতি কৰাই এই সভাৰ মুখ্য উদ্দেশ্য। কুমলীয়া মাতৃভাষা কেনেকৈ ডাঙৰ দীঘল হৈ পৃথিৱীৰ আন আন উন্নতিশীল ভাষাৰ সমান হ'ব পাৰিব, তাৰ উপায় সাধনেই এই সভাৰ একমাত্ৰ অভিপ্ৰায়। এই উদ্দেশ্য সাধন কৰিবলৈ সভাই অসমীয়া পুথি-বিলাক একে ঠাইতে গোটাই পুৰণি পুথিবিলাক যাতে নষ্ট নাপায় আৰু ক্ৰমে ছপা হৈ প্ৰকাশিত হয় তাৰো চেষ্টা কৰিব। আজিলৈকে যিমান পুথিৰ নাম সভাই জানিব পাৰিছে, তাৰ এটি তালিকা প্ৰকাশ কৰিবলৈ ধৰিছে। "অসমৰ সকলো বিধৰ পঢ়াশালিতে যাতে অসমীয়া ভাষা প্ৰচলিত কৰা হয়, আৰু অসমীয়া ল'ৰা-ছোৱালীয়ে যাতে নিজ নিজ ভাষা সুকলমে পঢ়িবলৈ পায়, তাৰ নিমিত্তে অসমৰ শিক্ষা বিভাগৰ অধিকাৰসকলৰ মনোযোগ আকৰ্ষণ কৰা; লেখা-পঢ়াৰ কাৰ্য্যত অশুদ্ধ ব্যাকৰণ,

অশুদ্ধ বৰ্ণবিন্যাস ক্ৰমে লোপ কৰি তাৰ স্থলত পৰিশুদ্ধ ভাষা ব্যৱহাৰ কৰিবলৈ, পঢ়াশালি আদিত দূষিত ভাষাৰ পুথিৰ সলনি শুদ্ধ ভাষাৰ পুথি চলাবৰ নিমিত্তে আন্দোলন কৰিবলৈ, শ্ৰীধৰ কন্দলি, শঙ্কৰদেৱ আদি পুৰণি গ্ৰন্থকাৰ আৰু কবিসকলৰ জীৱনী আৰু তেওঁবিলাকে লিখা পুথিবিলাকৰ টান টান ভাগৰ টীকা-টিপ্পনী লেখিবলৈ আৰু দোষ-গুণৰ আলচ কৰিবলৈ, আমাৰ ভাষাত নোহোৱা লাগতিয়াল পুথিবিলাক সংস্কৃত বা আন ভাষাৰপৰা অনুবাদ কৰি বা সংক্ষিপ্ত সাৰ-সংগ্ৰহ কৰি আমাৰ ভাষালৈ আনিবলৈ অসমৰ আগৰ দিন বা এতিয়াৰ যিবিলাক ধৰ্মনীতি সমাজনীতি, ৰাজনীতি আৰু মেল গাঁও-ভুইৰ আনুপূৰ্বিক বৃত্তান্ত আছে তাক সংগ্ৰহ কৰি এখনি প্ৰকৃত বিস্তৰ বুৰঞ্জী লেখিবলৈ, দেশৰ ইতৰ সাধাৰণ সকলো শ্ৰেণীৰ মানুহৰ ভিতৰত যাতে লেখা-পঢ়াৰ চৰ্চা হয়, তাৰ নিমিত্তে উজু উপায় উলিয়াবলৈ, বাতৰি কাকতৰ প্ৰতি লোকৰ আগ্ৰহ বঢ়াবলৈ, আৰু অসমৰ সকলো অঞ্চলতে এটা মাত্ৰ লিখিত ভাষাৰ সৃষ্টি কৰিবলৈ এই সভাৰ যত্ন থাকিব।"

সভাৰ কাৰ্য্যঃ—৫ম আৰু ৬ষ্ঠ বছৰৰ ভিতৰত সভাই উল্লেখ কৰিবলগীয়া কোনো কাম কৰা নাই বুলিলেই হয়। এই দুই বছৰৰ ভিতৰত মাত্ৰ চাৰিটা কাৰ্য্যনিৰ্বাহক সভা আৰু দুটা ঘাই সভা বহে। কাৰ্য্যনিৰ্বাহক সভাত গড়ে প্ৰায় ৮ জনকৈ সভ্য উপস্থিত আছিল। ঘাই সভাত প্ৰায় ২০ জনকৈ আছিল। শ্ৰীযুত পাণীন্দ্ৰনাথ গগৈৰ "ফুলৰ আজলী"ৰ আৰু "ল'ৰা শিক্ষা, মাজহোৱা"ৰ সমালোচনা গ্ৰন্থকাৰলৈ পঠোৱা হয় আৰু নগাঁৱৰ পুথিবছা কমিটীৰ সংশোধনৰ বিষয়ে আলচ কৰি সেই কমিটীৰ বিষয়ে গোটাদিয়েক প্ৰশ্ন কৰি কাৰ কেনে মত তাক জানিবৰ মনেৰে কমিটীৰ চেক্ৰেটৰীকে আদি কৰি সেই মেলত সম্বন্ধ থকা আৰু ভু-ভা পোৱা জনচেৰেক অসমৰ ভদ্ৰলোকলৈ চিঠি দিয়া হৈছিল; কিন্তু সেই সকলৰ জনদিয়েকৰ বাহিৰে অধিকাংশই চৰকাৰী বিষয়া বাবে আজৰি নাপায়েই হওক বা শিক্ষাবিভাগৰ কৰ্ত্তৃপক্ষসকললৈ সংশয় কৰিয়েই হওক বা অন্য কোনো কাৰণতেই হওক আমাৰ কথালৈ আওকাণ কৰি চিঠিৰ একো প্ৰত্যুত্তৰ নিদিলে। যিসকলে উত্তৰ দিছিল, তেওঁবিলাকে কমিটীৰ শোচনীয় অৱস্থাৰ কথা লেখি কমিটীক স্থানান্তৰ আৰু সংস্কাৰ কৰিবলৈ খাটাংকৈ মত দি যাতে এই কামৰ সোনকালে সিদ্ধি হয় তাৰ নিমিত্তে আমাৰ সভাক প্ৰাণটাকি চেষ্টা কৰিবলৈ কৈছিল আৰু তেওঁবিলাকেও সেই কাৰ্য্যত আমাক সম্পূৰ্ণ সহায় কৰিবলৈ সাজু আছিল। এনে বিষয়ত হাত দিবৰ হলে আগেয়ে আমাৰ গুৰি শকত নকৰিলে দেশীয় জনাবুজা ভদ্ৰলোকসকলৰে সৈতে একেলগে হ'ব নোৱাৰিলে বা তেওঁবিলাকৰ দ্বাৰাই দেশৰপৰাই এনেকুৱা কাৰ্য্য কৰাব নোৱাৰিলে ফল পোৱা অতি টান যেন দেখি আমি তাক সম্প্ৰতি স্থগিত ৰাখিবলৈ বাধ্য হলোঁ।

সপ্তম বছৰৰ ভিতৰত কোনো কাৰ্য্যনিৰ্বাহক সভাৰ আৱশ্যক নোহোৱাত অধিবেশন হোৱা নাছিল। ঘাই সভা পযেকে পযেকে বহাৰ নিয়ম কৰি এই বছৰৰ ভিতৰত মুঠে ১২টা অধিবেশন হৈছিল। তাত গড়ে ১৩ জনকৈ সমজুৱা উপস্থিত আছিল। আৰু তাত লেখা বিষয়বিলাকৰ ৰচনা পাঠ আৰু আলোচনা হৈছিল।

বিষয়	ৰচনা লেখক
আৰিমত্ত ৰজাৰ বংশাৱলী আৰু আখ্যান	— শ্ৰীযুত ৰমাকান্ত বৰকাকতী, বি-এল।
সাহিত্য আৰু সভ্যতাৰ সম্বন্ধ	— শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা।
পুৰণি কামৰূপৰ বিষয়ে কিছুমান কথা	— শ্ৰীযুত কনকলাল বৰুৱা, বি-এ।
আসামত আৰ্য্যবিলাকৰ বসতি আৰু তেওঁবিলাকৰ ভাষা	— শ্ৰীযুত সোণাৰাম চৌধুৰী।
অসমীয়া ভাষা আৰু বঙালী ভাষা	— শ্ৰীযুত ৰমাকান্ত বৰকাকতী, বি-এল।
আমাৰ বৰ্তমান অৱস্থা	— শ্ৰীযুত যোগকান্ত বেজবৰুৱা।
অসমীয়া ভাষা (১ম বক্তৃতা)	— শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা, বি-এ।
অসমীয়া বৰ্ণমালাৰ অভাৱ	— শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা।
অসমীয়া ভাষা আৰু বঙালী ভাষা	— শ্ৰীযুত ৰমাকান্ত বৰকাকতী, বি-এল।
অসমীয়া ভাষা (২য় বক্তৃতা)	— শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা, বি-এ।
ঐ (৩য় বক্তৃতা)	— ঐ
দুই জাতি (কেওঁট আৰু কলিতা)	— শ্ৰীযুত সোণাৰাম চৌধুৰী।

ইয়াৰ বাহিৰেও এই বছৰত স্বৰ্গীয় আনন্দৰাম চেকিয়াল ফুকনৰ জ্যেষ্ঠ পুত্ৰ ডাক্তৰ শ্ৰীযুত ৰাধিকাৰাম চেকিয়াল ফুকন ২২ বছৰ ইউৰোপত থাকি দেশলৈ অহাত তেওঁক অভ্যৰ্থনা কৰিবলৈ এটা বিশেষ অধিবেশন হৈছিল। তাত সমজুৱা আৰু দৰ্শক মুঠতে ৪৫ জন উপস্থিত আছিল।

সাল-সলনি ঃ—৫ম আৰু ৬ষ্ঠ বছৰত শ্ৰীযুত ৰমাকান্ত বৰকাকতী, বি-এল সভাৰ সম্পাদক আছিল। ৫ম বছৰত শ্ৰীযুত লক্ষ্মীনাথ বেজবৰুৱা ধনৰ্ভঁৰালী আৰু শ্ৰীযুত কৃষ্ণপ্ৰসাদ গুপ্ত সহকাৰী সম্পাদক আছিল। সপ্তম বছৰৰপৰা শ্ৰীযুত ৰমাকান্ত বৰকাকতী, বি-এল আৰু শ্ৰীযুত কনকলাল বৰুৱা, বি-এ দুয়ো সহযোগী সম্পাদক ৰূপে কাৰ্য্য কৰে। শ্ৰীযুত লক্ষেশ্বৰ শৰ্মা, বি-এ ধনৰ্ভঁৰালী আৰু শ্ৰীযুত চন্দ্ৰধৰ বৰুৱা সহকাৰী সম্পাদক কামত থাকে।

অসমীয়া পুথি ঃ—সভাৰপৰা যি অসমীয়া পুৰণি আৰু ন পুথিৰ তালিকা গোটোৱা হৈছিল বৰ ৰঙৰ কথা যে আজিলৈকে ৭১৩ খন পুথিৰ লেখ পোৱা হৈছে। আমাৰ দেশৰ ভদ্ৰলোকসকলে অলপ মন-কাণ কৰা হলে এতেদিনে সেই তালিকাৰ লেখ যে দুগুণ হ'লহেঁতেন তাত অকণো সন্দেহ নাই। কিন্তু যি পোৱা হৈছে তাকে অধিকাংশ সমজুৱাৰ অনুৰোধত সভাই সম্প্ৰতি প্ৰকাশ কৰিবলৈ ইচ্ছা কৰি ছপাখানাত দিছে।

পুথিভঁৰাল ঃ—দুখৰ কথা আমাৰ পুথি ভঁৰালৰ ফালে গ্ৰন্থকাৰসকলৰ কৃপাদৃষ্টি নথকাত তাৰ অৱস্থা আগতকৈ বেছি পুৰঠ হোৱা নাই। মুঠে আজিলৈকে ৭১ খনি পুথি হৈছে। সভাই আশা কৰিছে যেন গ্ৰন্থকাৰ আৰু প্ৰকাশকসকলে সভালৈ নিজে ৰচা কি প্ৰকাশ কৰা পুথি একোখনি দি সভাৰ প্ৰতি তেওঁবিলাকৰ

সহানুভূতি দেখুৱাবলৈ পাছ নোহোঁহকে। তলত লেখা মহোদয় সকলৰপৰা পুথি দান পাই সভাই সন্তোষেৰে শলাগ লৈছে; ৺দীননাথ বেজবৰুৱা, শ্ৰীযুত বেণুধৰ ৰাজখোৱা, শ্ৰীযুত শিৱদেৱ গোস্বামী, শ্ৰীযুত শ্ৰীধৰচন্দ্ৰ বৰুৱা আৰু শ্ৰীযুত পানীন্দ্ৰ-নাথ গগৈ। শ্ৰীযুত বৰদাপ্ৰসাদ চলিহাই শ্ৰীযুত হেমচন্দ্ৰ বৰুৱাৰ "অসমীয়া ভাষাৰ ব্যাকৰণ"খনি সুন্দৰকৈ সোণালী আখৰ দি বন্ধাই দিয়াৰ বাবে সভাই তেওঁৰ শলাগ লৈছে। "জোনাকী" কাকত সভাৰ কামত সদায় ব্ৰতী আৰু সভাই সেই কাকত নিয়মিত ৰূপে পাই আছে; সেইবাবে সেই কাকতৰ সম্পাদক, প্ৰকাশক আৰু পৰাকী, সকলোৰে সভাই শলাগ লৈছে।

শোক:—এই কেবছৰৰ ভিতৰত বত্নেশ্বৰ মহন্ত, ৰত্নধৰ বৰুৱা, বি-এল, গুণাভিৰাম বৰুৱা আৰু দীননাথ বেজবৰুৱাক হেৰুৱাই সভাই বৰ শোক প্ৰকাশ কৰিছে। ৰত্নধৰ বৰুৱা, বি-এল এই সভাৰ এজন সংস্থাপক আছিল। ৺গুণাভি-ৰাম বৰুৱা এই সভাৰ উন্নতিৰ অৰ্থে কিমান চেষ্টাত আছিল তাক কলিকতা বিশ্ব-বিদ্যালয়ৰ ভাইচ চেন্সেলৰ সুযোগ্য মহাত্মা চাৰ আলফ্ৰেদ্ ক্ৰফট্ চাহাব বাহাদুৰে গত বাৰ্ষিক অধিবেশনত (Convocation) নিজ মুখেই বৰ্ণাইছে। ৺দীননাথ বেজ-বৰুৱা আৰু বত্নেশ্বৰ মহন্ত দুয়ো আমাৰ সভাৰ প্ৰধান পৃষ্ঠপোষক আছিল।

সামৰণি:—সাৰশেষত সভাই কাৰ্য্যকাৰক, সমস্তুৰা আৰু সভাৰ মঙ্গলা-কাংক্ষীসকলক আন্তৰিক কৃতজ্ঞতা আৰু শলাগ জনাইছে। আৰু শিৱসাগৰত অসমীয়া ভাষাৰ উন্নতিৰ অৰ্থে সেই ঠাইৰ বহুত জনাবুজা ভদ্ৰলোক গোটখাই আমাৰ সভাৰ নামেৰেই আৰু প্ৰায় একে উদ্দেশ্যেৰেই এখনি সভা স্থাপন কৰা শুনি এই সভাই বিশেষ আহলাদিত আৰু দুগুণ উৎসাহিত হৈছে। শ্ৰীযুত তুলসীৰাম দেব-শৰ্মা বৰুৱা তাৰ বৰ্তমান সম্পাদক। আমাৰ সভাৰপৰা বহুত চেষ্টা কৰিও যিবিলাক কাম সুকলমে হৈ নুঠিল সেইবিলাক কামাত সেই সভাই হাত দিয়া দেখি আমাৰ সভাই বৰ বং পাইছে। শ্ৰীযুত হেমচন্দ্ৰ বৰুৱা ডাঙৰীয়াৰ পড়াশলীয়া অভিধানখনি ছাপিবৰ নিমিত্তে যত্ন কৰা দেখি আমাৰ সভাই বিশেষ আনন্দ পাইছে, কিন্তু বৰখনি ছপা কৰিবলৈ ধৰা হলেও সেই সভাই সহজে কাৰ্য্য সিদ্ধি কৰিব পাৰিলেহেঁতেন; সেইখিনি যে বিশেষ লাগতিয়াল তাক লেখা বাহুল্য মাথোন। তাত বাজে অসমীয়া স্কুলবিলাকত যাতে অধিকৰূপে অসমীয়া পুথি প্ৰচলিত হয় তাৰ নিমিত্তে কৰ্তৃপক্ষসকললৈ এখনি দৰখাস্ত কৰা শুনিও সভাই সন্তোষ পাইছে। আমাৰ মনেৰে অসমৰ সকলো জিলাতে তেনে একোখনি সভা কৰা আৱশ্যক। বিশেষকৈ ডিব্ৰুগড়, গুৱাহাটী আৰু বৰপেটাত তেনে সভা যিমান সোনকালে হয় সিমানে ভাল। বাকীকেইখনি ঠাইনীত তেনে সভা কৰিব নোৱাৰিলে সেই সেই জিলাৰ দেশহিতৈষী ভদ্ৰলোকসকলে সেইদৰে বেলেগ সভা কৰিব নোৱাৰে মানে শিৱ-সাগৰ সভাৰ সভ্য শ্ৰেণীত ভুক্ত হোৱা একান্ত বাঞ্চনীয়। এনে আপদৰ সময়ত আৰু এনে এটি লাগতিয়াল কথাত যদি আমাৰ জনাবুজাসকলে একমত হৈ যোগ দিব নোৱাৰে তেন্তে অসমীয়া মানুহৰ মুখৰ ভাত বিদেশীয়ে কাঢ়ি খাব তাত আৰু একো আচৰিত নাই। কৰ্তৃপক্ষসকলে আমাৰ মানুহক চিয়া-বজীয়া দেখি অসমীয়া

ভাষাৰ শত্ৰু বিলাকক ক্ৰমে “ছুল পাই চাপৰি বজাবলৈ” লাই দিয়া দেখি আমি মৰণান্তিক হৈছোঁহক। উপজিবৰেপৰা যি ভাষাত মনৰ ভাব প্ৰকাশ কৰিবলৈ লোকে শিকে সেই ভাষা পাহৰাই কুমলীয়া ল'ৰাক আন দেশৰ বেবেৰিবাং ভাষা শিকোৱা কোনেও ক'তো দেখা শুনা নাই। কিন্তু আমাৰ দেশৰ শিক্ষাবিভাগৰ কৰ্তৃপক্ষসকলৰ আওকাণত আমি এতিয়া তেনে কথা আমাৰ গাতে ফলিওৱা দেখিব লগাত পৰিছোঁহক। এতেকে আমি ন্যায়, ধৰ্ম আৰু সজ-নীতিৰ দোহাই দি কৰ্তৃপক্ষসকলক কাতৰ হৈ জনাওঁ যেন তেওঁবিলাকে ভাষাৰ বাটত হুল জোং ন-নকৈ নুপুতি আগৰ-বোৰো উঘালি বাট বহল কৰি দেশৰ উপকাৰ চিন্তে আৰু স্বদেশী ভদ্ৰলোকসকলৰ ওচৰতো বিশেষ মিনতি কৰি জনাওঁ যেন তেওঁবিলাকে আৰু হাত সাবটি নাথাকি মাতৃ-ভাষাৰ উন্নতিৰ অৰ্থে প্ৰাণ টাকি যত্ন কৰে।

গ্ৰাহ্য হ'ল
শ্ৰীগোলাপচন্দ্ৰ বেজবৰুৱা
৮।৯।৯৫

শ্ৰীৰমাকান্ত বৰকাকতি
শ্ৰীকনকলাল বৰুৱা
সহযোগী সম্পাদক।

BIBLIOGRAPHY OF WRITINGS IN ENGLISH

BY K L BARUA

A Contents of
Studies in the Early History of Assam,
edited by Dr Maheswar Neog

JARS—*The Journal of the Assam Research Society*, Gauhati
IC—*Indian Culture*, Calcutta

Some notes on Assam coins
JARS, Vol I, No 2, July 1933, pp 33-35

Stray notes on Buchanan's Account of Assam
JARS, Vol I, No 2, July 1933, pp 44-46

Kamarupa in the sixth century A D
JARS, Vol I, No 3, October, 1933, pp 55-68

Kamarupa in the seventh century A D
JARS, Vol I, No 4, January 1934, pp 97-103

Dr Hutton on the origin of races and religions in India
JARS, Vol I, No 4, January 1934, pp 106-09

The Kamarupa era
JARS, Vol II, No 1, April 1934, pp 6 7

The Hatimuria temple in Nowgong
JARS, Vol II, No 1 April 1934 p 12

Kamarupa in the eighth century
JARS, Vol II, No 1, April 1934, pp 19-23

Was there a Buddhist temple at Hajo ?
JARS, Vol II, No 2, July 1934, pp 39-44

Kamarupa and Vajrayana
JARS, Vol II, No 2, July 1934, pp 44-49

A manuscript of the sixteenth century

JARS, Vol II, No 2, July 1934, pp 51-52

Prasioi and Gangaridai

JARS, Vol II, No 2, July 1934, pp 52-54

The date of Saraha

JARS, Vol II, No 3, October 1934, p 85

Note on some ancient ruins

JARS, Vol II, No 4, January 1935, pp 104-05

Origin of the Bhauma kings of Orissa

JARS, Vol II, No 4, January 1935, p 106

Kausika and Kusiara

IC, Vol I, No 3, January 1935, pp 421-32

Kamarupa in the ninth century A D

JARS, Vol III, No 1, April 1935, pp 2-5

Kausika and Kausiki

JARS, Vol III, No 1, April 1935, pp 19-21

Purusottama Vidyavagisa

JARS, Vol III, No 1, April 1935, pp 32-34

Nagar Brahmans and Sylhet (A rejoinder)

IC, Vol I, No 4, April 1935, pp 701 02

Stemming of the tide of Muslim conquest in Eastern India

JARS, Vol III, No 2, July 1935, pp 247-59

Name of Assam, an explanation

JARS, Vol III, No 2, July 1935, pp 60-62

Some more Kamarupa seals in Nalanda

JARS, Vol, III, No 2, July 1935, p 62

Kausika or Kausiki

IC, Vol II, No 1, July 1935, pp 139-40

Kausiki and Kusiara (A rejoinder)

IC, Vol II, No 1, July 1935, p 171

The ancient Tripura kingdom in the Kapili valley

JARS, Vol III, No 3, October 1935, pp 92-98

A Koch hero of the seventeenth century A D

JARS, Vol III, No 3, October 1935, pp 98-101

Amherst's collection of Assamese coins

JARS, Vol III, No 4, January 1936, pp 128-29

A rejoinder

JARS, Vol IV, No 1, April 1936, pp 15-18

An Assamese source of Moghul history

JARS, Vol IV, No 1, April 1936, pp 27-30

The Maharaja of Koch Behar

JARS, Vol IV, No 2, July 1936 pp 50-52

Alpines in Eastern India

IC, Vol III, No 1, July 1936, pp 161-71

Another rejoinder

JARS, Vol IV, No 3, October 1936, pp 67-69

Clay seals of Bhaskaravarman

JARS, Vol IV, No 4, January 1937, pp 89-93

Kamarupa in the Markandeya-Purana

JARS, Vol V, Nos 1-2, April-July 1937 pp 8-14

Mirza Nathan's narrative

JARS, Vol V, No 3, October 1937, pp 65-79

Seventeenth century Portuguese travellers in Assam

JARS, Vol V, No 3, October 1937, pp 85-93

The Pala kings of Kamarupa

IC, Vol III, No 2, October 1937, pp 263-64

Uttarakuladesa

JARS, Vol V, No 4, January 1938 pp 113 15

An unjust accusation

JARS, Vol V, No 4, January 1938, pp 118-21

Human sacrifice in Assam

JARS, Vol V, NoI 1, April 1938, pp 4-11

Genealogical lists of the Pragjyotisha dynasties

JARS, Vol VI, No 1, April 1938, pp 12-17

Iran and Eastern India

JARS, Vol VI, No 2, July 1938, pp 37-53

Metallic icons found at Alipurnagar

JARS, Vol IV, No 2, July 1938, pp 57-58

The Gupta era

IC, Vol V, No 1, July 1938, p 114

History behind a phonetic difficulty

JARS, Vol. V, No 3-4, October 1938 & January 1939, pp 67-74

Some noted mediaeval Kamarupi authors and their works
JARS, Vol VI, No 3-4, October 1938 & January 1939, pp 75-86
Pre-historic culture in Assam
JARS, Vol VII, No 1, April 1939, pp 6-18
JARS, Vol VII, No 2, July 1939, pp 35-41
Kamarupa and Kautilya Addendum
JARS, Vol VII, No 1, April 1939, pp 29-34
Were there Indian colonists from Assam in Indo-China ?
JARS, Vol VII, No 2, July 1939, pp 57-63
Two newly discovered ancient inscriptions in Assam
JARS, Vol VII, No 3, October 1939 pp 71-72
Ksauma, dukula and patrorna
JARS, Vol VII, No 3, October 1939, pp 77 81
Was Kautilya an Easterner ?
JARS, Vol VII, No 3, October 1939, pp 83-86

Reviews

Kamrupa-sasanavali
JARS, I 1, April 1933, pp 30-31
The Cottonian
JARS, I 1, April 1933, p 31
Vangasri
JARS, I 1, April 1933 pp 31-32
Asamiya Bhashar Maulik Vichar aru Sahityar Cninaki
JARS, I 3, October 1933, pp 88-90
Indian Historical Quarterly (March 1933, Haraprasad Memorial Number)
JARS, I 3, October 1933, pp 91-92
Journal and Proceedings of the Asiatic Society of Bengal (New Series, Vol XXVIII, 1932, No I)
JARS, I 4, January 1934, pp 118 121
Social History of Kamrupa (Vol III)
JARS, I 4, January 1934, pp 121-122
History of North-Eastern India
JARS, I 4, January 1934, pp 122 128
The Calcutta Review (Vol 51, No 1, April 1934)
JARS, II 1, April 1934, pp 24 25

Journal of Andhra Historical Society (Vol VIII, Parts 2 & 3)

JARS, II 1, April 1934, pp 25-27

The Land System in South India

JARS, II 1, April 1934, p 27

Rajavallabha

JARS, II 1, April 1934 pp 27-28

Bulletin No 2 of the Department of Historical and Antiquarian Studies, Assam

JARS, II 1, April 1934, pp 28-30

Indian Historical Quarterly (Vol X, No 3)

JARS, II 3, October 1934, pp 85-87

Avahan (Vol VI, No 2)

JARS, II 4, January 1935, pp 107-110

An Imperial History of India in a Sanskrit Text

JARS, III 1, April 1935, pp 34 36

Asam o Vangadeser Vivaha-paddhati

JARS, III 1, April 1935, pp 36-37

Indian Culture (Vol II, No 1)

JARS, III 2, July 1935 pp 69-73

Journal of Royal Asiatic Society (January and April 1935)

JARS, III 2, July 1935 pp 73-74

The Wild Tribes in Indian History

JARS, III 3, October 1935, pp 102-103

Indian Historical Quarterly (Vol XI, No 2)

JARS, III 3, October 1935, p 103

Racial Affinities of the Peoples of India

JARS, III 4, January 1936, pp 129-132

Journal of the Asiatic Society of Bengal (Vol I, 1935, No 3)

JARS, IV 1, April 1936, p 30

Indian Historical Quarterly (Vol XII, No 1, March 1936)

JARS, IV 1, April 1936, p 30

Assamese Grammar and Origin of the Assamese Language

JARS, IV 3, October 1936, pp 80-81

Indian Historical Quarterly (June 1936)

JARS, IV.3, October 1936, pp 81-82

Indian Historical Quarterly (September 1936)

JARS, IV.3, October 1936, p 8

Archaeological Survey of India Report for 1930-34
JARS, IV 4, January 1937, pp 103-104
Indian Historical Quarterly (December 1936)
JARS, IV 4, January 1937, pp 105-106
The Aryan Trail in Iran and India
JARS, V 4, January 1938, pp 122-125
Art and Archaeology Abroad
JARS, VI 1, April 1938, pp 30-31
Tattvasamgraba of Santa akshita
JARS, VI 2 July 1938, pp 59-60
Aims and Ideals of Ancient India
JARS, VI 2 July 1938 pp 60-61
Indian Historical Quarterly (Vol XIV, No 4, December 1938)
JARS, VII 2, July 1939, pp 65-68
Indian Historical Quarterly (Vol XV, No 1, March 1939)
JARS, VII 2, July 1939, p 68
Journal of the Indian Anthropological Institute
JARS, VII 2, July 1939, pp 68-69
Indian Culture (Vol V, No 4)
JARS, VII 3, October 1939, pp 88-91
Indian Historical Quarterly (Vol XV, No 2, June 1939)
JARS, VII 3, October 1939, pp 91-92

My Reminiscences (not hitherto published) 2 Chapters only

B Reviews not included in Studies in the Early History of Assam

Asamar Padya-buranji or Kalibbharat Buranji (Dutiram Hazarika, ed S K Bhuyan, D H A S, Assam) JARS, I 4, January 1934, p 122

Tungkhungia Buranji (Srinath Barbarua, tr S K Bhuyan, D H A S, Assam) JARS, I 4, January 1934, p 122

Indian Culture (Vol 1, No 1), JARS, II 2, July 1934, p 55

Review of Philosophy and History (Vol IV, Nos 1 and 2), JARS, II 2, July 1934, p 55

Department of Education Baroda State Lecture Series 1933-34 Lecture No 1 History of Vaisnavism in India ; Lecture No II : Rasalila of Sri-Krishna (L N Bezbaroa), JARS, II,2, July 1934, p. 56

International Journal on the Science of Yoga, JARS, II 4, April 1934, p 107

Indian Culture (January 1935), JARS, II 4, April 1934, p. 107

Kalyana-kalpataru, JARS, II 4, April 1934, p 107

Indian Historical Quarterly (Vol XI, No 2), JARS, III 3, October 1935, p 103

The Karnataka Historical Review (Vol III, Nos 1 and 2), JARS, III 4, January 1936, p 106

The Kharias (Sarat Chandra Roy and Ramesh Chandra Roy), JARS, V 1-2, April, July 1937, p 62

Oriental Literary Digest (ed S.M Katre), JARS, VI 1, April 1938, p 19

New Catalogus Catalogorum (University of Madras), JARS, VI 1, April 1938, pp 29-30

Aitihasik Parsi Sahitya (in Marathi, by Ganesh Hari Khare Vols 1 & 2, JARS, VI 2, July 1929, pp. 56-61

Ka Syngkhong Jingtip (July and October 1938, Vol. II, Nos 23 , JARS, VII 2, July 1939, p 65

New Asia (Vol I, Nos 1-2), JARS, VII.2, July 1939, p 68

Journal of the Royal Asiatic Society of Bengal (Vol IV, 1938, No 1), JARS, VIII 3, October 1939, pp 92-93

চিত্ৰ : কনকলাল বৰুৱাৰ নিজ বাস-ভৱনৰ সন্মুখত পৰিয়াল আৰু কনকলাল বৰুৱা জন্মশতবাৰ্ষিকী উদ্‌যাপন সমিতি

বৰুৱা ডাঙৰীয়াৰ লগত পাঁচ পুৰুষৰ প্ৰতিনিধিত্ব কৰা পৰিয়ালৰসকলৰ সম্বন্ধচিহ্নত বন্ধনীৰ ভিতৰত নিৰ্দেশ কৰা হ'ল। বাকীসকল সকলো উদ্‌যাপন সমিতিৰ সদস্য বা কৰ্মী।

সন্মুখত থিয় হৈ : কুমাৰী পূৰবী চৌধুৰী (বৰপুত্ৰ অৰবিন্দলালৰ কন্যা নীৰাৰ ছোৱালী), কুমাৰ সঞ্জীৱলাল বৰুৱা (পৌত্ৰ গোবিন্দলালৰ ল'ৰা), ৰাজীৱলাল বৰুৱা (পৌত্ৰী ইৰাৰ ছোৱালী খাতাৰ পুত্ৰ)

বহি : শ্ৰীমতী কিৰণবালা বৰুৱা (বৰবোৱাৰী), শ্ৰীতিলোত্তিকা বৰুৱা (তৃতীয়া বোৱাৰী), শ্ৰীচুনিলাল বৰুৱা (তৃতীয় পুত্ৰ), মহেশ্বৰ নেওগ, শ্ৰীমতী প্ৰেমদা বৰুৱা (পত্নী), শ্ৰীঅতুলচন্দ্ৰ হাজৰিকা, হৰিচন্দ্ৰ ভট্টাচাৰ্য, ৰজনীকান্ত দেৱশৰ্মা, মুৰাৰিচৰণ দাস, অৱনীন্দ্ৰচন্দ্ৰ ৰৰা

পিছফালে মাটিত থিয় হৈ : শ্ৰীনন্দ তালুকদাৰ, ৰামচৰণ ঠাকুৰীয়া, যোগেশ দাস, গুণীন্দ্ৰনাথ ভূঞা, শ্ৰীমতী জুৰেন বৰুৱা (নাতি-বোৱাৰী), উমা বৰুৱা (বৰজীয়ৰী আইদেউৰ জীয়ৰী), খাতা বৰুৱা (পৌত্ৰী ইৰাৰ কন্যা), শ্ৰীপ্ৰসন্নৰাম দাস, কুমাৰী ইৰাণী হাজৰিকা, শ্ৰীযতীন গোস্বামী, শ্ৰীমতী ইৰা দুৱৰা (বৰপুত্ৰ অৰবিন্দলালৰ কন্যা), শ্ৰীদেবেন্দ্ৰনাথ দাস, দুৰ্গেশ্বৰ শৰ্মা, অশ্বিনীকুমাৰ দাস, কনকচন্দ্ৰ ডেকা, সঞ্জীৱলাল বৰুৱা (পুত্ৰ চুনিলালৰ পুত্ৰ), অনন্ত তালুকদাৰ

পিছফালে ওপৰ ওখত থিয় হৈ : শ্ৰীগোবিন্দলাল বৰুৱা (বৰপুত্ৰৰ পুত্ৰ), গোবিন্দচন্দ্ৰ মহন্ত, হৰিনাথ শৰ্মা, হেমন্তকুমাৰ শৰ্মা, অতুল শৰ্মা, দুলাল ডেকা

মন কৰিব লগীয়া : বৰুৱাসকলৰ বাসস্থানেই কনকলালৰ জন্মস্থান। তেওঁ সজোৱা ঘৰটিৰ সন্মুখতে জোৰপুখুৰীৰ দুটীয়া পুখুৰী। একালে উজনাৰা দ'ল। বৰুৱাসকলৰ মতে এই দ'লৰ ঠাইকে কেন্দ্ৰ কৰি আছিল প্ৰাচীন প্ৰাগজ্যোতিষেন্দ্ৰসকলৰ দুৰ্গবেষ্টিত ৰাজধানী দুৰ্জয়া।

পৰিয়াল আৰু উৎসৱ সমিতি